# আধুনিক অসম

## এটি আভাস

### দ্বিতীয় খণ্ড

মুখ্য সম্পাদক
ড° জ্যোতির্ময় জানা

সম্পাদক
ড° মঞ্জু লস্কৰ

Acc. No. 45151
Date 14/12/20

# আধুনিক অসম

## এটি আভাস

দ্বিতীয় খণ্ড

KOHA

মুখ্য সম্পাদক
ড° জ্যোতির্ময় জানা

সম্পাদক
ড° মঞ্জু লস্কৰ

891.45048/JAN
45151

নগাঁও ছোৱালী কলেজ

***ADHUNIK ASOM: ETI ABHAS***
(A Glimpse of Modern Assam)

Vol. 2, of a four volume a collection of essays dealing with some areas and aspects of Assam since 1826

**Chief Editor**
Dr Jyotirmay Jana

**Editor**
Dr Manju Laskar

**Publisher**
Dr Ajanta Dutta Bordoloi
Principal, Nowgong Girls' College
Nagaon, Assam

**ISBN 978-93-85310-09-6**

প্ৰথম প্ৰকাশ
ডিচেম্বৰ, ২০১৫

© গ্ৰন্থস্বত্ব
নগাঁও ছোৱালী কলেজ, নগাঁও, অসম

যিকোনো প্ৰবন্ধত প্ৰকাশিত যি-কোনো তথ্য বা অভিমতৰ বাবে একান্তভাৱে দায়ী সেই প্ৰবন্ধৰ লেখক, মুখ্য সম্পাদক বা সম্পাদক বা প্ৰকাশক নহয়।

মূল্যঃ ৩০০.০০

মুদ্ৰক
গিগাবাইট্‌ছ প্ৰেছ এণ্ড পাব্লিকেশ্যন,
মিলনপুৰ, নগাঁও (অসম)

# প্ৰকাশকৰ একাষাৰ

এক দীঘলীয়া প্ৰচেষ্টাৰ অন্তত চাৰি খণ্ডত সম্পূৰ্ণ *আধুনিক অসম: এটি আভাস* গ্ৰন্থখন প্ৰকাশ কৰিবলৈ পাই নথৈ সুখী হৈছোঁ। এয়া কিতাপখনৰ দ্বিতীয় খণ্ড। শিক্ষা, ক্ৰীড়া, বৈজ্ঞানিক গৱেষণাৰ উপৰি অসমত হোৱা বিভিন্ন ধৰণৰ আন্দোলনবিষয়ক মুঠ এঘাৰটা প্ৰবন্ধ ইয়াত সন্নিৱিষ্ট হৈছে। ১৮২৬ চনত হোৱা য়াণ্ডাবু চুক্তিৰ জৰিয়তে যিখন অসমত আধুনিক যুগৰ সূত্ৰপাত হৈছিল সেইখন অসম যে সকলো ক্ষেত্ৰত আধুনিক হৈছে তেনে নহয়। বহু এলান্ধুকলীয়া চিন্তা, ধ্যানধাৰণা আৰু মূল্যবোধ এতিয়াও অসমৰ জনমানসিকতাৰপৰা আঁতৰা নাই। আনফালে কিছুমান ক্ষেত্ৰত সমাজ ইমান বেছি আধুনিক হৈছে যে সময়ে সময়ে সেই আধুনিকতা অবাঞ্ছিত বুলি অনুভৱ হয়। দৰাচলতে আধুনিক অসমত এফালে যেনেকৈ সুস্থ আৰু স্বাভাৱিক আধুনিকতা আছে ঠিক তেনেকৈ ক'ৰবাত ক'ৰবাত অতিমাত্ৰিক পশ্চাৎপদতা আৰু অত্যাধুনিকতাই বিৰাজ কৰিছে। আমাৰ কিতাপখনৰ কোনো কোনো প্ৰবন্ধত তেনে আভাস নিশ্চয় পোৱা যাব।

*আধুনিক অসম* নামেৰে প্ৰকাশিত আৰু প্ৰকাশ হ'বলগীয়া খণ্ডসমূহৰ বিষয়সূচীত বৈচিত্ৰ্য আনিবলৈ আৰু কিতাপখনক যথাসম্ভৱ সুন্দৰ, মনোগ্ৰাহী আৰু বস্তুনিষ্ঠ কৰি তুলিবলৈ গ্ৰন্থখনৰ মুখ্য সম্পাদক, কলেজখনৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জ্যোতিৰ্ময় জানাৰ তৎপৰতাৰ আমি শলাগ ল'লোঁ। এই ক্ষেত্ৰত তেওঁ কলেজখনৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা তথা কিতাপখনৰ সম্পাদক ড° মঞ্জু লস্কৰৰ সহযোগিতা লাভ কৰিছে। লেখকৰপৰা প্ৰবন্ধ সংগ্ৰহ কৰা, প্ৰবন্ধসমূহ অধ্যয়ন কৰা, তাৰ পিছত সেইবোৰ পৰ্যায়ক্ৰমে সম্পাদনা কৰা আৰু শেষত ছপাশালৰ কাম সম্পন্ন কৰাটো এক দীঘলীয়া প্ৰস্তুতি, যি সম্পূৰ্ণ হৈছে এই দুগৰাকী শিক্ষকৰ একনিষ্ঠতা আৰু প্ৰবল ইচ্ছাশক্তিৰ ফলত। দৰাচলতে এই দুই শিক্ষকৰ অবিৰাম চেষ্টাতেই *আধুনিক অসম* সপোনৰপৰা দিঠকত পৰিণত হ'ল।

নগাঁও ছোৱালী কলেজৰ স্বৰ্ণজয়ন্তী বছৰৰ কাৰ্যসূচীৰ অন্তত— অৰ্থাৎ ২০১২ চনত — কিতাপখন ওলোৱাৰ কথা আছিল। কিন্তু লেখকসকলৰপৰা যথাসময়ত লেখা পোৱা নগ'ল। সেয়েহে কিতাপখনৰ প্ৰকাশত পলম হ'ল।

এতিয়াও প্ৰতিশ্ৰুত বহু লেখা আহিবলৈ বাকী। তথাপি আমি সেইবোৰ লেখাৰ বাবে বৈ নাথাকি কিতাপখন প্ৰকাশ কৰিলোঁ।

মই কিতাপখনৰ মুখ্য সম্পাদক আৰু সম্পাদক দুয়োকে কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ। তিনিকুৰিৰো অধিক লেখকৰ লেখাৰে পৰিপুষ্ট *আধুনিক অসম* কিতাপখনৰ লেখাবোৰ যে সমমানবিশিষ্ট হৈছে তেনে দাবী আমি নকৰোঁ। বৰ্তমান খণ্ডটিত থকা মুঠ এঘাৰটা প্ৰবন্ধও নিশ্চয় সমমানবিশিষ্ট নহ'ব। তথাপি লেখকসকলে আমাৰ অনুৰোধ ৰক্ষা কৰি তেওঁলোকৰ কামকাজৰ মাজত *আধুনিক অসমৰ* বাবে প্ৰবন্ধ ৰচনা কৰি আমাৰ কৃতজ্ঞতাভাজন হৈছে। আমাৰ অনুৰোধ ৰক্ষা কৰি তেওঁলোকে দৰাচলতে এটি জাতীয় দায়িত্ব পালন কৰিলে। সেই কাৰণে তেওঁলোকৰ প্ৰত্যেকৰে শলাগ ললোঁ।

এটা কথা ঠিক, কিতাপখনে আধুনিক অসমৰ সকলো দিশ সামৰিব পৰা নাই। প্ৰকাশিত প্ৰবন্ধবোৰতো প্ৰাসঙ্গিক সকলো তথ্য সুমুৱাব পৰা হোৱা নাই। কিতাপখনত আধুনিক অসমৰ সকলো দিশ সামৰাৰ বা প্ৰকাশিত প্ৰবন্ধবোৰত প্ৰাসঙ্গিক সকলো তথ্য সুমুৱাৰ উদ্দেশ্যও আমাৰ নাছিল। আধুনিক অসমৰ নিৰ্দিষ্ট কিছুমান বিষয় সম্পৰ্কে এটি আভাস দিয়াৰ প্ৰয়াসেৰে আমি কিতাপখন উলিয়াই সহৃদয় পাঠকৰ হাতত তুলি দিলোঁ।

*আধুনিক অসমৰ* চাৰিটা খণ্ড পঢ়ি যদি কোনো পাঠক অকণো উপকৃত হয়, তেন্তে আমি নিজকে কৃতাৰ্থ মানিম।

নগাঁও, অসম
৮ ডিচেম্বৰ ২০১৫

ড° অজন্তা দত্ত বৰদলৈ
অধ্যক্ষা, নগাঁও ছোৱালী কলেজ

# সূচীপত্ৰ


- আগকথা/১
- ঔপনিবেশিক অসমত শিক্ষাব্যৱস্থা: এক বিহঙ্গম দৃষ্টি
  ড° দুলুমণি গোস্বামী/২১
- স্বৰাজোত্তৰ অসমত শিক্ষাৰ অগ্ৰগতি: এক চমু খতিয়ান
  ড° মনোজকুমাৰ চুতীয়া/৩৭
- অসমত বিজ্ঞানৰ গৱেষণা: বিদ্যায়তনিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ তথ্যৰ ভিত্তিত যুগুতোৱা প্ৰতিবেদন
  ড° চন্দ্ৰমোহন শৰ্মা/৬৪
- সময়ৰ বিৱৰ্তনত অসমৰ ক্ৰীড়াক্ষেত্ৰখন: এক অৱলোকন
  সহজানন্দ ওজা/৮৭
- অসমৰ ক্ৰীড়া জগৎ
  সুবোধ মল্ল বৰুৱা/১২০
- অসমত কৃষক-আন্দোলনৰ ধাৰা
  ড° সাগৰ বৰুৱা/১৪৬
- অসমত শ্ৰমিক-আন্দোলনৰ পটভূমি আৰু ধাৰা
  ড° মামণি বৰঠাকুৰ/১৭৭
- অসমত নাৰীমুক্তি আন্দোলন
  ড° মীৰা দেৱী/১৯২
- অসমৰ ছাত্ৰ আন্দোলন: এক ঐতিহাসিক অৱলোকন
  ড° কঙ্কণ ডেকা/২১৭
- আধুনিক অসমত বিজ্ঞান চেতনা আৰু জনবিজ্ঞান আন্দোলন
  ডাঃ জয়দেৱ শৰ্মা/২৪১
- অসমত গণমুখী সাংস্কৃতিক আন্দোলন: এটি অৱলোকন
  অমিয়কুমাৰ দাস/২৬৭
- লেখক-পৰিচিতি/২৮৯

# আগকথা

আধুনিক অসমৰ শিক্ষা আৰু ক্ৰীড়া বিষয়ক কেইটিমান প্ৰবন্ধৰে মুকলি কৰা বৰ্তমান সঙ্কলনটিৰ মাজভাগৰপৰা স্থান পাইছে অসমত হোৱা কেইবাটাও আন্দোলনৰ প্ৰসঙ্গই। এই আন্দোলনবোৰৰ ভিতৰত আছে কৃষক আন্দোলন, শ্ৰমিক আন্দোলন, নাৰীমুক্তি আন্দোলন, ছাত্ৰ আন্দোলনৰ উপৰি জনবিজ্ঞান আন্দোলন আৰু গণমুখী সাংস্কৃতিক আন্দোলনো। আমাৰ প্ৰবন্ধ সঙ্কলনৰ প্ৰথম খণ্ডত অন্তৰ্ভুক্ত হোৱা ড° মনোজকুমাৰ নাথৰ "অসমলৈ প্ৰব্ৰজন: অতীতৰ প্ৰয়োজন আৰু বৰ্তমানৰ শঙ্কা" শীৰ্ষক প্ৰবন্ধত অসমত হোৱা ছবছৰ জোৰা বিদেশী বিতাড়ন আন্দোলনৰ কাৰণখিনি সোমাই আছে। তদুপৰি বৰ্তমান খণ্ডটিত থকা ড° কঙ্কণ ডেকাৰ "অসমত ছাত্ৰ আন্দোলন: এক ঐতিহাসিক অৱলোকন" শীৰ্ষক প্ৰবন্ধত বিদেশী বিতাড়ন আন্দোলনৰ উল্লেখ আছে। তথাপি কেৱল বিদেশী বিতাড়ন আন্দোলনবিষয়ক কোনো সুকীয়া প্ৰবন্ধ গ্ৰন্থখনত অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল কেৱল উপযুক্ত লেখকৰপৰা লেখা নোপোৱা কাৰণে। অসমত ভাষাৰ নামত হোৱা আন্দোলনবোৰৰ বিষয়ে বিশ্লেষণধৰ্মী লেখা বিচাৰি নিৰ্দিষ্ট লেখকক প্ৰবন্ধ ৰচনা কৰিবলৈ কোৱা হৈছিল যদিও তেৰোঁ লেখাটো দিব নোৱাৰিলে। এনে স্থলত আমাৰ সীমিত সামৰ্থ্যৰে যিকেইটা আন্দোলনৰ বিষয়ে প্ৰবন্ধ গোটাব পাৰিছোঁ সেইবোৰকেই কিতাপত অন্তৰ্ভুক্ত কৰি সহৃদয় পাঠকৰ হাতত তুলি দিলোঁ। দৰাচলতে আধুনিক অসমবিষয়ক কোনো পূৰ্ণাঙ্গ ইতিহাস দাঙি ধৰাৰ পৰিকল্পনা আমি হাতত লোৱা নাছিলোঁ। আমি আধুনিক অসমৰ নিৰ্দিষ্ট কিছুমান বিষয় সম্পৰ্কে এটা ৰেঙণিহে দিবলৈ বিচাৰিছিলোঁ আৰু সেই প্ৰচেষ্টাৰেই অংশ হ'ল চাৰি খণ্ডত সম্পূৰ্ণ কিতাপখনৰ দ্বিতীয় খণ্ড। এইখিনিতে এটা গুৰুত্বপূৰ্ণ সীমাবদ্ধতাৰ কথা উনুকিয়াই থোৱা ভাল। বহু গুৰুত্বপূৰ্ণ বিষয়ত প্ৰবন্ধ অন্তৰ্ভুক্ত কৰিব নোৱৰাৰ দৰে অন্তৰ্ভুক্ত প্ৰবন্ধবোৰতো বহু প্ৰয়োজনীয় তথ্য সুমুৱাব পৰা হোৱা নাই। তথাপি গোটেইখিনি প্ৰবন্ধ একেলগে পঢ়িলে অসমৰ শিক্ষা, ক্ৰীড়া আৰু অসমত হোৱা বিভিন্ন ধৰণৰ আন্দোলনৰ বিষয়ে কিছু আভাস পোৱা যাব বুলি ধাৰণা হয়।

সুদীৰ্ঘ ছশ বছৰীয়া আহোম ৰাজত্বকালত অসম শিক্ষাৰ ক্ষেত্ৰত অপুষ্টিত ভুগিছিল। গৌৰীনাথ সিংহৰ ৰাজত্বকালত (১৭৮৩-১৭৯৪) বিদেশী কোনো এক ৰাজ্যৰপৰা আহোম ৰাজ্যলৈ চিঠি এখন আহিলত চিঠিখন পঢ়াত আহুকাল

হ'ল, কিয়নো লিখাপঢ়া জনা মানুহ ৰাজসভাত নাছিল। পঢ়াশুনা জনা যি-এজন মাত্ৰ মানুহ ৰাজসভাত আছিল ৰজাৰ হুকুমত সামান্য অপৰাধতেই তেওঁৰ চকু যুকটি উলিয়াই পেলোৱা হৈছিল। যিয়েই হওক, বিপাঙত পৰি ৰজাই সেই মানুহজনকেই মতাই আনিলে চিঠিখন পঢ়িবলৈ। মানুহজনে চিঠিখনৰ ওপৰত আঙুলি ফুৰাই যি বুজি পালে (নাইবা তেওঁৰ মনলৈ যি আহিল) তাকেই চিঠিত লিখা আছে বুলি ক'লে। মূৰ্খ ৰজাই তাতেই সন্তুষ্ট হৈ কেইগৰাকীমান বেজক মতাই আনি মানুহজনক দৃষ্টিশক্তি ঘূৰাই দিবলৈ ক'লে। চকু নথকা মানুহক তেওঁৰ পূৰ্বৰ দৃষ্টিশক্তি দিব পৰাটো অসম্ভৱ এনে এক মামুলি কথা বুজি নোপোৱা ৰজাৰপৰা পৰিত্ৰাণ পোৱাৰ আশাৰে বেজসকলে পৰামৰ্শ কৰি ৰজাক জনালে যে ভাটিদেশৰপৰা সুদক্ষ বেজ আনিলে তেওঁহে তেনে কাম কৰিব পাৰিব। ৰজাই সেই কথাত পতিয়ন গৈ তেনে বেজ আনিবলৈ ভাটিলৈ মানুহ পঠালে আৰু সেই মানুহে বেজ অনাৰ নাম কৰি বঙ্গদেশলৈ পলাই গ'ল।[১] য'ত খোদ ৰজাৰেই জ্ঞানবুদ্ধিৰ অৱস্থা এনে তাত সৰ্বসাধাৰণৰ শিক্ষাৰ অৱস্থা আহোম যুগত কেনে আছিল সেয়া সহজেই অনুমেয়।

সেই কাৰণেই ১৮৩৭ চনত প্ৰকাশিত *Topography of Assam* নামৰ কিতাপখনত জন মেক'ছে লিখিছিল: "Education is still at a very low ebb and that little is confined entirely to the male sex."[২] চাৰি বছৰৰ পিছত — ১৮৪১ চনত — প্ৰকাশিত ৰবিন্সনৰ *A Descriptive Account of Assam* নামৰ কিতাপখনতো একে কথাৰে পুনৰাবৃত্তি ঘটিছে এইদৰে

> The state of education may in general terms be described as deplorable in the extreme. Unlike the provinces of Bengal, where every village has its teacher supported by general contribution, never till lately was a provincial school known in Assam. In some places there are a few Brahmins who teach the arts of reading and writing; but even this elementary knowledge is by no means extensively diffused.[৩]

এনে অৱস্থাত সমাজৰ শ্ৰমজীৱী তথা নিম্নশ্ৰেণীৰ মানুহৰ মাজলৈ যে শিক্ষাৰ পোহৰ যোৱা নাছিল সেই কথা অনায়াসে বুজিব পাৰি। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ কোমল অঙ্গ-প্ৰত্যঙ্গবোৰ সৰুসুৰা কাম কৰাৰ উপযুক্ত হৈ উঠা মাত্ৰকেই তেওঁলোকক কামত লগোৱা হৈছিল: "All instruction is unattenable to the labouring poor, whose own necessities require the assistance of the children as soon as their tender limbs are capable of smallest labour."[৪] ইপিনে সম্পন্ন পৰিয়ালৰ সন্তানেও নো কিমান শিক্ষা পাইছিল? প্ৰায় ক্ষেত্ৰতেই মাথোন দহ বছৰ বয়সৰ ভিতৰতেই তেনে পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বিদ্যাভ্যাসৰ মুধা মৰিছিল: "With the higher



classes, and those that can afford to pay for a teacher, education usually ends at ten years of age, and never reaches further than reading, writing (a scarcely legible hand), and the simplest rules of arithmetic."[৫] এয়াই য'ত সাধাৰণভাৱে অসমৰ শিক্ষাৰ অৱস্থা, তাত নাৰীশিক্ষাৰ অৱস্থা কেনে আছিল সেয়া সহজেই অনুমেয়। ৰবিন্সনে লিখিছে: "Females are not included within the pales of education; every ray of mental improvement is carefully kept from the sex."[৬]

অৱশ্যে ঊনৈছ শতিকাৰ শেষৰ ফালে অৱস্থাৰ কিছু উন্নতি হৈছিল। ১৮৮৪ খ্ৰীষ্টাব্দত প্ৰকাশিত *A Glimpse of Assam* নামৰ কিতাপখনত শ্ৰীমতী এছ আৰ ৱাৰ্ডে লিখিলে যে অসমত স্কুললৈ যোৱা ছাত্ৰৰ সংখ্যা বাঢ়িছে। প্ৰতি ১০২জন লোকৰ ভিতৰত স্কুললৈ যোৱা মানুহৰ সংখ্যা তেতিয়া ১। এয়াই ঔপনিৱেশিক চৰকাৰৰ ১৮৮২ খ্ৰীষ্টাব্দত প্ৰকাশিত প্ৰতিবেদনৰ কথা। ("The educational report for 1882 gives an average of one in every hundred and two persons attending school in the province."[৭]) তেওঁৰ মতে এয়াই ৰাজ্যখনৰ শিক্ষাক্ষেত্ৰত হোৱা বিপুল অগ্ৰগতি: "Great progress has been made in general education since British occupation."[৮] আৰু নাৰীশিক্ষা? ৱাৰ্ডৰ মতে, সেয়াই আছিল অসমৰ কঠিনতম সমস্যা — "the most difficult problem of all"।[৯]

এয়াই য'ত ঊনৈছ শতিকাৰ অসমত শিক্ষাৰ সামগ্ৰিক অগ্ৰগতিৰ ৰূপ তাত শিক্ষাৰ কাৰণে আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, ভোলানাথ দাস, স্বৰ্ণলতা বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদিৰ কলিকতালৈ যোৱা আৰু তাত শিক্ষালাভ কৰা, আৰু ১৯০১ চনত খোদ গুৱাহাটীতেই কটন কলেজ প্ৰতিষ্ঠা হোৱাটো তাৎপৰ্যপূৰ্ণ কথা। ড° দুলুমণি গোস্বামীয়ে তেওঁৰ প্ৰবন্ধত ঔপনিৱেশিক অসমত শিক্ষাব্যৱস্থাৰ বিৱৰণ দাঙি ধৰাৰ লগতে অসমত শিক্ষাৰ অগ্ৰগতিৰ বিষয়ত ঔপনিৱেশিক শাসকবৰ্গৰ সামগ্ৰিক উদাসীনতাৰ কথা উল্লেখ কৰিছে। তেওঁ দাঙি ধৰা পৰিসংখ্যাবোৰে ঔপনিৱেশিক শাসনকালত শিক্ষাৰ দিশত ৰাজ্যখনৰ সামগ্ৰিক পুতৌলগা অৱস্থাটোকেই উদঙাই দিয়ে। সেই তুলনাত স্বাধীনোত্তৰ অসমত শিক্ষাৰ অগ্ৰগতিৰ বিষয়ে ড° মনোজকুমাৰ চুতীয়াই যি-খতিয়ান দাঙি ধৰিছে সেয়া অৱশ্যেই আশাব্যঞ্জক।

কিন্তু এই আশাৰ মাজতো আছে গভীৰ উৎকণ্ঠাৰ কাৰণ। প্ৰত্যক্ষভাৱে চৰকাৰী নিয়ন্ত্ৰণত থকা প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ অৱস্থা অতিশয় পুতৌ লগা, যাৰ ফলত অৱস্থাপন্ন ব্যক্তিসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক সেইবোৰলৈ নপঠাই ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানলৈ পঠায়। তেনে বিদ্যালয়বোৰৰ প্ৰায়খিনিৰে মাধ্যম ইংৰাজী (সেই ইংৰাজীৰ মান যিয়েই নহওক কিয়)। যিসকল পৰিয়ালৰ আৰ্থিক অৱস্থা বেয়া তেনে পৰিয়ালৰ ল'ৰা-

ছোৱালীৰ অনন্য আশ্ৰয় চৰকাৰী শিক্ষানুষ্ঠানবোৰ। এইদৰে স্বাধীন দেশৰ স্বাধীন চৰকাৰৰ চকুৰ আগতেই চলি আছে দুটা সমান্তৰাল শিক্ষাব্যৱস্থা: আৰ্থিক দিশত সঙ্গতিসম্পন্ন শ্ৰেণীটোৰ বাবে ব্যক্তিগত খণ্ড আৰু আৰ্থিক দিশত দুৰ্বল লোকসকলৰ বাবে চৰকাৰী ব্যৱস্থা। স্নাতক আৰু স্নাতকোত্তৰ স্তৰতো ব্যক্তিগত খণ্ড আৰু বেচৰকাৰী ব্যৱস্থাই গা কৰি উঠিছে। সেইবোৰে বহু ছাত্ৰছাত্ৰীক আকৰ্ষিত কৰি আছে যদিও সৰহভাগ ছাত্ৰছাত্ৰীয়ে এতিয়াও প্ৰাদেশিকীকৃত কলেজ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ নিয়ন্ত্ৰণত থকা বিশ্ববিদ্যালয়বোৰত শিক্ষালাভ কৰি আছে। কিন্তু এই অৱস্থা কিমান দিনলৈ বৰ্তি থাকে সেই কথা দঢ়াই কোৱাটো কঠিন। উচ্চশিক্ষাৰ ক্ষেত্ৰত প্ৰৱৰ্তিত ষাণ্মাসিক পৰীক্ষা ব্যৱস্থাত এবছৰতেই দুবাৰকৈ বিপুল পৰিমাণৰ মাচুল আদায় দি কলেজ-বিশ্ববিদ্যালয়ত নামভৰ্তি কৰোৱা আৰু পৰীক্ষাৰ আগতে বছৰে দুবাৰকৈ মাচুল আদায় দি প্ৰপত্ৰ পূৰণ কৰাটো দুখীয়া পৰিয়ালৰ ছাত্ৰছাত্ৰীসকলৰ বাবে কঠিন সমস্যা হৈ পৰিছে। ফলত চৰকাৰী-বেচৰকাৰী যিকোনো ধৰণৰ উচ্চশিক্ষাৰ অনুষ্ঠানতেই শিক্ষাগ্ৰহণ কৰাটো সাধাৰণ দুখীয়া পৰিয়ালৰ ছাত্ৰছাত্ৰীৰ সাধ্যৰ বাহিৰলৈ গুচি গৈছে। গতিকে ড্ৰপ-আউটৰ সংখ্যাও দিনক দিনে বাঢ়িছে। ল'ৰাতকৈ ছোৱালীৰ সংখ্যাটো এইক্ষেত্ৰত অধিক। শ্ৰেণীবিভক্ত সমাজৰ কোঁহে কোঁহে থকা আৰ্থিক বৈষম্য তথা লিঙ্গবৈষম্য এই ৰাজ্যৰ শিক্ষাৰ ক্ষেত্ৰতো প্ৰকট হৈছে।

স্বামী বিবেকানন্দই কৈছিল, শিক্ষা সৰ্বৰোগহৰ — "Education is the panacea of all evils"। এই কথা মনত ৰাখি যদি অসম তথা ভাৰতৰ নাৰীজাতিৰ কথা চিন্তা কৰোঁ তেন্তে অনায়াসে বুজিব পাৰি যে তেওঁলোকৰ ওপৰত যুগ যুগ ধৰি চলা শোষণ আৰু লাঞ্ছনাৰ গুৰিত আছে শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ অনগ্ৰসৰতা। ঊনৈছ শতিকাত যেতিয়া পছিমীয়া সভ্যতাৰ পোহৰত অসমৰ সমাজজীৱনৰ নানান দিশলৈ পৰিৱৰ্তন আহিবলৈ ধৰিছিল তেতিয়া নাৰীশিক্ষাৰ বিষয়তো চিন্তা-চৰ্চা আৰম্ভ হয়। গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা নাৰীশিক্ষাৰ অকুণ্ঠ সমৰ্থক আছিল যদিও ইয়াৰ বাটত নানান বাধা-নিষেধ আৰোপ কৰিছিল লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত আৰু বলিনাৰায়ণ বৰাৰ দৰে শিক্ষিত লোকসকলে। শিক্ষিতা ছোৱালীক তেওঁলোকে "মতা-তিৰুতা" বুলি বিদ্ৰূপ কৰিছিল।[১০] ইপিনে "স্ত্ৰীশিক্ষা" প্ৰবন্ধত স্ত্ৰীশিক্ষাৰ বিৰুদ্ধে পূৰ্ণানন্দ শৰ্মাই লিখিছিল, য'ত "ধনহীন" অসমীয়াই "পুত্ৰ সন্তানকে অৰ্থাভাৱত ভালকৈ শিক্ষা" দিব নোৱাৰে তাত "তিৰুতাৰ উচ্চ শিক্ষা কেনেকৈ সম্ভৱ হ'ব পাৰে?"[১১] সমাজক তেওঁ এই বুলি সকীয়াই দিছে:

> তোমাৰ দেশৰ সকলো বিলাক তিৰুতা খনা, লিলাবতী বা কালিদাস পত্নী বিদ্যোত্তমাৰ তুল্যা পণ্ডিতা কিন্তু পুৰুষ বিলাক বৰ্তমান যেনে অৱস্থাৰ তেনে (অৰ্থাৎ বিদ্যা সূন্য), তেনেহ'লে কেনেকুৱা হব। মহাকবি কালিদাসৰ বিদ্যোত্তমাৰ হাতত যেনে গতি হইছিল তেনে নহবনে? তেতিয়া সংসাৰাশ্ৰম



> কিমান সুখকৰ হই উঠিব তাক এতিয়া বুজিছানে?[১২]

মূৰ্খ কালিদাস পত্নীৰদ্বাৰা লাঞ্ছিত-ভৰ্ৎসিত হোৱাৰ লগত পত্নীৰদ্বাৰা পূৰ্ণানন্দ বুঢ়া গোহাঁই (?—১৮১৭) অপমানিত হোৱা বুলি প্ৰচলিত জনশ্ৰুতিটোকো পূৰ্ণানন্দ শৰ্মাই তেওঁৰ স্ত্ৰীশিক্ষাবিৰোধী অভিমতৰ পক্ষে এই প্ৰবন্ধত ব্যৱহাৰ কৰিছে। উল্লেখযোগ্য যে পূৰ্ণানন্দ আছিল এজন অসম সাহসী বীৰ আৰু নিপুণ প্ৰশাসক। ইংৰাজীত যাক carrot and stick policy বোলে সেই policyটো তেওঁ ভালদৰে জানিছিল। তেওঁৰ কৰ্মকুশলতাৰ বাবেই মোৱামৰীয়া বিদ্ৰোহত বিদ্ৰোহীসকল জয়যুক্ত হ'ব পৰা নাছিল। পত্নীৰ হাতত এনেহেন প্ৰখৰ ব্যক্তিত্বসম্পন্ন ব্যক্তিৰ বিড়ম্বনাৰ বিৱৰণ দিছে পূৰ্ণানন্দ শৰ্মাই এইদৰে:

> ... প্ৰবাদ আছে যে তেওঁ [পূৰ্ণানন্দ বুঢ়া গোহাঁই] ৰাজসভাত বহি থাকোতে তললৈ মুৰ কৰি যেতিয়া বেজি বটিয়া মাৰি থাকে তেতিয়া সভাসদ পাত্ৰ মন্ত্ৰী আদি সকলোএ মুৰ দাঙ্গি চকুত বা ইঙ্গিততে কথাবাৰ্ত্তা হই থাকে, কিন্তু যেতিয়া ডাঙ্গৰীয়াই মুৰদাঙ্গি চাই তেতিয়া সভা চাঁয় পৰে সকলোএ তললৈ মুৰ কৰে কিন্তু তেনেজন প্ৰতাপী মানুহকো তেওঁৰ ঘৈণিজনাই কয় যে "তই ৰাজমন্ত্ৰীৰ যোগ্য নহ তোৰ ওপৰত কেনেকৈ এই দেশৰ ৰাজমন্ত্ৰীৰ ভাৰ অৰ্পিত আছে ময় ক'ব নোঁয়াৰো। তয় ময় পিন্ধা ডোখৰ কাপোৰ (মেখোলা) পিন্ধাৰ হে যোগ্য।' "[১৩]

নাৰী শিক্ষিতা হৈ উঠিলে সমাজখন কালিদাস-পত্নী আৰু পূৰ্ণানন্দ-পত্নীৰ দৰে পতিলাঞ্ছনাকাৰী নাৰীৰে ভৰি পৰিব বুলি ইঙ্গিত দি শৰ্মাই পুৰুষৰ মনত ত্ৰাস সঞ্চাৰ কৰিবলৈ বিচাৰিছিল। তেওঁ পোনপটীয়াকৈ কৈ দিছিল: "স্ত্ৰীসকলৰ অৰ্থোপাৰ্জনৰ আৱশ্যাক নাই"; ঘৰুৱা কামেই তেওঁলোকৰ আচল কাম; গতিকে "যিসকল গৃহ কাৰ্যত তিৰুতা বিলাক ব্যাপ্ত থাকে তেওঁ বিলাকক তাৰে মৌখিক শিক্ষা দিয়া উচিত।" "স্ত্ৰীজাতি যে পুৰুষতকৈ অধিক বুদ্ধিমতী তাৰ কোনো সংশয় নাই আৰু পুৰুষতকৈ যে তিৰুতাই মুখে মুখে শিক্ষা দিলে সেই শিক্ষা গ্ৰহণৰ অধিক যোগ্য তাৰো কোনো সন্দেহ নাই, লৰাই যি কথা পুথিত পঢ়ি বাৰম্বাৰ মুখস্থ কৰিও মনত ৰাখিব নোয়াৰে, তিৰুতাই তাক দুই এবাৰ শুনিলেই মনত ৰাখিব পাৰে।" এই উপলব্ধিৰ ভিত্তিত শৰ্মাৰ পৰামৰ্শ হ'ল শিক্ষালাভৰ কাৰণে ছোৱালী "বালিকা পঢ়াশালীলৈ" যাব নালাগে, বৰং ঘৰত থাকি মাকৰপৰা মৌখিক শিক্ষাহে ল'ব লাগে। তেওঁ লেখিছে:

> আইটি! স্বামী ভাৰ্য্যাৰ একমাত্ৰ দেৱতা; পতি বিনে তেওঁৰ গতি নাই আৰু আন কোনো গুৰু নাই, এতেকে যাতে স্বামী সদাই সন্তুষ্ট থাকে তাৰ চেষ্টা কৰিবি। শ্বশুৰ শ্বাশুৰী তোৰ স্বামীৰ গুৰু, সদাই তেওঁ বিলাকৰ পৰিচৰ্য্যা কৰি থাকিবি; সদাই লজ্জাবতী ও নম্ৰ হবি; কাকো কেটেৰাই নে মাতিবি, লোকে গালি পাৰিলেও সহি থাকিবি। আপোন হাতে কোনো বস্তু নিদিয়াকৈ লই নেখাবি; ইত্যাদি উপদেশ জিয়ৰী চাৱালীয়ে মাকৰপৰা সদাই পাই থাকে। এই বিলাকৰ

পৰা জ্ঞান লাভ হব নোৱাৰে নে?[১৪]

এনে ঠেক সামাজিক দৃষ্টিভঙ্গীৰ বিৰুদ্ধে যুঁজি অসমৰ নাৰী কিমানখিনি আগবাঢ়িছে আৰু কিমানখিনি আগবাঢ়িবলৈ যুঁজি আছে সেই বিষয়ে এটি সংক্ষিপ্ত বিৱৰণ দাঙি ধৰিছে ড° মীৰা দেৱীয়ে তেওঁৰ নাৰীমুক্তি আন্দোলনবিষয়ক প্ৰবন্ধত।

আমাৰ এই প্ৰবন্ধ সঙ্কলনত গৱেষণাবিষয়ক — সেয়াও মাথোন বৈজ্ঞানিক গৱেষণাসংক্ৰান্তবিষয়ক— এটি প্ৰবন্ধ সন্নিৱিষ্ট কৰিব পৰা গৈছে। প্ৰবন্ধটিৰ লেখক ড° চন্দ্ৰমোহন শৰ্মাই "অসমত বিজ্ঞানৰ গৱেষণাই বৰ্তমান দেশৰ আন আধুনিক গৱেষণাগাৰৰ বিজ্ঞানীৰ গৱেষণাৰ লগত ফেৰ মাৰিব পৰা হৈছে" বুলি ঘোষণা কৰিছে যদিও গভীৰ হতাশ্যাৰে এই কথাও ব্যক্ত কৰিছে যে এই গৱেষণাবোৰে "সমাজৰ পিছপৰা শ্ৰেণীৰ অন্ন-বস্ত্ৰ, কৰ্ম, বাসস্থান, শিক্ষাৰ সমস্যাৰ সমাধান কৰিব পৰা নাই আজিকোপতি।" তেওঁৰ মতে, অসমৰ প্ৰাকৃতিক সম্পদবোৰক বৈজ্ঞানিক পদ্ধতিৰে সংসাধন কৰি জনসাধাৰণৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ মাজতেই নিহিত হৈ আছে অসমৰ বৈজ্ঞানিক গৱেষণাৰ সাৰ্থকতা। কিন্তু কামটো কৰিব কোনে? সন্দেহাতীতভাৱে ৰাজনৈতিক নেতৃত্বই। গতিকে সঠিক ৰাজনৈতিক নেতৃত্বৰ হাতত এই দায়িত্ব অৰ্পিত হ'ব পৰা পৰিস্থিতিৰ উদ্ভৱ নোহোৱালৈকে যিকোনো গৱেষণাই সাধাৰণ মানুহক যিমান উপকৃত কৰিব তাতকৈ অনেক বেছি উপকৃত কৰিব গৱেষণাৰ ফলবোৰক পেটেণ্ট কৰি বহুজাতিক নিগমক বিক্ৰী কৰিব পৰা ব্যৱসায়িক শ্ৰেণীটোকহে। অসমৰ তথা ভাৰতৰ বৈজ্ঞানিক গৱেষণাবোৰৰ সুফলসমূহক পোনপটীয়াকৈ ৰাইজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পৰা ৰাজনৈতিক নেতৃত্ব গঢ়ি উঠিছে নে? এই প্ৰশ্নৰ ইতিবাচক উত্তৰ পাব পৰা অৱস্থাৰ ওপৰতেই নিৰ্ভৰ কৰিছে অসম তথা ভাৰতৰ যিকোনো উচ্চমানৰ বৈজ্ঞানিক গৱেষণাৰ সাৰ্থকতা।

অসমৰ বিজ্ঞানবিষয়ক গৱেষণাবোৰৰ সুফল সাধাৰণ মানুহৰ মাজলৈ নোযোৱা বুলি ড° চন্দ্ৰমোহন শৰ্মাই উল্লেখ কৰাৰ বিপৰীতে ডাঃ জয়নাথ শৰ্মাই তেওঁৰ অসমত বিজ্ঞানচেতনা আৰু জনমুখী বিজ্ঞান আন্দোলনবিষয়ক প্ৰবন্ধত বিজ্ঞানৰ বহু উচ্চ ডিগ্ৰীধাৰী ব্যক্তিৰ মনতো বিজ্ঞানৰহিত চিন্তাধাৰা শিপাই থকা বুলি উল্লেখ কৰিছে। এনে অৱস্থাত সাধাৰণ মানুহৰ মাজত পূজা-পাতল, জৰা-ফুকা আৰু তাবিজ-মাদলিৰ কাৰ্যকাৰিতাত বিশ্বাস থকাত আচৰিত হ'বলগীয়া একো নাই। ১৮৫১ চনত নগাঁৱত কলেৰাৰ প্ৰাদুৰ্ভাৱ হ'লত বাঙালীবিলাকে দিনৰ ৩ বজাৰপৰা ৰাতি ৮/৯ বজালৈকে খোল-মৃদঙ্গৰ বাদ্যসহযোগে কীৰ্তন গাই আৰু পল্টনীয়াবিলাকে পাৰ, ছাগলি, হাঁহ ইত্যাদিৰে সজোৱা নৈবেদ্য কলং নদীত উটুৱাই দি ৰোগ প্ৰতিহত কৰাৰ চেষ্টা কৰিছিল।[১৫] ইপিনে কোনো মানুহে অস্বাভাৱিক আচৰণ কৰা দেখিলে তেওঁক কোনো অপশক্তিয়ে লম্ভা বুলি ভাবি মানুহে তেওঁক মানুহৰ বিষ্ঠা পৰ্যন্ত খুৱাইছিল। ১৮৭১ চনত প্ৰকাশিত *বঙ্গাল বঙ্গালনী নাটকত* উল্লেখ থকা এই কুসংস্কাৰ[১৬] যে এতিয়াও চলি আছে তাৰ



ডাঙৰীয়াই ক্ষোভ প্ৰকাশ কৰিছে।

ঔপনিৱেশিক শাসনকালত অসমৰ সৰহভাগ অঞ্চলত জমিদাৰী প্ৰথা নাছিল, আছিল মৌজাদাৰী প্ৰথা। মৌজাদাৰবিলাক আছিল কমিছন এজেণ্ট, জমিদাৰৰ দৰে মাটিৰ মালিক নাছিল। সেয়েহে মৌজাদাৰৰ নিৰ্যাতন জমিদাৰে কৰা নিৰ্যাতনৰ দৰে নিৰ্মম নাছিল। তথাপি ঊনৈছ শতিকাৰ বিভিন্ন ধৰণৰ ৰচনাত কৃষকৰ ওপৰত মৌজাদাৰে কৰা নিৰ্যাতনৰ বহু বিৱৰণ প্ৰকাশ পাইছে। হৰিবিলাস আগৰৱালাই তেওঁৰ আত্মজীৱনীত জেনকিন্সৰ শাসনকালত তেজপুৰৰ ৰায়তসকলৰ দুৰ্দশাৰ বিৱৰণ দাঙি ধৰিছে এনেদৰে:

> ৰায়তবিলাক বৰ দুখিয়া আছিল। প্ৰতিঘৰৰ খাজনা বাৰ্ষিক ।৶. অনাৰপৰা ১৷· টকা পৰ্যন্ত। তাকে দিব নোৱাৰাত দিনটো ৰ'দত বন্দিকৈ ৰাখে, গধুলি বেতেৰে কোবাই কাণমলাই জামিন লৈ এৰি দিয়ে। ৰায়তে ধান চাউল মাহ সৰিয়হ আদি উৎপন্ন বস্তু বেচি ধন ঘটাৰ সুবিধা একেবাৰেই নাছিল, বেপাৰি ৰাস্তা ঘাট নাও জাহাজ গাড়ি চলাচল একো নাছিল। ২/৩ গাঁৱৰ মতা মানুহ গোট খাই চাউলৰ ভাৰ লৈ বামে বিশ্বনাথলৈ গৈ বেচি লোণ কাপোৰ কানি আদি অতি লাগতিয়াল বস্তু আনি ব্যৱহাৰ কৰিছিল। গাঁৱৰ অধিকাংশ লোকে বাঁহৰ চুঙ্গাত পানি কলপাতত ভাত খাইছিল।[২২]

১৮৫৪ চনৰ জানুৱাৰি সংখ্যা *অৰুনোদই*ত প্ৰকাশিত এক বাতৰিত খাজনা আদায় দিবৰ বাবে তেজপুৰৰ ওচৰৰ কিছু কছাৰি খেতিয়কে এক আচৰিত ধৰণৰ উপায় অৱলম্বন কৰাৰ বিৱৰণ ওলাইছিল। প্ৰকাশিত বাতৰি মতে, সেই খেতিয়কসকলে প্ৰথমতে মাছমৰীয়াৰপৰা কিছু মাছ কিনে। তাৰ পিছত সেই মাছ তেওঁলোকে শুকাই তাৰ বিনিময়ত লা সংগ্ৰহ কৰে। সেই লা তেওঁলোকে লৈ যায় মাৰোৱাৰী ব্যৱসায়ীৰ ওচৰলৈ। মাৰোৱাৰীয়ে তেওঁলোকক লাৰ বিনিময়ৰ টকা দিয়ে আৰু সেই টকাৰে তেওঁলোকে খাজনা আদায় দিয়ে।[২৩] এনে পৰিস্থিতিত ঔপনিৱেশিক শাসকে দুখীয়া খেতিয়কৰ ওপৰত কৰ-কাটলৰ বোজা জাপি দিয়াত ৰাইজে কেতিয়াবা কেতিয়াবা বিদ্ৰোহৰ পথ বাছি লৈছিল।

প্ৰথমটো ডাঙৰ ঘটনা ঘটিছিল নগাঁও জিলাৰ ফুলগুৰিত— য'ত ১৮৬১ চনৰ ১৪ অক্টোবৰ তাৰিখে ৰহা, টোপাকুচি, বঢ়মপুৰ, যমুনামুখ, চাপৰমুখ আদি বহু ঠাইৰপৰা বিদ্ৰোহী কৃষকসকল আহি গোট খাইছিল অন্যায়ভাৱে দুখীয়া খেতিয়কৰ ওপৰত ঔপনিৱেশিক চৰকাৰে কৰ-কাটল জাপি দিয়া নীতিৰ বিৰুদ্ধে সংগঠিত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ। ঔপনিৱেশিক চৰকাৰে এই বিদ্ৰোহ দমন কৰিবলৈ পশুশক্তি প্ৰয়োগ কৰিছিল, আৰু তাৰেই প্ৰতিক্ৰিয়াস্বৰূপে বিদ্ৰোহী ৰাইজৰ হাতত ছিংগাৰ নামৰ এজন ব্ৰিটিছ বিষয়া নিহত হয়। চৰকাৰে ইয়াৰ পোটক তুলিছিল বহু মানুহক হত্যা কৰি। *অৰুনোদই* কাকতে ব্ৰিটিছৰ এই কাৰ্যক পোনপটীয়াকৈ সমৰ্থন কৰিলেও বঙ্গদেশৰপৰা প্ৰকাশিত *সোমপ্ৰকাশ* নামৰ

এইদৰে:

> কালৰ ৰথৰ চকা সদায় আগুৱাই যায়, পিছুৱাই নাহে। কালৰ ৰথৰ চকাৰ অগ্ৰগতিক কোনোবাই হেঙাৰ দি বাধা দিলে কালে তাক ক্ষমা নকৰে, তাক চেপি হেঁচি পিহি সমান কৰি যাব। কালৰ ৰথৰ চকাৰ অগ্ৰগতিৰ এই প্ৰগতিৰ গভীৰ ৰেখা প্ৰতিক্ৰিয়াশীল শকতিৰ মৃত্যুৰ আবৰ্জনাৰে ঢাকিব নোৱাৰি মচিব নোৱাৰি। ইতিহাসে ইয়াৰ সাক্ষ্য দিয়ে।[২০]

যি-গণনাট্য সংঘ জ্যোতিপ্ৰসাদ আগৰৱালা, হেমাঙ্গ বিশ্বাস আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তাধাৰাৰে পৰিপুষ্ট হৈছিল সেই গণনাট্য সংঘ দুৰ্বল আৰু নিষ্প্ৰভ হৈ পৰিল কমিউনিষ্ট শিবিৰৰ দিগ্‌ভ্ৰান্তি আৰু বিভাজনৰ কাৰণে। সৰ্বভাৰতীয় স্তৰত এতিয়াও গণনাট্য সংঘ বিদ্যমান যদিও অসম আৰু পশ্চিমবঙ্গত (আৰু সম্ভৱতঃ আন দুই-এখন ৰাজ্যতো) সেয়া চিপিআই আৰু চিপিআই (এম)ৰ মাজত বিভক্ত আৰু স্থবিৰতা ৰোগত আক্ৰান্ত। পণ্যবাদী সংস্কৃতি আৰু তথাকথিত বিশ্বায়নে গণনাট্য আন্দোলনক কোঙা কৰি পেলোৱা বুলি আন্দোলনটোৰ লগত জড়িত একাংশ সাংস্কৃতিক কৰ্মীয়ে ভাবে। এই অভিমতত সাৰবত্তা নথকা নহয়। কিন্তু গণনাট্যক অনুপ্ৰাণিত কৰিবপৰা সঠিক ৰাজনৈতিক কৰ্মকাণ্ডৰো যে অভাৱ ঘটিছে সেই কথাও বোধ কৰোঁ কোনেও অস্বীকাৰ নকৰিব।

আমাৰ এই সঙ্কলনটিত অমিয়কুমাৰ দাসে "অসমত গণমুখী সাংস্কৃতিক আন্দোলন" শীৰ্ষক এটি প্ৰবন্ধত ৰাজ্যখনৰ সংস্কৃতি ক্ষেত্ৰত গণনাট্য সংঘৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিছে।

সংস্কৃতিৰ এক অবিচ্ছেদ্য অঙ্গ হ'ল খেল। আমাৰ ৰাজ্যৰ ক্ৰীড়াই আহোম যুগ আৰু ঔপনিবেশিক যুগ অতিক্ৰম কৰি বিপুল পৰিৱৰ্তনসহকাৰে স্বৰাজোত্তৰ যুগত প্ৰৱেশ কৰিছে।

অসমৰ পৰম্পৰাগত ঢোপ-খেল, ঘিলা-খেল, হাউ-খেল, লুকাভাকু, ঢেমনা-অনা-খেল, ৰছীটনা খেল, মাল-যুঁজ, নাও-খেল, মান-বঙাল(ইংৰাজ)ৰ খেল (স্বয়ং আনন্দৰাম ঢেকিয়াল ফুকনে ল'ৰালিত এইবিধ খেল খেলিছিল) আদি খেলবোৰক লগত লৈ অসম যেতিয়া ঔপনিবেশিক যুগত সোমাল, তেতিয়া ৰাজ্যখনৰ খেলৰ তালিকালৈকো লাহে লাহে সোমাই আহিল আৰু বহু খেল। এই খেলবোৰৰ ভিতৰত আছে ফুটবল, ক্ৰিকেট, বেডমিণ্টন, ভলিবল, লন-টেনিছ, শ্যুটিং আৰু কত কি! এইবোৰ ঔপনিৱেশিক যুগৰ সংযোজন তথা অৱদান। তেতিয়া প্ৰায় একান্তভাৱে পুৰুষৰে খেল আছিল এইবোৰ। বিশিষ্ট ঐতিহাসিক-লেখক-প্ৰশাসক ৰমেশচন্দ্ৰ দত্তৰ কন্যা তথা বলিনাৰায়ণ বৰাৰ পত্নী বিমলাই যেতিয়া নগাঁৱত সকলোৰে চকুৰ আগত টেনিছ খেলিছিল স্বাভাৱিকতেই মানুহ তেতিয়া আচৰিত হৈছিল। "তেওঁৰ টেনিছ খেল মাজে মাজে আমি ৰ লাগি চাই আছিলোঁ। আমাৰ তিৰুতাক এনে খেল দেখা এয়ে মোৰ প্ৰথম।"[২১] — এয়া জ্ঞানদাভিৰাম বৰুৱাৰ কথা।



এই পৰিস্থিতি মনত ৰাখি আমাৰ সঙ্কলনত অন্তৰ্ভুক্ত হোৱা সহজানন্দ ওজা আৰু সুবোধ মল্ল বৰুৱাৰ প্ৰবন্ধ দুটা পাঠ কৰিলে অসমৰ ক্ৰীড়াক্ষেত্ৰত নাৰীশক্তিৰ উত্থানক বিস্ময়কৰ বুলিহে ক'ব লাগিব।

অথচ স্বৰাজোত্তৰ কালৰ অসমৰ ক্ৰীড়াক্ষেত্ৰৰ ৰেহৰূপ চাই মুঠেই আশ্বস্ত হ'ব পৰা নাই সহজানন্দ ওজা। তেওঁ আশ্বস্ত নোহোৱাৰ কেবাটাও যুক্তিসঙ্গত কাৰণ আছে, যাৰ ভিতৰত গুৰুত্বপূৰ্ণ হ'ল ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰত চলি থকা অৰ্থবল আৰু ৰাজনৈতিক শক্তিৰ দপদপনি। এই দপদপনিৰ ফলত অৰ্থবল আৰু ৰাজনৈতিক বলৰ আগত যোগ্যতা আৰু প্ৰতিভাই বহুক্ষেত্ৰত স্বীকৃতি নোপোৱা হৈছে। ৰাজ্যখনৰ ক্ৰীড়াজগতৰ নেতৃত্ব এনে এচাম মানুহৰ হাতলৈ গুচি যাব ধৰিছে যিসকলৰ লগত খেলপথাৰৰ সম্পৰ্ক প্ৰায় শূন্য। এই লোকসকলৰ বাবেই ক্ৰীড়াক্ষেত্ৰত দুৰ্নীতিয়ে প্ৰবলভাৱে মূৰ দাঙি উঠিছে আৰু ধনৰ সদ্ব্যৱহাৰৰ উদাহৰণ বিৰলৰপৰা বিৰলতৰ হ'বৰ উপক্ৰম হৈছে। একালৰ খেলুৱৈ তথা ক্ৰীড়াসংগঠক ওজাদেৱৰ মতে অসমতকৈ মণিপুৰৰ ক্ৰীড়াজগৎখন অধিক নিকা আৰু তাৰ ফলতেই অসমতকৈ আন বহুক্ষেত্ৰত পিছপৰা মণিপুৰৰ খেলুৱৈসকলৰ সাফল্য অধিক।

সাম্প্ৰতিক ভাৰতত সৰ্বাধিক জনপ্ৰিয় আৰু আটাইতকৈ বেছি অৰ্থানুকূল্য লাভ কৰা খেলখন হ'ল ক্ৰিকেট, অলিম্পিকত যাৰ কোনো স্থান নাই। ৰাষ্ট্ৰসংঘই পৃথিৱীত মুঠ ১৯৫টা সাৰ্বভৌম ৰাষ্ট্ৰৰ অস্তিত্ব স্বীকাৰ কৰে। ইয়াৰে মাথোন ১০খন ৰাষ্ট্ৰৰ ক্ৰিকেট সংস্থা আন্তৰ্জাতিক ক্ৰিকেট কাউন্সিলৰ পূৰ্ণ পৰ্যায়ৰ সদস্য: ক্ৰিকেট অষ্ট্ৰেলিয়া (১৯০৯), ইংলেণ্ড এণ্ড ৱেলছ ক্ৰিকেট ব'ৰ্ড (১৯০৯), ক্ৰিকেট ছাউথ আফ্ৰিকা (১৯০৯), ব'ৰ্ড অৱ কণ্ট্ৰোল ফৰ ক্ৰিকেট ইন ইণ্ডিয়া (১৯২৬), নিউজিলেণ্ড ক্ৰিকেট ব'ৰ্ড (১৯২৬), ৱেষ্ট ইণ্ডিজ ক্ৰিকেট ব'ৰ্ড (১৯২৬), পাকিস্তান ক্ৰিকেট ব'ৰ্ড (১৯৫২), শ্ৰীলঙ্কা ক্ৰিকেট (১৯৮১), জিম্বাবোৱে ক্ৰিকেট (১৯৯২) আৰু বাংলাদেশ ক্ৰিকেট ব'ৰ্ড (২০০০)। দেখাই যায় যে এইবোৰ ক্ৰিকেট সংস্থাই যিবোৰ দেশৰ প্ৰতিনিধিত্ব কৰে সেইবোৰ দেশ সংখ্যাত অত্যন্ত কম। এইবোৰৰ উপৰি ৩৭খন ৰাষ্ট্ৰৰ ক্ৰিকেট সংস্থাক সহযোগী সদস্যৰ মৰ্যাদা দিয়া হৈছে যদিও সেই সংস্থাবোৰে যিবোৰ দেশৰ প্ৰতিনিধিত্ব কৰে তাৰ প্ৰায়বোৰতেই ক্ৰিকেট খেলৰ অস্তিত্ব নামমাত্ৰহে। এই দেশবোৰৰ ভিতৰত আছে কানাডা, আৰ্জেণ্টিনা, ফ্ৰান্স, জাৰ্মানি, ইটালি, জাপান, নেদাৰলেণ্ড, আৰব আমিৰশ্বাহী আৰু আফগানিস্তান। মুঠৰ ওপৰত বিশ্বৰ সৰহসংখ্যক দেশতেই খেল হিচাপে ক্ৰিকেটৰ জনপ্ৰিয়তা কম যদিও সাম্প্ৰতিক ভাৰতত ই অতি জনপ্ৰিয় খেল। ভাৰতত ক্ৰিকেটৰ এই জনপ্ৰিয়তাৰ গুৰিত আছে খেলখনত হোৱা বিপুল অৰ্থৰ বিনিয়োগ আৰু ক্ৰিকেটক লৈ বৈদ্যুতিন মাধ্যমৰ অত্যুৎসাহ। ক্ৰিকেটক কাৰ্যতঃ ৰজাৰ মৰ্যাদা দি আন খেলবোৰক দীনহীন কৰি ৰখাৰ যি-প্ৰৱণতা দেখা গৈছে সেয়া এক অসুস্থ প্ৰৱণতা। এই প্ৰৱণতাৰ বিৰুদ্ধে ওজা

অন্যতম প্ৰমাণ ২০১৩ চনৰ ৪ আগষ্টৰ *Hindustan Times* কাকতত প্ৰকাশিত এটি বাতৰি: "A 46-year old man in Meghalaya was made to eat dog excreta as punishment for allegedly practising witchcraft."[১৭] ঘটনাটো অসমত নহয়, মেঘালয়ত ঘটা বুলি অসমৰ বুদ্ধিজীৱী সমাজ উল্লসিত হোৱাৰ কাৰণ নাই, কিয়নো অসমত "ডাইনী"-হত্যা আজিও অব্যাহত।

আমাৰ সঙ্কলনখনিত আমি ইলোৰা বিজ্ঞান মঞ্চৰ সম্পাদক ডাঃ জয়দেৱ শৰ্মাৰ এটি মূল্যৱান প্ৰবন্ধ সন্নিবিষ্ট কৰিবলৈ পাই নথৈ সুখী হৈছোঁ। অসমত কুসংস্কাৰবিৰোধী আন্দোলনত মঞ্চখনৰ ভূমিকা অনস্বীকাৰ্য। মঞ্চই ১০ ডিচেম্বৰত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটিক প্ৰতিবছৰে অন্ধবিশ্বাসবিৰোধী দিৱসৰূপে শ্ৰদ্ধাৰে পালন কৰাৰ উপৰি মৰণোত্তৰ নেত্ৰদান আৰু দেহদানৰ সপক্ষে সাৰ্থক আৰু বলিষ্ঠভাৱে প্ৰচাৰ চলাইছে। এই আগকথা লিখি থকাৰ সময়তে কৰ্ণাটকৰ বিশিষ্ট কুসংস্কাৰবিৰোধী বুদ্ধিজীৱী তথা কান্নাড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য মল্লেশ্বাৰাপ্পা এম কালবুৰ্গিক ধৰ্মান্ধ আততায়ীয়ে যোৱা ৩০ আগষ্ট ২০১৫ তাৰিখে তেওঁৰ নিজগৃহত হত্যা কৰাৰ বিৰুদ্ধে মঞ্চই তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে।

জনমুখী বিজ্ঞান আন্দোলন আৰু গণমুখী সাংস্কৃতিক আন্দোলন একেই মুদ্ৰাৰ ইপিঠি-সিপিঠি। বৈজ্ঞানিক দৃষ্টিভঙ্গীয়ে সমাজক আগুৱাই লৈ যোৱাৰ দৰে গণমুখী সাংস্কৃতিক আন্দোলনেও সমাজক আগুৱাই লৈ যায়। ভাৰতীয় গণনাট্য সংঘ হ'ল অসম তথা ভাৰতৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ প্ৰধান বাটকটীয়া। ১৯৫৭ চনৰ ২৩ ডিচেম্বৰৰপৰা ১৯৫৮ চনৰ ১ জানুৱাৰিলৈকে দিল্লীত অনুষ্ঠিত হৈছিল ভাৰতীয় গণনাট্য সংঘৰ অষ্টম ৰাষ্ট্ৰীয় সন্মিলন। তাত গঠিত হোৱা ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ অন্যতম উপসভাপতি আছিল অসমৰ বিষ্ণুপ্ৰসাদ ৰাভা। সমিতিখনত স্থানলাভ কৰা অসমৰ আন দুজন ব্যক্তি আছিল বেণী মহন্ত (কাৰ্যনিৰ্বাহক সদস্য) আৰু হেমাঙ্গ বিশ্বাস (ফেলো)।[১৮]

গণনাট্য সংঘৰ দৃষ্টিভঙ্গি মাৰ্ক্সীয় দৰ্শনৰ আধাৰত প্ৰতিষ্ঠিত আছিল। কাৰ্ল মাৰ্ক্সে মানৱসমাজৰ ইতিহাসক অগ্ৰগতিৰ ইতিহাস বুলিছে। আদিম সাম্যবাদী যুগৰপৰা বিৱৰ্তন আৰু সংগ্ৰামৰ যোগেদি দাস-যুগ, সামন্ত-যুগ আৰু পুঁজিবাদী যুগলৈ অহাৰ পিছত সফল শ্ৰেণীসংগ্ৰামৰ জৰিয়তে সমাজখন সমাজবাদী সমাজলৈ উত্তৰিত হয়হি। তাৰ পিছত স্বাভাৱিক প্ৰক্ৰিয়াত আহি যাব সাম্যবাদৰ যুগ। এয়াই সমাজ পৰিৱৰ্তন সম্পৰ্কে মাৰ্ক্সীৰ ধাৰণা। সামন্ত-সমাজৰ অৱশেষৰ ওপৰত যেতিয়া ৰুছ সমাজখনৰ পুঁজিবাদী সমাজলৈ ৰূপান্তৰ চলি আছিল সেই সময়ত এণ্টন চেখভে লিখিছিল: "Mankind goes forward, perfecting its powers. Everything that is now unattainable will someday be comprehensible and within our grasp, only we must work and help with all our might those who are seeking the truth (*The Cherry Orchard*, Act 2).[১৯] বিষ্ণু ৰাভাৰ লেখাত এই বক্তব্য ব্যঞ্জিত হৈছে



কাকতখনে এই বিদ্ৰোহক যুক্তিপূৰ্ণ বুলি অভিহিত কৰিছিল। গুৰুত্বপূৰ্ণ কথা এই যে এই বিদ্ৰোহ সশস্ত্ৰ আছিল। বিদ্ৰোহী কৃষকসকলে ভিবি নামৰ এজন কমাৰক অস্ত্ৰ তৈয়াৰ কৰাৰ দায়িত্ব দিছিল। ৰহাৰ ওচৰৰ মুলানকটা নামৰ এডোখৰ ঠাইত ভিবি কমাৰৰ দায়িত্বত বিদ্ৰোহত ব্যৱহাৰৰ বাবে অস্ত্ৰ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছিল। ঠাইডোখৰ "ভিবি কমাৰৰ ঠাই" নামে জনাজাত। উল্লেখনীয় ওঠৰ শতিকাৰ শেষভাগত বঙ্গদেশত মজনু শ্বাহৰ নেতৃত্বত হোৱা কৃষক বিদ্ৰোহতো কমাৰৰ হতুৱাই অস্ত্ৰ তৈয়াৰ কৰাই সেইবোৰ ব্যৱহাৰ কৰা হৈছিল। *মজনু শাহেৰ হকিকৎ* নামৰ বাংলা কিতাপখনত ইয়াৰ বিৱৰণ পোৱা যায়। উনৈছ শতিকাৰ ইংলেণ্ডত হোৱা চাৰ্টিষ্ট আন্দোলনতো সেইদৰে কমাৰশালত নিৰ্মিত অস্ত্ৰ ব্যৱহৃত হৈছিল বুলি Thomas Devyrএ তেওঁৰ *The Odd Book of the Nineteenth Century* নামৰ কিতাপখনত লিখিছে। ফুলগুৰিত হোৱা কৃষক বিদ্ৰোহৰ আগতে ৰাইজমেল পাতি লক্ষণ সিং ডেকা নামৰ এজন সাহসী ব্যক্তিক সেনাপতিৰ দায়িত্ব দিয়া হৈছিল। দেখাত এই বিদ্ৰোহ সফল নহ'লেও ই ঔপনিবেশিক চৰকাৰৰ বাবে এক বিৰাট সকীয়নি আছিল। ১৮৯৪ চনৰ ২৮ জানুৱাৰিত সংঘটিত পথৰুঘাটৰ ৰণ আছিল তেনে আন এক কৃষক বিদ্ৰোহ। এই ৰণ আছিল ঔপনিবেশিক প্ৰশাসনৰ বিৰুদ্ধে অসমীয়া খেতিয়কৰ পোনপটীয়া সংগ্ৰাম। খাজনাৰ হাৰ বৃদ্ধিৰ বিৰুদ্ধে অসমীয়া খেতিয়কৰ এই সংগ্ৰামত চৰকাৰী দস্তাবেজত কেতিয়াবা ১২জন আৰু কেতিয়াবা ১৫জন খেতিয়কৰ মৃত্যু হোৱা বুলি উল্লেখ আছে যদিও ঘটনাটোত ইয়াতকৈ বহু বেছি মানুহ নিহত হৈছিল বুলি সেই সময়ত কলিকতাৰপৰা প্ৰকাশিত *Hindu Patriot* নামৰ কাকতখনৰ অভিমত। নৰোত্তম দাসৰ *দলিপুৰাণ*ৰ মতে ঘটনাটোত নিহত লোকৰ সংখ্যা ১৪০। আচৰিত কথা, এনে এটা গুৰুত্বপূৰ্ণ ঘটনা সম্পৰ্কে সেই সময়ৰ অসমীয়া কাকত *জোনাকী* নীৰৱ আছিল। আনহাতে কলিকতাৰপৰা প্ৰকাশিত *Amrita Bazar Patrika*ৰ ১৮৯৪ চনৰ ১৪ ফেব্ৰুৱাৰি সংখ্যাত ঘটনাটো সম্পৰ্কে সম্পাদকীয় মন্তব্য আছিল এনেধৰণৰ: "In the Deccan the fury of the ryots was directed against moneylenders, in Bengal against the indigo-planters (in 1866), in Pabna against zemindars (in 1872), but in Assam, at this movement, it is an open rebellion against the Government."[২৬] কুৰি আৰু একৈছ শতিকাৰ অসমত নানান দাবীত কৃষক আন্দোলন চলিছে যদিও সেইবোৰ সবল নহয়। বিশেষকৈ ভূমিস্খলন-বিধ্বস্ত কৃষকসকলক লৈ যি-ধৰণৰ দুৰ্বাৰ আন্দোলন গঢ়ি উঠিব লাগিছিল সেয়া গঢ়ি উঠা নাই। তথাপি সাম্প্ৰতিক অসমত মৌলিক ভূমিসংস্কাৰৰ যৌক্তিকতাক কাৰ্যতঃ অস্বীকাৰ কৰি কৃষিভূমিক ব্যৱসায়িক তথা ঔদ্যোগিক স্বাৰ্থত ব্যৱহাৰ হ'বলৈ দিয়াৰ যি-প্ৰক্ৰিয়া চলিছে তাৰ বিৰুদ্ধে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নিৰৱচ্ছিন্ন আন্দোলন এক তাৎপৰ্যপূৰ্ণ ঘটনা।

আমাৰ কিতাপখনত ড° সাগৰ বৰুৱাই লিখা "অসমত কৃষক আন্দোলনৰ ধাৰা" শীৰ্ষক মূল্যবান প্ৰবন্ধটোত ঔপনিবেশিক আৰু স্বৰাজোত্তৰ কালৰ অসমত হোৱা কৃষক আন্দোলনসমূহৰ এক চমু খতিয়ান পোৱা যাব।

উদ্যোগক্ষেত্ৰত পিছপৰা অসম শ্ৰমিক-আন্দোলনৰ ক্ষেত্ৰতো পিছপৰা। তথাপি ৰাজ্যখনত সময়ে সময়ে শ্ৰমিক-আন্দোলন সংঘটিত নোহোৱা নহয়। অসমৰ চাহবাগিচাসমূহত চলা অমানৱিক শ্ৰমিক-নিৰ্যাতনৰ বিৰুদ্ধে প্ৰথমে বিদ্ৰোহী হৈছিল আচাম কোম্পানিৰ বড়ো বনুৱাসকল। ১৮৫৯ চনত তেওঁলোকে যথাযথভাৱে খোৰাকীৰ চাউল প্ৰদান আৰু মজুৰি বৃদ্ধিৰ দাবীত ঘেৰাও আৰু ধৰ্মঘটৰ বাট লৈছিল। সেই বছৰ ৮ অক্টোবৰ তাৰিখে পাঁচ-ছয়শ "কছাৰী" বনুৱাৰ দল এটাই লাঠি হাতে নাজিৰাত কোম্পানিৰ ছুপাৰিণ্টেণ্ডেন্ট জেমছ মেকিন্‌টোছক আগুৰি ধৰি মজুৰি বৃদ্ধিৰ দাবী জনাইছিল। তেওঁলোকৰ সেই দাবী অগ্ৰাহ্য হৈছিল। ১৮৬০ৰ দশকৰ মাজভাগৰ অভিজ্ঞতাৰ আধাৰত ৰচিত অস্কাৰ ফ্লেক্সৰ এক বিবৰণীত পোৱা যায় যে তেওঁ কাম কৰা বাগিচাখনৰ কৰ্তৃপক্ষই বনুৱাসকলৰ হাতত থকা কিছু আগ্নেয়াস্ত্ৰ বাজেয়াপ্ত কৰাৰ উপৰি বনুৱাসকলৰ দখলত আগ্নেয়াস্ত্ৰ ৰখাৰ বিৰুদ্ধে নিষেধাজ্ঞা জাৰী কৰিছিল। ইতিপূৰ্বে কিছুমান কছাৰী বনুৱাই বাঁহৰ যাঠীৰে বাগিচাখনৰ এজন এছিছ্‌টেণ্ট মেনেজাৰক খুঁচি খুঁচি আধামৰা কৰিছিল কাৰণে বাগিচা-কৰ্তৃপক্ষই এনে সতৰ্কতামূলক ব্যৱস্থা ল'বলগা হৈছিল বুলি তেওঁ লিখিছে।[২৫]

ঔপনিবেশিক শাসনকালত অসমৰ চাহবাগিচাসমূহত ছেগাচোৰোকাকৈ এনেকুৱা কিছু সন্ত্ৰাসৰ ঘটনা ঘটিছিল যদিও ১৯২৬ চনৰ আগলৈকে অসমত শ্ৰমিক শ্ৰেণীৰ ট্ৰেড ইউনিয়ন কৰাৰ অধিকাৰ নথকাত চাহশ্ৰমিককে ধৰি ৰাজ্যখনৰ কোনোধৰণৰ শ্ৰমিকৰেই সংগঠিতভাৱে আন্দোলন কৰাটো কঠিন আছিল। বিক্ষিপ্তভাৱে ঘটা ঘটনাবোৰৰ ভিতৰত এটা আছিল বিশ্বনাথ চাহ কোম্পানিয়ে চলোৱা পভোৰি চাহবাগিচাত ঘটা এটা ঘটনা। ১৯০৫ চনৰ *সঞ্জীবনী* কাকতৰ এটা সংখ্যাত প্ৰকাশিত "চা-বাগানে দাঙ্গা" শীৰ্ষক বাতৰিত প্ৰকাশ যে সেই সময়ত দুই-তিনিশ বনুৱাৰ এক জনতাই লাঠি হাতে পুলিচৰ এটা দলৰ ওপৰত আক্ৰমণ চলাই তেওঁলোকৰ হাতৰপৰা হাতকেৰোৱাৰে বন্ধা সাতজন বনুৱাক মোকলাই লৈ যোৱাৰ উপৰি বাগিচাৰ মেনেজাৰসহ তিনিজন ব্যক্তিক দলেবলে আক্ৰমণ কৰে। বাগিচা-কৰ্তৃপক্ষই কৰা অভিযোগক্ৰমেহে এই বনুৱাকেইজনক পুলিচে গ্ৰেপ্তাৰ কৰা বুলি বাতৰিটোত উল্লেখ আছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত পুলিচে মুঠ পোন্ধৰজন বনুৱাক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ তিনিজনক দুবছৰৰ বাবে, চাৰিজনক আঠমাহৰ বাবে, দুজনক ন মাহৰ বাবে আৰু ছজনক দুমাহৰ বাবে জেইললৈ পঠিয়ায়।[২৬]

বিক্ষিপ্তভাৱে ঘটা এনে ঘটনাবোৰ আন্দোলনৰ অংশ নাছিল, আছিল নিপীড়িত চাহবনুৱাৰ ক্ষোভৰহে বহিঃপ্ৰকাশ। শ্ৰমিকৰ সংগঠন নাথাকিলে শ্ৰমিক



আন্দোলন হোৱাটো কঠিন। দৰাচলতে ১৯২০ চনত যেতিয়া ভাৰতৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা ট্ৰেড ইউনিয়নবোৰক একত্ৰিত কৰি All India Trade Union Congress, সংক্ষেপে AITUC গঠিত হৈছিল আৰু লাল লাজপত ৰায় তাৰ সভাপতি নিৰ্বাচিত হৈছিল তেতিয়া অসমত কোনো ট্ৰেড ইউনিয়ন নাছিল আৰু সেয়েহে এ আই টি ইউ চিত অসমৰ শ্ৰমিক শ্ৰেণীৰ কোনো প্ৰতিনিধিত্ব নাছিল। অথচ অসমত তেতিয়া সৰ্ববৃহৎ শিল্পৰূপে চাহশিল্পই বিৰাজ কৰিছিল, য'ত ভাৰতৰ প্ৰথম আৰু প্ৰায়-আধুনিক শ্ৰমিক শ্ৰেণীৰূপে লাখ লাখ চাহবনুৱাই পশুৰ দৰে জীৱনযাপন কৰি আছিল।

১৯২১-২২ চনৰ অহিংস অসহযোগ আন্দোলনলৈ চাহবনুৱাসকলৰ সহযোগ বিচাৰি কংগ্ৰেছৰ নেতাসকলে আবেদন জনাইছিল, কিন্তু তেওঁলোক বনুৱাসকলৰ জীৱন-জীৱিকাৰ সমস্যা, অৰ্থনৈতিক সমস্যা, নাৰী বনুৱাসকলৰ ওপৰত চলা যৌন শোষণৰ সমস্যাৰ প্ৰতি নিৰ্বিকাৰ আছিল। শিলঘাটেদি গান্ধীজী নগাঁৱলৈ আহোঁতে হাজাৰ হাজাৰ চাহবনুৱাই তেওঁক সম্বৰ্ধনা জনাইছিল যদিও গান্ধীজীয়ে নিষ্পেষিত চাহবনুৱা আৰু অত্যাচাৰী চাহখেতিয়কৰ মাজত সুসম্পৰ্ক বিচৰাত বাগান-কৰ্তৃপক্ষ উল্লসিতহে হৈছিল। তথাপি নিৰ্যাতিত বনুৱাসকলে বাগিচাৰ চকীদাৰ, মহৰী, কেৰাণী আদিৰ শেনদৃষ্টিক ফাকি দি কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলৰ লগত যোগাযোগ ৰক্ষা কৰিছিল আৰু স্বৰাজ-পুঁজিলৈ টকা-পইছা দি সহায় কৰিছিল।

১৯২১ খ্ৰীষ্টাব্দত সমগ্ৰ দেশত ৩৯৬টা ধৰ্মঘট হৈছিল; কিন্তু শিল্প আৰু উদ্যোগৰ ক্ষেত্ৰত শোচনীয়ভাৱে পিছপৰা অসমত ধৰ্মঘট হৈছিল সম্ভৱতঃ মাত্ৰ তিনিটা। প্ৰথমটো চাহবনুৱাৰ, দ্বিতীয়টো ৰেল-শ্ৰমিকৰ আৰু তৃতীয়টো ষ্টীমাৰ-শ্ৰমিকৰ। এই সময়ত লাল-বাল-পালৰ অন্যতম অসমৰ বিপিনচন্দ্ৰ পাল আন্দোলনকাৰীসকলৰ সমৰ্থনত প্ৰবলভাৱে থিয় দিছিল। ১৯২০ চনৰ ছেপ্টেম্বৰ মাহৰপৰা ১৯২১ চনৰ মে' মাহলৈকে কৰিমগঞ্জৰ চাৰগোলা আৰু তাৰ ওচৰৰ বাগিচাবোৰত গুৰুতৰ শ্ৰমিক-অসন্তোষ চলিছিল। বহু শ্ৰমিকে বাগিচাবোৰ এৰি গুচি গৈছিল আৰু পিছত গুৰ্খা সৈন্যৰ হাতত নিৰ্যাতিত হৈ নিজ নিজ বাগিচালৈ উভতি আহিবলগাও হৈছিল। ডাঙৰ শ্ৰমিক-নিৰ্যাতনৰ ঘটনাটো ঘটিছিল Assam-Bengal Railwaysৰ চাঁদপুৰ ৰেল-টাৰ্মিনাছত। সামৰিক বাহিনীৰ হাতত নিৰ্যাতিত চাহবনুৱাসকলৰ প্ৰতি সমৰ্থন জনাই Assam-Bengal Railways আৰু Steamer Navigation Serviceএ ২৪ মে'ৰপৰা ধৰ্মঘট কৰি চাহবনুৱাসকলৰ আন্দোলনলৈ নৈতিক সমৰ্থন জনাইছিল। ৰেলৰ ধৰ্মঘট চলিছিল ছেপ্টেম্বৰ মাহলৈকে। Assam-Bengal Railwaysৰ কৰ্মচাৰী ইউনিয়নৰ সেই সময়ৰ সভাপতি আছিল যতীন্দ্ৰমোহন সেনগুপ্ত। নবীনচন্দ্ৰ বৰদলৈলৈ ৮ জুন ১৯২১ তাৰিখৰ এখন চিঠিত তেওঁ এইদৰে লিখিছিল: "চাঁদপুৰেৰ অত্যাচাৰেৰ পৰ আসাম-বেঙ্গল ৰেলওয়েৰ কৰ্মীৰা কাৰ্যত্যাগ কৰিয়াছে। গৌহাটি, লামডিং ও তিনসুকীয়া বিভাগ

ব্যতীত আৰ সমুদায় বিভাগেৰ কৰ্মীৰা এখনও কৰ্মে প্ৰবৃত্ত হয় নাই। এইসকল স্থানেৰ কংগ্ৰেস কমিটিকে ইহা ভালো কৰিয়া বুঝাইয়া দিন যে ৰেলওয়ে কৰ্মীদেৰ দ্বাৰা ধৰ্মঘট কৰানো তাঁহাদেৰ কৰ্তব্য। ... মিঃ [তৰুণৰাম] ফুকনকে আপনাৰ সহায় হইতে অনুৰোধ কৰিবেন।" চিঠিখন খুবেই গুৰুত্বপূৰ্ণ আছিল কাৰণে চিঠিখনৰ ওপৰত সেই সময়ৰ কংগ্ৰেছ সভাপতি চিত্ৰৰঞ্জন দাশে এনেধৰণৰ টোকা দিছিল: "ইহা শ্ৰমঘটিত ধৰ্মঘট নহে, ইহা প্ৰকৃত অস্থায়ী অসহযোগ। ইহাৰ সফলতাতে স্বৰাজ যুদ্ধেৰ অৰ্ধজয় সূচিত হইবে। সুতৰাং এতদ্বিষয়ে আপনি অনুগ্ৰহপূৰ্বক দৃষ্টি আকৰ্ষণ কৰিবেন।"[২৭] উল্লেখনীয় যে ৮ জুনত যতীন্দ্ৰমোহন সেনগুপ্তই চিঠিখন লিখাৰ আগতেই ৰে'লৰ বহু কৰ্মী কামত যোগদান কৰিছিল। কিন্তু তৰুণৰাম ফুকনৰ তৎপৰতাত তেওঁলোক ধৰ্মঘটলৈ উভতি যায়। দৰাচলতে ১৯২১ চনৰ এই ঘটনা অসমৰ শ্ৰমিক আন্দোলনৰ ইতিহাসত এটা মাইলৰ খুঁটি। ১৯২৬ চনৰপৰা অসমত মেচ ফেক্টৰি, তৈলক্ষেত্ৰ, চাহবাগিচা আদিত বহু শ্ৰমিক ধৰ্মঘট হ'বলৈ ধৰে। ১৯২৮ চনৰ ৭ জুলাইৰপৰা ১৬ অক্টোবৰৰ ভিতৰত *Times of India*ত নেতাজী সুভাষচন্দ্ৰ বসুৰ বিশেষ আস্থাভাজন শ্ৰমিকনেতা কেদাৰনাথ গোস্বামীৰ "Trade Union in Assam" শীৰ্ষক এলানি প্ৰবন্ধ প্ৰকাশিত হৈছিল আৰু ১৯৩৬ চনৰ পহিলা মে' তাৰিখে ধুবুৰীৰ ঈদগাহ ময়দানত শ্ৰমিকনেতা বিপিন চক্ৰবৰ্তীৰ নেতৃত্বত অসমত প্ৰথম শ্ৰমিক দিৱস পালিত হয়।[২৮] ১৯৩৯ চনৰ ডিগবৈৰ আছাম অয়েল কোম্পানিৰ শ্ৰমিকসকলে কৰা ধৰ্মঘটটো আছিল অসমত শ্ৰমিক-আন্দোলনৰ ইতিহাসত আন এক মাইলৰ খুঁটি। উল্লেখনীয় যে অসমৰ চাহবাগিচালৈ ৰাজ্যখনৰ বাহিৰৰপৰা যিদৰে নানা প্ৰলোভন দেখুৱাই শ্ৰমিক অনা হৈছিল, অসমৰ তৈলক্ষেত্ৰবোৰলৈকো তেনেকৈ দুখীয়া মানুহক বহু ভুৱা প্ৰতিশ্ৰুতিৰে শ্ৰমিকৰূপে চুক্তিবদ্ধ কৰি অনা হৈছিল, কিন্তু চাহবনুৱাৰ দৰে তেওঁলোকো চৰমভাৱে প্ৰতাৰিত হয়। উল্লেখনীয় যে ১৯২৯ খ্ৰীষ্টাব্দৰপৰা আছাম অয়েল কোম্পানিৰ শ্ৰমিকসকলে মজুৰি বৃদ্ধিকে আদি কৰি বিভিন্ন দাবীত ধৰ্মঘট কৰিবলৈ লৈছিল। ১৯৩৮ খ্ৰীষ্টাব্দৰ ২২ ফেব্ৰুৱাৰি তাৰিখে আছাম অয়েল লেবাৰ ইউনিয়ন গঠিত হয় আৰু সেই বছৰৰ ৭ আগষ্ট তাৰিখে ট্ৰেড ইউনিয়ন বিধি অনুযায়ী ইউনিয়নটোৰ পঞ্জীয়ন হয়। অৱশ্যে পঞ্জীয়নৰ আগতেই — ২৭ জুলাই তাৰিখে — ইউনিয়নৰ ফালৰপৰা মজুৰি বৃদ্ধি, কামৰ সময়সীমা হ্ৰাস, গ্ৰেচুইটি, বৃদ্ধ বয়সত বানচ, উৎসৱ ছুটি ইত্যাদি দাবী সম্বলিত মুঠ বাৰদফীয়া এখন স্মাৰকপত্ৰ কোম্পানিৰ কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা হয়। বহু টনা-আজোৰাৰ পিছতো যেতিয়া তেওঁলোকৰ উত্থাপিত দাবীবোৰ পূৰণ নহ'ল তেতিয়া ১৯৩৯ চনৰ ২ এপ্ৰিলৰপৰা ইউনিয়নে অনিৰ্দিষ্ট কাললৈ শ্ৰমিক ধৰ্মঘটৰ আহ্বান জনায়। সৰহভাগ শ্ৰমিকে ধৰ্মঘটত যোগ দিয়াত তৈলক্ষেত্ৰত উৎপাদন ব্যাহত হয় আৰু তেল কোম্পানিৰ কৰ্তৃপক্ষই পুলিচ-মিলিটেৰি দি ধৰ্মঘটত যোগ দিয়া শ্ৰমিকসকলক ধৰি আনি কামত লগাবলৈ



চেষ্টা কৰে। ১৮ এপ্ৰিলৰ দিনা ডিগবৈত মিলিটেৰিয়ে নিৰস্ত্ৰ, কামত যোগ দিবলৈ অনিচ্ছুক শ্ৰমিকৰ ওপৰত অতৰ্কিতে গুলীচালনা কৰি তিনিজন শ্ৰমিকক হত্যা কৰে। এনে নিৰ্মম শ্ৰমিক হত্যাৰ বিৰুদ্ধে ২০ এপ্ৰিল তাৰিখে ডিব্ৰুগড়বাসীয়ে পূৰ্ণ সফলতাৰে ধৰ্মঘট পালন কৰে আৰু সেইদিনা বিয়লি ৪ বজাত ডিব্ৰুগড় নগৰত শ্ৰমিকনেতা কেদাৰনাথ গোস্বামীৰ সভাপতিত্বত এক বিশাল জনসভা অনুষ্ঠিত হয়। ৬ মে' তাৰিখে কলিকাতাত নেতাজী সুভাষচন্দ্ৰ বসুৰ সভাপতিত্বত অনুষ্ঠিত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সভাত ডিগবৈত সংঘটিত শ্ৰমিক হত্যাৰ বাবে ঔপনিৱেশিক চৰকাৰক নিন্দা কৰি এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

ঔপনিৱেশিক অসম আৰু স্বৰাজোত্তৰ অসমত হোৱা বিভিন্ন শ্ৰমিক আন্দোলনৰ এটি ৰূপৰেখা আমাৰ কিতাপখনত ড° মামণি বৰঠাকুৰে দাঙি ধৰি আমাক উপকৃত কৰিছে।

অসম ছাত্ৰ-আন্দোলনৰ উৰ্বৰ ক্ষেত্ৰ। ঔপনিৱেশিক শাসনকালত স্কুল-কলেজ বৰ্জন, কাৰ্লাইল চাৰ্কুলাৰৰ বিৰুদ্ধে প্ৰতিবাদ, মাদক আৰু কানিবিৰোধী অভিযানত অংশগ্ৰহণ কৰাৰ উপৰি দেশৰ মুক্তিসংগ্ৰামত প্ৰত্যক্ষভাৱে যোগদান — এনেবোৰ কাৰ্যকলাপেৰে পাতনি মেলা অসমৰ ছাত্ৰ-আন্দোলন স্বাধীনতা-পৰৱৰ্তী কালত প্ৰথমতে দুটা আৰু পিছলৈ তিনিটা সত্তাত আত্মপ্ৰকাশ কৰে। ত্ৰিধাবিভক্ত আন্দোলনৰ প্ৰথমটো সত্তা অৰ্থনৈতিক উন্নয়নৰ প্ৰবল দাবীদাৰ, দ্বিতীয়টো সত্তা subnationalist/regionalist (ক্ষুদ্ৰ জাতীয়তাবাদী, যাক সাধাৰণ আলোচনাত জাতীয়তাবাদী বা আঞ্চলিকতাবাদী বুলিও অভিহিত কৰা হয়) আৰু শেহতীয়াকৈ আত্মপ্ৰকাশ কৰা সত্তাটো হ'ল ethnic (ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাভিত্তিক)। মুখ্যতঃ অৰ্থনৈতিক আৰু গৌণতঃ সাংস্কৃতিক আশা-আকাংক্ষাভিত্তিক দাবীবোৰ যথাযথভাৱে পূৰণ নোহোৱাৰ ফলতেই অসমত ছাত্ৰ-আন্দোলনবোৰ ক্ৰমান্বয়ে আঞ্চলিক আৰু পিছলৈ ক্ষুদ্ৰ জনগোষ্ঠীয় আশা-আকাংক্ষাভিত্তিক হৈ পৰে। ১৯৫৬ আৰু ১৯৫৭ চনৰপৰাই অসমত তৈল শোধনাগাৰ প্ৰতিষ্ঠাৰ দাবীত অসমৰ ৰাইজৰ লগতে ছাত্ৰসকলেও আন্দোলন কৰিছিল। আন্দোলনটো পৰিচালিত হৈছিল All Assam Oil Refinery Action Committeeৰ নেতৃত্বত। সেই আন্দোলনৰ হেঁচাত জৱাহৰলাল নেহৰুৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কলিকতাত তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰে যদিও অসমৰ জনমতৰ বিপক্ষে গৈ শোধনাগাৰটো বাৰউনিত প্ৰতিষ্ঠাৰ সিদ্ধান্ত গ্ৰহণ কৰে। পিছত —১৯৬২ চনত— অৱশ্যে গুৱাহাটীত এটা তৈল শোধনাগাৰ প্ৰতিষ্ঠা কৰা হয়। ১৯৭০ চনত স্বৰাজোত্তৰ অসমত দ্বিতীয়টো তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ দাবীত পুনৰ আন্দোলন হৈছিল। অৰ্থনৈতিক সমস্যাৰ লগত জড়িত আন এটা গুৰুত্বপূৰ্ণ ছাত্ৰ আন্দোলন আছিল ১৯৬৬ চনৰ খাদ্য আন্দোলন, যিয়ে খাদ্যদ্ৰব্যৰ চোৰাংকাৰবাৰী, মজুতদাৰী আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাত দুৰ্নীতি আদিকো আন্দোলনৰ লক্ষ্য কৰি লৈছিল। এই আন্দোলন দুটাৰ

বাহিৰে আন কোনো বৃহৎ ধৰণৰ অৰ্থনৈতিক সমস্যাজড়িত আন্দোলন অসমত হোৱা নাই। অথচ অসমৰ সমস্যা অনেক। "এই পৃথিৱীৰ অপৰাপৰ দেশ যেৰূপ সময়ৰ পৰিবৰ্ত্তনে পড়িয়া অপাৰ অভাব সমুদ্ৰে নিমগ্ন হইয়াছে, এখন আসামকেও তাহাৰ অংশভাগী বলিয়া মানিতে হইবে। সুতৰাং আসামেৰ অভাব অনেক।"[২৯] — ১৮৮১ খ্ৰীষ্টাব্দত প্ৰকাশিত *উদাসীন সত্যশ্ৰবাৰ আসাম ভ্ৰমণ* কিতাপখনত লিখা ৰামকুমাৰ বিদ্যাৰত্নৰ এই কথাষাৰ স্বাধীনোত্তৰ অসমত অধিক প্ৰাসঙ্গিক হৈ উঠিছে যদিও প্ৰাকৃতিক সম্পদেৰে চহকী অসমত প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ কৰি অসমৰ ৰাইজৰ কৰ্মসংস্থানৰ ব্যৱস্থা কৰাৰ দাবীৰে তেনে কোনো বলিষ্ঠ আন্দোলন গঢ়ি নুঠিল। গতিকে অসম ভাৰতৰ এটি অনুন্নত প্ৰদেশ হৈয়ে থাকিল। অথচ অসমত আন্দোলন যে নহ'ল তেনে নহয়। ১৯৬০ চনৰ ৰাজ্যিক ভাষা-আন্দোলন আৰু ১৯৭২ চনৰ মাধ্যম-আন্দোলনৰ পিছত ১৯৭৯ চনৰপৰা চলিল ছবছৰ জোৰা বিদেশী বিতাড়ন আন্দোলন। এই আন্দোলনবোৰ মূলতঃ sub-nationalist (ক্ষুদ্ৰ জাতীয়তাবাদী) বা regionalist (আঞ্চলিকতাবাদী) ভাবধাৰাৰে চলা আন্দোলন। ইয়াৰপৰা এটা বিচ্ছিন্নতাবাদী ধাৰাও ওলাই আহিল। এই আন্দোলনবোৰে অসমৰ ক্ষুদ্ৰ জনজাতীয় (ethnic) জাতিসত্তাবোৰৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব নোৱৰাৰ ফলতেই ক্ৰমান্বয়ে গা কৰি উঠিল সেই জাতিসত্তাবোৰৰ আশা-আকাংক্ষাভিত্তিক আন্দোলন। ছাত্ৰসকল সেই আন্দোলনবোৰৰ প্ৰাণশক্তি হৈ পৰিল। ১৯৬৭ চনত অসমত জন্ম হ'ল দুটা ছাত্ৰ সংগঠনৰ — All Assam Students' Union আৰু All Bodo Students' Union। প্ৰথমটো অনুষ্ঠানৰ সংবিধান গৃহীত হ'ল ১৯৬৭ চনৰ আগষ্ট মাহত, দ্বিতীয়টোৰ ১৯৬৯ চনৰ মাৰ্চ মাহত। ইয়াৰ পিছত অসমত কত যে ক্ষুদ্ৰ জনগোষ্ঠীয় ছাত্ৰ সংগঠন গঢ়ি উঠিল তাৰ হিচাপ কোনে ৰাখে! এইবোৰৰ ভিতৰত গুৰুত্বপূৰ্ণ হ'ল ১৯৭৮ খ্ৰীষ্টাব্দৰ ১২ মাৰ্চত প্ৰতিষ্ঠিত হোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, যাৰ দুটা প্ৰধান দাবী হ'ল (১) অসমৰ বাবে দ্বৈত নাগৰিকত্ব ব্যৱস্থা আৰু (২) আন্তঃৰাষ্ট্ৰীয় তথা আন্তঃৰাজ্যিক প্ৰব্ৰজনৰ ক্ষেত্ৰত ৰাজ্যৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা। আলফা-নেতা অৰবিন্দ ৰাজখোৱা আৰু অনুপ চেতিয়াই অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতাৰূপেই ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল। অসমত যুগ যুগ ধৰি বাস কৰা জাতি বা জনগোষ্ঠীসমূহৰ All Koch Rajbangsi Students' Union, All Assam Mising Students' Union, All Dimasa Students' Union, All Tiwa Students' Union, All Assam Manipuri Students' Union, Karbi Students' Association, All Assam Deuri Students' Union, Assam Moran Students' Union, All Rabha Students' Union, All Assam Sarania Kachari Students' Union, All Assam Thengal Kachari Students' Union, All Tai Ahom Students' Union আদি ছাত্ৰ সংগঠন



থকাৰ দৰে ঔপনিবেশিক আৰু স্বাধীনোত্তৰ কালত অসমলৈ অহা জনগোষ্ঠীসমূহৰো ছাত্ৰসংগঠন আছে। যেনে— All Tea Tribes Students' Association, All Adivasi Students' Association, All Assam Minority Students' Union, All Assam Gorkha Students' Union, All Assam Nepali Students' Union, All Assam Bengali Youth Students' Federation ইত্যাদি। একো একোটা জনজাতীয় বা জনগোষ্ঠীয় ছাত্ৰ সংগঠন বিভাজিত হৈ বহু ফৈদৰ সৃষ্টি নোহোৱা নহয়। সকলোৰে জানে, এনে বিভাজনবোৰৰ গুৰিত থাকে বিভিন্ন ৰাজনৈতিক ব্যক্তি বা দলৰ প্ৰভাৱ আৰু স্বাৰ্থ। গতিকে অৰ্থনৈতিক তথা সংস্কৃতিক দাবী আদায়ৰ বাবে আৰম্ভ হোৱা বহু আন্দোলন ক্ৰমান্বয়ে বিভিন্ন ৰাজনৈতিক শক্তিৰ বহতীয়াবৃত্তিত পৰিণত হয়হি।

এইবোৰৰ বিপৰীতে অসমত NSUI (National Students' Union of India), SFI (Students' Fedaration of India), AISF (All India Students' Federation), Akhil Bharatiya Vidyarthi Parishad, Hindu Yuva Chatra Parishad আদি অনুষ্ঠানৰো শাখা আছে। এইবোৰো বিভিন্ন ৰাজনৈতিক দলৰ ভাবধাৰাৰে পৰিচালিত নাইবা বিশেষ বিশেষ ৰাজনৈতিক দলৰ শাখা-সংগঠন।

আমাৰ সঙ্কলনটিত ড° কঙ্কণ ডেকাৰ অসমত ছাত্ৰ আন্দোলনবিষয়ক এটি মূল্যবান প্ৰবন্ধ অন্তৰ্ভুক্ত হৈছে।

সদৌ শেষত বিভিন্ন ধৰণৰ সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ আগবঢ়াই গ্ৰন্থখনৰ প্ৰকাশক অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈ, সম্পাদক ড° মঞ্জু লস্কৰ, আমাৰ কলেজৰপৰা চৰ্তাধীন ছুটী (lien) লৈ কটন কলেজ ষ্টেট ইউনিভাৰ্ছিটিৰ অসমীয়া বিভাগত সহকাৰী অধ্যাপকৰূপে বৰ্তমানে কৰ্মৰত ড° বিশ্বজিৎ দাস, গিগাবাইট্ছ প্ৰেছৰ স্বত্বাধিকাৰী কঙ্কণ গোস্বামী, মুদ্ৰণকৰ্মী নিৰোজকুমাৰ নাথ আৰু প্ৰভাতমণি শইকীয়া আৰু সৰ্বোপৰি লেখকসকল অশেষ ধন্যবাদৰ পাত্ৰ হৈছে। সকলো লেখকৰ প্ৰবন্ধ যে খুব উন্নতমানৰ হৈছে, তেনে নহয়। কিন্তু তেওঁলোকে অজস্ৰ কামৰ মাজত থাকিও যে আমাৰ আবেদনত সঁহাৰি জনাইছে তাৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

যদি এই কিতাপখনৰপৰা কোনো পাঠক অলপো উপকৃত হয় তেন্তে আমাৰ শ্ৰম সাৰ্থক হ'ব আৰু আমি নিজকে ধন্য মানিম।

**জ্যোতিৰ্ময় জানা**
মুখ্য সম্পাদক, *আধুনিক অসম*

**তথ্যসূত্ৰ**

১ গুণাভিৰাম বৰুৱা। *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০০৭, পৃষ্ঠা ১।

২ John M'Cosh. *Topography of Assam*. New Delhi: Logos, 1986, p. 26

৩ William Robinson. *A Descriptive Account of Assam* 1841. Guwahati: Bhabani, 2011, pp. 277-8

৪ তদেব, পৃষ্ঠা ২৭৮।

৫ তদেব।

৬ তদেব।

৭ (Mrs.) S.R. Ward, ed. *A Glimpse of Assam*. Published by the editor and printed by Thomas S. Smith, City Press, 12 Bentick Street, Calcutta 1884, p. 19

৮ তদেব।

৯ তদেব।

১০ লম্বোদৰ বৰা। "সদানন্দৰ সমাচাৰ (১)"। নন্দ তালুকদাৰ সঙ্কলিত আৰু সম্পাদিত *লম্বোদৰ বৰা ৰচনাৱলী*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা ৫৪।
ৰত্নেশ্বৰ মহন্ত। "ঘৈণীৰ কৰ্তব্য আৰু স্ত্ৰীশিক্ষা।" নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *আসাম বন্ধু*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃষ্ঠা ৩৬০।
বলিনাৰায়ণ বৰা। "তিৰুতাৰ বন কি?" সত্যেন্দ্ৰনাথ শৰ্মা পুনঃ-সম্পাদিত *মৌ*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮০, পৃষ্ঠা ৩।

১১ প, শ, [পূৰ্ণানন্দ শৰ্মা]। "স্ত্ৰী শিক্ষা"। *আসাম-বন্ধু*, মাঘ-ফাগুন, শক ১৮০৭, ইংৰাজী ১৮৮৬। নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *আসাম বন্ধু*। প্ৰাগুক্ত, পৃষ্ঠা ৪৮০।

১২ তদেব।

১৩ তদেব, পৃষ্ঠা ৪৭৯।

১৪ তদেব, পৃষ্ঠা ৪৭৯-৮০।

১৫ "নগাঁৱত মাউৰ লগাব কথা"। *অৰুনোদই*, জুলাই ১৮৫১। মহেশ্বৰ নেওগ সঙ্কলিত আৰু পুনঃ-সম্পাদিত *অৰুনোদই*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃষ্ঠা ৬০৮।

১৬ জ্যোতিৰ্ময় জনা। *ৰুদ্ৰৰাম বড়দলৈৰ বঙ্গাল বঙ্গালনী নাটক: মূল নাটক আৰু আলোচনা*। গুৱাহাটী: ভৱানী, ২০১৫, পৃষ্ঠা ৪০।

১৭ "Man forced to eat faeces in Meghalaya for being 'Voodooist'." paper.hindustantimes.com/epaper/vieweraspx.web.

১৮ Sudhi Pradhan (comp., ed.). *Marxist Cultural Movement in India*. Vol. 2. Calcutta : Navana, 1982, pp. 284-5

১৯ *Chekhov: Major Plays*. A New Translation by Ann Dunnigan. New York: New American Library, 1964, p. 346

২০ বিষ্ণুপ্ৰসাদ ৰাভা। "মানৱ জাতি"। *বিষ্ণুৰাভা ৰচনাৱলী*। নলবাৰী: জাৰ্নাল এম্পৰিয়াম, ১৯৮২, পৃষ্ঠা ৩৮।

২১ জ্ঞানদাভিৰাম বৰুৱা। *মোৰ কথা*। যোগেন্দ্ৰনাৰায়ণ ভূঞা সঙ্কলিত আৰু সম্পাদিত *জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী*। যোৰহাট: অসম সাহিত্য সভা, ১৯৮১, পৃষ্ঠা ১৩৮।

২২ বেণুধৰ শৰ্মা সম্পাদিত *হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ আত্মজীৱনী*। গুৱাহাটী: তৰুণকুমাৰ আগৰৱালা, ১৯৬৭, পৃষ্ঠা ১২।

২৩ "যাত্ৰা কৰা কথা"। *অৰুনোদই*, জানুৱাৰি ১৮৫৪। মহেশ্বৰ নেওগ সঙ্কলিত আৰু পুনঃ-সম্পাদিত *অৰুনোদই*। প্ৰাগুক্ত, পৃষ্ঠা ১৮৫৩-৭।





২৪ উদ্ধৃত, H.K. Barpujari, ed. *The Comprehensive History of Assam*, Vol. 5. Guwahati Publication Board, Assam, 1993, pp. 33-4

২৫ এম চেলিম আলী। *অসম ১৮৬৪: ভাৰতত চাহ-খেতিয়কৰ জীৱন আৰু অসমৰ কলা সংস্কৃতিৰ বিৱৰণী*। ১৮৭৩ খ্ৰীষ্টাব্দত বাৰ্লিনত প্ৰকাশিত অস্কাৰ ফ্লেক্সে লিখা জাৰ্মান কিতাপ *Pflanzerleben in Indien - Kulturgeschichtliche Bilder aus Assam*ৰ অসমীয়া অনুবাদ। গুৱাহাটী: অসম সাহিত্য সভাৰ ৭২তম অধিৱেশন উপলক্ষে প্ৰকাশিত, ২০১২, পৃষ্ঠা ৬০।

২৬ "চা-বাগানে দাঙ্গা"। *সঞ্জীৱনী*, ১২ ব'হাগ ১৩১১ বাংলা চন। কানাইলাল চট্টোপাধ্যায় সঙ্কলিত আৰু পুনঃ-সম্পাদিত *সঞ্জীৱনী*। কলিকতা: দে'জ, ১৯৮৯, পৃষ্ঠা ৩৩১।

২৭ উদ্ধৃত, অমলেন্দু গুহ। "অসমত চাহ শ্ৰমিক আন্দোলন ১৮৩৯-১৯৪৭"। *অসমৰ শ্ৰমিক আন্দোলন—ইতিহাস আৰু ধাৰা: প্ৰাক-স্বাধীনতাকাল* (প্ৰথম খণ্ড)। সম্পাদনা: নতুন সাহিত্য পৰিষদ, গুৱাহাটী আঞ্চলিক সমিতি। গুৱাহাটী: ভাগৱতী প্ৰকাশন, ১৯৯৩, পৃষ্ঠা ৩০-১।

২৮ দীপঙ্কৰ বেনাৰ্জী। "ধুবুৰীৰ অসম মেচ্ কোম্পানীৰ শ্ৰমিক ধৰ্মঘট (১৯২৫-৩৬)"। *অসমৰ শ্ৰমিক আন্দোলন....*। তদেব, পৃষ্ঠা ৪৩।

২৯ ৰামকুমাৰ বিদ্যাৰত্ন। *উদাসীন সত্যশ্ৰবাৰ আসাম ভ্ৰমণ*। কানাইলাল চট্টোপাধ্যায় সম্পাদিত *আসামে চা-কুলি আন্দোলন ও ৰামকুমাৰ বিদ্যাৰত্ন*। কলকাতা: পেপিৰাছ, ১৯৮৯, পৃষ্ঠা ৭৭।

# ঔপনিৱেশিক অসমত শিক্ষাব্যৱস্থাঃ এক বিহঙ্গম দৃষ্টি

ড° দুলুমণি গোস্বামী

ভাৰতবৰ্ষত মোগল-শাসনৰ শেষৰ ফালে শাসকবৰ্গৰ অন্তৰ্কন্দল আৰু দুৰ্বলতাৰ সুযোগ লৈ কিদৰে বিদেশী বাণিজ্যিক দল এটাই দেশ-শাসনৰ বাঘজৰী হাতত তুলি ল'বলৈ সক্ষম হ'ল সেই কথা সকলোৱে জানে। ১৪৯৮ চনতে পৰ্তুগীজ নাবিক ভাস্কো-ডা-গামাই সমুদ্ৰপথ অতিক্ৰম কৰি আহি দক্ষিণ ভাৰতৰ কালিকটত প্ৰৱেশ কৰাৰ পাছৰেপৰা ভাৰতবৰ্ষলৈ ইউৰোপীয় দেশসমূহৰ যোগাযোগৰ পথ সূচনা হয়। সাগৰীয় পথেদি ইউৰোপীয়সকলৰ ভাৰত অভিযানক মোগলসকলে বিশেষ গুৰুত্ব নিদিয়াৰ ফলত ষোড়শ শতিকাত পৰ্তুগীজসকল, সোতৰ শতিকাত ওলন্দাজসকল আৰু ইংৰাজসকলৰ ভাৰতবৰ্ষলৈ আগমন হয়। অৱশ্যে তেওঁলোকে ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল মূলতঃ বেপাৰ-বাণিজ্যৰ উদ্দেশ্যেৰেহে। প্ৰায় সোতৰ শতিকাৰ ভিতৰতে ইংৰাজসকলে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত খোপনি পুতি অৱশেষত প্ৰশাসনীয় দিশতো চকু দিবলৈ আৰম্ভ কৰে। ১৫৯৯ চনত ইংৰাজ বাণিজ্যিক দল ইষ্ট ইণ্ডিয়া কোম্পানি গঠন হয়। সোতৰ-ওঠৰ শতিকাৰ কালছোৱাত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ক্ৰমে মাদ্ৰাজ, বোম্বাই আৰু বঙ্গদেশত বেপাৰ বাণিজ্যৰ যোগেদি তিনিটা প্ৰধান প্ৰশাসনীয় কেন্দ্ৰ স্থাপন কৰে আৰু ক্ৰমান্বয়ে ভাৰতবৰ্ষত এক ৰাজনৈতিক ক্ষমতাস্বৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়।

অসমখন অৱশ্যে ইষ্ট ইণ্ডিয়া কোম্পানিৰ অধীনলৈ যায় ১৮২৬ চনৰ য়াণ্ডাবু সন্ধিৰ পাছতহে। ছশ বছৰীয়া আহোম ৰাজত্বৰ অৱসান ঘটি অসমখন ব্ৰিটিছৰ অধীনলৈ যোৱাৰ পিছত প্ৰথমে ইংৰাজসকলে অসমখনক এখন বেলেগ প্ৰদেশ নকৰি বঙ্গদেশৰ ভিতৰত সুমুৱাই লৈছিল। ইয়াৰ পিছত অসমৰ প্ৰশাসনৰ দায়িত্ব দিয়া হ'ল ডেভিড স্কট নামৰ গৱৰ্নৰ জেনেৰেলে নিয়োগ কৰা বিষয়া এজনক। ১৮৭৪ চনত অসম বঙ্গপ্ৰদেশৰপৰা পৃথক হয় আৰু প্ৰশাসনৰ ভাৰ পৰে এজন চীফ কমিছনাৰৰ হাতত। অসমৰ প্ৰথম চীফ কমিছনাৰ আছিল কৰ্নেল কিটিং। ১৯০৫ চনত পূৰ্ববঙ্গ আৰু অসমক লৈ এখন সুকীয়া প্ৰদেশ গঠন

কৰা হৈছিল যদিও ১৯১২ চনত অসমক পূৰ্ববঙ্গৰপৰা ফালি আনি এখন বেলেগ প্ৰদেশ হিচাপে গঠন কৰা হ'ল।

যিহেতু ইষ্ট ইণ্ডিয়া কোম্পানি মূলতঃ আছিল এটা বাণিজ্যিক দল, সেয়েহে স্বাভাৱিকতে তেওঁলোক প্ৰথম অৱস্থাত ভাৰতবৰ্ষৰ শিক্ষা সম্বন্ধে একেবাৰে সজাগ নাছিল বা শিক্ষা সন্দৰ্ভত বিশেষ একো কৰিবলৈ আগ্ৰহীও নাছিল। অৱশ্যে ইয়াৰ কাৰণ আছিল কেইবাটাও। প্ৰথমতে, সেই সময়ত পৃথিৱীৰ কোনো দেশতে ৰাষ্ট্ৰই প্ৰত্যক্ষভাৱে শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰা নাছিল; দ্বিতীয়তে ভাৰতীয় লোকৰ ৰীতি-নীতিৰ ওপৰত তেওঁলোকে কোনো ধৰণৰ হস্তক্ষেপ কৰিব বিচৰা নাছিল আৰু তৃতীয়তে, ভাৰতীয় লোকেও সেই সময়ত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ বাবে শিক্ষাৰ প্ৰতি কোনো আগ্ৰহ দেখুওৱা নাছিল। অৱশ্যে পিছলৈ ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ বাধ্য হ'ল। ইয়াৰ মূল কাৰণ দুটা: (১) কোম্পানিৰ চাকৰিয়ালৰ সংখ্যা যেতিয়া বাঢ়ি আহিল তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে কোম্পানিয়ে ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হ'ল; (২) কোম্পানিৰ সৰু সৰু চাকৰিবোৰৰ বাবে ইংলণ্ডৰপৰা মানুহ অনাতকৈ দেশীয় মানুহক নিযুক্তি দিয়াটো তেওঁলোকৰ বাবে আৰ্থিকভাৱে লাভজনক হ'ল আৰু তাৰ বাবে কিছুসংখ্যক ভাৰতীয় মানুহক ইংৰাজী শিক্ষাৰে শিক্ষিত কৰিবলগীয়া হ'ল।

**দেশীয় শিক্ষানুষ্ঠানসমূহ**

ভাৰতবৰ্ষত তথা অসমত ব্ৰিটিছ উপনিৱেশ স্থাপন হোৱাৰ সময়ত দেশৰ বিভিন্ন অঞ্চলত এটা দেশীয় শিক্ষাব্যৱস্থা চলি আছিল আৰু এই শিক্ষাব্যৱস্থা সম্পৰ্কে ভালদৰে জানিব পৰা হৈছিল Rev. William Adamৰ প্ৰতিবেদনৰপৰা। ১৮৩৫ চনত গৱৰ্নৰ জেনেৰেল লৰ্ড ৱিলিয়াম বেণ্টিঙ্কে ৱিলিয়াম এডামক এই দেশীয় শিক্ষানুষ্ঠান সম্পৰ্কে এটা জৰীপ চলাবলৈ নিৰ্দেশ দিয়ে। ১৮৩৮ চনত এডামে এই দেশীয় শিক্ষানুষ্ঠান সম্পৰ্কে দিয়া প্ৰতিবেদনৰপৰা জানিব পৰা গৈছিল যে সেই সময়ত প্ৰচলিত বিভিন্ন শিক্ষানুষ্ঠান আছিল পাঠশালা, সংস্কৃত টোল, মুছলমানসকলৰ মাদ্ৰাছা আৰু মোক্তাব আদি। ১৮৩৫ চনৰপৰা ১৮৩৮ চনলৈ কৰা এডামৰ জৰীপৰ প্ৰতিবেদন অনুসৰি কেৱল বঙ্গ আৰু বিহাৰতে এনে ধৰণৰ বিদ্যালয়ৰ সংখ্যা এক লাখতকৈ অধিক আছিল। উল্লেখযোগ্য যে সেই সময়ত ভাৰতবৰ্ষত শতকৰা মাত্ৰ সাতজন লোকেহে লিখাপঢ়া কৰিব পাৰিছিল। দেশীয় প্ৰথাৰ এই বিদ্যালয়বোৰৰ সামগ্ৰিক অৱস্থা একেবাৰে ভাল নাছিল। বিদ্যালয়বোৰত কোনোধৰণৰ অৰ্হতাসম্পন্ন শিক্ষকো নাছিল। এই বিদ্যালয়বোৰৰ এটা উল্লেখযোগ্য বিশেষত্ব আছিল যে এইবোৰত তলৰ শ্ৰেণীৰ ছাত্ৰছাত্ৰীক পঢ়াবলৈ ওপৰৰ শ্ৰেণীৰ ছাত্ৰছাত্ৰীক লগোৱা হৈছিল। এই পদ্ধতিটোক 'মনিটৰিয়েল' পদ্ধতি বুলি জনা যায় আৰু ড° এনড্ৰু বেল নামৰ এজন ধৰ্মযাজকে ইংলণ্ডতো এই প্ৰথা



প্ৰৱৰ্তন কৰে। এই পদ্ধতিৰ যোগেদি একে সময়তে মাথোন এজন শিক্ষকে তেওঁৰ বিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰছাত্ৰীক অধিক মিতব্যয়িতাৰে শিক্ষা দিব পাৰে আৰু ভৱিষ্যতৰ শিক্ষক গঢ়ি তোলাৰ ক্ষেত্ৰতো সহায় কৰিব পাৰে। ইংলণ্ডতো জনপ্ৰিয়তা লাভ কৰা আমাৰ দেশৰ এই দেশীয় পদ্ধতিটো বৰ্তমান তাৎপৰ্যহীন আৰু অৱহেলিত হৈ পৰিছে।

দেশীয় প্ৰথাৰ শিক্ষানুষ্ঠানসমূহ খুব ভালদৰে সংগঠিত নাছিল যদিও এই শিক্ষানুষ্ঠানসমূহে দেশৰ মানুহৰ স্বভাৱ-চৰিত্ৰগঠনৰ ওপৰত ভালদৰে প্ৰভাৱ পেলাব পাৰিছিল। গতিকে এডামে এই শিক্ষানুষ্ঠানসমূহক লৈ এটা জাতীয় শিক্ষাৰ পৰিকল্পনা কৰিছিল আৰু দেশীয় শিক্ষানুষ্ঠানসমূহকে ভাৰতীয় শিক্ষাৰ বুনিয়াদৰূপে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল। এডামৰ প্ৰতিবেদনে এই শিক্ষানুষ্ঠানসমূহৰ উন্নতিসাধন কৰিবলৈ বহুতো মূল্যবান পৰামৰ্শ আগবঢ়াইছিল যদিও সেই সময়ত ব্ৰিটিছ চৰকাৰৰ নীতি আছিল সম্পূৰ্ণ বেলেগ। এই সম্পৰ্কে পিছলৈ আলোচনা কৰা হ'ব। দেশীয় প্ৰথাৰ এই শিক্ষানুষ্ঠানসমূহৰ উন্নতিসাধন কৰি এইবোৰক বুনিয়াদ হিচাপে লৈ এডামে জাতীয় শিক্ষাৰ বাবে যি-পৰামৰ্শ আগবঢ়াইছিল তাক সেই সময়ৰ গৱৰ্নৰ জেনেৰেল লৰ্ড অকলেণ্ডে অগ্ৰাহ্য কৰিলে। এডামৰ পৰামৰ্শ যদি সেই সময়ত চৰকাৰে গ্ৰহণ কৰিলেহেঁতেন আজি হয়তো আমাৰ দেশৰ শিক্ষাৰ স্বৰূপটো বহুত বেলেগ হ'লহেঁতেন।

**অসমৰ শিক্ষাত মিছনেৰিসকলৰ অৱদান**

ইষ্ট ইণ্ডিয়া কোম্পানি ভাৰতবৰ্ষলৈ অহাৰ আগতেই খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে বহুতো খ্ৰীষ্টান মিছনেৰিৰ ভাৰতবৰ্ষলৈ আগমন ঘটিছিল। অৱশ্যে এইসকল মিছনেৰিয়ে ধৰ্মপ্ৰচাৰৰ খাতিৰত কিছুসংখ্যক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিছিল যদিও শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ বৰঙণি খুব উল্লেখযোগ্য বুলি ক'ব নোৱাৰি। আমাৰ দেশত বৰ্তমান প্ৰচলিত আধুনিক শিক্ষাৰ পাতনি মেলে ইষ্ট ইণ্ডিয়া কোম্পানিৰ দিনত অহা খ্ৰীষ্টান মিছনেৰিসকলেহে। ইষ্ট ইণ্ডিয়া কোম্পানিও প্ৰথম অৱস্থাত এওঁলোকক যথেষ্ট সমৰ্থন আৰু সা-সুবিধা প্ৰদান কৰিছিল। এই মিছনেৰিসকলৰ ধৰ্ম আৰু শিক্ষাবিস্তাৰৰ প্ৰধান কেন্দ্ৰবোৰ আছিল মাদ্ৰাজ, বোম্বাই আৰু বঙ্গদেশত। অসমতো এই খ্ৰীষ্টান মিছনেৰিসকলে তেওঁলোকৰ ধৰ্মপ্ৰচাৰৰ কাম আৰম্ভ কৰাৰ লগতে শিক্ষাবিস্তাৰৰ কামো হাতত লৈছিল।

১৮২৯ চনত কলিকতাৰ ওচৰত থকা শ্ৰীৰামপুৰ মিছনেৰিৰ শাখা এটা গুৱাহাটীত স্থাপন কৰি অসমতো তেওঁলোকৰ কামকাজৰ প্ৰসাৰ কৰে। আমেৰিকান বেপ্টিষ্ট মিছনেৰিসকলেও ড° নাথান ব্ৰাউন আৰু অলিভাৰ টি কাটাৰৰ নেতৃত্বত অসমলৈ আহিছিল ১৮৩৬ চনত আৰু তেওঁলোকে লগত ছপা-যন্ত্ৰও লৈ আহিছিল। তেওঁলোকে প্ৰথমতে অসমত কামকাজ আৰম্ভ কৰে উজনি অসমৰ শদিয়াত। সেই অঞ্চলত তেওঁলোকে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ লগতে শিক্ষাদান কাৰ্যতো ব্ৰতী হয়।

কাৰণ সেই সময়ৰ অসমীয়া সমাজখন অজ্ঞানতাত বুৰি আছিল। কিন্তু সেই অঞ্চলৰ খামটি আৰু চিংফৌ লোকসকলৰ মাজত বিদ্ৰোহে দেখা দিয়াৰ ফলত তেওঁলোকে উজনি অসমৰে জয়পুৰলৈ তেওঁলোকৰ কেন্দ্ৰ স্থানান্তৰ কৰে। ইতিমধ্যে তেজপুৰ, নগাঁও, শিৱসাগৰ আৰু গুৱাহাটীলৈও তেওঁলোকৰ কামকাজৰ সম্প্ৰসাৰণ হয়। ১৮৪৫ চনত গুৱাহাটীত বেপ্টিষ্ট চাৰ্চ পতা হয়। এইদৰে সমগ্ৰ অসমতে তেওঁলোকে ধৰ্ম আৰু শিক্ষাবিস্তাৰৰ কামত নামি পৰে। তেওঁলোকে স্ত্ৰীশিক্ষাৰ সম্প্ৰসাৰণৰ বাবে 'জানানা স্কুল' নামৰ এবিধ স্কুলো আৰম্ভ কৰিছিল যদিও পিছলৈ উপযুক্ত সঁহাৰি লাভ নকৰাত সেইবোৰ বন্ধ কৰি দিব লগাও হৈছিল। ১৮৫০ চনৰপৰা ১৮৬৩ চনলৈকে ৱেলছ মিছনেৰিসকলে খাচি জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ, দৰং আৰু নগাঁৱত বহুকেইখন স্কুল প্ৰতিষ্ঠা কৰে।

অসমৰ শিক্ষা, সাহিত্য আৰু ভাষাৰ জগতত খ্ৰীষ্টান মিছনেৰিসকলৰ অতি গুৰুত্বপূৰ্ণ অৱদান আছিল। প্ৰকৃততে অসমীয়া ভাষাৰ এক দুৰ্যোগৰ সময়ত তেওঁলোকে অসমত উপস্থিত হৈ কেৱল ধৰ্মপ্ৰচাৰ কৰাই নহয় অসমীয়া ভাষা উদ্ধাৰৰ কাৰ্যতো আত্মনিয়োগ কৰিছিল। ইংৰাজ শাসকসকলে এক ভুল ধাৰণাৰ বশৱৰ্তী হৈ অসমীয়া ভাষাক বাংলা ভাষাৰ এক অপভ্ৰংশ বুলি ভাবি লৈ অসমত শিক্ষাৰ মাধ্যম হিচাপে আৰু চৰকাৰী ভাষা হিচাপে বাংলা ভাষাৰ প্ৰচলন কৰিছিল। কিন্তু মিছনেৰিসকলৰ প্ৰচেষ্টাত অসমীয়া ভাষাৰ পুনৰুদ্ধাৰ হয় আৰু অসমীয়া ভাষাক পুনৰ শিক্ষাৰ মাধ্যমৰূপে আৰু চৰকাৰী ভাষা হিচাপে প্ৰতিষ্ঠা কৰা হয়। শ্ৰীৰামপুৰৰ কেৰি, মাৰ্চমেন আৰু ৱাৰ্ডে অসমীয়া পণ্ডিত আত্মাৰাম শৰ্মাৰ সহযোগত বাইবেলখন অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰে। লিখাপঢ়া, গণনা কৰা আৰু ধৰ্মীয় শিক্ষাৰ লগতে অসমীয়া ল'ৰা-ছোৱালীক তেওঁলোকে বিভিন্ন বৃত্তিগত শিক্ষাতো প্ৰশিক্ষণ দিছিল।

মিছনেৰিসকলে অসমীয়া ভাষাত অভিধান, ব্যাকৰণ আৰু অন্যান্য কিতাপ লিখি প্ৰকাশ কৰে। শ্ৰীৰামপুৰৰ মিছনেৰি উইলিয়াম ৰবিন্সনে ১৮৩৯ চনত প্ৰথম অসমীয়া ব্যাকৰণ *গ্ৰামাৰ অৱ দি আসামিজ লেঙ্গুৱেজ* লিখি উলিয়ায়। বুৰঞ্জীবিদ কাশীৰাম তামুলী ফুকনৰ *আসাম বুৰঞ্জী* ১৮৪৪ চনত মিছনেৰি ছপাশালৰপৰাই প্ৰথম প্ৰকাশ হৈ ওলাইছিল। ১৮৪৬ চনত প্ৰথম অসমীয়া বাতৰি কাকত *অৰুণোদই* প্ৰকাশ কৰি উলিয়ায় মিছনেৰিসকলে। শিৱসাগৰৰপৰা প্ৰকাশ পোৱা *অৰুণোদই*ৰ প্ৰথম সম্পাদক আছিল ৰেভাৰেণ্ড অলিভাৰ টমাছ কাটাৰ। আমেৰিকান বেপ্টিষ্ট মিছনেৰি ড° মাইলছ ব্ৰন্সনে ১৮৬৭ চনত প্ৰথম অসমীয়া অভিধান প্ৰকাশ কৰি উলিয়ায়। মুঠতে অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আৰু অসমত আধুনিক শিক্ষাৰ পাতনি মেলাৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনেৰিসকলৰ অৱদান আমি সদায়ে স্বীকাৰ কৰিব লাগিব।



**ঔপনিৱেশিক শিক্ষাৰ ক্ৰমবিকাশ**

১৮২৬ চনত অসমখন ব্ৰিটিছ প্ৰশাসনৰ হাতলৈ যোৱাত আৰু অসমক তেতিয়াও বঙ্গদেশৰ লগত ৰখাৰ বাবে অসমত শিক্ষাবিস্তাৰৰ কাম আৰম্ভ হৈছিল জেনেৰেল কমিটি অৱ পাব্লিক ইনষ্ট্ৰাকচনৰ তত্ত্বাৱধানত। সেই সময়ত উত্তৰ-পূব অঞ্চলৰ গৱৰ্নৰ জেনেৰেলৰ প্ৰতিনিধি ডেভিড স্কটে দেশত প্ৰচলিত সমাজব্যৱস্থাৰ ক্ষেত্ৰত কোনো ধৰণৰ পৰিৱৰ্তন আনি অসমীয়া ৰক্ষণশীল সমাজৰ অপ্ৰিয় হ'ব নিবিচাৰি থলুৱা শিক্ষানুষ্ঠান, যেনে টোল, পাঠশালা, সত্ৰ, মাদ্ৰাছা আদি অনুষ্ঠানৰ প্ৰতি সমৰ্থন আৰু সহায় আগবঢ়াইছিল। ডেভিড স্কটে সেই সময়ত অসমত চলি থকা দেশীয় শিক্ষানুষ্ঠানসমূহৰ উন্নতিসাধন কৰিবলৈ আৰু আৱশ্যক হ'লে এনে শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি কৰিবৰ বাবে এখন আঁচনি প্ৰস্তুত কৰে। জেনেৰেল কমিটি অৱ পাব্লিক ইনষ্ট্ৰাকচনে অনুমতি দিয়াত ১৮২৬ চনৰপৰা ১৮৩১ চনৰ ভিতৰত এঘাৰখন নতুন বিদ্যালয় প্ৰতিষ্ঠা হয়। গুৱাহাটী, নীলাচল, পাটিদৰং, হাজো, বজালী, শিলা, বিশ্বনাথ, নগাঁও আৰু দৰঙত একোখনকৈ আৰু নদুৱাৰত দুখন বিদ্যালয় প্ৰতিষ্ঠা কৰে। ১৮৩১ চনত গুৱাহাটীৰ কালেক্টৰে এই বিদ্যালয়বোৰৰপৰা উত্তীৰ্ণ হোৱা কিছুসংখ্যক ছাত্ৰক চৰকাৰী চাকৰিত মকৰল কৰাত বহু ল'ৰা-ছোৱালীয়ে এই বিদ্যালয়বোৰত শিক্ষাগ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল। ইয়াৰ ফলত ক্ৰমান্বয়ে বিদ্যালয়ৰ সংখ্যাও বৃদ্ধি হ'বলৈ ধৰিলে। উল্লেখযোগ্য যে এই বিদ্যালয়বোৰত কোনোধৰণৰ নিৰ্দিষ্ট পাঠ্যক্ৰম বা পাঠ্যপুথি নাছিল।

১৮৩৮ চনত গুৱাহাটীৰ কালেক্টৰ মেথিউ চাহাবে ডেভিড স্কটৰ দিনত প্ৰতিষ্ঠা হোৱা এই বিদ্যালয়সমূহৰ উন্নতিকৰণৰ বাবে এখন আঁচনি প্ৰস্তুত কৰে আৰু লগতে এখন ইংৰাজী-অসমীয়া বিদ্যালয় কামৰূপত প্ৰতিষ্ঠা কৰিবৰ বাবেও প্ৰস্তাৱ দিয়ে। আঁচনিখনক কোৱা হৈছিল 'পৰগণা স্কুলৰ আঁচনি'। কিন্তু ইতিমধ্যে ইষ্ট ইণ্ডিয়া কোম্পানিয়ে শিক্ষাৰ ক্ষেত্ৰত লৰ্ড মেকলেই আগবঢ়োৱা 'নিম্নপৰিস্ৰাৱন নীতি' গ্ৰহণ কৰাৰ ফলত মেথিউ চাহাবৰ এই আঁচনিয়ে কোম্পানিৰ অনুমোদন লাভ নকৰিলে।

১৮৩৪ চনৰ মাজভাগত ইংৰাজী ভাষাৰ বিখ্যাত পণ্ডিত, ইংৰাজ প্ৰশাসক, আইনজ্ঞ আৰু তাৰ্কিক লৰ্ড মেকলে ভাৰতবৰ্ষলৈ আহিছিল গৱৰ্নৰ জেনেৰেলৰ প্ৰশাসনীয় পৰিষদৰ আইন উপদেষ্টা হিচাপে। যোগ্যতা আৰু পাৰদৰ্শিতাৰ বাবে গৱৰ্নৰ জেনেৰেলে লৰ্ড মেকলেক জেনেৰেল কমিটি অৱ পাব্লিক ইনষ্ট্ৰাকচনৰ অধ্যক্ষ হিচাপে নিয়োগ কৰে। ইতিমধ্যে চৰকাৰে ভাৰতীয় লোকৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰাচ্য শিক্ষাৰ নে পাশ্চাত্য শিক্ষাৰ পৃষ্ঠপোষকতা কৰিব এই সম্পৰ্কে জেনেৰেল কমিটি অৱ পাব্লিক ইনষ্ট্ৰাকচনৰ সদস্যসকলৰ মাজত ১৮১৩ চনৰপৰাই বিবাদ চলি আছিল, যাক প্ৰাচ্য-পাশ্চাত্য বিবাদ বুলি জনা যায়। কিন্তু এই কমিটীয়ে শিক্ষাৰ ক্ষেত্ৰত কোনোধৰণৰ সিদ্ধান্তত উপনীত হ'ব নোৱৰাত কমিটিৰ অধ্যক্ষ

হিচাপে লৰ্ড মেকলেই ইয়াত হস্তক্ষেপ কৰিলে। এই অনুসৰি ১৮৩৫ চনৰ ২ ফেব্ৰুৱাৰিৰ দিনা তেওঁ এখন বিৱৰণ-পত্ৰ প্ৰকাশ কৰে। এই বিৱৰণ-পত্ৰই প্ৰাচ্যপন্থীৰ যুক্তিবোৰ ওফৰাই পেলালে আৰু ভাৰতবৰ্ষত চৰকাৰে পাশ্চাত্য শিক্ষাৰ পৃষ্ঠপোষকতা কৰিবৰ বাবে পোষকতা কৰিলে। মেকলেৰ এই বিৱৰণ-পত্ৰই ভাৰতীয় সাহিত্যতকৈ ইংৰাজী ভাষা সাহিত্যৰ কাৰ্যকাৰিতা আৰু গ্ৰহণযোগ্যতা প্ৰতিপন্ন কৰে। মেকলেই ঘোষণা কৰিলে, ভাৰতীয় শিক্ষানীতি এনেভাবে ৰচিত হ'ব লাগে যাতে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম হিচাপে লৈ পছিমীয়া জ্ঞান-বিজ্ঞানৰ বিস্তাৰ ভাৰতীয় মানুহৰ মাজত কৰিব পৰা যায়। ভাৰতীয়সকলৰ বাবে কি পদ্ধতিত শিক্ষাবিস্তাৰ কৰিব এই সম্পৰ্কেও মেকলেৰ অভিমত স্পষ্ট। মেকলেই এই সম্পৰ্কত যি-নীতিৰ কথা কৈছিল সেই নীতিক 'নিম্নপৰিস্ৰাৱন নীতি' বুলি কোৱা হয়। ইয়াৰ অৰ্থ হ'ল যে প্ৰথমতে ওপৰৰ শ্ৰেণী বা প্ৰভাৱশালী শ্ৰেণীক চৰকাৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব আৰু তেওঁলোকৰপৰা সৰ্বসাধাৰণলৈ শিক্ষা নিগৰি নিগৰি বিয়পি পৰিব। তেওঁৰ মতে চৰকাৰে কেৱল এনে এচাম লোককহে প্ৰথমতে শিক্ষা দিয়া উচিত যিসকলে শাসকবৰ্গ আৰু জনসাধাৰণৰ মাজত মধ্যস্থতাকাৰীৰূপে কাম কৰিব পাৰিব। লৰ্ড মেকলেৰ মতে শিক্ষাৰ যোগেদি তেজ-মঙহেৰে ভাৰতীয়, কিন্তু চিন্তা-চৰ্চা আৰু মানসিকতাৰে সম্পূৰ্ণ ইউৰোপীয়, এচাম মানুহ সৃষ্টিৰ লক্ষ্য লোৱা হ'ব। ইতিমধ্যে গৱৰ্নৰ জেনেৰেল লৰ্ড বেণ্টিংকে মেকলেৰ এই নীতিক সম্পূৰ্ণ সমৰ্থন জনায় আৰু ইয়াৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতৰ শিক্ষানীতি আদেশ হিচাপে প্ৰকাশ কৰে ১৮৩৫ চনৰ ৭ মাৰ্চ তাৰিখে। ইয়াৰদ্বাৰা ভাৰতবৰ্ষত শিক্ষাৰ পছিমীয়া নীতিৰ লগত সঙ্কোচন নীতি আৰম্ভ হয়, যাৰ প্ৰভাৱ অসমৰ শিক্ষাতো পৰিছিল। ইয়াৰ ফলতে অসমত শিক্ষাৰ প্ৰসাৰৰ বাবে মেথিউ চাহাবে দিয়া প্ৰস্তাৱ চৰকাৰে অগ্ৰাহ্য কৰিছিল।

আনহাতে আকৌ কেপ্টেইন জেনকিন্সে মেকলেৰ ঘোষিত নীতি অনুসৰিয়েই অসমত ইংৰাজী শিক্ষাৰ প্ৰৱৰ্তনৰ বাবে চৰকাৰৰ অনুমতি লাভ কৰিছিল, যাৰ ফলত ১৮৩৫ চনত গুৱাহাটীত প্ৰতিষ্ঠা হৈছিল গৌহাটী ছেমিনাৰি (বৰ্তমান কটন কলেজিয়েট স্কুল) নামৰ অসমৰ প্ৰথমখন চৰকাৰী ইংৰাজী বিদ্যালয়। এই বিদ্যালয়খনক আনকি অসমৰ উচ্চশিক্ষাৰ জন্মস্থান বুলিও ক'ব পাৰি, কাৰণ ইয়াৰপৰাই কটন কলেজৰ জন্ম আৰু ইয়াত শিক্ষা লাভ কৰা ছাত্ৰসকলেই পাছলৈ অসমৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নেতৃত্বৰ গুৰি ধৰিছিল। কেপ্টেইন জেনকিন্সৰ চেষ্টাত তেতিয়া এই বিদ্যালয়খনে গঢ় লৈ উঠিছিল। ১৮৩৫ চনত মাত্ৰ ৫৮জন ছাত্ৰৰে আৰম্ভ কৰা এই বিদ্যালয়ত ১৮৩৮ চনত ১৫০জন আৰু ১৮৪০ চনত৩৪০জন ছাত্ৰ ভৰ্তি হৈছিল। ১৮৫৮ চনতএই বিদ্যালয়খনে কলিকতা বিশ্ববিদ্যালয়ৰ (কলিকতা বিশ্ববিদ্যালয় স্থাপন হৈছিল ১৮৫৭ চনত) অধীনত প্ৰৱেশিকা পৰীক্ষা দিবলৈ অনুমতি পায় আৰু ১৮৬১ চনত প্ৰথমবাৰৰ বাবে দুজন ছাত্ৰ উত্তীৰ্ণ হয়। উল্লেখযোগ্য যে ১৮৬৪ চনত এই বিদ্যালয়ৰপৰা উত্তীৰ্ণ হোৱা



চাৰিগৰাকী ছাত্ৰৰ ভিতৰত আছিল পণ্ডিত আনন্দৰাম বৰুৱা, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ পিতৃ মাধৱচন্দ্ৰ বৰদলৈ, কৰ্নেল শিৱৰাম বৰুৱা আৰু ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ পিতৃ জালনুৰ আলি আহমেদ। মাত্ৰ ৫৮জন ছাত্ৰৰে আৰম্ভ কৰা এই বিদ্যালয়খনৰ প্ৰথম প্ৰধান শিক্ষক আছিল মিষ্টাৰ চিংগাৰ।

ইতিমধ্যে ভাৰতবৰ্ষত ইষ্ট ইণ্ডিয়া কোম্পানিৰ অনুমতিপত্ৰৰ ১৮৫৩ চনত পুনৰ নৱীকৰণৰ সময় আহি পৰিছিল। অনুমতিপত্ৰখন প্ৰতি ২০ বছৰৰ মূৰত নৱীকৰণ কৰা হৈছিল। কিন্তু ভাৰতবৰ্ষত প্ৰাচ্য-পাশ্চাত্য বিবাদৰ চৰকাৰীভাৱে সমাধান কৰাৰ পিছৰেপৰা শিক্ষাব্যৱস্থা আৰু প্ৰশাসনত যথেষ্ট জটিলতাই দেখা দিছিল। সেইবাবে ১৯৫৩ চনত পৰিস্থিতিৰ ব্যাপক অধ্যয়নৰ বাবে ব্ৰিটিছ সংসদে কেইজনমান নিৰ্বাচিত সদস্যৰে এখন কমিটী গঠন কৰি দিয়ে আৰু এই কমিটীয়ে ভাৰতলৈ আহি শিক্ষা-পৰিস্থিতি অধ্যয়ন কৰি ইংলণ্ডলৈ ঘূৰি গৈ প্ৰতিবেদন দাখিল কৰে। সেই সময়ত ভাৰতৰ বাবে ব'ৰ্ড অৱ কণ্ট্ৰোলৰ অধ্যক্ষ আছিল চাৰ্লছ উড। তেওঁ কমিটীৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ১৮৫৪ চনৰ ১৯ জুলাইত শিক্ষা-বিকাশৰ চৰকাৰী পত্ৰ এখন ভাৰতবৰ্ষত থকা ইষ্ট ইণ্ডিয়া কোম্পানি চৰকাৰলৈ প্ৰেৰণ কৰে। এইখনক বিখ্যাত উডৰ প্ৰেৰণপত্ৰ বুলি জনা যায়। উডৰ প্ৰেৰণপত্ৰখনক ভাৰতীয় শিক্ষাৰ চনদ বুলি অভিহিত কৰা হয়, কাৰণ এই পত্ৰই ভাৰতীয় শিক্ষাক নতুন ৰূপত গঢ়ি তুলিছিল। উডৰ প্ৰেৰণপত্ৰই মেকলেৰ নিম্নপৰিস্ৰাৱন নীতিৰ বিৰোধিতা কৰিছিল আৰু ভাৰতত সকলো শ্ৰেণীৰ লোকৰ বাবে শিক্ষা-সম্প্ৰসাৰণৰ পৰামৰ্শ দিছিল। তদুপৰি ভাৰতবৰ্ষত প্ৰাথমিক স্তৰৰ শিক্ষাত ভাৰতীয় ভাষাক মাধ্যমৰূপে ল'বলৈ পৰামৰ্শ দিছিল। ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থা সেই সময়ত সুসংগঠিত নাছিল বাবে উডৰ প্ৰেৰণপত্ৰই ভাৰতবৰ্ষত শিক্ষাৰ প্ৰশাসন আৰু সংগঠনৰ বাবে এটা নিৰ্দিষ্ট গাঁথনি দি গৈছিল। অৱশ্যে এইটো কথাও ঠিক যে উডৰ প্ৰেৰণপত্ৰত দিয়া পৰামৰ্শাৱলীৰ বেছিভাগেই কাৰ্যকৰী কৰা হোৱা নাছিল। যদি উডৰ প্ৰেৰণপত্ৰৰ পৰামৰ্শ অনুসৰি প্ৰাথমিক শিক্ষাৰ ওপৰত গুৰুত্ব দি ভাৰতীয় ভাষাক মাধ্যম হিচাপে গ্ৰহণ কৰিলেহেতেন তেনেহলে হয়তো ভাৰতবৰ্ষত শিক্ষাৰ ৰূপটো বেলেগ হ'লহেতেন। অৱশ্যে উডৰ প্ৰেৰণপত্ৰৰ পিছত ভাৰতবৰ্ষত শিক্ষাৰ যে বহুগুণে প্ৰসাৰ হৈছিল সেইটো স্বীকাৰ কৰিব লাগিব।

উডৰ প্ৰেৰণপত্ৰ অনুসৰি প্ৰতিখন প্ৰদেশত একোটা শিক্ষা বিভাগৰ সৃষ্টি কৰা হৈছিল; কিন্তু অসম তেতিয়া বঙ্গ প্ৰদেশৰ অংশ আছিল বাবে অসমৰ বাবে বেলেগ শিক্ষা বিভাগৰ সৃষ্টি কৰা হোৱা নাছিল। অসমত শিক্ষা বিভাগ সৃষ্টি কৰা হয় ১৮৭৪ চনতহে যেতিয়া অসমক বঙ্গৰপৰা পৃথক কৰা হৈছিল। ১৮৭৪ চনৰপৰা ১৯০৬ চনলৈকে এই বিভাগটো আছিল এজন বিদ্যালয় পৰিদৰ্শকৰ তত্ত্বাৱধানত। কৰ্নেল কিটিং আছিল প্ৰথমজন বিদ্যালয়-পৰিদৰ্শক; তেওঁ ১৮৭৪ চনৰপৰা ১৮৭৯ চনলৈকে বিভাগটোৰ দায়িত্বত আছিল। ১৯০৬ চনতহে এজন

পূৰ্ণ পৰ্যায়ৰ শিক্ষাধিকাৰ নিযুক্ত কৰা হয়। মিঃ এইচ শ্বাৰ্প আছিল অসমৰ প্ৰথমজন শিক্ষাধিকাৰ আৰু তেওঁ প্ৰায় ১০ বছৰকাল কাৰ্যনিৰ্বাহ কৰিছিল। অসমত প্ৰাথমিক স্তৰৰপৰা উচ্চ শিক্ষালৈকে একেজন বিষয়াই শিক্ষাধিকাৰৰ কাৰ্যনিৰ্বাহ কৰিছিল যদিও বৰ্তমান বিভিন্ন স্তৰৰ বাবে সুকীয়াকৈ শিক্ষাধিকাৰ আছে।

১৮৪১ চনত আৰু ১৮৬৫ চনত চৰকাৰৰ উদ্যোগত শিৱসাগৰ আৰু নগাঁৱত দুখন ইংৰাজী বিদ্যালয় স্থাপন কৰা হৈছিল। এই দুয়োখন বিদ্যালয়ৰে অসমৰ শিক্ষাক্ষেত্ৰত লেখত ল'বলগীয়া অৱদান আছিল। দুয়োখন বিদ্যালয়ত পঢ়া ছাত্ৰসকলে চৰকাৰী চাকৰি লাভ কৰাত অসমীয়া মানুহৰ ইংৰাজী শিক্ষাৰ প্ৰতি ধাউতি বাঢ়িল আৰু ফলত কেইবছৰমানৰ ভিতৰতে আৰু বহুকেইখন ইংৰাজী বিদ্যালয় স্থাপন কৰা হয়। এইদৰে ১৮৭৮ চনলৈকে অসমত দহখন ইংৰাজী বিদ্যালয় স্থাপিত হয়। ১৮৯৯-১৯০০ চনত এনেধৰণৰ বিদ্যালয়ৰ সংখ্যা বৃদ্ধি হৈ ২০খন হৈছিলগৈ। চৰকাৰী ইংৰাজী বিদ্যালয়ৰ বাহিৰেও ইতিমধ্যে বেচৰকাৰী খণ্ডতো বহুকেইখন বিদ্যালয় প্ৰতিষ্ঠা হ'ল আৰু ইয়াৰে বহুকেইখন খ্ৰীষ্টান মিছনেৰিসকলৰ উদ্যোগতে প্ৰতিষ্ঠা হৈছিল। ১৮৭৫ চনলৈকে অসমত মুঠ বিদ্যালয়ৰ সংখ্যা হৈছিল ১,২৯৩খন আৰু এইবোৰত ছাত্ৰ আছিল ৩১,৪৬২জন।

১৮৮২ চনৰ হাণ্টাৰ আয়োগৰ পৰামৰ্শ অনুসৰি চৰকাৰে শিক্ষা সম্প্ৰসাৰণৰ আঁচনি গ্ৰহণ কৰে। ১৮৮০ চনত লৰ্ড ৰিপন ভাৰতবৰ্ষৰ প্ৰশাসনৰ বাবে নতুন ৰাজকীয় প্ৰতিনিধি হৈ আহিল। ইতিমধ্যে সেই সময়ত ১৮৫৪ চনৰ উডৰ প্ৰেৰণপত্ৰ অনুসৰি ভাৰতবৰ্ষত শিক্ষাৰ বিস্তাৰ হোৱা নাই বুলি অভিযোগ উঠিছিল। বিশেষকৈ উডৰ পত্ৰত প্ৰাথমিক শিক্ষা আৰু জনশিক্ষাৰ বিকাশৰ বাবে যি-পৰামৰ্শ দিয়া হৈছিল তাক কাৰ্যকৰী কৰা হোৱা নাছিল। এনেবোৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লৰ্ড ৰিপনে ১৮৮২ চনত ছাৰ উইলিয়াম হাণ্টাৰৰ নেতৃত্বত এখন শিক্ষা আয়োগ গঠন কৰি দিয়ে। ভাৰতবৰ্ষৰ শিক্ষা বুৰঞ্জীত এইখনেই হ'ল প্ৰথম শিক্ষা আয়োগ আৰু এইখনক জনা গৈছিল ভাৰতীয় শিক্ষা আয়োগ নাইবা হাণ্টাৰ আয়োগ বুলি। এই আয়োগৰ মুঠ ২০জন সদস্যৰ সাতজন আছিল ভাৰতীয় লোক। সমগ্ৰ দেশতে বিস্তৃত অধ্যয়নৰ শেষত ১৮৮৩ চনত হাণ্টাৰ আয়োগে প্ৰায় ৬০০ পৃষ্ঠাজোৰা প্ৰতিবেদন এখন দাখিল কৰে। এই আয়োগে মূলতঃ শিক্ষাৰ সম্প্ৰসাৰণত গুৰুত্ব দিছিল আৰু ইয়াৰ বাবে ভাৰতীয় লোকক আৰু ব্যক্তিগত শিক্ষা-উদ্যোগীসকলক শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ দায়িত্ব দিবলৈ পৰামৰ্শ দিছিল আৰু চৰকাৰক সহায়ক অনুদানৰ যোগেদি শিক্ষানুষ্ঠানসমূহক আৰ্থিক সাহায্য প্ৰদান কৰিবৰ বাবে পৰামৰ্শ প্ৰদান কৰে।

ভাৰতীয় শিক্ষা আয়োগে প্ৰাথমিক শিক্ষাৰ পৰিচালনা আৰু সম্প্ৰসাৰণৰ দায়িত্ব স্থানীয় কৰ্তৃপক্ষৰ হাতত দিবলৈ পৰামৰ্শ দিয়ে আৰু সেইমতে অসমতো স্থানীয় কৰ্তৃপক্ষসমূহে প্ৰাথমিক শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিছিল। ইয়াৰ ফলত অসমত শিক্ষানুষ্ঠানৰ সংখ্যা কিছু বৃদ্ধি হৈছিল যদিও বিদ্যালয়সমূহক ফলাফলৰ ওপৰত



ভিত্তি কৰি আৰ্থিক অনুদান প্ৰদান কৰা নীতিৰ ফলত অসমৰ বহুতো বিদ্যালয় বাধাগ্ৰস্ত হৈছিল। কাৰণ অসমৰ বিদ্যালয়সমূহৰ অৱস্থা তেতিয়া খুব সন্তোষজনক নাছিল। অৱশ্যে হাণ্টাৰ আয়োগৰ পাছত বেচৰকাৰী খণ্ডত বহুতো বিদ্যালয় প্ৰতিষ্ঠা হোৱাত অসমত বেচৰকাৰী বিদ্যালয়ৰ সংখ্যা চৰকাৰী বিদ্যালয়তকৈ বেছি হ'ল। অৱশ্যে প্ৰতিটো মহকুমাতে একোখনকৈ উচ্চ বিদ্যালয় চৰকাৰে নিজাববীয়াকৈ ৰাখিছিল যাতে চৰকাৰী বিদ্যালয়খন অন্যান্য বিদ্যালয়ৰ বাবে আদৰ্শস্বৰূপ হয়। স্বাধীনতাৰ আগলৈকে এই বিদ্যালয়বোৰত ইংৰাজীকে শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে ১৯৩৭ চনৰপৰা ইংৰাজীৰ লগতে অসমীয়া ভাষাকো মাধ্যমৰূপে স্বীকৃতি দিয়া হৈছিল।

সেই সময়ত অসমত তিনিটা শ্ৰেণীৰ মাধ্যমিক বিদ্যালয় আছিল:

(ক) মধ্য ইংৰাজী বিদ্যালয়, যিবোৰত ষষ্ঠ শ্ৰেণীলৈকে পঢ়োৱা হৈছিল আৰু ইংৰাজী পঢ়োৱাৰ ব্যৱস্থা আছিল; (খ) মধ্য অসমীয়া বিদ্যালয়, যিবোৰত ষষ্ঠ শ্ৰেণীলৈকে পঢ়োৱা হৈছিল যদিও ইংৰাজী শিক্ষা দিয়া হোৱা নাছিল, (গ) উচ্চ বিদ্যালয় - এইবোৰ বিদ্যালয়ত দশম শ্ৰেণীলৈকে শিক্ষা দি ছাত্ৰছাত্ৰীসকলক মেট্ৰিকুলেচন পৰীক্ষাৰ বাবে সাজু কৰি তোলা হৈছিল। উচ্চ বিদ্যালয়বোৰত ইংৰাজী মাধ্যমেৰে শিক্ষা দিয়া হৈছিল। ১৯১২ চনৰপৰা ১৯৪৭ চনলৈকে অসমত মাধ্যমিক বিদ্যালয়ৰ মুঠ সংখ্যা আৰু লগতে মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰছাত্ৰীৰ সংখ্যা তলৰ তালিকাত দিয়া হৈছে:

| বছৰ | মাধ্যমিক বিদ্যালয়ৰ সংখ্যা | ছাত্ৰছাত্ৰীৰ সংখ্যা |
|---|---|---|
| ১৯১২ | ১৬৭ | ২৩৩৪০ |
| ১৯১৭ | ২৮৬ | ৩৯৬১০ |
| ১৯২২ | ৩৩৬ | ৩৫৩২২ |
| ১৯২৭ | ৩৮২ | ৫০৪৭৩ |
| ১৯৩২ | ৫১১ | ৭১৩০৫ |
| ১৯৩৭ | ৬২০ | ৯৪৩২০ |
| ১৯৪২ | ৮৬৫ | ১২১৭১৩ |
| ১৯৪৭ | ১০৯৫ | ১৭৬৫৮৬ |

১৯১১ চনত ছাৰ গোপালকৃষ্ণ গোখলেই সমগ্ৰ ভাৰতবৰ্ষতেই প্ৰাথমিক শিক্ষাক সাৰ্বজনীন আৰু বিনামূলীয়া কৰি তুলিবৰ বাবে ইম্পেৰিয়েল লেজিস্লেটিভ কাউন্সিলত এখন বিল উত্থাপন কৰিছিল। কিন্তু চৰকাৰী সদস্যসকলৰ সমৰ্থন নথকাৰ বাবে গোখলেৰ বিলখন কাউন্সিলত অগ্ৰাহ্য হ'ল। গোখলেৰ বিলখন অগ্ৰাহ্য হ'লেও এই বিলৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিছিল ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাৰ ওপৰত। ইয়াৰ ফলতে ১৯১৩ চনত ভাৰত চৰকাৰে নতুন শিক্ষানীতি গ্ৰহণ কৰিবলগীয়া হৈছিল আৰু এই শিক্ষানীতিৰ প্ৰভাৱ দেশৰ আন আন ঠাইৰ লগতে অসমতো পৰিছিল। এই শিক্ষানীতিৰ ফলস্বৰূপে অসমত প্ৰাথমিক বিদ্যালয়ৰ

সংখ্যাও যথেষ্ট বাঢ়িছিল।

১৯১৯ চনৰ ভাৰত শাসন আইন অনুসৰি শিক্ষা বিষয়টো ভাৰতীয় মন্ত্ৰীৰ হাতলৈ আহে আৰু এওঁলোকে জনসাধাৰণক শিক্ষিত কৰাৰ উদ্দেশ্যেৰে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত লয়। ১৯১৯ চনৰপৰা ১৯৩০ চনৰ ভিতৰত দেশৰ সকলো প্ৰদেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন গৃহীত হৈছিল। অসমতো ১৯২৬ চনত প্ৰথম বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন গৃহীত হয়। অৱশ্যে ১৯২৬ চনত যদিও অসমত এই আইনখন গৃহীত হ'ল বাস্তৱত অসমৰ কোনো ঠাইতে ইয়াক কাৰ্যকৰী কৰা নহ'ল। গতিকে স্বাধীনতাৰ আগলৈকে অসমত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন এখন কৰা হ'ল, কিন্তু প্ৰাথমিক শিক্ষা বাধ্যতামূলক নহ'ল। ইয়াৰ ফলত দেশ স্বাধীন হোৱাৰ সময়ত অসম চৰকাৰে ১৯৪৭ চনত পুনৰ এখন প্ৰাথমিক শিক্ষা আইন গ্ৰহণ কৰে। অৱশ্যে পাছলৈ এই আইনৰ দশাও ১৯২৬ চনৰ আইনৰ দৰে একে হ'ল। এই আইনখনো প্ৰকৃত অৰ্থত কাৰ্যকৰী নহ'ল আৰু প্ৰাথমিক শিক্ষাও বাধ্যতামূলক নহ'ল।

১৯২৭ চনত চাইমন আয়োগৰ প্ৰতিৱেদন অনুসৰি ১৯১৯ চনৰ ভাৰত শাসন আইন বাতিল কৰা হয় আৰু ১৯৩৫ চনত নতুনকৈ ভাৰত প্ৰশাসন আইন প্ৰৱৰ্তন কৰা হয়। এই আইনৰ যোগেদি ভাৰতীয়সকলক ৰাজ্যপ্ৰশাসনৰ বাবে ১৯৩৭ চনৰ ১ এপ্ৰিলত স্বায়ত্ত শাসনৰ ক্ষমতা দিয়া হয়। ইতিমধ্যে অসমকে ধৰি এঘাৰখন প্ৰদেশত প্ৰাদেশিক স্বায়ত্ত শাসন প্ৰৱৰ্তন কৰা হয় আৰু ইয়াৰে সাতখন প্ৰদেশত কংগ্ৰেছ চৰকাৰ গঠন কৰা হয়। অৱশ্যে অসমত চৈয়দ সাদ্উল্লাৰ নেতৃত্বত অকংগ্ৰেছী চৰকাৰ গঠন হৈছিল। প্ৰাদেশিক চৰকাৰসমূহে আগতে পাছ কৰা বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইনবোৰ কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰিছিল যদিও সফল হ'ব নোৱাৰিলে। ১৯৩৭ চনত গান্ধীজীয়ে জাতিৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰৱৰ্তন কৰা বুনিয়াদী শিক্ষাও কংগ্ৰেছী চৰকাৰসমূহে তেওঁলোকৰ প্ৰদেশত প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু ইতিমধ্যে ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত এই সকলোবোৰ প্ৰচেষ্টা ব্যাহত হয়। দ্বিতীয় মহাসমৰৰ শেষত ভাৰতক স্বাধীনতা দিয়া হ'ব বুলি ব্ৰিটিছে দিয়া প্ৰতিশ্ৰুতি পালন নোহোৱাত কংগ্ৰেছী চৰকাৰসমূহে পদত্যাগ কৰিছিল আৰু এনেবোৰ খেলিমেলিৰ ফলত প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰাৰ প্ৰশ্নও তল পৰিছিল। ইতিমধ্যে ১৯৪৪ চনত ভাৰত চৰকাৰে যুদ্ধোত্তৰ শিক্ষা আঁচনি এখন তৈয়াৰ কৰিছিল। এই আঁচনি প্ৰস্তুত কৰিছিল সেই সময়ৰ ইংৰাজ প্ৰশাসনৰ উপদেষ্টা ছাৰ জন ছাৰ্জেণ্টে। এই আঁচনিমতে এক জাতীয় শিক্ষা আঁচনিৰ জৰিয়তে ৩০-৪০ বছৰৰ ভিতৰত ভাৰতবৰ্ষৰ শিক্ষাৰ অগ্ৰগতি ইংলণ্ডৰ সমপৰ্যায়ৰ কৰি তোলা হ'ব। তেতিয়া বহুতে আশা কৰিছিল যে ভাৰত চৰকাৰৰ এই আঁচনি কাৰ্যকৰী হ'ব আৰু প্ৰাথমিক শিক্ষা বাধ্যতামূলক হ'ব। কিন্তু ছাৰ্জেণ্টৰ প্ৰতিৱেদনক বাস্তৱ ৰূপ দিবলৈ বহু কোটি টকাৰ প্ৰয়োজন হ'ব, সেই বাবে চৰকাৰে এইবোৰ বিষয় পুনৰ বিবেচনা কৰিবলগীয়া হ'ল। ইফালে দেশত স্বাধীনতা আন্দোলনে চূড়ান্ত পৰ্যায় পাইছিলগৈ, ফলত চাৰ্জেণ্টৰ প্ৰতিৱেদন কেৱল কাগজৰ মাজতে আবদ্ধ থাকিল। প্ৰকৃততে ছাৰ্জেণ্টৰ প্ৰতিৱেদনে বহু গুৰুত্বপূৰ্ণ বিষয় সামৰি লৈছিল যিবোৰ কাৰ্যকৰী কৰা হ'লে সেই সময়তে ভাৰতীয় শিক্ষাৰ অৱস্থা বহুখিনি উন্নত হ'লহেতেন।



স্বাধীনতাৰ আগলৈকে অসমত শিক্ষাই আশানুৰূপভাৱে অগ্ৰগতি লাভ কৰিব নোৱৰাৰ বহু কাৰণ আছিল। ইয়াৰ ভিতৰত মূল কাৰণবোৰ হ'ল:

- ইংৰাজ প্ৰশাসনৰ সামগ্ৰিকভাৱে শিক্ষাৰ প্ৰতি থকা উদাসীনতা,
- অভিভাৱকৰ নিৰক্ষৰতা আৰু শিক্ষাৰ প্ৰতি থকা উদাসীন মনোভাব,
- জনসাধাৰণৰ আৰ্থ-সামাজিক দুৰৱস্থা,
- স্ত্ৰীশিক্ষাৰ প্ৰতি থকা উদাসীনতা, সামাজিক কুপ্ৰথা, বাল্যবিবাহ ইত্যাদি,
- ৰাস্তাঘাট আৰু যাতায়াতৰ অনুন্নত অৱস্থা,
- অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱ ইত্যাদি।

উল্লেখযোগ্য যে ১৯০১ চনত অসমত সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ৪.২ শতাংশ, ইয়াৰে পুৰুষৰ সাক্ষৰতাৰ হাৰ ৭.৫ শতাংশ আৰু মহিলাৰ মাত্ৰ ০.৬ শতাংশ। চল্লিছ বছৰৰ পিছত ১৯৪১ চনত সাক্ষৰতাৰ হাৰ বৃদ্ধি হৈ মাত্ৰ ১৩.১ শতাংশহে হৈছিলগৈ। ইয়াৰে পুৰুষৰ ২০.৮ শতাংশ আৰু মহিলাৰ আছিল মাত্ৰ ৪.৪ শতাংশ। গতিকে দেখা যায় এই সময়ছোৱাত শিক্ষাৰ বিকাশৰ হাৰ একেবাৰে সন্তোষজনক নাছিল আৰু শিক্ষাৰ ক্ষেত্ৰত পুৰুষ-মহিলাৰ ব্যৱধানো আছিল বহুত বেছি।

ঔপনিৱেশিক যুগত অসমত উচ্চ শিক্ষাৰ বিকাশ একেবাৰে মন্থৰ আছিল বুলি ক'ব পাৰি। ১৮৬৫ চনত গৌহাটী ছেমিনাৰিত উচ্চ শিক্ষা আৰম্ভ হোৱা বুলি ক'ব পৰা যায়। সেই বছৰতে গৌহাটী ছেমিনাৰিত প্ৰাথমিক কলাৰ শ্ৰেণী আৰম্ভ কৰিছিল, কিন্তু ফলাফল বেয়া হোৱাৰ বাবে ১৮৭৬ চনত এই শ্ৰেণী দুটা চৰকাৰে বন্ধ কৰি দিলে। প্ৰথমতে মাত্ৰ ১৭জন ছাত্ৰ ভৰ্তি হৈ ১৮৭১ চনত মাত্ৰ ৪জন ছাত্ৰহে পাছ কৰিছিল। অসমত তেতিয়া কোনো বিশ্ববিদ্যালয় নথকাত এই শ্ৰেণী দুটা কলিকতা বিশ্ববিদ্যালয়ৰ সংবদ্ধ আছিল। শ্ৰেণী দুটা পুনৰ প্ৰতিষ্ঠাৰ বাবে বহুতো অসমীয়া লোকে আপ্ৰাণ চেষ্টা কৰিছিল যদিও চৰকাৰে ইয়াত সঁহাৰি নজনালে। তাৰ পৰিৱৰ্তে প্ৰৱেশিকা পাছ কৰি কলিকতালৈ পঢ়িবলৈ যোৱা প্ৰত্যেক ছাত্ৰকে মাহে কুৰি টকাকৈ বৃত্তি দিয়াৰ ব্যৱস্থা কৰিলে। ১৮৮২ চনত ১২জন, ১৮৮৫ চনত ১৭জন, ১৮৮৮ চনত ২২জন আৰু ১৮৯০ চনত ৩৬জন ছাত্ৰই এই বৃত্তি লৈ কলিকতালৈ উচ্চশিক্ষা গ্ৰহণৰ বাবে গৈছিল। ইয়াৰ পাছত ছিলেট জিলাত (তেতিয়া অসমৰ অন্তৰ্গত) এখন কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। এইখনৰ নাম আছিল মুৰাৰিচাঁদ কলেজ। কলেজখন প্ৰতিষ্ঠা কৰিছিল জমিদাৰ ৰাজা গিৰীশচন্দ্ৰ ৰায়ে। ১৯১২ চনত কলেজখনে সম্পূৰ্ণ চৰকাৰী কলেজ হিচাপে স্বীকৃতি লাভ কৰে।

ইতিমধ্যে মাণিকচন্দ্ৰ বৰুৱা প্ৰমুখ্যে দেশহিতৈষী নেতাসকলৰ আপ্ৰাণ চেষ্টাত চৰকাৰে গুৱাহাটীত এখন কলেজ প্ৰতিষ্ঠাৰ সিদ্ধান্ত লয়। ১৯০১ চনত চীফ কমিছনাৰ ছাৰ হেনৰি কটনৰ নামানুসাৰে গুৱাহাটীত প্ৰতিষ্ঠা হয় অসমৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান কটন কলেজ। ফ্ৰেডাৰিক ৱিলিয়াম চুদমাৰ্চনে এই কলেজৰ প্ৰথম অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল।১৯০২ চনত আৰু ১৯০৩ চনত ক্ৰমে ৪০জন আৰু ৩১জন ছাত্ৰই বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰ পিছতো বেচৰকাৰী খণ্ডত কেইখনমান কলেজ প্ৰতিষ্ঠা হয়। ১৯১৪ চনত গুৱাহাটীত প্ৰতিষ্ঠা হয় আৰ্ল ল কলেজ। কটন কলেজ সাধাৰণ শিক্ষাৰ প্ৰথম কলেজ আৰু আৰ্ল ল কলেজ আইন শিক্ষাৰ প্ৰথম কলেজ। ১৯৩১ চনৰপৰা ১৯৪০ চনৰ ভিতৰত অসমত পাঁচখন নতুন কলেজ প্ৰতিষ্ঠা হৈছিল। এইকেইখন হৈছে শ্বিলঙত কেৱল ছোৱালীৰ বাবে ছেণ্ট মেৰিজ কলেজ আৰু লেডি কিন কলেজ, ছেণ্ট এন্থনি'জ কলেজ, ১৯৩১ চনত যোৰহাটত প্ৰতিষ্ঠা হয় জগন্নাথ বৰুৱা কলেজ আৰু হাবিগঞ্জত হাবিগঞ্জ বৃন্দাবন কলেজ, ১৯৩৯ চনত প্ৰতিষ্ঠা হয় বৰপেটাত মাধৱ চৌধুৰী কলেজ আৰু গুৱাহাটীত সন্দিকৈ ছোৱালী কলেজ। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ আগলৈকে অসমৰ কলেজবোৰ কলিকতা বিশ্ববিদ্যালয়ৰ সংবদ্ধ আছিল। পিছত অসমৰ প্ৰথমখন বিশ্ববিদ্যালয় স্বাধীনতাৰ ঠিক পিছতেই (১৯৪৮ চনত) প্ৰতিষ্ঠা হোৱাত অসমৰ কলেজবোৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংবদ্ধ হ'ল। স্বাধীনতাৰ আগলৈকে অসমত সৰ্বমুঠ পোন্ধৰখন কলেজ আছিল।

ঔপনিৱেশিক যুগৰ অসমত সাধাৰণ শিক্ষাই কিছু অগ্ৰগতি লাভ কৰিলেও কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাই একেবাৰে কম গুৰুত্ব লাভ কৰিছিল। মাণিকচন্দ্ৰ বৰুৱা প্ৰমুখ্যে অসমৰ শিক্ষিত শ্ৰেণীৰ লোকসকলে কাৰিকৰী বিদ্যালয় স্থাপনৰ বাবে হেঁচা দি থকাৰ ফলত ১৯২৯ চনৰ ভিতৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত নখন কাৰিকৰী শিক্ষাৰ বিদ্যালয় স্থাপন কৰা হৈছিল। ১৯২৭ চনত যোৰহাটত প্ৰতিষ্ঠা হৈছিল প্ৰিন্স অব ৱেলছ নামৰ কাৰিকৰী বিদ্যালয়। বিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিখ্যাত জগন্নাথ বৰুৱাৰ পৰিয়ালে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল আৰু এক লাখ টকাৰ আৰ্থিক সাহায্যও প্ৰদান কৰিছিল। ১৯০০ চনত ডিব্ৰুগড়ত ব্যক্তিগত উদ্যোগত প্ৰতিষ্ঠা হৈছিল বেৰি হোৱাইট মেডিকেল স্কুল। বৰ্তমান এইখনেই হৈছে অসম চিকিৎসা মহাবিদ্যালয়। বহুকেইখন শিক্ষা আয়োগ আৰু কমিটিৰ প্ৰতিবেদনে অসমত তথা ভাৰতবৰ্ষত কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাত গুৰুত্ব দিবলৈ পৰামৰ্শ দিছিল যদিও ঔপনিৱেশিক ব্ৰিটিছ চৰকাৰে এই ক্ষেত্ৰত একেবাৰে কম গুৰুত্ব দিছিল।



### ঔপনিৱেশিক অসমত স্ত্ৰীশিক্ষা

ঊনবিংশ শতাব্দীৰ অসমৰ ৰক্ষণশীল সমাজৰ বেছিভাগ লোকে ছোৱালীক বিদ্যালয়লৈ পঠিওৱাটো বিচৰা নাছিল। অৱশ্যে সেই সময়ত অভিজাত শ্ৰেণীৰ লোকসকলৰ পৰিয়ালত স্ত্ৰীশিক্ষাৰ প্ৰচলন কিছু পৰিমাণে আছিল। কিন্তু বেছি ভাগেই ছোৱালীক বিদ্যালয়লৈ পঠিওৱাতকৈ পাৰিবাৰিক ব্যৱস্থাৰ মাজেদিহে শিক্ষা দিছিল। অৱশ্যে বহুতো মহিলাই কেৱল ধৰ্মীয় গ্ৰন্থসমূহ, যেনে কীৰ্তন, দশম আদি পঢ়িবলৈ শিকিছিল। কিন্তু আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত স্ত্ৰীশিক্ষাৰ অৱস্থা একেবাৰে পিছপৰা আছিল। ১৮২৬ চনত অসম ব্ৰিটিছৰ অধীনলৈ যোৱাৰ লগে লগে অসমতো আধুনিক শিক্ষা আৰম্ভ হ'ল। অসমত স্ত্ৰীশিক্ষাৰ বিকাশৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনেৰিসকলেও উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। মিছনেৰিসকলে স্ত্ৰীসকলকো শিক্ষা প্ৰদান কৰি তেওঁলোকৰ মৰ্যাদা বৃদ্ধি কৰাটো এটা পবিত্ৰ কৰ্তব্য হিচাপে গণ্য কৰিছিল। কাৰণ সেই সময়ত শিক্ষা আৰু সামাজিক ক্ষেত্ৰত নাৰী-পুৰুষৰ ব্যৱধান যথেষ্ট বেছি আছিল আৰু সমাজত নাৰীৰ স্থান অৱনমিত কৰিছিল। মিছনেৰিসকলে ছোৱালীৰ বাবে আছুতীয়াকৈ বিদ্যালয় স্থাপন কৰাৰ উপৰি অন্যান্য বৃত্তিগত বিদ্যা, যেনে চিলাই, কাটিং, এম্ব্ৰইডাৰি আৰু হস্তশিল্প আদিৰো জ্ঞান দিছিল। অসমীয়া ৰক্ষণশীল সমাজত বিশেষকৈ উচ্চ শ্ৰেণী আৰু ব্ৰাহ্মণসকলৰ মাজত বাল্যবিবাহৰ প্ৰচলন আছিল আৰু পুষ্পিতা হোৱাৰ আগতে ছোৱালীক বিয়া দিয়াটো সমাজত প্ৰচলিত নিয়ম আছিল। ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত এই প্ৰথাই অন্তৰায় সৃষ্টি কৰিছিল। গতিকে খ্ৰীষ্টান মিছনেৰিসকলে ঘৰে ঘৰে গৈয়ো ছোৱালীক শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। ঊনৈছ শতিকাৰ প্ৰথম ভাগতে মিছনেৰি মহিলাসকলে অসমত স্ত্ৰীশিক্ষাৰ বাবে 'জেনানা স্কুল' নামে এবিধ ছোৱালীৰ স্কুল প্ৰতিষ্ঠা কৰিছিল আৰু ইয়াৰ যোগেদি ঘৰে ঘৰে গৈ ছোৱালীসকলক শিক্ষাৰ বাবে উৎসাহিত কৰিছিল। কিন্তু অসমীয়া সমাজৰপৰা এই ক্ষেত্ৰত উপযুক্ত সঁহাৰি নোপোৱাত অৱশেষত এই স্কুল বন্ধ কৰি দিবলগীয়া হৈছিল। ১৮৩৯ চনতে উজনি অসমৰ শদিয়াত বেপ্টিষ্ট মিছনেৰিসকলে ছোৱালীৰ বাবে প্ৰাথমিক স্কুল স্থাপন কৰিছিল আৰু ইয়াৰ পাছতো অসমৰ বিভিন্ন ঠাইত এনে ধৰণৰ বহুকেইখন বিদ্যালয় স্থাপন কৰিছিল। পঞ্চাছ বছৰৰ পাছত ১৮৮৯ চনত এনে ধৰণৰ বিদ্যালয়ৰ সংখ্যা ১৮৫খন হৈছিলগৈ।

মিছেছ ব্ৰাউন, মিছেছ কাটাৰ, মিছেছ ৰবিন্সন, মিছেছ বাৰ্কাৰ আদি মিছনেৰি মহিলাই অসমত স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে আগভাগ লৈছিল। ১৮৪০ চনত মিছেছ বাৰ্কাৰ আৰু মিছেছ কাটাৰে শিৱসাগৰত ছোৱালীৰ বাবে স্কুল প্ৰতিষ্ঠা কৰে। মিছেছ ব্ৰন্সনে ১৮৪৩ চনত নগাঁৱত, মিছেছ বাৰ্কাৰে ১৮৫০ চনত কামৰূপত আৰু মিছেছ কেইথে ১৮৫৪ চনত গোৱালপাৰাত স্কুল প্ৰতিষ্ঠা কৰে। অসমৰ পাহাৰীয়া জিলাকেইখনতো মিছনেৰিসকলে স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ঊনৈছ শতিকাৰ মাজভাগত সমাজসংস্কাৰক আনন্দৰাম ঢেকিয়াল

ফুকনে স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত যথেষ্ট উদগনি যোগাইছিল। তেওঁ মিছনেৰিসকলৰ সহযোগত সেই সময়ত অসমীয়া ভাষা ৰক্ষাৰ সংগ্ৰামৰ গুৰি ধৰিছিল।

১৯০১ চনৰ প্ৰথম লোকপিয়ল অনুসৰি অসমত সাক্ষৰ মহিলাৰ হাৰ আছিল মাত্ৰ ০.৬ শতাংশ। অৱশ্যে কুৰি শতিকাৰ প্ৰথম ভাগত অসমত বহুকেইখন ছোৱালী হাইস্কুল প্ৰতিষ্ঠা হৈছিল। ১৯১৬ চনত ডিব্ৰুগড়ত অসমৰ প্ৰথমখন ছোৱালী হাইস্কুল প্ৰতিষ্ঠা হোৱাৰ পাছত দ্বিতীয়খন স্থাপিত হয় ১৯২৬ চনত গুৱাহাটীত। ইয়াৰ পাছত ক্ৰমে ধুবুৰী আৰু যোৰহাটতো ছোৱালী হাইস্কুল প্ৰতিষ্ঠা হয়। স্বাধীনতাৰ আগলৈকে অসমৰ বিভিন্ন জিলাত মুঠ ৩১খন ছোৱালী হাইস্কুল স্থাপন কৰা হৈছিল।অসমত তথাপি পৰ্যাপ্ত সংখ্যক ছোৱালী হাইস্কুল নথকাত বহুতো অভিজাত ঘৰৰ ছোৱালীয়ে কলিকতাত গৈয়ো শিক্ষা লাভ কৰিছিল। উদাহৰণস্বৰূপে ডিব্ৰুগড়ৰ দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাই কলিকতাৰ বেথুন স্কুললৈ গৈ শিক্ষা লাভ কৰিছিল। দুৰ্গাপ্ৰভা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমৰ প্ৰথমগৰাকী মহিলা বুলি জনা যায়।

উচ্চশিক্ষাৰ ক্ষেত্ৰত অসমত মহিলাৰ অংশগ্ৰহণ একেবাৰে দুখলগা আছিল। ১৯০১ চনত প্ৰতিষ্ঠা হোৱা কটন কলেজত ১৯২৯ চনত মাত্ৰ এগৰাকী ছোৱালী ভৰ্তি হয়। ১৯৩৩ চনত মিছনেৰিসকলৰ চেষ্টাত শ্বিলঙত ছোৱালীৰ বাবে লেডি কিন কলেজ স্থাপিত হয়। বিখ্যাত সন্দিকৈ পৰিয়ালৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আৰ্থিক সাহায্যৰে ১৯৩৯ চনত গুৱাহাটীত সন্দিকৈ ছোৱালী কলেজ প্ৰতিষ্ঠা হয়। মাত্ৰ দুগৰাকী ছাত্ৰীৰে আৰম্ভ কৰা এই কলেজে উজনি আৰু নামনি অসমৰ ছোৱালীৰ উচ্চশিক্ষাৰ বাট মুকলি কৰে। কুৰি শতিকাৰ প্ৰথম ভাগৰপৰা আৰম্ভ হোৱা স্বাধীনতা আন্দোলনে অসমত নাৰী-জাগৰণ আৰু নাৰীশিক্ষাৰ বাট মুকলি কৰি তোলে।

### ঔপনিৱেশিক অসমত শিক্ষকৰ প্ৰশিক্ষণ

অসমত শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থাটো খুব বেছি পুৰণি নহয়। বৰ্তমান যুগত শিক্ষকৰ প্ৰশিক্ষণে কিছু অগ্ৰগতি লাভ কৰিছে যদিও ঔপনিৱেশিক অসমত শিক্ষকৰ শিক্ষাৰ দিশটো যথেষ্ট অৱহেলিত আছিল। অৱশ্যে এইটো কথাও আমি অস্বীকাৰ কৰিব নোৱাৰোঁ যে অসমত শিক্ষকৰ প্ৰশিক্ষণৰ ধাৰণা ইংৰাজসকলেই আনিছিল। অসমত প্ৰথমতে শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা খ্ৰীষ্টান মিছনেৰিসকলৰ উদ্যোগতে আৰম্ভ হয়। মিছনেৰিসকলৰ লগতে ইংৰাজ শাসকসকলেও বিদ্যালয়সমূহত ইংৰাজী শিক্ষা দিবৰ বাবে ভাৰতীয় মানুহক নিয়োগ কৰিবলৈ বিচাৰিছিল। সেই কাৰণে শিক্ষকসকলক এই ক্ষেত্ৰত প্ৰথমে প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন হৈ পৰিছিল।

পৃথিৱীত শিক্ষক গঢ়াৰ প্ৰশ্নৰ উদয় হয়তো বহু পিছুৱাই গ'লহেতেন যদিহে "গঢ়িলেহে শিক্ষক"— এই সত্য উপলব্ধি কৰি নেপোলিয়নে (১৭৬৯-১৮২১ খ্ৰীষ্টাব্দ) ফ্ৰান্সত শিক্ষক প্ৰশিক্ষণৰ পাতনি নেমেলিলেহেতেন। ফৰাচী দেশৰ আৰ্হিত ইংলণ্ডতো শিক্ষক প্ৰশিক্ষণৰ বাবে নৰ্মাল স্কুল স্থাপিত হয়। ভাৰতবৰ্ষলৈও ইংৰাজ শাসকসকলেই শিক্ষক প্ৰশিক্ষণৰ গুৰুত্ব কঢ়িয়াই আনে নৰ্মাল স্কুল প্ৰতিষ্ঠাৰ যোগেদি।



১৮৪১ চনত প্ৰথমবাৰ বিলিয়াম ৰবিন্সনৰ উদ্যোগত গৌহাটি ছেমিনাৰিত নৰ্মাল শিক্ষাৰ বাবে এটা শ্ৰেণী খোলা হৈছিল আৰু এইটোৱেই আছিল অসমত শিক্ষক প্ৰশিক্ষণৰ আনুষ্ঠানিক আৰম্ভণি। প্ৰথম বছৰত মাত্ৰ ছজন ছাত্ৰক এই নৰ্মাল শ্ৰেণীত ভৰ্তি কৰা হৈছিল। নৰ্মাল শিক্ষাৰ প্ৰতি লাহে লাহে মানুহৰ আগ্ৰহ বাঢ়ি আহিবলৈ ধৰিলে আৰু মাত্ৰ কেইবছৰমানৰ ভিতৰতে ছাত্ৰৰ সংখ্যা বাঢ়ি ১০০জন হ'ল। অসমত নৰ্মাল শিক্ষাৰ প্ৰচলনত অতিকৈ গুৰুত্ব দিছিল আনন্দৰাম ঢেকিয়াল ফুকনে। ১৮৫৩ চনৰ ৪ জুলাইত ঢেকিয়াল ফুকনে কলিকতাৰ সদৰ দেৱানি আদালতৰ এ জে মফট মিলছৰ ওচৰত দিয়া স্মাৰকপত্ৰত অসমত এখন নৰ্মাল স্কুল স্থাপন কৰিবলৈ অনুৰোধ জনাইছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ দাবী অনুসৰিয়েই ১৮৫৫ চনত গুৱাহাটীত অসমৰ প্ৰথম নৰ্মাল স্কুলখন প্ৰতিষ্ঠা কৰা হয়। ইতিমধ্যে সেই সময়ৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিলিয়াম ৰবিন্সনে চৰকাৰক গুৱাহাটী, শিৱসাগৰ আৰু তেজপুৰত একোটাকৈ নৰ্মাল শিক্ষাৰ শ্ৰেণী আৰম্ভ কৰিবলৈ পৰামৰ্শ দিছিল। উক্ত পৰামৰ্শ কাৰ্যকৰী কৰা হৈছিল ১৮৬৬ চনত। গুৱাহাটীত পূৰ্বৰেপৰা আছিল বাবে বাকী দুঠাইত নৰ্মাল শ্ৰেণী খোলা হয় যদিও শিক্ষাৰ্থীৰ অভাৱত তেজপুৰৰ নৰ্মাল শ্ৰেণী মাত্ৰ এবছৰৰ পাছতে বন্ধ হয়।

১৮৭৪ চনত গুৱাহাটী নৰ্মাল স্কুলখন প্ৰথম শ্ৰেণীৰ নৰ্মাল স্কুললৈ উন্নীত কৰা হয়। গুৱাহাটী নৰ্মাল স্কুলত প্ৰধানকৈ দুই ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা আছিল: (ক) নৰ্মাল শ্ৰেণী আৰু (খ) গুৰু ট্ৰেইনিং শ্ৰেণী। নৰ্মাল শিক্ষাৰ কাল তিনি বছৰ আৰু গুৰু ট্ৰেইনিং এক বছৰৰ বাবে আছিল। নৰ্মাল পাছ শিক্ষকসকলে নিযুক্তি লাভ কৰিছিল মজলীয়া বিদ্যালয়ত আৰু গুৰু ট্ৰেইনিং পাছ কৰাসকলে প্ৰাথমিক বিদ্যালয়ত।

১৯০৬ চনত গুৱাহাটীৰ নৰ্মাল স্কুলখন যোৰহাটলৈ স্থানান্তৰ কৰা হৈছিল। যিসকল ছাত্ৰই এম ই/এম ভি পাছ কৰিছিল তেওঁলোকে তিনি বছৰ নৰ্মাল স্কুলত পঢ়িছিল। ১৯০৭ চনত শিলচৰত অন্য এখন নৰ্মাল স্কুল প্ৰতিষ্ঠা হয়।

নৰ্মাল স্কুলবোৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে আছিল, কিন্তু অসমত মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ বাবে কোনো প্ৰশিক্ষণৰ ব্যৱস্থা নথকাত ১৯৩৬ চনৰ আগলৈকে বছৰি কেইজনমান শিক্ষকক ঢাকা বিশ্ববিদ্যালয়লৈ শিক্ষকৰ প্ৰশিক্ষণ ল'বলৈ অসম চৰকাৰে পঠিয়াইছিল। তেতিয়া ঢাকা বিশ্ববিদ্যালয়ত স্নাতক নোহোৱা শিক্ষকৰ বাবে এল টি (Licentiate Teaching) আৰু স্নাতকৰ বাবে বি টি (Bachelor of Teaching) পাঠ্যক্ৰম প্ৰচলিত আছিল। ১৯৩৬ চনত শ্বিলঙৰ ছেণ্ট এডমাণ্ডছ কলেজত প্ৰথম বি টি

শ্ৰেণী আৰম্ভ হয়। ১৯৩৭ চনত ছেণ্ট মেৰিʼজ কলেজতো মহিলা শিক্ষকৰ বাবে বি টি শ্ৰেণী আৰম্ভ হʼল। খুব কমসংখ্যক শিক্ষকেহে সেই সময়ত শিক্ষকৰ প্ৰশিক্ষণৰ সুবিধা লাভ কৰিছিল।

### সামৰণি

ঔপনিৱেশিক যুগত অসমৰ শিক্ষাব্যৱস্থাৰ অগ্ৰগতি বিশ্লেষণ কৰিলে দেখা যায় যে ঔপনিৱেশিক শাসন অসমত আৰম্ভ হোৱাৰপৰা স্বাধীনতাৰ সময়লৈকে শিক্ষাৰ বিকাশ একেবাৰে মন্থৰ আছিল। অৱশ্যে এই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে ব্ৰিটিছ শাসন আৰম্ভ হোৱাৰ আগলৈকে অসমত কোনো ধৰণৰ সুসংগঠিত শিক্ষাব্যৱস্থা নাছিল। আজিৰ শিক্ষাব্যৱস্থাৰ যি-সংগঠিত ৰূপ আমি দেখা পাইছোঁ ই প্ৰকৃততে ব্ৰিটিছৰ অৱদান বুলি কʼব পাৰি। অৱশ্যে এইটো কথাও নিশ্চয়কৈ অনুভৱ কৰিব পাৰি যে ঔপনিৱেশিক ব্ৰিটিছ চৰকাৰে যি-শিক্ষাব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল সি অসমৰ মানুহক স্বনিৰ্ভৰশীল কৰি তোলাৰ সলনি কিছুমান লোকক ইংৰাজী শিক্ষাৰে শিক্ষিত কৰি চৰকাৰী চাকৰিৰ উপযুক্ত কৰি তুলিবলৈহে প্ৰৱৰ্তিত হৈছিল। সেইবাবেই হয়তো ঔপনিৱেশিক শাসনকালত জনশিক্ষাৰ সম্প্ৰসাৰণ নহʼল, অৰ্থাৎ চৰকাৰে কেৱল লৰ্ড মেকলেৰ নীতিকে অনুসৰণ কৰি থাকিল। সেইবাবে জনসাক্ষৰতাৰ বিকাশৰ হাৰও যথেষ্ট নিম্ন আছিল। ব্ৰিটিছ চৰকাৰৰ দিনত শিক্ষা-সংস্কাৰৰ বাবে বহুকেইখন কমিটী আৰু শিক্ষা আয়োগ গঠন কৰি দিছিল আৰু এই সকলোবোৰ শিক্ষাসংস্কাৰৰ বাবে, বিশেষকৈ শিক্ষাক জনমুখী কৰি তুলিবলৈ আৰু শিক্ষাৰ যোগেদি ব্যক্তিক স্বনিৰ্ভৰশীল কৰি তুলিবলৈ পৰামৰ্শ দিছিল। চৰকাৰে সকলোবোৰ পৰামৰ্শ গ্ৰহণ কৰি কাৰ্যকৰী কৰা হʼলে আজি হয়তো আমি ভাৰতবৰ্ষৰ শিক্ষাৰ এটা বেলেগ ৰূপ দেখিবলৈ পালোহেতেন। হয়তো আজি ভাৰতবৰ্ষত ২৫ শতাংশতকৈও অধিক নিৰক্ষৰ লোক নাথাকিলেহেতেন, বিদ্যালয়লৈ নোযোৱা লʼৰা-ছোৱালী নাথাকিলেহেতেন, উচ্চ শিক্ষাত ভৰ্তি হোৱা ছাত্ৰছাত্ৰীৰ সংখ্যা বৃদ্ধি হʼলহেতেন আৰু শিক্ষাৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ ব্যৱধান নাথাকিলেহেতেন। এইবোৰ আজিও আমাৰ দেশৰ শিক্ষা-ক্ষেত্ৰত কিছুমান প্ৰধান অন্তৰায় হৈ আছে। ঔপনিৱেশিক শাসনকালত এইবোৰৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হʼলে এইবোৰ সমস্যা নিশ্চয় নাথাকিলেহেতেন। স্বাধীনতাৰ পাছতো চৰকাৰে এই সমস্যাবোৰ আঁতৰাবলৈ বহু পদক্ষেপ হাতত লৈছে যদিও আজিও সম্পূৰ্ণভাবে সফল হʼব পাৰিছে বুলি কʼব নোৱাৰি। আজিৰ আধুনিক শিক্ষাব্যৱস্থা ঔপনিৱেশিক ব্ৰিটিছৰে যে অৱদান সেইটো অৱশ্যেই সত্য; কিন্তু ইয়াক ভাৰতীয় ৰূপত গঢ় দিয়াৰ দায়িত্ব নিশ্চয় আমাৰ। ০

# স্বৰাজোত্তৰ অসমত শিক্ষাৰ অগ্ৰগতিঃ এক চমু খতিয়ান

ড° মনোজকুমাৰ চুতীয়া

১৮২৬ চনৰ য়াণ্ডাবু সন্ধিৰ জৰিয়তে ব্ৰিটিছে অসম অধিকাৰ কৰাৰ সময়ত শিক্ষাৰ অৱস্থা আছিল অতিশয় শোচনীয়। ঔপনিৱেশিক সময়ছোৱাতে অসমত আধুনিক শিক্ষাৰ বীজ অঙ্কুৰিত হʼলেও শিক্ষা-বিকাশৰ গতি আছিল তেনেই শামুকীয়া। প্ৰায় ছকুৰি এবছৰৰ অধিককাল ঔপনিৱেশিক শাসনৰ অধীনত থাকি ১৯৪৭ চনত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমেও বহু-প্ৰতীক্ষিত স্বাধীনতা লাভ কৰে। স্বাধীন ভাৰতৰ দেশীয় চৰকাৰে ন-উদ্যমেৰে ৰাষ্ট্ৰ-নিৰ্মাণৰ কামত মনোনিৱেশ কৰে আৰু শিক্ষাক্ষেত্ৰৰ পুনৰ্গঠনৰ ওপৰত জোৰ দিয়ে। কাৰণ, শিক্ষা হৈছে ৰাষ্ট্ৰ-নিৰ্মাণৰ মূল আহিলা। অসমৰ প্ৰাদেশিক চৰকাৰেও ৰাষ্ট্ৰীয় নীতিৰ আৰ্হিত ৰাজ্যখনৰ উন্নতিৰ বাবে অন্যান্য দিশবোৰৰ লগতে শৈক্ষিক দিশৰ ওপৰত জোৰ দিয়ে। ১৯৪৭ চনৰপৰা বৰ্তমানলৈকে অসমত শিক্ষাৰ অগ্ৰগতিলৈ চকু দিলে দেখা যায় যে এই অগ্ৰগতি চকুত পৰা হʼলেও বৰ্তমানেও ই জনসাধাৰণৰ প্ৰত্যাশা পূৰণ কৰিব পৰা হৈ উঠাগৈ নাই। এই আলোচনাত স্বৰাজোত্তৰ অসমত প্ৰাথমিক, মাধ্যমিক, উচ্চ, স্ত্ৰী আৰু কাৰিকৰী শিক্ষা বিকাশৰ এক চমু খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

### স্বৰাজোত্তৰ অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ

১৯১০ আৰু ১৯১১ চনত স্বদেশী আন্দোলনৰ জাতীয়তাবাদী নেতা গোপালকৃষ্ণ গোখলেই ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিবৰ বাবে প্ৰথমবাৰৰ বাবে উত্থাপন কৰা বিল ব্ৰিটিছ ইম্পিৰিয়েল লেজিস্লেটিভ কাউন্সিলত (British Imperial Legislative Councilত) অগ্ৰাহ্য হʼলেও জনসাধাৰণ ইয়াৰ প্ৰতি সজাগ হয়। ইংলেণ্ডত ১৮৭০ চনতেই ফৰ্ষ্টাৰৰ আইনৰ (Forster's Elementary Education Actৰে) যোগেদি প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তোলা হয় যদিও সেই একে ইংৰাজ চৰকাৰে ভাৰতত সম্পূৰ্ণ এক বৈষম্যমূলক নীতি গ্ৰহণ কৰি তেওঁলোকৰ ঔপনিৱেশিক চৰিত্ৰ

উদঙাই দেখুৱালে। সেয়ে স্বাধীনতা লাভ কৰাৰ লগে লগে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ দাবী পুনৰ উঠিবলৈ ধৰে। স্বাধীন অসমৰ প্ৰাদেশিক চৰকাৰেও প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। সেই উদ্দেশ্যে (১৯২৩ চনৰ অসম বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন বিফল হৈছিল যদিও) ১৯৪৭ চনত অসমত প্ৰাথমিক শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া কৰাৰ আইন পুনৰ গ্ৰহণ কৰা হয়। এই আইনে প্ৰাথমিক শিক্ষা প্ৰশাসনৰ দায়িত্ব স্থানীয় কৰ্তৃপক্ষৰ হাতৰপৰা উঠাই আনি নতুনকৈ গঠন হোৱা ৰাজ্যিক প্ৰাথমিক শিক্ষা ব'ৰ্ডৰ হাতত দিয়ে। উপ-পৰিদৰ্শকৰ শাসনৰ পৰিসীমাৰ ভিত্তিত আঞ্চলিক ব'ৰ্ড গঠন কৰি প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তুলিবলৈ চেষ্টা কৰিলেও আইনখন ফলৱতী নহ'ল।

ইতিমধ্যে সমাজবাদী ভাৰত প্ৰজাতন্ত্ৰৰ সংবিধানেও প্ৰাথমিক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰি ৬ৰপৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদান কৰিবলৈ ৪৫নং অনুচ্ছেদৰ যোগেদি ৰাষ্ট্ৰক নিৰ্দেশ দিয়ে। প্ৰথম অৱস্থাত সংবিধান গ্ৰহণ কৰাৰ দহ বছৰৰ ভিতৰত (১৯৬০ চনৰ ভিতৰত) উক্ত লক্ষ্য পূৰণৰ সময়সীমা বান্ধি লোৱা হৈছিল যদিও সময়ে সময়ে এই সময়সীমা বৃদ্ধি কৰি থকা হয় আৰু কেতবোৰ বিশেষ বিশেষ আঁচনিও গ্ৰহণ কৰা হয়। কিন্তু পৰিতাপৰ কথা এয়ে যে আজিৰ তাৰিখলৈকে সমগ্ৰ দেশৰ লগতে অসমতো প্ৰাথমিক শিক্ষা সঁচা অৰ্থত সাৰ্বজনীন আৰু বাধ্যতামূলক হৈ উঠাগৈ নাই। ২০০৯ চনৰ সমীক্ষা অনুসৰি ৬-১৪ বছৰ বয়সৰ প্ৰায় ২ লাখ শিশু বিদ্যালয়লৈ নোযোৱাকৈ আছে।[1] এই তথ্যই প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ লক্ষ্য আহৰণ কৰিবলৈ এতিয়াও যে বহু বাকী তাকেই প্ৰমাণ কৰে।

জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যুৰ পাছত আবেগবিহ্বল ভাৰতীয় জনগণে তেওঁৰ বুনিয়াদী শিক্ষাৰ ধাৰণাৰ প্ৰতি আগ্ৰহ দেখুৱায় আৰু চৰকাৰেও বুনিয়াদী শিক্ষাক ৰাষ্ট্ৰীয় শিক্ষা হিচাপে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। একেদৰে অসমতো ১৯৫৪ চনত বুনিয়াদী শিক্ষা আইন গ্ৰহণ কৰা হয় আৰু প্ৰাথমিক বিদ্যালয়সমূহক বুনিয়াদী বিদ্যালয়লৈ ৰূপান্তৰিত কৰিবলৈ সিদ্ধান্ত লয়। অৱশ্যে প্ৰাথমিক বিদ্যালয়সমূহক বুনিয়াদী বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ কাম বৰ সহজ নাছিল। ফলত সকলোবোৰ প্ৰাথমিক বিদ্যালয়ক বুনিয়াদী বিদ্যালয়লৈ ৰূপান্তৰিত কৰিব পৰা নহ'ল। কিছুমান প্ৰাথমিক বিদ্যালয়ক কেৱল নামতহে বুনিয়াদী শিক্ষানুষ্ঠানলৈ ৰূপান্তৰিত কৰা হ'ল, কামে-কাজে প্ৰাথমিকেই হৈ থাকিল। বুনিয়াদী শিক্ষা প্ৰৱৰ্তনৰ লগে লগে শিক্ষকসকলকো অনুৰূপ প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিল। সেই উদ্দেশ্যে অসমত ১৯৬০ চনত ৬খন নৰ্মাল স্কুল আৰু ২০খন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ (Basic Training Centre) স্থাপন কৰা হয়।[2] তৎসত্ত্বেও বুনিয়াদী শিক্ষাই ঈপ্সিত বিকাশ লাভ কৰিবলৈ সক্ষম নহ'ল। সেয়ে এই শিক্ষা-আইন সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ উঠাৰ আগতেই ইয়াৰ ওপৰত মানুহৰ আস্থা লাহে লাহে



কমি আহে। শেষত চৰকাৰেও বুনিয়াদী শিক্ষাক বাধ্যতামূলক কৰি তোলাৰ পৰিৱৰ্তে ইয়াক উঠাই দিয়াৰ কথাহে ঘোষণা কৰে।

অসমত বুনিয়াদী শিক্ষা আইন প্ৰৱৰ্তন হোৱাৰ বাবে বুনিয়াদী বিদ্যালয়ৰ সংখ্যা বাঢ়িবলৈ ধৰে যদিও প্ৰাথমিক বিদ্যালয়ৰ সংখ্যাও বাঢ়ি যোৱাটো তাৎপৰ্যপূৰ্ণ। ১৯৫৪-৫৫ চনত অসমত ২০খন উচ্চ বুনিয়াদী আৰু ৪৮৫খন নিম্ন বুনিয়াদী বিদ্যালয় থকাৰ বিপৰীতে ১৯৫৯-৬০ চনত ইয়াৰ সংখ্যা হয়গৈ ক্ৰমে ১৫৮ আৰু ২১১১খন। একেদৰে শিক্ষাৰ্থীৰ সংখ্যাও ১৯৫৪-৫৫ চনত উচ্চ বুনিয়াদী স্তৰত ২১৭২ আৰু নিম্ন বুনিয়াদী স্তৰত ৩৪,১৩৫গৰাকী থকাৰ বিপৰীতে এই সংখ্যা ১৯৫৯-৬০ চনত হয়গৈ ক্ৰমে ২৪,৩৪৪ আৰু ১,৮৩,৯১৫গৰাকী।[3] একে সময়তে প্ৰাথমিক বিদ্যালয়ৰ সংখ্যাও ১৯৫৪-৫৫ চনত ১২,৫৬৫খনৰপৰা ১৯৫৮-৫৯ চনত ১৪,৯৪০খন হয়গৈ।

বুনিয়াদী শিক্ষাৰ বিফলতাৰ পৰিপ্ৰেক্ষিতত ১৯৬২ চনত অসম প্ৰাথমিক শিক্ষা আইন (Assam Elementary Education Act, 1962) প্ৰৱৰ্তন কৰা হয়। এই আইনে ৰাজ্যিক শিক্ষা ব'ৰ্ডক পৰামৰ্শদাতা কমিটী হিচাপে কৰ্তৃত্ব প্ৰদান কৰাৰ লগতে স্থানীয় কৰ্তৃপক্ষক চৰকাৰী নীতি কাৰ্যকৰী কৰাৰ দায়িত্ব দিয়ে। চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষ উভয়েই প্ৰাথমিক শিক্ষাৰ লগত জড়িত হৈ পৰাৰ ফলত অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ দ্ৰুততৰ হ'বলৈ ধৰে। ১৯৬১-৬২ চনৰপৰা ১৯৭৫-৭৬ চনলৈকে প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ১৬,৯৬১ৰপৰা ২০,২৪৮লৈ বৃদ্ধি হোৱা আৰু একে সময়ছোৱাতে মজলীয়া বিদ্যালয়ৰ সংখ্যা ১৮৯৯ৰপৰা ৩৫৩৫খনলৈ বৃদ্ধি পোৱাটো তাৰেই প্ৰমাণ।[4]

১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে ভাৰতীয় শিক্ষা পুনৰ গঠনৰ পৰামৰ্শ দিয়ে আৰু সমগ্ৰ দেশতে একে ধৰণৰ শিক্ষা গাঁথনি (১০+২+৩) প্ৰৱৰ্তন কৰাৰ পৰামৰ্শ দিয়ে। লগতে প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ সময়সীমা আৰু দহ বছৰলৈ (১৯৭৬)[5] বঢ়াই দিয়ে। এই আয়োগৰ পৰামৰ্শৰ ভিত্তিতেই অসমত ১৯৭৩ চনত শিক্ষাৰ নতুন গাঁথনি প্ৰৱৰ্তন কৰা হয়। তাৰ ঠিক এবছৰ পাছতেই, অৰ্থাৎ ১৯৭৪ চনত, অসমৰ প্ৰাথমিক শিক্ষাব্যৱস্থাক প্ৰাদেশিকীকৰণ কৰা হয়। তদুপৰি প্ৰাথমিক শিক্ষাক সুকীয়াকৈ চোৱাচিতা কৰিবৰ বাবে পোন প্ৰথমবাৰৰ বাবে অসমত প্ৰাথমিক শিক্ষাৰ পৃথক সঞ্চালকালয় (Directorate) স্থাপন কৰা হয় ১৯৭৭ চনত।

ইতিমধ্যে বহুতো চিন্তা-ভাবনাৰ অন্তত ১৯৮৬ চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণ কৰা হয়। উক্ত শিক্ষানীতিয়ে প্ৰাথমিক শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰাৰ লগতে প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তুলিবৰ বাবে 'অপাৰেশ্যন ব্লেকব'ৰ্ড' (Operation Blackboard) নামৰ এক সুকীয়া আঁচনি গ্ৰহণ কৰে। অসম চৰকাৰেও এই আঁচনিৰ অধীনত প্ৰাথমিক বিদ্যালয়ৰ গৃহ-নিৰ্মাণ, বিনামূলীয়া পাঠ্যপুথি, সা-সঁজুলি আৰু আহাৰ যোগানৰ ওপৰত গুৰুত্ব

আৰোপ কৰে। গুণগত শিক্ষা প্ৰদানৰ বাবে শিক্ষকৰ প্ৰশিক্ষণ অতি জৰুৰী বুলি অনুভৱ কৰি প্ৰত্যেকখন জিলাতে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) স্থাপন কৰাৰ ওপৰত এই শিক্ষানীতিয়ে জোৰ দিয়ে।

ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ৰ কাৰ্যকাৰিতা মূল্যায়ন কৰাৰ অৰ্থে ভাৰত চৰকাৰে ১৯৯০ চনত এখন পুনৰীক্ষণ কমিটী নিযুক্তি দিয়ে। ৰামমূৰ্তি কমিটী হিচাপে জনাজাত এই কমিটীখনে অধ্যয়নৰ শেষত এখন কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰে, য'ত দেশৰ পিছপৰা জিলাবোৰত শিক্ষা-বিকাশৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জিলা প্ৰাথমিক শিক্ষা কাৰ্যসূচী (District Primary Education Programme, DPEP) ৰূপায়ণৰ পৰামৰ্শ দিয়ে। অসমত ১৯৯৩-৯৪ চনৰপৰা এই কাৰ্যসূচী আৰম্ভ কৰা হয় আৰু সৰ্বমুঠ ৯খন জিলাত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা পৰ্যায়লৈকে শিক্ষা পৰিকল্পনাৰ দায়িত্ব বিকেন্দ্ৰীকৰণ কৰা উক্ত কাৰ্যসূচীৰ মুঠ খৰচৰ ৮৫% কেন্দ্ৰীয় চৰকাৰে আৰু বাকী ১৫% ৰাজ্যিক চৰকাৰে বহন কৰে। বিশ্ববেংক, UNICEF আদিৰ সহযোগত কেন্দ্ৰীয় চৰকাৰৰ খৰচৰ অংশ যোগান ধৰা এই কাৰ্যসূচীয়ে পিছপৰা জিলাসমূহত প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিলেও কাৰ্যসূচীখন সম্পূৰ্ণ সফল নহ'ল।

প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তোলাৰ উদ্দেশ্যে সমগ্ৰ দেশৰ লগতে অসমতো আৰম্ভ কৰা হয় সৰ্বশিক্ষা অভিযান নামৰ অভিলাষী আঁচনি। প্ৰাথমিক বিদ্যালয় পৰিচালনাৰ বাবে একেবাৰে নিম্নস্তৰৰ কমিটীসমূহকো জড়িত কৰা এই আঁচনিখন আৰম্ভ হয় ২০০০ চনত। শিক্ষা নিশ্চিতকৰণ আঁচনি (Education Guarantee Scheme), বিকল্প বিদ্যালয়, বিদ্যালয়লৈ উভতি যাওঁ (Back to School) আদি কাৰ্যসূচীৰ যোগেদি ২০০৩ চনৰ ভিতৰত ৬-১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰে নামভৰ্তি কৰি ২০১০ চনৰ ভিতৰত সকলোকে বিদ্যালয়ত ধৰি ৰখাৰ (Universal Retentionৰ) লক্ষ্য লোৱা সৰ্বশিক্ষা অভিযানে আন কেতবোৰ কাৰ্যসূচীও লোৱা দেখা গৈছে। ইয়াৰ ভিতৰত 'শিশুৰ উত্তৰণ', 'আশাদীপ' আদি প্ৰধান। অৱশ্যে আজিৰ তাৰিখলৈকে প্ৰাথমিক শিক্ষাই সাৰ্বজনীনতাৰ লক্ষ্য আহৰণ কৰিবগৈ পৰা নাই। কাৰণ, ইতিমধ্যে উল্লেখ কৰা হৈছে যে অসমত এতিয়াও প্ৰায় ২ লাখ শিশু (৬-১৪ বছৰ বয়সৰ) বিদ্যালয়ৰ বাহিৰত আছে।

২০০২ চনৰ ৮৬ সংখ্যক সংবিধান সংশোধনৰ জৰিয়তে সন্নিৱিষ্ট কৰা ২১(ক) অনুচ্ছেদৰ যোগেদি ৬-১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ বাবে শিক্ষাক এক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। সেই অনুসৰি শিক্ষাৰ অধিকাৰ আইন, ২০০৯ সমগ্ৰ দেশতে প্ৰৱৰ্তন কৰা হৈছে। অসমত অৱশ্যে কিছু পলমকৈ ২০১০ চনৰপৰাহে এই আইন বলৱৎ কৰা হৈছে। ইয়াৰ যোগেদি কোনো শিশু বাদ নপৰাকৈ প্ৰাথমিক শিক্ষাক প্ৰকৃতাৰ্থত সাৰ্বজনীন কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে। কেৱল সম্প্ৰসাৰণতে গুৰুত্ব নিদি প্ৰাথমিক



শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ লগত সঙ্গতি ৰাখিয়েই পোন প্ৰথমবাৰৰ বাবে অসমত ২০১২ চনত শিক্ষক যোগ্যতা পৰীক্ষা (Teacher Eligibility Test, সংক্ষেপে TET) অনুষ্ঠিত কৰি গুণগত শিক্ষক বাছনি কৰা হয় আৰু তাৰ আধাৰতেই অতি স্বচ্ছতাৰে ২০১২ চনৰ ২০ মে' তাৰিখে অসমৰ শিক্ষা জগতত এক আলোড়নৰ সৃষ্টি কৰি প্ৰথম পৰ্যায়ত ২৬,১০০ আৰু একে বছৰৰে ১২ আগষ্ট তাৰিখে দ্বিতীয় পৰ্যায়ত ১৪,৬৪৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক নিযুক্তি দিয়া হয়। শিক্ষাৰ মান উন্নত কৰিবলৈ মেধাসম্পন্ন শিক্ষকৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি দিয়া এই নিযুক্তিয়ে সকলোৰে মনলৈ কিঞ্চিৎ হ'লেও পোহৰৰ বেঙণি কঢ়িয়াই আনিছে। তলৰ তালিকাত স্বাধীনতাৰ কালৰপৰা বৰ্তমানলৈকে অসমৰ প্ৰাথমিক শিক্ষা বিকাশৰ এক পাৰিসাংখ্যিক চিত্ৰ দাঙি ধৰা হৈছে।

তালিকা ১

স্বাধীনোত্তৰ কালত অসমত প্ৰাথমিক শিক্ষাৰ অগ্ৰগতি

| বৰ্ষ | বিদ্যালয়ৰ সংখ্যা | | শিক্ষাৰ্থীৰ সংখ্যা | |
|---|---|---|---|---|
| | প্ৰাথমিক | মজলীয়া | প্ৰাথমিক | মজলীয়া |
| ১৯৪৭-৪৮* | ৭,৫৭৪ | ৭৪২ | ৩,৯৩,২৪৭ | ৯০,৬১৩ |
| ২০১০-১১** | ৩৫,০৬৫ | ১২,৯৮৫ | ২৬,৫৫,৫৮২ | ২১,৫৬,১১০ |
| বৃদ্ধিৰ হাৰ | ৪.৬৩ | ১৭.৫ | ৬.৭৫ | ২৩.৭৯ |

তথ্য উৎস: ******অসমৰ শিক্ষা ব্যৱস্থা*, ৰেণু দেৱী

** Economic Survey, Assam, 2011-12

ওপৰৰ তালিকা অধ্যয়ন কৰিলে দেখা যায় যে ১৯৪৭-৪৮ চনত সেই সময়ৰ অবিভক্ত অসমত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা আছিল ৭৫৭৪খন, যিটো ২০১০-১১ চনত হয়গৈ ৩৫,০৬৫খন। একেদৰে শিক্ষাৰ্থীৰ সংখ্যাও ৩,৯৩,২৪৭ গৰাকীৰপৰা ২৬,৫৫,৫৮২গৰাকী হৈছেগৈ। অৰ্থাৎ উক্ত সময়ছোৱাৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ৰ বৃদ্ধিৰ হাৰ ৪.৬৩ আৰু শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ ৬.৭৫ শতাংশ। ইয়াৰপৰা দেখা যায় যে স্বাধীনোত্তৰ কালছোৱাত অসমত শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰতকৈ বিদ্যালয়ৰ বৃদ্ধিৰ হাৰ কম। অন্যহাতে ১৯৪৭-৪৮ চনত অসমত মজলীয়া বিদ্যালয়ৰ সংখ্যা আছিল মাত্ৰ ৭৪২খন, যিটো বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ১২,৯৮৫খন। উক্ত সময়ছোৱাত ১২,৩৪৩খন মজলীয়া বিদ্যালয় বৃদ্ধি পায়, বৃদ্ধিৰ হাৰ ১৭.৫ শতাংশ। একেদৰে মজলীয়া স্তৰৰ শিক্ষাৰ্থীৰ সংখ্যাও ৯০,৬১৩ৰপৰা ২১,৫৬,১১০ গৰাকীলৈ বৃদ্ধি পাইছে। শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ ২৩.৭৯ শতাংশ। স্বাধীনোত্তৰ কালছোৱাত প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ সংখ্যাৰ লগতে শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ চকুত পৰা হ'লেও উক্ত সময়ছোৱাত জনসংখ্যা বৃদ্ধিৰ তুলনাত এই বৃদ্ধি যথেষ্ট কম।

সময় বাগৰাৰ লগে লগে অসমত বিদ্যালয় এৰা (drop out হোৱা) শিক্ষাৰ্থীৰ সংখ্যাও যথেষ্ট কমিছে। ১৯৫৮-৫৯ চনত প্ৰাথমিক স্তৰত বিদ্যালয় এৰা শিক্ষাৰ্থীৰ হাৰ আছিল প্ৰায় ৭৫ শতাংশ। কিন্তু ২০১০-১১ চনত এই হাৰ প্ৰাথমিক স্তৰত ৫.৭৪ শতাংশ আৰু মজলীয়া স্তৰত ১৪.৭৪ শতাংশ[৬] হৈছেগৈ। এনেদৰে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা কমি থাকিলে ২০১৫ চনত অসমত এজনো তেনে শিশু নাথাকিবগৈ বুলি প্ৰত্যাশা কৰা হৈছে। এই লক্ষ্যত উপনীত হ'ব পাৰিলেহে শিক্ষাৰ অধিকাৰ প্ৰকৃতাৰ্থত আহৰণ কৰিব পৰা যাব।

প্ৰাথমিক শিক্ষাৰ ক্ৰমবিকাশৰ লগে লগে অসমত শিক্ষিত ব্যক্তিৰ সংখ্যাও লাহে লাহে বাঢ়ি আহিবলৈ ধৰে। জনসাধাৰণৰ মাজত সাক্ষৰতাৰ হাৰ বৃদ্ধিয়ে শিক্ষা যে তেওঁলোকৰ মাজলৈ সম্প্ৰসাৰিত হৈছে তাকে প্ৰমাণ কৰে। দেশ স্বাধীন হোৱাৰ পাছত প্ৰথমটো লোকপিয়লত (১৯৫১ চন) অসমত সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ১৮.৫৩ শতাংশ, কিন্তু ২০১১ চনৰ লোকপিয়লত (প্ৰাৰম্ভিক) এই সংখ্যা হৈছেগৈ ৭৩.১৮ শতাংশ। একেদৰে পুৰুষৰ সাক্ষৰতাৰ হাৰো ১৯৫১ চনৰ ২৮.০১ শতাংশৰপৰা ২০১১ চনত ৭৮.৮১ শতাংশলৈ বৃদ্ধি হৈছে আৰু মহিলাৰ সাক্ষৰতাৰ একে সময়ছোৱাত ৭.৫৮ শতাংশৰপৰা ৬৭.২৭ শতাংশলৈ বৃদ্ধি হৈছে। অৰ্থাৎ স্বৰাজোত্তৰ অসমত শিক্ষিত পুৰুষৰ হাৰৰ তুলনাত শিক্ষিতা মহিলাৰ হাৰ অধিক বৃদ্ধি পাইছে। একেদৰে শিক্ষিত পুৰুষ-মহিলা হাৰৰ ব্যৱধানো লাহে লাহে হ্ৰাস পাই আহিছে। ১৯৫১ চনত এই ব্যৱধান আছিল ২০.৪৩ শতাংশ যিটো কমি গৈ ২০১১ চনত ১১.৫৪ শতাংশ হৈছে। অৰ্থাৎ শিক্ষাৰ সম্প্ৰসাৰণে নাৰী-পুৰুষৰ বিষমতাও ক্ৰমান্বয়ে হ্ৰাস কৰি আনিছে। তলৰ তালিকা আৰু লেখত ১৯৫১ চনৰপৰা ২০১১ চনলৈকে অসমত সাক্ষৰতা হাৰৰ পৰিসংখ্যা দেখুওৱা হৈছে:

**তালিকা ২**

১৯৫১ চনৰপৰা ২০১১ চনলৈকে অসমত সাক্ষৰতাৰ হাৰ


| বৰ্ষ | সাক্ষৰতাৰ হাৰ | | | |
|---|---|---|---|---|
| | সৰ্বমুঠ | পুৰুষ | মহিলা | লিঙ্গ-ব্যৱধান |
| ১৯৫১ | ১৮.৫৩ | ২৮.০১ | ৭.৫৮ | ২০.৪৩ |
| ১৯৬১ | ৩২.৯৫ | ৪৪.২৮ | ১৮.৬২ | ২৫.৬৬ |
| ১৯৭১ | ৩৩.৯৪ | ৪৩.৭২ | ২২.৭৬ | ২০.৯৬ |
| ১৯৮১ | — | — | — | — |
| ১৯৯১ | ৫২.৮৯ | ৬১.৮৭ | ৪৩.০৩ | ১৮.৮৪ |
| ২০০১ | ৬৩.২৫ | ৭১.২৮ | ৫৪.৬১ | ১৬.৬৭ |
| ২০১১ | ৭৩.১৮ | ৭৮.৮১ | ৬৭.২৭ | ১১.৫৪ |

তথ্য উৎস: *Directorate of Economics and Statistics*



লেখ ১

১৯৫১ চনৰপৰা ২০১১ চনলৈ অসমৰ সাক্ষৰতাৰ হাৰৰ লেখচিত্ৰীয় উপস্থাপন




**স্বৰাজোত্তৰ অসমত মাধ্যমিক শিক্ষাৰ অগ্ৰগতি**

মেকলেৰ প্ৰতিবেদন (১৮৩৫ চন)ৰ আধাৰত গঢ় লৈ উঠা ঔপনিৱেশীয় শিক্ষাই ভাৰতীয়সকলৰ আশা-আকাঙ্ক্ষা পূৰণ কৰিব পৰা নাছিল। কাৰণ, সেই শিক্ষাই নিম্নস্তৰৰ কামকাজৰ বাবে উপযোগী এক শ্ৰেণী শিক্ষিত ভাৰতীয় সৃষ্টি কৰিছিল, যিয়ে প্ৰশাসনীয় কামকাজত ইংৰাজসকলক সহায় কৰিছিল। সেয়ে স্বাধীনতাৰ লগে লগে তেনে শিক্ষাব্যৱস্থাক চোকা সমালোচনা কৰা হ'ল আৰু সঁচা অৰ্থত ভাৰতীয়সকলৰ উপকাৰত অহাকৈ শিক্ষাব্যৱস্থা প্ৰৱৰ্তনৰ দাবী উত্থাপন হ'ল। অসমো এইক্ষেত্ৰত পিছ পৰি নাথাকিল। স্বৰাজোত্তৰ অসমত মাধ্যমিক শিক্ষা আধুনিক কৰি তুলিবলৈ ইয়াৰ গুণগত মান বৃদ্ধিৰ ওপৰত জোৰ দিয়া হয়। স্বাধীনতাৰ পাছত (১৯৪৮ চনত) গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ লগে লগে অসমৰ শিক্ষাব্যৱস্থাত নতুন যুগৰ সূচনা হয়। অসমৰ মাধ্যমিক শিক্ষাব্যৱস্থাত ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰে। কাৰণ, ইমান দিনে অসমৰ মাধ্যমিক শিক্ষাব্যৱস্থা কলিকতা বিশ্ববিদ্যালয়ে পৰিচালনা কৰি আহিছিল। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ লগে লগে অসমৰ মাধ্যমিক বিদ্যালয়সমূহ ইয়াৰ লগত সংবদ্ধ (affiliated) হয়; লগে লগে প্ৰৱেশিকা পৰীক্ষাৰ দায়িত্বও বিশ্ববিদ্যালয়ে গ্ৰহণ কৰে। ইয়াৰ ফলত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা দ্ৰুতগতিৰে বৃদ্ধি পায় আৰু উক্ত শিক্ষা সম্প্ৰসাৰিত হ'বলৈ ধৰে। ১৯৪৭-৪৮ চনত অসমত ১৯১খন হাইস্কুলৰ বিপৰীতে ১৯৫৩-৫৪ চনত ৩৩৮খন হৈ উঠাটো তাৰেই প্ৰমাণ।[৭]

১৯৫২-৫৩ চনৰ মুদালিয়াৰ শিক্ষা আয়োগে দিয়া পৰামৰ্শই অসমৰ মাধ্যমিক শিক্ষাৰ সামগ্ৰিক পৰিৱৰ্তন সাধন কৰে। আয়োগে মাধ্যমিক শিক্ষা ১১ বছৰীয়া কৰি ২ বছৰীয়া ইণ্টাৰমিডিয়েট পৰ্যায় তুলি দিবলৈ পৰামৰ্শ দিয়াৰ লগতে মাধ্যমিক শিক্ষা পৰিচালনাৰ বাবে ৰাজ্যিক মাধ্যমিক শিক্ষা ব'ৰ্ড গঠন কৰিবলৈ পৰামৰ্শ দিয়ে। আয়োগৰ পৰামৰ্শ অনুযায়ী অসমতো ১১ বছৰীয়া সুকীয়া মাধ্যমিক শিক্ষা প্ৰৱৰ্তন কৰাৰ লগতে হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰ

কৰাৰ কামো আৰম্ভ হয়। ইয়াৰ ফলস্বৰূপে অসমত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা বৃদ্ধি পায়। এই বৃদ্ধিৰ গতি অব্যাহত থাকে আৰু ১৯৬৮-৬৯ চনত অসমত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা হয়গৈ ৬৯খন।[৮]

মুদালিয়াৰ আয়োগৰ পৰামৰ্শৰ আধাৰত অসম মাধ্যমিক শিক্ষা আইন, ১৯৬১ গ্ৰহণ কৰি ৰাজ্যিক মাধ্যমিক শিক্ষা ব'ৰ্ড গঠন কৰা হয় আৰু মাধ্যমিক শিক্ষাৰ পৰিচালনাৰ ভাৰ ব'ৰ্ডৰ হাতত ন্যস্ত কৰা হয়। ইয়াৰ আগলৈকে মাধ্যমিক শিক্ষা পৰিচালনাত লৰ্ড কাৰ্জনৰ দ্বৈত শিক্ষা পৰিচালনাৰ দৰে নীতিয়েই কাৰ্যকৰী হৈ আছিল। অৰ্থাৎ মাধ্যমিক বিদ্যালয়সমূহ পৰিচালনাৰ ভাৰ শিক্ষা বিভাগৰ হাতত আৰু পৰীক্ষা পৰিচালনাৰ ভাৰ বিশ্ববিদ্যালয়ৰ হাতত আছিল। ১৯৬১ চনৰ আইনে অসমৰ মাধ্যমিক শিক্ষাক বিশ্ববিদ্যালয় আৰু চৰকাৰৰ প্ৰত্যক্ষ প্ৰভাৱৰপৰা মুক্ত কৰি এক পৃথক প্ৰশাসনীয় গোট হিচাপে গঠন কৰি তোলাত বহুতো প্ৰশাসনীয় বেমেজালি আঁতৰিবলৈ ধৰে।

১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ পৰামৰ্শৰ ভিত্তিত মাধ্যমিক শিক্ষাৰ সাংগঠনিক দিশত গুৰুত্বপূৰ্ণ সংশোধন সাধন কৰি ১০+২+৩ শিক্ষা গাঁথনি অনুসৰি ১০ বছৰীয়া স্কুলীয়া শিক্ষা আৰু ২ বছৰীয়া উচ্চতৰ মাধ্যমিক শিক্ষা পৰিচালনাৰ দায়িত্ব ১৯৭৩ চনৰপৰা অসম মাধ্যমিক শিক্ষা ব'ৰ্ডে গ্ৰহণ কৰে। বাকী ৩ বছৰীয়া স্নাতক শিক্ষাৰ দায়িত্ব লয় বিশ্ববিদ্যালয়ে। সহায়ক অনুদান লাভ কৰা অসমৰ সকলোবোৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক প্ৰাদেশিকীকৰণ কৰা হয় ১৯৭৭ চনত। লাহে লাহে উচ্চতৰ মাধ্যমিক স্তৰত শিক্ষা গ্ৰহণ কৰিবলৈ অহা শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰাত উক্ত স্তৰৰ শিক্ষা পৰিচালনাৰ বাবে সুকীয়া ব্যৱস্থা গ্ৰহণ কৰি ১৯৮৪ চনত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (Assam Higher Secondary Education Council) গঠন কৰা হয়। ইয়াৰ লগে লগে +২ স্তৰৰ শিক্ষা পৰিচালনাৰ দায়িত্ব সম্পূৰ্ণভাৱে উক্ত সংসদক অৰ্পণ কৰা হয়।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে উন্নত গুণমানৰ মাধ্যমিক শিক্ষাৰ লগতে বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তনত গুৰুত্ব দিয়ে। তদুপৰি দৰিদ্ৰতা আৰু সামাজিক অনগ্ৰসৰতাৰ বাবে যাতে কোনো শিক্ষাৰ্থীয়েই উন্নত মানৰ মাধ্যমিক শিক্ষাৰপৰা বঞ্চিত হ'বলগীয়া নহয় তাৰ বাবে দেশৰ সকলোবোৰ জিলাতে একোখনকৈ নৱোদয় বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লয়। সেই অনুসৰি অসমতো প্ৰথমে ৭খন নৱোদয় বিদ্যালয় স্থাপন কৰা হয়। বৰ্তমান অসমত ২৭খন নৱোদয় বিদ্যালয় আছে আৰু ইয়াৰে ২খন আছে অসমৰ আটাইতকৈ ডাঙৰ জিলা কাৰ্বি আংলঙৰ ডিফু আৰু বৈঠালাংছু'ত।[৯] অৱশ্যে +২ স্তৰত বৃত্তিমূলক শিক্ষা প্ৰৱৰ্তনৰ ব্যৱস্থা কৰিলেও এই শিক্ষাই বৰ এক সফলতা লাভ কৰিব নোৱাৰিলে। বৰ্তমান সমগ্ৰ দেশৰ লগতে অসমতো মাধ্যমিক শিক্ষা সাৰ্বজনীন কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (Rashtriya Madhyamik Siksha Abhijan, সংক্ষেপে RMSA) আৰম্ভ কৰা হৈছে। ২০১২ চনৰ ৯ এপ্ৰিল তাৰিখে অসমত মাধ্যমিক শিক্ষা



অভিযান আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। ইয়াৰ ফলাফলৰ বাবে আমি ভৱিষ্যতলৈ বাট চাব লাগিব। স্বৰাজোত্তৰ অসমত মাধ্যমিক শিক্ষাৰ অগ্ৰগতি তলৰ পৰিসংখ্যাত দেখুওৱা হৈছে:

**তালিকা ৩**

স্বৰাজোত্তৰ অসমত মাধ্যমিক শিক্ষাৰ অগ্ৰগতিৰ খতিয়ান

| বৰ্ষ | মাধ্যমিক শিক্ষানুষ্ঠানৰ সংখ্যা | | | | শিক্ষাৰ্থীৰ সংখ্যা | | | |
|---|---|---|---|---|---|---|---|---|
| | হাইস্কুল | উ.মা.বি. | কনিষ্ঠ মহা. | সৰ্বমুঠ | হাইস্কুল | উ.মা.বি. | কনিষ্ঠ মহা. | সৰ্বমুঠ |
| ১৯৪৭-৪৮* | ১৯১ | — | — | ১৯১ | ৬৮,৭৬২ | — | — | ৬৮,৭৬২ |
| ২০১০-১১** | ৫,৭১৪ | ৯৩৩ | ২১৭ | ৬৮৬৪ | ৬,৬৩,৭২২ | ১,৮৮,৩০৯ | ৫৮,৮৫৫ | ৯,১০,৮৮৬ |
| বৃদ্ধিৰ হাৰ | | | | ৩৫.৯৪ | | | | ১৩.২৫ |

তথ্য উৎস: **অসমৰ শিক্ষা ব্যৱস্থা*, বেণু দেৱী
** *Statistical Handbook*, Assam, 2011

ওপৰৰ তালিকাখনত দেখা যায় যে ১৯৪৭-৪৮ বৰ্ষত অবিভক্ত অসমত মাধ্যমিক শিক্ষানুষ্ঠানৰ সংখ্যা আছিল মাত্ৰ ১৯১খন, কিন্তু ২০১০-১১ চনত তেনে শিক্ষানুষ্ঠানৰ সংখ্যা বাঢ়ি গৈ হয়গৈ সৰ্বমুঠ ৬৮৬৪খন। ইয়াৰে ৫৭১৪খন হাইস্কুল, ৯৩৩খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বাকী ২১৭খন কনিষ্ঠ মহাবিদ্যালয়। উল্লেখ্য যে স্বাধীনতাৰ সময়ত উচ্চতৰ মাধ্যমিক বিদ্যালয় বা কনিষ্ঠ মহাবিদ্যালয়ৰ ধাৰণা নাছিল। উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ধাৰণা মুদালিয়াৰ আয়োগৰ পাছৰপৰা আহিছে আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ ধাৰণা একেবাৰে নতুন। স্বৰাজোত্তৰ এই সময়ছোৱাত মাধ্যমিক শিক্ষানুষ্ঠানৰ বৃদ্ধিৰ হাৰ ৩৫.৯৪ শতাংশ। একেদৰে শিক্ষাৰ্থীৰ সংখ্যালৈ চকু দিলেও দেখা যায় ১৯৪৭-৪৮ চনত মাধ্যমিক স্তৰত শিক্ষাৰ্থীৰ সংখ্যা আছিল ৬৮,৭৩২গৰাকী, যিটো বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ৯,১০,৮৮৬গৰাকী। ইয়াৰে হাইস্কুলৰ শিক্ষাৰ্থীৰ সংখ্যা ৬,৬৩,৭২২; উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১,৮৮,৩০৯গৰাকী আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ ৫৮,৮৫৫গৰাকী। অৰ্থাৎ এই সময়ছোৱাত শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ ১৩.২৫ শতাংশ। এতেকে দেখা যায় যে স্বৰাজোত্তৰ অসমত মাধ্যমিক শিক্ষানুষ্ঠানৰ সংখ্যা যি-হাৰত বাঢ়িছে তাৰ তুলনাত শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ যথেষ্ট কম। ইয়াৰ মূল কাৰণ হিচাপে আমি স্থানীয়ভাৱে বেচৰকাৰী শিক্ষানুষ্ঠান স্থাপনৰ কথাকে ক'ব পাৰোঁ, যিবোৰে পাছলৈ চৰকাৰী অনুদান লাভ কৰিছে বা প্ৰাদেশিকীকৃত হৈছে। শিক্ষাৰ্থী বৃদ্ধিৰ তুলনাত শিক্ষানুষ্ঠানৰ বৃদ্ধিৰ হাৰ অধিক হোৱাৰ ফলতেই বৰ্তমান অসমৰ কিছু সংখ্যক মাধ্যমিক শিক্ষানুষ্ঠানত শিক্ষাৰ্থীৰ সংখ্যা বহু কম আৰু আন কেতবোৰত প্ৰায় নায়েই। সেয়ে বিদ্যালয় তথা শিক্ষক থাকিও এজনো শিক্ষাৰ্থী নথকা বিদ্যালয়ৰ খবৰো মাজে-সময়ে বাতৰি কাকতত পঢ়িবলৈ পোৱা যায়। অৱশ্যে মাতৃভাষা মাধ্যমৰ কেতবোৰ বিদ্যালয়তহে শিক্ষাৰ্থীৰ এনে পুতৌলগা সংখ্যা তথা উপস্থিতি দেখা যায়। ইয়াৰ বিপৰীতে দ্ৰুতভাৱে বাঢ়ি অহা ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানবোৰত শিক্ষাৰ্থীৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়। ঔপনিৱেশিক কালতে গঢ় লৈ উঠা

ইংৰাজী মাধ্যমৰ শিক্ষা ভাল বুলি ভবা প্ৰৱণতাৰপৰা আমি স্বাধীনতাৰ ৬৫ বছৰ অতিক্ৰম কৰাৰ পাছতো মুক্ত হ'ব পৰা নাই। এইখিনিতে লৰ্ড মেকলেই তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰা পৰ্যবেক্ষণ "Students receiving education in Arabic Sanskrit institutions have to be given financial help by the government but the students of English schools, on the contrary, are willing to pay fees!"[১০]ৰ প্ৰাসঙ্গিকতা আজিও দেখা যায়। চৰকাৰী বিদ্যালয়ত বিনামূলীয়াকৈ দিয়া শিক্ষাক আওকাণ কৰি ইংৰাজী মাধ্যমৰ বেচৰকাৰী বিদ্যালয়ত মাহে মাহে পৰ্যাপ্ত মাচুল ভৰি হ'লেও শিক্ষা আহৰণ কৰিবলৈ হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে ভিৰ কৰাটো মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ বাবে নিশ্চয় শুভ লক্ষণ নহয়। ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ এনে জনপ্ৰিয়তাই মাতৃভাষা মাধ্যমৰ শিক্ষানুষ্ঠানলৈ নিশ্চয় এক অবাঞ্ছিত সঙ্কট কঢ়িয়াই আনিব। এই সম্পৰ্কে অৱশ্যে সুকীয়া আৰু বিতং পৰ্যালোচনাৰ প্ৰয়োজন আছে।

### স্বৰাজোত্তৰ অসমত উচ্চশিক্ষাৰ অগ্ৰগতি

অসমত উচ্চশিক্ষাৰ সূচনা হৈছিল ১৮৬৬ চনত গুৱাহাটী ছেমিনাৰিত কেইটামান কলেজীয়া শ্ৰেণীৰ সংযোজনেৰে।[১১] কিন্তু পৰীক্ষাৰ ফলাফল ক্ৰমান্বয়ে বেয়া হৈ অহাত ১৮৭২-৭৩ চনৰপৰা কলেজীয়া শ্ৰেণীবোৰ উঠাই দিয়া হয়। ইয়াৰ পৰিবৰ্তে কেইজনমান ছাত্ৰক জলপানি দি কলিকতাত কলেজীয়া শিক্ষা আহৰণ কৰিবলৈ পঠোৱা হৈছিল। ইতিমধ্যে অসমত মেট্ৰিক পাছ কৰা শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ি অহাত ৰাজ্যখনত কলেজৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হ'ল। সেই উদ্দেশ্যে চিলেটৰ ৰজা গিৰিশচন্দ্ৰ ৰায়ে ১৮৯২ চনত মুৰাৰীচান্দ কলেজ[১২] (বৰ্তমান বাংলাদেশত) স্থাপন কৰে। এইখনেই সেই সময়ৰ অসমৰ প্ৰথম কলেজ যদিও কলেজখনে কেৱল সুৰমা উপত্যকাৰ চাহিদাহে পূৰণ কৰিবলৈ সক্ষম হৈছিল। সেয়ে ব্ৰহ্মপুত্ৰ উপত্যকাতো এখন কলেজ স্থাপনৰ দাবী উত্থাপন কৰা হয় আৰু ইয়াৰ গুৰি ধৰিছিল সমাজহিতৈষী অসম সন্তান মাণিকচন্দ্ৰ বৰুৱাই। কলেজ-স্থাপনৰ দাবী তীব্ৰতৰ হৈ উঠাত সেই সময়ৰ অসমৰ চীফ কমিছনাৰ হেন্‌ৰি জন ষ্টেড্‌মেন কটনে কলেজ স্থাপনৰ অনুমতি প্ৰদান কৰে। অসমত স্থাপন হয় দ্বিতীয়খন উচ্চশিক্ষাৰ অনুষ্ঠান (বৰ্তমান অসমৰ প্ৰথমখন কলেজ) কটন কলেজ, ১৯০১ চনত। অসমৰ পাৰ্বত্য জিলাত স্থাপন হোৱা প্ৰথমখন কলেজ হ'ল শ্বিলঙৰ ছেইণ্ট এড্‌মাণ্ডছ কলেজ (১৯২৪ চন)। একেদৰে উজনি অসমৰ যোৰহাটত স্থাপন কৰা হয় জগন্নাথ বৰুৱা কলেজ ১৯৩০ চনত। আনহাতে বৰাক উপত্যকাৰ প্ৰথম তথা অসমৰ চতুৰ্থখন কলেজ স্থাপন কৰা হয় শিলচৰত, ১৯৩৪ চনত, গুৰুচৰণ কলেজ নামেৰে। এনেদৰে লাহে লাহে কলেজৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰে। স্বাধীনতাৰ সময়ত অসমত কলেজৰ সংখ্যা আছিল ১৬খন[১৩] আৰু মুঠ শিক্ষাৰ্থীৰ সংখ্যা আছিল ৫৪৩৯গৰাকী।[১৪]



১৯৪৭ চনলৈকে অসমত এখনো বিশ্ববিদ্যালয় নাছিল যদিও ১৯১৭ চনৰপৰাই তেনে দাবী উত্থাপিত হৈ আহিছিল। অসমৰ তদানীন্তন চীফ্ কমিছনাৰ Lt. Colonel P. R. T Gurdon (১৯১৬)এ প্ৰথমবাৰৰ বাবে অসমত এখন সুকীয়া বিশ্ববিদ্যালয় লাগে বুলি পৰামৰ্শ আগবঢ়াইছিল।[১৫] ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্ৰত্যেক প্ৰদেশতে উচ্চশিক্ষা সম্প্ৰসাৰণৰ নীতি অনুসৰি ১৯১৭ চনত কটন কলেজত ইংৰাজীৰ স্নাতকোত্তৰ শ্ৰেণী খোলা হয় যদিও খুউব কম শিক্ষাৰ্থীয়েহে নাম-ভৰ্তি কৰিছিল। ইংৰাজীৰ দৰে বিদেশী ভাষা এটাত উচ্চশিক্ষা লাভ কৰা শিক্ষাৰ্থীসকলৰ ফলাফলো আছিল একেবাৰে বেয়া। অৱধাৰিতভাৱেই ১৯৩৩ চনত কটন কলেজৰপৰা স্নাতকোত্তৰ শ্ৰেণী উঠাই দিয়া হয়। অসমত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ দাবী বিধান পৰিষদতো প্ৰথমবাৰৰ বাবে উত্থাপন হয় ১৯১৭ চনত। একে বছৰৰে ডিচেম্বৰ মাহত বহা অসম এছ'চিয়েচনৰ শিৱসাগৰ অধিৱেশনতো পৃথক বিশ্ববিদ্যালয়ৰ দাবীত এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বিশ্ববিদ্যালয় স্থাপনৰ প্ৰবল দাবীৰ পৰিপ্ৰেক্ষিতত ১৯৩৫ চনৰ ১৭ মাৰ্চত অসম বিধান পৰিষদত এক প্ৰস্তাৱ লোৱা হয় যদিও অৰ্থ নাটনিৰ অজুহাতত চৰকাৰে তাক নাকচ কৰে। ইয়াৰ প্ৰতিবাদত গোপীনাথ বৰদলৈৰ সভাপতিত্বত বহা সভাত বিশ্ববিদ্যালয় কমিটী গঠন কৰা হয়। ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধও শাম কটাত ১৯৪৪ চনৰ ডিচেম্বৰ মাহত বিশ্ববিদ্যালয় ট্ৰাষ্ট (Trust) গঠন কৰা হয়। বিদ্যানুৰাগী, সমাজহিতৈষী মনীষী মাধৱচন্দ্ৰ বেজবৰুৱা, গোপীনাথ বৰদলৈ, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ড° মহেশ্বৰ নেওগ, ফখৰুদ্দিন আলী আহমেদকে আদি কৰি ৰাজনৈতিক আৰু বৌদ্ধিক জগতৰ নেতাসকলে বিশ্ববিদ্যালয় স্থাপনৰ বাবে অসমৰ জনসাধাৰণৰপৰা প্ৰায় ৫ লাখ টকাৰ বৰঙণি সংগ্ৰহ কৰে। ইতিমধ্যে ভাৰত স্বাধীন হোৱাৰ লগে লগে লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসমৰ প্ৰথমজন মুখ্যমন্ত্ৰী (সেই সময়ত প্ৰধানমন্ত্ৰী বুলি কোৱা হৈছিল) হৈ বিশ্ববিদ্যালয় স্থাপনৰ বিল বিধানসভাত পাছ কৰায় আৰু ১৯৪৮ চনৰ ২৬ জানুৱাৰি তাৰিখে বৰলুইতৰ পাৰ শিক্ষাৰ আলোকেৰে জিলিকাবলৈ অসমৰ প্ৰথমখন বিশ্ববিদ্যালয় গুৱাহাটীত স্থাপন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ লগে লগে ইমানদিনে কলিকতা বিশ্ববিদ্যালয়ে চলাই অহা মেট্ৰিক আৰু স্নাতক পৰীক্ষাৰ দায়িত্ব নৱপ্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতত অৰ্পণ কৰা হয়। দীঘলীপুখুৰী পাৰৰ অস্থায়ী প্ৰাঙ্গণত প্ৰাৰম্ভিক কামকাজ চলা গুৱাহাটী বিশ্ববিদ্যালয় পাছত জালুকবাৰীৰ বৰ্তমানৰ স্থানলৈ স্থায়ীভাৱে স্থানান্তৰ কৰা হয়। বিশ্ববিদ্যালয় স্থাপন হোৱাৰ লগে লগে অসমত কলেজ স্থাপনৰো ধুম উঠে আৰু কলেজৰ সংখ্যা দ্ৰুতগতিৰে বাঢ়িবলৈ ধৰে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পাছত ১৯৪৯ চনত গোলাঘাটত দেৱৰাজ ৰয় কলেজ, ১৯৫১ চনত মঙলদৈ কলেজ, ১৯৫২ চনত উত্তৰ লখিমপুৰ কলেজ, ১৯৫৪ চনত গুৱাহাটীত প্ৰাগ্‌জ্যোতিষ কলেজ আদি স্থাপিত হয়। স্বাধীনতাৰ পৰৱৰ্তী দুটা দশকত অসমত কলেজৰ সংখ্যা অতি দ্ৰুতগতিৰে বাঢ়িবলৈ ধৰে

আৰু ১৯৬৪-৬৫ চনত কলেজৰ সংখ্যা হয়গৈ ৭৭খন।[১০] তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত অসম চৰকাৰে প্ৰত্যেকখন পাৰ্বত্য জিলাৰ সদৰত একোখনকৈ চৰকাৰী কলেজ স্থাপনৰ সিদ্ধান্ত লয় আৰু সেই অনুসৰি জোৱাই, তুৰা, আইজল আৰু ডিফুত চৰকাৰী কলেজ স্থাপন কৰা হয়।[১১]

স্বৰাজোত্তৰ অসমত কলেজৰ সংখ্যা দ্ৰুতগতিৰে বাঢ়ি আহিলেও চৰকাৰী অৰিহণা পিছে তেনেই নগণ্য। জনসাধাৰণে নিজস্ব প্ৰচেষ্টাৰে নিজ নিজ অঞ্চলত কলেজ স্থাপন কৰিবলৈ ধৰে। শিক্ষাৰ্থীৰপৰা লোৱা মাচুল আৰু ৰাইজৰ দান-বৰঙণিৰে চলা এনেবোৰ কলেজৰ আৰ্থিক অৱস্থা আছিল তেনেই নিশকতীয়া। পিছলৈ চৰকাৰে এনেবোৰ কলেজক ঘাটি মঞ্জুৰিৰ অধীনলৈ আনি আৰ্থিক অনুদান আগবঢ়ায়। অসম কলেজ শিক্ষক সংস্থাৰ দীৰ্ঘদিনীয়া দাবীৰ পৰিপ্ৰেক্ষিতত ২০০৫ চনত অসম কলেজ কৰ্মচাৰী (প্ৰাদেশিকীকৰণ) আইন গ্ৰহণ কৰা হয় আৰু অসমৰ সকলোবোৰ ঘাটি মঞ্জুৰিপ্ৰাপ্ত কলেজক প্ৰাদেশিকীকৰণ কৰা হয় আৰু তেতিয়াৰপৰাই এই কলেজসমূহ চৰকাৰৰ অধীন হৈ পৰে। ইয়াৰ বাদেও বেচৰকাৰী কলেজসমূহলৈও চৰকাৰে ২০১০ চনৰপৰা আৰ্থিক সহায় আগবঢ়াই আহিছে আৰু তেনেবোৰ কলেজক পৰ্যায়ক্ৰমে প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে। এনেবোৰ ব্যৱস্থাই অসমত উচ্চশিক্ষা সম্প্ৰসাৰণত যথেষ্ট অৰিহণা আগবঢ়াইছে। তলৰ তালিকাত স্বৰাজোত্তৰ কালত অসমৰ কলেজীয়া শিক্ষাৰ অগ্ৰগতিৰ এক পৰিসংখ্যা দেখুওৱা হৈছে।

তালিকা ৪

স্বৰাজোত্তৰ অসমত কলেজীয়া শিক্ষাৰ অগ্ৰগতি

| বৰ্ষ | কলেজৰ সংখ্যা | শিক্ষাৰ্থীৰ সংখ্যা |
|---|---|---|
| ১৯৪৭-৪৮* | ১৬ | ৫,৪৩৯ |
| ২০১০-১১** | ৩৬৬ | ১,৯৭,৬৪৪ |
| বৃদ্ধি | ৩৫০ | ১,৯২,২০৫ |

তথ্য উৎস: **অসমৰ শিক্ষা ব্যৱস্থা*, ৰেণু দেৱী
***Statistical Handbook*, Assam, 2011

ওপৰৰ তালিকাখনলৈ চালে দেখা যায় যে স্বাধীনতালাভৰ সময়ছোৱাত অবিভক্ত অসমত কলেজৰ সংখ্যা আছিল মাত্ৰ ১৬খন আৰু ইয়াৰ ভিতৰত কটন কলেজেই আছিল একমাত্ৰ চৰকাৰী কলেজ। স্বাধীনতাৰ পৰৱৰ্তী কালত কলেজৰ সংখ্যা বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ৩৬৬খন। ইয়াৰ ভিতৰত ৫খন চৰকাৰী কলেজ (সাধাৰণ শিক্ষাৰ), ১৮৯খন প্ৰাদেশিকীকৃত কলেজ আৰু বাকী ১৭২খন আৰ্থিক সহায় লাভ কৰা বেচৰকাৰী কলেজ। স্বৰাজোত্তৰ অসমত কলেজৰ সংখ্যা ৩৫০খন বাঢ়িছে। অৰ্থাৎ কলেজৰ বৃদ্ধিৰ হাৰ ২২.৮৮। একেদৰে শিক্ষাৰ্থীৰ সংখ্যাও যথেষ্ট বাঢ়িছে। ১৯৪৭-৪৮ চনত অসমত কলেজীয়া শিক্ষাৰ্থী আছিল



৫৪৩৯গৰাকী, যিটো বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ১,৯৭,৬৪৪গৰাকী। উক্ত সময়ছোৱাত কলেজত সাধাৰণ শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীৰ সংখ্যা বাঢ়িছে ১,৯২,২০৫গৰাকী। শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ ৩৬.৩৪। অৰ্থাৎ স্বৰাজোত্তৰ অসমত কলেজৰ সংখ্যা যথেষ্ট বৃদ্ধি পালেও কলেজীয়া শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীৰ তুলনাত সেই বৃদ্ধি যথেষ্ট কম।

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পাছত সমগ্ৰ অসমৰ কলেজসমূহ ইয়াৰ অধীনস্থ হয়। তদুপৰি মেট্ৰিকৰপৰা স্নাতকোত্তৰ স্তৰলৈকে সকলোবোৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব ল'বলগীয়া হোৱাত বিশ্ববিদ্যালয়খনে অধিক বোজা বহন কৰিব লগা হৈছিল। তেনে এক সন্ধিক্ষণতে অসমত আৰু এখন বিশ্ববিদ্যালয় স্থাপনৰ চিন্তা-চৰ্চা কৰা হয়। সেই অনুসৰি বিধানসভাত ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন পাছ কৰি ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন কৰা হয়। ইয়াৰ ফলত উজনি অসমৰ আঠাইকেইখন জিলাৰ সকলোবোৰ কলেজ ইয়াৰ অধীনস্থ হয়। একেদৰে কৃষিবিষয়ক উচ্চশিক্ষা সম্প্ৰসাৰণৰ অৰ্থে ১৯৬৯ চনত যোৰহাটত অসমৰ প্ৰথম আৰু একমাত্ৰ কৃষি বিশ্ববিদ্যালয়খন স্থাপন কৰা হয়। ইয়াৰ পাছত বহু বছৰলৈ অসমত বিশ্ববিদ্যালয় স্থাপন হোৱা নাছিল। কিন্তু কুৰি শতিকাৰ শেষৰটো দশক আৰু একৈছ শতিকাৰ প্ৰথমটো দশকত অসমত আৰু কেইবাখনো বিশ্ববিদ্যালয়ে আত্মপ্ৰকাশ কৰে। ১৯৯৪ চনটো অসমৰ উচ্চশিক্ষা জগতৰ বাবে উল্লেখযোগ্য বছৰ। এই বছৰটোতে অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন হয়। ইয়াৰে এখন বৰাক উপত্যকাৰ শিলচৰত অসম বিশ্ববিদ্যালয় নামেৰে আৰু আনখন উত্তৰ অসমৰ তেজপুৰত, তেজপুৰ বিশ্ববিদ্যালয় নামেৰে স্থাপন কৰা হয়। অসম বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পাছত বৰাক উপত্যকাৰ কেউখন জিলাৰ কলেজসমূহ ইয়াৰ অধীন হয়। আনহাতে আধুনিক কাৰিকৰী বিষয়সমূহ অধ্যয়নত অধিক গুৰুত্ব দিয়া তেজপুৰ বিশ্ববিদ্যালয়ৰ অধীনত কোনো কলেজ নাই। একেদৰে প্ৰযুক্তিবিদ্যা বিষয়ৰ উচ্চস্তৰৰ অধ্যয়নৰ বাবে এখনো বিশ্ববিদ্যালয় নথকাৰ বাবে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু এখন প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান স্থাপনৰ দাবী উঠিছিল। তাৰেই ফলত ১৯৯৪ চনত উত্তৰ গুৱাহাটীৰ আমিনগাঁৱত অসমৰ প্ৰথমখন ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান Indian Institute of Technology (IIT) স্থাপন হয়। তদুপৰি ১৯৬৭ চনত স্থাপন হোৱা শিলচৰ আঞ্চলিক ইঞ্জিনিয়াৰিং কলেজক ২০০২ চনত ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান National Institute of Technology (NIT)লৈ উন্নীত কৰা হয়। উল্লেখযোগ্য যে ভাৰত চৰকাৰে গুৱাহাটী আই আই টি আৰু শিলচৰ এন আই টিক ৰাষ্ট্ৰীয় গুৰুত্বপ্ৰাপ্ত অনুষ্ঠান (Institute of National Importance) হিচাপে অভিহিত কৰিছে।

অগতানুগতিক শিক্ষাব্যৱস্থাৰ ক্ষেত্ৰত অসম ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত যথেষ্ট পিছপৰা। অগতানুগতিক শিক্ষাৰ জনপ্ৰিয়তালৈ লক্ষ্য ৰাখি অসম বিধানসভাৰ

এখন আইনৰ যোগেদি ৰাজ্যত প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হয় ২০০৭ চনত। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় নামেৰে নামাঙ্কিত উক্ত বিশ্ববিদ্যালয়খনে আৰম্ভণিৰপৰাই প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়েও দূৰ শিক্ষা (distance education)ৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰি হাজাৰ হাজাৰ শিক্ষাৰ্থীক উপকৃত কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এক চৌহদ (campus) নামনি অসমৰ কোকৰাঝাৰত স্থাপন কৰি সেই অঞ্চলৰ শিক্ষাৰ্থীসকলৰ উচ্চ শিক্ষাৰ চাহিদা পূৰণ কৰিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু বি টি এ ডি গঠন কৰাৰ পাছত কোকৰাঝাৰত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ চিন্তা কৰা হয় আৰু সেই অনুসৰিয়েই ২০০৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোকৰাঝাৰ চৌহদক পূৰ্ণ পৰ্যায়ৰ বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হয় আৰু নাম দিয়া হয় বড়োলেণ্ড বিশ্ববিদ্যালয়।

অৰ্থনৈতিক উদাৰীকৰণে সমগ্ৰ বিশ্বৰ লগতে অসমৰ শিক্ষাজগৎখনকো প্ৰভাৱিত কৰিছে। তাৰেই গইনা লৈ বৰ্তমান অসমত তিনিখন বেচৰকাৰী (private) বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে আৰু তিনিওখনে ইতিমধ্যে শৈক্ষিক কামকাজ আৰম্ভ কৰিছে। এই বিশ্ববিদ্যালয়কেইখন হ'ল— অসম ডাউনটাউন বিশ্ববিদ্যালয়, গুৱাহাটী (২০০৭), অসম ডনবস্ক' বিশ্ববিদ্যালয়, আজাৰা (২০০৭) আৰু ২০০৭ চনৰ কাজিৰঙা বিশ্ববিদ্যালয় আইনৰ অধীনত যোৰহাটত স্থাপন হোৱা কাজিৰঙা বিশ্ববিদ্যালয়। উল্লেখ্য যে কাজিৰঙা বিশ্ববিদ্যালয়ে ২০১২ চনৰপৰা শৈক্ষিক কামকাজ আৰম্ভ কৰিছে।

স্বাস্থ্যবিষয়ক শিক্ষাৰ সামগ্ৰিক দিশ চোৱাচিতা কৰিবৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিশ্ববিদ্যালয় (Srimanta Sankaradeva University of Health Sciences) গুৱাহাটীত স্থাপন কৰা হৈছে ২০০৯ চনত। ইয়াৰ বাদেও নলবাৰীত কুমাৰ ভাস্কৰ বৰ্মন সংস্কৃত বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিৰ কামকাজ আৰম্ভ হৈছে। তদুপৰি কটন কলেজক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিবৰ বাবে কটন কলেজ বিশ্ববিদ্যালয় আইন (২০১১) পাছ কৰি প্ৰাৰম্ভিক কামকাজ আৰম্ভ কৰা হৈছে। দুয়োখন বিশ্ববিদ্যালয়ৰ বাবে ইতিমধ্যে উপাচাৰ্যও নিযুক্তি দিয়া হৈছে। তদুপৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই নগাঁৱত এখন বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি ২০০৭ চনৰ বেচৰকাৰী বিশ্ববিদ্যালয় আইনৰ অধীনত ইয়াৰ সুকীয়া আন্তঃগাঁথনিৰ কামকাজ ইতিমধ্যে আৰম্ভ কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ শিক্ষা আৰু আৰ্থ-সামাজিক বিকাশ ট্ৰাষ্টৰ পৰিচালনাত চলি থকা এই বিশ্ববিদ্যালয়ৰ নাম ৰখা হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়। এতদুপৰি এখন পৃথক মহিলা বিশ্ববিদ্যালয় (২০০৯) আৰু অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় (২০১০) স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। অতি সোনকালে এই প্ৰস্তাৱিত বিশ্ববিদ্যালয়কেইখনো পূৰ্ণাঙ্গ বিশ্ববিদ্যালয় হৈ উঠিব বুলি আশা কৰা হৈছে। এনেদৰে স্বৰাজোত্তৰ অসমত এখন-দুখনকৈ



বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰিছে। তলৰ তালিকাত স্বৰাজোত্তৰ অসমত অগ্ৰগতি লাভ কৰা বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা দেখুওৱা হৈছে।

**তালিকা ৫**

স্বৰাজোত্তৰ অসমত বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা

| বৰ্ষ | বিশ্ববিদ্যালয়ৰ সংখ্যা | ৰাষ্ট্ৰীয় গুৰুত্বপ্ৰাপ্ত অনুষ্ঠান |
|---|---|---|
| ১৯৪৭-৪৮ | ০১ | ০ |
| ২০১১-১২ | ১১ | ০২ |

ওপৰৰ তালিকাৰপৰা এই কথা স্পষ্ট হৈছে যে স্বাধীনতাৰ ঠিক পাছতে অসমত বিশ্ববিদ্যালয় আছিল মাত্ৰ এখন আৰু ইয়াৰ সংখ্যা বাঢ়ি গৈ ২০১১-১২ চনত হয়গৈ ১১খন। নিঃসন্দেহে অসমৰ উচ্চশিক্ষা জগতৰ বাবে ই সুখবৰ। অৱশ্যে ১৯৬৯ চনত স্থাপন হোৱা যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ পাছত প্ৰায় ২৫ বছৰকাল অসমত এখনো বিশ্ববিদ্যালয় স্থাপন হোৱা নাছিল। ১৯৯৪ চনৰ পাছৰপৰাহে অসমত পুনৰ বিশ্ববিদ্যালয় স্থাপন হ'বলৈ ধৰে। বৰ্তমান অসমত ১১খন বিশ্ববিদ্যালয়ে উচ্চশিক্ষা আগবঢ়াই আছে। ইয়াৰে দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ৩খন বেচৰকাৰী বিশ্ববিদ্যালয় আৰু বাকী ৬খন ৰাজ্যিক বিশ্ববিদ্যালয়। অৱশ্যে আৰু ৫খন প্ৰস্তাৱিত বিশ্ববিদ্যালয়ে আন্তঃগাঁথনিৰ প্ৰাৰম্ভিক কামকাজ আৰম্ভ কৰিলেও শৈক্ষিক কামকাজ আৰম্ভ কৰা নাই। এই পাঁচখন বিশ্ববিদ্যালয় কাৰ্যক্ষম হৈ উঠিলে অসমত বিশ্ববিদ্যালয়ৰ সংখ্যা হ'বগৈ ১৬খন। আনহাতে ১৯৪৭-৪৮ চনত এখনো ৰাষ্ট্ৰীয় গুৰুত্বপ্ৰাপ্ত শিক্ষানুষ্ঠান নথকা অসমত ২০১১-১২ চনত ইয়াৰ সংখ্যা হয়গৈ দুখন।

**স্বৰাজোত্তৰ অসমত স্ত্ৰীশিক্ষা:** অসমৰ স্ত্ৰীশিক্ষাৰ ইতিহাস বৰ পুৰণি নহয়। ব্ৰিটিছ শাসনৰ কালছোৱাত খ্ৰীষ্টান মিছনেৰিসকলৰ পত্নীসকলে 'জানানা স্কুল'ৰ যোগেদি শিক্ষা প্ৰদান কৰি নাৰীসকলৰ উন্নতিৰ প্ৰচেষ্টা চলাইছিল, কিন্তু স্থানীয় মহিলাসকলৰপৰা সহযোগিতা নোপোৱাৰ ফলত তেনেবোৰ স্কুল বন্ধ হৈ যায়। সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ, নেতিবাচক মনোভাব তথা সংৰক্ষণশীলতাই নাৰীসকলক শিক্ষাৰপৰা বঞ্চিত কৰি আহিছিল। ইয়াৰ প্ৰমাণ ১৯০১ চনৰ লোকপিয়লৰ তথ্যত দেখা যায়। সেই সময়ত অসমৰ মহিলা সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ০.৬ শতাংশ। কিন্তু দেশে স্বাধীনতা লাভ কৰাৰ লগে লগে অসমৰ নাৰীশিক্ষাৰ জগতলৈ উল্লেখযোগ্য পৰিৱৰ্তন আহিল আৰু শিক্ষানুষ্ঠানসমূহতো ছোৱালীৰ সংখ্যা লাহে লাহে বাঢ়ি আহিবলৈ ধৰে। ইতিমধ্যে ভাৰতৰ সংবিধানে নাৰী-পুৰুষৰ অ-সমতা নোহোৱা কৰি সমতা ঘোষণা কৰাৰ লগে লগে স্ত্ৰীশিক্ষাই দ্ৰুত বিকাশ লাভ কৰিবলৈ ধৰে। তাৰেই পৰিণতিত নাৰী-সাক্ষৰতাৰ হাৰো বাঢ়ি আহিবলৈ ধৰে আৰু ২০১১ চনত এই হাৰ হয়গৈ ৬৭.২৭ শতাংশ, যিটো ১৯৫১ চনত আছিল মাত্ৰ ৭.৫৮ শতাংশ।

স্বৰাজোত্তৰ অসমত তিনিখনকৈ বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্তন কৰাৰ ফল ছোৱালী শিক্ষাৰ ওপৰতো পৰিবলৈ ধৰে। ইয়াৰ বাদেও কোঠাৰী আয়োগ (১৯৬৪-৬৬), ৰাষ্ট্ৰীয় শিক্ষানীতি (১৯৮৬), জিলা প্ৰাথমিক শিক্ষা কাৰ্যসূচী (DPEP), সৰ্বশিক্ষা অভিযান আৰু শেহতীয়াকৈ প্ৰৱৰ্তন হোৱা শিক্ষাৰ অধিকাৰ আইনে ল'ৰাৰ লগতে ছোৱালী শিক্ষাৰ ক্ষেত্ৰতো সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। এই ব্যৱস্থাসমূহে অসমৰ প্ৰাথমিক শিক্ষাৰ জগৎখনক এনেদৰে প্ৰভাৱিত কৰিছে যে স্বৰাজোত্তৰ অসমৰ প্ৰাথমিক শিক্ষাত ল'ৰাতকৈ ছোৱালীৰ সংখ্যাহে অধিক বৃদ্ধি পোৱা দেখা গৈছে। তলৰ তালিকাত স্বৰাজোত্তৰ অসমৰ প্ৰাথমিক আৰু মজলীয়া শিক্ষাত ল'ৰা আৰু ছোৱালীৰ বৰ্ধিত পৰিসংখ্যা দেখুওৱা হৈছে।

**তালিকা ৬**

স্বৰাজোত্তৰ অসমৰ প্ৰাথমিক আৰু মজলীয়া শিক্ষাত ল'ৰা আৰু ছোৱালীৰ পৰিসংখ্যা

| বৰ্ষ | ল'ৰাৰ সংখ্যা | ছোৱালীৰ সংখ্যা |
|---|---|---|
| ১৯৪৭-৪৮* | ৪,৩৬,৬৮৮ | ৪৭,১৭২ |
| ২০১০-১১** | ২৩,৭১,৫১১ | ২৪,৪০,১৮১ |
| বৃদ্ধিৰ হাৰ | ৫.৪৩ | ৫১.৭৩ |

তথ্য উৎস: **অসমৰ শিক্ষা ব্যৱস্থা*, বেণু দেৱী
***Statistical Handbook*, Assam, 2011

ওপৰৰ তালিকাখন চালেই প্ৰাথমিক স্তৰত ছাত্ৰীৰ বৃদ্ধিৰ হাৰ যে অতি দ্ৰুত হৈছে তাকে ধৰিব পাৰি। ১৯৪৭-৪৮ চনত প্ৰাথমিক আৰু মজলীয়া স্তৰত ল'ৰাৰ সংখ্যা আছিল ৪,৩৬,৬৮৮জন, যিটো বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ২৩,৭১,৫১১। এই সময়ছোৱাত প্ৰাথমিক স্তৰত ল'ৰাৰ বৃদ্ধিৰ হাৰ ৫.৪৩। অন্যহাতে ১৯৪৭-৪৮ চনত প্ৰাথমিক আৰু মজলীয়া স্তৰত ছোৱালীৰ সংখ্যা আছিল ৪৭,১৭২গৰাকী, যিটো বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ২৪,৪০,১৮১গৰাকী। অৰ্থাৎ এই সময়ছোৱাত উক্ত স্তৰৰ শিক্ষাত ছোৱালীৰ বৃদ্ধিৰ হাৰ ৫১.৭৩। ইয়াৰপৰা ক'ব পাৰি যে স্বৰাজোত্তৰ অসমৰ প্ৰাথমিক শিক্ষাত ল'ৰাতকৈ ছোৱালীৰ সংখ্যাবৃদ্ধি বহুগুণে বেছি। তদুপৰি তালিকাৰপৰা এইটো প্ৰতীয়মান হৈছে যে ২০১০-১১ বৰ্ষত সমগ্ৰ অসমৰ প্ৰাথমিক স্তৰত শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ ভিতৰত ল'ৰাতকৈ ছোৱালীৰ সংখ্যা ৬৮,৬৭০গৰাকী বেছি।

প্ৰাথমিক স্তৰৰ শিক্ষাত ছোৱালীৰ সংখ্যাবৃদ্ধিয়ে মাধ্যমিক পৰ্যায়তো প্ৰভাৱ পেলাইছে। মুদালিয়াৰ আয়োগে মাধ্যমিক স্তৰৰ শিক্ষাৰ পাঠ্যক্ৰমত ছোৱালীৰ বাবে কেতবোৰ বিশেষ বিষয় সংযোজনৰ পৰামৰ্শ দিয়াৰ লগতে ছোৱালী বহুমুখী বিদ্যালয় স্থাপনতো গুৰুত্ব আৰোপ কৰে। ১৯৬৩ চনত গঠন কৰা অসম ৰাজ্যিক স্ত্ৰীশিক্ষা পৰিষদৰ পৰামৰ্শ অনুযায়ী মাধ্যমিক পৰ্যায়ত কেতবোৰ পৃথক ছোৱালী



বিদ্যালয় স্থাপন কৰা হয়। এই পৰিষদৰ পৰামৰ্শৰ আধাৰতেই মাধ্যমিক স্তৰৰ স্ত্ৰীশিক্ষাত ইতিপূৰ্বে থকা কেতবোৰ বিশেষ অভাৱ আঁতৰ কৰিব পৰা যায়। স্বৰাজোত্তৰ অসমৰ মাধ্যমিক শিক্ষাতো ল'ৰাৰ তুলনাত ছোৱালীৰ বৃদ্ধিৰ হাৰ অধিক দেখা যায়। তলৰ তালিকাত স্বৰাজোত্তৰ অসমৰ মাধ্যমিক শিক্ষাত ল'ৰা-ছোৱালীৰ বৃদ্ধিৰ পৰিসংখ্যা দেখুওৱা হৈছে।

**তালিকা ৭**

স্বৰাজোত্তৰ অসমৰ মাধ্যমিক শিক্ষাত ল'ৰা-ছোৱালীৰ বৃদ্ধিৰ পৰিসংখ্যা

| বৰ্ষ | ল'ৰাৰ সংখ্যা | ছোৱালীৰ সংখ্যা |
|---|---|---|
| ১৯৪৭-৪৮* | ৫৯,৪৫০ | ৯,৩১২ |
| ২০১০-১১** | ৫,০৩,৬৪২ | ৪,০৭,২৪৪ |
| বৃদ্ধিৰ হাৰ | ৮.৪৭ | ৪৩.৭৩ |

তথ্য উৎস: **ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, যতীন বৰুৱা
** Statistical Handbook, Assam, 2011

ওপৰৰ তালিকাত চকু ফুৰালে দেখা যায় যে ১৯৪৭-৪৮ চনত অসমত মাধ্যমিক স্তৰত শিক্ষাগ্ৰহণ কৰি থকা ল'ৰাৰ সংখ্যা আছিল ৫৯,৪৫০জন, যিটো বাঢ়ি গৈ ২০১০-১১ চনত হয়গৈ ৫,০৩,৬৪২জন। অৰ্থাৎ ল'ৰাৰ বৃদ্ধিৰ হাৰ ৮.৪৭ গুণ। আনহাতে ছোৱালীৰ সংখ্যা ১৯৪৭-৪৮ চনত ৯,৩১২গৰাকী থকাৰ বিপৰীতে ২০১০-১১ চনত এই সংখ্যা হৈছেগৈ ৪,০৭,২৪৪গৰাকী; অৰ্থাৎ স্বৰাজোত্তৰ অসমৰ মাধ্যমিক শিক্ষাত ছোৱালীৰ সংখ্যা ৪৩.৭৩ গুণ বাঢ়িছে, যিটো ল'ৰাতকৈ বহুগুণে বেছি। মাধ্যমিক শিক্ষাত ছোৱালীৰ এনে দ্ৰুত সংখ্যাবৃদ্ধিৰ মূল কাৰণ হিচাপে জনসাধাৰণৰ মনোভাবৰ পৰিৱৰ্তনকে অভিহিত কৰিব পাৰি। কাৰণ সময় বাগৰাৰ লগে লগে শিক্ষাৰ সম্প্ৰসাৰণে সমাজৰ লগতে অভিভাৱকসকলৰ স্ত্ৰীশিক্ষাৰ প্ৰতি থকা আগৰ নেতিবাচক ৰক্ষণশীল মনোভাব বহুখিনি নোহোৱা কৰিছে। তদুপৰি চৰকাৰী নীতি আৰু বেচৰকাৰী প্ৰচেষ্টাই স্ত্ৰীশিক্ষাৰ এনে প্ৰগতিত অৰিহণা যোগাইছে। এনেবোৰ কাৰণতেই স্ত্ৰীশিক্ষাৰ এনে দ্ৰুত পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে। স্ত্ৰীশিক্ষাৰ এনে বিকাশৰ বাবেই বৰ্তমান চূড়ান্ত পৰীক্ষাসমূহত ছাত্ৰতকৈ ছাত্ৰীয়েহে ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে। ২০১২ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ তিনিওটা শাখাতে ল'ৰাতকৈ ছোৱালীৰ উত্তীৰ্ণৰ হাৰ অধিক।[১৮] নিঃসন্দেহে অসমৰ স্ত্ৰীশিক্ষাৰ বাবে ই এক উল্লেখযোগ্য সফলতা।

অসমত ছোৱালীৰ উচ্চশিক্ষা আনুষ্ঠানিকভাৱে আৰম্ভ হয় ১৯২৯ চনত কটন কলেজত এগৰাকী ছোৱালীৰ নামভৰ্তিৰে।[১৯] এই অঞ্চলৰ প্ৰথমখন ছোৱালী উচ্চ শিক্ষানুষ্ঠান লেডি কীন কলেজ শ্বিলঙত স্থাপন হয় ১৯৩৫ চনত। তাৰ কেইবছৰমানৰ পাছত ১৯৩৯ চনত গুৱাহাটীত সন্দিকৈ ছোৱালী কলেজ স্থাপন হয়। স্বাধীনতাৰ সময়লৈকে সেই দুখনেই আছিল অসমৰ ছোৱালী উচ্চশিক্ষানুষ্ঠান।

স্বাজোত্তৰ কালত অসমত নাৰীৰ উচ্চশিক্ষাই দ্ৰুত প্ৰগতি লাভ কৰে। ৰাজ্যখনৰ বিভিন্ন স্থানত স্থাপন হোৱা কলেজসমূহত ল'ৰাৰ লগতে ছোৱালীকো সমানে শিক্ষা প্ৰদান কৰা হয় যদিও কলেজসমূহত ছোৱালীৰ সংখ্যা আছিল তেনেই তাকৰ। ল'ৰাৰ লগত একেলগে পঢ়িব লগা হোৱা বাবে বহুতো অভিভাৱকে ছোৱালীক কলেজলৈ নপঠাইছিল। সেয়ে বহু ঠাইত পৃথক ছোৱালী কলেজ স্থাপনৰ চিন্তা-চৰ্চা কৰা হয়। স্বাধীনতাৰ পৰৱৰ্তী দুটা দশকত অসমত কেইবাখনো ছোৱালী কলেজ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ ভিতৰত যোৰহাটৰ দেৱীচৰণ বৰুৱা ছোৱালী কলেজ (১৯৫৫), নগাঁও ছোৱালী কলেজ (১৯৬২), শিলচৰ উইমেন্স কলেজ (১৯৬৩), ডিব্ৰুগড়ৰ মনোহৰী দেৱী কানৈ ছোৱালী মহাবিদ্যালয় (১৯৬৩), শিৱসাগৰ ছোৱালী কলেজ (১৯৬৪), তিনিচুকীয়া উইমেন্স কলেজ (১৯৬৬) আৰু গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী কলেজ (১৯৬৯) প্ৰধান। ১৯৮৮ চনলৈ অসমত আৰু ৫খন ছোৱালী কলেজ স্থাপন হয়। সেইকেইখন হ'ল গুৱাহাটীৰ কামাখ্যাৰাম বৰুৱা ছোৱালী কলেজ (১৯৭১), উত্তৰ লখিমপুৰ ছোৱালী মহাবিদ্যালয় (১৯৭২), বৰপেটা ছোৱালী মহাবিদ্যালয় (১৯৭৮), নলবাৰীৰ মহেন্দ্ৰনাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয় (১৯৮৩) আৰু মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী কলেজ (১৯৮৮)। সমগ্ৰ অসমৰ বিভিন্ন স্থানত স্থাপন হোৱা এই ছোৱালী কলেজসমূহে উচ্চশিক্ষাৰ জগতত নাৰীৰ অগ্ৰগতিলৈ উদগণি যোগাইছে। বৰ্তমান অসমত থকা ১৮৯খন প্ৰাদেশিক মহাবিদ্যালয়ৰ ভিতৰত মাত্ৰ ১৩খনহে ছোৱালী কলেজ।[২০] উল্লেখ কৰিব পাৰি যে আজিলৈকে কোনো এখন ছোৱালী কলেজকে চৰকাৰী কলেজ হিচাপে স্বীকৃতি প্ৰদান কৰা হোৱা নাই। এই ১৩খনৰ উপৰি আৰু কেইবাখনো ছোৱালী কলেজ অসমত স্থাপন কৰা হৈছে যদিও সেইকেইখন এতিয়ালৈকে প্ৰাদেশিকীকৃত হোৱা নাই।

উচ্চশিক্ষাৰ বাবে অসমৰ বাতাবৰণ ক্ৰমান্বয়ে অনুকূল হৈ অহাত কলেজসমূহত ছোৱালীৰ সংখ্যাও লাহে লাহে বাঢ়িবলৈ ধৰে। ছোৱালীৰ বাবে পৃথকে স্থাপন কৰা এই কলেজসমূহৰ বাদে বাকী সহশিক্ষাৰ কলেজসমূহতো ছোৱালীৰ সংখ্যা চকুত লগাকৈ বাঢ়িবলৈ ধৰিছে। তলৰ তালিকাত স্বাজোত্তৰ অসমত ছোৱালী কলেজৰ সংখ্যা আৰু ছাত্ৰীৰ বৃদ্ধিৰ গতি দেখুওৱা হৈছে।

সিপিঠিৰ তালিকালৈ চালে দেখা যায় যে স্বাধীনতাৰ সময়ত অসমত ছোৱালী কলেজৰ সংখ্যা আছিল মাত্ৰ দুখন আৰু এই সংখ্যা বাঢ়ি গৈ ২০০৯-১০ চনত হয়গৈ ১৩খন (প্ৰাদেশিকীকৃত)। স্বাধীনতাৰ পাছত ছোৱালী কলেজৰ সংখ্যা যিদৰে বাঢ়িছিল পাছলৈ সেই গতি স্থবিৰ হৈ পৰে। শিক্ষাৰ সম্প্ৰসাৰণে মানুহৰ মনোভাবলৈ বহুখিনি পৰিবৰ্তন আনে, যাৰ ফলত সহশিক্ষাৰ প্ৰতি থকা আগৰ ৰক্ষণশীলতাৰ বহুখিনি সলনি হয় আৰু ছোৱালীৰ বাবে পৃথক কলেজ স্থাপনৰ প্ৰয়োজনীয়তা অপ্ৰাসঙ্গিক হৈ পৰে। বৰ্তমান অসমৰ ছোৱালী কলেজ আৰু সহশিক্ষাৰ কলেজত ছাত্ৰীৰ বৃদ্ধিৰ পৰিসংখ্যালৈ চকু দিলেই পৃথক ছোৱালী কলেজৰ



তালিকা ৮

স্বাজোত্তৰ অসমত ছোৱালী কলেজ আৰু শিক্ষাৰ্থীৰ বৃদ্ধিৰ পৰিসংখ্যা

| বৰ্ষ | ছোৱালী কলেজৰ সংখ্যা | শিক্ষাৰ্থীৰ সংখ্যা | | |
|---|---|---|---|---|
| | | ল'ৰা | ছোৱালী | সৰ্বমুঠ |
| ১৯৪৭-৪৮* | ২ | — | — | ৫,৪৩৯ |
| ২০০৯-১০** | ১৩ (প্ৰাদেশিকীকৃত) | ১,২৪,৩২৪ | ৭৩,৩২০ | ১,৯৭,৬৪৪ |

তথ্য উৎস: * Directorate of Higher Education, Assam
***Statistical Handbook*, Assam, 2011

প্ৰয়োজনীয়তা কমি অহা যেন লাগে। অন্যহাতে শিক্ষাৰ্থীৰ পৰিসংখ্যালৈ চকু দিলে দেখা যায় যে ১৯৪৭-৪৮ চনত স্নাতক পৰ্যায়ত শিক্ষাৰ্থীৰ সংখ্যা আছিল ৫,৪৩৯গৰাকী, যিটো বাঢ়ি গৈ ২০০৯-১০ চনত হয়গৈ ১,৯৭,৬৪৪গৰাকী। অৰ্থাৎ উচ্চ শিক্ষাত শিক্ষাৰ্থীৰ বৃদ্ধিৰ হাৰ ৩৬.৩৪ গুণ। ২০০৯-১০ চনৰ সৰ্বমুঠ ১,৯৭,৬৪৪গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ১,২৪,৩২৪জন পুৰুষ আৰু ৭৩,৩২০গৰাকী মহিলা। উল্লেখযোগ্য যে ১৯৪৮ চনত (প্ৰথম বছৰ) গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১২১জন ছাত্ৰই আৰু ৩৩গৰাকী ছাত্ৰীয়ে স্নাতক উপাধি লাভ কৰিছিল।

স্কুলীয়া আৰু কলেজীয়া শিক্ষাত হোৱা ছোৱালীৰ বৃদ্ধিৰ প্ৰভাৱ স্নাতকোত্তৰ পৰ্যায়তো দেখিবলৈ পোৱা যায়। অসমৰ আটাইকেইখন বিশ্ববিদ্যালয়তে ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি আহিবলৈ ধৰে। তলৰ তালিকাত স্বাজোত্তৰ অসমত স্নাতকোত্তৰ পৰ্যায়ত ছাত্ৰছাত্ৰীৰ বৃদ্ধিৰ পৰিসংখ্যা দেখুওৱা হৈছে।

তালিকা ৯

স্বাজোত্তৰ অসমত স্নাতকোত্তৰ স্তৰত শিক্ষাৰ্থীৰ পৰিসংখ্যা

| বৰ্ষ | ছাত্ৰৰ সংখ্যা | ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| ১৯৪৯-৫০* | ৪ | ১ |
| ২০০৯-১০** | ৮,১০২ | ৫,২৭৯ |

তথ্য উৎস: **ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*, যতীন বৰুৱা
***Statistical Handbook, Assam, 2011*

স্নাতকোত্তৰ স্তৰতো দেখা যায় যে ১৯৪৯-৫০ চনত মাত্ৰ ৪জন ছাত্ৰ আৰু এগৰাকী ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰিছিল। কিন্তু ২০০৯-১০ চনত এই সংখ্যা বাঢ়ি গৈ হৈছেহি ক্ৰমে ৮,১০২ আৰু ৫,২৭৯গৰাকী। ইয়াতো দেখা যায় যে ছাত্ৰৰ সংখ্যা অধিক হ'লেও ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ হাৰ ছাত্ৰতকৈ অধিক।

স্বাজোত্তৰ অসমত নাৰীশিক্ষাৰ চকুত লগা অগ্ৰগতি হ'লেও তেওঁলোকৰ বাবে পৃথক এখন বিশ্ববিদ্যালয় স্থাপন হৈ উঠা নাছিল। কিন্তু ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যত মহিলাসকলৰ বাবে পৃথক বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। শেহতীয়াকৈ

অসমতো এখন পৃথক মহিলা বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। মুম্বাইৰ এছ এন ডি টি মহিলা বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা (২০০৯) উক্ত বিশ্ববিদ্যালয় কাৰ্যক্ষম হৈ উঠিলে কেৱল অসমৰে নহয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী উচ্চশিক্ষা জগতত এক নৱজাগৰণৰ সূচনা কৰিব।

**স্বাধীনোত্তৰ অসমত কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা**

কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰত ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম যথেষ্ট পিছপৰা। অৱশ্যে স্বাধীনোত্তৰ অসমত কাৰিকৰী শিক্ষাই চৰকাৰৰ কিছু সুদৃষ্টি লাভ কৰিলেও বিকাশৰ গতি আছিল তেনেই মন্থৰ।

অসমত আধুনিক চিকিৎসা শিক্ষা আৰম্ভ হয় ১৯০০ চনত ডিব্ৰুগড়ত স্থাপন কৰা বেৰি হোৱাইট মেডিকেল স্কুলৰ যোগেদি।[21] ১৯০২ চনত উক্ত অনুষ্ঠানৰ পৰিচালনাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰে। চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত বেৰি হোৱাইট মেডিকেল স্কুল দেশৰ ভিতৰতে উচ্চ পৰ্যায়ৰ হ'লেও ডিগ্ৰী প্ৰদান কৰিব পৰাকৈ উক্ত অনুষ্ঠানক উন্নীত কৰা হোৱা নাছিল। কিন্তু স্বাধীনতা লাভ কৰা বৰ্ষতেই (১৯৪৭) উক্ত অনুষ্ঠানক অসম চিকিৎসা মহাবিদ্যালয় হিচাপে উন্নীত কৰি চিকিৎসাবিদ্যাৰ উচ্চশিক্ষাৰ বাট প্ৰশস্ত কৰা হয়। ইয়াৰ পিছতেই ভাৰতৰ পৰম্পৰাগত আয়ুৰ্বেদিক চিকিৎসা সম্পৰ্কে অধ্যয়ন আৰু গৱেষণাৰ বাবে গুৱাহাটীৰ জালুকবাৰীত স্থাপন কৰা হয় অসম চৰকাৰী আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়, ১৯৪৮ চনত। চিকিৎসা শিক্ষাৰ বৰ্ধিত প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি অসমত আৰু এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ চিন্তা-চৰ্চা কৰা হয়। উক্ত চিন্তা-চৰ্চাৰ ফলতেই ১৯৬০ চনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় স্থাপন হয়। একেদৰে বৰাক উপত্যকাত চিকিৎসা শিক্ষা সম্প্ৰসাৰণৰ উদ্দেশ্যে ১৯৬৮ চনত স্থাপন কৰা হয় শিলচৰ চিকিৎসা মহাবিদ্যালয়। ইয়াৰ পাছৰ চাৰিটা দশকত অসমত আৰু এখনো এলোপেথিক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হোৱা নাই। কিন্তু হোমিঅ'পেথিক চিকিৎসা শিক্ষা সম্প্ৰসাৰণৰ উদ্দেশ্যে অসমত তিনিখন চৰকাৰী হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হয়। ইয়াৰে প্ৰথমখন স্থাপন হয় নগাঁৱত, অসম চৰকাৰী হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল হিচাপে ১৯৬৮ চনত। একেদৰে যোৰহাটত স্থাপন কৰা হয় জে কে শইকীয়া চৰকাৰী হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় ১৯৭৫ চনত। গুৱাহাটীতো তেনে এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হয় ১৯৭৬ চনত, শ্বহীদ যাদৱনাথ চৰকাৰী হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় নামেৰে। এনেদৰে স্বাধীনোত্তৰ অসমত এলোপেথিক, আয়ুৰ্বেদিক তথা হোমিঅ'পেথিক এই তিনিওবিধ চিকিৎসা শিক্ষাৰ বাবে অনুষ্ঠান স্থাপন কৰা হয়।

দাঁত সম্পৰ্কীয় চিকিৎসা শিক্ষাৰ বাবে পৃথক শিক্ষানুষ্ঠান স্থাপনৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ১৯৮৫ চনত গুৱাহাটীত স্থাপন কৰা হয় অসমৰ একমাত্ৰ দন্ত চিকিৎসা শিক্ষানুষ্ঠান — আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়



(Regional Dental College)। ইয়াৰ পাছৰ একুৰি বছৰত অসমত এখনো চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হোৱা নাই। কিন্তু ২০০৫ চনত অসম চৰকাৰে তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ কথা ঘোষণা কৰে। উক্ত ঘোষণাৰ ফলস্বৰূপেই ২০০৮ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে আৰু ২০০৯ চনৰ ১২ অক্টোবৰত ইয়াক উদ্বোধন কৰা হয়। একেদৰে ২০০৬ চনত ইউ পি এৰ অধ্যক্ষা শ্ৰীমতী ছোনিয়া গান্ধীয়ে আধাৰশিলা স্থাপন কৰা বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ উদ্বোধন কৰা হয় ২০১১ চনত। উল্লেখযোগ্য যে নৱপ্ৰতিষ্ঠিত উক্ত দুয়োখন চিকিৎসা মহাবিদ্যালয়ে ইতিমধ্যে শৈক্ষিক কামকাজ আৰম্ভ কৰিছে আৰু দুয়োখনতে আসনৰ সংখ্যা ১০০খনকৈ। এতদুপৰি ২০০৮ চনত ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি শ্ৰীমতী প্ৰতিভা দেৱী সিং পাটিলে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। বৰ্তমান উক্ত চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ কাম পূৰ্ণগতিৰে চলি আছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে চিকিৎসা বিষয়ক শিক্ষাৰ কামকাজ চোৱাচিতা কৰিবৰ বাবে এখন পৃথক বিশ্ববিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয় আৰু সেই অনুসৰি ২০০৯ চনত স্থাপন কৰা হয় শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিশ্ববিদ্যালয়, গুৱাহাটীত। উক্ত বিশ্ববিদ্যালয় স্থাপন হোৱাৰ লগে লগে চিকিৎসা শিক্ষাৰ সকলোবোৰ কাম ইয়াৰ অধীনলৈ অনা হয়। এতদুপৰি অসম চৰকাৰে ২০১১ চনত কাৰ্বি আংলঙৰ ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। উক্ত অনুষ্ঠান কাৰ্যক্ষম হৈ উঠিলে পাৰ্বত্য জিলাকেইখনতো চিকিৎসা শিক্ষাই অগ্ৰগতি লাভ কৰিব বুলি আশা কৰা হৈছে।

চিকিৎসা-শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সম্প্ৰসাৰণৰ লগে লগে বহুসংখ্যক সহায়কাৰী ব্যক্তিৰ, যেনে নাৰ্ছ তথা ফাৰ্মাচিষ্টৰ, প্ৰয়োজন হয়। এনে ব্যক্তি সৃষ্টিৰ বাবে প্ৰয়োজন হয় নাৰ্ছিং তথা ফাৰ্মাচিষ্ট কলেজৰ। সেই উদ্দেশ্যে অসমত প্ৰথমখন নাৰ্ছিং কলেজ স্থাপন কৰা হয় ১৯৭৭ চনত। উত্তৰ-পূব পৰিষদৰ অধীনত স্থাপন হোৱা উক্ত অনুষ্ঠানৰ নাম ৰখা হয় আঞ্চলিক নাৰ্ছিং কলেজ। উক্ত কলেজ স্থাপনে অসমত নাৰ্ছিং শিক্ষাৰ বাট মুকলি কৰে। ইয়াৰ বাদেও বৰ্তমান অসমত ২৩খন নাৰ্ছিং স্কুল (GNM Nursing School) আছে য'ত মুঠ আসনৰ সংখ্যা ১২৮৭খন।[22] অন্যহাতে ফাৰ্মাচিষ্টৰ কাম শিক্ষাৰ বাবে আগৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়তে ফাৰ্মাছি কলেজ স্থাপন কৰাৰ উপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়তো উক্ত শিক্ষাৰ বাবে B. Pharm পাঠ্যক্ৰম খোলা হৈছে। চিকিৎসা-শিক্ষাৰ এই অনুষ্ঠানসমূহে অসমৰ চিকিৎসা তথা স্বাস্থ্যসেৱালৈ উল্লেখনীয় অৱদান আগবঢ়াইছে। ২০১০ চনৰ তথ্য অনুসৰি চিকিৎসা বিষয়ৰ শিক্ষালাভৰ বাবে অসমত বৰ্তমান ১৬খন চিকিৎসাশিক্ষা-সম্পৰ্কীয় মহাবিদ্যালয় (সকলোবোৰ ধৰি) আছে।[23]

অসমত মানসিক চিকিৎসাৰ ইতিহাস যথেষ্ট পুৰণি। মানসিক ৰোগীসকলক

চিকিৎসাৰ বাবে ১৮৭৬ চনতেই তেজপুৰ মানসিক ৰোগীৰ চিকিৎসালয় (Tezpur Lunatic Asylum) স্থাপন কৰা হয়। ১৯২২ চনত ইয়াক তেজপুৰ মানসিক চিকিৎসালয় (Tezpur Mental Hospital)লৈ উন্নীত কৰা হয়। ১৯৮৯ চনত মানসিক স্বাস্থ্য বিষয়ক স্নাতকোত্তৰ আৰু গৱেষণাৰ সুবিধা সংযোজন কৰি উক্ত অনুষ্ঠানক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান (LGBRIMH) হিচাপে অভিহিত কৰা হয়। ১৯৯৯ চনৰপৰা উত্তৰ-পূব পৰিষদ (North Eastern Council)ৰ অধীনলৈ যোৱা উক্ত প্ৰতিষ্ঠানক ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ অধীনস্থ কৰা হয় ২০০৭ চনত।

আনহাতে পশু-সম্পৰ্কীয় চিকিৎসা শিক্ষাৰ বাবে অসমত প্ৰথমখন পশু-চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হয় ১৯৪৮ চনত গুৱাহাটীৰ খানাপাৰাত। প্ৰথমে ৩ বছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম আৰম্ভ কৰিলেও ১৯৫৩ চনৰপৰা উক্ত মহাবিদ্যালয়ত ৪ বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমৰ শিক্ষা প্ৰদান কৰা হয়। অসমৰ দ্বিতীয়খন পশু-চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হয় উত্তৰ লখিমপুৰৰ আজাদত, ১৯৮৮ চনত। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচী ভালদৰে চলি আছে যদিও লখিমপুৰ পশু-চিকিৎসা মহাবিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচী সম্প্ৰতি বন্ধ হৈ আছে।

স্বৰাজোত্তৰ অসমত কৃষি শিক্ষাৰ সূচনা হয় ১৯৪৮ চনত যোৰহাটত স্থাপন কৰা কৃষি মহাবিদ্যালয়ৰ যোগেদি। উক্ত শিক্ষানুষ্ঠানে সমগ্ৰ অসমৰ কৃষি-শিক্ষাৰ চাহিদা পূৰণ কৰিব নোৱাৰিলেও বহু বছৰলৈকে অন্য এখন তেনে অনুষ্ঠান স্থাপন হোৱা নাছিল। উক্ত কৃষি মহাবিদ্যালয়ৰ আধাৰতেই ১৯৬৯ চনত যোৰহাটত অসমৰ প্ৰথম তথা একমাত্ৰ কৃষি বিশ্ববিদ্যালয়খন স্থাপন কৰা হয়। এই বিশ্ববিদ্যালয় স্থাপনে কৃষি-শিক্ষাৰ স্নাতকোত্তৰ পৰ্যায়ৰ আৰু গৱেষণাৰ বাট মুকলি কৰে। অসমৰ প্ৰথমখন কৃষি মহাবিদ্যালয় স্থাপনৰ প্ৰায় ৪০ বছৰৰ পাছত বিশ্বনাথ চাৰিআলিত দ্বিতীয়খন কৃষি মহাবিদ্যালয় স্থাপন কৰা হয় ১৯৮৮ চনত। বৰ্তমানলৈকে এই দুখনেই স্নাতক ডিগ্ৰী প্ৰদান কৰা অসমৰ কৃষি মহাবিদ্যালয়। ইয়াৰ বাদেও মৎস্য উৎপাদন সম্পৰ্কীয় শিক্ষাৰ বৈজ্ঞানিক অধ্যয়নৰ বাবে অসমৰ একমাত্ৰ মীন মহাবিদ্যালয় নগাঁৱৰ ৰহাত স্থাপন কৰা হয় ১৯৮৮ চনত। মীন পালন তথা উৎপাদন সম্পৰ্কীয় বিষয়ৰ স্নাতক ডিগ্ৰী আগবঢ়োৱা উক্ত মীন মহাবিদ্যালয় বৰ্তমান যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অধীন।

অভিযান্ত্ৰিক শিক্ষাৰ ক্ষেত্ৰতো অসম দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত যথেষ্ট পিছপৰা। স্বাধীনতাৰ আগলৈকে যোৰহাটৰ প্ৰিন্স অৱ ৱেলছ্ ইনষ্টিটিউট অৱ টেকন'লজি (Prince of Wales Institute of Technology)এ দুবছৰীয়া ইলেকট্ৰিকেল আৰু মেকানিকেল বিষয়ত শিক্ষা প্ৰদান কৰি আহিছিল।[২৪] স্বৰাজোত্তৰ অসমত প্ৰথমখন অভিযান্ত্ৰিক প্ৰতিষ্ঠান স্থাপন কৰা হয় গুৱাহাটীৰ চানমাৰিত, ১৯৪৮ চনত। অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান নামেৰে স্থাপন হোৱা উক্ত অনুষ্ঠানে



কেতবোৰ বিষয়ত ডিপ্ল'মা পাঠ্যক্ৰম প্ৰদান কৰি আহিছে। স্বাধীনতাৰ সময়লৈকে অসমত এখনো অভিযান্ত্ৰিক কলেজ নাছিল। সেয়ে অসমতো এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ যো-জা কৰা হয় আৰু গুৱাহাটীৰ জালুকবাৰীত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰা হয় ১৯৫৫ চনত। এই মহাবিদ্যালয় স্থাপনৰ জৰিয়তে অসমৰ কাৰিকৰী শিক্ষা জগতত নতুন দিগন্তৰ সূচনা হয়। পাছৰ বছৰতে অৰ্থাৎ ১৯৫৬ চনত স্থাপন কৰা হয় অসম টেক্সটাইল প্ৰতিষ্ঠান, গুৱাহাটীত। ইতিমধ্যে কাৰিকৰী শিক্ষাক সুকীয়াকৈ পৰিচালনা কৰিবলৈ অসম চৰকাৰে কাৰিকৰী শিক্ষা সঞ্চালকালয় গঠন কৰে ১৯৬০ চনত। আনহাতে যোৰহাটৰ প্ৰিন্স অৱ ৱেলছ্ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানক মহাবিদ্যালয়লৈ ৰূপান্তৰিত কৰিবলৈ দাবী উত্থাপন হোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত অনুষ্ঠানক অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ উন্নীত কৰা হয় ১৯৬০ চনত। উক্ত মহাবিদ্যালয়ত প্ৰথমে কেৱল চিভিল ইঞ্জিনিয়াৰিঙৰ পাঠদান কৰিলেও পাছলৈ অন্যান্য শাখাসমূহৰো পাঠদান কৰা হয়। ১৯৬৬-৬৭ চনৰপৰা যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুমোদনক্ৰমে চিভিল ইঞ্জিনিয়াৰিঙৰ স্নাতকোত্তৰ পাঠ্যক্ৰমতো পাঠদান কৰি থকা হৈছে।[২৫] উক্ত দুয়োখন অভিযান্ত্ৰিক মহাবিদ্যালয়ে অসমৰ কাৰিকৰী শিক্ষালৈ অৱদান আগবঢ়াই থকা সময়তে বৰাক উপত্যকাতো এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ দাবী উত্থাপন হয়। ইয়াৰ পৰিণতিত ১৯৬৭ চনত আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰা হয় শিলচৰত, যাক পাছলৈ (২০০২ চনত) ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ উন্নীত কৰা হৈছিল। ২০০৬ চনত ভাৰত চৰকাৰে কোকৰাঝাৰত কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Central Institute of Technology, চমুকৈ CIT) আৰু ২০০৮ চনত অসম চৰকাৰে বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰে। এই চাৰিওখন চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ে অসমৰ জনগণৰ কাৰিকৰী শিক্ষাৰ চাহিদা পূৰণ কৰিব নোৱাৰিলেও কিছু চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। একেদৰে প্ৰযুক্তিবিদ্যা বিষয়ত উচ্চস্তৰৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে অসমৰ কোনো শিক্ষানুষ্ঠান নথকাত এখন প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান স্থাপনৰ দাবী উত্থাপন হয়। ইয়াৰেই ফলশ্ৰুতিত ১৯৯৪ চনত গুৱাহাটীৰ আমিনগাঁৱত অসমৰ একমাত্ৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (IIT) স্থাপন হৈ উঠে। উল্লেখযোগ্য যে গুৱাহাটী আই আই টি আৰু শিলচৰ এন আই টিক ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় গুৰুত্বপ্ৰাপ্ত অনুষ্ঠান হিচাপে স্বীকৃতি প্ৰদান কৰিছে। একেদৰে প্লাষ্টিক প্ৰযুক্তিবিদ্যা অধ্যয়নৰ বাবে চাংসাৰিত কেন্দ্ৰীয় প্লাষ্টিক অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Central Institute of Plastic Engineering and Technology) স্থাপন কৰা হয় ১৯৯৯ চনত। আনহাতে ১৯৬১ চনত যোৰহাটত স্থাপন কৰা আঞ্চলিক গৱেষণা পৰীক্ষাগাৰ (Regional Research Laboratory)ক উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ (North-East Institute of Science and Technology) উন্নীত কৰা হয়। একেদৰে ১৯৮৪ চনত গুৱাহাটীত স্থাপন কৰা

হোটেল ব্যৱস্থাপনা প্ৰতিষ্ঠান (Institute of Hotel Management)ক ভাৰত চৰকাৰৰ পৰ্যটন বিভাগৰ অধীনত পূৰ্ণ পৰ্যায়ৰ প্ৰতিষ্ঠানলৈ উন্নীত কৰা হৈছে। ইয়াৰ বাদেও একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (২০০৭-২০১২) কালত অসম চৰকাৰে তিনিখন ৰাজ্যিক অভিযান্ত্ৰিক মহাবিদ্যালয়, ৩খন পলিটেকনিক আৰু এখন বিজ্ঞান আৰু কাৰিকৰী বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। তদুপৰি দুখন পলিটেক্‌নিকক ডিগ্ৰী স্তৰলৈ আৰু দুখন কনিষ্ঠ কাৰিকৰী বিদ্যালয়ক ডিপ্ল'মা স্তৰলৈ উন্নীত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।[২৬] বৰ্তমান অসমত দুখন ছোৱালী পলিটেকনিককে ধৰি দহখন পলিটেক্‌নিক প্ৰতিষ্ঠান আছে। ইয়াৰ বাদেও ঔদ্যোগিক শিক্ষাৰ প্ৰশিক্ষণ দিবলৈ আঠাইছখন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (ITI) আছে। আৰু ইয়াৰে চাৰিখন কেৱল ছোৱালীৰ বাবে। অসমত কাৰিকৰী শিক্ষাৰ চৰকাৰী অনুষ্ঠানৰ অপৰ্যাপ্ততাৰ বাবে বহুতো বেচৰকাৰী কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানে গা কৰি উঠিছে। এই বেচৰকাৰী প্ৰতিষ্ঠানসমূহে অসমৰ বুজনসংখ্যক শিক্ষাৰ্থীৰ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত কেইখনমান উল্লেখযোগ্য কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ বেচৰকাৰী প্ৰতিষ্ঠান হৈছে— গুৱাহাটীৰ এচিয় ব্যৱস্থাপনা আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Asian Institute of Management and Technology, ১৯৬৮) উত্তৰ-পূব পৰিষদৰ অধীনত ১৯৮৯ চনত তেজপুৰত স্থাপন হোৱা NERIWALM (North Eastern Regional Institute of Water and Land Management), ১৯৯২-৯৩ চনত গুৱাহাটীত স্থাপন হোৱা NERIM (North Eastern Regional Institute of Management), ২০০৬ চনত গুৱাহাটীৰ আজাৰাত স্থাপন হোৱা গিৰিজানন্দ চৌধুৰী ব্যৱস্থাপনা আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (Girijananda Chowdhury Institute of Management and Technology), ২০০৬ চনত স্থাপন হোৱা গুৱাহাটী আৰ্কিটেক্‌চাৰ কলেজ (Guwahati College of Architecture), মিৰ্জাৰ NETES (National Institute of Technology and Science, ২০০৯), গুৱাহাটীত স্থাপন হোৱা (Royal Group of Institutions, ২০০৯) আদি। ইয়াৰ বাদেও আৰু বহুতো এনেধৰণৰ অনুষ্ঠানে অসমৰ কাৰিকৰী শিক্ষাজগতলৈ উল্লেখনীয় অৱদান আগবঢ়াই আছে। বৰ্তমান অসমত বেচৰকাৰীকে ধৰি সৰ্বমুঠ এঘাৰখন অভিযান্ত্ৰিক মহাবিদ্যালয় আছে।[২৭]

শিক্ষাৰ গুণগত উন্নতিৰ বাবে শিক্ষকৰ প্ৰশিক্ষণ অতি দৰকাৰী। স্বাধীনতাৰ পূৰ্বে ব্ৰিটিছে অসমত শিক্ষক প্ৰশিক্ষণৰ দিশটোক আওকাণ কৰি আহিছিল, কিন্তু স্বাধীনতালাভৰ লগে লগে শিক্ষক প্ৰশিক্ষণৰ দিশটোৱেও গুৰুত্ব লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ লগে লগে মাধ্যমিক স্তৰৰ শিক্ষকসকলক প্ৰশিক্ষণ দিবৰ বাবে বি টি (B.T.) শ্ৰেণী খোলা হয় ১৯৪৯ চনত।[২৮] ১৯৫৪ চনত অসম বুনিয়াদী শিক্ষা আইন গ্ৰহণ কৰাৰ লগে লগে শিক্ষকসকলকো বুনিয়াদী প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন হয় আৰু বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ খোলা হয়। বুনিয়াদী



প্ৰশিক্ষণ কেন্দ্ৰ আৰু নৰ্মাল স্কুলবোৰে কেৱল প্ৰাথমিক স্তৰৰ শিক্ষকক প্ৰশিক্ষণ দিছিল। সেয়ে মাধ্যমিক স্তৰৰ শিক্ষকক প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে ১৯৫৭ চনত স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপন কৰা হয় যোৰহাটত। একেদৰে গুৱাহাটীত স্থাপন কৰা হয় বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় ১৯৬৭ চনত। এনেদৰে অসমৰ বিভিন্ন ঠাইত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপন হৈ উঠে। শিক্ষকৰ গুণগত মানদণ্ড ৰক্ষা কৰাৰ উদ্দেশ্যে ১৯৭৩ চনত গঠন কৰা হয় শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (National Council for Teacher Education)। উক্ত পৰিষদ গঠনে সমগ্ৰ দেশৰ শিক্ষকৰ শিক্ষালৈ এক গুণগত পৰিৱৰ্তন আনিবলৈ সক্ষম হয়। শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (চমুকৈ NCTE)ৰ পূব আঞ্চলিক কমিটী (Eastern Regional Council)ৰ ২০১০ চনৰ ১৯ আৰু ২০ নৱেম্বৰত বহা ১১৩ সংখ্যক সভাৰ অনুমোদন অনুসৰি অসমত পঞ্চাছখন বি এড কলেজ আছে আৰু ইয়াৰে নখনহে চৰকাৰী।[২৯] তাৰ বাদে ডিব্ৰুগড় বিশ্ববিদ্যালয়তো বি এড পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা আছে। আনহাতে ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি প্ৰাথমিক স্তৰৰ শিক্ষকৰ প্ৰশিক্ষণৰ বাবে প্ৰত্যেকখন জিলাতে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (District Institute of Education and Training) স্থাপন কৰা হয়। ২০১০ চনৰ তথ্য অনুসৰি অসমত ওঠৰখন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) আৰু চাৰিখন নৰ্মাল স্কুল আছে। প্ৰাথমিক স্তৰৰ এই প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ সম্পূৰ্ণৰূপে চৰকাৰী আৰু সেইবোৰ প্ৰত্যক্ষভাৱে পৰিচালনা কৰে ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (SCERT)।

অসমত আইন শিক্ষাৰ আৰম্ভণি হয় ১৮৭০ চনত গুৱাহাটী ছেমিনাৰিত আইনৰ শ্ৰেণী আৰম্ভ কৰি। কিন্তু শিক্ষাৰ্থীৰ সংখ্যা কমি যোৱাৰ বাবে ১৮৭৫ চনত ইয়াক বন্ধ কৰি দিয়া হয়। ইতিমধ্যে এখন আইন কলেজৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ১৯১৫ চনত অসমৰ প্ৰথমখন আইন কলেজ স্থাপন কৰা হয় গুৱাহাটীত। অসমৰ সেই সময়ৰ চীফ কমিছনাৰ এ আৰ্লৰ নামেৰে কলেজখনৰ নাম দিয়া হয় আৰ্ল ল কলেজ। পিছলৈ ইয়াক বিষ্ণুৰাম মেধি চৰকাৰী আইন মহাবিদ্যালয়লৈ উন্নীত কৰা হয়। স্বাধীনতাৰ পিছত অসমৰ বিভিন্ন ঠাইৰপৰা ল কলেজ স্থাপনৰ দাবী উঠিবলৈ ধৰে। ইয়াৰ পৰিণতিত অসমৰ বিভিন্ন ঠাইত ল কলেজ স্থাপন হয়। ইয়াৰ ভিতৰত কৰিমগঞ্জ ল কলেজ (১৯৪৮), যোৰহাট ল কলেজ (১৯৬৪), ধুবুৰী ল কলেজ (১৯৬৭), গোৱালপাৰা ল কলেজ (১৯৬৭), জে বি ল কলেজ, গুৱাহাটী (১৯৬৯) আদি প্ৰধান। এনেদৰে অসমৰ কেইবাখনো জিলাত ল কলেজ স্থাপন হৈ অসমৰ আইনী শিক্ষা সম্প্ৰসাৰণ কৰি তোলে। স্বাধীনতাৰ সময়ত মাত্ৰ এখন ল কলেজ থকা অসমত বৰ্তমান বিছখন ল' কলেজ থকাৰ তথ্য পোৱা যায় আৰু ইয়াৰে মাত্ৰ এখনহে চৰকাৰী।[৩০]

ইয়াৰ বাদেও সঙ্গীত বিষয় অধ্যয়নৰ বাবে এখন ৰাজ্যিক সঙ্গীত মহাবিদ্যালয় (State College of Music), শিল্পকলা অধ্যয়নৰ বাবে এখন চাৰু কলা

মহাবিদ্যালয় (College of Arts and Crafts), বন সম্পৰ্কীয় অধ্যয়নৰ বাবে বন প্ৰশিক্ষণ বিদ্যালয় (Forest Training School, 1958) আদি স্থাপন কৰা হয়। তদুপৰি এখন চৰকাৰী অন্ধ বিদ্যালয় (Blind School), এখন চৰকাৰী মূক-বধিৰ বিদ্যালয় (Deaf and Dumb School), দহখন কাৰাগাৰ বিদ্যালয় (Jail School) আৰু চাৰিখন কিশোৰ অপৰাধী সংশোধন বিদ্যালয় (Juvenile Reformatory School) অসমত আছে।[৩১]

কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষানুষ্ঠানসমূহে অসমৰ শিক্ষাৰ্থীসকলৰ প্ৰয়োজন পূৰণ কৰিলেও সামগ্ৰিক চাহিদা পূৰণ কৰিব পৰা নাই। এই শিক্ষানুষ্ঠানসমূহ স্থাপন হোৱাৰ লগে লগে শিক্ষাৰ্থীৰ সংখ্যাও লাহে লাহে বাঢ়ি আহিবলৈ ধৰে। তলৰ তালিকাত চিকিৎসা, অভিযান্ত্ৰিক, আইন তথা বি এড শিক্ষানুষ্ঠানৰ সংখ্যা আৰু ২০০৯-২০১০ বৰ্ষত ইয়াত শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীৰ পৰিসংখ্যা দেখুওৱা হৈছে।

সিপিঠিৰ তালিকাই বৰ্তমান অসমৰ কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ এক আংশিক প্ৰতিচ্ছবি প্ৰকাশ কৰে। তালিকাৰপৰা দেখা যায় যে অসমৰ বৃহৎসংখ্যক শিক্ষাৰ্থীৰ এক সামান্য অংশইহে কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা গ্ৰহণ কৰে। তদুপৰি ল'ৰাৰ তুলনাত যথেষ্ট কমসংখ্যক ছোৱালীয়েহে কাৰিকৰী শিক্ষা গ্ৰহণ কৰে। অৱশ্যে এইক্ষেত্ৰত চিকিৎসা শিক্ষাৰ কথা অলপ বেলেগ দেখা গৈছে। উক্ত শিক্ষাত ছোৱালীৰ সংখ্যা যথেষ্ট সন্তোষজনক আৰু ল'ৰা-ছোৱালীৰ অনুপাত প্ৰায় ৫৮ : ৪২।

**তালিকা ১০**

২০০৯-২০১০ বৰ্ষত অসমৰ

কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষানুষ্ঠান আৰু শিক্ষাৰ্থীৰ সংখ্যা

| শিক্ষানুষ্ঠানৰ প্ৰকাৰ | শিক্ষানুষ্ঠানৰ সংখ্যা | শিক্ষাৰ্থীৰ সংখ্যা | | |
|---|---|---|---|---|
| | | ছাত্ৰ | ছাত্ৰী | মুঠ |
| চিকিৎসা মহাবিদ্যালয়* | ১৬ | ৫৯৬ | ৪৩০ | ১,০২৬ |
| অভিযান্ত্ৰিক মহাবিদ্যালয়* | ১১ | ৪,১৫২ | ৯৮০ | ৫,১৩২ |
| আইন মহাবিদ্যালয়** | ২০ | ৫,৬১৮ | ১,৬২৫ | ৭,২৪৩ |
| বি এড কলেজ*** | ৫০ | ১,৪২৫ | ৯৭০ | ২,৩৯৫ |

তথ্য উৎস: **Statistiocal Handbook, Assam, 2011*
***www.assameducation.net*
****www.ncte-india.org*

ওপৰৰ আলোচনাৰপৰা এই কথা স্পষ্ট হৈ উঠিছে যে স্বাধীনোত্তৰ অসমত শিক্ষাৰ সকলো স্তৰৰ বিকাশ হৈছে। প্ৰাথমিক, মাধ্যমিক, উচ্চ, স্ত্ৰী তথা বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ পৰিসাংখ্যিক তথ্যৰপৰা এই কথা প্ৰতীয়মান হৈছে যে স্বাধীনোত্তৰ অসমত শিক্ষাৰ সংখ্যাগত দিশৰ চমকপ্ৰদ উত্থান হৈছে, অৱশ্যে জনসংখ্যা বৃদ্ধিৰ তুলনাত এনে উত্থান বৰ সন্তোষজনক বুলিব নোৱাৰি। বিভিন্ন আয়োগে বেলেগ বেলেগ সময়ত দিয়া পৰামৰ্শৰ সফল ৰূপায়ণ তথা পৰিবৰ্তিত পৰিবেশত গ্ৰহণ কৰা কেতবোৰ সিদ্ধান্তৰ বাবেই অসমৰ শিক্ষাই দোপতদোপে আগবাঢ়িব পাৰিছে। শিক্ষাৰ এনে সম্প্ৰসাৰণে অন্যান্য দিশৰ বিকাশৰ লগতে অসমৰ জনসাধাৰণৰ সাক্ষৰতাৰ হাৰো ১৯৫১ চনৰ ১৮.৫৩ শতাংশৰপৰা ২০১১ চনৰ ৭৩.১৮ শতাংশলৈ উন্নীত হোৱাত সহায় কৰিছে। অৱশ্যে শিক্ষাৰ কেৱল সংখ্যাগত দিশৰ উন্নতিয়েই এখন দেশ তথা সমাজৰ উন্নতিসাধন কৰিব নোৱাৰে। ইয়াৰ বাবে লাগিব শিক্ষাৰ গুণগত দিশৰো উন্নতিসাধন। সেয়ে শিক্ষাৰ সাংখ্যিক উন্নতিৰ লগে লগে গুণগত উন্নতি সাধন কৰি মানুহক সঁচা অৰ্থত শিক্ষিত কৰি তুলিব পাৰিলেহে শিক্ষাৰ আচল অৰ্থ আৰু বিকাশ সাৰ্থক হৈ উঠিব।



## প্ৰসঙ্গ গ্ৰন্থসমূহ


১ *Economic Survey: Assam*, 2011, p. 216
২ যতীন বৰুৱা। *ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন*। গুৱাহাটী: লয়াৰ্ছ বুক ষ্টল, ২০০১, পৃষ্ঠা ৪৫৭।
৩ ৰেণু দেৱী। *অসমৰ শিক্ষা ব্যৱস্থা*। গুৱাহাটী: বাণী প্ৰকাশ, ১৯৭৪, পৃষ্ঠা ১৮২।
৪ তদেৱ, p. 184
৫ Kothari Commission Report, 1978, p. 137
৬ Economic Survey, Assam, 2011, p. 218
৭ যতীন বৰুৱা, প্ৰাগুক্ত, পৃষ্ঠা ৪৭৫।
৮ অজন্ত্ৰ দত্ত বৰদলৈ। *ভাৰতৰ শিক্ষা বুৰঞ্জী*। গুৱাহাটী: লয়াৰ্ছ বুক ষ্টল, ২০০০, পৃষ্ঠা ৩৭৩।
৯ www.nvsroshillong.govt.in. 15 August 2012
১০ P L Rawat. *History of Indian Education*. Agra: Ram Prasad & Sons, 1998, p. 153
১১ S. Saikia. *History of Education in India*. Guwahati: Mani Manik Prakash, 1999, p. 129
১২ H. K. Barpujari. *The Comprehensive History of Assam*, vol-V. Guwahati: Publication Board. Assam, 2004, p. 177
১৩ B. B. Kumar. *Higher Education In North-East India*. New Delhi: Omsons Publications, 1994, p. 32
১৪ ৰেণু দেৱী। ভাৰতৰ *শিক্ষাৰ ইতিহাস*। গুৱাহাটী: ষ্টুডেণ্টচ্ ষ্টৰ্চ, ২০০৪, পৃষ্ঠা ২০৩।
১৫ B. B. Kumar, প্ৰাগুক্ত, p. 42
১৬ ৰেণু দেৱী। *অসমৰ শিক্ষা ব্যৱস্থা*। গুৱাহাটী: বাণী প্ৰকাশ, ১৯৭৪, পৃষ্ঠা ১০১।
১৭ S. Saikia, প্ৰাগুক্ত, p. 130
১৮ *আমাৰ অসম*, ৫ জুন, ২০১২।
১৯ Renu Devi. *Progress of Education in Assam*. Guwahati: Omsons Publications, 1987, p. 118
২০ *প্ৰতিবিম্ব*। অসম কলেজ শিক্ষক সংস্থা, ২০১১, পৃষ্ঠা ৭৫-৯।
২১ H. K. Barpujari, প্ৰাগুক্ত, p. 194
২২ *Economic Survey*, Assam, 2011, p. 221
২৩ *Statistical Handbook, Assam*, 2011, p. 247
২৪ ৰেণু দেৱী। *অসমৰ শিক্ষা ব্যৱস্থা*। প্ৰাগুক্ত, পৃষ্ঠা ১২৪।
২৫ তদেৱ।
২৬ *Economic Survey*, Assam, 2011, p. 219
২৭ *Statistical Handbook*, Assam, 2011, p. 221
২৮ যতীন বৰুৱা। ভাৰতৰ *শিক্ষা সমস্যাত দৃষ্টিপাত*। গুৱাহাটী: লয়াৰ্ছ বুক ষ্টল, ২০০৩, পৃষ্ঠা ৩১৩।
২৯ www.ncte-india.org. 12 August 2012
৩০ www.assameducation.net 14 August 2012
৩১ *Statistical Handbook*, Assam, 2011, p. 247

# অসমত বিজ্ঞানৰ গৱেষণা:

## বিদ্যায়তনিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ তথ্যৰ ভিত্তিত যুগুতোৱা প্ৰতিবেদন

ড° চন্দ্ৰমোহন শৰ্মা

অসম ভাৰতৰ অঙ্গ ৰাজ্য। অসমত বিজ্ঞান-চৰ্চা আৰু গৱেষণাৰ আলোচনা ভাৰতক বাদ দি কৰিব নোৱাৰি। ভাৰতত ব্ৰিটিছে খোপনি পুতিছিল ইয়াৰ সম্পদ লুণ্ঠনৰ বাবে। সেয়েহে যোগাযোগ-ব্যৱস্থা, স্বাস্থ্যসেৱা আদি কিছু উন্নত কৰিছিল। সম্পদ কঢ়িওৱাৰ বাবে ৰে'ল ব্যৱস্থা, কলেৰা বসন্ত ক'লাজ্বৰ মেলেৰিয়া আদিৰ বিৰুদ্ধে যুঁজ দিবৰ বাবে স্বাস্থ্য-সেৱা আদি প্ৰৱৰ্তন আৰু উন্নত কৰিছিল। চাহ ইংৰাজসকলৰ প্ৰিয় পানীয়। অসমত চাহখেতিৰ বাবে জলবায়ু অনুকূল, সেয়েহে চাহখেতিৰ সম্প্ৰসাৰণ আৰু সংগঠিত গৱেষণা আৰম্ভ হৈছিল ঊনৈছ শতিকাৰ শেহৰ ফালে। খনিজ সম্পদ আহৰণ আৰু পৰিবহণৰ কাম আশাতীতভাৱে দ্ৰুত হৈছিল। ভাৰতৰ প্ৰথম খনিজ তেল নিষ্কাশনৰ কাম আৰম্ভ হয় ডিগবৈত। পেট্ৰ'ল, ডিজেল, কেৰাচিন পৰ্যাপ্ত পৰিমাণে আহৰণ কৰি নিজ দেশলৈ চালান দিয়াৰ বাহিৰেও দেশৰ চাহিদা পূৰণ কৰিছিল; কিন্তু প্ৰাকৃতিক গেছৰ ব্যৱহাৰ নকৰিলে। স্বাধীন ভাৰততো পেট্ৰ'লজাত সামগ্ৰী আৰু গেছৰ ওপৰত গৱেষণা কৰি নতুন উদ্যোগ গঢ়াৰ বাবে যি-সম্ভাৱনা আছিল সি আজিকোপতি বাস্তৱায়িত হোৱা নাই। বনজ সম্পদৰ ওপৰত গৱেষণা কৰি অসম কিয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি মজবুত কৰাৰ যি-প্ৰচুৰ সম্ভাৱনা আছিল সেয়াও অৱহেলিত হৈ আছে। সামগ্ৰিকভাৱে ভাৰতত বিজ্ঞানৰ প্ৰসাৰৰ প্ৰতি বিজ্ঞানীসকলৰ অনীহা দেখি বিখ্যাত মাৰ্ক্সবাদী পদাৰ্থবিজ্ঞানী জে ডি বাৰ্নালে (১৯৪৬) আক্ষেপ কৰিছিল: "ভাৰতীয় জনগণৰ মাজত বিজ্ঞানৰ উন্নয়নৰ বাবে থকা প্ৰচুৰ সম্ভাৱনাক মুক্ত কৰিবলৈ তেওঁলোকক স্বাৱলম্বী আৰু মুক্ত জাতি কৰাটো অতীৱ জৰুৰী। আজি ভাৰতৰ শ্ৰেষ্ঠ বিজ্ঞান-কৰ্মীসকল সম্ভৱতঃ বিজ্ঞানীসকল নহয়— বৰং ৰাজনৈতিক আন্দোলনকাৰীসকলহে আৰু তেওঁলোকে এই দিশত কাম কৰি আছে।" আমি যদি চাওঁ স্বাধীনতাৰ আগৰেপৰাই ৰাজনৈতিক নেতাসকলে সাম্ৰাজ্যবাদীসকলৰ ছল-চাতুৰি শিক্ষা, বিজ্ঞান আৰু ঔদ্যোগিক ক্ষেত্ৰত লক্ষ্য কৰিছিল। সেয়েহে ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯৩৯ চনত ৰাষ্ট্ৰীয় পৰিকল্পনা কমিটী গঠন কৰি জৱাহৰলাল নেহৰুক তাৰ সভাপতি



নিৰ্বাচিত কৰিছিল। এই কমিটীত বহু কেইগৰাকী বিজ্ঞানীও আছিল। ভাৰতৰ সমাজাৰ্থিক (socio-economic) উন্নয়নৰ বাবে এই কমিটীৰ অধ্যয়ন গ্ৰুপে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক দেশৰ উন্নয়ন পৰিকল্পনাৰ লগত সংযুক্ত কৰিবলৈ পৰামৰ্শ দিছিল। স্বাধীনতা-পৰৱৰ্তী ভাৰতত এই সুযোগ আহি পৰিছিল নেহৰু প্ৰধানমন্ত্ৰী হোৱাত। ১৯৪৭ চনৰ ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ উদ্বোধনী সভাত ভাষণ দি তেওঁ কৈছিল, এজন ভোকাতুৰ পুৰুষ বা এগৰাকী ভোকাতুৰা নাৰীৰ বাবে সত্যৰ কোনো অৰ্থ নাই। তেওঁলোকক খাদ্য লাগে। ভাৰত এখন ভোকাতুৰ দেশ। সত্য, ভগৱান আনকি জীৱনৰ সুন্দৰ দিশবোৰৰ কথা তেওঁলোকক কোৱাটো উপহাস মাত্ৰ। মানুহ হিচাপে জীয়াই থাকিবলৈ অত্যাৱশ্যকীয় যিবোৰ বস্তু লাগে, যেনে অন্ন, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্য — এইবোৰৰ ব্যৱস্থা আমি তেওঁলোকক দিব লাগিব। এইখিনি কৰিব পাৰিলেহে আমি তেওঁলোকক দৰ্শন আৰু ভগৱানৰ কথা ক'ব পাৰিম। গতিকে বিজ্ঞানে ভাৰতৰ ৪০০ নিযুত জনগণৰ কথা ভাবিব লাগিব। জৱাহৰলাল নেহৰুৰ চেষ্টাতেই ১৯৫৮ চনত সংসদত The Science Policy Resolution গৃহীত হয়। ৰাষ্ট্ৰৰ জনগণৰ কল্যাণৰ হকে বিজ্ঞানৰ উন্নয়নত চৰকাৰৰ দায়িত্বৰ ওপৰত জোৰ দিয়া হৈছিল। এই প্ৰস্তাৱৰ প্ৰস্তাৱনাত কোৱা হৈছে: "The key to national prosperity, apart from the spirit of the people, lies, in the modern age, in the effective combination of three factors, technology, raw materials and capital, of which the first is perhaps the most important, since the creation and adoption of new scientific technques can, in fact, make up for a deficiency in natural resources, and reduce the demands on capital. But technology can only grow out of the study of science and its application." এই প্ৰস্তাৱৰ ভিত্তিতে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছিল "to foster, promote, and sustain by all appropriate means, the cultivation of science, and scientific research in all aspects - pure, applied and educational"। এই প্ৰস্তাৱৰ উদ্দেশ্য আছিল বৈজ্ঞানিক জ্ঞান আহৰণৰ সুফল জনগণে পোৱাটো নিশ্চিত কৰা। এনে এক মানসিকতাৰ ফলতেই সংসদত নেহৰুৰ আদৰ্শক বাস্তৱায়িত কৰাৰ উদ্দেশ্যৰে ১৯৮৩ চনত Technology Policy Resolution গ্ৰহণ কৰাইছিল পৰৱৰ্তী চৰকাৰে। বিজ্ঞানৰ চৰ্চা আৰু গৱেষণাৰ প্ৰাথমিক দায়িত্ব পালন কৰি আহিছে বিশ্ববিদ্যালয় ৰাষ্ট্ৰীয় গৱেষণাগাৰ আৰু ব্যক্তিগত খণ্ডৰ দুই এক গৱেষণাগাৰে। ১৯৪৭ চনত মাত্ৰ ১৯খন বিশ্ববিদ্যালয় আছিল; ১৯৬০ চনত ইয়াৰ সংখ্যা হয় ৪৫; ১৯৭০ চনত ৮৩ আৰু ১৯৮৪ চনত হয় ১২১। বৰ্তমান ভাৰতত বিশ্ববিদ্যালয়ৰ সংখ্যা, বিশ্ববিদ্যালয় বুলি স্বীকৃত অনুষ্ঠানৰ সংখ্যা ছয় শতাধিক।* বহু প্ৰচেষ্টাৰ অন্তত, বহু তৰ্ক-বিতৰ্কৰ জাল ফালি বিধানসভাত গুৱাহাটী বিশ্ববিদ্যালয় আইন ১৯৪৭ (Gauhati University Act, 1947) গৃহীত হয়। ১৯৪৮ চনৰপৰা

বিশ্ববিদ্যালয়ে কামকাজ আৰম্ভ কৰে। বৰ্তমান বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰীয় গৱেষণাবোৰে গৱেষণা আৰু বিজ্ঞান-চৰ্চাত যোগোৱা অৱিহণা সম্পৰ্কে থূলমূলকৈ আলোচনা কৰাৰ প্ৰচেষ্টা কৰিম।

পৰাধীন অসমত বিজ্ঞান-চৰ্চা একেবাৰে হোৱা নাছিল বুলি ক'ব নোৱাৰি; কিন্তু আধুনিক বিজ্ঞান-চৰ্চা আৰু গৱেষণাৰ বাট মুকলি হয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত একমাত্ৰ বিশ্ববিদ্যালখন স্থাপন হোৱাত। ইতিমধ্যে নতুন নতুন ৰাজ্য মেঘালয়, মিজোৰাম, নাগালেণ্ড, অৰুণাচল প্ৰদেশ স্থাপন হোৱাত প্ৰত্যেক ৰাজ্যতে একোখনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপিত হৈছে। মণিপুৰতো এখন বিশ্ববিদ্যালয় স্থাপিত হৈছে। অসমত আৰু দুখন বিশ্ববিদ্যালয় ডিব্ৰুগড় (১৯৬৫) আৰু অসম কৃষি বিশ্ববিদ্যালয় (১৯৬৯) স্থাপন কৰা হৈছে। অসম চুক্তিৰ আধাৰত শিলচৰত স্থাপিত অসম বিশ্ববিদ্যালয় আৰু তেজপুৰত তেজপুৰ বিশ্ববিদ্যালয় নামৰ দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে পূৰ্ণ গতিত কামকাজ চলাই আছে।

প্ৰথমতে **ৰসায়নবিজ্ঞানৰ** বিষয়ে আলচ কৰিবলৈ লৈছোঁ। উদ্ভিদ আৰু নৃতত্ত্ববিজ্ঞান বিভাগতকৈ পাছত স্থাপিত হ'লেও গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণাৰ দিশত ৰসায়ন-বিজ্ঞানে এক আলোড়নৰ সৃষ্টি কৰিছিল। ড° ৰোহিণীকান্ত বৰুৱাই ১৯৬০ চনত বিভাগীয় মুৰব্বী অধ্যাপকৰ দায়িত্ব লয়। সেই সময়ত ৰোহিণীকান্ত বৰুৱাৰ ব্যক্তিত্ব আৰু একাগ্ৰতাই সকলোকে মুগ্ধ কৰিছিল। আজিকালিৰ দৰে তেতিয়া পূৰ্ণকালীন গৱেষক পোৱা নগৈছিল। কিন্তু ড° বৰুৱাই নতুন যন্ত্ৰ-পাতি আনি বিভাগটোক সক্ৰিয় কৰি তুলিছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰাৰ আগতে ডিব্ৰুগড়ত থকা অসম চিকিৎসা মহাবিদ্যালয়ত চাকৰি কৰিছিল। সীমিত সা-সুবিধাৰ মাজত তাতেই জৈৱ-ৰসায়ন বিষয়ত গৱেষণা আৰম্ভ কৰিছিল। তেওঁৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰী পোৱা প্ৰথমগৰাকী গৱেষক আছিল ড° প্ৰতুলচন্দ্ৰ গোস্বামী। গুৱাহাটী বিশ্ববিদ্যালয়ত অতি কম সময়ৰ ভিতৰত কেইবাগৰাকীও গৱেষকে জৈৱ-ৰসায়ন বিষয়ত তেওঁৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰী লাভ কৰে। এওঁলোক হ'ল এম জি ৰাঘৱন নায়াৰ (ভিটামিন এ$_2$), জ্যোতিধৰ ৰাজখোৱা (মাটিৰ কলয়ডৰ গুণ), অৰুণভূষণ বৰুৱা (কেৰ'টিনয়ডছ), কমলেশ্বৰ ভূঞা (প্ৰ'টিন, এমিনো এচিড), পি গোবিন্দ নায়াৰ (ভিটামিন এ$_2$), এম ৰাই কে ৰাও (ভিটামিন ডি)। ৰসায়ন-বিজ্ঞান গৱেষণাক গতিশীল কৰি ড° বৰুৱাই আকস্মিকভাৱে ১৯৬৮ চনত চিৰবিদায় লয়। অতি কম সময়ৰ ভিতৰতেই ড° বৰুৱাৰ গৱেষণা-পত্ৰই দেশ-বিদেশৰ অতি উচ্চ মানৰ গৱেষণা-পত্ৰিকাত প্ৰকাশ পাই বিশ্ববিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰিছিল। ড° বৰুৱাৰ অবৰ্তমানত গৱেষণাৰ গুৰি ধৰে ড° অৰুণমণি চৌধুৰী আৰু ড° অৰুণভূষণ বৰুৱাই। ড° অৰুণভূষণ বৰুৱাই গুৰুৰ পদাঙ্ক অনুসৰণ কৰি জৈৱ-ৰসায়নৰ গৱেষণা আৰম্ভ কৰি বিদেশলৈ যায়। তেওঁৰ তত্ত্বাৱধানত ভিটামিন আৰু বনৌষধিৰ ৰসায়নৰ গৱেষণা কৰি পাঁচজনে গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। ড° অৰুণমণি চৌধুৰীয়ে অৰ্থ'মেৰকাপ্ট'এজো (Ortho-Mercapto Azo)



যৌগ-গৱেষণাত এক নতুন দিশ প্ৰৱৰ্তন কৰিছিল। তদুপৰি বনৌষধিত থকা ৰাসায়নিক দ্ৰব্য চিনাক্তকৰণৰ কামো আৰম্ভ কৰিছিল। জৈৱ-ৰসায়নৰ আন এগৰাকী গৱেষক চিকিৎসাবিজ্ঞানী ডা° প্ৰতুল গোস্বামীৰ উল্লেখনীয় অৱদান স্বীকাৰ কৰিবই লাগিব। তেওঁ জীৱদেহত হৰম'ন, ইনছুলিন আদিৰ প্ৰভাৱ অধ্যয়ন কৰাৰ উপৰি বনৌষধিৰ ক্ৰিয়া সম্পৰ্কেও অধ্যয়ন কৰিছিল। তামোল খোৱাৰ লগত কেন্সাৰৰ সম্পৰ্ক থকা বুলিও তেওঁ প্ৰমাণ কৰিছিল। তেওঁৰ তত্ত্বাৱধানত চৈধ্য গৰাকী গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত জৈৱ-ৰসায়নৰ নেতৃত্ব দিছে ড° ভৱেশচন্দ্ৰ গোস্বামীয়ে। তেওঁ ভিটামিন, কেৰ'টিনয়ড আদি বিষয়ত মনোনিৱেশ কৰিছে আৰু ইতিমধ্যে কেইবাজনো গৱেষকে তেওঁৰ তত্ত্বাৱধানত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ত ড° ৰোহিণীকান্ত বৰুৱাই প্ৰদান কৰা গতি এতিয়া এচাম কৰ্মীয়ে ত্বৰান্বিত কৰিছে। এইসকলৰ ভিতৰত আছে ড° কৃষ্ণগোপাল ভট্টাচাৰ্য, ড° অখিলকুমাৰ মেধি, ড° দিৱাকৰ ডেকা, ড° বিৰিঞ্চিকুমাৰ দাস, ড° চিত্ৰাণী মেধি আৰু ড° দিলীপচন্দ্ৰ কাকতি। এতিয়া আৰু অৰ্থৰ অভাৱত গৱেষণাৰ কাম ব্যাহত নহয়। এইসকল কৰ্মীয়ে বিভিন্ন সংস্থাৰপৰা বহু প্ৰকল্পত অনুদান লাভ কৰি পূৰ্ণোদ্যমে গৱেষণাৰ কামত ব্ৰতী হৈছে। ড° কৃষ্ণগোপাল ভট্টাচাৰ্যই ক্ৰেৰ গুণাগুণ পৰীক্ষা কৰাৰ উপৰি অসমৰ উদ্যোগসমূহৰ আশেপাশে বায়ু, মাটি আৰু পানীদূষণৰ বিষয়ত গৱেষণা চলাই আছে। তেওঁৰ তত্ত্বাৱধানত ইতিমধ্যে ৫০গৰাকী গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। ড° বিৰিঞ্চিকুমাৰ দাসৰ কেটালাইচিজ আৰু অজৈৱ সংশ্লেষণৰ অধ্যয়ন সূক্ষ্ম। ড° শৈৱালকুমাৰ ভট্টাচাৰ্যৰ অৰ্গেন'মেৰকাপ্টো, কুমাৰিন আৰু এমিনো এচিডৰ বিষয়ত কৰা গৱেষণা, ড° হিমাদ্ৰি দাস আৰু ড° নলিনীকুমাৰ বৈশ্যৰ আয়ন বিশ্লেষণৰ কাম বিজ্ঞানী সমাজত সমাদৃত হৈছে। ড° দিৱাকৰ ডেকাৰ জৈৱ সংশ্লেষণ, প্ৰাকৃতিক দ্ৰব্য আৰু জৈৱ ইন্ধনৰ বিষয়ত কৰা গৱেষণা উল্লেখযোগ্য। তেওঁৰ তত্ত্বাৱধানত নগৰাকী গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। ড° বিৰিঞ্চি দাসে কেটালাইছিছ আৰু অজৈৱ সংশ্লেষণৰ ওপৰত চলোৱা গৱেষণাই খ্যাতি অৰ্জন কৰিছে। সেইদৰে ড° দিলীপ কাকতিৰ পলিমাৰৰ, ড° অনুপ তালুকদাৰৰ কেটালিষ্ট আৰু ড° পি জে দাসৰ জৈৱ ৰসায়নৰ ওপৰত চলোৱা গৱেষণা উল্লেখযোগ্য। ৰসায়নবিজ্ঞান বিভাগলৈ গৌৰৱ কঢ়িয়াই আনিছে যুৱ বিজ্ঞানী ড° প্ৰদীপ ফুকনে। তেওঁৰ জৈৱ সংশ্লেষণৰ বিষয়ত চলোৱা গৱেষণা ইমান উচ্চ স্তৰৰ যে তেওঁক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰা হৈছে।

**তেজপুৰ বিশ্ববিদ্যালয়ত** এতিয়া গৱেষণাৰ কাম পূৰ্ণ গতিত চলিছে। ড° ৰবীন দত্ত (ছাৰফেক্টেন্ট পানীৰপৰা ফ্ল'ৰাইড আৰু আৰ্ছেনিক আঁতৰোৱা), ড° ৰমেশ ডেকা (কেটালাইছিছ), ড° এছ কে ডুল'ই (পলিমাৰ), ড° নিৰঞ্জন কাৰাট, ড° নাছৰিন, ড° টি কে বাজী, ড° অসীম ঠাকুৰ আৰু ড° ৰুলি বৰা প্ৰত্যেকেই

ডাঙৰ ডাঙৰ প্ৰকল্পৰ কামত ব্যস্ত আছে। অসম বিশ্ববিদ্যালয়ত ড° চিৰৰঞ্জন ভট্টাচাৰ্য আদি ডেকা কৰ্মীসকলো বহু মূল্যৱান প্ৰকল্পৰ কামত ব্যস্ত। গুৱাহাটীত থকা ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানত (IITত) জৈৱ-অজৈৱ ৰসায়ন, সংশ্লেষণাত্মক জৈৱ ৰসায়ন আদি বিষয়ৰ ওপৰত ড° অৰুণকুমাৰ চট্টোপাধ্যায় আৰু ড° মিহিৰ চৌধুৰীয়ে (পিছলৈ তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

অসম বিশ্ববিদ্যালয়ত জৈৱ (organic), অজৈৱ (inorganic) আৰু ভৌত (physical) ৰসায়ন গৱেষণাত ব্ৰতী হৈছে কম বয়সীয়া বিজ্ঞানীৰ দল। বিভিন্ন সংস্থাৰপৰা বিভিন্ন প্ৰকল্পত অৰ্থ লাভ কৰি তেওঁলোকে অত্যাধুনিক গৱেষণাগাৰ গঢ়ি তুলিছে। জৈৱ ৰসায়নত ড° এছ বি পাল, ড° পৰিতোষ মণ্ডল, ড° ডি সেনগুপ্ত আৰু ড° সুদীপ চৌধুৰী; অজৈৱ ৰসায়নত ড° চিৰৰঞ্জন ভট্টাচাৰ্য, ড° প্ৰদীপচন্দ্ৰ পাল আৰু ড° হিমাদ্ৰি আচাৰ্যই উল্লেখনীয় বৰঙণি আগবঢ়াইছে। ঠিক সেইদৰে ড° এন ভি এছ ৰাও, ড° এম কে পাল আৰু ড° সুজিতকুমাৰ ঘোষ ভৌত ৰসায়নৰ বিভিন্ন দিশৰ গৱেষণাত সফল হ'ব পাৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়তো আৰম্ভণিৰেপৰাই সীমিত পৰিসৰৰ মাজতো ড° ইনামুল হক, ড° নৰেন্দ্ৰনাথ দাস, ড° সূৰ্যকুমাৰ বৰুৱা আৰু ড° প্ৰদীপ কুমাৰ গগৈয়ে গৱেষণাৰ পৰিৱেশ গঢ়ি তুলিছিল। যোৱা শতিকাৰ সত্তৰৰ দশকতেই ড° দাসৰ পলিমাৰ সম্পৰ্কীয় অধ্যয়ন আৰু পলিভিনাইল এলক'হলৰ এষ্টাৰিকৰণ আৰু অজৈৱ যৌগৰ ওপৰত কৰা গৱেষণাই দেশ-বিদেশৰপৰা স্বীকৃতি লাভ কৰিছে। তেওঁৰ তত্ত্বাৱধানত পঁচিছ-গৰাকী গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। ড° প্ৰদীপ গগৈৰ ক'অৰ্ডিনেচন ৰসায়ন, ড° আৰাধনা দত্ত আৰু ড° চালিমা হুছেইনৰ পলিমাৰৰ বিষয়ত কৰা গৱেষণাই সমাদৰ লাভ কৰিছে। এই বিভাগৰ ড° অশ্বিনীকুমাৰ ফুকনে, ডেন্‌ছিটি ফাংচন থিঅ'ৰিৰ (Density Function Theoryৰ) বিষয়ত কৰা গৱেষণা উচ্চ প্ৰশংসিত হৈছিল। সেইদৰে ড° ঘনশ্যাম বেজৰ প্ৰাকৃতিক যৌগৰ ওপৰত কৰা গৱেষণাও উল্লেখযোগ্য। ড° কমলাকান্তি দাস আৰু টঙ্কেশ্বৰ বৰায়ো প্ৰাথমিক অৱস্থাতেই অজৈৱ আৰু জৈৱ ৰসায়নৰ গৱেষণাত যথেষ্ট অৰিহণা যোগাইছিল।

**পদাৰ্থবিজ্ঞানৰ গৱেষণা**

অসমত পদাৰ্থবিজ্ঞান গৱেষণাৰ দুৱাৰ মুকলি কৰে (১৯৬৫ চনত) কটন কলেজৰ ড° গোবিন্দচন্দ্ৰ ডেকাই। ড° ডেকাৰ তত্ত্বাৱধানত Hammer tracks and hyper fragmentsৰ সম্পৰ্কে গৱেষণা কৰি কিশোৰীমোহন পাঠকে ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানত প্ৰথম আৰু বিজ্ঞান শাখাত সপ্তম গৰাকী ডক্টৰেট ডিগ্ৰী লাভ কৰা গৱেষক। পদাৰ্থবিজ্ঞানৰ গৱেষণাত ড° ডেকা আছিল বাটকটীয়া। তেওঁ ফট'গ্ৰাফিক ইমালছন পদ্ধতিৰ গৱেষণাত যথেষ্ট খ্যাতি অৰ্জন কৰে। তেওঁৰ তত্ত্বাৱধানত ত্ৰিলোচন দেৱগোস্বামী, কনকচন্দ্ৰ ডেকা, হৰেন্দ্ৰৰাম ভূঞা, গজেন্দ্ৰচন্দ্ৰ তালুকদাৰকে ধৰি ১০-১২গৰাকী গৱেষকে ডক্টৰেট



ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত ড° পৱনচন্দ্ৰ মহন্তই এক্স-ৰে ডিফ্ৰেকচন বিষয়ত গৱেষণা চলায়। তেওঁৰ প্ৰথম গৰাকী গৱেষক যজ্ঞেশ্বৰ হাতীবৰুৱাই এই বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে ১৯৬৬ চনত। ১৯৬৬ চনতেই ড° ভূমিধৰ চৌধুৰীৰ তত্ত্বাৱধানত কন্দৰ্পকুমাৰ কাকতিয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰে (এজ'বেনজিন-২-ছালফিনাইল ছায়েনাইড গঠনত) আৰু ১৯৬৭ চনত ইন্দুমোহন দাসে ট্ৰৈ্া বেনজিন এজ'পফিনৰ গঠন অধ্যয়নত ডক্টৰেট ডিগ্ৰী লাভ কৰে। গৱেষণাৰ কামত কম্পিউটাৰৰ ব্যৱহাৰৰ বাবে বাট মুকলি কৰে ড° ভূমিধৰ চৌধুৰীয়ে। ড° কিশোৰীমোহন পাঠকে মহাজাগতিক ৰশ্মিৰ বিষয়ে গৱেষণা আৰম্ভ কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ত। পৰৱৰ্তী সময়ত তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ত উপাচাৰ্য হৈ থকা সময়ত তাতো এই বিষয়ত গৱেষণা অব্যাহত ৰাখিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত ড° প্ৰণয়ী দত্ত আৰু ড° কল্যাণী বৰুৱাই এই বিষয়ৰ গৱেষণাত সুনাম অৰ্জন কৰিছে। ড° আনন্দকুমাৰ বৰবৰা আৰু ড° মীনাক্ষী দেৱীয়ে বিদ্যুৎ চুম্বকীয় তৰঙ্গৰ আয়ন'স্ফিয়াৰৰ মাজেদি হোৱা সংবহনৰ বিষয়ত কৰা গৱেষণা উল্লেখযোগ্য। ড° ত্ৰিলোচন দেৱগোস্বামীৰ নেতৃত্বত নিউক্লিয়াছৰ দ্বিভঙ্গন, পৰাখণ্ড উপদ্ৰৱৰ অধ্যয়ন, জীৱৰ দেহত ইউৰেনিয়াম, ব'ৰ'ন আদি অনুমৌলৰ প্ৰভাৱ সম্পৰ্কে চলোৱা অধ্যয়নেও বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ড° হীৰালাল দুৱৰাৰ বিশ্বৰ আদি অৱস্থা আৰু মহাকৰ্ষণীয় তৰঙ্গৰ বিষয়ত কৰা তাত্ত্বিক গৱেষণাই খ্যাতি অৰ্জন কৰিছে। সেইদৰে ড° দিলীপকুমাৰ চৌধুৰীৰ প্ৰ'ট'ন আৰু কোৱাৰ্কৰ বিষয়ত চলোৱা তাত্ত্বিক গৱেষণা দেশ-বিদেশত সমাদৃত হৈছে। কটন কলেজৰ ড° কমলেন্দু দেৱ ক্ৰোড়ীৰ নেতৃত্বত পবিত্ৰকুমাৰ বৰগোহাঞি, তাৰকেশ্বৰ চৌধুৰী, জগদীশচন্দ্ৰ শৰ্মা, ধৰণীধৰ গোস্বামী আদিয়ে তাত্ত্বিক গৱেষণাত চলোৱা গৱেষণায়ো দেশ-বিদেশত সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ত আৰু কেইগৰাকীমান বিজ্ঞানীয়ে গৱেষণাত সফলতা লাভ কৰিছে। তেওঁলোক হ'ল: কনকচন্দ্ৰ মেধি আৰু ড° শঙ্কৰ জইচ (বৰ্ণালিৰ বিভিন্ন ধৰ্ম), ড° মহেন্দ্ৰনাথ বৰা (ৰেমি, এড়ি, মুগা, পাট, সূতাৰ গঠন আৰু তাপীয় ধৰ্ম), ড° হীৰালাল দাস (পাতল ফিল্ম), আবু ছালেহ আহমেদ (নিউট্ৰ'ন কণিকা), ড° ৰবীন্দ্ৰকুমাৰ শৰ্মা (এক্স-ৰেৰ সহায়ত 'পাতল ফিল্মৰ গঠন', নেন'মেটেৰিয়েল), ড° আতোৱাৰ ৰহমান (সৌৰ শক্তি আৰু অৰ্ধপৰিবাহীৰ পাতল ফিল্ম), ড° নিমাই সিং (হাই এনাৰ্জি ফিজিক্সৰ তাত্ত্বিক গৱেষণা), ড° অনুৰূপ গোহাঁই বৰুৱা (স্পেক্ট্ৰ'স্ক'পি), ড° দীপালি সৰকাৰ (পলিমাৰ), মাধুৰ্যপ্ৰসাদ বৰা (প্লাজমা ফিজিক্স) আৰু বুদ্ধদেৱ ভট্টাচাৰ্য (নিউক্লিয়াৰ সম্পৰ্কীয় অধ্যয়ন)।

ড° অনিলকুমাৰ গোস্বামীৰ উদ্যোগত অসম বিজ্ঞান সমিতিয়ে অসমত ইনষ্টিটিউট অৱ এডভান্সড ষ্টাডি ইন ছায়েন্স এণ্ড টেকন'ল'জি (IASST) নামৰ এটা মৌলিক আৰু প্ৰায়োগিক গৱেষণাৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল ১৯৭৯ চনত। এই প্ৰতিষ্ঠানে বহু কষ্টৰে দিন অতিবাহিত কৰিও গৱেষণাৰ কামত আগবাঢ়ি গৈছিল।

সেই সুবাদতে কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে (DST) ২০০৯ চনত এই অনুষ্ঠানৰ দায়িত্ব গ্ৰহণ কৰে। বৰ্তমান ইয়াত গৱেষণাৰ সা-সঁজুলিৰ অভাৱ নাই। ড° জয়ন্তী চুতীয়াৰ নেতৃত্বত ইয়াত প্লাজমা ফিজিক্সৰ উচ্চ স্তৰৰ গৱেষণা হৈছে আৰু সেইবোৰে দেশ-বিদেশৰপৰা স্বীকৃতি লাভ কৰিছে। ড° সৰ্বেশ্বৰ বুজৰবৰুৱাই প্ৰথমে ইয়াত প্লাজমা ফিজিক্সৰ গৱেষণা আৰম্ভ কৰিছিল যদিও পাছত তেওঁ স্বতন্ত্ৰীয়াভাৱে সোণাপুৰত চেণ্টাৰ ফৰ প্লাজমা ফিজিক্স স্থাপন কৰে। তেওঁৰ নেতৃত্বত প্লাজমা ফিজিক্সৰ উল্লেখনীয় কাম হৈছে।

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ত** ড° কপিলমোহন খান্নাৰ নেতৃত্বত নিউক্লিয়ৰ আৰু অতি-তৰল পদাৰ্থ সম্পৰ্কে কৰা তাত্ত্বিক গৱেষণাই বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ড° কমলকুমাৰ বৰুৱাই পাতল ৰশ্মিৰ বিষয়ত আৰু ড° পৰমানন্দ মহন্তই মূল নিউক্লিয়ৰ পদাৰ্থবিজ্ঞান, আধান পেৰিটি বিভঞ্জন আৰু কোৱাৰ্ক সম্পৰ্কে চলোৱা গৱেষণাই সুনাম অৰ্জন কৰিছে। জৈৱিক দীপ্তিৰ ওপৰত ড° গৌৰাঙ্গধৰ বৰুৱাই কৰা গৱেষণা উচ্চ প্ৰশংসিত হৈছে। ড° অমৰেন্দ্ৰ ৰাজপুত (ঘনাকাৰ স্ফটিক), ড° বনমালী বৈশ্য (পাতল ফিল্ম), ড° এ ফুকন (তৰল হিলিয়াম) আৰু ড° পি কে ভুঞাৰ (আয়নস্ফিয়াৰ) গৱেষণায়ো নতুন চামক প্ৰেৰণা যোগাইছে।

**তেজপুৰ বিশ্ববিদ্যালয়ত** নেন' বিজ্ঞান, অপ্‌টইলেক্ট্ৰনিকছ আৰু কনফ'কেল অণুবীক্ষণীয় যন্ত্ৰ আদিৰ গৱেষণাত ড° অমৰজ্যোতি চৌধুৰীয়ে উল্লেখনীয় বৰঙণি আগবঢ়াইছে। ড° প্ৰীতম দেৱ আৰু ডম্বৰুধৰ মহন্তই নেনবিজ্ঞানৰ গৱেষণাত সফলতা লাভ কৰিছে। হাই এনাৰ্জি ফিজিক্সৰ তাত্ত্বিক গৱেষণাত ড° জয়ন্তকুমাৰ শৰ্মাৰ নেতৃত্বত এটা গৱেষকৰ দলে বিজ্ঞানী মহলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। কনডেন্সড মেটাৰ ফিজিক্স আৰু গ্ল'বেল পজিচনিং পদ্ধতিৰ বিষয়ত ড° অশোক কুমাৰে উল্লেখযোগ্য কাম কৰিছে। আন এদল যুৱ বিজ্ঞানীয়ে গৱেষণাৰ কামত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। তেওঁলোক হ'ল: ড° নিধি ছাক্সেনা ভট্টাচাৰ্য (মাইক্ৰৱেভ মেটেৰিয়েলছ আৰু প্ৰযুক্তি), ড° গাজী আমিন আহমেদ (লেজাৰ, ফ'টনিকছ, নেনবিজ্ঞান), ড° মীনাক্ষী দাস (প্লাজমা ফিজিক্স) আদি।

**অসম বিশ্ববিদ্যালয়ত** জ্যোতি পদাৰ্থবিজ্ঞানত ড° অশোককুমাৰ সেন আৰু ড° এ শেখৰ দাসৰ গৱেষণা উচ্চ প্ৰশংসিত হৈছে। ড° ৰমেন্দু ভট্টাচাৰ্য, ড° বি ইন্দ্ৰজিৎ শৰ্মা আৰু ড° লাল থামিনি জাডেঙৰ কনডেন্সড মেটাৰ ফিজিক্সৰ গৱেষণা, ড° আত্ৰি দেশমুখ্য আৰু ড° এ ছেন'ৰিটা দেৱীৰ হাই এনাৰ্জি ফিজিক্সৰ গৱেষণাও উল্লেখযোগ্য। ড° উৎপল সৰকাৰ আৰু ড° পি কে শুক্লাই ৰাসায়নিক ফিজিক্সৰ বিভিন্ন দিশত অধ্যয়ন চলাই আছে। ড° বিধান মহন্তই নিউক্লিয়ৰ পদাৰ্থবিজ্ঞানত সফলতা লাভ কৰিছে।

**প্ৰাণীবিজ্ঞানৰ** প্ৰতি চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ আওকণীয়া মনোভাবৰ বাবে ১৯৬৩ চনতহে যশোদানন্দ ভৰালী, মৈত্ৰেয়ী দাস আৰু সুভাষচন্দ্ৰ দে— এই তিনিগৰাকী প্ৰবক্তাক লৈ এই বিভাগ আৰম্ভ কৰা হয়। এডিনবৰাৰপৰা ডক্টৰেট ডিগ্ৰী লৈ আহি ড° কালীনাথ শৰ্মাই কটন কলেজত কিছুদিন কাম কৰাৰ পাছত বিশ্ববিদ্যালয়ত যোগ দিয়ে। ড° শৰ্মাই সীমিত সা-সুবিধাৰ মাজত মুগা পলু আৰু মকৰাৰ সম্পৰ্কে গৱেষণা চলাই কৃতিত্ব অৰ্জন কৰে। ড° তাৰিণীচৰণ ডেকাই কম সময়ৰ ভিতৰত পোক-পতঙ্গৰ বায়'নমিকছ-ইক'বায়'লজি আদি বিষয়ৰ ওপৰত অধ্যয়ন চলাই খ্যাতি অৰ্জন কৰে। ড° ৰাজেন্দ্ৰপ্ৰসাদ চৌধুৰীয়ে হৰম'ন আৰু বায়'-ইক'লজিত গৱেষণা কৰিছিল। মৎস্য জীৱবিজ্ঞান আৰু লিমনলজিৰ গৱেষণা আৰম্ভ কৰে ড° সুভাষচন্দ্ৰ দেই। এতিয়া ড° মৃগেন্দ্ৰমোহন গোস্বামীৰ নেতৃত্বত এই গৱেষণাই আশাপ্ৰদ ফল লাভ কৰিছে আৰু এটা প্ৰকল্পত এই অঞ্চলত উৎপন্ন মাছৰ মৎস্য জীন বেংক স্থাপনৰ প্ৰচেষ্টা চলিছে। ড° উমেশচন্দ্ৰ গোস্বামীয়ে মাছৰ দেহত ভিটামিনৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন চলাই আছে। ড° মৈত্ৰেয়ী দাসৰ কোষবিজ্ঞান, হিমাট'লজি অধ্যয়ন আৰু ড° অপৰাজিতা বৰকটকীৰ কোষ-জীৱবিজ্ঞান আৰু বায়'নমিকছৰ গৱেষণাও উল্লেখযোগ্য। ড° হৰিচন্দ্ৰ মহন্তৰ ভ্ৰূণৰ বিকাশ, হৰম'নৰ প্ৰভাৱ আৰু দেহতত্ত্বৰ অধ্যয়ন আৰু ড° পৰিমলচন্দ্ৰ ভট্টাচাৰ্যৰ পৰিৱেশ আৰু জীৱ-জন্তুৰ সংৰক্ষণ সম্পৰ্কত কৰা অধ্যয়ন বিজ্ঞানী-সমাজত সমাদৃত হৈছে। ড° অমলেশ দত্তই মীন পালন আৰু ইক'-বায়লজিৰ বিষয়ত গৱেষণা চলাইছে। তেওঁৰ দীপৰ বিলৰ ওপৰত চলোৱা গৱেষণাই পৰিৱেশবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। ড° যতীন কলিতাৰ পোক-পতঙ্গৰ ওপৰত, বিশেষকৈ পখিলাৰ ওপৰত কৰা গৱেষণাই দেশ-বিদেশৰ প্ৰাণীবিদৰ দৃষ্টি-আকৰ্ষণ কৰিব পৰিছে। ড° যোগেন কলিতাই এণ্ড'ক্ৰাইন আৰু প্ৰজননত (উৰ্বৰতা, অনুৰ্বৰতাত) ঔষধি উদ্ভিদৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰি সফলতা অৰ্জন কৰিছে। আই এ এছ এছ টি (IASST)ত মুগা পলু সম্পৰ্কে কৰা গৱেষণা বেছ তাৎপৰ্যপূৰ্ণ। সাধাৰণতে মুগা পলু এৰী পলুৰ দৰে ঘৰৰ ভিতৰত পোহা নহয়। পলুবোৰ গছত মেলি দিয়া হয়। এই প্ৰতিষ্ঠানত মুগা পলু ঘৰৰ ভিতৰতে পুহি সাফল্য লাভ কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ড° এছ পি বিশ্বাস আৰু ড° এ কে ৰায়ৰ মৎস্য আৰু মৎস্য-জীৱবিজ্ঞান সম্পৰ্কে কৰা গৱেষণা উল্লেখযোগ্য। আৰু এন এছ যাদৱে জীৱ-ৰসায়নত গুৰুত্বপূৰ্ণ কাম কৰি আছে। দীপশিখা বৰাই পোক-পতঙ্গ আৰু এণ্ড'ক্ৰাইনলজিৰ ওপৰত গৱেষণা কৰি সফল হ'ব পাৰিছে।



### নৃতত্ত্বৰ গৱেষণা

অসম নহয় সমস্ত পূৰ্বাঞ্চলত নৃতাত্ত্বিক গৱেষণাৰ প্ৰচুৰ সমল আছে। ইয়াত ইমানবোৰ জনগোষ্ঠী, ভাষা-উপভাষা আছে যে এইবোৰৰ গৱেষণা আৰু জাতি-উপজাতিৰ মাজৰ সাদৃশ্য বিচাৰি উলিওৱা কাম গৱেষকসকলে কৰি আছে। ঔপনিবেশিক নৃতত্ত্ববিদসকলে ওঠৰ-ঊনৈছ শতিকাৰপৰাই জাতি-উপজাতিৰ দৈহিক অৱয়ৱ আৰু বুদ্ধি-বৃত্তি সম্পৰ্কে অধ্যয়ন কৰিছিল আৰু জাতি-উপজাতিৰ মাজত বিভেদৰ ৰোখাডাল টানিছিল। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত নৃতত্ত্ববিজ্ঞান

আৰম্ভ হোৱাৰ লগে লগে এই বিষয়ৰ চৰ্চা আৰম্ভ হয়। কলিকতা বিশ্ববিদালয়ত শিক্ষা লাভ কৰি অহা মহেন্দ্ৰনাথ শালৈ (কটন কলেজৰ অধ্যাপক) আৰু মাধৱচন্দ্ৰ গোস্বামীয়ে কলিকতা বিশ্ববিদ্যালয়ৰ নৃতত্ত্বৰ ধাৰা ভাৰতত প্ৰচলন কৰিছিল। কিন্তু কলিকতাতেই তাৰকচন্দ্ৰ দাসে নৃতত্ত্বৰ সংস্কৃতিৰ সংজ্ঞা আদি নতুনকৈ ব্যাখ্যা কৰে আৰু নিৰ্মলচন্দ্ৰ বসুৱে ভাৰতীয় পৰিস্থিতিত নৃতত্ত্বক স্বাধীন মনোভাৱেৰে ব্যাখ্যা কৰিবলৈ লয়। মাধৱচন্দ্ৰ গোস্বামী পুৰণি ধাৰাৰ সমৰ্থক আছিল। আনহাতে ড° অন্নদাচৰণ ভাগৱতীয়ে নতুন ধাৰাটো প্ৰৱৰ্তন কৰে। অধ্যাপক মাধৱচন্দ্ৰ গোস্বামীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় আৰু অসমীয়া সমাজৰ সম্পৰ্ক, অসমত জনজাতীয় সমাজৰ ক্ৰম ৰূপান্তৰ প্ৰক্ৰিয়া, জনজাতীয় সমাজত নব্য কৃষকৰ অভ্যুদয়, মংগোলিয়ান মানুহ আৰু অসমীয়া মানুহৰ সাংস্কৃতিক সমন্বয় আদিৰ বিষয়ে গৱেষণা কৰিছিল। তেওঁৰ তত্ত্বাৱধানত একুৰিৰো অধিক গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। অধ্যাপক গোস্বামীৰ আন এক অমূল্য অৱদান হ'ল— বিভাগীয় মিউজিয়ামটো, যিটো বিশ্ববিদ্যালয়ৰ এক গৌৰৱৰ সম্পদ হিচাপে গঢ়ি তুলিছিল। ড° ভুৱনমোহন দাসে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এদল গৱেষকক লৈ অসমত আৱয়ৱিক নৃতত্ত্বৰ অধ্যয়নৰদ্বাৰা বিভিন্ন প্ৰজাতিৰ জনগোষ্ঠীয় অৱস্থান, দৈহিক বৈশিষ্ট্যৰ পাৰ্থক্য আৰু সাদৃশ্য আৰু অনুবিৰৰ্তনীয় বিষয়বোৰ পোহৰলৈ আনিছে। এই দিশত কান্তি পাকৰাশি, প্ৰিয়বালা দাস আৰু ড° উষা ডেকা মহাপাত্ৰৰ অৱদানো উল্লেখযোগ্য। ড° অন্নদাচৰণ ভাগৱতীৰ অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ক, অসমীয়া সমাজৰ পৰিয়াল, সৃজনতা আদিৰ অধ্যয়নে এটি নতুন ধাৰাৰ জন্ম দিছে। ড° তৰুণচন্দ্ৰ শৰ্মাৰ পুৰাতত্ত্ব সম্পৰ্কীয় গৱেষণা দেশ-বিদেশত সমাদৃত। বাপুকণ চৌধুৰীৰ (দৈহিক বৃদ্ধি আৰু অৱয়ৱ) আৰু ড° এ এন এম ইৰছাদ আলীৰ (জনগোষ্ঠী) গৱেষণাও উল্লেখযোগ্য। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইন্দিৰা বৰুৱা আৰু সাৰ্থক সেনগুপ্তই দৈহিক অৱয়ৱৰ বিষয়ত কৰা গৱেষণাই বিভিন্ন জনগোষ্ঠীৰ মাজত থকা সম্পৰ্কত আলোকপাত কৰিছে। ড° বিৰিঞ্চিকুমাৰ মেধিয়ে অসমৰ সামাজিক দিশত গৱেষণা কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাণী হাজৰিকা আৰু ড° সুশীল সিন্‌হাই আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ড° নিতুল গগৈয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক নেতৃত্বৰ বহু দিশ উন্মোচন কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আশ্ৰফ আব্দুলা আৰু দিলীপ মেধিয়ে প্ৰাগৈতিহাসিক সমলৰ ওপৰত কৰা গৱেষণা উল্লেখযোগ্য। ৰেখা দাসৰ মানুহৰ অৱয়ৱৰ বিষয়ত কৰা গৱেষণাই ভুৱনমোহন দাসে আৰম্ভ কৰা গৱেষণাক গতি প্ৰদান কৰিছে। ধীৰেন্দ্ৰনাথ মজুমদাৰে বহু বছৰ গাৰো জনগোষ্ঠীৰ মাজত থাকি গাৰোসকলৰ সামাজিক-সাংস্কৃতিক দিশ পোহৰলৈ আনিছে। অসমৰ জনজাতিসকলৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি ট্ৰাইবেল ৰিছাৰ্চ ইনষ্টিটিউট আৰু যোৰহাটৰ এগ্ৰ'ইক'নমিক ৰিছাৰ্চ ইনষ্টিটিউটে বহু কেইখন পুথি আৰু মন'গ্ৰাফ প্ৰকাশ কৰিছে। এইবোৰ আধুনিক গৱেষণাৰ আলোকত সংশোধন আৰু সংবৰ্ধন কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগে। নৃতত্ত্ববিজ্ঞানৰ অধ্যয়ন আৰু ফলাফলবোৰৰ



সুচিন্তিতভাৱে সঙ্কলন-সম্পাদনৰ কাম কৰিলেহে নৃগোষ্ঠীসমূহৰ মজৰ সংঘৰ্ষ ৰোধ কৰিব পৰা যাব।

ভূগোল বিজ্ঞানক অসমত এক অনাদৃত বিষয়ত পৰিণত কৰিছে চৰকাৰে আৰু শিক্ষা বিভাগৰ বৰমূৰীয়াসকলে। ফলত নতুন প্ৰজন্মই নিজৰ দেশখনকে চিনি নাপায়। নুবুজে জল, বায়ু, মাটি কি আৰু এইবোৰৰ মানৱজীৱনৰ প্ৰতি অৱদান কি। ঔপনিৱেশতাবাদীসকলেও সীমিত পৰিসৰত বিদ্যালয়-মহাবিদ্যালয়সমূহত ভূগোলক পাঠ্যপুথিত স্থান দিছিল। ব্ৰিটিছে বেপাৰী হিচাপে ভাৰতত খোপনি পুতিছিল। সেয়েহে মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত বাণিজ্যিক ভূগোল অন্তৰ্ভুক্ত কৰিছিল। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে বেচেলৰ অৱ টিচিং (BT) পাঠ্যক্ৰম খুলি তাত ভূগোলকো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰে। ১৯৪৯ চনত বিশ্ববিদ্যালয়ত ভূগোল বিজ্ঞানৰ স্নাতক আৰু ১৯৫৮ চনত স্নাতকোত্তৰ শ্ৰেণী খোলা হয়। দুই-তিনিজন ছাত্ৰছাত্ৰীৰে আৰম্ভ কৰা এই বিষয়ত বৰ্তমান ছাত্ৰছাত্ৰীৰ সংখ্যা ৩৫। লণ্ডন বিশ্ববিদ্যালয়ত ডক্টৰেট উপাধি লৈ অহা হৰিপ্ৰসন্ন দাসে এই বিভাগৰ মুৰব্বীৰ দায়িত্ব লৈছিল। তেওঁৰ তত্ত্বাৱধানত মীনধৰ বৰঠাকুৰে ডক্টৰেট ডিগ্ৰী লাভ কৰে অৰ্থনৈতিক ভূগোলত (১৯৬৬ চনত)। প্ৰাক্তন অধ্যাপক ড° মনোমোহন দাসে লিখিছে "... ১৯৬০ৰ দশকৰ শেষলৈকে পৃথিবীৰ অন্যান্য দেশত সাংখ্যিক পদ্ধতিৰে লজিকেল পজিটিভিজম দৰ্শনৰ ভিত্তিত ভূগোল বিজ্ঞানৰ গৱেষণা আৰু চিন্তাচৰ্চা চলিছিল। কিন্তু ১৯৭০ৰ দশকৰ আৰম্ভণিৰেপৰা উক্ত পদ্ধতি আৰু দৰ্শনৰ ওপৰত বিতুষ্ট হৈ কিছুসংখ্যক ভূগোল বিজ্ঞানীয়ে পৰিঘটনাতত্ত্ব (phenomenology), অস্তিত্ববাদ (existentialism), আদৰ্শবাদ (idealism) বাস্তৱবাদ (realism), পৰিৱেশ নিয়ন্ত্ৰণবাদ, মাৰ্ক্সবাদ আদি দৰ্শনৰ ওপৰত ভিত্তি কৰি বিশ্লেষণাত্মক চিন্তা-চৰ্চা আৰম্ভ কৰে।" ড° মহেশচন্দ্ৰ ভূঞাৰ গৱেষণাপত্ৰত বাস্তৱবাদ আৰু ড° মনোমোহন দাসৰ গৱেষণাত মাৰ্ক্সবাদৰ প্ৰভাৱ পৰা যেন লাগে। দাসে মানৱ ভূগোলৰ গৱেষণাত ৰেডিকেল চিন্তাধাৰাৰ পৰম্পৰা এটা গঢ়ি তুলিছে। অৱনীকুমাৰ ভাগৱতীয়ে জনসংখ্যা গাঁথনি, কৃষকৰ সমস্যা আৰু পৰিৱেশৰ ওপৰত ফলপ্ৰসূ অধ্যয়ন কৰিছে। কৃষি-ভূগোল, জনসংখ্যা গাঁথনি, সামাজিক ভূগোল, পৰিৱেশ আৰু মাত্ৰাত্মক ভূগোলৰ বিষয়ত গৱেষণা কৰি আছে লক্ষ্যহীৰা দত্ত, বিমল কৰ, মধুশ্ৰী দাস আদিয়ে। ৰত্নেশ্বৰ বৰ্মন, অশোককুমাৰ বৰা আৰু ধ্ৰুৱজ্যোতি চহৰীয়াই ভূপ্ৰাকৃতিক বিজ্ঞান অধ্যয়ন কৰাৰ উপৰি মানচিত্ৰ বিজ্ঞান, দূৰ-সংবেদন আৰু মাত্ৰাত্মক ভূগোলৰ গৱেষণাত সাফল্য লাভ কৰিছে। জি আই এছ আঞ্চলিক পৰিকল্পনাত অনুপ শইকীয়া আৰু মানচিত্ৰ-বিজ্ঞান, পৰ্যটন আৰু জি আই এছ অধ্যয়নত ব্যস্ত হৈ আছে প্ৰশান্ত ভট্টাচাৰ্য। ভূগোল বিজ্ঞান যে এক আদৰণীয় বিজ্ঞান এই গৱেষকসকলৰ অধ্যয়ন আৰু সমাজচেতনাই তাকে প্ৰমাণ কৰিছে।

## ভূতাত্ত্বিক গৱেষণা

এই অঞ্চলত জমা হৈ থকা কয়লা, খনিজ পদাৰ্থ আৰু তেলৰ উমান পাই ঔপনিৱেশিকতাবাদীসকলে উজনি খণ্ডক নিজৰ শাসনৰ অধীনলৈ নিয়ে (১৮৩৮ অক্টোবৰ)। প্ৰথমতে প্ৰয়োজনীয় কয়লাৰ চাহিদা-পূৰণৰ বাবে ব্ৰিটিছে কয়লাক্ষেত্ৰসমূহৰ আবিষ্কাৰৰ ওপৰতহে বেছিকৈ গুৰুত্ব দিছিল। ইষ্ট ইণ্ডিয়া কোম্পানিয়ে ভাৰতৰ ভূতাত্ত্বিক জৰীপ সংস্থা (Geological Survey of India) গঠন কৰি ইয়াক ভূতাত্ত্বিক অনুসন্ধানৰ দায়িত্ব দিছিল। এই সংস্থাৰ দূৰদৃষ্টিসম্পন্ন সঞ্চালক ড° টমাছ অ'ল্ডহামে অকল কেঁচামাল আহৰণতেই সংস্থাৰ কাম সীমাবদ্ধ নাৰাখি লো, চূণশিল, খনিজ লোণ, খনিজ তেল আৰু সোণ আদি উদ্‌ঘাটনৰ জৰিয়তে অসম তথা ভাৰতৰ অৰ্থনৈতিক বুনিয়াদ মজবুত কৰাৰ পৰিকল্পনা হাতত লৈছিল। তেওঁৰ লগতে তেওঁৰ সহযোগী এইচ বি মেডলিকটে উজনি অসমত তেল আৰু কয়লাৰ অনুসন্ধান চলায়। পৰৱৰ্তী সময়ত এফ আৰ মালেটে এই অনুসন্ধান নগা পাহাৰলৈ সম্প্ৰসাৰিত কৰে। ইষ্ট ইণ্ডিয়া কোম্পানিৰপৰা শাসনভাৰ ব্ৰিটিছে গ্ৰহণ কৰাৰ পাছত অধ্যয়ন আৰু অনুসন্ধান তীব্ৰতৰ হয় আৰু কেপ্টেইন হেন্নেৰ উদ্যোগৰ ফলত ১৮৬৬ চনৰ শেহৰ ফালে নাহৰপুঙত খনিজ তেলৰ প্ৰথমটো কূপ খন্দা হয়। অৱশ্যে ইয়াত গেছহে পোৱা গৈছিল। পাছত ডিগবৈতহে ১৮৯০ চনত কূপ খনন কৰি তেল পোৱা যায়। ১৮৯৯ চনত অসম অয়ল কোম্পানি (AOC) গঠিত হয়। খনিজ তেলৰ আবিষ্কাৰে ভূতাত্ত্বিক গৱেষণালৈ এক বৈপ্লৱিক পৰিৱৰ্তন আনে। বাৰ্মা অয়ল কোম্পানিয়েও অসমৰ তৈলক্ষেত্ৰৰ ওপৰত জৰীপ চলায়। এই কোম্পানিয়ে চলোৱা অভিকৰ্ষ জৰীপ (Gravity Survey) আৰু ভূকম্পীয় জৰীপে নাহৰকটীয়াত তৈলক্ষেত্ৰ আবিষ্কাৰত সহায় কৰে। ১৯৫৮ চনত ভাৰত চৰকাৰ আৰু বাৰ্মা অয়ল কোম্পানিয়ে যৌথভাৱে ভাৰতীয় তেল নিগম (OIL) প্ৰতিষ্ঠা কৰে। ১৯৫৫ চনত গঠিত তেল আৰু প্ৰাকৃতিক গেছ নিগম অ' এন জি চিৰ (ONGC) গৱেষণাৰ ফলত ১৯৬৩ চনত ৰুদ্ৰসাগৰ আৰু লাকুৱাৰ তৈলক্ষেত্ৰ আৰু ১৯৬৮ চনত গেলেকী তৈলক্ষেত্ৰ আবিষ্কৃত হয়। অসমৰ লো আৰু সোণ আকৰৰ ওপৰতো ছেগা-চোৰোকাকৈ অনুসন্ধান চলিছিল। অসমত বৰ্তমান কেইবাটাও ৰাজ্যিক আৰু কেন্দ্ৰীয় অনুষ্ঠানে ভূতাত্ত্বিক অনুসন্ধান, খনিজ-সম্পদৰ উদ্‌ঘাটন আৰু উৎপাদন, ভূমিকম্পৰ ওপৰত গৱেষণা আদি অব্যাহত ৰাখিছে। এইবোৰৰ ভিতৰত জি এছ আই, ভাৰতীয় তেল নিগম (OIL), অ' এন জি চি (ONGC), ভাৰতীয় কয়লা নিগম (CIL), কেন্দ্ৰীয় ভূজল পৰিষদ (CGWB), পাৰমাণৱিক খনি বিভাগ (AMD), আঞ্চলিক গৱেষণাগাৰ (RRL), ভাৰতীয় কয়লা ইন্ধন গৱেষণাগাৰ (CFRI), অসমৰ ভূতাত্ত্বিক আৰু খনি সঞ্চালকালয় (DGM) আৰু অসম খনিজ উন্নয়ন নিগম (AMDC)। এই অনুষ্ঠানবোৰৰ নামেই পৰিচয়।

আমি এতিয়া বিদ্যায়তনিক ক্ষেত্ৰত গৱেষণাৰ কিছু আভাস দিম। **গুৱাহাটী**



**বিশ্ববিদ্যালয়ত** স্নাতক (১৯৪৯-৫০) আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম (১৯৫৩) খোলাৰ পাছত আনুষ্ঠানিক শিক্ষা আৰু গৱেষণাৰ পথ প্ৰশস্ত হয়। অসমৰ কয়লাৰ ওপৰত থেছিছ দাখিল কৰি দেৱেন্দ্ৰনাৰায়ণ দেৱগোস্বামীয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰে। ড° যামিনীমোহন চৌধুৰীয়ে গোস্বামী আৰু আন কেইবাগৰাকী গৱেষকক শিলান্তৰৰ ভৌতিক, ৰাসায়নিক আৰু গঠন-বিন্যাসৰ ওপৰত গৱেষণাৰ বাবে উৎসাহ যোগাইছিল। এই বিভাগটো বৰ্তমান আধুনিক যন্ত্ৰপাতিৰে সজ্জিত আৰু ড° পৰশকুমাৰ চৌধুৰী, ড° এম এন ৰাও আৰু ড° অমূল্য মজুমদাৰে শিলান্তৰৰ ৰূপান্তৰ (metamorphic), ড° চণ্ডীচৰণ ভট্টাচাৰ্যই সংগঠন, ড° মহেন্দ্ৰনাথ আচাৰ্যই চূণশিল, ড° ইন্দ্ৰমোহন হাজৰিকা, ড° জয়ন্ত লস্কৰ, ড° প্ৰদীপকুমাৰ দাস আদিয়ে গেদীয় ভূতত্ত্ব, ড° এ ডি পাটগিৰি আৰু পৰাগ ফুকনে ভূতাত্ত্বিক সংগঠনৰ ওপৰত উল্লেখনীয় কাম কৰিছে। দেৱেন্দ্ৰনাৰায়ণ দেৱ গোস্বামী, ড° মহিমুদ্দিন আহমেদ, শৰৎ ফুকন প্ৰমুখ্যে কেইবাগৰাকী বিজ্ঞানীয়ে কয়লা আৰু ড° পৰশকুমাৰ চৌধুৰী, ড° ছয়দুৰ ৰহমান প্ৰমুখ্যে বিজ্ঞানীয়ে ৰূপান্তৰিত পেট্ৰ'লিয়াম আদিৰ ওপৰত সফল গৱেষণা কৰিছে। ড° ভাগৱতপ্ৰাণ দুৱৰাই গেদীয় ভূত্বকৰ উপৰি ভূকম্পন প্ৰযুক্তিৰ ওপৰত অধ্যয়ন কৰি এক নতুন ধাৰা প্ৰৱৰ্তন কৰিছে। ড° প্ৰণৱজ্যোতি ডেকাই এই অঞ্চলৰ কেতবোৰ নদীত সোণৰ কণিকা আৱিষ্কাৰ কৰিছিল। ভূত্বকৰ সংগঠন চৌম্বক গুণৰ ওপৰত ড° কালীপ্ৰসাদ শৰ্মাৰ অধ্যয়ন আৰু ভূ-ৰসায়নৰ ওপৰত বলেন ভাগৱতীৰ অধ্যয়নে আশাৰ ৰেঙণি দেখুৱাইছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ড° শিশিৰকুমাৰ দত্তৰ তত্ত্বাৱধানত ভূ-গৰ্ভস্থ জল, জল নিকাশদ্ৰোণী আৰু গেদীয় শিলৰ ভৌতিক ভূ-ৰসায়নিক গঠন সম্পৰ্কে কেইবাগৰাকী গৱেষকে অধ্যয়ন কৰিছিল। এতিয়া ড° যোগেন শৰ্মাৰ নেতৃত্বত ভূত্বকৰ গঠন আৰু নদীৰ বিষয়ত, ড° মৃণাল দত্তৰ তত্ত্বাৱধানত কয়লাৰ বিভিন্ন দিশৰ ওপৰত আৰু ড° দিলীপ মজুমদাৰৰ নেতৃত্বত ভূ-ৰসায়ন আৰু আগ্নেয় শিলা সম্পৰ্কত গৱেষণা অব্যাহত আছে। **অসম বিশ্ববিদ্যালয়ত** ভূ-বিজ্ঞান (Earth Science) বিষয় খোলা হৈছে। ইয়াত ড° নগেন্দ্ৰ পাণ্ডে (গেদশিলা বিজ্ঞান), ফাৰুক হুছেইন (ভূ-ৰসায়ন, পেট্ৰ'লজি, ভূ-বিবৰ্তিত শিল), কে কৃষ্ণকান্ত সিং (জি আই এছ, দূৰ-সংবেদন) আৰু কৃপাময় সৰকাৰে (ইঞ্জিনিয়াৰিং আৰু ভূ-বিজ্ঞান) কামকাজ আৰম্ভ কৰিছে। এই বিভাগ এতিয়া চালুকীয়া অৱস্থাত আছে।

## গণিত বিজ্ঞান

এটা সময়ত কটন কলেজেই আছিল গণিত শিক্ষাৰ প্ৰাণকেন্দ্ৰ। অতি মেধাৱী আৰু সফল শিক্ষকসকল তাত তৰাৰ দৰে জিলিকি আছিল। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত গণিত আৰু পৰিসংখ্যা বিভাগ আৰম্ভ হয়। গৌৰৱৰ কথা যে এই বিভাগৰ মুৰব্বী হিচাপে যোগদান কৰিছিল কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ৰেংলাৰ (wrangler, কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ গণিতত প্ৰথম শ্ৰেণী লাভ কৰা ব্যক্তি) ৰেংছি

দেতাৰাম থাৱানি (V. D. Thwawani)। প্ৰবাদপ্ৰতিম এইগৰাকী গণিতজ্ঞই গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগক দেশৰ ভিতৰত এক অগ্ৰণী বিভাগ হিচাপে গঢ়ি তুলিছিল। গৱেষণাৰ কাম আৰম্ভ হয় আশীৰ দশকৰপৰাহে। ড° বিনয়কুমাৰ তামূলী আৰু ড° বুদ্ধপ্ৰসাদ চেতিয়াই বীজগণিতৰ বিভিন্ন দিশত গৱেষণা চলাইছিল। ড° কে ৰাজেন্দ্ৰ সিঙে মেগনেটো হাইড্ৰ'ডাইনেমিকছ, ড° উপেন্দ্ৰনাথ দাস আৰু ড° উপেন্দ্ৰনাথ মিশ্ৰই ফ্লুইড ডাইনেমিকছৰ ওপৰত সফল গৱেষণা কৰিছে। প্ৰয়াত ড° ৰত্নজিৎ ভট্টাচাৰ্যৰ গৱেষণাৰ বিষয় আছিল আপেক্ষিকতা আৰু গণিতৰ শিক্ষণ। বৰ্তমান এই বিভাগত শিক্ষা আৰু গৱেষণা দুৰন্ত গতিত আগবাঢ়িছে। বীজগণিতৰ বিভিন্ন দিশ, টপ'ল'জি, গ্ৰাফ থিঅ'ৰি, ফাজি টপ'ল'জি, ফাজি এলজেবৰা, বেনাক এলজেবৰা, আপেক্ষিকতা, নাম্বাৰ থিঅ'ৰি, ফাজি লিনিয়াৰ প্ৰগ্ৰেমিং আদি দিশত সক্ৰিয়ভাৱে গৱেষণা কৰি আছে ড° ভৱেন কলিতা, ড° নন্দৰাম দাস, ড° খনীন্দ্ৰচন্দ্ৰ চৌধুৰী, ড° কুন্তলা পাত্ৰ, ড° এইচ কে কলিতা, ড° কে দাস, ড° এইচ কে বৰুৱা, ড° পি ৰাজখোৱা আৰু ড° এইচ বৰুৱাই। ড° তাৰিণীকুমাৰ দত্তৰ ফাংচনেল এনালিছিছ আৰু ডাইনেমিকেল ছিষ্টেম, ড° ৰীতা চৌধুৰীৰ ফ্লুইড ডাইনেমিকছ, বায়'মেথমেটিকছ, ড° ৰুদ্ৰ ডেকাৰ কম্পিউটেচনেল ফ্লুইড ডাইনেমিকছ আৰু নজিবুদ্দিন আহমেদৰ মেগনেট' হাইড্ৰ'ডাইনিক্স গৱেষণা উল্লেখযোগ্য। আই এ এছ এছটিত ড° বি চি ত্ৰিপাঠীয়ে প্ৰশংসনীয় কাম কৰিছে। বয়সত চালুকীয়া হ'লেও অসম বিশ্ববিদ্যালয়তো কেইবাগৰাকীও গণিত বিজ্ঞানীয়ে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। তাৰ ভিতৰত ড° ডি বিশ্বাস (ফ্লুইড মেকানিকছ, নন-নিউট'নিয়ান ফ্লুইড, আপেক্ষিকতা), ড° কে ডি চৌধুৰী (অপাৰেচনেল ৰিছাৰ্চ, কম্পিউটাৰৰ প্ৰয়োগ), ড° নবেন্দু সেন (অপাৰেছনেল ৰিছাৰ্চ মেথমেটিকেল মডেলিং), ড° ইউ এছ চক্ৰৱৰ্তী (ফ্লুইড মেকানিকছ, টপ'লজি), ড° সুমিত সাহা (অপাৰেচনেল ৰিছাৰ্চ) আদিয়ে নিজ নিজ ক্ষেত্ৰত সফলতা অৰ্জন কৰিছে। তদুপৰি ফ্লুইড মেকানিকছ, লিনিয়াৰ এলজেবৰা, নিউমাৰিকেল এনালিছিছ, এম এইচ ডি আপেক্ষিকতা, কম্পিউটেটিড এলজেবৰা, নাম্বাৰ থিঅ'ৰি আদিত গৱেষণা অব্যাহত ৰাখিছে এছ বেহেৰা, এছ সেনগুপ্ত, এন জে সিং, এন কে শৰ্মা আদি যুৱ বিজ্ঞানীয়ে।

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান (ITI)ত ড° ভৱকুমাৰ শৰ্মাৰ নেতৃত্বত স্পেচিয়েল গ্ৰাফ থিঅ'ৰি আৰু কম্বিনেট'ৰিল মেট্ৰিক্স থিঅ'ৰিৰ ওপৰত চলা গৱেষণা উল্লেখযোগ্য। ড° ৰফিকুল আলম (নিউমাৰিকেল ফাংচনেল এনালিছিছ আৰু নিউমাৰিকেল লিনিয়াৰ এলজেবৰা), ড° বিকাশ ভট্টাচাৰ্য (গ্ৰাফ থিঅ'ৰি), ড° শ্ৰীময়ী বৰা (নিউমাৰিকেল লিনিয়াৰ এলজেবৰা), ড° স্বৰূপনন্দন বৰা (ৱাটাৰ ৱেভ মেকানিকছ আৰু ৰিভাৰ মেকানিকছ), দুৰ্গাচৰণ দালাল (কম্পিউটেচনেল ফ্লুইড ডাইনেমিকছ), ড° জিতেন্দ্ৰচন্দ্ৰ কলিতা (কম্পিউটেচনেল ফ্লুইড ডাইনেমিকছ), ড° কল্পেশ কাপুৰ (এলগ'ৰিডমছ আৰু ব'ৰ্ড কম্বিনেট'ৰিকছ), ড° সুকান্ত পাতি (মেট্ৰিক্স আৰু গ্ৰাফ), ড° এম গুৰু প্ৰেমপ্ৰসাদ (কমপ্লেক্স ডাইনেমিকছ), ড° অনুপম শইকীয়া



(নাম্বাৰ থিঅ'ৰি), ড° এন ছেলভাৰাজু (কিউং থিঅ'ৰি, অৰ্থনৈতিক গণিত আৰু অপাৰেচনেল ৰিছাৰ্চ), ড° ৰাজেনকুমাৰ সিন্‌হা (নিউমাৰিকেল এনালিছিছ), ড° নাটেছান শ্ৰীনিবাসন (নিউমাৰিকেল সমাধান) আদি বিজ্ঞানীৰ গৱেষণায়ো দেশ-বিদেশত সমাদৰ লাভ কৰিছে। তদুপৰি শ্ৰীপৰ্ণা বন্দ্যোপাধ্যায়, ড° অঞ্জনকুমাৰ চক্ৰৱৰ্তী, ড° সিদ্ধাৰ্থ পি চক্ৰৱৰ্তী, ড° গৌতম কে দাস, ড° অৰিন্দমকুমাৰ দে, ড° পি এ এছ শ্ৰীকৃষ্ণ, ড° এম ভি কৃষ্ণ, ড° পাৰ্থসাৰথি মণ্ডল, ড° এইচ ৰমেশ, ড° কে বি শ্ৰীকান্ত, ড° জিতেন্দ্ৰ ছোৱাইন, ড° শ্যামাশ্ৰী উপাধ্যায় আৰু ড° বিনয় ৰাঘ আদি যুৱ-বিজ্ঞানীয়ে অহৰ্নিশে কাম কৰি আছে। তেজপুৰ বিশ্ববিদ্যালয়ত ড° নয়নদীপ ডেকা বৰুৱাৰ 'নাম্বাৰ থিঅ'ৰি ৰামানুজনৰ গণিত' আৰু ড° দেৱজিৎ হাজৰিকাৰ 'জেনেৰেল টপ'ল'জি, ফাজি ছেটছ'ৰ ওপৰত কৰা গৱেষণাও উল্লেখনীয়। তদুপৰি ড° ভীষ্মপ্ৰসাদ শৰ্মা (থিঅ'ৰেটিকেল ফিজিক্স), ড° মুনীন হাজৰিকা (অপাৰেটৰ থিঅ'ৰি, ফাংচনেল এনালিছিছ), ড° ৰূপম বৰুৱা (বীজগণিতীয় নাম্বাৰ থিঅ'ৰি), শুভম সেন (কম্পিউটচনেল ফ্লুইড ডাইনেমিকছ) আৰু ৰাজীৱ হাঁলৈয়ে (বিশ্লেষণ) গৱেষণা অব্যাহত ৰাখিছে। একেদৰে আৰু কেইগৰাকীমান গণিতবিজ্ঞানীয়ে নিজ নিজ ক্ষেত্ৰত গৱেষণা কৰি সুনাম অৰ্জন কৰিছে। এওঁলোক হ'ল: ড° ভূপেন ডেকা, (প্ৰায়োগিক গণিত আৰু সসীম এলিমেণ্ট পদ্ধতি), ড° মিলন নাথ (অৰ্ডিনাৰি গ্ৰাফ স্পেকট্ৰা), ড° ধীৰেনকুমাৰ ৰাছেনেট (বীজগণিত, ফাজি ছেটথিঅ'ৰি), ড° বিপুলকুমাৰ শৰ্মা (ৰামানুজন গণিত), ড° ৰজতকান্তি নাথ (গ্ৰুপ থিঅ'ৰি) আৰু ড° দেৱজিৎ কলিতা (বীজগণিতীয় গ্ৰাফ থিঅ'ৰি)।

### পৰিসংখ্যা-বিজ্ঞান

গুৱাহাটী বিশ্ববিদ্যালয়ত আৰম্ভণিতে গণিত বিভাগ আৰু পৰিসংখ্যা বিভাগ দুটাক লগ কৰি এটা বিভাগ হিচাপে আৰম্ভ কৰা হৈছিল ১৯৪৮ চনত। মুৰব্বী অধ্যাপক আছিল ভি থাৱানি। ১৯৪৯ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ আডাম স্মিথ বঁটা বিজয়ী ড° ডি এছ হুজুৰবাজাৰে পৰিসংখ্যা বিভাগৰ মুৰব্বী পদত যোগদান কৰে। ১৯৫৬ চনত ড° জ্যোতিপ্ৰসাদ মেধিয়ে এই বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰি পাছত কিছু বছৰ আন কামত যোগ দিয়ে। ১৯৬৩ চনত তেওঁ অধ্যাপক হিচাপে পুনৰ বিশ্ববিদ্যালয়লৈ উভতি আহে আৰু পৃথক কৰা পৰিসংখ্যা বিভাগৰ মুৰব্বী হয়। তেওঁৰ কাৰ্যকালত তেওঁ কানাডাৰ মনট্ৰিল বিশ্ববিদ্যালয়ৰ উপৰি টৰেণ্টো বিশ্ববিদ্যালয়, মক মাষ্টাৰ বিশ্ববিদ্যালয়, উইছকন্‌ছিন বিশ্ববিদ্যালয় আদিত ভিজিটিং প্ৰফেছৰ নিযুক্ত হৈছিল। ড° মেধিয়ে বিভাগটোত গৱেষণাৰ পৰিৱেশ গঢ়ি তুলিছিল। ১৯৬২ চনত প্ৰথমগৰাকী গৱেষক টি চুব্বা ৰাওৱে ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ তত্ত্বাৱধানত প্ৰায় এক ডজন গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। বৰ্তমান এই বিভাগত যিসকল বিজ্ঞানী গৱেষণাৰ কামত ব্যস্ত আছে তেওঁলোক হ'ল:

| | |
|---|---|
| ড° হেমন্তকুমাৰ বৰুৱা | - ফাজি গণিত, গণিতীয় নিৰ্দেশ, গ্ৰাফ থিঅ'ৰি, ডাটা মাইনিং, কিউং থিঅ'ৰি, অপ্টিমাইজেচন টেকনিক আদি। (এওঁ বৰ্তমান কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) |
| ড° প্ৰণীতা শৰ্মা | - ৰিলায়েবিলিটি আৰু ষ্টকেষ্টিক মডেলিং। |
| ড° দিলীপচন্দ্ৰ নাথ | - গাণিতিক জনসাংখ্যিকী, বীক্ষা গণনা বিষয়ক পৰিসংখ্যা। |
| ড° লবানন্দ চৌধুৰী | - জনসংখ্যা বিজ্ঞান। |
| ড° কিশোৰ দাস | - ডেইটে মাইনিং, ডিষ্ট্ৰিবিউচন থিঅ'ৰি, সামাজিক পৰিসংখ্যা। |
| ড° অমিত চৌধুৰী | - অপাৰেচন ৰিছাৰ্চ। |
| ড° দিব্যজ্যোতি ভট্টাচাৰ্য | - কম্পিউটাৰৰ প্ৰয়োগ। |

ইয়াৰ উপৰি এই বিভাগত ড° হৰেন চৌধুৰীয়ে ঘৰুৱা উপভোক্তা আৰু অৰ্থনৈতিক অৱস্থা, ড° অৰুণচন্দ্ৰ বৰঠাকুৰৰ জন্ম-মৃত্যুৰ লগত কনজেচন তত্ত্বৰ প্ৰয়োগ, ড° সুধাংশুভূষণ নন্দীৰ ডিছক্ৰিয়েটা ডিষ্ট্ৰিবিউচন সম্পৰ্কীয় গৱেষণা উল্লেখযোগ্য। এই বিভাগৰ ড° হেমন্তকুমাৰ বৰুৱা আৰু ড° দিলীপচন্দ্ৰ নাথৰ গৱেষণাই দেশ-বিদেশত স্বীকৃতি লাভ কৰিছে। ড° নাথক ৰকফেলাৰ ফাউণ্ডেচনৰপৰা প'ষ্ট ডক্টৰেট ফেল'শ্বিপ প্ৰদান কৰা হৈছিল।

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ত** ১৯৬৫ চনত পৰিসংখ্যা বিভাগ খোলা হৈছে। ড° চুৰুৰা নৰসিমহায়া নৰহৰি পণ্ডিত এই বিভাগৰ প্ৰথম মুৰব্বী অধ্যাপক আছিল। তেওঁৰ নেতৃত্বতে তাত গৱেষণাৰ পৰিৱেশ এটা গঢ়ি উঠে। তেওঁৰ তত্ত্বাৱধানত ডক্টৰেট উপাধি লাভ কৰা প্ৰথমগৰাকী গৱেষক আছিল গোপাললাল শ্ৰীবাস্তৱ (১৯৭৬)। ড° হৰিৰাম সিং, গোপাললাল শ্ৰীবাস্তৱ, ড° সোমেশ্বৰ কাকতি, ড° চন্দ্ৰকান্ত চেতিয়া, ড° কমলেশ্বৰ দত্ত, ড° শীলা দাস ঘোষ, ড° হৰেন্দ্ৰনাৰায়ণ দত্ত, ড° বিপিন গগৈ, ড° জিতেন হাজৰিকা আৰু ড° সুব্ৰত চক্ৰৱৰ্তীয়ে নিজ নিজ ক্ষেত্ৰত গৱেষণা কৰি কৃতিত্বৰ পৰিচয় দিছে। এওঁলোকৰ তত্ত্বাৱধানত গৱেষণা কৰি প্ৰায় ডেৰ কুৰি গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। বৰ্তমান এচাম শিক্ষক গৱেষণাত ব্ৰতী হৈ আছে। এওঁলোক হ'ল:

ড° শৰৎচন্দ্ৰ কাকতি (প্ৰায়োগিত পৰিসংখ্যা), ড° কমলেশ্বৰ দত্ত (ৰিলায়েবিলিটি), ড° হৰেন্দ্ৰনাৰায়ণ দত্ত (গুণগত পৰিসংখ্যা), ড° বিপিন গগৈ (ইনফাৰেন্স), ড° জিতেন হাজৰিকা (প্ৰায়োগিক পৰিসংখ্যা), ড° সুব্ৰত চক্ৰৱৰ্তী (ডিষ্ট্ৰিবিউচন থিঅ'ৰি) আদি।

**তেজপুৰ বিশ্ববিদ্যালয়ত** গণিত-বিজ্ঞান বিভাগত ড° মুনীন্দ্ৰ বৰা (প্ৰ'বেবিলিটি ডিষ্ট্ৰিবিউচন, অপ্টিমাইজেচন) আৰু ড° শান্তনু দত্ত (নন-পেৰামেট্ৰিক)ৰ গৱেষণা সমাদৃত হৈছে।



**পৰিৱেশ বিজ্ঞান**

পৰিৱেশ সম্পৰ্কে আমাৰ সমাজত সজাগতাৰ অভাৱ। পৰিৱেশো যে এটা শিক্ষণীয় বিষয় হ'ব পাৰে — এই বিষয়ত চৰকাৰ আৰু শিক্ষা বিভাগৰ বৰমুৰীয়াসকলক সচেতন কৰিবলগীয়া হৈছে উচ্চতম ন্যায়ালয়ে। এতিয়াহে বিদ্যালয়, মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিৱেশ বিজ্ঞান অন্তৰ্ভুক্ত কৰা হৈছে। শিক্ষাদানত এতিয়াও নিষ্ঠাৰ অভাৱ। গুৱাহাটী বিশ্ববিদ্যালয়ত ড° সূৰ্যকান্ত শৰ্মাক মুৰব্বী অধ্যাপক হিচাপে নিযুক্তি দি বিভাগটো আৰম্ভ কৰা হয় ১৯৮০ চনত। ড° শৰ্মাই উত্তৰ-পূব ভাৰতত ভূমিকম্পৰ বিপদ সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে বায়ু আৰু পানী প্ৰদূষণৰ ওপৰতো গৱেষণা চলাইছিল। পৰৱৰ্তী সময়ত ড° দুলালচন্দ্ৰ গোস্বামীয়েই এই বিভাগৰ দায়িত্ব লয় আৰু দূৰ সংবেদন অধ্যয়নৰদ্বাৰা অসমৰ মাটি, পানী আৰু সেউজ আৱৰণ সম্পৰ্কে উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। ড° সৰ্বেশ্বৰ কলিতাই বতৰ বিজ্ঞান আৰু ড° হৰিপ্ৰসাদ শৰ্মাই জলদূষণ আৰু পৰিৱেশ-দূষণ বিষয়ক গৱেষণাৰে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

**অসম বিশ্ববিদ্যালয়ে** আৰম্ভণিৰেপৰা বাস্তব্য বিদ্যা, পৰিৱেশ বিজ্ঞান, জীৱ-বৈচিত্ৰ্য আৰু সংৰক্ষণ-সম্পৰ্কীয় শিক্ষণ আৰু গৱেষণাত গুৰুত্ব আৰোপ কৰিছে। ড° বিমানকুমাৰ দত্তক মুৰব্বী হিচাপে লৈ এই বিভাগটো আৰম্ভ কৰা হৈছিল। এতিয়া এই বিভাগত শিক্ষকৰ সংখ্যা ১৪জন। ড° দত্তই অনুজীৱীয় আৰু কৃষি বাস্তব্য বিদ্যাত গৱেষণা চলাই সুনাম অৰ্জন কৰিছে। ড° জয়শ্ৰী ৰাউতে শৈৱাল, লাইকেনৰ ওপৰত গৱেষণা কৰাৰ উপৰি জীৱ-বৈচিত্ৰ্য, ঔষধি উদ্ভিদ আৰু বিষ-বিজ্ঞানৰ ওপৰত অধ্যয়ন চলাই খ্যাতি অৰ্জন কৰিছে। ড° এ গুপ্তাই মিঠা পানীৰ মৎস্য বাস্তব্যবিদ্যা, জীৱ-বৈচিত্ৰ্য আৰু পৰিৱেশ মনিটৰিং বিষয়ত, ড° এ কে দাসে অৰণ্য, কৃষি, ভূমি, বাস্তব্যবিদ্যা আৰু কাৰ্বন ছিকুষ্ট্ৰেচন, ড° ডি চি ৰয়ে জনসংখ্যা, পতঙ্গ বৈচিত্ৰ্য আদি, ড° পি চৌধুৰীয়ে বন্যপ্ৰাণীৰ পৰিৱেশ, কৃষি, বাস্তব্যবিদ্যা, কীটনাশকৰ বিষক্ৰিয়া, বিস্তৃত কীট-পতঙ্গ ব্যৱস্থাপনা (IPM), ড° মিতা দেই মিঠা পানীৰ পৰিৱেশত বিষক্ৰিয়া আৰু জীৱ-বৈচিত্ৰ্য, ড° এছ গুপ্তাই মিঠা পানীৰ পৰিৱেশ আৰু ফাংচনেল মৰফ'লজি আৰু ড° অজিত কৰে উদ্ভিদৰ শ্ৰেণী-বিভাজন আৰু ঔষধি উদ্ভিদৰ ওপৰত কৰা গৱেষণা উল্লেখযোগ্য। এই বিশ্ববিদ্যালয়ত পৰিৱেশ, জীৱবৈচিত্ৰ্য আৰু সংৰক্ষণ, উদ্ভিদৰ পৰিৱেশ, দূৰ-সংবেদনৰ প্ৰয়োগ, অৰণ্যৰ পৰিৱেশ আৰু ব্যৱস্থাপনা, বন্য প্ৰাণী সংৰক্ষণ আদি বিষয়ক গুৰুত্ব সহকাৰে লৈ গৱেষণা কৰি আছে ড° এ দে, ড° তপতী দলে, ড° অৰুণজ্যোতি নাথ, ড° হিল্লোলজ্যোতি সিন্হা আৰু ড° পান্না দেৱ আদিয়ে। **তেজপুৰ বিশ্ববিদ্যালয়তো** এক অভিজ্ঞ বিজ্ঞানীৰ দলে পৰিৱেশৰ বিভিন্ন দিশৰ ওপৰত গৱেষণা চলাই আছে। ড° কালীপ্ৰসাদ শৰ্মাই পৰিৱেশ দূষণ আৰু তাৰ প্ৰতিকাৰ আৰু বৰ্জ্য পদাৰ্থৰ ব্যৱস্থাপনাৰ ওপৰত প্ৰশংসনীয় কাম কৰিছে। ড° কুশলকুমাৰ বৰুৱা আৰু ড° নিৰ্মালি গগৈয়ে উদ্ভিদ শৰীৰ আৰু জৈৱ ৰসায়নৰ বিভিন্ন দিশ অধ্যয়ন কৰি আছে।

তদুপৰি ড° এম কুমাৰ (বৰ্জ্য পদাৰ্থৰ ব্যৱস্থাপনা আৰু জৈৱ-কীটনাশক প্ৰয়োগ), ড° আৰ আৰ হক (পৰিৱেশ-নিৰীক্ষণ আৰু নিৰ্ধাৰণ), ড° এ কে দাস (জিঅ'মৰফ'লজি), ড° এল দেৱী (অৰণ্যৰ পৰিৱেশ) আৰু ড° এছ এছ ভট্টাচাৰ্যই (ভূজল-পদ্ধতি, ভূ-জল, নগৰীয়া জলবিজ্ঞান, আইছ'টপ ফিংগাৰপ্ৰিণ্টিং) নিজ নিজ বিশেষ ক্ষেত্ৰত উল্লেখনীয় গৱেষণা কৰি আছে। আই এ এছ এছ টিত ড° সুৰেশচন্দ্ৰ ডেকাৰ নেতৃত্বত এদল বিজ্ঞানীয়ে পৰিৱেশ-দূষণ আৰু নিৰাময়ৰ উপায়ৰ ওপৰত গৱেষণা চলাই আছে।

## উদ্ভিদ বিজ্ঞান

অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক প্ৰকৃতিৰ বৰ জীয়ৰী বোলা হয়। প্ৰকৃতিয়ে মুক্ত হস্তে দান কৰিছে নদ-নদী, বিশুদ্ধ বায়ু, জীৱ-জন্তু আৰু গছ-গছনি। আমাৰ এই সম্পদ আন ৰাজ্যৰ ঈৰ্ষাৰ বস্তু। ব্ৰিটিছৰ দিনতেই আমাৰ উদ্ভিদ-সম্পদ চিনাক্তকৰণৰ প্ৰচেষ্টা চলিছিল। ঊনৈছ শতিকাৰ শেষ ভাগত ছাৰ জে ডি হুকাৰে তেওঁৰ সহযোগীসকলৰ সহায়ত ভাৰতৰ ১৫,৯০০ প্ৰজাতি (species) চিনাক্ত কৰি সেইবোৰৰ বৰ্ণনা সাত খণ্ডত প্ৰকাশিত *ফ্ল'ৰা অৱ ব্ৰিটিছ ইণ্ডিয়াত* লিপিবদ্ধ কৰে। এই গ্ৰন্থত অসমৰ উদ্ভিদৰ উল্লেখ আছে। পৰৱৰ্তী সময়ত অসমৰ উদ্ভিদ সংগ্ৰহ কৰি আৰু শ্ৰেণীবদ্ধ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হয় কলকাতাৰ শিৱপুৰত স্থাপিত ৰয়েল ব'টানিকেল গাৰ্ডেনৰ পাদপালয়ত (herberiumত)। ক্ৰেইন (কাছাৰ জিলাৰ), ডি ছিলভা (ছিলেট জিলাৰ) আৰু কমিছনাৰ জেন্‌কিন্সৰ (ব্ৰহ্মপুত্ৰ উপত্যকাৰ) উপৰি চি বি ক্লাৰ্ক, গুষ্টাভ মান আৰু মিঃ বাৰ্কিলে বহু উদ্ভিদ সংগ্ৰহ কৰি শিৱপুৰৰ পাদপালয়লৈ সংৰক্ষণৰ বাবে পঠিয়াইছিল। অসমৰ উদ্ভিদ-সংগ্ৰহ আৰু অধ্যয়নৰ ভিত্তিত এখন গ্ৰন্থ প্ৰকাশ কৰাত জোৰ দিছিল সেই সময়ৰ মুখ্য আয়ুক্ত আৰ্কডেল আৰ্লে। এই কাম আৰম্ভ কৰাৰ পাছত মৃত্যুমুখত পৰে কাঞ্জিলাল। তেওঁৰ পুত্ৰ বন বিষয়া পি চি কাঞ্জিলালক এই দায়িত্ব দিয়া হয়। এওঁক সহায় কৰে বন বিষয়া আৰ এন দে, এ দাস, চি পুৰকায়স্থ আৰু এন এল ৰ'ৰে। ১৯৩৪ চনৰপৰা ১৯৪০ চনৰ ভিতৰত এওঁলোকৰ আশাশুধীয়া চেষ্টাৰ ফলত *ফ্ল'ৰা অৱ আছামৰ* পাঁচটা খণ্ড প্ৰকাশ পায়। উদ্ভিদবিজ্ঞানী বন বিষয়া আদিৰ বাবে ই এক অমূল্য সম্পদ। তদুপৰি চি ই চি ফিশ্বাৰে (১৯২৮-৪০) অসমৰ উদ্ভিদৰ ওপৰত এলানি গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ কৰিছিল। ১৮৯০ চনত স্থাপিত ব'টানিকেল ছাৰ্ভে অৱ ইণ্ডিয়াৰ সৌজন্যত অবিভক্ত অসমৰ অনাৱিষ্কৃত উদ্ভিদবোৰ সংগ্ৰহ কৰি শ্ৰেণীবদ্ধ কৰাৰ কাম চলি আছে। ইয়াৰদ্বাৰা উদ্ভিদ-বিজ্ঞানৰ এটা শাখা শ্ৰেণীবদ্ধ বিজ্ঞান (taxonomy)হে লাভবান হৈছে। অসমত আনুষ্ঠানিক উদ্ভিদ-বিজ্ঞান চৰ্চা আৰম্ভ হয় কটন কলেজত ইণ্টাৰমিডিয়েট ছায়েন্স শাখাত পাঠদান আৰম্ভ হোৱাৰ লগে লগে (২২ জুলাই ১৯২৭)। ঋষিতুল্য অধ্যাপক অতুলচন্দ্ৰ দত্তই অহোপুৰুষাৰ্থ কৰি কলেজ চৌহদতে এখন ব'টানিকেল গাৰ্ডেন আৰু নিজে উদ্ভিদ সংগ্ৰহ আৰু



চিনাক্ত কৰি এটি অতি উচ্চ মানৰ ব'টানিকেল মিউজিয়াম প্ৰতিষ্ঠা কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ হোৱাত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট ডিগ্ৰি লৈ অহা ড° জিতেন্দ্ৰকুমাৰ বৰুৱাক উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৫৬ চনৰপৰাহে প্ৰকৃতাৰ্থত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হৈছিল। ড° বৰুৱাই উদ্ভিদ-ৰোগবিজ্ঞান বিষয়ত গৱেষণা আৰম্ভ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত প্ৰথমগৰাকী গৱেষক ভি ৰাঘৱনে ডক্টৰেট ডিগ্ৰী লাভ কৰে ১৯৫৮ চনত। উদ্ভিদবিজ্ঞানত বহু দিনলৈকে মাত্ৰ দুটা বিষয়ত (বিশেষ পেপাৰ) গৱেষণা চলিছিল - ৰোগবিজ্ঞান আৰু উদ্ভিদ-শৰীৰবিজ্ঞান। ১৯৫৭ চনত কৃষি উদ্ভিদবিজ্ঞান আৰম্ভ হোৱাত ড° নৰহৰি দাসে সেই বিভাগত যোগদান কৰে। তেওঁৰ তত্ত্বাৱধানত উদ্ভিদ-শৰীৰবিজ্ঞানত ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম গৰাকী গৱেষক আছিল প্ৰবোধকুমাৰ দাস (১৯৬৫ চন)। ড° বৰুৱাৰ তত্ত্বাৱধানত চৈধ্যগৰাকী আৰু ড° নৰহৰি দাসৰ তত্ত্বাৱধানত ১৬গৰাকী গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। লাহে লাহে নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাত গৱেষণাৰ পৰিসৰো বৃদ্ধি হৈছে। এতিয়া শৰীৰ আৰু জৈৱ ৰসায়ন আৰু ৰোগবিজ্ঞানৰ উপৰি অনুজীৱবিজ্ঞান, কোষবিজ্ঞান আৰু সুপ্ৰজননবিজ্ঞান, বাস্তব্যবিদ্যা, শ্ৰেণীবদ্ধবিজ্ঞান, উদ্ভিদ-কলাকৰ্ষণ আৰু উদ্ভিদ-নৃতত্ত্ববিজ্ঞান (ethnobotany) আদি বিষয়ত গৱেষণা চলি আছে। (প্ৰয়াত) ড° হিতেন্দ্ৰকুমাৰ বৰুৱা, ড° নৰহৰি দাস, ড° পাৰুকুটি বৰুৱা, ড° গিলেশ্বৰ কোঁৱৰ, ড° লিখনচন্দ্ৰ কাকতি আৰু ড° খগেন্দ্ৰনাথ বৰাৰ তত্ত্বাৱধানত উদ্ভিদ আৰু কৃষি-উদ্ভিদবিজ্ঞানৰ ৰোগ, অনুজীৱ, শাৰীৰবিদ্যা আদিৰ গৱেষণা চলিছিল। তদুপৰি অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দেৱেন্দ্ৰনাথ বৈশ্য, ড° চম্পকলাল বৈশ্য, ড° পি পি ৰামেনৰ তত্ত্বাৱধানত কেইবাগৰাকীও গৱেষকে পিএইচ ডি ডিগ্ৰী লাভ কৰিছে। ড° পাৰুকুটি বৰুৱাই উদ্ভিদ-ৰেণুবিজ্ঞান (palynology) সম্পৰ্কত গৱেষণাৰ এক নতুন দিশ উন্মোচন কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত এতিয়ালৈকে সৰ্বাধিক গৱেষকে (৬৭জন) ডক্টৰেট ডিগ্ৰী লাভ কৰিছে ড° চন্দ্ৰমোহন শৰ্মাৰ তত্ত্বাৱধানত। উদ্ভিদ-শৰীৰবিদ্যা, জীৱ-ৰসায়ন, উদ্ভিদ-নৃতত্ত্ববিজ্ঞান আৰু কলাকৰ্ষণত ড° শৰ্মাৰ গৱেষণাই দেশ-বিদেশত স্বীকৃতি লাভ কৰিছে। ড° শৰ্মাই একক প্ৰচেষ্টাৰে এটি আধুনিক কলাকৰ্ষণ বিজ্ঞানাগাৰ প্ৰতিষ্ঠা কৰি উত্তৰ-পূব ভাৰতৰ বিপন্ন অৰ্কিড (ত্ৰিছৰো অধিক) আৰু ঔষধি গছৰ প্ৰবৰ্ধন সম্ভৱ কৰি তুলিছে। কলাকৰ্ষণৰ জটিল পৰ্যায় হ'ল — পৰীক্ষা-নলত জন্মা পুলিবোৰক বাহিৰৰ পৰিৱেশত (Lab to Land) জীয়াই ৰখাটো। এই পৰ্যায়তো তেওঁৰ প্ৰচেষ্টা সফল হৈছে। ডেণ্ড্ৰ'বিয়াম লিগুলি নামৰ এবিধ অৰ্কিড জন্মাই পৰীক্ষা-নলতে ফুলাব পৰাটো তেওঁৰ কৃতিত্ব। তদুপৰি আনাৰসৰ এটা কক্ষ মুকুলৰপৰা প্ৰায় এবছৰৰ ভিতৰত পৰীক্ষা-নলতে দুই সহস্ৰাধিক পুলি উৎপাদন কৰিব পাৰিছে। এই পুলি পথাৰত ৰুই প্ৰায় একে সময়তে ফুল-ফল ধৰাব পাৰিছে। অৱসৰপ্ৰাপ্ত ড° সুধাংশু চৌধুৰী (উদ্ভিদ-শ্ৰেণীবদ্ধবিজ্ঞান) আৰু ড° চন্দ্ৰকান্ত বৰুৱাৰ (বাস্তব্য বিদ্যা) বৰঙণিও উল্লেখযোগ্য। বৰ্তমান ড°

সাৰদাকান্ত শৰ্মা (বাস্তব্যবিদ্যা, উদ্ভিদ-নৃতত্ত্ববিজ্ঞান), ড° শৈলেন্দ্ৰপ্ৰসাদ বৰা (উদ্ভিদ-সুপ্ৰজননবিদ্যা), ড° গজেন্দ্ৰনাথ শৰ্মা (বেণুবিজ্ঞান আৰু শৈৱাল), ড° শচীন্দ্ৰকুমাৰ বৰঠাকুৰ (উদ্ভিদ-শ্ৰেণীবদ্ধবিজ্ঞান আৰু উদ্ভিদ-নৃতত্ত্ববিজ্ঞান) ড° ধ্ৰুৱকুমাৰ ঝা আদিয়ে নিজ নিজ ক্ষেত্ৰত গৱেষণা অব্যাহত ৰাখিছে। ড° নিলয়কুমাৰ দাস (বাস্তব্য বিদ্যা, ৰোগ বিদ্যা) আৰু ড° বিপুলচন্দ্ৰ গোস্বামীয়ে (উদ্ভিদ-সুপ্ৰজননবিদ্যা) নিজ নিজ ক্ষেত্ৰত সফলতা লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপৰি কটন কলেজতো ড° ৰেণুপ্ৰভা মোমিন বৰদলৈয়ে শৈৱালৰ ওপৰত ড° ৰঞ্জিত নাৰায়ণ ভট্টাচাৰ্য আৰু ড° মঞ্জুৰী দেৱীয়ে অনুজীৱ বিজ্ঞানৰ ওপৰত আৰু ড° অপৰ্ণা বুজৰবৰুৱাই উদ্ভিদ-শৰীৰবিদ্যা আৰু কলাকৰ্ষণৰ ওপৰত কৰা গৱেষণা উল্লেখযোগ্য। গুৱাহাটী বিশ্ববিদ্যালয়ে গৱেষণাৰ উপযুক্ত সা-সুবিধা থকা কেতবোৰ বিজ্ঞানাগাৰক স্বীকৃতি দিয়াত গৱেষণাৰ পৰিসৰ বৃদ্ধি হৈছে। ইয়াৰ ভিতৰত টোকলাই চাহ-গৱেষণা কেন্দ্ৰ (TRA), আঞ্চলিক গৱেষণাগাৰ, যোৰহাট (RRL). কৃষি বিশ্ববিদ্যালয় (অসম), আই এ এছ এছ টি (গুৱাহাটী), ব'টানিকেল ছাৰ্ভে অৱ ইণ্ডিয়া (BSI, শ্বিলং) ৰাজ্যিক বন-গৱেষণা প্ৰতিষ্ঠান (অৰুণাচল), ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উত্তৰ-পূব পাৰ্বত্য অঞ্চলৰ কেন্দ্ৰ (বৰাপানী) আদি প্ৰধান। ড° দীননাথ বৰুৱা, ড° হেৰম্বপ্ৰসাদ বেজবৰুৱা, ড° সুৰেশ দাস, ড° তৰুণ সেন বৰ্মন, ড° এল মেনিভেল আদিয়ে চাহৰ কেইবাটাও দিশত সফল গৱেষণা কৰিছে। ড° দীননাথ বৰদলৈ, ড° শোভনচন্দ্ৰ নাথ, ড° বালামণি বেজবৰুৱা আদিৰ তত্ত্বাৱধানত যোৰহাট আঞ্চলিক গৱেষণাগাৰত ৰোগবিদ্যা, উদ্ভিদ- নৃতত্ত্ববিজ্ঞান, অনুজীৱবিজ্ঞানৰ গৱেষণা সফল হৈছে আৰু কেইবাগৰাকীও গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। ড° শোভনচন্দ্ৰ নাথ, ড° পদ্মেশ্বৰ গগৈ আৰু ড° চন্দ্ৰমোহন শৰ্মাৰ প্ৰচেষ্টাত কাৰ্বি, মিকিৰ, নেপালী, ডিমাছা, কছাৰী, বড়ো, টাই-খামতি, গাৰো (গোৱালপাৰাৰ) ৰাজবংশী, অভিবাসী মুছলমান আৰু চাহ-জনগোষ্ঠী আদিৰ মাজত উদ্ভিদৰ নৃতাত্ত্বিক ব্যৱহাৰ সম্পৰ্কে বহু তথ্য পোহৰলৈ আহিছে। অৰুণাচলৰ অৰ্কিডৰ ওপৰত মূল্যৱান তথ্য সন্নিৱিষ্ট *অৰ্কিডছ অৱ অৰুণাচল* গ্ৰন্থ প্ৰকাশৰ উপৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশৰ ওপৰত গৱেষণা কৰিছিল ড° এছ এন হেগড়েই। সেইদৰে অৰুণাচল আৰু উত্তৰ-পূব ভাৰতৰ বাঁহ-বেতৰ ওপৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে অৰুণাচলৰ বন বিষয়া কে হৰিদাসনে। বৰাপানী আই চি এ আৰ (ICAR), বিজ্ঞানী ড° বীৰেন্দ্ৰকুমাৰ শৰ্মাৰ (শস্যবিজ্ঞান), ড° এ পাৰ্থসাৰথি (সুপ্ৰজননবিদ্যা) আৰু ড° অৰুণাভ পট্টনায়কৰ (কোষকৰ্ষণ গৱেষণাৰ ফল) বেছ উৎসাহজনক। ব'টানিকেল ছাৰ্ভে অৱ ইণ্ডিয়াৰ ড° এছ ৰাও আৰু ড° এছ কে জৈন আদি কেইবাগৰাকী গৱেষকক উদ্ভিদ-শ্ৰেণীবদ্ধবিজ্ঞানৰ কাম কৰাই ডক্টৰেট ডিগ্ৰী পোৱাত সহায় কৰিছে। ড° শৰৎকুমাৰ কটকীয়ে *অৰ্কিডছ অৱ মেঘালয়* নামৰ এখন মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰিছে। ড° ৰাজেন্দ্ৰ মজুমদাৰে চৰকাৰী আয়ুৰ্বেদিক কলেজত কাম কৰা সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰি বনৌষধি উদ্ভিদ সংগ্ৰহ কৰি চিনাক্ত কৰিছিল। ড° ঈশ্বৰচন্দ্ৰ



বৰুৱাৰ *অৰ্কিডছ অৱ কামৰূপ ডিষ্ট্ৰিক্ট*, ড° চন্দ্ৰমোহন শৰ্মা, ড° ৰঞ্জনকুমাৰ বৰা আৰু ড° নৱমী বসুমতাৰীৰ *অৰ্কিডছ অৱ আসাম* (তিনি শতাধিক অৰ্কিডৰ তালিকা), ড° চন্দ্ৰ বৰুৱাৰ *বেম্বুজ অৱ আসাম* আৰু প্ৰতিভা ডেকাৰ *ফাৰ্নছ অৱ আসাম* উদ্ভিদবিজ্ঞান আৰু জীৱ-বৈচিত্ৰ্য অধ্যয়নৰ বাবে অতি মূল্যৱান সমল।

ডিব্ৰুগড় আৰু অসম বিশ্ববিদ্যালয়ত জীৱবিজ্ঞানৰ (উদ্ভিদ + প্ৰাণীবিজ্ঞান) পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ড° প্ৰদীপকুমাৰ বৰুৱাই উদ্ভিদ সুপ্ৰজননবিদ্যা আৰু কলাকৰ্ষণৰ ওপৰত এলানি গৱেষণা চলাই সফল হৈছে। ড° লক্ষীৰাম শইকীয়া (বাস্তব্যবিদ্যা), ড° মুহিবুল ইছলাম (জীৱ-বৈচিত্ৰ্য), ড° আৰ সামন্ত (অণুজীৱ), ড° বিজয় নেওগ (সুপ্ৰজনন, জীৱ-বৈচিত্ৰ্য) প্ৰত্যেকেই নিজ নিজ ক্ষেত্ৰত সফলতা অৰ্জন কৰিছে। অসম বিশ্ববিদ্যালয়ত বিশিষ্ট অণুজীৱবিজ্ঞানী ড° গৌৰদত্ত শৰ্মাৰ নেতৃত্বত অণুজীৱবিজ্ঞানৰ গৱেষণাই বিশেষ সাফল্য অৰ্জন কৰিছিল। তেওঁৰ নেতৃত্বতেই বায়'ইনফৰমেটিকছ এটাও খোলা হৈছে। উদ্ভিদবিজ্ঞানৰ ড° মানবেন্দ্ৰ দত্ত চৌধুৰীয়ে উদ্ভিদ নৃতত্ত্ববিজ্ঞান আৰু ঔষধি উদ্ভিদ বিষয়ত আৰু ড° এছ কে পাণ্ডাই আণৱিক উদ্ভিদবিদ্যাৰ গৱেষণাত সফলতা লাভ কৰিছে। ড° সৰ্বানীগিৰি (কোষ আৰু আণৱিক জীৱবিদ্যা), ড° ডি ভট্টাচাৰ্য (শ্ৰেণীবদ্ধবিজ্ঞান আৰু উদ্ভিদ-বৈচিত্ৰ্য), ড° এ ডি তালুকদাৰ (ঔষধি উদ্ভিদ, জীৱন ৰসায়ন আৰু প্ৰাকৃতিক দ্ৰব্য) আদিয়ে নিজ নিজ গৱেষণাৰ ক্ষেত্ৰত সফল খোজ দিব পাৰিছে। পঙ্কজ চেতিয়াই কম্পিউটাৰৰ সহায়ত ড্ৰাগৰ অভিকল্পনা আৰু বায়'ইনফৰমেটিকছৰ কামত ব্যস্ত আছে। অণুজীৱবিজ্ঞান বিভাগত ড° প্ৰদীপ বাৰ্মা, ড° ইন্দু শৰ্মা আৰু ড° অমিতাভ ভট্টাচাৰ্যই - অণুজীৱ-শৰীৰবিদ্যা, পশু-সম্পৰ্কীয় অণুজীৱ, আণৱিক অণুজীৱবিজ্ঞান আৰু জিন-সম্পৰ্কীয় গৱেষণাত মনোনিৱেশ কৰিছে।

জীৱ-প্ৰযুক্তিবিজ্ঞান শেহতীয়াকৈ অসমত আৰম্ভ কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক উদ্ভিদবিজ্ঞান আৰু জীৱ-প্ৰযুক্তিবিজ্ঞান (ABBT) বিভাগে এটা বিভাগ হিচাপে শিক্ষণ আৰু গৱেষণাৰ কাম হাতত লৈছিল। জীৱবিজ্ঞানৰ নীতি, জীৱন আৰু উৎপাদিত দ্ৰব্যক প্ৰায়োগিক ক্ষেত্ৰত ব্যৱহাৰ কৰাকেই জীৱ-প্ৰযুক্তিবিজ্ঞান (Biotechnology) বোলে। কেন্দ্ৰীয় চৰকাৰে এই বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ১৯৮৬ চনত জীৱ-প্ৰযুক্তিবিজ্ঞান বিভাগ আৰম্ভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰণালয়ৰ (DST) অধীনত ই এক স্বয়ংসম্পূৰ্ণ বিভাগ। এই বিভাগে দেশত ইয়াৰ শিক্ষণ, গৱেষণা আৰু প্ৰয়োগৰ বাবে প্ৰচুৰ অৰ্থ ব্যয় কৰিছে। ১৯৮৭ চনত অসম কৃষি বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত সমান্তৰালভাৱে জীৱ-প্ৰযুক্তিবিজ্ঞানৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। তেজপুৰ বিশ্ববিদ্যালয়ত আণৱিক জীৱবিজ্ঞান আৰু জীৱ-প্ৰযুক্তিবিজ্ঞান (Molecular Biology and Biotechnology) হিচাপে এটা বিভাগ খোলা হয় ১৯৯৭ চনত। অসম বিশ্ববিদ্যালয়ত জীৱপ্ৰযুক্তিবিজ্ঞান বিভাগ খোলা হৈছে ২০০৪ চনত। ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানত (IITত) জীৱ-প্ৰযুক্তিবিজ্ঞান আৰম্ভ কৰা হৈছে আৰু স্নাতক

ডিগ্ৰীৰ (B Tech) পাঠ্যক্ৰম মুকলি কৰা হৈছে। এই আটাইবোৰ অনুষ্ঠানেই ডি বি টিৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু আন কেন্দ্ৰীয় বিভাগৰপৰা পৰ্যাপ্ত পৰিমাণৰ অনুদান লাভ কৰে। আঞ্চলিক গৱেষণাগাৰতে (নতুন নাম North-East Institute of Science and Technology) এই বিভাগ খুলি কাম কৰি আছে। অসম কৃষি বিশ্ববিদ্যালয়ত ড° পি চি ডেকাই কৃষি জীৱ-প্ৰযুক্তিবিজ্ঞান বিভাগ আৰম্ভ কৰি কলাকৰ্ষণ আৰু সুপ্ৰজননবিদ্যাৰ গৱেষণা আৰম্ভ কৰিছিল। এই বিভাগত এতিয়াও এচাম বিজ্ঞানী গৱেষণাৰ কামত ব্যস্ত আছে। গুৱাহাটী বিশ্ববিদ্যালয়ত ড° সোণেশ্বৰ শৰ্মাই আণৱিক জীৱবিজ্ঞান, খাদ্য-অণুজীৱবিজ্ঞান আৰু কলাকৰ্ষণত উল্লেখনীয় কাম কৰিছে। ড° মোহনচন্দ্ৰ কলিতাই জৈৱ ইন্ধন আৰু জীৱ-সাৰৰ ওপৰত প্ৰশংসনীয় কাম কৰিছে। ড° ৰূপজ্যোতি ভবালী এনজাইম আৰু চিকিৎসাবিষয়ক জীৱ-প্ৰযুক্তি, ড° গিয়াছুদ্দিন আহমেদ খাদ্য-জীৱ-প্ৰযুক্তি, ড° প্ৰতাপজ্যোতি সন্দিকৈ ঔষধি উদ্ভিদ আৰু ড° অৰুণ সন্দিকৈ সুপ্ৰজননবিদ্যা বিষয়ৰ গৱেষণাত ব্যস্ত আছে। তেজপুৰ বিশ্ববিদ্যালয়ত কেইবাগৰাকী বিজ্ঞানীয়ে গৱেষণাত সুনাম অৰ্জন কৰিছে। ড° অলককুমাৰ বুঢ়াগোঁহাই (উদ্ভিদ-ৰসায়ন আৰু বিৱৰ্তনীয় জিন'মিকচ), ড° এ কে মুখাৰ্জী (উদ্ভিদ-ৰসায়ন, অণুজীৱৰ প্ৰযুক্তি আৰু নেন' জীৱ-প্ৰযুক্তি), ড° এছ বৰুৱা (আণৱিক ইমিউন'ল'জি), ড° এছ কে ৰয় (বেকটে'ৰিয়াৰ উগ্ৰতা, আণৱিক বিৱৰ্তন), ড° এ ৰামটেক (বিকিৰণ আৰু কেন্সাৰ, কম্পিউটেচনেল বায়'ফিজিক্স), ড° এ মণ্ডল (ঔদ্যোগিক-অণুজীৱবিজ্ঞান), ড° টি মেধি (ৰেডক্স ৰসায়ন, এনজাইমবিজ্ঞান), ড° ই কলিতা (আণৱিক-জীৱবিজ্ঞান), ড° আৰ দলে (আণৱিক-বিষবিজ্ঞান), ড° এছ পি জি প'ন্নাম (মানৱৰ আণৱিকবিজ্ঞান), ড° এল বৰা (অণুজীৱ জীৱ-প্ৰযুক্তি), ড° এ এন ঝা (কম্পিউটেচনেল বায়'ফিজিক্স), ড° আৰ মুখোপাধ্যায় (হৃদসিৰাবিজ্ঞান, প্ৰদাহকাৰী জিন নিয়ন্ত্ৰণ) আৰু ড° এছ সাহা (প্ৰ'টিনৰ বিভিন্ন দিশ আৰু কোষৰ কাৰ্যত ইহঁতৰ ক্ৰিয়া, পোষক-ৰোগকাৰকৰ সম্পৰ্ক) আদি প্ৰত্যেকেই নিজ নিজ ক্ষেত্ৰত গৱেষণা কৰি আছে আৰু জীৱ-প্ৰযুক্তিবিজ্ঞানৰ গৱেষণাৰ পৰিধি বৃদ্ধি কৰিছে।

অসম বিশ্ববিদ্যালয়তো জীৱ-প্ৰযুক্তিবিজ্ঞানৰ গৱেষণা পূৰ্ণোদ্যমে আৰম্ভ হৈছে। জীৱ-প্ৰযুক্তিবিজ্ঞানৰ গৱেষণা অসমত এতিয়াও চালুকীয়া অৱস্থাতে আছে। ড° শঙ্কৰকুমাৰ ঘোষে জিন'মিকছ, ইমিউন'লজি, ডি এন এ বাৰক'ডিং, কোষ কৰ্ষণ আদি বিষয়ৰ গৱেষণাত সফলতাৰে আগবাঢ়িছে। ড° প্ৰণৱ মজুমদাৰ আৰু ড° সুপ্ৰিয় চক্ৰৱৰ্তীয়ে সুপ্ৰজননবিদ্যা আৰু উদ্ভিদ-জীৱপ্ৰযুক্তিৰ গৱেষণাত মনোনিৱেশ কৰিছে। ড° মহুৱা সেনগুপ্তাৰ গৱেষণাৰ বিষয় হ'ল ইমিউন'লজি, জৈৱ-ৰসায়ন আৰু কোষবিদ্যা। আণৱিক-জীৱবিজ্ঞান সম্পৰ্কে ড° য়াছমিন চৌধুৰী আৰু ৰৱি ৰাজবংশীয়ে কৰা গৱেষণাই অগ্ৰগতি লাভ কৰিছে। ড° মুনিষকুমাৰৰ কেন্সাৰবিজ্ঞান আৰু জেন'টক্সিক'লজি সম্পৰ্কে কৰা গৱেষণা প্ৰশংসিত হৈছে।

চিকিৎসাবিজ্ঞান আৰু ভেষজবিজ্ঞানৰ গৱেষণাই আশাপ্ৰদ চিহ্ন ৰাখিব পৰা



নাই। অসমত চিকিৎসাবিজ্ঞানৰ কলেজহে আছিল বিশ্ববিদ্যালয় নাছিল। অতি সম্প্ৰতি শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্যবিজ্ঞান বিশ্ববিদ্যালয় স্থাপন হোৱাত এটা ডাঙৰ অভাৱ পূৰণ হৈছে। কিন্তু এই বিশ্ববিদ্যালয়ে এতিয়াও ৰান-ৱেৰপৰা ওপৰলৈ গতি ল'ব পৰা নাই। সি যি নহওক অসম মেডিকেল কলেজ (ডিব্ৰুগড়)তেই কিন্তু গৱেষণাৰ বীজ অঙ্কুৰিত হৈছিল। ডাঃ ভি এন পট্টবৰ্ধন, ডাঃ এইছ কে দাস বিশ্বাস, ডাঃ মথুৰানাথ ভট্টাচাৰ্য, ডাঃ জে চৌধুৰী, ডাঃ প্ৰতুলচন্দ্ৰ গোস্বামী (গুৱাহাটী মেডিকেল কলেজ) আদিৰ দৰে খ্যাতনামা চিকিৎসকসকলৰ তত্ত্বাৱধানত হোৱা গৱেষণাৰপৰা কেইখনমান অতি মূল্যবান থিছিছ গুৱাহাটী বিশ্ববিদ্যালয়ে লাভ কৰিছে। ডাঃ প্ৰতুলচন্দ্ৰ গোস্বামীৰ বিষয় আছিল জৈৱ-ৰসায়ন। বৰ্তমান অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু অধ্যক্ষ ডাঃ নৰেন্দ্ৰনাথ বৰ্মনৰ তত্ত্বাৱধানত বাৰজন গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। তেওঁ মানুহৰ শৰীৰত আধুনিক দৰবৰ পাৰ্শ্বক্ৰিয়া আৰু ঔষধি উদ্ভিদে নিৰাময় কৰিব পৰা ৰোগ সম্পৰ্কে গৱেষণা কৰিছে। তদুপৰি স্বৰযন্ত্ৰ (larynx)ত তামোলে কৰিব পৰা কেন্সাৰ সম্পৰ্কেও অধ্যয়ন কৰিছে। অসম বিশ্ববিদ্যালয়ত ভেষজবিজ্ঞানৰ এটি বিভাগ খুলি এক নতুন পথ প্ৰদৰ্শন কৰিছে। ইয়াত ড° সঞ্জীৱ দাস আৰু ড° গৌৰৱে ভেষজজ্ঞান সম্পৰ্কে গৱেষণা আৰম্ভ কৰিছে। এই বিভাগৰপৰা আমাৰ দৈনন্দিন জীৱনৰ বাবে আৱশ্যকীয় তথা অনাৱশ্যকীয় দৰৱ সম্পৰ্কে জ্ঞানৰ প্ৰসাৰ ঘটিব বুলি আশা কৰিব পাৰি।

## উপসংহাৰ

আমি বিদ্যায়তনিক অনুষ্ঠান-প্ৰতিষ্ঠানত বিজ্ঞানৰ গৱেষণা সন্নিৱিষ্ট কৰিবলৈহে চেষ্টা কৰিছোঁ। স্বাধীনতাৰ পাছত প্ৰকৃততে জ্ঞান-বিজ্ঞানৰ উৎকৰ্ষসাধনৰ বাবে এচাম ৰাজনীতিক আৰু এচাম বিজ্ঞানীয়ে আন্তৰিকতাৰে কাম কৰিছিল। কিন্তু অতি পৰিতাপৰ বিষয় — প্ৰায়বিলাক আমোলা আৰু শিক্ষাবিদে সৌ সিদিনালৈকে ইংলেণ্ডৰ চাহাবসকলকহে অনুসৰণ কৰিছিল। এই ক'লা চাহাবসকল পোছাক-পাতিৰে মুখত চুৰুট লৈ চাহাবসকলৰ ফটোৰ নিগেটিভ যেন হৈছিল। দেশৰ প্ৰতি, দেশৰ দৰিদ্ৰ জনগণৰ প্ৰতি তেওঁলোক যেন দায়বদ্ধ নহয় তেনে মনোভাৱেৰে তেওঁলোকে কাম কৰিছিল। আমাৰ দেশৰ অতীতৰ জ্ঞান-বিজ্ঞানক লৈ তেওঁলোকে আধুনিক বিজ্ঞানৰ সোপান ৰচিব নোৱাৰিলে। আনহাতে আন এচামে অকল ইংলেণ্ড কিয়, ফ্ৰান্স, জাৰ্মানি, আমেৰিকা আৰু ৰুছদেশৰ বিজ্ঞানৰ প্ৰগতি অধ্যয়ন কৰি দেশৰ বিজ্ঞানৰ নীতি-নিৰ্ধাৰণ কৰিবলৈ বিচাৰিছিল। কিন্তু সংৰক্ষণশীল গোষ্ঠীটোৰ সদস্যসকলে সকলো ক্ষমতা কুক্ষিগত কৰি নতুন প্ৰগতিশীল চামক হেঁচি তলত ৰাখিব বিচাৰিছিল। ইয়াৰ এটা উদাহৰণেই যথেষ্ট। বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিভাগৰ মুৰব্বীসকলৰ প্ৰায়বিলাকেই কনিষ্ঠসকলক গৱেষণাত সহায়-সহযোগিতা নকৰিছিল, যাৰ ফলত মুৰব্বী পদৰ আৱৰ্তনৰ নীতি প্ৰায়বোৰ বিশ্ববিদ্যালয়তে কাৰ্যকৰী কৰা হৈছে। এনে মুকলি পৰিৱেশতহে বিজ্ঞানীসকলে

কাম কৰাৰ সুযোগ পাইছে। কুৰি শতিকাৰ আশীৰ দশকৰপৰা যুৱ বিজ্ঞানীসকল সক্ৰিয়ভাৱে গৱেষণাত ব্ৰতী হৈছে।

নেহৰুৱে আশা কৰা ধৰণে বিজ্ঞানে সমাজক উপকৃত কৰিব পাৰিছে নে? আমি প্ৰথমতেই কৈছোঁ যে প্ৰকৃতিয়ে বুকু উদঙাই দিয়া সম্পদবোৰৰ বৈজ্ঞানিক পদ্ধতিৰে ব্যৱহাৰ কৰি সমাজৰ পিছপৰা শ্ৰেণীৰ অন্নবস্ত্ৰ, কৰ্ম, বাসস্থান, শিক্ষাৰ সমস্যা সমাধান কৰিব পৰা নাই আজিকোপতি। আমাৰ বিজ্ঞানৰ মৌলিক আৰু প্ৰায়োগিক দুয়োটা দিশ সমানে আগুৱাই নিব লাগিব। কিন্তু বৰ্তমান বিশ্বায়নৰ কোবাল গতিৰ লগত তাল মিলাবলৈ মৌলিক বিজ্ঞানক অনাদৰ কৰা হৈছে। বিজ্ঞানৰ গৱেষণাৰ ফল এতিয়া বিশ্বমানৱৰ বাবে মুক্ত নহয়। ইয়াক পেটেণ্ট কৰি বহুজাতিক নিগমৰ বজাৰত বিক্ৰী কৰা হয়। গতিকে বিজ্ঞানৰ জ্ঞানো পণ্যত পৰিণত হৈছে।

অসমত বিজ্ঞানৰ গৱেষণাই বৰ্তমান দেশৰ আন আধুনিক গৱেষণাগাৰৰ বিজ্ঞানীৰ গৱেষণাৰ লগত ফেৰ মাৰিব পৰা হৈছে। কিন্তু আমি আত্মসন্তুষ্টি লাভ কৰাৰ কাৰণ নাই। অসমৰ প্ৰাকৃতিক সম্পদবোৰৰ বৈজ্ঞানিক পদ্ধতিৰে ব্যৱহাৰৰ প্ৰচেষ্টা চলাব লাগিব। সম্পদৰ যথাযথ ব্যৱহাৰ কৰিব পাৰিলেহে অসম প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাৰ লগতে দেশৰ অৰ্থনীতি সবল কৰিব পাৰিব। পৰাধীন অসমৰপৰা সম্পদ লুণ্ঠন হোৱাৰ দৰে স্বাধীন ভাৰততো এনে লুণ্ঠন হ'লে দুৰ্ভাগ্যজনক কথা হ'ব। সেয়েহে সহনশীল উন্নয়নৰ (sustainable developmentৰ) কথা কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃবৰ্গই চিন্তা কৰক। কেন্দ্ৰীয় মন্ত্ৰী জয়ৰাম ৰমেশে ঠিকেই কৈছে — অগ্নি মিছাইলত অৰ্থব্যয় কৰাতকৈ দেশৰ পিছপৰা অঞ্চলবোৰত স্বাস্থ্যসন্মত অনাময় ব্যৱস্থা কৰাহে জৰুৰী। আমাৰ গৱেষণালব্ধ ফলবোৰ গৱেষণাগাৰতে আবদ্ধ নাৰাখি ৰাইজৰ মঙ্গলৰ বাবে মুকলি কৰি দিব লাগিব। এই প্ৰচেষ্টা সফল হ'বলৈ চৰকাৰ আৰু গৱেষণাগাৰৰ মাজত সমন্বয় গঢ়ি তুলিব লাগিব।

**কৃতজ্ঞতা স্বীকাৰ**

প্ৰবন্ধটো যুগুত কৰোঁতে অসম প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰকাশিত **অসমত বিজ্ঞান চৰ্চাৰ ধাৰা** গ্ৰন্থখনৰপৰা তথ্য-সংগ্ৰহ কৰা হৈছে। ড° দিলীপ শৰ্মা, ড° মনমোহন দাস, ড° কিশোৰ ভট্টাচাৰ্য, বিপুল খাটনিয়াৰ, ড° পৰিমল ভট্টাচাৰ্য, ড° অপৰাজিতা বৰকটকী, ড° জয়কান্ত শৰ্মা, ড° বলেন দেৱ চৌধুৰী, আব্দুল মান্নান আৰু ড° দিব্যজ্যোতি ভট্টাচাৰ্যৰ প্ৰবন্ধৰপৰা তথ্য লোৱা হৈছে। এই লেখকসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ। তদুপৰি অসম বিশ্ববিদ্যালয়ৰ ড° জয়শ্ৰী ৰাউত আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° কালীপ্ৰসাদ শৰ্মাৰ সহায়ৰ বাবেও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ◆

# সময়ৰ বিৱৰ্তনত অসমৰ ক্ৰীড়াক্ষেত্ৰখন: এক অৱলোকন

সহজানন্দ ওজা

(বিষয়টো অত্যন্ত বিশাল, কাৰণ অসমৰ ক্ৰীড়াক্ষেত্ৰখনৰ অতীতৰ অৱস্থা আৰু তাৰপৰা ক্ৰমশঃ বৰ্তমানৰ অৱস্থালৈ অহাৰ ক্ষেত্ৰত আলোচনা কৰাৰ বাবে সহায় ল'ব পৰাকৈ প্ৰামাণ্য তথ্য-পাতিৰ যথেষ্ট অভাৱ। সেয়ে দুই-এটা প্ৰবন্ধৰ সহায় লোৱাৰ উপৰি বাকী সকলোখিনি আলোচনা এই প্ৰবন্ধকাৰে এগৰাকী খেলুৱৈ হিচাপে আৰু জিলা আৰু ৰাজ্যিক স্তৰৰ বহুসংখ্যক ক্ৰীড়া-সংগঠনৰ লগত জড়িত প্ৰশাসক হিচাপে নিজস্ব অভিজ্ঞতা আৰু সংগ্ৰহ কৰা জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিয়েই যুগুত কৰিছে। আলোচনাটিত হয়তো কিছু ত্ৰুটি-বিচ্যুতি ৰৈ যাব; এই আলোচনাত ক্ৰীড়াক্ষেত্ৰখনৰ লগত জড়িত বহু লোক বা অনুষ্ঠানৰ নামো হয়তো বাদ পৰিব। তাৰ বাবে লেখক সংশ্লিষ্ট সকলোৰে ওচৰত মাৰ্জনাপ্ৰাৰ্থী।)

অসমত বিভিন্নজনে, বিভিন্ন সংগঠনে খেলাধুলা আয়োজন কৰিছিল। এই খেলাধূলাসমূহক আমি দুটা ভাগত ভাগ কৰি ল'ব পাৰোঁ। এবিধ স্থানীয় - যিবোৰ খেলৰ কিছু নিয়ম স্থানীয়ভাৱে ঠিক কৰি লোৱা হৈছিল আৰু সেই মতেই পৰম্পৰাগতভাৱে খেলিছিল। তেনে ধৰণৰ কেইবিধমান খেল আছিল ঢোপ, তিনিঠেঙীয়া দৌৰ, ঘিলা ইত্যাদি। আনহাতে দ্বিতীয় বিধ হৈছে নিৰ্দিষ্ট নিয়ম-কানুনৰ ভিত্তিত আৰু আন্তৰ্জাতিক বা ৰাষ্ট্ৰীয় স্তৰত খেলা খেল - ফুটবল, ক্ৰিকেট, ভলিবল, বেডমিণ্টন, টেব্‌ল টেনিছ ইত্যাদি। অৱশ্যে সেই খেলবোৰো বহু সময়ত স্থানীয়ভাৱে কিছুমান নিয়ম-কানুন প্ৰণয়ন কৰি খেলোৱা হৈছিল। পাছলৈ এই ধৰণৰ আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলবোৰ নিৰ্দিষ্ট নিয়ম-কানুন মতে আয়োজন কৰা আৰু খেলা পৰিলক্ষিত হয়। আনহাতে স্থানীয় খেলবোৰ লাহে-লাহে নোহোৱা হ'বলৈ ধৰিলে। যদিও ৰাজ্যখনত কেতিয়াবা কেতিয়াবা কোনো কোনো সংগঠনে কোনো কোনো ঠাইত, আনকি চৰকাৰী পৰ্যায়তো, সেই পৰম্পৰাগত খেলবোৰ আয়োজন কৰাৰ প্ৰয়াস কৰিছিল আৰু সেইবোৰক জনপ্ৰিয় কৰাৰ বাবে যত্ন কৰিছিল, সেই প্ৰচেষ্টা সফল নহ'ল। লাহে লাহে ৰাজ্যখনত ফুটবল, ক্ৰিকেট, ভলিবল, বেডমিণ্টন, হকি, টেব্‌ল-টেনিছ, এথলেটিক্স আদি খেলবোৰৰ বাবে ৰাজ্যিক আৰু জিলাভিত্তিত সংগঠনসমূহ কিছু ক্ৰীড়া-প্ৰেমীৰ প্ৰচেষ্টাত গঢ় লৈ উঠিবলৈ ধৰে। এনেধৰণেই অসমত সংগঠিত

স্তৰত খেলাধূলাৰ আয়োজন আৰু খেলাৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

অসমত ৰাজ্যিক স্তৰত গঠিত হোৱা প্ৰথম খেলৰ সংগঠনটো হ'ল 'ফুটবল'। ৰাজ্যখনৰ বহু কেইখন জিলা বা মহকুমাত এইবিধ খেলৰ আয়োজন কৰা বা খেলাৰ কথা আমি জানিব পাৰোঁ। এই ঠাইবোৰ হ'ল শ্বিলং, শিলচৰ, নগাঁও, গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড়, যোৰহাট, কোকৰাঝাৰ, গোৱালপাৰা, উত্তৰ লখিমপুৰ, শিৱসাগৰ আদি। প্ৰথম অৱস্থাত এই ঠাইবোৰত সেই অঞ্চলসমূহৰ ক্ৰীড়াপ্ৰেমীসকলে একোটা সংস্থা বা এছ'চিয়েচন গঠন কৰি লীগ বা নক-আউট পদ্ধতিত খেলবোৰ অনুষ্ঠিত কৰিছিল। সেয়েহে সেইবোৰৰ আয়োজনত যথেষ্ট আসোঁৱাহ বৈ গৈছিল। কাৰণ এনে ধৰণৰ প্ৰতিযোগিতাৰ খেলবোৰ পৰিচালনা কৰিবৰ কাৰণে অৰ্হতাসম্পন্ন খেল-পৰিচালকৰ অভাৱ আছিল। সকলোতে দেখিছিলোঁ যে এনে খেলসমূহ কিছুসংখ্যক ক্ৰীড়াপ্ৰেমীয়ে আয়োজন কৰিছিল আৰু এনেধৰণৰ প্ৰতিযোগিতা আয়োজন কৰাসকলৰ ভিতৰৰ এজনে বা কোনো এগৰাকী খেলুৱৈয়ে খেলসমূহ পৰিচালনা কৰিছিল। বহু ঠাইত ফুটবল খেল আয়োজন কৰিবলৈ কোনো সংগঠনেই নাছিল। এই সন্দৰ্ভত নগাঁৱৰ কথাকেই আঙুলিয়াব পাৰি। আগতে বৰ্তমানৰ কাৰ্বি আংলং, মৰিগাঁও আদি জিলা নগাঁৱৰ ভৌগোলিক সীমাৰ অন্তৰ্ভুক্ত আছিল। নগাঁও ক্ৰীড়া সংস্থাই ১৯৯০ চনত স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাখন আয়োজন কৰাৰ সময়ত প্ৰকাশ কৰা এখন স্মৰণিকাত "নগাঁৱৰ ফুটবল খেল আৰু খেল-ধেমালি" নামৰ এটা প্ৰবন্ধত নগাঁৱত কেনেকৈ ফুটবল খেলৰ সংগঠন হ'ল সেই সম্পৰ্কে নুৰুল আমিনে এনেদৰে উল্লেখ কৰিছিল:

> নগাঁও জিলাৰ ফুটবল খেলৰ আঁতিগুৰি মাৰি চাবলৈ গ'লে ১৯৪০ চনলৈকে নগাঁৱত এই খেল নিয়ন্ত্ৰণৰ বাবে কোনো সংগঠনেই নাছিল। প্ৰয়োজনবোধে অস্থায়ীভাৱে গঠিত কমিটিৰদ্বাৰা নক-আউট পদ্ধতিত মাজে-সময়ে প্ৰতিযোগিতা আদি পৰিচালনা কৰোৱা হৈছিল যদিও প্ৰচলিত ফুটবল খেলৰ স্বীকৃত নিয়মাৱলীৰ সৈতে সমন্বয় ৰক্ষা কৰি নীতি-শৃঙ্খলাৰে খেল পৰিচালনা কৰাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। চন্দ্ৰকুমাৰী শ্বিল্ড আৰু ফুটবল কাপৰ খেলেই নগাঁৱৰ সেই সময়ৰ প্ৰাচীন প্ৰতিযোগিতাসমূহৰ অন্যতম আছিল। এনে অস্থায়ী পৰিচালনা সমিতিৰ দ্বাৰা সেই সময়ৰ প্ৰতিযোগিতাবিলাক পৰিচালিত হোৱাৰ কাৰণেই ফুটবলৰ ব্যাপক প্ৰসাৰ, নিয়ন্ত্ৰণ আৰু উন্নয়নৰ বাবে অপৰিহাৰ্য্য সাংগঠনিক বিষয়সমূহৰ বাৰুকৈয়ে অভাৱ বোধ কৰা হৈছিল। ১৯৪০ চনত অনুষ্ঠিত এনে প্ৰতিযোগিতাৰ খেল এখনত খেলুৱৈ আৰু দৰ্শকৰ মাজত সংঘটিত হোৱা অশোভনীয় আৰু অপ্ৰীতিকৰ ঘটনাৰ দৃশ্য দেখি মই গভীৰভাৱে মৰ্ম্মাহত হৈছিলোঁ আৰু ঘটনাৰাজি উপশমৰ বাবে নিকা ক্ৰীড়া পৰিচালনাৰ স্বাৰ্থত তৎকালেই এখন ফুটবল নিয়ন্ত্ৰণ সংস্থাৰ জৰুৰী প্ৰয়োজনীয়তাৰ কথা আন্তৰিকতাৰে অনুভৱ কৰিছিলোঁ। জনতাৰ খেল ফুটবলক নগাঁৱত আৰু অধিক জনপ্ৰিয় কৰি তোলাই আমাৰ একমাত্ৰ লক্ষ্য আছিল। তেতিয়া মই ছাত্ৰ আছিলো। তথাপিও সংস্থা গঠনৰ উদ্দেশ্যে জিলাৰ উপায়ুক্ত, পুলিচ অধীক্ষক, অস্থায়ী ক্ৰীড়া প্ৰতিযোগিতাবিলাকৰ সংগঠন কমিটিসমূহৰ সৈতে জড়িত সংগঠনক আৰু ক্ৰীড়ানুৰাগী ব্যক্তিসকলৰ আগত মোৰ উদ্দেশ্যৰ বিষয়ে অৱগত কৰি সক্ৰিয় সহযোগ কামনা কৰিছিলোঁ। মোৰ প্ৰস্তাৱে তেখেতসকলৰ অকুণ্ঠ সমৰ্থন লাভ কৰে আৰু তাৰেই ফলস্বৰূপে ১৯৪১ চনত বহু আকাংক্ষিত 'নগাঁও ফুটবল সন্থা' জন্ম লাভ কৰে আৰু নগাঁৱৰ ক্ৰীড়াভূমিৰ বহুদিনীয়া অভাৱ এটা পূৰণ কৰিবলৈ সবল পদক্ষেপ পেলোৱা হয়। সেই সময়ৰ খেল-ধেমালী অনুৰাগী ডচন উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক জ্ঞান বৰাদেৱ নিৰ্বাচিত হৈছিল নগাঁও ফুটবল সন্থাৰ প্ৰথম গাঁঠনি ধৰোতা সম্পাদক। তেখেতৰ কঠোৰ পৰিশ্ৰম আৰু একাণপটিয়া সাংগঠনিক চেষ্টাৰ ফলতেই নগাঁও ফুটবল সন্থাই সংগঠন আৰু নিয়ন্ত্ৰণৰ পৰিধিত দোপত-দোপে অগ্ৰসৰৰ পাতনি মেলে।



এনেদৰেই ক'বলৈ গ'লে অসমৰ বিভিন্ন জিলা বা মহকুমা সদৰ পৰ্যায়ত একোখন জিলা পৰ্যায়ৰ ফুটবল সংস্থা গঠন হ'বলৈ ধৰে। এই ঠাইবোৰৰ ভিতৰত ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, শ্বিলং, গুৱাহাটী, কোকৰাঝাৰ, মঙলদৈ, উত্তৰ লখিমপুৰ, গোলাঘাট, মণিপুৰ আদিৰ নাম ল'ব পাৰি। উল্লেখনীয় যে মণিপুৰ সেই সময়ত আৰু তাৰ বহু পিছলৈকো অৰ্থাৎ আজি প্ৰায় ৩৫/৩৬ বছৰৰ আগলৈকো মণিপুৰৰ খেলুৱৈসকলে, সৰ্বভাৰতীয় পৰ্যায়ত অসম দলকহে প্ৰতিনিধিত্ব কৰিছিল। উদাহৰণস্বৰূপে বসন্ত কাবুই, লুংগাইনি কাবুই, ধীৰেন সিং আদিৰ নাম ল'ব পাৰি। অসমত খেলাধূলা সংগঠনৰ ক্ষেত্ৰত ফুটবলেই যিহেতু মুখ্য খেল হিচাবে পৰিগণিত হৈছিল সেয়ে ৰাজ্যখনত প্ৰায় সকলো খেলাধূলাৰ জিলা পৰ্যায়ৰ বা মহকুমা পৰ্যায়ৰ সংগঠন ফুটবলৰ ভিত্তিতেই গঠন কৰা হৈছিল। একোখন জিলা বা মহকুমাত ফুটবল খেল আৰু ফুটবল খেলৰ সংগঠনেই মুখ্য আছিল যদিও আন আন খেল, যেনে — ভলিবল, ক্ৰিকেট, বেডমিণ্টন টেব্‌ল-টেনিছ, হকি, এথলেটিক্স, টেনিছ আদি খেলৰো সুকীয়া সংগঠন আছিল। কিন্তু সেই খেলবোৰত খেলুৱৈৰ সংখ্যা যথেষ্ট কম আছিল। পাছলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা ক্ৰীড়ানীতিৰ পৰিপ্ৰেক্ষিতত হে প্ৰতিখন জিলা বা মহকুমা পৰ্যায়ৰ খেলৰ বেলেগ বেলেগ সংগঠনে নিজৰ নিজৰ অস্তিত্ব পৰিহাৰ কৰি জিলা পৰ্যায়ৰ ক্ৰীড়া সংস্থা (District Sports Association) গঠন কৰে। এনেদৰেই নগাঁৱত সেই সময়ত যিবোৰ ক্ৰিকেট সংস্থা, টেব্‌ল টেনিছ সংস্থা, ভলিবল সংস্থা, বেডমিণ্টন সংস্থা, টেনিছ সংস্থা, হকি সংস্থা, এথলেটিক্স সংস্থা আদিকে ধৰি জিলা পৰ্যায়ত যিবোৰ ক্ৰীড়া সংস্থা আছিল সেই সকলোবোৰে গোট খাই ১৯৬৭ চনত নগাঁও ক্ৰীড়া সংস্থা গঠন কৰে। সংস্থাটোৰ সভাপতি আছিল ৰামনাথ শৰ্মা আৰু সম্পাদক আছিল নুৰুল আমিন। একেদৰেই আন আন জিলাতো জিলা ক্ৰীড়া সংস্থা গঠিত হয়। (দুই-এটা ব্যতিক্ৰম ক'ৰবাত থাকিব পাৰে।) কিন্তু এই সংস্থাবোৰৰ সংবিধানসমূহ প্ৰণয়ন কৰোঁতে ফুটবল খেলক গুৰুত্ব দিয়েই কৰা হয়। এনে ধৰণেই আমাৰ ৰাজ্যখনত জিলা পৰ্যায়ৰ ক্ৰীড়া-পৰিচালনাৰ ক্ষেত্ৰত কিছু শৃঙ্খলা আহে।

একেদৰেই বিভিন্ন জিলা ক্ৰীড়া সংস্থাৰ প্ৰতিনিধিক লৈ ৰাজ্যিক ক্ৰীড়া

সংস্থাসমূহ গঠিত হ'বলৈ ধৰে। প্ৰথম পৰ্যায়ত এনে ৰাজ্যিক ক্ৰীড়া সংস্থা জিলা সংস্থাৰ প্ৰতিনিধি, ক্লাবৰ প্ৰতিনিধি আৰু কিছু ব্যক্তিগত ক্ৰীড়া অনুৰাগীৰ প্ৰতিনিধিত্বৰে গঠিত হৈছিল, যাৰ বাবে কোনো কোনো ৰাজ্যিক ক্ৰীড়া সংস্থা গঠনৰ সময়ত সংঘাতো হৈছিল। উদাহৰণস্বৰূপে ফুটবলৰ আন্তঃ-ৰাষ্ট্ৰীয় সংগঠনটো (FIFA)ৰ জন্ম হৈছিল ১৯০৪ চনত। তাৰ বিপৰীতে অসম ফুটবল সংস্থাৰ জন্ম হৈছিল ১৯৪৫-৪৬ চনত। পোন প্ৰথমে ব্ৰিটিছেই ৰাজ্যখনৰ কিছুমান ঠাইত, যেনে - গুৱাহাটী, যোৰহাট, শ্বিলং, সুৰমা উপত্যকা ইত্যাদিত উন্নত মানৰ ফুটবল খেলি ৰাইজক এই খেলৰ প্ৰতি আকৃষ্ট কৰিছিল। ব্ৰিটিছে শ্বিলং টাউন ক্লাব আৰু তেনেধৰণৰ অন্যান্য ক্লাব গঠন কৰি নেচনেল কাপ, আৰ্ল কাপ আদি প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। একেদৰে গুৱাহাটীত মহাৰাণা, টাউন ক্লাব আৰু আন কেইটামান ক্লাব গঠন হোৱাৰ পাছত ৰায়চাহেব কাপ, মাণিক বৰুৱা শ্বিল্ড আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। যোৰহাট, নগাঁও, সুৰমা উপত্যকা আদিতো ক্লাব পৰ্যায়ৰ ফুটবল খেল অনুষ্ঠিত হৈছিল। ১৯১৭ চনত শিলচৰৰ ইণ্ডিয়া ক্লাবে কলিকতাৰ আইএফএ (IFA) শ্বিল্ড প্ৰতিযোগিতাত অংশ লৈছিল আৰু ১৯৩১ চনত অনুষ্ঠিত ঢাকাৰ নিৰ্মল শ্বিল্ড প্ৰতিযোগিতাত ৰানাৰ্ছ-আপ হ'বলৈ সক্ষম হৈছিল। (সেই সময়ত ঢাকা ভাৰতৰ ভিতৰত আছিল।)

নগাঁৱতো সেই সময়তেই জিলাখনৰ বিভিন্ন স্থানত ফুটবল খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। সেই প্ৰতিযোগিতাসমূহৰ কিছুমানৰ নাম এনেধৰণৰ আছিল: চাক্সেনা শ্বিল্ড, ৰায়বাহাদুৰ বালাবক্স হাস্যাৰিয়া শ্বিল্ড, জেলি মেম'ৰিয়েল কাপ, কৈলাস স্মৃতি ট্ৰফি আদি। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমত ফুটবল সংগঠনৰ আৰম্ভণিতে যথেষ্ট সমস্যা আৰু সংঘাত সৃষ্টি হৈছিল। সেইবাবেই শিলচৰ আৰু গুৱাহাটীত প্ৰায় একে সময়তে দুখনকৈ অসম ফুটবল সংস্থাৰ পৰিচালনা সমিতি গঠন হৈছিল। দুয়োটা সংগঠনৰ মাজত অৰিয়া-অৰিয়ে এনে এটা পৰ্যায় পায়গৈ যে অৱশেষত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে (AIFF) বিষয়টোত হস্তক্ষেপ কৰিবলগীয়া হয়, যাৰ ফলত আলোচনাৰ যোগেদি দুয়োপক্ষৰ মাজত সমিল-মিলেৰে ফখৰউদ্দিন আলি আহমেদক (অসমৰ প্ৰাক্তন মন্ত্ৰী আৰু পাছলৈ ৰাষ্ট্ৰপতি) সভাপতি আৰু শিলচৰৰ বিজয় চৌধুৰীক সম্পাদক হিচাপে লৈ অসমত ফুটবলৰ কামকাজ চলাবৰ বাবে অসম ফুটবল সংস্থা গঠন কৰা হয়। এই কথাটোৱে নিশ্চয় দেখুৱাই দিয়ে যে এসময়ত সুৰমা উপত্যকাতো ফুটবল খেল কিমান জনপ্ৰিয় আছিল। এই সমিতিখনৰ তত্ত্বাৱধানতে প্ৰথম আন্তঃ-জিলা ফুটবল প্ৰতিযোগিতাখন মণিপুৰত অনুষ্ঠিত কৰা হৈছিল, কাৰণ সেই সময়ত আৰু তাৰ বহু বছৰৰ পাছলৈকে মণিপুৰৰ ফুটবল অসম ফুটবলৰ এটা স্বীকৃত অঙ্গ আছিল। মাথোন ফুটবলেই নহয়, সেই সময়ত মণিপুৰৰ সকলো খেলুৱৈয়ে আন আন খেলতো অসমৰ হৈ আন্তঃ-ৰাজ্যিক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিছিল। মণিপুৰত অনুষ্ঠিত সেই প্ৰথম আন্তঃ-জিলা ফুটবল প্ৰতিযোগিতাত



কোনো দৰ্শনীৰ ব্যৱস্থা কৰা হোৱা নাছিল। নুৰুল আমিনে ফুটবল আলোচনীখনত "নগাঁৱৰ ফুটবলখেল আৰু খেলধেমালি" নামৰ প্ৰবন্ধত লিখিছিল:

> নগাঁও ফুটবল সংস্থাৰ ব্যৱস্থাপনাত দ্বিতীয় আন্তঃ-জিলা ফুটবল প্ৰতিযোগিতাৰ খেল ১৯৪৮ চনত নগাঁৱৰ পুলিচ খেলপথাৰত অনুষ্ঠিত কৰা হৈছিল। কাৰণ নগাঁও ফুটবল সংস্থাৰ খেলৰ কাৰণে তেতিয়াৰ দিনৰ 'জুবিলী খেলপথাৰ'খন বৰ্তমানৰ অৰ্ধাংশহে আছিল। সামৰিক বাহিনীৰ কবলত থকাৰ বাবে আৰু যুদ্ধৰ শেষত অসংখ্য গাত, খাল, চিমেণ্ট-কংক্ৰীট আদিৰ দ'মেৰে খেলপথাৰখন খেলৰ বাবে অনুপযোগী হোৱাৰ কাৰণে সেই ধৰণৰ প্ৰতিযোগিতাসমূহ পুলিচ কৰ্তৃপক্ষৰ সহযোগত পুলিচ ৰিজাৰ্ভ পথাৰত খেলোৱা হৈছিল। এই দ্বিতীয় আন্তঃ-জিলা ফুটবল প্ৰতিযোগিতাতে পোন প্ৰথমবাৰৰ বাবে নিয়মীয়া দৰ্শনী সংগ্ৰহ কৰা হৈছিল। এই ব্যৱস্থা প্ৰবৰ্তনত সমগ্ৰ অসমৰ ভিতৰতেই নগাঁও পথপ্ৰদৰ্শক।

এইদৰে চালুকীয়া অৱস্থাৰপৰা কষ্ট আৰু দুৰ্যোগ নেওচি নগাঁৱত বিভিন্ন ফুটবল প্ৰতিযোগিতাই লাভ কৰা জনপ্ৰিয়তাৰ কাৰণেই জিলাখনত ফুটবল খেলৰ উন্নয়ন দেখদেখকৈ প্ৰতিফলিত হৈছিল- স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ কৰাৰ আগছোৱাত। ক্ৰমবৰ্ধমান উৎসাহ, উদ্দীপনা আৰু অনুপ্ৰেৰণাৰ কাৰণেই স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ পৰিকল্পনা আৰু তাক ৰূপদান কৰাটো সম্ভৱ হৈ উঠিল। স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাই কেৱল নগাঁৱতে নহয় সমগ্ৰ অসমতেই ক্ৰীড়াৰ ক্ষেত্ৰত এক জোৱাৰ তুলিলে। দেশে স্বাধীনতা লাভ কৰিলে। স্বাধীন দেশৰ নাগৰিকে দেশগঠনৰ আন আন ক্ষেত্ৰৰ লগতে খেল-ধেমালি উন্নয়নৰ বাবে প্ৰেৰণা লাভ কৰিলে। হয়বৰগাঁৱৰ মাৰোৱাৰী যুৱক সংঘই স্বাধীনতা দিৱস কাপটো নগাঁও ফুটবল সংস্থাৰ হাতত অৰ্পণ কৰে। স্বাধীনতা দিৱসৰ স্মৃতি-বিজড়িত এই কাপৰ প্ৰতিযোগিতা আৰম্ভ কৰা হয় ১৯৪৯ চনত অতি অনুষ্টুপীয়াভাৱে স্থানীয় ফুটবল দলসমূহৰ অংশগ্ৰহণেৰে। প্ৰথম বৰ্ষত (১৯৪৯ চনত) নগাঁও বাছ ছিণ্ডিকেট চেম্পিয়ন আৰু নগাঁও কলেজ ৰানাৰ্ছ-আপ হয়। লাহে লাহে এই প্ৰতিযোগিতাৰ পৰিসৰ বৃদ্ধি পাবলৈ ধৰে। প্ৰথমে মণিপুৰকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দলসমূহৰ মাজত আৰু পাছলৈ দেশৰ বিভিন্ন ৰাজ্যৰ - ত্ৰিপুৰা (১৯৫৬ চন), পাঞ্জাৱৰ আম্বালা হিৰোজ (১৯৫৮ চন), কোচবিহাৰ জব্বলপুৰ স্প'ৰ্টিং ক্লাব, বাৰ্নপুৰ ইউনাইটেড ক্লাব, হিন্দুস্থান এয়াৰক্ৰাফট (বাঙ্গালোৰ), লীডাৰ ফুটবল ক্লাব, জলন্ধৰ আদিয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। ১৯৬৯ চনত পোন প্ৰথমবাৰ কলিকতাৰ বিখ্যাত ফুটবল ক্লাব মহামেডান স্প'ৰ্টিং ক্লাব আৰু এৰিয়ান ক্লাবৰ অংশগ্ৰহণে প্ৰতিযোগিতাখনক সৰ্বভাৰতীয় প্ৰথম শ্ৰেণীৰ প্ৰতিযোগিতালৈ উন্নীত কৰে। সেই সময়ত এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা মণিপুৰ ক্ৰীড়া সংস্থাৰ ফুটবল দলটোৰ খেল চাবলৈ মণিপুৰৰ মহাৰজাও নগাঁৱৰ এই খেলপথাৰত উপস্থিত আছিল। ১৯৫২ চনৰ এই প্ৰতিযোগিতাৰ ফাইনেল খেলখন মণিপুৰ ক্ৰীড়া সংস্থা আৰু যোৰহাট ক্লাবৰ মাজত অনুষ্ঠিত হৈছিল। সেই

ফাইনেল খেলখনত মণিপুৰৰ মহাৰজাই উপস্থিত থাকি বিজয়ী মণিপুৰৰ দলটোৰ হৈ স্বাধীনতা দিৱস কাপ গ্ৰহণ কৰিছিল। পাছলৈ এই কাপত বিদেশী দল বাংলাদেশৰ আৱাহনী ক্লাবে অংশগ্ৰহণ কৰিছিল। এই খেলপথাৰতে ৰাছিয়াৰ এটি দলেও প্ৰদৰ্শনী খেল এখনত অংশগ্ৰহণ কৰিছিল। আনহাতে এবাৰ ইংলেণ্ডৰ প্ৰখ্যাত ফুটবল খেলুৱৈ ৰণ মিডছ (Ron Meads)এ এই খেলপথাৰতে অসমৰ কিছুসংখ্যক খেলুৱৈক প্ৰশিক্ষণ দিছিল। আনহাতে এইখন খেলপথাৰতে ১৯৫৯ চনত সন্তোষ ট্ৰফিৰ ফাইনেল গ্ৰুপৰ খেলো অনুষ্ঠিত হৈছিল। তেতিয়াৰ দিনত এইধৰণৰ প্ৰতিযোগিতাৰ খেলসমূহত প্ৰচুৰ দৰ্শকৰ সমাৱেশ ঘটিছিল। প্ৰতিযোগিতাৰ কোনো কোনো খেলত দৰ্শকৰ টিকটৰ যি-চাহিদা আছিল তাক পূৰণ কৰাত অপাৰগতাৰ বাবে সংগঠকসকল প্ৰায় লুকাই থাকিবলগীয়া অৱস্থা হৈছিল। এতিয়া কিন্তু এই প্ৰতিযোগিতাসমূহৰ খেলবোৰত দৰ্শক প্ৰায় নোহোৱাৰ দৰে হৈছে। খেলপথাৰৰ গেলেৰি প্ৰায় দৰ্শকশূন্য হৈ থাকে।

স্বাধীনতা দিৱস কাপৰ সাফল্যৰ পিছত ১৯৫২ চনত লোকপ্ৰিয় বৰদলৈ ট্ৰফি আৰু তাৰ প্ৰায় পিছে পিছে যোৰহাটত এটিপিএ (Assam Tea Planters Association) শ্বিল্ড, শিলচৰত কেপ্টেইন গুপ্ত ট্ৰফি, তেজপুৰত ডুগৰ শ্বিল্ড আদি আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়। তাৰ কাৰণেই অসমৰ বহুতো ফুটবল ক্লাব ব্যক্তিগত উদ্যোগত গঠিত হয় আৰু আন কিছুমান ক্লাব কিছু অনুষ্ঠান প্ৰতিষ্ঠানে গঠন কৰে। ব্যক্তিগত উদ্যোগত গুৱাহাটীত গঠিত হয় টাউন ক্লাব, মহাৰাণা ক্লাব ইত্যাদি। নগাঁৱত গঠিত হয় ইউনিয়ন স্প'ৰ্টিং ক্লাব, টাউন ক্লাব, জিমখানা ক্লাব ইত্যাদি; তেজপুৰত গঠিত হয় তৰুণ অসম সংঘ, যোৰহাটত যোৰহাট ক্লাব আৰু ঠেঙালবাৰী ক্লাব, শিলচৰত ইণ্ডিয়া ক্লাব, ডিব্ৰুগড়ত টাউন ক্লাব, শিৱসাগৰত এমেচাৰ ক্লাব ইত্যাদি আৰু বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠানৰ উদ্যোগত গঢ়ি উঠে দেৰগাঁও পুলিচ (পাছলৈ অসম পুলিচ), ৰেলৰে ফুটবল দল, তিনিচুকীয়া ৰেলৱে, অসম ৰাইফলছ, অইল ইণ্ডিয়া একাদশ, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ ইত্যাদি। এইখিনিতে পুনৰ্বাৰ উনুকিয়াবলৈ বিচাৰিছোঁ যে অসমত সংগঠিত অৱস্থাত ওপৰত আলোচনা কৰা ধৰণে ফুটবল খেলৰ প্ৰসাৰ হোৱাৰ বহু আগতেই ৰাজ্যখনৰ বহুবোৰ ভিতৰুৱা অঞ্চলত ফুটবল খেলৰ প্ৰচলন আছিল, যিবোৰ বৰ্তমানৰ ফুটবল খেলৰ নীতি-নিয়ম মতে পৰিচালনা কৰা হোৱা নাছিল। উল্লেখ কৰা প্ৰতিযোগিতাসমূহৰ বাহিৰেও বহুবোৰ অখ্যাত আৰু পিছপৰা অঞ্চলত কিছুমান ফুটবলপ্ৰেমী ক্ৰীড়া-সংগঠকে বিভিন্ন ফুটবল-টুৰ্নামেণ্ট আয়োজন কৰিছিল। এতিয়াও এনে ধৰণে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ফুটবল খেল আয়োজন কৰা হৈয়ে আছে। তাৰ কাৰণ হৈছে ফুটবল অতিশয় জনপ্ৰিয় আৰু কম খৰচী খেল। এই খেলত অতি কম সময়ৰ ভিতৰত দৰ্শকে প্ৰবল উত্তেজনা আৰু আনন্দ লাভ কৰিব পাৰে। তেতিয়া এতিয়াৰ দৰে অতি উচ্চমানৰ আন্তৰ্জাতিক খেল চাবলৈ টিভি নাছিল। এনেবোৰ খেলতেই দৰ্শকে প্ৰচণ্ড আনন্দ লাভ কৰিছিল।



### ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰখনত ক্লাবসমূহ আৰু সংগঠকসকলৰ ভূমিকা

ৰাজ্যখনৰ ক্ৰীড়া-ক্ষেত্ৰখনৰ এক সম্যক আলোচনা কৰিবলৈ হ'লে বিভিন্ন অঞ্চলত থকা ক্লাবসমূহ আৰু খেলৰ লগত জড়িত সংগঠকসকলৰ বিষয়ে কিছু আলোচনা কৰা আৱশ্যক। এটা কথা ঠিক যে যি-কোনো এটা খেলৰ সম্পূৰ্ণকৈ আলোচনা কৰিবলৈ হ'লে খেলুৱৈসকল আৰু সংগঠকসকলৰ অৱদানৰ কথা আলোচনা কৰাটো একান্ত প্ৰয়োজন। ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনৰ উত্তৰণৰ ক্ষেত্ৰত অতীজৰেপৰা খেলুৱৈসকলৰেই মূল অৱদান আছে, কাৰণ তেতিয়া খেলুৱৈসকলে খেলৰ প্ৰতি থকা তেওঁলোকৰ প্ৰীতিৰ বাবেই খেল খেলিছিল। একেদৰে খেলাধূলাৰ সামগ্ৰিক প্ৰসাৰৰ ক্ষেত্ৰত সংগঠকসকল, ক্ৰীড়া সংগঠনসমূহ আৰু ক্লাবসমূহৰ অৱদানৰ কথা আমি নিশ্চয় জানিব লাগিব। অতীজৰেপৰা জিলা পৰ্যায়ৰ সংগঠনসমূহৰ লগতে বিভিন্ন সৰু-বৰ ক্লাব আৰু সেইবোৰৰ লগত জড়িত সংগঠকসকলৰ একোটা খেলৰ আয়োজন আৰু উত্তৰণৰ ক্ষেত্ৰত প্ৰচুৰ অৱদান থাকে। অসমতো সেই কথাকেই ক'ব পাৰি। একেদৰে ৰাজ্যখনৰ বিভিন্ন ঠাইত বিভিন্ন ব্যক্তি আৰু সংগঠকে এই ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত গুৱাহাটীত গোলাপ চৌধুৰী, ৰাধাগোবিন্দ বৰুৱা, পুলিন দাস, নৃপেন ভট্টাচাৰ্য, অনিমেষ গাঙ্গুলি, নীলিময় চৌধুৰী, জাকিৰ হুছেইন, অমূল্য দাস, সত্যেন দাস, যতীন বৰা, ৰাণা গোস্বামী, যতীন গোস্বামী, আব্দুল মতিন, সুৰেনৰাম ফুকন, প্ৰেমধৰ শৰ্মা, গুলু শেঠী, ইবোচা সিং, ফণী শৰ্মা, ভবানীচৰণ বৰুৱা, চিত্ত ভৌমিক, সুৰেন্দ্ৰনাথ দাস, প্ৰভাত হাজৰিকা, কেডি হাজৰিকা আদি; নগাঁৱত নুৰুল আমিন, জ্ঞান বৰা, হৰিপদ কুমাৰ, বিষ্ণু বৰুৱা, বাবুল বাৰ্মিজ, আলিমুজ জামান, অদিলুজ জামান খান, আব্দুল হাই, অজিত বৰা (ৰাণু), সহজানন্দ ওজা, মহেন্দ্ৰ হাজৰিকা, জয়কান্ত বৰুৱা, নব ভূঞা, প্ৰদীপকুমাৰ হাজৰিকা, আব্দুল জব্বৰ, মুখলেছউদ্দিন আহমেদ, দুৰ্গা দাস, ত্ৰৈলোক্য নাথ; ধিঙত ৰমা বৰা; মৰিগাঁৱত ক্ষীৰোদ বৰুৱা; যোৰহাটত নবীন বৰুৱা, নৃপেন সভাপণ্ডিত, প্ৰিয়নাথ বেজবৰুৱা, হৰিনাৰায়ণ বৰুৱা, বলিনাৰায়ণ বৰুৱা, শশীপ্ৰসাদ বৰুৱা, প্ৰসন্নকুমাৰ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা, দেৱেশ্বৰ শৰ্মা, এছ চি ডছ (পাজী), ক্ষিতীন্দ্ৰনাথ ফুকন, তৰুণ সভাপণ্ডিত, বদন শইকীয়া, ননী দত্ত, দিলীপ শৰ্মা, খগেন চেতিয়া, প্ৰফুল্ল ঠাকুৰ, অৰুণ বৰুৱা; শিৱসাগৰত পৰাগধৰ চলিহা, পৱন গোহাঁই, নিত্য গোহাঁই, ৰঞ্জিত গগৈ, কুল গগৈ, গিৰিজাপ্ৰসাদ বৰুৱা আৰু বিষ্ণুপ্ৰসাদ চলিহা; তেজপুৰত ৰামেশ্বৰ ত্ৰিপাঠী, গঙ্গাৰাম দাস, প্ৰেম ডেকা, বিজিত শইকীয়া, আব্দুল আজিজ, এন মহন্ত, গঙ্গা ভট্টাচাৰ্য আৰু ইস্কে আলম; নলবাৰীত মুকিবুৰ ৰহমান, ত্ৰিকেন দাস, নুৰুল ইছলাম আৰু গফ্‌ৰ জামান; শিলচৰত এছ এম এণ্ডো, সতীন্দ্ৰমোহন দেৱ, সন্তোষমোহন দেৱ, বাদল দাস, এছ দাশগুপ্ত, জে চি দাস, বি ৰায়চৌধুৰী আৰু এছ কে দত্তগুপ্ত; শ্বিলঙত এইচ জি ছেণ্ডাৰচন, নৃপেন্দ্ৰনাৰায়ণ সিংহ (পিছলৈ ৰাজ্যিক ক্ৰীড়া

পৰিষদৰ সম্পাদক), ৰতনলাল সিংহানিয়া, পি ডি ষ্ট্ৰেচি; গোলাঘাটত মহেন্দ্ৰপ্ৰসাদ চলিহা, কেশব বৰুৱা, পূৰ্ণানন্দ গগৈ, নগেন বৰুৱা, অজিত বৰুৱা আৰু দীপক দুৱৰা; গোৱালপাৰাত দিনেন্দ্ৰনাৰায়ণ সিংহ, মনোমোহন দাস আৰু ভক্তি দাস; কোকৰাঝাৰত বিনোদ ব্ৰহ্ম আৰু হেমেন্দ্ৰ ব্ৰহ্ম; ডিব্ৰুগড়ত চন্দ্ৰ শৰ্মা, দুলাল হাজৰিকা, জিতেন চক্ৰৱৰ্তী, শঙ্কৰ ঢেলীয়া, ডঃ বীৰেন দত্ত, ডাঃ শিৱ বৰুৱা, নৃপেন ঠাকুৰ, যতীন বৰুৱা, ৰমেশচন্দ্ৰ বৰুৱা (প্ৰাক্তন মন্ত্ৰী), এছ ৰহমান (ধেনু) আৰু থানেশ্বৰ শইকীয়া; ডিফুত গান্ধীৰাম টিমুং; মঙলদৈত বীৰেন মেধি; তিনিচুকীয়াত ধীৰেন দুৱৰা, অচ্যুত বৰঠাকুৰ আদি কিছুলোকৰ নাম উল্লেখ কৰিব পাৰি। সেই সময়ত অসমৰ ক্ৰীড়াক্ষেত্ৰখনত ধনৰ পয়োভৰ নাছিল। সংগঠকসকলৰ প্ৰায় সকলোৱেই সেই সময়ৰপৰা আজি কিছু বছৰৰ আগলৈকে নিজৰ গাঁঠিৰ ধন ভাঙি ক্ৰীড়াক্ষেত্ৰখনৰ উন্নয়নৰ কামত আত্মনিয়োগ কৰিছিল। এই সুযোগতে অসমৰ ক্ৰিকেট খেলৰ উন্নতিৰ কাৰণে যোৰহাটৰ শশীপ্ৰসাদ বৰুৱা আৰু তেজপুৰৰ গঙ্গাৰাম দাসৰ নাম শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। শশীপ্ৰসাদ বৰুৱাই সেই সময়ৰ সৰ্বভাৰতীয় পৰ্যায়ৰ খেলুৱৈ এছ কে গিৰিধাৰী আৰু বি ফ্ৰেংকক নিজৰ ঠেঙালবাৰী বাগানত নিযুক্তি দিয়াৰ উপৰি থকাৰ ব্যৱস্থা কৰি দিয়াত যোৰহাটত ক্ৰিকেটৰ এটা অনুকূল পৰিৱেশ গঢ় লৈ উঠে। ফলত ৰঞ্জি ট্ৰফি আৰু চেমনীয়া পৰ্যায়ৰ বিভিন্ন সৰ্বভাৰতীয় প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব পৰাকৈ যোৰহাটত বহুতো ক্ৰিকেটাৰৰ সৃষ্টি হয়। এনে খেলুৱৈসকলৰ ভিতৰত মাধুৰ্যপ্ৰসাদ বৰুৱা, প্ৰবোধ চৌধুৰী, প্ৰদীপ ফুকন, খাকান আহমেদ, নিমু সিং, তপন ভট্ট, মুনীন বৰা আদিৰ নাম উল্লেখ কৰিব পাৰি। সেই সময়ত অসমৰ কিছুমান জিলা সংস্থাই খেলসমূহ অনুষ্ঠিত কৰিবলৈ আৰু নিজৰ খেলা চলাবলৈ একো একোখন বা কেতিয়াবা তাতোকৈ বেছি খেলপথাৰ নিজাববীয়াকৈ ব্যৱস্থা কৰি লৈছিল, যেনে— ডিব্ৰুগড়ত চৌকিদিঙি খেলপথাৰ, ডিব্ৰুগড় ইনডোৰ ষ্টেডিয়াম, ডিব্ৰুগড় ক্ৰীড়া সংস্থাৰ খেলপথাৰ, শিৱসাগৰত ব'ৰ্ডিং খেলপথাৰ, তেজপুৰত প'ল' ফিল্ড, নগাঁৱত জুবিলী খেলপথাৰ আৰু পুলিচ ৰিজাৰ্ভ খেলপথাৰ, গুৱাহাটীত জজ ফিল্ড (Judges Field), শ্বিলঙত প'ল' গ্ৰাউণ্ড, শিলচৰত গান্ধী ময়দান ইত্যাদি। একমাত্ৰ যোৰহাটতহে এনএছচিএ (NSCA, National Sports Club of Assam)ৰ অধীনত সীমিত সা-সুবিধাৰে নিৰ্মাণ কৰা এটা ষ্টেডিয়াম আছিল। (NSCA সম্পৰ্কে পাছলৈ আলোচনা কৰা হ'ব।) আনহাতে ডিব্ৰুগড় আৰু গুৱাহাটীত একোটাকৈ ইণ্ড'ৰ ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছিল। সেই সময়ত পোন প্ৰথমবাৰৰ বাবে অসমলৈ অহা দুটা বিদেশী দলে — ইংলেণ্ডৰ এছজেঅ'চি ক্ৰিকেট দলে (Silver Jubilee Overseas Cricket Club, চমুকৈ SJOCC) আৰু ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দল (ইষ্ট জ'নৰ বিপক্ষে) যোৰহাটত খেলিছিল। ইপিনে অসম দলে ১৯৪৯ চনত এখন ৰঞ্জি ট্ৰফিৰ খেলো (হোলকাৰ দলৰ বিপক্ষে) যোৰহাটতেই খেলিছিল। হোলকাৰ দলত



সেই সময়ত মুস্তাক আলি, চি কে নাইডু, চি এছ নাইডু, চি টি চাৰাৱাতে আদিও সদস্য আছিল। হোলকাৰ দলৰ বাহিৰে অসম ৰঞ্জি দলে এখন খেল শ্বিলঙতো খেলিছিল - ১৯৪৮ চনত। ৰঞ্জি ট্ৰফিৰ কিছুমান মেচ গুৱাহাটীৰ জজ ফিল্ডত অনুষ্ঠিত কৰা হৈছিল। নগাঁৱতো সেই সময়ত উৰিষ্যাৰ বিৰুদ্ধে অসমৰ এখন ৰঞ্জি খেল অনুষ্ঠিত হৈছিল। সেই খেলখনতেই অসমৰ হৈ খেলা পি ডব্লিউ বুলকে (P.W. BullockএI) চেঞ্চুৰি কৰিছিল। উল্লেখ কৰিব পাৰি যে বুলকে সেই সময়ত নগাঁৱৰ এখন চাহবাগানত চাকৰি কৰাৰ সূত্ৰে অসমৰ হৈ ৰঞ্জি ট্ৰফি খেলখনত অংশগ্ৰহণ কৰিছিল। তেওঁ ইংলেণ্ডৰ এটা প্ৰখ্যাত ক্লাবৰ খেলুৱৈ আছিল। পিছত চাকৰি সূত্ৰে ভাৰতলৈ আহি তেওঁ যিটো কোম্পানিত চাকৰি কৰিছিল সেই কোম্পানিৰ নগাঁৱত থকা এখন বাগানৰ মেনেজাৰ হিচাবে কাম কৰিছিল। লগতে উল্লেখ কৰিব পাৰি যে অসমত এনে ব্ৰিটিছ কোম্পানিত চাকৰি কৰা ব্ৰিটিছ বা ৰাজ্যৰ বাহিৰৰো আন এনে খেলুৱৈয়ে অসমত ক্ৰিকেট খেলৰ উন্নতিত যথেষ্ট অৰিহণা যোগাইছিল। অসম দলৰ হৈ এনেদৰে খেলা আন এজন খেলুৱৈ হৈছে আৰ এফ কেটেল। অসমে পোন প্ৰথমবাৰৰ বাবে ১৯৪৮ চনত ৰঞ্জি ট্ৰফি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। সেই খেলখন শ্বিলঙত ১৭, ১৮ আৰু ১৯ ডিচেম্বৰত অনুষ্ঠিত হৈছিল। সেইখন খেলতে বুলক আৰু কেটেলে অসমৰ হৈ অংশ লৈছিল। তাৰ আগৰ বছৰ অৰ্থাৎ ১৯৪৭ চনৰ নৱেম্বৰ মাহৰ ৩০ তাৰিখে গুৱাহাটীৰ কটন কলেজিয়েট স্কুল হোষ্টেলত অনুষ্ঠিত অসমৰ কেইখনমান জিলা সংস্থা, ক্লাব আৰু শিক্ষানুষ্ঠানৰ প্ৰতিনিধি আৰু ব্যক্তিগত কিছুসংখ্যক লোকৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এখন সভাত অসম ক্ৰিকেট সংস্থা গঠন কৰা হয়। সভাখনৰ আহ্বায়ক আছিল পুলিনচন্দ্ৰ দাস। সভাপতিত্ব কৰিছিল জয়কান্ত বৰুৱাই। তাতেই অসম ক্ৰিকেট সংস্থাৰ 'প্ৰভিজনেল' কমিটীখন গঠন কৰা হয়। এই কমিটিৰ মুখ্য পৃষ্ঠপোষক আছিল সেই সময়ৰ অসমৰ গৱৰ্ণৰ ছাৰ আকবৰ হায়দৰি, সভাপতি সেই সময়ৰ অসমৰ প্ৰিমিয়াৰ (তেতিয়াৰ মুখ্যমন্ত্ৰীক প্ৰিমিয়াৰ বুলি কোৱা হৈছিল) গোপীনাথ বৰদলৈ, উপ-সভাপতি নুৰুল আমিন আৰু ডাঃ কে চি বৰুৱা, সম্পাদক পুলিনচন্দ্ৰ দাস, সহকাৰী সম্পাদক সুৰঞ্জন চক্ৰৱৰ্তী আৰু কোষাধ্যক্ষ অন্নৰাম বৰুৱা।

জন্মৰ পাছৰপৰাই অসম ক্ৰিকেট সংস্থাই ক্ৰিকেটৰ উন্নতি আৰু প্ৰসাৰৰ বাবে যত্নপৰ হয়। তাৰ ফলত অসম ক্ৰিকেট সংস্থা এটা জাকত জিলিকা অনুষ্ঠান হ'বলৈ সক্ষম হয়। সেই সময়ত আৰু তাৰ বহু পাছলৈকে অসম ক্ৰিকেট সংস্থাই ৰঞ্জি ট্ৰফি আৰু অন্যান্য টুৰ্ণামেণ্টবোৰ ৰাজ্যখনৰ বিভিন্ন জিলাৰ খেলপথাৰত অনুষ্ঠিত কৰিছিল। কিন্তু বেছিভাগ খেলেই গুৱাহাটীৰ জজ খেলপথাৰতেই অনুষ্ঠিত হৈছিল। নেহেৰু ষ্টেডিয়াম নিৰ্মাণ হোৱাৰ পাছত গুৱাহাটীত অনুষ্ঠিত এনে খেলবোৰ প্ৰধানতঃ নেহেৰু ষ্টেডিয়ামত খেলোৱা হৈছিল। কিছুসংখ্যক খেল মালিগাঁৱৰ ৰেলৱে ষ্টেডিয়ামতো খেলোৱা হৈছিল। উল্লেখ কৰিব পাৰি যে উত্তৰ-পূব সীমান্ত

ৰেল-কৰ্তৃপক্ষৰো অসমৰ খেলাধূলাৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট অৱিহণা আছে আৰু তেওঁলোকৰ এই অৱদান মাথোন ক্ৰিকেটতে সীমাবদ্ধ নহয়। বাস্কেটবল, ফুটবল, এথলেটিক্স আদিত ৰাজ্যখনৰ উন্নতিত তেওঁলোকৰ অৱদান অবিস্মৰণীয়। বিশেষকৈ অসমৰ সেই সময়ৰ বহু প্ৰতিভাৱান খেলুৱৈক তেওঁলোকে নিযুক্তি দিছিল। এতিয়াও তেওঁলোকৰ সেই ধৰণৰ কামকাজ সীমিত পৰ্যায়ত হ'লেও অব্যাহত আছে। উল্লেখযোগ্য যে গুৱাহাটী ক্ৰীড়া সংস্থাৰ নিজস্ব কোনো খেলপথাৰ নাই। শেহতীয়াকৈ অসম ক্ৰিকেট সংস্থাই নিজাকৈ এখন ষ্টেডিয়াম গুৱাহাটীৰ বৰ্ষাপাৰাত নিৰ্মাণ কৰি উলিয়াইছে আৰু সেই ষ্টেডিয়ামতেই ২০১৩ চনৰপৰা অসম ক্ৰিকেট সংস্থাই আয়োজন কৰা প্ৰায়বোৰ খেলেই অনুষ্ঠিত হয়। উল্লেখযোগ্য যে অসমৰ কোনো এটা ৰাজ্যিক সংস্থাৰ নিজস্ব খেলপথাৰ এখন থকাটো এয়ে প্ৰথম।

আৰম্ভণিবেপৰা অসম ক্ৰিকেট সংস্থা আৰ্থিক সমস্যাৰ সন্মুখীন হৈ আহিছিল। মাথোন ক্ৰিকেট বুলি ক'লে ভুল হ'ব। সামগ্ৰিকভাৱে ক'বলৈ গ'লে সেই সময়ৰপৰাই আজি কেইবছৰমানৰ আগলৈকে অসমৰ প্ৰায় সকলো ক্ৰীড়া-সংগঠন আৰ্থিক সমস্যাৰে ভাৰাক্ৰান্ত। শেহতীয়াকৈ অৱশ্যে ৰাজ্যখনৰ ক্ৰীড়াৰ ক্ষেত্ৰলৈ ধনৰ আগমন ঘটিছে। সেইটো হ'ব পাৰিছে দেশৰ আৰু ৰাজ্যৰ ক্ৰীড়া-ক্ষেত্ৰখনত কিছু বিত্তৱান লোকৰ আৰু প্ৰভাৱশালী ৰাজনীতিবিদ আৰু ক্ষমতাশালী বিষয়াৰ সমাবেশ ঘটাৰ কাৰণে। আগতে ক্ৰীড়া-ক্ষেত্ৰখনত প্ৰধানতঃ ক্ৰীড়াবিদ আৰু প্ৰকৃত ক্ৰীড়াপ্ৰেমী, যিসকলে খেলপথাৰৰ দুবৰি গছকি ডাঙৰ হৈছে, তেওঁলোকেহে ক্ৰীড়া-সংগঠক হ'বলৈ মন মেলিছিল বা বহু ক্ষেত্ৰত খেলুৱৈ বা ক্ৰীড়াপ্ৰেমীসকলৰ আমন্ত্ৰণক্ৰমেহে খেল-সংগঠক হ'বলৈ আগবাঢ়ি আহিছিল বা দায়িত্ব লৈছিল। কাৰণ, সেই সময়ত এই ক্ষেত্ৰখনত টকা-পইচাৰ বৰ অভাৱ আছিল। আকৌ কিছুসংখ্যকে এনেদৰে বিশেষ কোনো সংস্থাৰ ক্ৰীড়া-সংগঠকৰ দায়িত্ব গ্ৰহণ কৰি গভীৰভাৱে সেইবোৰত সোমাই পৰাৰ ফলত এনে দায়িত্ব পাছলৈ এৰিবলৈ মন নকৰিছিল বা এৰিব নোৱৰা অৱস্থা হৈছিল। বহু সংগঠকে বহুতো সময়ত নিজৰ গাঠিৰ ধন খেল-সংগঠনত খৰচ কৰাৰ ফলত তেওঁলোকৰ পৰিয়ালবৰ্গ তীব্ৰ আৰ্থিক সঙ্কটত পৰিছিল। বৰ্তমান কিন্তু সেই অৱস্থাৰ পৰিৱৰ্তন ঘটিছে — আন্তৰ্জাতিক, ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা, ক্লাব — সকলো স্তৰতে। কাৰণ, আগতে উল্লেখ কৰা ব্যক্তিসকলৰ আগমনত ক্ৰীড়াক্ষেত্ৰখনত ধনৰ প্ৰচণ্ড পয়োভৰ ঘটিছে। সেয়েহে এতিয়া দেখিবলৈ পোৱা গৈছে যে বহুতো সংগঠকে ক্ৰীড়াক্ষেত্ৰখনৰ মাধ্যমেদি নিজৰ নিজৰ স্বাৰ্থসিদ্ধি কৰাত ব্যস্ত আছে। তেনে সংগঠকে নিজৰ খেলুৱৈক যেন তেন প্ৰকাৰেণ বিভিন্ন স্তৰৰ কোনো এটা দলত অন্তৰ্ভুক্ত কৰিবলৈ খেলুৱৈৰ বয়স ফাঁকি দিয়াকে ধৰি বিভিন্ন দুষ্কাৰ্যত লিপ্ত হৈছে। আগতে কিন্তু এনে হোৱা নাছিল। অতীতৰ অসমৰ ক্ৰীড়া-জগৎখনৰ লগত বৰ্তমানৰ ক্ৰীড়াজগৎখনৰ এক আকাশ-পাতাল পাৰ্থক্য দেখা গৈছে। আগতে স্কুল, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ হৈ খেলিবলৈ যাওঁতে ৰেলৰ তৃতীয় শ্ৰেণীত কোনো সংৰক্ষণ



নোহোৱাকৈ ভ্ৰমণ কৰিবলগীয়া হৈছিল। সেই অৱস্থা এতিয়াও অসমৰ বহুবোৰ খেলুৱৈ দলৰ ভ্ৰমণৰ ক্ষেত্ৰত বিদ্যমান। ক্ৰিকেট দলৰ ক্ষেত্ৰত কিন্তু অৱস্থা একেবাৰে বিপৰীত। ক্ৰিকেট খেলুৱৈসকলে প্ৰায় সকলো পৰ্যায়তে উৰাজাহাজতহে অহা-যোৱা কৰে; থকা-খোৱাৰ বাবে ভাল ভাল হোটেলত ব্যৱস্থা কৰা হয় আৰু খেলুৱৈসকলে যথেষ্ট ধনো লাভ কৰে, বিশেষকৈ ৰঞ্জি স্তৰত। আনহাতে টিভি, বিশেষকৈ ব্যক্তিগত চেনেলবোৰৰ প্ৰাদুৰ্ভাৱৰ ফলত ক্ৰিকেটলৈ প্ৰচুৰ ধনৰ আমদানি ঘটিছে। ক্ৰীড়াক্ষেত্ৰখনলৈ টিভিৰ আগমনৰ বাবে বহু প্ৰভাৱশালী আৰু বিত্তৱান লোকৰ আগমন ঘটিছে। বহু সময়ত ব্যক্তিগত লাভলাভৰ বাবেও এনে ঘটিবলৈ ধৰিছে। ক্ৰীড়াক্ষেত্ৰখনলৈ তাহা এইটো এক বিৰাট পৰিৱৰ্তন। বৰ্তমানে ক্ৰীড়াক্ষেত্ৰখনৰ প্ৰায় সকলো স্তৰতে ভীষণ দুৰ্নীতিয়ে গা কৰি উঠিছে। মেচ ফিক্সিংকে ধৰি বিভিন্ন কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ মিডিয়াকে ধৰি সৰ্বস্তৰতে উত্থাপিত হৈছে। আগতে অসমত নিৰ্দিষ্ট কিছু খেলৰহে সংস্থা আছিল। সেইসমূহ প্ৰধানতঃ অসম ফুটবল সংস্থা (১৯৪৫-৪৬), অসম ক্ৰিকেট সংস্থা (১৯৪৭) আৰু তাৰ কিছু পাছত অসম বেডমিণ্টন সংস্থা, অসম ভলিবল সংস্থা, অসম টেব্‌ল টেনিছ সংস্থা, অসম হকী সংস্থা, অসম জিমনাষ্টিক্স সংস্থা, অসম এথলেটিক্স সংস্থা আদি — যিবোৰ পঞ্চাছৰ দশকত আৰম্ভ হৈছিল। তাৰ পাছত লাহে লাহে অন্যান্য ৰাজ্যিক সংস্থা — যেনে, অসম অলিম্পিক সংস্থা, অসম বাস্কেট-বল সংস্থা, অসম ৰেছলিং আৰু বডিবিল্ডিং সংস্থা, অসম হেণ্ডবল সংস্থা, অসম কেৰম সংস্থা, অসম বক্সিং সংস্থা, অসম চাইক্লিং সংস্থা, অসম ফেন্সিং সংস্থা, অসম পৰ্বতাৰোহণ সংস্থা আদি গঠন হয়। বৰ্তমানে অসমৰ এই সকলো খেল সৰ্বভাৰতীয় সংস্থাৰদ্বাৰা স্বীকৃত আৰু খেলসমূহ নিৰ্দিষ্ট নীতি-নিয়ম অনুসৰি পৰিচালিত হয়। ৰাজ্যখনৰ খেলাধূলাৰ ক্ষেত্ৰত অতীত অসমৰ সেই অসংগঠিত বা অৰ্ধসংগঠিত অৱস্থাৰপৰা বৰ্তমানৰ সংগঠিত অৱস্থালৈ অহাৰ প্ৰক্ৰিয়াটো এক ডাঙৰ বিৱৰ্তন বুলি ক'ব পাৰি।

এটা কথা ঠিক যে আহোম স্বৰ্গদেউসকলৰ দিনৰপৰাই তেওঁলোকৰ শাসন-পদ্ধতিত খেলাধূলাৰ বাবে কিছু নিয়ম-নীতি কৰি লৈছিল। তেওঁলোকে খেল আৰু খেলুৱৈক ধঁটা আদি প্ৰদান কৰাৰ লগতে চাকৰিৰো ব্যৱস্থা কৰিছিল। একেদৰে তেওঁলোকে সাংস্কৃতিক ক্ষেত্ৰতো উদগনি দিয়াৰ ব্যৱস্থা কৰিছিল। তেওঁলোক এইবোৰ ক্ষেত্ৰত সেই সময়তেই অগ্ৰণী আছিল। বিভিন্ন উৎসৱ-পাৰ্বণত আয়োজন কৰা খেল-ধেমালি উপভোগ কৰাৰ বাবে ৰংঘৰ নিৰ্মাণ কৰিছিল। তেওঁলোকৰ পাছত ব্ৰিটিছেও এই পৰম্পৰা অব্যাহত ৰাখিছিল, অৱশ্যে তেতিয়ালৈকে আহোমসকলৰ তুলনাত সেইবোৰলৈ বহুত পৰিৱৰ্তন আহিছিল। আহোমৰ দিনতো প্ৰশিক্ষণৰ ব্যৱস্থা আছিল, প্ৰশিক্ষক নিয়োগ কৰিছিল। ব্ৰিটিছৰ দিনত আৰু তাৰ পাছতো সেই ধাৰা অব্যাহত আছে, অৱশ্যে বহু পৰিৱৰ্তনেৰে সৈতে।

যি কি নহওক, ইয়াৰ পৰৱৰ্তী সময়ত ৰাজ্যখনৰ ক্ৰীড়াৰ ক্ষেত্ৰত এক

মন কৰিবলগীয়া পৰিৱৰ্তন আহিবলৈ ধৰে, উল্লেখ কৰা বিভিন্ন খেলৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যিক সংস্থা গঠনৰ মাজেদি। তাৰ প্ৰায় লগে লগে আৰম্ভ হয় খেলাধুলাৰ বাবে খেলপথাৰ আৰু আন্তঃগাঁথনি নিৰ্মাণৰ প্ৰক্ৰিয়া। এই প্ৰসংগত আমি ৰাজ্যখনৰ খেলপথাৰ আৰু খেলৰ আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱা দুটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ কথা আলোচনা কৰাটো নিতান্ত প্ৰয়োজন। এটা হৈছে নেচনেল স্প'ৰ্টছ ক্লাব অৱ আছাম (National Sports Club of Assam বা NSCA) আৰু আনটো হৈছে অসম ৰাজ্যিক ক্ৰীড়া পৰিষদ (State Sports Council of Assam বা SSCA)। প্ৰথমেই আলোচনা কৰা যাওক এনএছচিএ (National Sports Club of Assam)ৰ বিষয়ে।

অসমৰ একাংশ ক্ৰীড়া-সংগঠক আৰু ক্ৰীড়া-অনুৰাগীয়ে ১৯৫৩ চনত ৰাজ্যখনত এনএছচিএ নামৰ সংগঠনটো গঠন কৰে ৰাজ্যখনত আন্তঃগাঁথনি নিৰ্মাণ কৰিবৰ কাৰণে। তাৰ ফলত প্ৰথমতে যোৰহাট ষ্টেডিয়াম আৰু পাছত গুৱাহাটীৰ নেহেৰু ষ্টেডিয়াম নিৰ্মাণ কৰাৰ বাবে পদক্ষেপ লোৱা হয় উক্ত এনএছচিএৰ উদ্যোগত। প্ৰণিধানযোগ্য যে অসম চৰকাৰে অসমত ক্ৰীড়াৰ আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ কোনো আঁচনি বা উদ্যোগ লোৱাৰ আগতেই বেচৰকাৰী স্তৰত অসমৰ কিছুসংখ্যক ক্ৰীড়া-সংগঠক আৰু ক্ৰীড়াসচেতন ব্যক্তিয়ে উক্ত অনুষ্ঠানটো গঠন কৰে প্ৰধানতঃ ৰাজ্যখনত ক্ৰীড়াৰ প্ৰসাৰ আৰু ক্ৰীড়া-আন্তঃগাঁথনি নিৰ্মাণৰ উদ্দেশ্যে সকলো প্ৰকাৰৰ সহায় আগবঢ়াবলৈ। এই এনএছচিএ অনুষ্ঠানটো গঢ় দিয়াৰ ক্ষেত্ৰত সকলোতকৈ বেছি অৰিহণা আগবঢ়োৱা ব্যক্তিজন আছিল পি ডি ষ্ট্ৰেচি। অসমত খেলাধুলা কৰিবৰ বাবে যে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ, সেই কথা বাৰুকৈয়ে অনুভৱ কৰি সেইবোৰ পূৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা ল'বলৈ তেওঁ উদ্যোগ লৈছিল আৰু তাৰেই ফলতেই এই এনএছচিএ গঠন।

১৯৫৫ চনৰ ১৮ জানুৱাৰিত অনুষ্ঠিত এনএছচিএৰ এখন কাৰ্যনিৰ্বাহকৰ সভাত তেওঁৰ সম্পৰ্কে গ্ৰহণ কৰা এটা প্ৰস্তাৱত তেঁৱেই যে অনুষ্ঠানটো পতাৰ মূল হোতা আছিল সেই কথা এনেদৰে উল্লেখ আছে: "The meeting of the Executive Committee of the NSCA records with deepest appreciation and gratitude the contributions made by Mr. P. D. Stracy to the growth of Sports in Assam, particularly in giving shape to the National Sports Club of Assam and in construction of the NSCA Stadium at Jorhat." এই কথাখিনিয়েই এইটো নিশ্চিত কৰে যে যোৰহাটৰ ষ্টেডিয়ামটো এনএছচিএ নামৰ সংস্থাটোৱে নিৰ্মাণ কৰা অসমৰ প্ৰথম ষ্টেডিয়াম যাৰ নামকৰণ কৰা হৈছিল নেচনেল ষ্টেডিয়াম বুলি। পি ডি ষ্ট্ৰেচি চাকৰি সূত্ৰে অসমৰপৰা ডেৰাডুনলৈ বদলি হৈ যাবলগীয়া হোৱাত অনুষ্ঠানটোৰ বিষয়ববীয়াৰ পদৰপৰা তেওঁ পদত্যাগ কৰে আৰু তেতিয়াই উক্ত প্ৰস্তাৱটো কাৰ্যকৰী সভাখনত গ্ৰহণ কৰা হৈছিল। উল্লেখযোগ্য যে পি ডি ষ্ট্ৰেচি অসম চৰকাৰৰ বন বিভাগৰ এগৰাকী উচ্চপদস্থ



বিষয়া আছিল।

এনএছচিএৰ তিনিটা গোট আছিল: যোৰহাট, গুৱাহাটী আৰু শ্বিলং। সেই সময়ত এনএছচিএৰ সদস্য এনে ধৰণৰ আছিল: ৯গৰাকী ড'নাৰ মেম্বাৰ, ১২৪গৰাকী ফাউণ্ডাৰ মেম্বাৰ আৰু ৫৭০গৰাকী লাইফ মেম্বাৰ। ইয়াৰ উপৰি জিলা আৰু ৰাজ্যিক সংস্থাসমূহও ইয়াৰ সদস্য আছিল। এই তিনিটা গোটৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল এনেধৰণৰ: শ্বিলং গোট – সভাপতি পি ডি ষ্ট্ৰেচি, সম্পাদক এইচ ডি চেণ্ডাৰছন; যোৰহাট গোট — সভাপতি পি কে বৰুৱা, সম্পাদক এছ চি ডছ; গুৱাহাটী গোট — সভাপতি ৰাধাগোবিন্দ বৰুৱা, সম্পাদক ভাৰত দাস আৰু মূল অনুষ্ঠানটোৰ সম্পাদক নুৰুল আমিন।

তেতিয়া গুৱাহাটীত অনুষ্ঠিত সকলো ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেল, যেনে— ৰঞ্জি ট্ৰফি, বৰদলৈ ট্ৰফি বা ৰেছলিং আদি খেল জজ খেলপথাৰত অনুষ্ঠিত কৰা হৈছিল। সেই সময়ত বৰ্তমান নেহৰু ষ্টেডিয়াম যি-ঠাইত অৱস্থিত সেই ঠাইত গুৱাহাটী পৌৰসভাৰ ডাম্পিং গ্ৰাউণ্ড আছিল। ১৯৫৪ চনৰ ২৫ নৱেম্বৰত এনএছচিএৰ যোৰহাটত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহকৰ সভাত এনএছচিএৰ গুৱাহাটী গোটৰ সভাপতি ৰাধাগোবিন্দ বৰুৱাই জানিবলৈ দিয়ে যে এনএছচিএৰ গুৱাহাটী ষ্টেডিয়ামৰ কাৰণে চৰকাৰে অতি সোনকালে উক্ত ঠাই ডোখৰ পত্তন দিব। সেই মতে সেই ঠাইতে এনএছচিএৰ গুৱাহাটী ষ্টেডিয়াম নিৰ্মাণ কৰিবৰ বাবে সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সেই সভাত উক্ত কামৰ বাবে এনএছচিএৰ কেন্দ্ৰীয় কমিটীয়ে গুৱাহাটী গোটক দহ হাজাৰ টকা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেয়াই গুৱাহাটী ষ্টেডিয়াম বা বৰ্তমানৰ নেহৰু ষ্টেডিয়ামৰ আৰম্ভণিৰ গুৰি কথা। ১৯৬১ চনৰ ২৮ আগষ্টৰ পাছতহে অসম চৰকাৰে সেই ডোখৰ মাটি গুৱাহাটী গোটৰ সভাপতি ৰাধাগোবিন্দ বৰুৱাৰ হাতত চমজাই দিয়ে। ইয়াৰ বাবে চৰকাৰে দিয়া মাটিৰ পৰিমাণ হ'ল ৪০ (চল্লিছ) বিঘা। কালক্ৰমত ষ্টেডিয়ামটো ৰাধাগোবিন্দ বৰুৱা আৰু ৰাজেন চৌধুৰীকে ধৰি তেওঁলোকৰ লগত ওতপ্ৰোতভাৱে সহযোগ কৰা কিছুমান ক্ৰীড়া-সংগঠকৰ প্ৰচেষ্টাত এটা পূৰ্ণাঙ্গ ক্ৰীড়া প্ৰকল্প হিচাপে গঢ় লৈ উঠে। এইখিনিতে পুনৰ উল্লেখ কৰা প্ৰয়োজন যে প্ৰকল্পটোৰ নিৰ্মাণৰ মূল হোতা আছিল ৰাধাগোবিন্দ বৰুৱা।

যোৰহাটত এনএছচিএৰ মূল কাৰ্যালয় আছিল আৰু এই ষ্টেডিয়ামটোক নেচনেল ষ্টেডিয়াম বুলি নামকৰণ কৰা হৈছিল। পাছত গুৱাহাটীৰ ষ্টেডিয়ামটোৰ নিৰ্মাণত অধিক গুৰুত্ব দিয়াৰ কাৰণে যোৰহাটৰ ষ্টেডিয়ামটোৰ অৱস্থা প্ৰায় একেদৰেই ৰয়। এতিয়াও তাৰ অৱস্থাৰ বিশেষ পৰিৱৰ্তন হোৱা নাই। দেশত জৰুৰীকালীন অৱস্থা চলি থকাৰ সময়ত অসম চৰকাৰে এখন অধ্যাদেশৰ জৰিয়তে এই এনএছচিএ নামৰ সংগঠনটো নিজৰ হাতলৈ নি ব'ৰ্ড অৱ স্প'ৰ্টছ, আসাম নামৰ এটা সংগঠন সেই অধ্যাদেশৰদ্বাৰা গঠন কৰি তাক চলাবলৈ চৰকাৰ মনোনীত কিছু লোকক দায়িত্ব দিয়ে। উল্লেখযোগ্য যে এনএছচিএৰ হাতত থকা অৱস্থাত নেহৰু ষ্টেডিয়ামৰ

অন্তৰ্ভুক্ত প্ৰায় সকলো প্ৰকল্প, যেনে— গেষ্ট হাউছ (বৰ্তমানৰ লেণ্ডমাৰ্ক হোটেল), ছুইমিং পুল, ড° জাকিৰ হুছেইন মেম'ৰিয়েল জিমনেছিয়াম, কনকলতা ইনড'ৰ ষ্টেডিয়াম আদি নিৰ্মিত হৈছিল। চৰকাৰে অধিগ্ৰহণ কৰাৰ পাছত নতুনকৈ সংযোজিত হৈছে তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, প্লেয়াৰ্ছ পেভিলিয়ন আৰু বাস্কেটবল ক'ৰ্ট। টেনিছ প্ৰকল্পটোও নুৰুল আমিনৰ নামত এনএছচিএৰ হাতত থকা অৱস্থাতেই নিৰ্মাণ কৰা হৈছিল। ড° জাকিৰ হুছেইন মেম'ৰিয়েল জিমনেছিয়ামটোৰ এটা অংশ ১৯৭৮ চন মানত ৰাজ্যৰ ক্ৰীড়া সঞ্চালকৰ কাৰ্যালয়লৈ পৰিৱৰ্তন কৰা হয়।

এনএছচিএই যোৰহাট আৰু গুৱাহাটীত ষ্টেডিয়াম নিৰ্মাণ কৰি থকাৰ সময়ত অসমৰ বিভিন্ন জিলা আৰু মহকুমাৰ সদৰ স্থানসমূহত খেলপথাৰ বা ক্ৰীড়া-প্ৰকল্পাধীন নিৰ্মাণ কাৰ্য আৰম্ভ হয়। ইয়াৰ ফলত জিলা পৰ্যায়ৰ খেলৰ আন্তঃগাঁথনিত যথেষ্ট পৰিৱৰ্তন আহিবলৈ ধৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এনএছচিএৰ হাতৰপৰা অধিসূচনা জাৰিৰদ্বাৰা নেহৰু আৰু যোৰহাট ষ্টেডিয়াম দুটা অধিগ্ৰহণ কৰাৰ সলনি চৰকাৰে নিজৰ উদ্যোগত গুৱাহাটী আৰু যোৰহাটত বেলেগ বেলেগ দুটা ক্ৰীড়া-প্ৰকল্প হাতত লৈ সেইবোৰ কাৰ্যকৰী কৰা হ'লে অসমৰ ক্ৰীড়া-জগৎখন অধিক উপকৃত হ'লহেতেন, কাৰণ কিছুসংখ্যক ক্ৰীড়াপ্ৰেমীৰ অশেষ যত্ন আৰু ত্যাগৰ বিনিময়ত এনএছচিএ গঠনৰদ্বাৰা গুৱাহাটী আৰু যোৰহাট ষ্টেডিয়ামৰ দৰে প্ৰকল্প দুটা গঢ় লৈ উঠিছিল। যি কি নহওক সামগ্ৰিকভাৱে ক'বলৈ গ'লে এনএছচিএৰ গঠন আৰু তেওঁলোকে লোৱা বিভিন্ন ইতিবাচক পদক্ষেপৰ ফলত অসমৰ ক্ৰীড়া-জগৎখনলৈ যে এটা ডাঙৰ পৰিৱৰ্তন আহিছিল সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

আনহাতে এনএছচিএ গঠনৰ কিছু বছৰৰ পাছত সৰ্বভাৰতীয় ক্ৰীড়া পৰিষদ (All India Council of Sports)ৰ লেখীয়াকৈ অসমতো ৰাজ্যিক ক্ৰীড়া পৰিষদ, অসম (State Sports Council of Assam বা চমুকৈ SSCA) চৰকাৰৰ উদ্যোগত গঠন কৰা হয়। অনুষ্ঠানটোৰ সকলো সদস্যই চৰকাৰৰদ্বাৰা মনোনীত। ইয়াৰ সংবিধানখন ১৯৭৪ চনত পঞ্জীয়নৰ কাৰণে (Society Registration Actৰ অধীনত) সংশ্লিষ্ট বিভাগৰ ওচৰত জমা দিয়া হয়। প্ৰথম অৱস্থাত অনুষ্ঠানটোৰ বিষয়ববীয়াসকল আছিল এনে ধৰণৰ: সভাপতি — অসমৰ শিক্ষামন্ত্ৰী, উপসভাপতি — ৰাজ্য চৰকাৰৰ মুখ্য সচিব, অবৈতনিক সম্পাদক — নুৰুল আমিন, কোষাধ্যক্ষ — নৃপেন ভট্টাচাৰ্য। ইয়াৰ সদস্যসকল আছিল: অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব, বিত্ত বিভাগৰ সচিব, উচ্চশিক্ষা বিভাগৰ সঞ্চালক, ফণী শৰ্মা, এছ এম এণ্ডো, চন্দ্ৰকান্ত শৰ্মা (ডিব্ৰুগড়), তপন দত্ত (যোৰহাট), সুৰেন্দ্ৰনাথ দাস (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া সঞ্চালক), পুলিন দাস (গুৱাহাটী), বীৰেন বৰুৱা, মনোমোহন দাস (গোৱালপাৰা) আৰু গান্ধীৰাম টিমুং (ডিফু)। এই ৰাজ্যিক ক্ৰীড়া পৰিষদখন পঞ্জীকৰণ হোৱাৰ পাছত তাক পূৰ্ণাঙ্গ ৰূপ দিয়া হয় আৰু তাৰ পৰিৱৰ্তন সাধন কৰা হয় এনেদৰে: সভাপতি - ৰাজ্যৰ



ক্ৰীড়ামন্ত্ৰী, উপসভাপতি দুজনৰ এজন হ'ল শিক্ষা বিভাগৰ সচিব আৰু আনজন হ'ল বেচৰকাৰী লোক, সম্পাদক হ'ল ৰাজ্য চৰকাৰৰ ক্ৰীড়া সঞ্চালক, কোষাধ্যক্ষ এজন আৰু সদস্যসকল হ'ল দুগৰাকী চৰকাৰী বিষয়া, ৰাজ্য বিধানসভাৰ দুগৰাকী সদস্য, দুজন এগ্‌জিকিউটিভ কাউন্সিলৰ (ভৈয়ামৰ), এজন এগ্‌জিকিউটিভ কাউন্সিলৰ (পাহাৰৰ), অসমৰ ক্ৰীড়া উন্নয়নৰ লগত জড়িত চাৰিগৰাকী ব্যক্তি, অসমৰ এগৰাকী খ্যাতিসম্পন্ন খেলুৱৈ, এগৰাকী ক্ৰীড়া-সাংবাদিক, ৰাজ্যিক স্তৰৰ তিনিটা ক্ৰীড়া-সংস্থাৰ প্ৰতিনিধি আৰু জিলা ক্ৰীড়া-সংস্থাৰ সাতগৰাকী প্ৰতিনিধি। পাছলৈ এইখন সংবিধানৰ আৰু বহুতো পৰিৱৰ্তন ঘটোৱা হৈছে। উল্লেখযোগ্য যে যি-সময়ত অসমৰ সকলো ক্ৰীড়া-সংগঠনৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া আছিল সেই সময়ত অসম ৰাজ্যিক ক্ৰীড়া পৰিষদে (SSCA) ক্ৰীড়া সংস্থাসমূহক তেওঁলোকৰ সকলো কামকাজ চলোৱাৰ বাবে (দল-প্ৰেৰণ, প্ৰশিক্ষণ দিয়া, আন্তঃগাঁথনি নিৰ্মাণ কৰা) সীমিত পৰিমাণৰ হ'লেও ধনৰ যোগান ধৰিছিল; ফলত অসমৰ ক্ৰীড়া-ক্ষেত্ৰখনৰ কিছু উন্নতি হৈছিল। এই অনুষ্ঠানটোৱে ৰাজ্যিক ক্ৰীড়া-সংস্থাসমূহলৈকো তেওঁলোকৰ কামকাজ চলাবলৈ কিছু পৰিমাণ ধনৰ আবণ্টন প্ৰতি বছৰেই দিছিল। ইয়াৰ বাহিৰেও ৰাজ্যিক ক্ৰীড়া পৰিষদে ৰাজ্যিক ক্ৰীড়া-সমাৰোহ, ৰাজ্যিক গ্ৰাম্য ক্ৰীড়া-সমাৰোহ আদি অনুষ্ঠিত কৰাৰ উপৰি খেলুৱৈসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। সেয়ে এটা সময়ত এইটো এটা গুৰুত্বপূৰ্ণ সংগঠন হিচাপে পৰিগণিত হৈছিল। কিবা কাৰণত এই অনুষ্ঠানটোৰ গুৰুত্ব লাহে লাহে কমিবলৈ ধৰে আৰু বৰ্তমানে ই এক মৃতপ্ৰায় অনুষ্ঠানত পৰ্যৱসিত হৈছে।

**ৰাজ্যৰ ক্ৰীড়া সঞ্চালকালয়**

১৯৬৪-৬৫ চনত দেৱকান্ত বৰুৱা অসমৰ শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ত নুৰুল আমিনক সঞ্চালক হিচাপে পাঁচ বছৰৰ বাবে নিযুক্তি দিয়া হয় বিদ্যালয় পৰ্যায়ৰ ক্ৰীড়াৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা লোৱাৰ লগতে ৰাজ্যখনত ক্ৰীড়াৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ চৰকাৰক যাৱতীয় দিহা-পৰামৰ্শ দিয়াৰ উদ্দেশ্যে। প্ৰথম অৱস্থাত সঞ্চালকালয়টোৱে এইবোৰ ক্ষেত্ৰত বহুবোৰ ভাল পদক্ষেপ গ্ৰহণ কৰাৰ ফলত অসমে দেশৰ স্কুল পৰ্যায়ৰ খেলাধূলাত যথেষ্ট ভাল ফল দেখুৱাবলৈ সক্ষম হৈছিল। সঞ্চালকালয়ৰ যোগেদি ৰাজ্যৰ বিদ্যালয়সমূহৰ মাজত ক্ৰীড়া-সামগ্ৰীও বিতৰণ কৰা হয়। বিদ্যালয় পৰ্যায়ৰ খেলুৱৈসকলক ক্ৰীড়া-জলপানী দিয়া, সৰ্বভাৰতীয় স্কুল গেমছ ফেডাৰেচনে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতালৈ ৰাজ্যিক দল প্ৰেৰণ কৰা আদি পদক্ষেপৰদ্বাৰা ৰাজ্যৰ ক্ৰীড়া-ক্ষেত্ৰখনলৈ সঞ্চলকালয়টোৱে যথেষ্ট অৰিহণা যোগাইছে। এই সঞ্চালকালয়ৰদ্বাৰা ৰাজ্যিক স্তৰত দেওকণ মেম'ৰিয়েল ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰি তাৰ বিজয়ী দলটোক সৰ্বভাৰতীয় সুব্ৰত মুখাৰ্জী

45151/20

ফুটবল প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা হয়। ইয়াৰ ফলত স্কুল-পৰ্যায়ৰ ফুটবল-খেলত ছাত্ৰসকলৰ মাজত প্ৰতিযোগিতাৰ মনোভাব গঢ়ি উঠে। একেদৰে এই ক্ৰীড়া সঞ্চালকালয়ে সৰ্বভাৰতীয় স্কুল গেমছ প্ৰতিযোগিতালৈ আন আন দলো প্ৰেৰণ কৰে।

আনহাতে ক্ৰীড়া সঞ্চালকালয়ে আৰু ৰাজ্যৰ ক্ৰীড়া বিভাগটোৱে আৰু দুটা কাম কৰিছে: (১) জিলাসমূহত ক্ৰীড়া-বিষয়াক নিযুক্তি দিছে আৰু (২) ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নত কৰিবৰ বাবে ৰাজ্যৰ গ্ৰামাঞ্চলত মিনি ষ্টেডিয়াম নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছে। কিন্তু উপযুক্ত পৰিকল্পনাৰ অভাৱৰ কাৰণেই এনেবোৰ কামৰদ্বাৰা ৰাজ্যখনত ক্ৰীড়াৰ বাতাৱৰণৰ যিধৰণৰ উন্নতি হ'ব লাগিছিল সি হৈ নুঠিল।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে সঞ্চালকালয়টোৱে ৰাজ্যৰ বিদ্যালয় পৰ্যায়ত এটা স্পষ্ট ক্ৰীড়া-নীতি প্ৰণয়ন কৰিবলৈ প্ৰায় ব্যৰ্থ হ'ল। এবাৰ সেই সময়ৰ ৰাজ্যৰ শিক্ষামন্ত্ৰী হৰেন্দ্ৰনাথ তালুকদাৰে ৰাজ্যত এখন ক্ৰীড়া বিদ্যালয় স্থাপন কৰা হ'ব বুলি ঘোষণা কৰি গুৱাহাটীৰ কটন কলেজিয়েট বিদ্যালয়তে এই ক্ৰীড়া বিদ্যালয়খন পতা হ'ব বুলি ঘোষণা কৰে। সেই বিদ্যালয়খন কি হ'ল কোনেও নাজানে। এইখিনিতে উল্লেখ কৰিব পাৰি যে সঞ্চালকালয়টো খোলাৰ আগৰেপৰাই অসমৰ স্কুল টুৰ্ণামেণ্টসমূহ অতি ভালকৈ আয়োজন কৰা হৈছিল আৰু সেইবোৰত হোৱা প্ৰতিযোগিতাসমূহও যথেষ্ট উচ্চমানৰ আছিল। টুৰ্ণামেণ্টবোৰত খেলাধূলাৰ বাহিৰেও সাংস্কৃতিক প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছিল। টুৰ্ণামেণ্টসমূহত বিদ্যালয়সমূহে নিজৰ উৎসৱপৰা সংগৃহীত ধন খৰচ কৰি তাত অংশগ্ৰহণ কৰিছিল। ক্ৰীড়া সঞ্চালকালয় খোলাৰ পিছত কিছু বছৰ এইবোৰ নিয়াৰিকৈ চলি আছিল, কিন্তু লাহে লাহে ৰাজ্যিক আৰু জিলা স্তৰত এইবোৰৰ পৰিচালনাৰ ক্ষেত্ৰত আন্তৰিকতা নোহোৱা হ'ল। চৰকাৰৰপৰা ধনৰ আবণ্টন কৰা হৈছিল যদিও কাৰ্যক্ষেত্ৰত এইবোৰৰ আয়োজনত যথেষ্ট গাফিলতি ঘটে। সেয়েহে টুৰ্ণামেণ্টসমূহৰ মান আৰু খেলৰ পৰিৱেশ যথেষ্ট নিম্নগামী হ'বলৈ ধৰে। বিশেষকৈ ধনৰ আবণ্টন পায়ো সঞ্চালকালয় প্ৰতিষ্ঠাৰ প্ৰকৃত উদ্দেশ্য সফল নহ'ল।

## ক্ৰীড়া পেন্সন

১৯৮৪-৮৫ চনত ৰাজ্য চৰকাৰে বয়োজ্যেষ্ঠ ক্ৰীড়া-সংগঠক আৰু ক্ৰীড়াবিদসকলক উদগনি দিবৰ বাবে আৰু আৰ্থিকভাৱে জুৰুলা তেনে লোকক কিছু সকাহ দিবৰ কাৰণে ক্ৰীড়া পেন্সন প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। একেধৰণৰ সিদ্ধান্ত ৰাজ্যৰ সাংস্কৃতিক কৰ্মী আৰু সাহিত্যিকসকলৰ ক্ষেত্ৰতো লোৱা হয়। প্ৰথমতে পেন্সনৰ বাবে মনোনীত সকলোকে মাহেকীয়া পেন্সন দিয়াৰ ব্যৱস্থা কৰা হৈছিল যদিও পিছলৈ ক্ৰীড়া-পেন্সনাৰসকলক মাহিলী পেন্সন



দিয়াৰ ব্যৱস্থা ৰদ কৰি এককালীনভাৱে দিয়াৰহে ব্যৱস্থা কৰা হ'ল। এয়া নিশ্চয় আগৰ যুগান্তকাৰী সিদ্ধান্তৰ বিপৰীতে এক পশ্চাৎমুখী সিদ্ধান্ত।

## বিশ্ববিদ্যালয় স্তৰৰ ক্ৰীড়া

এটা সময়ত অসমত এখনেই বিশ্ববিদ্যালয় আছিল — গুৱাহাটী বিশ্ববিদ্যালয়। সেই সময়ত বিশ্ববিদ্যালয়-ক্ৰীড়াৰ পৰিৱেশ অত্যন্ত ভাল আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত প্ৰায় সকলো মহাবিদ্যালয়েই গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদত পঞ্জীয়নভুক্ত হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছত প্ৰায় ৩০/৩৫ বছৰ ধৰি সমগ্ৰ অসমৰ লগতে মণিপুৰৰ মহাবিদ্যালয়সমূহও গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত হৈ আছিল। সেই সময়ত বৰ্তমানৰ মেঘালয়, নাগালেণ্ড আদি অসমৰ ভৌগোলিক সীমাৰ ভিতৰত আছিল। গতিকে সেইবোৰ ৰাজ্যৰ মহাবিদ্যালয়সমূহেও গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া-সমাবোহত অংশগ্ৰহণ কৰিছিল। স্বাভাৱিকভাৱেই অনুধাৱন কৰিব পাৰি যে সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ-কলেজ ক্ৰীড়া-সমাবোহখন এখন বৃহৎ প্ৰতিযোগিতাৰ স্থলি আছিল। তেতিয়া এই ক্ৰীড়া-সমাৰোহত এথলেটিক্স প্ৰতিযোগিতাৰ উপৰি ভলিবল, বেডমিণ্টন, টেব্‌ল-টেনিছ, সাঁতোৰ আদি খেলসমূহৰ প্ৰতিযোগিতাও গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ পঞ্জীয়নভুক্ত মহাবিদ্যালয়সমূহৰ খেলুৱৈসকলৰ মাজত অনুষ্ঠিত হৈছিল। সেয়ে প্ৰতিযোগিতা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক হৈছিল। তেতিয়া এই প্ৰতিযোগিতাসমূহ যথেষ্ট উচ্চ খাপৰ আছিল যদিও সেই সময়ত অসমৰ মহাবিদ্যালয়সমূহৰ প্ৰায়বোৰতেই খেলাধূলাৰ বাবে কোনো মানবিশিষ্ট আন্তঃগাঁথনি নাছিল। সদ্যহতে দেখা গৈছে যে অসমৰ মহাবিদ্যালয়সমূহৰ সৰহভাগেই NAAC (National Assessment and Accreditation Council)ৰপৰা ভাল গ্ৰেড পোৱাৰ আশাৰে ক্ৰীড়াৰ একো একোটা ডাঙৰ আন্তঃগাঁথনি গঢ়ি তুলিবলৈ লৈছে; বিশ্ববিদ্যালয় অনুদান আয়োগেও সেইবোৰ আন্তঃগাঁথনি গঢ়ি তুলিবলৈ পৰ্যাপ্ত ধনৰ আবণ্টন দি আছে। কিন্তু প্ৰায়বোৰ কলেজতে পৰ্যাপ্ত সংখ্যক খেলুৱৈ নথকাত আৰু সেই ক্ৰীড়াৰ পৰিৱেশ নথকাত সেই আন্তঃগাঁথনিবোৰৰ সদ্ব্যৱহাৰ হৈ থকা নাই। ইয়াৰ ফলত মাথোন ধনৰহে অপচয় হৈ আছে। মুঠতে আগৰ তুলনাত এতিয়া মাথোন আন্তঃগাঁথনিহে হৈছে, কিন্তু খেলুৱৈ নাই। আগতে খেলুৱৈ আছিল, কিন্তু আন্তঃগাঁথনি নাছিল। ফলত দেখা গৈছে যে গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদে আন্তঃ-মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা, ফুটবল প্ৰতিযোগিতা, ক্ৰিকেট প্ৰতিযোগিতা বা অন্যান্য খেলৰ প্ৰতিযোগিতা প্ৰায়েই অনুষ্ঠিত নকৰে বা কৰিলেও প্ৰায়বোৰ মহাবিদ্যালয়ে দল নপঠায়। একেদৰে গুৱাহাটী বিশ্ববিদ্যালয়েও সৰ্বভাৰতীয় আন্তঃ-বিশ্ববিদ্যালয় প্ৰতিযোগিতালৈ প্ৰায়েই দল প্ৰেৰণ নকৰে। মুঠতে ক'বলৈ গ'লে বৰ্তমানৰ গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া

পৰিষদখনে এক মুমূৰ্ষু অৱস্থা পাইছেহি। এই ক্ৰীড়া পৰিষদখন বা সামগ্ৰিকভাৱে বিশ্ববিদ্যালয়খন এই দিশত প্ৰায় সম্পূৰ্ণ ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদখনৰ কামকাজ তুলনামূলকভাৱে উন্নত বুলি ক'ব পাৰি।

**অসমত গাইড-লাইন প্ৰৱৰ্তন** আৰু ক্ৰীড়া সংস্থাসমূহৰ দায়িত্বৰ দিশটো আমি নিৰীক্ষণ কৰিলে দেখা পাম যে ভাৰত চৰকাৰৰ ক্ৰীড়া-নীতি অনুসৰণ কৰি অসম চৰকাৰেও অসমত গাইড-লাইন প্ৰৱৰ্তন কৰে - যাৰ ফলত একোটা ৰাজ্যিক ক্ৰীড়া সংস্থাৰ সভাপতি, সম্পাদক আৰু কোষাধ্যক্ষ এই তিনিগৰাকী সংস্থাৰ বিষয়ববীয়াৰ কাৰ্যকাল ছয় বছৰলৈ সীমাবদ্ধ কৰা হয়। এই গাইড-লাইন প্ৰৱৰ্তনৰ ঘোষিত উদ্দেশ্য আছিল ক্ৰীড়া সংস্থাসমূহত যাতে কোনো ক্ৰীড়া-সংগঠকেই অত্যধিক দিন ক্ষমতাত অধিষ্ঠিত হৈ থাকিব নোৱাৰে তাকে সুনিশ্চিত কৰা। সেই ব্যৱস্থা অসমতো প্ৰযোজ্য হয়। গতিকে সেই সময়ৰ এই কেইগৰাকী বিষয়ববীয়াই সেই ছয় বছৰীয়া কাৰ্যকালৰ সিদ্ধান্ত মানি লয়। তেতিয়া অসমৰ প্ৰায়বোৰ ক্ৰীড়া সংস্থাৰ বিষয়ববীয়াসকল প্ৰকৃত ক্ৰীড়া-সংগঠক বা খেলুৱৈ আছিল। বৰ্তমান কিন্তু এই ক্ষেত্ৰত প্ৰচণ্ড পৰিৱৰ্তন আহিছে। এতিয়া অসমৰ প্ৰায়বোৰ ক্ৰীড়া সংস্থাৰ সভাপতিৰ আসন একোজন ৰাজনীতিক বা ক্ষমতাশালী লোকে দখল কৰি আছে। সেয়ে এতিয়া উক্ত ছয় বছৰীয়া ক্ৰীড়া-নীতি কোনো সংস্থাই মানি থকা দেখা নাযায়। এতিয়া ক'বলৈ গ'লে প্ৰকৃত ক্ৰীড়াবিদ বা খেলুৱৈৰ স্থান সংস্থাসমূহত নোহোৱাৰ দৰে হৈছে। তাৰেই পৰিপ্ৰেক্ষিতত দেশৰ উচ্চতম ন্যায়ালয়ে অলপতে এটা ৰায়দান কৰি কৈছে যে ক্ৰীড়াবিদসকলেহে দেশৰ ক্ৰীড়ানুষ্ঠানবোৰ পৰিচালনা কৰা উচিত। আগৰ অৱস্থাৰ পৰিৱৰ্তন হৈ বৰ্তমান ক্ৰীড়াক্ষেত্ৰখনে এনে এটা ভয়ঙ্কৰ অৱস্থা পাইছেগৈ যে দেশৰ প্ৰায় প্ৰতিটো সংগঠন বা খেল আয়োজনত প্ৰচণ্ড দুৰ্নীতি সংঘটিত হ'বলৈ লৈছে। যাৰ বাবে দেশৰ কেইবাগৰাকী নামী ক্ষমতাশালী সংগঠকে জেলৰ ভাত খাবলগীয়া হৈছে। আনকি ভাৰতৰ অলিম্পিক সংস্থা (Indian Olympic Association) এনে ব্যক্তি ক্ষমতাত অধিষ্ঠিত হৈ থকাৰ বাবে আন্তৰ্জাতিক অলিম্পিক সংস্থা (International Olympic Association)ই সেই সংস্থাটোৰ স্বীকৃতি বাতিল কৰাৰ বাবে ব্যৱস্থা ল'ব লগা হৈছে। আগতেই উল্লেখ কৰা হৈছে দেশৰ ক্ৰীড়া সংস্থাসমূহক প্ৰতিটো স্তৰতে সংঘটিত কৰিবৰ কাৰণে কিছুসংখ্যক ক্ৰীড়াপ্ৰেমীয়ে বহু কষ্ট স্বীকাৰ কৰি অতি নিঃস্বাৰ্থভাৱে, আনকি নিজৰ গাঁঠিৰ ধন খৰচ কৰি সেই কাৰ্য সম্পাদন কৰিছিল। বৰ্তমান তাৰ বিপৰীত ছবিহে দেখিবলৈ পোৱা গৈছে।

আমি এইখিনিতে উল্লেখ কৰিব পাৰোঁ যে পৰম্পৰাগত খেলসমূহৰ বাহিৰেও অসমৰ কিছুসংখ্যক দূৰদৰ্শী আৰু অত্যুৎসাহী ক্ৰীড়াপ্ৰেমীয়ে ৰাজ্যখনত কিছুমান দুঃসাহসিক ক্ৰীড়া সংস্থা গঠন কৰি সেইসমূহৰ প্ৰতি যুৱচামক আকৃষ্ট কৰিছিল। তেনে কেইটামান অনুষ্ঠান আছিল অসম ফ্লাইং ক্লাব, অসম দুঃসাহিক ক্ৰীড়া সংস্থা, অসম পৰ্বতাৰোহণ সংস্থা আদি। অসম ফ্লাইং ক্লাব (অসম উৰাজাহাজ সংস্থা)টো ক'বলৈ গ'লে যদিও প্ৰথমে অনা-চৰকাৰী সংস্থা হিচাপেই গঢ় লৈছিল পিছলৈ সি অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ এজন বিষয়াৰ অধীনত এটা চৰকাৰী সংস্থালৈ পৰ্যবসিত হয়। এই সংস্থাটো প্ৰথম অৱস্থাত অতি সুন্দৰভাৱে পৰিচালিত হৈছিল; কিন্তু পিছলৈ ইয়াৰ কামকাজ বেয়াৰ ফালে যাবলৈ ধৰে আৰু বৰ্তমান ই প্ৰায় বন্ধ হৈ যোৱাৰ অৱস্থা হৈছে। বেচৰকাৰী অৱস্থাৰপৰা চৰকাৰে অনুষ্ঠানটো নিজৰ হাতলৈ নিয়াৰ ফলস্বৰূপেই এনে হ'বলৈ পায় বুলি কোৱাৰ থল আছে। আনহাতে আনটো দুঃসাহিক ক্ৰীড়া সংস্থা, অৰ্থাৎ অসম পৰ্বতাৰোহণ সংস্থাৰ, কামকাজ প্ৰায় ঠিকেই চলি আছে বুলি ক'ব পাৰি।



### ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে অসম দল গঠন

আগতেই উল্লেখ কৰা হৈছে যে ৰাজ্যখনত ক্ৰীড়া সংস্থাসমূহ গঠন কৰাৰ প্ৰায় লগে লগেই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে দল-গঠন প্ৰক্ৰিয়া আৰম্ভ হয়। প্ৰথম অৱস্থাত এনে দলবোৰ গঠন কৰাৰ ক্ষেত্ৰত সৰ্বভাৰতীয় সংস্থাসমূহৰ কোনো নিৰ্দিষ্ট নিয়ম নাছিল বুলিব পাৰি। পিছলৈহে লাহে লাহে এই ক্ষেত্ৰত সৰ্বভাৰতীয় সংস্থাসমূহে নিয়ম পালন কৰিবলৈ ধৰে। এটা কথা আমি বুজিব লাগিব যে একোখন ৰাজ্যত একোটা ক্ৰীড়া সংস্থা গঠন কৰা হয় সেইখন ৰাজ্যৰ খেলৰ আৰু খেলুৱৈসকলৰ সকলো দিশত উন্নতিৰ কাৰণে। তেনে এক ধাৰণাৰেই নিশ্চয় অসমৰ ক্ৰীড়া সংস্থাসমূহ গঠন কৰা হৈছিল। প্ৰথমতে ক্ৰীড়া সংস্থাসমূহে দল গঠন কৰোঁতে বিভিন্ন ঠাইৰ খেলুৱৈসকলক লৈ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দল প্ৰেৰণ কৰিছিল। অসম ক্ৰিকেট দল গঠন কৰোঁতে অসম দলত ৰাজ্যৰ বাহিৰৰ, আনকি দেশৰো বাহিৰৰ, খেলুৱৈক অন্তৰ্ভুক্ত কৰিছিল। মাথোন সেয়ে নহয়, অসমৰ বাগানত কাম কৰা ভাৰতৰ অন্য ৰাজ্যৰ খেলুৱৈকো অসম দলত স্থান দিছিল। অসমৰ ফুটবল দলতো একেদৰে খেলুৱৈ অন্তৰ্ভুক্ত কৰিছিল। আনকি একোজন ফুটবল খেলুৱৈৰে এটা বছৰৰ বিভিন্ন সময়ত এখনতকৈ অধিক জিলাৰ দলৰ হৈ খেলিছিল, বিভিন্ন জিলাৰ বিভিন্ন ঠাইত বিভিন্ন দল আৰু ক্লাবৰ হৈ লীগত অংশগ্ৰহণ কৰিছিল আৰু ভাড়াতো ফুটবল খেলিবলৈ গৈছিল। পিছলৈ অৱশ্যে বিভিন্ন নিয়ম প্ৰণয়ন কৰি তেনে ধৰণে অংশ লোৱাটো বন্ধ কৰা হয় আৰু দলবোৰ তথা খেলুৱৈসকলক নিয়ম-শৃঙ্খলাৰ মাজলৈ আনা হয়। কিন্তু এই ক্ষেত্ৰত কিছু সুৰুঙা ৰৈ যোৱাত বিভিন্ন প্ৰতিযোগিতাত মেডেল/বঁটা আদি লাভ কৰিবৰ বাবে আজি কিছু বছৰৰপৰা ৰাজ্যখনত সেই নীতি-নিয়ম, বিশেষকৈ স্থানীয় খেলুৱৈক খেলৰ সুবিধা দিয়াৰ যি-উদ্দেশ্য তাক নস্যাৎ কৰি বাহিৰৰ খেলুৱৈকো দলত অন্তৰ্ভুক্ত কৰা দেখা গৈছে। উদাহৰণস্বৰূপে অসমত ২০০৭ চনত অনুষ্ঠিত ৩৩তম ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা (National Games 2007)ৰ

কথা উনুকিয়াব পাৰি। অসম অলিম্পিক সংস্থা আৰু অসম চৰকাৰে তেনে এখন বৃহৎ প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা সিদ্ধান্তক আমি যুগান্তকাৰী বুলি ক'ব পাৰোঁ। প্ৰতিযোগিতাখনত অসমে সামগ্ৰিকভাৱে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনৰ আলম লৈ অসমত বহুতো ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ কৰা হয়। ইমানলৈকে ঠিকেই আছিল। কিন্তু অতি দৃষ্টিকটুভাৱে দেখা গ'ল যে অসমৰ বিভিন্ন ৰাজ্যিক স্তৰৰ ক্ৰীড়া সংস্থাই এই প্ৰতিযোগিতাত অংশ ল'বলৈ দল গঠন কৰোঁতে ৰাজ্যৰ বাহিৰৰ খেলুৱৈক তেওঁলোকৰ দলত স্থান দি মাথোন পদক অৰ্জন কৰি ৰাজ্যবাসী আৰু দেশবাসীক সচকিত কৰে। কামটো এই কাৰণেই অত্যন্ত গৰ্হিত আছিল যে অসম অলিম্পিক সংস্থাৰ অন্তৰ্ভুক্ত সকলো ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া, অসম চৰকাৰৰ উচ্চস্তৰৰ বিষয়ববীয়া, দৰ্শক আৰু সংবাদ-মাধ্যমৰ সন্মুখত মাথোন প্ৰতিযোগিতাখনত মেডেল অৰ্জন কৰাৰ মনোবৃত্তিৰেই কামটো কৰা হৈছিল - যিটো সামগ্ৰিকভাৱে ক্ৰীড়াৰ উদ্দেশ্যৰ পৰিপন্থী। এই কাৰ্যৰদ্বাৰা একোটা ৰাজ্যিক ক্ৰীড়া সংস্থা গঠনৰ যি-উদ্দেশ্য তাকো নস্যাৎ কৰা হ'ল; কাৰণ এনেদৰে ৰাজ্যৰ খেলুৱৈসকলক বঞ্চিত কৰি বহিঃ-ৰাজ্যৰ খেলুৱৈক সুবিধা দিয়া হ'ল - যিটো নৈতিকতাকো পৰ্যুদস্ত কৰে।

### ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি

এসময়ত ৰাজ্যখনত খেলৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি নাছিল। ১৯৫৪ চনত এন এছ চি এ (NSCA)ই যোৰহাটত নিৰ্মাণ কৰা নেচনেল ষ্টেডিয়ামটোকেই কিছু মানবিশিষ্ট আন্তঃগাঁথনিৰে ৰাজ্যখনত নিৰ্মিত হোৱা প্ৰথমখন ষ্টেডিয়াম বুলি ক'ব পাৰি। তাৰ পিছত ১৯৬০ৰ দশকত গুৱাহাটীত NSCAৰ উদ্যোগত নেহেৰু ষ্টেডিয়াম নিৰ্মাণ কৰা হয়। নগাঁৱতো প্ৰায় সেই সময়ত নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত জুবিলী খেলপথাৰখনতে অনুষ্টুপীয়াকৈ এটা ক্ৰীড়াৰ আন্তঃগাঁথনি গঢ় দিয়া হয়। এনেদৰে অসমৰ বিভিন্ন জিলা ক্ৰীড়া সংস্থাৰ উদ্যোগত তেওঁলোকৰ নিজাববীয়াকৈ একোখন খেলপথাৰ নিৰ্মাণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। সেই সময়তে শ্বিলং আৰু ডিব্ৰুগড়তো দুটা ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণ কৰা হয়। জিলা পৰ্যায়ত এই নিৰ্মাণবোৰৰ বাবে কিছু জিলা সংস্থাই চৰকাৰৰপৰা মাটি আবণ্টন লৈছিল। কিছু ক্ৰীড়া অনুৰাগীৰ অক্লান্ত কষ্টৰ বিনিময়ত — কোনো কোনো ক্ষেত্ৰত ক্লাব গঠনৰদ্বাৰা — জিলা পৰ্যায়ৰ সংস্থাবোৰে ৰাজ্যখনত ক্ৰীড়াৰ বাবে কিছু আন্তঃগাঁথনি নিৰ্মাণ কৰি উলিয়াইছিল। একেদৰে ৰাজ্যৰ কিছুমান বিদ্যালয়ক মাটি পট্টন দি একোখন নিজস্ব খেলপথাৰৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে উদগনি দিয়ে। সেয়ে আমি মন কৰিলে দেখিবলৈ পাম যে অসমৰ পুৰণি বিদ্যালয়-মহাবিদ্যালসমূহৰ প্ৰায়বোৰৰে খেলাধূলা কৰিবৰ বাবে এনে ব্যৱস্থা আছে। ক'বলৈ গ'লে অসমৰ বহু ঠাইত সেই খেলপথাৰবোৰতেই সেই সময়ত সমগ্ৰ অঞ্চলটোৰ খেলধেমালিৰ ব্যৱস্থা কৰা হৈছিল। পিছলৈ লাহে



লাহে অঞ্চলবোৰত ৰাইজৰ উদ্যোগত খেলপথাৰ নিৰ্মাণ হ'বলৈ ধৰে। অসমত খেলৰ বাবে ষ্টেডিয়াম নিৰ্মাণ কৰাৰ ধাৰণাটো বৰ পুৰণি নহয়। আগতেই উল্লেখ কৰা হৈছে যে পোন প্ৰথমবাৰৰ বাবে অসমত ষ্টেডিয়াম নিৰ্মাণ কৰাৰ প্ৰক্ৰিয়াটো এন এছ চি এ নামৰ সংগঠনটোৱে আৰম্ভ কৰে। লাহে লাহে জিলা ক্ৰীড়া সংস্থাসমূহেও নিজৰ নিজৰ মাটিত ষ্টেডিয়াম নিৰ্মাণৰ বাবে উদ্যোগ ল'বলৈ ধৰে। এনেদৰে সীমিত সা-সুবিধাৰে হ'লেও অসমৰ প্ৰতিখন জিলা সদৰ, মহকুমা আৰু অঞ্চলত একোটাকৈ ষ্টেডিয়াম নিৰ্মাণৰ বাবে কিছু ক্ৰীড়াপ্ৰেমী যত্নপৰ হয়। কিছু বছৰৰ আগৰপৰা অসম চৰকাৰৰ ক্ৰীড়া বিভাগে চৰকাৰে গ্ৰহণ কৰা এটা বিশেষ নীতি অনুসৰি কিছুমান মিনি ষ্টেডিয়াম নিৰ্মাণ কৰিবৰ বাবে আঁচনি লয়। সেই সময়তে ভাৰত চৰকাৰেও ৰাজ্যসমূহৰ চৰকাৰলৈ এই নিৰ্দেশ দিয়ে যে ৰাজ্যৰ সকলো মুকলি ঠাইকেই খেলাধূলাৰ বাবে সংৰক্ষণ কৰিব লাগে। আনহাতে অসম ৰাজ্যিক ক্ৰীড়া পৰিষদে (SSCA) ৰাজ্যৰ জিলা সদৰ, মহকুমা আৰু আন আন ঠাইত ষ্টেডিয়াম নিৰ্মাণৰ কাৰণে ধনৰ আবণ্টন দিয়াৰ ব্যৱস্থা কৰে। এনেদৰেই অসমত ক্ৰীড়াৰ বাবে আন্তঃগাঁথনি গঢ় লৈ উঠিবলৈ ধৰে। কিন্তু আজি প্ৰায় তিনি দশকমান আগৰপৰা এই পটৰ পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰিছে। ৰাজ্যখনত থকা মুকলি ঠাইবোৰ খেলাধূলাৰ বাবে সংৰক্ষণ কৰি ৰখাৰ চৰকাৰী নীতি যদিও এতিয়াও আছে, দৰাচলতে চৰকাৰেই সেই নীতিৰ বিপৰীতে তেনেকৈ থকা মুকলি ঠাই কিছুমান অনুষ্ঠান আৰু ব্যক্তিক পত্তন দিবলৈ লৈছে। আনহাতে, নগাঁও, ডিব্ৰুগড়, শিলচৰ, মঙলদৈ, তেজপুৰ, তিনিচুকীয়া, গোলাঘাট আৰু শিৱসাগৰকে ধৰি ৰাজ্যখনৰ কেইখনমান জিলাত ক্ৰীড়া সংস্থাসমূহে নিজৰ উদ্যোগত একোটাকৈ ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ কৰে আৰু কেইবাখনো জিলা সংস্থা এই ক্ষেত্ৰত যথেষ্ট সফলো হয়। এই ক্ষেত্ৰত নগাঁও ক্ৰীড়া সংস্থাৰ নামটো বিশেষভাৱে উল্লেখ কৰিব পাৰি এই কাৰণেই যে সংস্থাটোৰ সংগঠকসকলে যে মাথোন বিভিন্ন খেল অনুষ্ঠিত কৰিবৰ কাৰণেহে ষ্টেডিয়ামটো নিৰ্মাণ কৰিছিল এনে নহয়, জিলাৰ খেলাধূলা আৰু সংস্থাৰ অন্যান্য কামকাজ চলাবলৈ যে অৰ্থৰ প্ৰয়োজন সেই বিষয়ে চিন্তা কৰি ষ্টেডিয়ামটোত খেলপথাৰৰ কোনো ক্ষতি নকৰাকৈ বহু কেইখন দোকান নিৰ্মাণ কৰি ভাড়ালৈ দিয়ে। এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি যে এই দোকানবোৰ (ষ্টেডিয়ামৰ গেলেৰিৰ তলত আৰু তাৰ বাহিৰতো) নিৰ্মাণ কৰা হৈছিল দোকান ভাড়ালৈ ল'ব খোজা লোকৰপৰা অগ্ৰিমভাৱে এটা নিৰ্দিষ্ট পৰিমাণৰ ধন লৈ, যিখিনি ধন পিছলৈ ভাড়া দিবলগীয়া টকাৰপৰা কাটি দিয়া হয়। এই ব্যৱস্থাৰ ফলত ষ্টেডিয়ামটোৰ প্ৰায় সকলো গেলেৰি নিৰ্মাণ কৰা হ'ল। চৰকাৰৰপৰা কোনো সহায় লাভ নকৰাকৈ, নিজৰ উৎসৰপৰা সংগৃহীত ধনেৰে এইদৰে ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈ লোৱা নগাঁও ক্ৰীড়া সংস্থাৰ পৰিকল্পনা ৰাজ্যখনৰ ভিতৰত একেবাৰে অভিনৱ। নগাঁও ক্ৰীড়া সংস্থা এই দিশত ৰাজ্যখনতে বাটকটীয়া বুলি

ক'ব পাৰি।

যি কি নহওক, ৰাজ্যখনত এইদৰে বিভিন্ন জিলা আৰু মহকুমা পৰ্যায়ৰ ক্ৰীড়া-সংস্থাই ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ কৰি ৰাজ্যখনত খেলাধূলাৰ অগ্ৰগতিৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়াইছে। এই ধাৰা এতিয়াও অব্যাহত আছে। তথাপি ক'ব লাগিব যে এনেদৰে ষ্টেডিয়াম বা খেলপথাৰ নিৰ্মাণ কৰি ৰাজ্যখনৰ ক্ৰীড়াৰ আন্তঃগাঁথনিৰ চাহিদা কিছু পৰিমাণেহে পূৰণ কৰা হৈছে। সেয়া পৰ্যাপ্ত নহয়। এনে সময়তে ২০০৭ চনত অসমত নেচনেল গেমছ অনুষ্ঠিত কৰাৰ বাবে অসমে দায়িত্ব লাভ কৰে। প্ৰায় চাৰিশ কোটি টকা এই গেমছ অনুষ্ঠিত কৰাৰ বাবে খৰচ কৰা হয়। এই গেমছত বিভিন্ন খেলৰ আয়োজনৰ কাৰণে বহু কেইটা ষ্টেডিয়াম নিৰ্মিত হয়। গেমছ পাতিবলৈ দায়িত্ব লাভ কৰাৰ লগে লগে অসমৰ বহু ক্ৰীড়া সংস্থাই গুৱাহাটীতেই গেমছৰ সকলো খেলা অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে আন আন জিলাতো অনুষ্ঠিত কৰাৰ কাৰণে পৰামৰ্শ আগবঢ়ায়। প্ৰথম অৱস্থাত চৰকাৰে সেই পৰামৰ্শৰ প্ৰতি সঁহাৰি জনাই গুৱাহাটীৰ বাহিৰেও— নগাঁও, যোৰহাট আদি ঠাইতো— কেইবিধমান খেল অনুষ্ঠিত কৰিবৰ বাবে আগবাঢ়ে। নগাঁৱত নেচনেল গেমছৰ হকি খেলসমূহ অনুষ্ঠিত কৰাৰ কাৰণে যাবতীয় উদ্যোগ লোৱা হয়। সৰ্বভাৰতীয় হকি ফেডাৰেচনৰ সভাপতি মিঃ কে পি এছ গিল নগাঁৱলৈ আহি অসম হকি সংস্থাৰ বিষয়ববীয়াৰ লগত নগাঁৱৰ নিউ আমোলাপট্টিত অৱস্থিত নগাঁও বাঙালী স্কুল আৰু নগাঁও ডচন হাইস্কুলৰ খেলপথাৰ পৰিদৰ্শন কৰে। কিন্তু হঠাৎ সেই চেষ্টা বন্ধ হৈ যায়। কোনো অদৃশ্য শক্তিৰ হেঁচাত গেমছৰ সকলো খেল গুৱাহাটী আৰু তাৰ আশে-পাশে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। এই গেমছ অনুষ্ঠিত কৰিবৰ বাবে সকলো সা-সুবিধা থকা এটা হকি ষ্টেডিয়াম, এটা চুইমিং পুল, দুটা ক্ৰীড়া প্ৰকল্প, কেইবাটাও ইনড'ৰ ষ্টেডিয়াম, এটা চাইকেল ভেলড্ৰ'ম, এথলেটিক্স অনুষ্ঠিত কৰিবৰ বাবে এখন বিশাল ষ্টেডিয়াম, আন দুটা বৃহৎ ক্ৰীড়া প্ৰকল্প, শ্যুটিং ৰেঞ্জ আদি বহু ক্ৰীড়াৰ আন্তঃগাঁথনি কেৱল গুৱাহাটীৰ আশে-পাশে নিৰ্মাণ কৰা হয়। এতিয়া দেখা গৈছে যে সেইবোৰৰ প্ৰায়বোৰেই অব্যৱহৃত অৱস্থাত আছে। বছৰৰ অধিকাংশ সময়ত সেইবোৰ বিয়া-সবাহ আদিৰ অভ্যৰ্থনাৰ বাবে ব্যৱহাৰ কৰা হয়। এনেকুৱা ধৰণৰ কথাই পৰিষ্কাৰভাৱে আঙুলিয়াই দিয়ে যে ৰাজ্যখনত আজি অত বছৰৰ পিছতো চৰকাৰে সমগ্ৰ ৰাজ্যখনৰ খেলুৱৈসকলক সুবিধা দিয়াৰ বাবে নিজস্ব কোনো আঁচনি নল'লে। এই নেচনেল গেমছৰ আয়োজন কৰাৰ সুযোগতে কোকৰাঝাৰ, যোৰহাট, নগাঁও, তেজপুৰ, শিৱসাগৰ আদি ঠাইত — যিবোৰত খেলাৰ প্ৰকৃত পৰিৱেশ আছে— যদিহে ক্ৰীড়াৰ বিভিন্ন আন্তঃগাঁথনি নিৰ্মিত হ'লেহতেন, তেতিয়া হ'লে উঠি অহা খেলুৱৈসকল প্ৰকৃততে উপকৃত হ'লহেতেন।

**অসমৰ ক্ৰীড়াক্ষেত্ৰখনত 'ছাই' (Sports Authority of India, চমুকৈ SAI)ৰ**



**ভূমিকা**

১৯৮২ চনত নতুন দিল্লীত আয়োজিত এছিয়ান গেমছৰ খেলবোৰ অনুষ্ঠিত কৰিবলৈ দিল্লীৰ আশে-পাশে নতুনকৈ যিবোৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছিল বা তাৰ আগতেই দিল্লীত থকা ষ্টেডিয়ামবোৰ পুনৰ নিৰ্মাণ কৰি নতুন ৰূপত গঢ় দিয়া হৈছিল, সেই ক্ৰীড়া আন্তঃগাঁথনিবোৰ পৰিচালনা কৰিবৰ কাৰণে — লগতে দেশৰ ক্ৰীড়া-ক্ষেত্ৰখনৰ সামগ্ৰিক উন্নয়নৰ বাবে ব্যৱস্থা ল'বলৈ — কেন্দ্ৰীয় চৰকাৰে এটা সুদূৰপ্ৰসাৰী আঁচনি গ্ৰহণ কৰি 'ছাই' (Sports Authority of India, চমুকৈ SAI) গঠন কৰে। কেন্দ্ৰীয়ভাৱে ছাইৰ এটা গোট তৈয়াৰ কৰি তাৰ তলত দেশৰ বিভিন্ন অঞ্চলত ছাইৰ কেন্দ্ৰ একোটা গঠন কৰা হয়। গুৱাহাটীতো তেনে এটা আঞ্চলিক কেন্দ্ৰ স্থাপন কৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যকেইখনৰ লগতে অসমৰো ক্ৰীড়াক্ষেত্ৰত এক উল্লেখযোগ্য পৰিৱৰ্তন সাধনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। গুৱাহাটীত অৱস্থিত নিউফিল্ড প্ৰকল্পতে সেই আঞ্চলিক কেন্দ্ৰটোৰ কাৰ্যালয় স্থাপন কৰি কিছু ব্যতিক্ৰমী আঁচনি গ্ৰহণৰদ্বাৰা ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনৰ কিছু দিশত, যেনে— প্ৰশিক্ষণ, ক্ৰীড়া-জলপানী প্ৰদান, ক্ৰীড়া সামগ্ৰী বিতৰণৰদ্বাৰা সামগ্ৰিক উন্নয়ন সাধনৰ ব্যৱস্থা লোৱা হয়। এই ব্যৱস্থা গ্ৰহণৰদ্বাৰা ৰাজ্যখনলৈ যি আমূল পৰিৱৰ্তন আহিব বুলি আশা কৰা হৈছিল সেই আশা সম্পূৰ্ণকৈ ফলৱতী নহ'ল। আনকি সেই আঁচনিৰ অধীনত দিল্লীস্থ ছাইৰ মূল কেন্দ্ৰটোৱে গুৱাহাটীৰ নিউ ফিল্ডখনত এটা আধুনিক এথলেটিক চিন্থেটিক ট্ৰেক (synthetic) নিৰ্মাণৰ কাৰণে যিখন কেইবা লাখটকীয়া এষ্ট্ৰ'-টাৰ্ফ দিছিল তাকো গুৱাহাটী কেন্দ্ৰৰ সেই সময়ৰ সঞ্চালকালয়টোৰ বিষয়ববীয়াসকলে ব্যৱহাৰ কৰিব নোৱাৰিলে।

মুঠতে ৰাজ্যখনৰ ক্ৰীড়াৰ আন্তঃগাঁথনিৰ সম্পৰ্কত তুলনামূলকভাৱে এটা কথা ক'ব পাৰি যে আগৰ দিনত খেলুৱৈসকলৰ এনেবোৰ সুবিধা লাভ কৰাৰ সৌভাগ্য হোৱা নাছিল। তেতিয়া তেওঁলোকে নিজৰ নিজৰ প্ৰচেষ্টাৰে সেইবোৰ যোগাৰ কৰি লৈছিল। তেতিয়া কিন্তু যথেষ্ট ভাল খেলুৱৈ ওলাইছিল, অন্ততঃ কিছুমান খেলত। ফলত ৰাষ্ট্ৰীয় পৰ্যায়ৰ যি-কেইটা খেলত ৰাজ্যৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰিছিল তাত উন্নতমানৰ খেল প্ৰদৰ্শন কৰাত সফল হৈছিল।

**ৰাজ্যখনৰ খেলাধূলা আৰু সংবাদ-মাধ্যমৰ ভূমিকা**

এটা সময়ত খেলাধূলাই সংবাদজগতত বিশেষ গুৰুত্ব পোৱা নাছিল। সেই সময়ত সংবাদ-মাধ্যম বুলিলে মাথোন সেইখনমান বাতৰি-কাকতহে আছিল। আনহাতে কেইখনমান ফুটবল প্ৰতিযোগিতাৰ ধাৰাবিৱৰণীৰ ব্যৱস্থা কৰা হৈছিল— আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি। তেতিয়া মাথোন কেইজনমান সাংবাদিকেহে খেলৰ বাতৰি পৰিৱেশন কৰিবলৈ বাতৰি কাকতৰ ষ্টাফ ৰিপ'টাৰ হিচাপে আছিল আৰু জিলাসমূহৰ সদৰ ঠাই কেইখনমানত স্থানীয় ক্ৰীড়া-বাতৰি যোগনিয়াৰ

আছিল। গতিকে তেতিয়া খেলৰ বা খেলুৱৈসকলৰ বিষয়ে অতি কম বাতৰি প্ৰকাশ পাইছিল। ৰাজ্যখনৰ কেইখনমান ঠাইত ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। তাৰে কেইখনমানত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰই ধাৱাবিৱৰণী দিয়াৰ ব্যৱস্থা কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰই তেনে কেইখনমান প্ৰতিযোগিতাৰ খেলসমূহৰ একোটা খবৰ সন্ধিয়া বা পুৱাৰ বাতৰিত প্ৰকাশ কৰিছিল। তেতিয়াৰ দিনত ফটো সাংবাদিকৰ সংখ্যাও অতি কম আছিল। সঁচাকৈয়ে ক'বলৈ গ'লে তেতিয়া ফটো সাংবাদিক বুলি ক্ৰীড়াক্ষেত্ৰত কোনো ধাৰণাই নথকাৰ দৰেই আছিল। তেতিয়া ক্ৰীড়া-সাংবাদিক বা ফটোগ্ৰাফাৰৰ মাননিও অতি সামান্য আছিল। এতিয়া কিন্তু সেই অৱস্থাৰ আমূল পৰিৱৰ্তন ঘটিছে। বৰ্তমান ৰাজ্যখনত ক্ষিপ্ৰ গতিত বাতৰি-কাকতৰ সংখ্যা বৃদ্ধি পাইছে। স্বাভাৱিকভাৱেই বাতৰি-কাকতসমূহত খেলৰ বাতৰি অধিকভাৱে প্ৰকাশ পাবলৈ ধৰিছে। খেলৰ বাতৰি যোগনিয়াৰৰ সংখ্যাও বাঢ়িছে — ষ্টাফ ৰিপ'ৰ্টাৰ আৰু স্থানীয় সাংবাদিককে ধৰি সকলো ক্ষেত্ৰতে। মুঠতে ক'বলৈ গ'লে এতিয়া খেলৰ বাতৰি যোগনিয়াৰসকলৰ অৱস্থা সকলো পৰ্যায়তে পৰিৱৰ্তিত হৈছে। আনহাতে এতিয়া ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে খেলৰ বা-বাতৰি প্ৰচাৰিত হোৱাৰ ফলত (দূৰদৰ্শন আৰু ব্যক্তিগত চেনেলসমূহত) খেলাধূলা আৰু খেলুৱৈসকলৰ exposure বহু পৰিমাণ বাঢ়িছে। ৰাজ্যৰ খেলুৱৈসকল বা ক্ৰীড়া-সংগঠকসকলে টেলিভিচনৰ জৰিয়তে পৃথিৱীৰ যিকোনো ঠাইৰ যিকোনো খেল আৰু খেলুৱৈৰ উচ্চমানৰ খেলবোৰ আৰু খেলুৱৈসকলৰ উন্নত ক্ৰীড়াশৈলী চাবলৈ সুবিধা পোৱাৰ ফলত খেলুৱৈসকলেও তেওঁলোকৰ ক্ৰীড়াশৈলী উন্নত কৰাৰ সুবিধা লাভ কৰিছে আৰু সংগঠকসকলে তেওঁলোকৰ সাংগঠনিক কামকাজবোৰ ভালকৈ কৰাৰ অভিজ্ঞতা লাভ কৰিছে। সাংবাদিক আৰু সংবাদ-মাধ্যমে অনা এই অভূতপূৰ্ব পৰিৱৰ্তনে ৰাজ্যখনৰ খেলাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। কিন্তু এই পৰিৱৰ্তন সকলো সময়তে ইতিবাচক বুলি ক'ব নোৱাৰি। বহু সময়ত এনে exposureএ নেতিবাচক প্ৰভাৱো পেলাইছে। আৰ্থিক দিশত এই পৰিৱৰ্তনে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰখনত সকলোতকৈ বেছি প্ৰভাৱ পেলাইছে ক্ৰিকেট-খেলৰ ক্ষেত্ৰত। এসময়ত এই প্ৰবন্ধকাৰ নিজে খেলুৱৈ বা দলৰ মেনেজাৰ হিচাপে ক্ৰিকেট দলক প্ৰতিনিধিত্ব কৰোঁতে বেছি ভাগ সময়তে ৰেলৰ তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰিবলগীয়া হৈছিল; থাকিবলৈ দিয়া ঠাইবোৰো অতি নিম্নমানৰ আছিল। কোনো মাননি দিয়াৰ ব্যৱস্থা নাছিল, বৰঞ্চ নিজৰ জেপৰপৰাহে সকলো খৰচ চলাবলগীয়া হৈছিল। এই ক্ষেত্ৰত দুটামান ঘটনা উনুকিয়াবলৈ বিচাৰিছোঁ। সেয়া ১৯৬১ চনমানৰ কথা। নগাঁও দল সেইবাৰ আন্তঃ-জিলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ শিলচৰলৈ গৈছিল। এই প্ৰবন্ধকাৰো নগাঁও দলটোৰ এজন খেলুৱৈ আছিল। আমাক শিলচৰ চহৰৰ মাজমজিয়াত অৱস্থিত এখন হোটেলত থাকিবলৈ দিয়া হৈছিল। শিলচৰ জিলা দলৰ লগত আমি খেল শেষ কৰি সেইখন হোটেলত নিশাটো কোনো মতে পাৰ কৰিলোঁ।



পুৱা আমাৰ ট্ৰেইন। পুৱা উঠি দলৰ সকলোৱে লক্ষ্য কৰিলোঁ যে ৰাতি আমাৰ সকলোৰে জোতা-চেণ্ডেল কোনোবাই চুৰ কৰি লৈ গ'ল। হোটেলৰ মেনেজাৰজনে যথেষ্ট যত্ন কৰিও আমাৰ পাদুকাবোৰৰ শুং-সূত্ৰ উলিয়াব নোৱাৰিলে। উপায়ান্তৰহীন হৈ আমাৰ সকলো খেলুৱৈয়ে খালি ভৰিৰে নগাঁৱলৈ আহিবলগীয়া হ'ল। আন এটা ঘটনা। ১৯৫৭ চন। অসম স্কুল দলৰ বাছনি শিবিৰ সেইবাৰ অনুষ্ঠিত হৈছিল যোৰহাটত। আমাক প্ৰশিক্ষণ দিছিল এছ কে গিৰিধাৰীয়ে। ভাৰতৰ ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আয়োজন কৰা কোচবিহাৰ ট্ৰফিত অংশ ল'বৰ বাবে মাথোন ১২জন খেলুৱৈক নিৰ্বাচিত কৰা হৈছিল। অসম দলটোৰ সেইবাৰৰ অধিনায়ক আছিল মাধুৰ্যপ্ৰসাদ বৰুৱা - যোৰহাটৰ শশীপ্ৰসাদ বৰুৱাৰ কনিষ্ঠ পুত্ৰ। সেই সময়ত শৰাইঘাট দলংখন নাছিল। অসমৰপৰা অসমৰ বাহিৰলৈ ট্ৰেইনত যাত্ৰা কৰিবৰ কাৰণে পাণ্ডুত জাহাজত উঠি ব্ৰহ্মপুত্ৰ পাৰ হৈ আমিনগাঁৱত উঠিব লাগিছিল। অসম দলৰ খেল উৰিষ্যাৰ কটকত উৰিষ্যাৰ বিৰুদ্ধে আছিল। অসম দলক প্ৰতিনিধিত্ব কৰিবৰ কাৰণে নিৰ্বাচিত ১২গৰাকী খেলুৱৈৰ ১১গৰাকীয়ে যোৰহাটৰপৰা মটৰ গাড়ীৰে পাণ্ডুত ব্ৰহ্মপুত্ৰ পাৰ হৈ ৰাতিটো আমিনগাঁৱত ৰেলৰে প্লেটফৰ্মতে কটাবলগীয়া হৈছিল, কাৰণ আমাৰ কলিকতালৈ যাবলগীয়া ট্ৰেইনখন পুৱা ৬ বজাত আছিল। আমিনগাঁৱত ৰেলখনত উঠি আমি এঘাৰজন খেলুৱৈ দলৰ মেনাজাৰৰে সৈতে উৰিষ্যালৈ যাত্ৰা কৰিলোঁ। তেজপুৰৰ ধীৰেন দাস (কুকী) ৰঙিয়াত তেজপুৰৰপৰা আহি ট্ৰেইনত উঠাৰ কথা। কিন্তু তেওঁ নাহিল। আমি এঘাৰগৰাকী খেলুৱৈ মেনেজাৰৰে সৈতে কলিকতা আৰু তাৰপৰা গৈ উৰিষ্যাৰ সেই সময়ৰ ৰাজধানী চহৰ কটক পাওঁগৈ। প্ৰতিযোগিতাত আমি উৰিষ্যাৰ হাতত পৰাজিত হৈছিলোঁ। আমাৰ দলৰ মেনেজাৰ আছিল নৃপেন্দ্ৰনাৰায়ণ সিংহ। আনকি ১৯৬০-৬১ চনত যেতিয়া এই প্ৰবন্ধকাৰ ৰঞ্জি ট্ৰফিৰ পূৰ্বাঞ্চলৰ প্ৰতিযোগিতাত বিহাৰৰ বিৰুদ্ধে খেলিবলৈ জামছেদপুৰলৈ, উৰিষ্যাৰ বিৰুদ্ধে খেলিবলৈ কটকলৈ আৰু বঙ্গৰ বিৰুদ্ধে খেলিবলৈ কলিকতালৈ গৈছিলোঁ তেতিয়াও ভ্ৰমণৰ ব্যৱস্থা একেই আছিল অৰ্থাৎ কোনো আৰক্ষণৰ ব্যৱস্থা নোহোৱাকৈ তৃতীয় শ্ৰেণীত ভ্ৰমণ, থকা-খোৱাৰ বাবে নিম্নতম সা-সুবিধা আৰু কোনো মাননিৰ ব্যৱস্থা নোপোৱাকৈ গাঁঠিৰ ধন ভাঙি খেলত ভাগ লোৱা ইত্যাদি। সেইবাৰ অসম দলটো কটকৰপৰা জামছেদপুৰলৈ কোনো আৰক্ষণৰ ব্যৱস্থা নোহোৱাকৈ গৈছিল, যাৰ ফলত চোৰে ৰাতি দলৰ কেইবাগৰাকী খেলুৱৈৰ কোটৰ পকেটৰ ওপৰভাগ কাটি সকলো ধন চুৰ কৰি লৈ গৈছিল। ৰেল-ভ্ৰমণৰ তেনে এক অৱস্থা ১৯৮০-৮১ চনমানলৈকে আছিল। এতিয়াও অসমৰ প্ৰায়বোৰ ক্ৰীড়া-দলে জাতীয় বা আন কোনো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ গ'লে একে ধৰণৰ ৰেল-ভ্ৰমণ ব্যৱস্থাৰ জৰিয়তে যাব লগা হয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ক্ৰিকেটলৈ আমূল পৰিৱৰ্তন আহিছে। এতিয়া অসমৰ প্ৰায় সকলো পৰ্যায়ৰ ক্ৰিকেট দলেই উৰাজাহাজত ভ্ৰমণ কৰে আৰু ভাল ভাল হোটেলত থাকিবলৈ সুযোগ পায়। খেলুৱৈসকলেও

কম-বেছি মাননি লাভ কৰে। ইয়াৰ মূল কাৰণ হৈছে ক্ৰিকেটৰ ক্ষেত্ৰত দেশৰ আৰু বিদেশৰ সকলো ইলেকট্ৰনিক মিডিয়াই গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকা। এতিয়া ভাৰতৰ ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ কোটি কোটি টকা উপাৰ্জন হয় ইলেকট্ৰনিক মিডিয়া বা টিভি সম্প্ৰচাৰৰপৰা। অসমকে ধৰি দেশৰ প্ৰত্যেক ৰাজ্যিক ক্ৰিকেট সংস্থাই বি চি চি আইৰপৰা প্ৰতি বছৰে কেইবা কোটিকৈ টকা লাভ কৰে। তাৰ বাবেই ক্ৰিকেটত এতিয়া ধনৰ পয়োভৰ। আমি খেলাৰ সময়ত ক্ৰিকেট খেলিবৰ বাবে অধিকসংখ্যক খেলুৱৈ বৰ উৎসাহী নাছিল। দল এটা গঠন কৰিবৰ বাবে পৰ্যাপ্তসংখ্যক খেলুৱৈ নাছিল। আগৰ তুলনাত এয়া এক বিশাল পৰিৱৰ্তন। এই পৰিৱৰ্তন সম্ভৱ হৈছে মিডিয়াৰ পৰিৱৰ্তিত ভূমিকাৰ কাৰণে আৰু ক্ৰিকেট-সংগঠক, বিশেষকৈ সৰ্বভাৰতীয় স্তৰৰ ক্ৰিকেট-সংগঠকসকলৰ অতি সাংঘাতিক ধৰণৰ (খেলাটোৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি) ব্যৱসায়িক চিন্তাধাৰা থকাৰ কাৰণে। এই পৰিৱৰ্তন ১৯৯০ৰ দশকত আৰম্ভ হৈছিল। তেতিয়ালৈকে কিন্তু আমাৰ ৰাজ্যখনৰ লগতে দেশখনতো ফুটবলৰ জনপ্ৰিয়তা সকলোতকৈ বেছি আছিল। কিন্তু ফুটবলৰ সংগঠকসকলে সেই জনপ্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি খেলটোলৈ আৰু খেলুৱৈসকলৰ বাবে ধন আহৰণ কৰাৰ কোনো আঁচনি ভালকৈ গ্ৰহণ কৰিব নোৱাৰিলে। যি কি নহওক তেতিয়ালৈকে ক্ৰিকেট-খেলৰ সংগঠকসকল প্ৰকৃত ক্ৰীড়া-সংগঠকেই আছিল। ক্ৰিকেট-খেলত এই পৰিৱৰ্তন বা তেনে এক ব্যৱসায়িক চিন্তাধাৰাই গা কৰি উঠিছিল প্ৰধানতঃ বঙ্গৰ জগমোহন ডালমিয়া আৰু পাঞ্জাৱৰ আই এছ বিন্দ্ৰাৰ দৰে ক্ৰীড়া-সংগঠকৰ বাবে। একেদৰে এই প্ৰবন্ধকাৰ সেই সময়ত অসম ক্ৰিকেট সংস্থাৰ সম্পাদক হিচাপে সেইবোৰ কামৰ অংশীদাৰ আছিল। ফলত অসমত ১৯৮৩ চনত পোন প্ৰথমবাৰৰ বাবে ভাৰত আৰু ৰেষ্ট ইণ্ডিজৰ মাজত এখন এদিনীয়া আন্তৰ্জাতিক খেলৰ আয়োজন কৰি কেইবা লাখো টকা সংগ্ৰহ কৰা অসম ক্ৰিকেট সংস্থা সেই সময়ত ৰাজ্যখনৰ আন সকলো ক্ৰীড়া সংস্থাতকৈ অধিক বিত্তৱান হৈ উঠে। তেতিয়া অসম ক্ৰিকেট সংস্থাৰ সভাপতি আছিল প্ৰকৃত ক্ৰীড়া-সংগঠক সুৰেন্দ্ৰনাথ দাস। কিন্তু তাৰ বিপৰীতে ভাৰতত আৰু অসমতো সেই সময়ত সকলোতকৈ জনপ্ৰিয় খেল আছিল ফুটবল। কিন্তু ফুটবল-সংগঠকসকলে ১৯৯০ দশকৰপৰা দেশৰ খেলজগতত ইলেকট্ৰনিক মিডিয়াক সদ্ব্যৱহাৰ কৰিবলৈ যেনে ব্যৱসায়িক দৃষ্টিভঙ্গীৰে কাম কৰিব লাগিছিল তেনে কৰিবলৈ ব্যৰ্থ হ'ল, কিয়নো তেতিয়া সৰ্বভাৰতীয় ফুটবল সংস্থাৰ সভাপতি আছিল প্ৰিয়ৰঞ্জন দাসমুন্সি। তেওঁ এগৰাকী ৰাজনীতিক, সাংসদ আৰু ভাৰত চৰকাৰৰ এগৰাকী প্ৰভাৱশালী মন্ত্ৰী আছিল। ১৯৮০ চনত তেওঁ সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতি হিচাপে নিৰ্বাচিত হৈ দায়িত্ব গ্ৰহণ কৰে। তেওঁ ফেডাৰেচনটোৰ সভাপতি নিৰ্বাচিত হোৱাৰ সময়ত বিশ্ব-ফুটবলত ভাৰতৰ স্থান আছিল ১০০ নম্বৰত। তেওঁ ২০০৫ চনমানত অসুস্থ হৈ দায়িত্ব এৰিবলগীয়া হোৱা সময়ত বিশ্ব-ফুটবলত ভাৰতৰ স্থান হয়গৈ ১৬০ৰপৰা ১৬৫ৰ ভিতৰত।



সেই সময়ছোৱাত এছিয়ান ফুটবলত ভাৰতৰ স্থান ৯/১০ নম্বৰৰপৰা ২২/২৩ নম্বৰ পায়গৈ। উল্লেখযোগ্য যে ১৯৬২ চনত ইন্দোনেচিয়াৰ জাকাৰ্তাত অনুষ্ঠিত এছিয়ান গেমছৰ ফুটবলত ভাৰত বিজয়ী হৈ শ্ৰেষ্ঠ দল হ'বলৈ সক্ষম হৈছিল। সেই সময়ত আৰু তাৰ বহু পিছলৈকে সৰ্বভাৰতীয় স্তৰত আৰু আমাৰ ৰাজ্যৰো খেল-সংগঠকসকল প্ৰকৃত ক্ৰীড়াপ্ৰেমী বা ক্ৰীড়াবিদহে আছিল। তেতিয়াৰ ক্ৰীড়া-সংগঠকসকলে অতি নিষ্ঠাৰে আত্মনিয়োগ কৰিছিল খেলৰ উন্নতিৰ বাবে। ৰাজনীতিকসকলে ক্ৰীড়া-সংগঠনৰ দায়িত্ব লৈ অহাৰ পিছত তেওঁলোকৰ অধিকাংশই মাথোন নাম-যশ আৰু ব্যক্তিগত প্ৰেমাৰ বৃদ্ধিতেই মনোযোগ দিলে। তেওঁলোকে দায়িত্ব লোৱা সংগঠনত প্ৰয়োজনীয় সময় দিব নোৱৰাৰ কাৰণে সেই খেলসমূহৰ উন্নতিৰ বাবে যথাযথ নেতৃত্ব দিয়াত ব্যৰ্থ হৈছে। গতিকে সৰ্বভাৰতীয় স্তৰত সেইসমূহ খেলত ক্ৰিকেটৰ দৰে ধনৰ ব্যৱস্থাকৰণত তেওঁলোক কৃতকাৰ্য নোহোৱাত অসমৰ দৰে আন আন ৰাজ্যৰ ক্ৰীড়া-সংস্থাসমূহও ধনৰ অভাৱত ভুগিছে। তাৰ ফলত ৰাজ্যৰ ক্ৰীড়া সংগঠনসমূহ আৰু খেলুৱৈসকলে সুবিধা লাভ কৰাৰপৰা বঞ্চিত হৈছে আৰু খেলৰ মানো উন্নত হোৱাত ব্যৰ্থ হৈছে। ৰাজ্যখনত ক্ৰিকেটৰ বাহিৰে আনবোৰ খেল খেলিবলৈ পৰ্যাপ্তসংখ্যক খেলুৱৈ ওলাই অহা নাই। এতিয়া দেশখনৰ ক্ৰীড়া-সংগঠনসমূহত প্ৰকৃত ক্ৰীড়া-সংগঠকসকলে ৰাজনীতিকসকল বা ক্ষমতাশালী লোকৰ হাতত খেলৰ সংগঠনৰ দায়িত্ব এৰি দিবলৈ বাধ্য হৈছে। এই অৱস্থা বৰ্তমানে এনে পৰ্যায় পাইছেগৈ যে ভাৰতৰ উচ্চতম ন্যায়ালয়ে অলপতে এক ৰায়ৰ জৰিয়তে এই অৱস্থাৰ পৰিৱৰ্তন ঘটাই ক্ৰীড়া-সংগঠনসমূহৰ দায়িত্ব দেশৰ ক্ৰীড়াবিদক এৰি দিবলৈ কৈছে।

## ক্ৰীড়াক্ষেত্ৰখনত খেল-পৰিচালকসকল

এসময়ত অসমত খেলাধূলা কৰা সংগঠন বুলি ক'লে ফুটবল, ক্ৰিকেট, ভলিবল, বেডমিণ্টন, টেব্‌ল-টেনিছ, বিভিন্ন এথলেটিক্স, হকি, জিমনাষ্টিক্স, বডি-বিল্ডিং আদিকেই প্ৰধানতঃ বুজা গৈছিল। সেই সময়ত এইবোৰ খেলৰ খেলুৱৈ কম-বেছি সংখ্যাত আছিল। কিন্তু সেইবোৰ খেলৰ প্ৰতিযোগিতা পৰিচালনা কৰিবলৈ অৰ্হতাসম্পন্ন অৰ্থাৎ খেলৰ নিয়ম-কানুন ভালদৰে জনা, সৰ্বভাৰতীয় বা ৰাজ্যিক স্তৰত স্বীকৃতিপ্ৰাপ্ত খেল-পৰিচালকৰ সংখ্যা খুবেই সীমিত আছিল। তেতিয়া দেখা গৈছিল যে নগাঁৱৰ সেই সময়ৰ বাঙালী বালক বিদ্যালয়ৰ শিক্ষক গোপাল গুপ্তই ফুটবল খেলত ৰেফাৰী আৰু ক্ৰিকেট খেলত আম্পায়াৰ হিচাপে খেল পৰিচালনা কৰিছিল — সেইবোৰ খেলৰ সৰ্বভাৰতীয় পৰীক্ষাত উত্তীৰ্ণ নোহোৱাকৈ। পঞ্চাছৰ দশকৰ পিছৰপৰাহে লাহে লাহে অৰ্হতাসম্পন্ন ব্যক্তি ফুটবল, ভলিবল, বেডমিণ্টন, টেব্‌ল-টেনিছ আদি খেলৰ ৰেফাৰী হিচাপে আৰু ক্ৰিকেট খেলৰ আম্পায়াৰ হিচাপে খেল পৰিচালনা কৰিবলৈ আগবাঢ়ি আহে। সেই সময়ৰপৰা লাহে লাহে ফুটবলত বহুসংখ্যক অৰ্হতাসম্পন্ন ব্যক্তিয়ে ৰেফাৰী হিচাপে ফুটবল

খেলৰ বিভিন্ন প্ৰতিযোগিতা পৰিচালনা কৰা দেখা যায়। তাৰ ভিতৰত নৃপেন্দ্ৰনাৰায়ণ সিংহ, হৰেন্দ্ৰনাথ বৰুৱা, সন্তোষমোহন দেব (প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু শিলচৰ ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া), বাবুল বাৰ্মিজ, ই ইবহাল সিং (মণিপুৰ), সুৰেনৰাম ফুকন, কেদাৰনাথ মৌৰ, উৎপল ভট্টাচাৰ্য, বসন্ত সিং, ত্ৰিকেন দাস আদিৰ নাম উল্লেখযোগ্য। কেদাৰনাথ মৌৰ সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সম্পাদকো আছিল। কিন্তু তাৰ বিপৰীতে ক্ৰিকেটকে ধৰি অন্যান্য খেলবোৰ পৰিচালনা কৰিবলৈ (এথলেটিক্সকে ধৰি) অৰ্হতাসম্পন্ন খেল-পৰিচালক বহুত পিছলৈকে অসমত নাছিলেই। তেতিয়া যিকোনো এজন খেলুৱৈকে খেলাবোৰ পৰিচালনা কৰিবলৈ সংগঠকসকলে দায়িত্ব দিছিল। ফুটবল খেলৰ ক্ষেত্ৰতো স্বাধীনতা দিৱস কাপ, বৰদলৈ ট্ৰফি, শিলচৰৰ কেপ্টেইন গুপ্ত ট্ৰফি, তেজপুৰৰ ডুগৰ শ্বিল্ড আদি কিছুমান নামী ফুটবল প্ৰতিযোগিতাৰ খেলসমূহৰ বাহিৰে বাকী ডাঙৰ-সৰু প্ৰতিযোগিতাৰ খেলসমূহ খেলুৱৈ বা সংগঠকসকলৰ কোনো এজনে পৰিচালনা কৰিছিল। একেদৰে এথলেটিক্স বা আন কিছু খেলৰো অৰ্হতাসম্পন্ন খেল-পৰিচালক বা বিচাৰক নাছিল। নিজ নিজ খেলৰ প্ৰতিযোগিতাবোৰ খেলুৱৈসকলে বা সেই সেই খেলৰ লগত জড়িত সংগঠক বা তেনে লোকে পৰিচালনা কৰিছিল। এতিয়া প্ৰায় সকলো খেল অৰ্হতাসম্পন্ন পৰিচালক বা বিচাৰকেহে পৰিচালনা কৰে। এতিয়া আগৰ দৰে মাথোন কেইটামান বিশেষ খেলহে যে ৰাজ্যখনত খেলা হয় তেনে নহয়, আগতে উল্লেখ কৰা খেলসমূহৰ উপৰি ৰাজ্যখনত অন্যান্য বহু খেল (যিবোৰৰ বাবে আজি কিছু বছৰৰপৰা ৰাজ্যখনত ৰাজ্যিক আৰু জিলা সংস্থা গঠিত হৈছে) সেইবোৰো খেলা হয় আৰু সেইবোৰ খেলতো অসমৰ পুৰুষ আৰু মহিলা দুয়োটা শাখাতেই খেলুৱৈসকলে ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে। সেইবোৰৰ ভিতৰত টাইকোৱাণ্ডো, কেৰম, ভাৰোত্তলন, বক্সিং, হকি, লন-বল, চাইক্লিং, নেট-বল, বাস্কেট-বল, কাবাডি আদি খেলৰ নাম উল্লেখ কৰিব পাৰি। আনহাতে আজি বহু বছৰৰপৰা অসমত মহিলা ফুটবল আৰু মহিলা ক্ৰিকেট খেলো আয়োজন কৰা দেখা গৈছে। অসমৰ মহিলা ক্ৰিকেট দলটোৱে সৰ্বভাৰতীয় স্তৰত অলপতে অনুষ্ঠিত খেলত পদক জয় কৰিবলৈকো সক্ষম হৈছে। বক্সিঙত অসমৰ শিৱ থাপাই বিশ্ব চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত পদক জয় কৰাৰ লগতে লণ্ডন অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰি ৰাজ্যখনৰ ক্ৰীড়ামোদীসকলক গৰ্বিত কৰিছে। অসমৰ হৈ কেইবাগৰাকী মহিলা খেলুৱৈয়ে দেশক প্ৰতিনিধিত্ব কৰিছে। এইখিনিতে এটা অতি উল্লেখযোগ্য কথা উনুকিয়াব পাৰি। এটা সময়ত ভলিবল খেল গুৱাহাটী, নগাঁও, বৰপেটা, তেজপুৰ আদি অঞ্চলত অতিশয় জনপ্ৰিয় আছিল। ১৯৪২ চনত লাহোৰৰ এখন প্ৰতিযোগিতাত অসমৰ এটা ভলিবল দলে অংশগ্ৰহণ কৰিবলৈ গৈছিল বুলিও জনা যায়। অসম ভলিবল সংস্থা ১৯৫০ চনত গঠিত হৈছিল। সেই সময়ত সংস্থাটো সাংগঠনিক দিশত যথেষ্ট শক্তিশালী আছিল। এই প্ৰসঙ্গত অসমৰ দুগৰাকী সৰ্বভাৰতীয়



খ্যাতিসম্পন্ন ভলিবল সংগঠক গুৱাহাটীৰ নৃপেন ভট্টাচাৰ্য আৰু নগাঁৱৰ আদিলোজ জামান খানৰ নাম উল্লেখযোগ্য। আনহাতে তেজপুৰৰ অভিজিৎ ভট্টাচাৰ্যই বহুকেইখন আন্তৰ্জাতিক প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। একেদৰে আদিলোজ জামান খানো ভাৰতীয় দলৰ মেনেজাৰ হিচাপে নিৰ্বাচিত হৈছিল।

এনেদৰে বেডমিণ্টন আৰু টেব্‌ল-টেনিছ এই খেল দুটাতো অসমৰ বহুকেইগৰাকী খেলুৱৈয়ে দেশক প্ৰতিনিধিত্ব কৰিছে। বেডমিণ্টনত দীপাঙ্কৰ ভট্টাচাৰ্যই ১৯৯২ চনত স্পেইনৰ বাৰ্চিলোনা আৰু তাৰ চাৰি বছৰৰ পিছত আমেৰিকাৰ আটলাণ্টা অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰিছে। এই প্ৰসঙ্গত মাধুৰ্য বৰুৱা, সুশান্ত বৰা, কৃষ্ণা হাজৰিকা, মল্লিকা বৰুৱা, ওমৰ ৰচিদ, কৃষ্ণা ডেকাৰজা, পল্লৱ ডেকা আদিৰ নামো উল্লেখ কৰিব পাৰি; তেওঁলোকৰ লগৰ আন কেইবাজনো খেলুৱৈও দেশৰ হৈ খেলিবলৈ নিৰ্বাচিত হৈছে। এইসকলৰ লগতে অসমৰ বেডমিণ্টন খেলৰ উত্থানৰ ক্ষেত্ৰত খেলুৱৈ, প্ৰশিক্ষক আৰু সংগঠক হিচাপে উল্লেখযোগ্য বৰঙণি যোগোৱা প্ৰদীপ চলিহাৰ নামো উল্লেখ কৰিব পাৰি। আনহাতে টেব্‌ল-টেনিছতো অসমে উল্লেখযোগ্য সফলতা দেখুৱাইছে। অসমৰ টেব্‌ল-টেনিছত সকলোতকৈ উল্লেখযোগ্য কৃতিত্ব মনালিছা বৰুৱাৰ। তেওঁ ১৯৮৫ চনত ৰাষ্ট্ৰীয় টেব্‌ল-টেনিছ প্ৰতিযোগিতাত চেম্পিয়ন হ'বলৈ সক্ষম হৈছিল। এনে হ'বলৈ সক্ষম হোৱা মনালিছা বৰুৱাই হৈছে অসমৰ একমাত্ৰ খেলুৱৈ। অসমৰ টেব্‌ল-টেনিছ দলৰ উত্থান আৰম্ভ হৈছিল ঠিক এই সময়ছোৱাতে। ১৯৭৫ চনৰপৰা কেইবাবছৰো অসমৰ মহিলা টেব্‌ল-টেনিছ দলটোৱে ৰাষ্ট্ৰীয় চেম্পিয়ন হৈ পদ্মাৱতী ট্ৰফি লাভ কৰিছিল। তেতিয়াই অসমৰ মহিলা টেব্‌ল-টেনিছৰ দোপত দোপে উত্তৰণ ঘটিছিল। সেই দলটিৰ খেলুৱৈসকল আছিল মীনা বৰা, মনালিছা বৰুৱা, নন্দিনী বৰুৱা ইত্যাদি। মনালিছা বৰুৱাই অৰ্জুন বঁটা লাভ কৰিছিল। অৰ্জুন বঁটা লাভ কৰা আনজন অসমীয়া খেলুৱৈ আছিল এথলেটিক্সত ভোগেশ্বৰ বৰুৱা। ভোগেশ্বৰ বৰুৱাই অৱশ্যে অসমক প্ৰতিনিধিত্ব কৰা নাছিল। তেওঁ ছাৰ্ভিচেছ দলৰ হৈহে খেলিছিল আৰু ১৯৬৬ চনত বেংককত এছিয়ান গেমছত স্বৰ্ণপদক লাভ কৰিছিল। এথলেটিক্সত ভাৰতক প্ৰতিনিধিত্ব কৰা আনজন খেলুৱৈ আছিল তৈয়বুন্নিচা (ডিছকাছ)। ইয়াৰ বাহিৰে এথলেটিক্সত ৰাজ্যখনে গৌৰৱ কৰিব পৰা আন খেলুৱৈসকলৰ ভিতৰত প্ৰমীলা ভৰালী, মৃদুল দুৱৰা, জুনুমণি শইকীয়া, ৰণেন দুৱৰা, কুশল লাহন, লীলাৱতী দৈমাৰী, বীণামাই বালাৰি আদিৰ নামো উল্লেখ কৰিব পাৰি। ফুটবল খেলত ৰাজ্যখনে গৌৰৱ কৰিব পৰা বহুকেইগৰাকী খেলুৱৈ আছে। তাৰ ভিতৰত প্ৰথমেই ল'ব লাগিব ডাঃ টেলিমৰান আৱৰ নাম। ১৯৪৮ চনত ডাঃ টি আৱে ভাৰতীয় দলৰ অধিনায়ক হিচাপে লণ্ডন অলিম্পিকত অংশগ্ৰহণ কৰা কথাটো হৈছে ৰাজ্যখনৰ ফুটবল ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ ঘটনা। তাৰ পিছৰখন অলিম্পিকত (১৯৫২ চনত হেলচিংকীত হোৱা) অংশ লোৱা ভাৰতীয় ফুটবল

দলত অতিৰিক্ত খেলুৱৈ হিচাপে স্থান পাইছিল কনক বৰদলৈ আৰু মনোৰঞ্জন বেনাৰ্জীয়ে। এই খেলত অতিশয় জনপ্ৰিয়তা অৰ্জন কৰা আন কেইগৰাকীমান খেলুৱৈ হৈছে গিলবাৰ্টছন চাংমা, টচেন বৰা, স্বাধীন ডেকাবৰুৱা, নাৰায়ণ বৰা, ইন্দ্ৰজিৎ নামচোং, শ্যাৱাৰ নংৰি, পৱন গোহাঁই, বগা দাস, পদ্মেশ্বৰ ডেকা, ৰেব পোদ্দাৰ, তোষেশ্বৰ দত্ত, সুবীৰ চৌধুৰী, দেবাশিস ৰায়, কমলা নাথ, ৰঘুনন্দন ৰায়, প্ৰফুল্ল মেচ, সীতেশ্বৰ শইকীয়া, বাবুল ফুকন, জুৱেল বে, ডাঃ এছ্ দাশগুপ্ত, বিজয় কোঁৱৰ, চন্দ্ৰমোহন গঞ্জো, মুকুল শ্বাৰ্চ আদি। এওঁলোকৰ বাহিৰেও ৰাজ্যখনৰ আন বহুতো ফুটবল খেলুৱৈয়ে দেশৰ জুনিয়ৰ আৰু ছিনিয়ৰ দলক প্ৰতিনিধিত্ব কৰি ৰাজ্যখনৰ খেলজগৎখনক গৌৰৱান্বিত কৰিছে। পিছলৈ অসমৰ বহুকেইগৰাকী মহিলা ফুটবল খেলুৱৈয়ে  ফুটবলত জুনিয়ৰ দলক প্ৰতিনিধিত্ব কৰিছিল। ছিনিয়ৰ ৰাষ্ট্ৰীয় দলত অসমৰ বন্তি গগৈ নিৰ্বাচিত হৈছিল। উল্লেখযোগ্য যে মহিলা ফুটবল খেল ৰাজ্যখনত আৰম্ভ হোৱা খুব বেছি বছৰ হোৱা নাই। ক্ৰিকেটতো অসমৰ বহুকেইগৰাকী খেলুৱৈয়ে তেওঁলোকৰ খেলৰ মাজেদি যথেষ্ট জনপ্ৰিয় হ'বলৈ সক্ষম হৈছিল। এই ক্ষেত্ৰত পুৰণিসকলৰ ভিতৰত সকলোতকৈ আগতে ল'ব লাগিব মাধুৰ্যপ্ৰসাদ বৰুৱাৰ নাম। তেওঁ ১৯৫৭ চনত ভাৰতীয় স্কুল দলৰ হৈ খেলিবলৈ যোগ্যতা অৰ্জন কৰিছিল। সেই সময়ৰ আৰু তাৰ আগতে আন কেইগৰাকীমান পাৰদৰ্শী ক্ৰিকেট খেলুৱৈ হৈছে নলিনী চৌধুৰী (পিলিক চৌধুৰী), বাদল ঠাকুৰ, অশ্বিনী ৰাজবংশী, অৱনী হাজৰিকা, ৰামপ্ৰকাশ কাপুৰ, বিমল ভৰালী, প্ৰবীৰ হাজৰিকা, সুনীল ভট্টাচাৰ্য, অনুপ ঘটক আদি আৰু তাৰ পিছত উল্লেখ কৰিব পৰা যায় ৰাজেশ বৰা, গৌতম দত্ত, মৃগেন তালুকদাৰ, খনীন শইকীয়া, জাভেদ জামান, পাৰভেজ আজিজ, আবু নেচিম আহমেদ ইত্যাদি। অসম দলে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আয়োজন কৰা জুনিয়ৰ পৰ্যায়ৰ আৰু স্কুল ক্ৰিকেট প্ৰতিযোগিতাত বিজয়ী হ'বলৈও সক্ষম হৈছে। কিন্তু এই ক্ষেত্ৰত অতিকৈ দৃষ্টিকটু কথাটো এই যে আজি কিছুবছৰৰপৰা — অৰ্থাৎ প্ৰায় ১৯৯০ চন মানৰপৰা — অসমৰ ৰাজ্যিক দলত প্ৰতি বছৰেই অন্য ৰাজ্যৰ খেলুৱৈক স্থান দি অসম ৰঞ্জি দল গঠন কৰাটো। এই খেলুৱৈসকলৰ বাবে অসম ক্ৰিকেট সংস্থাই অবাবতে বহু টকা ব্যয় কৰিছে। ১৯৪৭ চনত স্থাপিত হোৱা সংস্থাটোত এতিয়াও এনেদৰে বাহিৰৰ ৰাজ্যৰ খেলুৱৈ আমদানি কৰি আনি অসম দল গঠন কৰিবলগীয়া হোৱা কথাটো অত্যন্ত দুঃখজনক  বুলিও ক'ব পৰা যায়। এনে হোৱাৰ প্ৰধান কাৰণ হৈছে অসম ক্ৰিকেটত ধনৰ পয়োভৰ, যিটো আগেয়ে হোৱা নাছিল। ৰাজ্যখনৰ খেলৰ সংগঠনসমূহৰ ভিতৰত ক্ৰিকেটত হোৱা এনে খৰচৰ মাত্ৰাধিক্যই হৈছে ৰাজ্যখনৰ ক্ৰীড়া সংগঠনলৈ অহা এক অশুভ পৰিৱৰ্তন।

ইয়াৰ বাহিৰেও টেনিছত ছুছান দাস, বি গোস্বামী, সুকন্যা চৌধুৰী, চন্দ্ৰশেখৰ মহান্তি, অংশুমান দত্ত, অনিৰ্বাণ বৰুৱা, ৰূপু দাস আদিৰ নাম উল্লেখ কৰিব পাৰি। সাঁতোৰতো অসমৰপৰা বহু কেইগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ



ওলাইছে। সেইসকলৰ ভিতৰত মিঠু বৰুৱা, মণিকঙ্কণা দত্ত বৰুৱা, এলভিছ আলি হাজৰিকা, ফাৰিহা জামান, দেৱাশিস মজুমদাৰ, ঋতুপৰ্ণা মজুমদাৰ, পল্লৱী বৰুৱা আদিৰ নাম উল্লেখ কৰিব পৰা যায়। ৰাজ্যিক আৰ্চাৰি সংস্থা, চাইক্লিং সংস্থা, কেৰম সংস্থা, লন-বল, দেহশ্ৰী আদি ক্ৰীড়া সংস্থাসমূহ যদিও তুলনামূলকভাৱে নতুন, তথাপি যিবোৰ খেলৰ বাবে সংস্থাবোৰ গঠিত সেই খেলবোৰতো অসমৰ বহুকেইগৰাকী খেলুৱৈয়ে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰদীপ হাজৰিকাই অসমৰ কেৰম খেলৰ সংগঠক হিচাপে নিয়াৰিকৈ দায়িত্ব পালন কৰিছে। তেওঁ আৰু সংস্থাৰ সভাপতি ৰকিবুল হুছেইনে দেশৰ কেৰম দল লৈ বহুবাৰ বিদেশলৈকো গৈছে। সদ্যহতে ৰকিবুল হুছেইন সৰ্বভাৰতীয় কেৰম ফেডাৰেচনৰ সভাপতি। একেদৰে অসমৰ হেণ্ডবল দলটোৱেও বহু ভাল খেলুৱৈৰ জন্ম দিছে। তাৰে বহু কেইগৰাকীয়ে আমাৰ দেশক আন্তঃ-ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰিছে। দল হিচাপে অসমৰ হেণ্ডবল দলটিয়ে মহিলা আৰু চেমনীয়া দুয়োটা শাখাতে চেম্পিয়ন বা ৰানাৰ্ছ-আপৰ সন্মান কেইবাবাৰো লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ খেলুৱৈসকলে চাইক্লিং, আৰ্চাৰি, টাইকোৱাণ্ডো, দেহশ্ৰী আদি প্ৰতিযোগিতাতো উৎকৃষ্ট খেল প্ৰদৰ্শন কৰি ৰাজ্যলৈ সন্মান কঢ়িয়াই আনিছে। এই ক্ষেত্ৰত দেহশ্ৰী প্ৰতিযোগিতাত অসমৰ ৰবি সিং আৰু হৰকান্ত বৰগোহাঁইৰ নাম উল্লেখ কৰিব পাৰি। আনহাতে, আৰ্চাৰিত অসমৰ জয়ন্ত তালুকদাৰে বিশ্ব চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত কেৱল ভাগ লোৱাই নহয় পদকো লাভ কৰিছে। আনকি, পাঞ্জা, ভাৰোত্তোলন আদি প্ৰতিযোগিতাতো অসমৰ খেলুৱৈসকলে ভাল খেল প্ৰদৰ্শন কৰিছে।

এতিয়া ভাৰতীয় ক্ৰীড়াক্ষেত্ৰখনত ৰাজ্যৰ সংগঠকসকলৰ ভূমিকা সম্পৰ্কত এটা আলোচনা কৰিব পাৰি। সৰ্বভাৰতীয় ক্ষেত্ৰত অসমৰ ক্ৰীড়া-সংগঠকসকলৰ ভিতৰত যদি কাৰোবাৰ নাম ল'বলগীয়া হয় তেন্তে প্ৰথমেই নুৰুল আমিনৰ নাম ল'ব লাগিব। তেওঁ একাধাৰে এসময়ৰ ভাল ক্ৰিকেট-খেলুৱৈ, ফুটবল-খেলুৱৈ আৰু টেনিছ-খেলুৱৈ। তেওঁ অতিশয় দক্ষ সংগঠক হিচাপে নিজকে প্ৰতিপন্ন কৰি থৈ গৈছে। তেওঁ অসমৰ ক্লাব আৰু জিলা পৰ্যায়ৰপৰা ৰাজ্যিক পৰ্যায়লৈকে ৰাজ্যৰ প্ৰায় প্ৰতিটো সংগঠন গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। ১৯৬১-৬২ চনত তেওঁ ইণ্ডোনেচিয়াত আয়োজিত এছিয়ান গেমছত ভাৰতীয় ফুটবল দলৰ মেনেজাৰ আছিল। এই দলে শ্ৰেষ্ঠ দল হিচাপে সোণৰ পদক লাভ কৰে। তেওঁ সেই গেমছতে উদ্বোধনী অনুষ্ঠানটো প্ৰত্যক্ষ কৰি নগাঁৱত আয়োজিত গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানটো আয়োজন কৰে। তাকেই আৰ্হি হিচাপে লৈ পৰৱৰ্তী কালত অসমৰ সকলো অলিম্পিক খেলৰ আৰু ৰাজ্যিক এথলেটিক্স প্ৰতিযোগিতাৰ উদ্বোধনী সমাৰোহবোৰ আয়োজন কৰা হয়। সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তেওঁ সভাপতিও আছিল। তেওঁৰ নামত নগাঁও ক্ৰীড়া সংস্থাই নগাঁও জুবিলি ফিল্ডখন নুৰুল আমিন ষ্টেডিয়াম

বুলি নামকৰণ কৰিছে। খেলৰ সংগঠক এজনৰ নামত এটা ষ্টেডিয়াম তেওঁৰ জীৱনকালতেই এনেদৰে নামকৰণ কৰি নগাঁও জিলা ক্ৰীড়া সংস্থাই ৰাজ্যখনৰ আগত এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰিছে। পিছলৈ অসমৰ আন কেইবাগৰাকী সংগঠকেও সৰ্বভাৰতীয় সংস্থাৰ সভাপতিৰ পদকে ধৰি একাধিক পদ অলংকৃত কৰিছে। এই প্ৰবন্ধকাৰেও সহকাৰী মেনেজাৰ হিচাপে ১৯৮২-৮৩ চনত প্ৰায় আঢ়ৈ মাহ ধৰি সুনীল গাভাস্কাৰ, কপিল দেৱ, ৰবি শাস্ত্ৰী আদি খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় ক্ৰিকেট দলটোৰ লগত পাকিস্তান ভ্ৰমণ কৰিছিল। একেদৰে চিউল অলিম্পিকত ভাৰতীয় দলৰ ডেপুটি চিফ ডি মিচন হিচাপে অসমৰ সেই সময়ৰ টেব্‌ল-টেনিছ খেলৰ সংগঠক ফণী শৰ্মাৰ যোগদানৰ কথাও এইখিনিতে উল্লেখ কৰিব পাৰি। অসম হকি সংস্থাৰ সম্পাদক তপন দাসেও ভাৰতীয় দলৰ দায়িত্ব লৈ বিদেশলৈ গৈছে। তেওঁ নিজেও এজন ভাল হকি খেলুৱৈ আছিল। ইয়াৰ বাহিৰেও অসমৰ আন কেইবাগৰাকী ক্ৰীড়া-সংগঠকে পিছলৈ বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বিষয়া হিচাপে যোগদান কৰিছে। এইখিনিতে লক্ষ্য কৰিলে দেখা যাব যে উল্লিখিত যি-কেইগৰাকী সংগঠকে ভাৰতীয় খেলুৱৈৰ দল লৈ বিদেশলৈ গৈছিল বা বিদেশত অনুষ্ঠিত প্ৰতিযোগিতাত ভাৰতীয় দলৰ দায়িত্ব লাভ কৰিছিল সেইসকলৰ প্ৰায় কেউগৰাকী ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ আছিল। এই পৰম্পৰা ভালেমান দিন ধৰি চলিছিল। কিন্তু বৰ্তমানে এনে কিছুসংখ্যক লোকে এইবোৰ দায়িত্ব লাভ কৰি আছে যিসকল খেলুৱৈও নহয়, খেল পথাৰৰ ঘাঁহ গচকি পোৱা সংগঠকো নহয়।

## অসমত গ্ৰাম্য ক্ৰীড়া

অসমৰ প্ৰায় প্ৰতিটো খেলৰ ক্ষেত্ৰত গ্ৰামাঞ্চলৰেই প্ৰকৃত অৱদান আছে, কাৰণ ৰাজ্যখনত গ্ৰামাঞ্চলৰপৰাই প্ৰায়সকল খেলুৱৈৰ আত্মপ্ৰকাশ ঘটে। এই ক্ষেত্ৰত কিছু ব্যতিক্ৰম হৈছে - ক্ৰিকেট, বেডমিণ্টন, টেব্‌ল-টেনিছ, টেনিছ, ছুইমিং আদি খেলসমূহ। এই কেইবিধ খেল সাধাৰণতে নগৰৰ ছোৱালীয়ে খেলি থকা দেখা যায়। তাৰ বাবেই এইকেইবিধ খেলত ৰাজ্যক প্ৰতিনিধিত্ব কৰা প্ৰায় আটাইবিলাক খেলুৱৈ নগৰাঞ্চলৰ বুলি ক'ব পাৰি। এটা সময়ত ৰাজ্যখনত গ্ৰামীণ ক্ৰীড়াক অধিক গুৰুত্ব দি খেলৰ আঁচনিসমূহ প্ৰস্তুত কৰিবৰ কাৰণে ৰাজ্যিক ক্ৰীড়া পৰিষদ (SSCA)ত আলোচনা কৰা হৈছিল। তাৰেই পৰিপ্ৰেক্ষিতত ৰাজ্যত সুকীয়াকৈ গ্ৰামীণ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিবৰ কাৰণে সিদ্ধান্ত লোৱা হৈছিল। নগাঁৱৰ ৰূপহীৰ ওচৰৰ বেলগুৰি গাঁৱত গ্ৰামীণ ক্ৰীড়াৰ বাবে এটা ষ্টেডিয়াম নিৰ্মাণ কৰিবলৈকো চৰকাৰে সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্তৰ পৰিপ্ৰেক্ষিতত সেই সময়ৰ নগাঁও জিলাৰ উপায়ুক্তই প্ৰায় আশী বিঘা মাটি প্ৰকল্পটোৰ কাৰণে আবণ্টন দিছিল আৰু কেন্দ্ৰীয় চৰকাৰে এগৰাকী নগাঁৱস্থ বিষয়াক তাৰ বাবে ধনো আবণ্টন দিছিল। কিন্তু প্ৰকল্পটো কাৰ্যকৰী হৈ নুঠিল। উল্লেখ কৰিব পাৰি যে



প্ৰথমে প্ৰকল্পটো কাৰ্যকৰী কৰাৰ বাবে ৰাজ্যিক ক্ৰীড়া পৰিষদে অতিকৈ আগ্ৰহ দেখুৱাইছিল আৰু বেলগুৰিত গ্ৰামীণ ক্ৰীড়াৰ প্ৰকল্পটোৰ কাৰণে যিডোখৰ মাটি পত্তন দিছিল সেই ঠাইতে এবাৰ ১৯৭৮ চনত ৰাজ্যিক গ্ৰাম্য ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। কিন্তু সেই উদ্যম সিমানতে শেষ হ'ল।

## সামৰণি

ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনৰ অতীজৰপৰা বৰ্তমানলৈকে হোৱা ক্ৰমাগত বিৱৰ্তনৰ সংক্ষিপ্ত ধাৰণা দিয়াৰ এক প্ৰয়াস এই আলোচনাটিত কৰা হৈছে। তাত যদি কিবা বিশেষ কথা আলোচনা কৰিবলৈ বৈ গৈছে তেন্তে সি নিতান্তই অনিচ্ছাকৃত আৰু তাৰ বাবে আমি দুঃখিত। সামগ্ৰিকভাৱে ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনত এতিয়ালৈকে হোৱা বিকাশক উৎসাহজনক বুলি ক'লেও এই বিকাশৰদ্বাৰা ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনত হোৱা সীমিত পৰিমাণৰ উত্তৰণক যথেষ্ট বুলি ক'ব নোৱাৰি। প্ৰকৃতাৰ্থত ক্ৰীড়াৰ উন্নয়নৰ বাবে যদি সকলো পক্ষই আন্তৰিকতাৰে চেষ্টা কৰিলেহেতেন আৰু অসমত যি-ক্ৰীড়াপ্ৰতিভা আছে তাৰ বিকাশৰ বাবে অধিক সুবিধা দিয়া হ'লহেতেন, তেন্তে অসমে নিশ্চয় ক্ৰীড়াক্ষেত্ৰখনত দেশখনৰ ভিতৰত এক উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হ'লহেতেন। এই ক্ষেত্ৰত মণিপুৰলৈ আঙুলিয়াব পাৰি। মণিপুৰে বহুবোৰ অসুবিধাৰ মাজতো ক্ৰীড়াক্ষেত্ৰখনত দেশৰ ভিতৰতে এক উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে প্ৰধানতঃ ৰাজ্যখনে পোৱা সুবিধাৰ সদ্ব্যৱহাৰ, সংগঠকসকলৰ গভীৰ নিষ্ঠা তথা দায়বদ্ধতা আৰু খেলুৱৈসকলৰ আন্তৰিকতাৰ বাবে। ইয়াৰ বিপৰীতে অসমত দেখা গৈছে নিষ্ঠা, দায়বদ্ধতা আৰু সংঘবদ্ধ প্ৰচেষ্টাৰ অভাৱ - যাৰ বাবে ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনৰ লগত জড়িত সকলো পক্ষই কম-বেছি পৰিমাণে জগৰীয়া। ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰখনৰ উন্নতিৰ বাবে যদিও প্ৰচুৰ সম্ভাৱনা আছে, ৰাজ্যৰ সকলো অঞ্চলতে সিঁচৰতি হৈ থকা বহু ক্ৰীড়াপ্ৰতিভা আছে, সেই সম্ভাৱনা আৰু প্ৰতিভাসমূহৰ পূৰ্ণ বিকাশৰ বাবে সুস্থ আৰু সৰ্বজনসমাদৃত ক্ৰীড়া-পৰিৱেশ সৃষ্টি কৰিবলৈ সংশ্লিষ্ট ব্যক্তিসকল আৰু অনুষ্ঠানসমূহ সক্ষম হোৱা নাই।

## তথ্যসূত্ৰ


১ এই প্ৰবন্ধকাৰৰ ১৯৮৮ চনত *প্ৰান্তিক* - ৭ম বছৰৰ ১৪৭ সংখ্যা - ১৬ জুন সংখ্যাত প্ৰকাশিত "খেলাধূলা, সংগঠনসমূহ আৰু চৰকাৰ" নামৰ প্ৰবন্ধ, পৃষ্ঠা ২১ ৰপৰা ৩৪।

২ নুৰুল আমিন "নগাঁৱৰ ফুটবল আৰু খেল-ধেমালি", *ফুটবল* আলোচনী - ৪১তম স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা উপলক্ষে প্ৰকাশিত - ১৯৯০ চন, পৃষ্ঠা ৭ৰপৰা ১১।

৩ Souvenir published for the celebration of Silver Jubilee of Assam Cricket on the occasion of the East Zone match played between visiting MCC side and East Zone on 27, 28, 29 Dec. 1976

৪ ড° তপন দত্ত (যোৰহাট)।

# অসমৰ ক্ৰীড়া জগৎ

## সুবোধ মল্ল বৰুৱা

ক্ৰীড়াৰ আৰম্ভণি কেতিয়া তাক ন-দি ক'ব নোৱাৰিলেও আমি যদি চীন, ইজিপ্ট, গ্ৰীচ আদি দেশৰ ইতিহাস অধ্যয়ন কৰোঁ তেন্তে বিচাৰি পাম ইয়াৰ ব্যাপকতাক। খ্ৰীষ্ট জন্মৰ দুহেজাৰ বছৰৰ আগেয়ে চীনত জিমনাষ্টিক্সৰ প্ৰভাৱ দেখা গৈছিল। একেদৰে ইজিপ্টতো কেবা হাজাৰ বছৰৰ আগেয়ে সাঁতোৰৰ প্ৰভাৱ অনুভৱ কৰা হৈছে। পাৰ্ছিসকলৰ মাজত ইবানৰ প্ৰাচীন সমৰকলা জুবখানেৰ প্ৰভাৱ বিদ্যমান। একেদৰে গ্ৰীচ দেশত অলিম্পিকৰ প্ৰাচীন ৰূপে ক্ৰীড়াৰ ব্যাপকতা দেখুৱাই দিয়ে। প্ৰাচীন পাৰ্ছিয়াত পলো আৰু ইজিপ্টৰ ৰেছলিং, জাম্পিং, থ্ৰ'ৱিং আদিক গুৰুত্ব দিয়াৰ কথা ইতিহাসত সন্নিবিষ্ট আছে।

বিৰিঞ্চিকুমাৰ বৰুৱাৰ মতে খেল এখন নাটক আৰু ই আমেজপূৰ্ণ সামাজিক ব্যৱস্থা। তেওঁৰ মতে খেল-ধেমালিৰ ধৰণ-কৰণৰপৰা জাতিৰ শক্তি, সাহস, বীৰত্ব, কৰ্মশক্তি আৰু আমোদ-প্ৰমোদৰ বিষয়ে জানিব পাৰি।

ক্ৰীড়াক সংগঠিত ৰূপ দিয়াৰ ক্ষেত্ৰত প্ৰাচীন অলিম্পিকৰ ভূমিকা চিৰস্মৰণীয়। মানুহে জন্মৰ লগে লগে হাত-ভৰিৰ কচৰৎ আৰম্ভ কৰে। ইয়াক বস্তুতেই ক্ৰীড়াৰ আদিম ৰূপ বুলি ক'বলৈ বিচাৰে। হয়তো তেতিয়াই আৰম্ভ হৈছিল ক্ৰীড়া অথবা অসমীয়াত খেল। প্ৰাচীন অলিম্পিকে ক্ৰীড়াক সুসংগঠিত ৰূপ দিলেও সভ্যতাৰ ক্ৰমবিকাশ আৰু ঔদ্যোগিকীকৰণে ক্ৰীড়াক নতুন দিগন্তলৈ ঠেলি দিয়ে। ইয়াৰ সুস্পষ্ট প্ৰকাশ আধুনিক ক্ৰীড়া। ক্ৰীড়াৰ আধুনিক ৰূপে অসমকো স্পৰ্শ কৰিছে। অৱশ্যে অসমত ক্ৰীড়াৰ প্ৰতি আকৰ্ষণ যে মাথোন আজিৰ কথা, তেনে নহয়। অসমৰ ইতিহাস গমি পিতি চালে ছুকাফাই পাটকাই পৰ্বত পাৰ হৈ আহি আহোম ৰাজ্য স্থাপনৰ লগে লগে অসমত ক্ৰীড়াই এক নৰমাত্ৰা লাভ কৰিছিল। ইয়াৰ আগেয়ে, অৰ্থাৎ আহোম যুগৰ আগেয়ে, বিভিন্ন স্থানত ক্ৰীড়াৰ প্ৰাচীন ৰূপ দেখিবলৈ পোৱা যায়। মহাভাৰতৰ যুগত ৰাণী চিত্ৰাঙ্গদাৰ পুত্ৰ বভ্ৰুবাহনে পাণ্ডৱৰ অশ্বমেধৰ ঘোঁৰা বন্দী কৰাৰ উদাহৰণ আছে। সেই সময়ত বভ্ৰুবাহনে ধনুৰ্বিদ্যাত নিজৰ দক্ষতা প্ৰমাণ কৰিছিল। একেদৰে হিড়িম্বাৰ পুত্ৰ ঘটোৎকচ আছিল মহাবীৰ আৰু মল্লযুদ্ধত পাকৈত। এইবোৰ পৌৰাণিক কথা হ'লেও এইবোৰে যি ঐতিহাসিক সত্যৰ হদিচ দিয়ে সেয়া হ'ল অসম তথা উত্তৰ-পূৰ্ব ভাৰতত ক্ৰীড়াৰ ইতিহাস



অতি প্ৰাচীন। এই প্ৰাচীনতাই আমাক আহ্লাদিত কৰিলেও অসমৰ ক্ৰীড়া ইতিহাসত আহোম ৰাজত্বৰ গৌৰৱময় দিনবোৰত পতা খেল-ধেমালিৰ এক সুকীয়া গৌৰৱ আছে। লগতে বিহুতলীবোৰত পতা লৌকিক খেলবোৰৰো মূল্য অপৰিসীম। আহোম যুগৰ আৰু বিহুৰ খেল-ধেমালিবোৰৰ আলোচনা নকৰাকৈ অসমৰ ক্ৰীড়াজগতৰ বিষয়ে কোনো আলোচনাই সম্পূৰ্ণ নহয়। গতিকে যথাস্থানত সেইবোৰৰ বিষয়ে আলোচনা হ'ব। কিন্তু তাৰ আগতে আৰু দুটামান কথা উল্লেখ কৰি লওঁ।

সামগ্ৰিকভাৱে যদি অসমৰ ক্ৰীড়া-জগৎখনৰ বিশ্লেষণ কৰোঁ তেন্তে দেখিম ডাঃ টি আও, ভোগেশ্বৰ বৰুৱা, দীপাংকৰ ভট্টাচাৰ্য, জয়ন্ত তালুকদাৰ, হৰকান্ত বৰগোহাঁই, শিৱ থাপা, জয়দীপ দাস, অৰুণজ্যোতি বৰুৱা, মনালিছা বৰুৱা মেহতা, তৈয়বুন্নেছা আদিয়ে অসমক তেওঁলোকৰ দুৰন্ত প্ৰতিভাৰে কিদৰে গৌৰৱান্বিত কৰিছে। স্বাধীনোত্তৰ যুগত — ১৯৪৮ চনত — প্ৰথম বাৰৰ বাবে ভাৰতে অলিম্পিকত অংশগ্ৰহণ কৰিবলৈ লণ্ডনলৈ গৈছিল। লণ্ডন অলিম্পিকত ফুটবল দলটোক নেতৃত্ব দিছিল মোককচাঙৰ যুৱক ডাঃ টালিমেৰান আওৱে। ১৯৬৬ চনৰ বেংকক এছিয়ান গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল জয়সাগৰৰ তৰুণ ভোগেশ্বৰ বৰুৱাই। তেওঁ ৮০০ মিটাৰৰ দূৰত্ব ১ মিনিট ৪৯.৪ ছেকেণ্ডত অতিক্ৰম কৰি এছিয়ান গেমছত অভিলেখ স্থাপন কৰাৰ লগতে লাভ কৰিছিল স্বৰ্ণপদক। এই অভিলেখৰ ক্ষণটো এতিয়াও অসমৰ বাবে দুৰ্লভ মুহূৰ্ত হিচাপে পৰিচিত হৈ আছে। ভোগেশ্বৰ বৰুৱাই ১৯৭০ চনৰ এছিয়ান গেমছতো ৰূপৰ পদক পাইছিল। জয়সাগৰৰ দুৰন্ত তৰুণ ভোগেশ্বৰ বৰুৱাৰ ১৯৬৬ চনৰ এছিয়ান চেম্পিয়ন হোৱাৰ সেই বিৰল ক্ষণটোৰ এতিয়াও কোনো এজনেও কাষ চাপিব পৰা নাই। অৱশ্যে ২০০৮ চনৰ এছিয়ান মহিলা বক্সিঙত কল্পনা চৌধুৰীয়ে চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। শ্যুটিঙত ১৯৮৬ চনৰ ছিউল এছিয়ান গেমছত জয়দীপ দাসে ব্ৰঞ্জৰ পদক পাইছিল। ২০০৬ চনৰ ড'হা এছিয়ান গেমছত আৰ্চাৰ জয়ন্ত তালুকদাৰে দলগত শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। তেওঁ ২০১২ চনৰ লণ্ডন অলিম্পিকত আৰ্চাৰিত খেলিবলৈ সক্ষম হৈছিল। ইয়াৰ আগেয়ে ১৯৯২ চনৰ বাৰ্চিলোনা আৰু ১৯৯৬ চনৰ আটলাণ্টা অলিম্পিকত দীপাংকৰ ভট্টাচাৰ্যই বেডমিণ্টনত ভাৰতক প্ৰতিনিধিত্ব কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰক গৌৰৱান্বিত কৰিছিল। ২০১০ চনৰ ইউথ অলিম্পিকত ৰূপৰ পদক বিজয়ী বক্সাৰ অসমৰ শিৱ থাপাই ২০১২ চনৰ অলিম্পিকত ৫৪ কেজি শাখাত প্ৰতিনিধিত্ব কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰক গৌৰৱান্বিত কৰিছে। টেবুল-টেনিছত অৰুণজ্যোতি বৰুৱাই কমনৱেলথ টেবুল-টেনিছত ব্ৰঞ্জৰ পদক লাভ কৰি অনন্য কৃতিত্ব স্থাপন কৰিছিল। আনহাতে অসমৰ ক্ৰীড়াৰ মহিলা বিভাগত অগ্ৰদূত হিচাপে আখ্যা দিব পাৰি মনালিছা বৰুৱাক। প্ৰসিদ্ধ টেবুল-টেনিছ তাৰকা কমলেশ মেহতাৰ সৈতে বিবাহ-পাশত আবদ্ধ হোৱা মনালিছা হ'ল অৰ্জুন বঁটা পোৱা অসমৰ প্ৰথম আৰু একমাত্ৰ মহিলা খেলুৱৈ। ১৯৮২ চনৰ

এছিয়ান গেমছত তৈয়বুন্নেছাই এথলেটিক্সত ভাবতক প্ৰতিনিধিত্ব কৰি অসমৰ ক্ৰীড়া-ইতিহাসক বৰ্ণময় কৰি তুলিছিল।

অসমৰ ক্ৰীড়া-ইতিহাসক তাহানিৰেপৰা বিশ্লেষণ কৰি ইয়াক দুটা পৰ্যায়ত ভাগ কৰিব পাৰি।

প্ৰথমটো ভাগত আহোম যুগ আৰু বিহু, দ্বিতীয় ভাগৰ ক পৰ্যায়ত ঔপনিবেশিক যুগ আৰু খ পৰ্যায়ত স্বৰাজোত্তৰ যুগৰ কথা উনুকিয়াব পাৰি।

অসমৰ ক্ৰীড়াক্ষেত্ৰ আৰু ইতিহাসলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় জাতীয় জীৱনত খলকনি লগোৱা বিহু আৰু ক্ৰীড়াৰ মাজৰ এনাজৰীডাল। অসমত ক্ৰীড়া আৰু বিহুৰ মাজৰ সম্পৰ্ক যাউতিযুগীয়া। যেতিয়া পাবস্যত বেছলিং, জাম্পিং, জুৰখানেক লৈ মানৱজাতি প্ৰভাৱান্বিত হৈছিল তেতিয়া আৰু হয়তো-বা তাৰ আগেয়ে অসমত কণী-যুঁজ, কড়ি-যুঁজ আদিয়ে সৃষ্টি কৰিছিল অনেক গুণগ্ৰাহী। ক্ৰীড়া হ'ল এক আনন্দ, শাৰীৰিক আৰু মানসিক সক্ষমতাৰ চূড়ান্ত প্ৰকাশ। সেয়েহে কণী-যুঁজ, কড়ি-যুঁজ আদিৰ মাজেৰে এগৰাকী ব্যক্তিয়ে লভিব পাৰে আনন্দ। মানসিক স্থিৰতাও আনি দিব পাৰে। গতিকে দুয়ো বিধক আমি খেল বুলি নিশ্চয় ধৰিব পাৰোঁ। প্ৰবীণ সাহিত্যিক হেম বুড়াগোহাঞিৰ *বিহু আকৌ আহিল* শীৰ্ষক গ্ৰন্থখনত কণী-যুঁজ সম্পৰ্কত বিস্তৃত আলোচনা আছে। গ্ৰন্থখনত বিহুৰ আনন্দত মতলীয়া কণী-যুঁজাৰুসকলে কিদৰে শিৱসাগৰৰ বকতা মৌজা, নেমুগুৰি, হাটবৰ আৰু লাহৰীবৰত মিলিত হৈ কণী-যুঁজ খেলিছিল তাৰ সুন্দৰ বৰ্ণনা আছে। নেমুগুৰিত খেতিয়কসকলে ধান কাটি বিহুৰ আনন্দত মতলীয়া হৈ কণী-যুঁজৰ বাবে একগোট হোৱাৰ বিষয়েও গ্ৰন্থখনত উল্লেখ আছে। বকতা মৌজা, নেমুগুৰি আদিত এতিয়াও অনুষ্ঠিত হয় কণী-যুঁজ। মাঘ বিহু, বহাগ বিহুৰ আলম লৈ এতিয়া সুচিন্তিত আৰু সংগঠিতভাৱে গোট খায়হি কণী-যুঁজাৰুসকল। ইতিমধ্যে কণী-যুঁজক প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিবলৈ ৰাজ্যিক সমিতিও গঠন কৰা হৈছে। যতীন বৰুৱাৰ *বিহু উৎসৱৰ খেলা-ধূলাত* এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। তথ্যমতে বিহুৰ আৰম্ভণিৰেপৰা কণী-যুঁজাৰুসকলে কণী গোটাই সাজু হৈছিল প্ৰতিযোগিতাৰ বাবে। কৃষিৰ সৈতে কণী-যুঁজৰ সম্পৰ্ক থাকিলেও হেম বুড়াগোহাঞিৰ মতে বৰ্তমানৰ নেমুগুৰি উচ্চ ইংৰাজী বিদ্যালয় প্ৰাঙ্গণেই আছিল কণী-যুঁজৰ ক্ষেত্ৰ। বুড়াগোহাঞিৰ মতে ব'হাগ বিহুত অনুষ্ঠিত নেমুগুৰিৰ কণী-যুঁজ অনুষ্ঠিত হোৱাৰ শতবৰ্ষ গৰকি গ'ল। প্ৰকৃততে বিহুৰ আলম লৈ অসমে এনেবোৰ খেলৰ মাজেৰে মানসিক দৃঢ়তাৰ পৰিচয় দি আনন্দত উটি ভাহি গৈছিল বুলি ক'ব লাগিব। বিহুৰ সময়ত কণী-যুঁজ অথবা কড়ি-যুঁজৰ মাজতেই যে সকলো আবদ্ধ আছিল এনে নহয়। বিভিন্ন স্থানত নৈ, পুখুৰী আদিত নাওখেল অনুষ্ঠিত হৈছিল। কিছুমান পাহোৱাল ডেকা ল'ৰাই মান-যুঁজত ভাগ লৈছিল। এই মান-যুঁজক বৰ্তমানৰ ৰেছলিং অথবা মল্লযুদ্ধ বুলি ক'ব লাগিব। ইয়াৰ উপৰি ব্ৰহ্মপুত্ৰৰ দুই পাৰ ৰজন জনাই আছিল বিভিন্ন খেলেৰে। এইসমূহৰ মাজত অন্যতম হ'ল হাউ-খেল, ঢোপ-খেল, টাংগুটি,



ঘিলা-খেল, লুকা-ভাকু, বুন্দিয়া হাউ, ঢেমন অনা খেল। হাউগুদু-খেলক বৰ্তমানৰ কাবাডিৰ আদি ৰূপ বুলিব পাৰি। হাউ-গুদুক কৰ্ণাটকত ছোদুগুদু, কেবলত ৱাণ্ডি কালি, পঞ্জাবত জব্বৰ ঘানা হিচাপে জনা যায়। এই সময়ৰ অন্য এবিধ প্ৰিয় খেল হ'ল ঢোপ। ইয়াৰ জন্ম কেতিয়া কোনোৱে ক'ব নোৱাৰে। জনামতে মাঘ মাহৰপৰা ব'হাগ মাহলৈকে গাঁৱৰ ল'ৰাই ঢোপ খেলিছিল। এই খেলত বয়সৰ সীমা নাই, ৰেফাৰি অথবা বিচাৰকৰো প্ৰয়োজন নাই। অৱশ্যে কিছু অলিখিত নিয়ম মানি দুটা দলত ভাগ হৈ মুকলি ঠাইত যুৱকসকলে এই খেল খেলিছিল। ১৯৩৬ চনত তেজপুৰৰপৰা পাঁচ কিলোমিটাৰ আঁতৰত মদপী অঞ্চলৰ ঢেকেৰীপাৰত বৃহৎ বাকৰি এখনত এই বিধ খেল অনুষ্ঠিত হৈছিল। বাকৰিখনক মিছন বাকৰি হিচাপে নামকৰণ কৰা হয়। ইয়াতে চলন্ত শৰাই এখন দি ঢোপ খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। প্ৰতিযোগিতাখন কেবাবছৰ চলিছিল যদিও পিছত ই বন্ধ হৈ যায়। অৱশ্যে একে স্থানতে যোৱা শতিকাৰ নৱৈ দশকত পুনৰবাৰ ঢোপ-খেল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এই ঢোপ-খেলক সংগঠিত ৰূপত আগবঢ়াই নিবলৈ তেজপুৰত প্ৰচেষ্টা আৰম্ভ হৈছিল যদিও পৰৱৰ্তী সময়ত ই স্থবিৰ হৈ পৰে। ১৯৮৬ চনৰ ডিচেম্বৰত মণিপুৰৰ ইম্ফলত অনুষ্ঠিত পূৰ্বোত্তৰৰ সমৰকলা আৰু থলুৱা খেলসমূহৰ মহোৎসৱত মদপী আৰু তোলেৰীয়া অঞ্চলৰ দুটি ঢোপ-খেলৰ দলে ভাগ লৈছিল। এই বিধ খেল প্ৰসাৰৰ বাবে কোকৰাঝাৰৰ বিনোদ ব্ৰহ্ম নামৰ এগৰাকী সংগঠক উঠিপৰি লাগিছিল। ঢোপ-খেলৰ প্ৰদৰ্শনী গুৱাহাটী আদিতো আয়োজন কৰিছিল। তেওঁ নিয়মাৱলীও প্ৰস্তুত কৰিছিল, কিন্তু সময়ৰ সোঁতত এই প্ৰচেষ্টাত যতি পৰে। ২০০৮ বৰ্ষত 'আমাৰ খেল আমাৰ উৎসৱ' শীৰ্ষক এক অনুষ্ঠানত এই খেল প্ৰদৰ্শন কৰা হৈছিল গুৱাহাটীত। খেলসমূহৰ বাহিৰেও ঢেমনা-অনা-খেল সাধাৰণতে বৰপেটা অঞ্চলত খুউব জনপ্ৰিয় আছিল। এটা দলত চাৰিৰপৰা দহজনলৈকে খেলুৱৈ থাকে এই বিধ খেলত। দুটা দলৰ মাজত অনুষ্ঠিত হয় খেল। ঢোপ খেলৰ দৰে আহল বহল মুকলি ঠাইত এই খেল অনুষ্ঠিত হৈছিল। ইয়াৰ বাহিৰেও গন্ধ হাউ, হাফলা, ঘিলা, ৰছীটনা-খেল, হাত-বল, বৈঠা-বল, টেকেলি-ভঙা, তিনিঠেঙীয়া-দৌৰ, গছ-কপটি আদি বিশেষভাৱে উল্লেখযোগ্য। এই খেলসমূহৰ ভিতৰত বৈঠা বল আৰু হাতবল এতিয়াৰ ক্ৰিকেট খেলৰ লেখিয়াই। ইয়াৰ বাহিৰেও কাৰ্বি-প্ৰধান অঞ্চলত কেংৰদং কিকাদ মেকিলাপ; বি টি এ ডি অঞ্চলত খুমলাই নাই, ডাউখা, ঘিলা-খেল, ডাৰিয়া; মিচিং সমাজত মেনদাৰি, কৌবুঙচংমান, কুলিগাপচু আদি খেল বিদ্যমান। অন্য অঞ্চলসমূহতো পানীপুঙা খেল, খলিগুটি, ধৰাচিউ, ডোবলমূৰী, চিউঘূপি, টাংগুটি, ঢাল-খেল আদি খেল দেখিবলৈ পোৱা যায়।

এই থলুৱা খেল অথবা লোকক্ৰীড়াসমূহৰ জন্ম ক'ত বা কেনেকৈ হৈছিল তাৰ সঠিক উত্তৰ পাবলৈ নাই। এইসমূহ খেলৰ উপৰি অসমত জনপ্ৰিয় আছিল ম'হ-যুঁজ। ম'হ-যুঁজ আহোম যুগতে আৰম্ভ হৈছিল। স্পেইনত এতিয়াও সবাতোকৈ জনপ্ৰিয় বাফেলো-যুঁজ এই ম'হ-যুঁজৰেই নামান্তৰ। মৰিগাঁৱৰ আঁহতগুৰিত ২০১৪

চনলৈকে মহ-যুঁজ অনুষ্ঠিত হৈছিল। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে আয়োজিত হৈছিল এই বিধ খেল। মাঘ মাহত যেতিয়া এই বিধ খেল আয়োজন কৰা হৈছিল তেতিয়া বহুতে উপভোগ কৰিছিল এই খেলবিধ। আঁহতগুৰিৰ বাহিৰেও মিকিৰভেটা, চৰাইবাহী, বাৰভগীয়া, বাৰপূজীয়া, গোণামাৰা, ববমাৰা, দমাল, বৰশীবন্ধা, দুৱাৰথলি আদিত বিহুৰ সময়ত ম'হ-যুঁজ অনুষ্ঠিত হৈছিল, কিন্তু দেশৰ উচ্চতম ন্যায়ালয়ৰ এক ৰায় আৰু কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰণালয়ৰ অধীনস্থ ভাৰতৰ বন্যপ্ৰাণী কল্যাণ পৰিষদে জনোৱা আহ্বানৰ ভিত্তিত অসম চৰকাৰে সম্প্ৰতি ৰাজ্যখনত পশু-পক্ষীৰ যুঁজ নিষিদ্ধ কৰিছে। ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ *Cultural History of Assam*ত লোকক্ৰীড়াৰ দিশবোৰৰ বিষয়ে উল্লেখ আছে। দক্ষিণ কামৰূপত সুৱৰী উৎসৱত অনুষ্ঠিত হয় মাল-যুঁজ। বিহু আৰু অন্যান্য উৎসৱৰ আলম লৈ অনুষ্ঠিত হোৱা বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাই অসমৰ সমাজজীৱনক ভ্ৰাতৃত্বৰ ডোলেৰে বন্ধাৰ অনেক সুযোগ উলিয়াই দিছে। বিহুৰ দানৰ সৈতে আৰু যোগ দিব লাগিব আহোম যুগৰ অৱদানক। আহোমৰ ৰাজত্বকালত অসমত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল। সেয়েহে এই সময়ছোৱাত বিভিন্ন খেলে গা কৰি উঠিছিল। আহোমৰ ৰাজত্বকালত ৰাজপৰিয়ালবপৰা যিদৰে খেলক অনুপ্ৰেৰণা যোগোৱা হৈছিল সেয়া মাথোন কল্পনাহে কৰিব পাৰি, অন্ততঃ আজিৰ পৰিপ্ৰেক্ষিতত। তেতিয়া চলি আছিল মাল-যুঁজ, ম'হ-যুঁজ, হাতী-যুঁজ, ঘোঁৰা-দৌৰ, তৰোৱাল-খেল, কাঁড়-খেল ইত্যাদি। আমি ম'হ-যুঁজক বৰ্তমান স্পেইনত চলি থকা বাফেলো-যুঁজ, তৰোৱাল-খেলক ফেন্সিং, ঘোঁৰা-দৌৰক ইকুৱেষ্ট্ৰিয়ান, কাঁড়-খেলক আৰ্চাৰি, মাল-যুঁজক ৰেছলিং বুলি ক'ব পাৰোঁ। এই খেলসমূহৰ উন্নতিৰ বাবে ৰাজ-পৰিয়ালে মুকলি মন লৈ কাম কৰি গৈছিল। তেতিয়াই বিশেষ বিশেষ খেলৰ বাবে বিষয়া আৰু ট্ৰেইনাৰ নিযুক্তি দি ক্ৰীড়াৰ প্ৰতি জনসাধাৰণক আকৰ্ষিত কৰাৰ চেষ্টা কৰিছিল। এনে ব্যৱস্থা কিন্তু স্বৰাজোত্তৰ কালত অসমত কাচিৎহে দেখা গৈছে।

আহোম-ৰাজপৰিয়ালে ক্ৰীড়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথা আলোচনা কৰিবলৈ যোৱাৰ আগেয়ে এটা কথা উল্লেখ কৰিব লাগিব যে এছিয়াৰ প্ৰথমটো স্প'ৰ্টছ-পেভিলিয়ন অথবা ক্ৰীড়া-পেভিলিয়নৰ কথা। পেভিলিয়নটো হ'ল সকলোৰে পৰিচিত শিৱসাগৰৰ ৰূপহী পথাৰৰ ৰংঘৰ। ৰংঘৰে সোঁৱৰায় আহোম যুগৰ ক্ৰীড়া পৃষ্ঠপোষকতাৰ কথা। ৰংঘৰ নিৰ্মাণৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল স্বৰ্গদেউ ৰুদ্ৰসিংহই। কাঠৰ পাতেৰে এই পেভিলিয়নৰ ভেটি স্থাপন কৰিছিল। স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত ৰংঘৰৰ নিৰ্মাণকাৰ্য সমাপ্ত কৰে। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ প্ৰচেষ্টাক স্বৰ্গদেউ প্ৰমত্ত সিংহই পূৰ্ণ ৰূপ দি নিৰ্মাণ কৰিছিল ৮৮ ফুট দীঘল আৰু ৩৫.৫ ফুট বহল পেভিলিয়ন। ৰূপহী পথাৰত নিৰ্মিত এই পেভিলিয়নটো আছিল এছিয়াৰ প্ৰথম ক্ৰীড়া-পেভিলিয়ন। ইয়াত বহি আহোম ৰাজপৰিয়ালে উপভোগ কৰিছিল বিহু আৰু উৎসৱ-পাৰ্বণ আদিত অনুষ্ঠিত খেলৰ



মুহূৰ্তবোৰ। এই পেভিলিয়নৰ মাজেৰে আহোম ৰাজপৰিয়ালে প্ৰমাণ কৰিছিল তেওঁলোকৰ ক্ৰীড়া-প্ৰীতি। আজিও গৰ্বেৰে থিয় হৈ আছে ৰংঘৰ। দুফুট মোটা ইটাৰে ইয়াৰ বেৰ নিৰ্মাণ কৰা হৈছিল। তেলাল মাছ, মাটি দাইল, কণী, চাউল আৰু অন্য কিছুমান বস্তুৰ মিশ্ৰণক চিমেণ্ট হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই পেভিলিয়ন নিৰ্মাণৰ পিছত কেবাটাও বিধ্বংসী ভূমিকম্পই সমগ্ৰ অসমক জোকাৰি গৈছে; কিন্তু ই এতিয়াও গুৰুগম্ভীৰভাৱে গৌৰৱেৰে থিয় হৈ আছে। পৰৱৰ্তী কালত ৰংঘৰৰ কাষতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই আন এক পেভিলিয়ন নিৰ্মাণ কৰিছিল। য়াণ্ডাবু সন্ধিৰ আধাৰত ১৮২৬ চনত অসম ব্ৰিটিছৰ শাসনলৈ যোৱাৰ পাছত ৰংঘৰক নিঃশেষ কৰাৰ বাবে এগৰাকী ব্ৰিটিছ শাসনকৰ্তাই চেষ্টা চলাইছিল। ব্ৰিটিছে ১৩০০ টকাত এজন স্থানীয় ব্যক্তিক ৰংঘৰটো বিক্ৰী কৰাৰ কথা শুনা যায়। পৰাগধৰ চলিহাৰ *Aspects of Assamese Culture* নামৰ গ্ৰন্থত উল্লেখ কৰা মতে তেতিয়া ৰংঘৰটো ভাঙি নিয়াৰ প্ৰয়াস কৰিলেও ই সফল নহ'ল।

ৰংঘৰত বহি আহোম ৰাজ-পৰিয়ালে উপভোগ কৰিছিল বিভিন্ন খেল। শেন-মেলা, হাতী-দৌৰ, ঘোঁৰা-দৌৰ, হাতী-যুঁজ আদি আয়োজন কৰিছিল উৎসৱৰ সময়ত। অকল খেল আয়োজন কৰিয়েই যে দায়িত্ব শেষ কৰিছিল এনে নহয়। আহোম ৰজাই বিভিন্ন খেলৰ বাবে নিয়োগ কৰিছিল বিষয়া, ট্ৰেইনাৰ ইত্যাদি। শেন-মেলাৰ বাবে শেনচোৱা বৰুৱা আৰু শেনচোৱা বৰাক নিযুক্তি দিছিল। হাতী-যুঁজৰ বাবেও আছিল বিষয়া। একেদৰে চৰাইক প্ৰশিক্ষণ দিবলৈও ব্যৱস্থা কৰিছিল ট্ৰেইনাৰৰ। এতিয়া আমি মুকলি পথাৰৰ বাবে হাবাথুৰি খাবলগীয়া হৈছে, কিন্তু তেতিয়া এই ক্ষেত্ৰত আহোম ৰজাই স্পষ্ট নীতি এটা ৰাখিছিল। আচল অৰ্থত খেলক লৈ আধুনিক ধ্যান-ধাৰণা সৃষ্টি হোৱাৰ বহু আগেয়ে আহোম যুগত খেলৰ বাবে এক উৎকৃষ্ট ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এনেবোৰ উদাহৰণেৰে গৰ্বিত অসম। কিন্তু আধুনিক যুগত এই দিশত ৰাজ্যখন বহু পিছ পৰি আছে। সেই সময়ত অকল খেল পতাতেই ব্যস্ত আছিল তেনে নহয়, বিজয়ী প্ৰতিযোগীক বঁটাৰ লগতে পদোন্নতি চাকৰি আদি দিয়াৰ ব্যৱস্থাও কৰিছিল। স্বৰ্গদেউ প্ৰমত্ত সিংহই ৰংঘৰ নিৰ্মাণ কৰি উলিওৱাৰ পাছত ৰাজপৰিয়ালে বিশাল ৰূপহী পথাৰত আয়োজন কৰিছিল হাতী-দৌৰ, হাতী-যুঁজ, শেন-মেলা, ঘোঁৰা-দৌৰ, ম'হ-যুঁজ আদি। চৰাইৰ খেল চাবলৈ স্থাপন কৰিছিল চৰাইচোং। আনহাতে ঘোঁৰা-দৌৰ প্ৰতিযোগিতাত ভাগ ল'বলৈ তেতিয়াই শ্যাম দেশ, ভূটান, মণিপুৰ আৰু কোচ ৰাজ্যৰপৰা খেলুকৈ আহিছিল। একেদৰে সঙ্গীতৰ তালে তালে বিহুৰ সময়ত ফ্ৰী ষ্টাইল ৰেছলিং অথবা মাল-যুঁজ, তৰোৱাল খেল, কাঁড়-খেল, নাও-খেল, সাঁতোৰ আদি অনুষ্ঠিত কৰিছিল। আনহাতে ৰংঘৰৰ উত্তৰ দিশত নিৰ্মাণ কৰা হৈছিল হাতীশাল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত অসমৰ বিভিন্ন স্থানত বৃহৎ বৃহৎ পুখুৰী খনন কৰা হৈছিল। ইয়াতেই চলিছিল সাঁতোৰ আৰু নদ-নদীত চলিছিল বিভিন্ন ধৰণৰ নাও-খেল প্ৰতিযোগিতা।

এতিয়া ঘূৰি আহোঁ আধুনিক যুগলৈ।

এই সময়ছোৱা হৈছে অসমৰ ক্ৰীড়াজগতৰ গুৰুত্বপূৰ্ণ সময়। সভ্যতাৰ ক্ৰমবিকাশ, ব্ৰিটিছৰ আগমন আৰু বিজ্ঞানৰ অগ্ৰগতিয়ে সমগ্ৰ পৰিৱেশটোকেই সলনি কৰি দিয়ে। আধুনিক অলিম্পিকৰ আগমন আৰু ব্ৰিটিছৰ সাম্ৰাজ্যবিস্তাৰৰ লগে লগে অৱসৰৰ সময় অতিবাহিত কৰাৰ বাবে বিভিন্ন সময়ত বিভিন্ন খেল খেলাত আধুনিক ক্ৰীড়াৰ বিস্তাৰ সহজ হৈছিল। ইয়াৰপৰা বাদ পৰা নাছিল অসমৰ দুটি উপত্যকা। ব্ৰিটিছে সেউজীয়া উপত্যকাত অৱসৰৰ সময় কটাবলৈ খেলিছিল ফুটবল, ক্ৰিকেট আৰু অন্যান্য খেল। ইয়াৰে সোৱাদ লৈছিল অসমৰ ক্ৰীড়াপ্ৰেমীসকলে। এনেয়ে অসংখ্য থলুৱা খেল অসমত আছে। অসমৰ বাবে এইবোৰৰ আকৰ্ষণ এনেই কম নহয়। তাৰ পিছত আধুনিক খেলসমূহ। গতিকে কথাই নাই।

ব্ৰিটিছৰ আগমনৰ পিছত আমি অসমৰ ক্ৰীড়াৰ আধুনিক যুগটোক দুটা ভাগত ভগাব পাৰোঁ। অসমৰ ক্ৰীড়াৰ আধুনিক যুগটোৰ প্ৰথম ভাগ ভাৰতৰ স্বাধীনতাৰ আগলৈকে ধৰা হ'ল। স্বাধীনতাৰ পিছত অসমত ক্ৰীড়াৰ প্ৰকৃত বিকাশ ঘটিছিল। গতিকে দ্বিতীয় ভাগটো হ'ল অসমৰ ক্ৰীড়াৰ প্ৰকৃত উত্থানৰ সময়।

১৮২৬ চনত য়াণ্ডাবু সন্ধিৰ মাজেৰে অসমত ব্ৰিটিছে খোপনি পুতিবলৈ সক্ষম হোৱাৰ পাছত গুৱাহাটী, শ্বিলং, শিলচৰ, যোৰহাট আদিত খোপনি পুতি তেওঁলোকে খেলিবলৈ লৈছিল ফুটবল। সেউজীয়া খেল-পথাৰত ফুটবল খেলৰ মাজেৰে স্থানীয় লোকৰ লগত সম্পৰ্ক স্থাপন কৰিছিল। যোৰহাটত জিমখানা ক্লাব স্থাপন কৰিছিল। শ্বিলঙত শ্বিলং ক্লাবৰ লগতে শিলচৰৰ চাহবাগিচাত ফুটবল মেলি দিছিল। গুৱাহাটীত মেডিকেল কলেজৰ কাষৰ বৰপুলত আৰম্ভ কৰিছিল খেল। ফুটবলেৰে এনেদৰে হৃদয় জিনাৰ চেষ্টাত ব্যস্ত হৈছিল ব্ৰিটিছ। আধুনিক ফুটবল অথবা আধুনিক খেল কেতিয়া অসমত প্ৰথম আৰম্ভ হৈছিল তাৰ প্ৰামাণিক তথ্য নাই যদিও ১৯০৬ চনত গুৱাহাটী টাউন ক্লাব স্থাপনে ক্ৰীড়াক এক সুকীয়া গতি দিছিল। গুৱাহাটীত টাউন ক্লাবৰ জন্ম, ১৯০১ চনত কটন কলেজ স্থাপন, শিলচৰত ইণ্ডিয়া ক্লাব, শ্বিলঙত শ্বিলং ক্লাব আৰু যোৰহাটত জিমখানা ক্লাবৰ মাধ্যমেৰে অসমৰ ক্ৰীড়াই কিছু অগ্ৰগতি লাভ কৰিছিল। পৰৱৰ্তী সময়ত গুৱাহাটীত স্থাপন হৈছিল মহাৰাণা ক্লাব। গুৱাহাটীত ৰায়চাহাব শ্বিল্ড ফুটবল প্ৰতিযোগিতা আয়োজন, ১৯১১ চনত গুৱাহাটীত শ্বিলঙৰ এটি দলৰ বিৰুদ্ধে গুৱাহাটীৰ এটি দলৰ প্ৰদৰ্শনী ফুটবল আৰু শিলচৰৰ ইণ্ডিয়া ক্লাবৰ কলকতাৰ আই এফ এ শ্বিল্ডত অংশগ্ৰহণে অসমত ফুটবলৰ প্ৰসাৰৰ কথা উনুকিয়ায়। গ্ৰামীণ জীৱনত ভলিবলেও কিছু প্ৰসাৰ লাভ কৰিছিল। গুৱাহাটীতো ভলিবলৰ আকৰ্ষণৰ কথা পোৱা যায়। হয়তো ইয়াৰ আঁত ধৰিয়েই অসমৰ এটি ভলিবল দলে ১৯৪২ চনত লাহোৰত অনুষ্ঠিত সৰ্বভাৰতীয় অলিম্পিক গেমছত যোগ দিছিল। দলটোত আছিল নৃপেননাৰায়ণ ভট্টাচাৰ্য, মাধুৰ্যজিৎ সিং, ধনী বৰা, যোগেশ শৰ্মা, শৰৎ শৰ্মা (থাপা), অতুল দত্ত, ঈশ্বৰ ভূএগ, দুৰ্গা সিং, লাচিত দত্ত আৰু জনৈক দত্ত। লাহোৰৰ অলিম্পিক



গেমছত যোগদান অসমৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে এক যাউতিযুগীয়া ঘটনা। একেদৰে ১৯৩০ চনৰপৰা কেইবছৰমান জুবি নামনি অসম আৰু উজনি অসম স্কুল টুৰ্ণামেণ্ট অনুষ্ঠিত হৈছিল। ইয়াৰদ্বাৰা অসমত আধুনিক ক্ৰীড়াৰ আদি বীজ ৰোপিত হৈছিল। এই সময়ছোৱাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উদাহৰণ হ'ল যোৰহাটত ১৯৩৪ চনত শক্তি-মেলা। যোৰহাটত শক্তি-মেলা দুবাৰকৈ অনুষ্ঠিত হৈছিল। আনহাতে ১৯৪০ চনত অনুষ্ঠিত হৈছিল অসম অলিম্পিক। যোৰহাটত ১৯৩৪ চনত প্ৰথমবাৰৰ বাবে শক্তি-মেলা অনুষ্ঠিত হৈছিল। সেই বৰ্ষত ৰায়বাহাদুৰ ৰাধানাথ সন্দিকৈ, চন্দ্ৰধৰ বৰুৱা, তুলসীনাৰায়ণ শৰ্মা, ৰামেশ্বৰ বৰা, সুৰেন ভৰালী আদিৰ নেতৃত্বত অনুষ্ঠিত হৈছিল শক্তি-মেলা। তথ্যমতে, প্ৰথম শক্তি-মেলাত শৰীৰ-চৰ্চা, একেবাহে দৌৰ, একেবাহে খোজ-কঢ়া, একেবাহে চাইকেল চলোৱাৰ লগতে গুৱাহাটী আৰু তিনিচুকীয়াৰ মাজত (৩২০ মাইল) খোজ-কঢ়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। গুৱাহাটী আৰু তিনিচুকীয়াৰ মাজত অনুষ্ঠিত খোজ-কঢ়াত নিৰ্ধাৰিত দূৰত্ব ৭৪ ঘণ্টা ৩৮ মিনিটত সমাপ্ত কৰি কালীচৰণ তালুকদাৰ বিজয়ী হৈছিল। একেদৰে প্ৰভাস কটকীয়ে একেবাহে ১৭ ঘণ্টা ৫২ মিনিট চাইকেল চলাই আৰু ভগীৰাম নাথে ৪০ ঘণ্টা ২৯ মিনিট একেবাহে খোজ কাঢ়ি বিজয়ীৰ সন্মান অৰ্জন কৰিছিল। ইয়াৰ পাছত ১৯৩৭ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হৈছিল দ্বিতীয় শক্তি-মেলা। এই শক্তি-মেলাত প্ৰথম বাৰৰ দৰে খেলসমূহ অনুষ্ঠিত হৈছিল। দেবেন্দ্ৰনাৰায়ণ বেজবৰুৱাৰ নেতৃত্বত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এইখিনিতে উল্লেখ কৰিব লাগিব যে ১৯৩৯ চনত অসম অলিম্পিক সন্থা গঠন হোৱা বুলি জনা যায়। অসম অলিম্পিকৰ প্ৰথমগৰাকী সভাপতি আছিল হেনো এগৰাকী ব্ৰিটিছ। নাম জি এছ মল। অৱশ্যে সংগঠনটোৱে স্বীকৃতি নাপালে; পিছত, তথ্যমতে, ১৯৭০ চনৰ ৩০ ডিচেম্বৰত অসম অলিম্পিক সন্থা গঠিত হয়। ইয়াত নুৰুল আমিন সভাপতি, দেবীচৰণ মহন্ত সম্পাদক, এ জেড খান কোষাধ্যক্ষ আৰু প্ৰেমধৰ শৰ্মা সহকাৰী সম্পাদক আছিল। ইয়াৰ পৰৱৰ্তী বৰ্ষত যোৰহাটত অনুষ্ঠিত হয় অসম অলিম্পিক। অলিম্পিক আয়োজনত যোৰহাটত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল ব্যায়ামবীৰ বলিনাৰায়ণ বৰুৱাই। অসম অমিম্পিকত সেই সময়ৰ মণিপুৰৰ ৰজা চূড়াচান্দ সিঙে উদ্বোধনী আৰু সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল।

শক্তি-মেলাই অসমত ক্ৰীড়াৰ বাতাবৰণক সুন্দৰভাৱে ফুটাই তুলিছিল। পৰৱৰ্তী সময়ত ৰাজ্য চৰকাৰে শক্তি-মেলা পুনৰ অনুষ্ঠিত কৰাৰ বাবে চেষ্টা চলাইছিল। ১৯৮৭ চনত গোলাঘাটত স্বৰাজোত্তৰ কালৰ প্ৰথমখন আৰু ১৯৮৮ চনত গোৱালপাৰাত দ্বিতীয়খন শক্তি-মেলা অনুষ্ঠিত হৈছিল; কিন্তু তাৰ পাছত সমগ্ৰ প্ৰক্ৰিয়াটো বন্ধ হৈ যায়। ঠিক একেদৰে অসমৰ থলুৱা ক্ৰীড়া অথবা লোক-ক্ৰীড়াসমূহ প্ৰদৰ্শনৰ বাবে ১৯৮৯ চনত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে চেষ্টা চলাই শিৱসাগৰত এক সমাৰোহ আয়োজন কৰিছিল; কিন্তু প্ৰথমবাৰৰ পাছত এই সমাৰোহ পুনৰ অনুষ্ঠিত নহ'ল। একেদৰে ২০০৮ চনত গুৱাহাটীত থলুৱা ক্ৰীড়াসমূহক লৈ

'আমাৰ খেল, আমাৰ উৎসৱ' অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। আনহাতে বিটিএডি অঞ্চলত বড়ো জনগোষ্ঠীৰ থলুৱা খেলসমূহক লৈয়ো বছৰি অনুষ্ঠান চলি আহিছে। কাৰ্বি জনগোষ্ঠীৰ থলুৱা ক্ৰীড়াৰো বিভিন্ন সমাৰোহ অঞ্চলভেদে চলি আহিছে। স্বাধীনতাৰ আগত এনে অৱস্থা আছিল অসমৰ ক্ৰীড়াক্ষেত্ৰৰ।

এতিয়া উভতি আহোঁ আধুনিক যুগৰ দ্বিতীয় পৰ্যায়লৈ। এই সময়খিনি আছিল অসমৰ ক্ৰীড়াৰ formationৰ সময়, infrastructure গঢ়াৰ সময়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তঃগাঁথনি উন্নয়নৰ বাবে বৃহৎ অভিযান চলিছিল। পঞ্চাছৰ দশকত পি ডি ষ্ট্ৰেচিৰ উদ্যোগত যোৰহাটত ষ্টেডিয়াম নিৰ্মাণৰ প্ৰচেষ্টা আৰম্ভ হয়। গুৱাহাটীত ১৯৫৮ চনত ৰাধাগোবিন্দ বৰুৱাৰ নেতৃত্বত কনকলতা ইনড'ৰ ষ্টেডিয়াম আৰু ১৯৬২ চনৰ জুলাই মাহত গৌহাটী ষ্টেডিয়াম (পৰৱৰ্তী সময়ত নেহৰু ষ্টেডিয়াম) নিৰ্মাণ কৰি ক্ৰীড়াক বিজ্ঞানসন্মতভাৱে আগবঢ়াই লৈ যোৱাৰ প্ৰস্তুতি চলে। একেদৰে নগাঁৱত নুৰুল আমিনৰ নেতৃত্বত জুবিলী খেলপথাৰখন ষাঠিৰ দশকত ষ্টেডিয়ামলৈ ৰূপান্তৰিত কৰা হয়। ১৯৯০ চনত জুবিলী খেলপথাৰত নিৰ্মিত ষ্টেডিয়ামখন নগাঁও ক্ৰীড়া সন্থাই নুৰুল আমিন ষ্টেডিয়াম ৰূপে নামকৰণ কৰে। ৰাধাগোবিন্দ বৰুৱা, নুৰুল আমিন, পি ডি ষ্ট্ৰেচি আদিৰ দক্ষতা আৰু দূৰদৰ্শিতাৰ বাবে অসমত ক্ৰীড়াৰ উত্থান সম্ভৱ হয়। ১৯৮৮ চনত নিউফিল্ডত ছাইৰ উপকেন্দ্ৰ স্থাপিত হয়। সেইদৰে তিনিচুকীয়াত সৰ্বানন্দ সিংহ ষ্টেডিয়াম আৰু শিলচৰত সন্তোষমোহন দেৱকে ধৰি এচাম ক্ৰীড়াপ্ৰেমীৰ উদ্যোগত নিৰ্মিত হয় সতীন্দ্ৰমোহন দেৱ ষ্টেডিয়াম। পৰৱৰ্তী সময়ত শিৱসাগৰ, তেজপুৰ, ধুবুৰী আদিতো ষ্টেডিয়াম নিৰ্মাণৰ প্ৰচেষ্টা আৰম্ভ হোৱাত জাকে জাকে খেলুৱৈ ওলাই আহিছিল। তদুপৰি বিভিন্ন স্থানত ইনড'ৰ ষ্টেডিয়াম আদিও নিৰ্মাণ কৰি ইনড'ৰ খেলসমূহৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছিল। আন্তঃগাঁথনিসমূহ ভাগে ভাগে নিৰ্মাণ কৰাৰ সময়তে অসমৰ ক্ৰীড়াক্ষেত্ৰত আৱিৰ্ভাৱ হৈছিল কেবাগৰাকীও প্ৰতিভাৱান তাৰকাৰ। এওঁলোকৰ ভিতৰত ডাঃ টালিমেৰান আও, শৰৎ দাস, অনিমেষ গাঙ্গুলি আদিয়ে কলিকতাত ফুটবল খেলত নিজ নিজ প্ৰতিভাৰ স্ফুৰণ ঘটাইছিল। নগাপাহাৰৰ ডাঃ টালিমেৰান আওৱে ১৯৪৮ চনত লণ্ডন অলিম্পিক খেলিবলৈ যোৱা ভাৰতীয় ফুটবল দলক নেতৃত্ব দি বিৰল উদাহৰণ দাঙি ধৰিছিল। ১৯৬৪ চনত ইন্দ্ৰজিৎ নামচুমে ভাৰতৰ জুনিয়ৰ ফুটবল দললৈ নিৰ্বাচিত হৈছিল। অসমৰ ক্ৰীড়াক্ষেত্ৰত বৃহত্তম ঘটনাটো ঘটিছিল ১৯৬৬ চনত থাইলেণ্ডৰ ৰাজধানী বেংককত। ১৯৬৬ চনত এছিয়ান গেমছ বেংককত অনুষ্ঠিত হৈছিল। এই সমাৰোহৰ ৮০০ মিটাৰ দৌৰত অসমৰ জয়সাগৰৰ ভোগেশ্বৰ বৰুৱাই অভিলেখ স্থাপনৰ লগতে স্বৰ্ণপদক লাভ কৰিছিল। এই ঘটনাৰ চাৰি দশকৰ পাছতো আমি দ্বিতীয় গৰাকী এছিয়ান গেমছ চেম্পিয়ন পোৱা নাই। ভোগেশ্বৰ বৰুৱাই ৮০০ মিটাৰ দূৰত্ব ১ মিঃ ৪৯.৪ ছেকেণ্ডত অতিক্ৰম কৰি জাপানৰ ৰাই মুৰয়াৰ ১ মিঃ ৫২.১ ছেকেণ্ডৰ অভিলেখ ভঙ্গ কৰিছিল। ভোগেশ্বৰ বৰুৱাই এই কৃতিত্বৰ বাবে অৰ্জুন বঁটাও লাভ কৰিছিল। অৰ্জুন বঁটা লাভ কৰা



ভোগেশ্বৰ বৰুৱা পূৰ্বোত্তৰৰ প্ৰথমগৰাকী ক্ৰীড়াবিদ আছিল। ১৯৭০ চনত এছিয়ান গেমছ পুনৰ বেংককত অনুষ্ঠিত হৈছিল। ভোগেশ্বৰ বৰুৱাই সেইবাৰ ৮০০ মিটাৰত চতুৰ্থ স্থান পালেও ৪০০ মিটাৰ ৰিলেত অংশ লৈ ৰূপৰ পদক লাভ কৰিছিল। এই বিৰল ঘটনাৰ সাক্ষী হৈ ৰোৱা পৰ্যায়টোত আন্তঃগাঁথনি নিৰ্মাণৰ লগতে অসমৰ ক্ৰীড়াক প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়াৰ বাবে বিভিন্ন ৰাজ্যিক ক্ৰীড়া সংগঠনৰ জন্ম হৈছিল। এই সময়ছোৱাত জন্মগ্ৰহণ কৰিছিল প্ৰখ্যাত ক্ৰীড়াবিদ হৰকান্ত বৰগোহাঁই। মেছাগড়ত জন্মগ্ৰহণ কৰি এইগৰাকী ক্ৰীড়াবিদে শৰীৰচৰ্চাত নিজৰ দক্ষতা প্ৰমাণ কৰিছিল। তেওঁ একেৰাহে চাৰি বছৰ আৰু সৰ্বমুঠ পাঁচবাৰ ভাৰতশ্ৰী খিতাপ অৰ্জন কৰিছিল। বিশ্ব-দেহশ্ৰী প্ৰতিযোগিতাত কেবাবাৰো ভাৰতক প্ৰতিনিধিত্ব কৰা এই হৰকান্ত বৰগোহাঁয়ে ১৯৭৩ চনত মিষ্টাৰ এছিয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ব্ৰঞ্জৰ পদক লাভ কৰিছিল। একেদৰে আৱিৰ্ভাৱ হয় ডিছকাছ-থ্ৰ'ৱাৰ তৈয়বুন্নেছাৰ। শিৱসাগৰৰ বেতবাৰীৰ সন্তান তৈয়বুন্নেছাই নতুন দিল্লীত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি ক্ৰিকেটাৰ মাধুৰ্যপ্ৰসাদ বৰুৱাৰ নামো। ১৯৫৭ চনত তেওঁ ভাৰতীয় স্কুল দলৰ হৈ শ্ৰীলংকাৰ বিৰুদ্ধে খেলিছিল।

ইয়াৰ পৰৱৰ্তী সময়খিনি হ'ল অসমৰ ক্ৰীড়াৰ উত্থানৰ সময়। এই সময়ছোৱাত ৰাধাগোবিন্দ বৰুৱা, নুৰুল আমিন, শশীপ্ৰসাদ বৰুৱা, জয়কান্ত বৰুৱা, ৰাজেন চৌধুৰী, পুলিন দাস, ফণী শৰ্মা, কিৰণময় লাহিড়ী, পি চেটাৰ্জী আদিৰ পিছে পিছে আৱিৰ্ভূত হৈছিল কেদাৰনাথ মৌৰ, ননী দত্ত, তপন দত্ত, সহজানন্দ ওজা, ৰাণা গোস্বামী, ভৱানী বৰুৱা, যতীন্দ্ৰনাৰায়ণ গোস্বামী, বাবুল চক্ৰৱৰ্তী আদিৰ দৰে কেবাজনো প্ৰগতিশীল ক্ৰীড়া সংগঠক। ফুটবলৰ লগতে ক্ৰিকেট, টেব্‌ল-টেনিছ, বেডমিণ্টন, লন-টেনিছ সাঁতোৰ আদিৰ বিকাশ ঘটিছিল। টেব্‌ল-টেনিছৰ মানোন্নতিৰ বাবে আশীৰ দশকত ৰ'বটৰ লগতে বিদেশী প্ৰশিক্ষকৰদ্বাৰা প্ৰশিক্ষণ দিয়া হৈছিল। বিভিন্ন খেলত আৱিৰ্ভাৱ ঘটিছিল কেবাজনো তাৰকাৰ। মনালিছা বৰুৱা, দীপাঙ্কৰ ভট্টাচাৰ্য, অৰুণজ্যোতি বৰুৱা, ৰাহুল দত্ত, মাধুৰ্য বৰুৱা, সুশান্ত বৰা, মল্লিকা বৰুৱা, মদালিছা হাজৰিকা, কৃষ্ণা হাজৰিকা, ৰাজেশ বৰা, সুবীৰ চৌধুৰী, টচেন বৰা, বাবুল ফুকন, ফ্ৰান্সিছ বৰুৱা, গিলবাৰ্টছন ছাংমা, মিঠু বৰুৱা, এলভিছ আলি হাজৰিকা, সুকন্যা চৌধুৰী, জয়দীপ দাস আৰু সত্তৰৰ দশকত নন্দিনী বৰুৱা, মীনা বৰা, ছুছান দাস আৰু বিদ্যুৎ গোস্বামীৰ দৰে তাৰকাই অসমৰ ক্ৰীড়াৰ শোভা বৰ্ধন কৰিছিল। এওঁলোকৰ ভিতৰত মনালিছা বৰুৱাই ১৯৮৫ চনত ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল টেব্‌ল-টেনিছত আৰু ১৯৮৭ চনত অৰ্জুন বঁটাও লাভ কৰিছিল। অৰুণজ্যোতি বৰুৱাই ১৯৮৫ চনত ভূপালত অনুষ্ঠিত ৰাষ্ট্ৰীয় টেব্‌ল-টেনিছ প্ৰতিযোগিতাত ৰাণাৰ্ছ-আপ হৈছিল। অৰুণজোতিয়ে কমনৱেলথ জুনিয়ৰ টেব্‌ল-টেনিছতো প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছিল। টেব্‌ল-টেনিছত ভাৰতত মহাশক্তিৰূপে অসমে খ্যাতি লভিছিল। টেব্‌ল-টেনিছৰ দৰে বেডমিণ্টনত ১৯৬০ চনত এফ আলেয়াই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ

ছোৱালীৰ ছিংগলছত বিজয়ী হৈছিল। সাঁতোৰত মিঠু বৰুৱা, পল্লৱী দত্ত বৰুৱা, মণিকঙ্কণা দত্তবৰুৱা আদিয়ে প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছিল। এতিয়াৰ সবাতোকৈ জনপ্ৰিয় খেল ক্ৰিকেটত অসমে প্ৰথমবাৰৰ বাবে ১৯৫৭ চনত সুনাম আৰ্জিবলৈ সক্ষম হৈছিল। ১৯৫৭ চনত এম পি বৰুৱাই ভাৰতীয় স্কুল দলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছিল যদিও আশীৰ দশকৰ পাছতহে অসমৰ ক্ৰিকেটে গতি লাভ কৰে। ১৯৪৮ চনত প্ৰথম ৰঞ্জি ট্ৰফিত অংশগ্ৰহণ কৰা অসমে ১৬ বছৰৰ অনূৰ্দ্ধৰ বিজয় মাৰ্চেণ্ট ট্ৰফিত দুবাৰকৈ চেম্পিয়ন (১৯৯৩-৯৪, ১৯৯৪-৯৫), ভিনু মানকাড স্কুল ক্ৰিকেটত এবাৰ, মাধৱৰাও সিন্ধিয়া ক্ৰিকেটত এবাৰ আৰু মহিলা ৰাষ্ট্ৰীয় জুনিয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত এবাৰ চেম্পিয়ন হৈছে। এই সময়ছোৱাত ৰাজেশ বৰা, গৌতম দত্ত, জাভেদ জামান, মৃগেন তালুকদাৰ, পলাশজ্যোতি দাস, হেমাঙ্গ বৰুৱা, খনীন শইকীয়া, ছাদেক ইমৰাণ চৌধুৰী, আবু নেছিম আহমেদ, পাৰভেজ আজিজ, বিমল ভৰালী, প্ৰবীৰ হাজৰিকা, অৱনী হাজৰিকা, ৰামপ্ৰকাশ কাপুৰ, কমল দাস আদিয়ে দেখুওৱা কৃতিত্বৰ বাটেৰে বাট বুলি অসমৰ ক্ৰিকেটক গৌৰৱান্বিত কৰিছিল। আনহাতে ১৯৮৬ চনৰ ছিউল এছিয়াডত শিলচৰৰ যুৱক জয়দীপ দাসে ২২ বাৰ ৰাইফলত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ইয়াৰ বিপৰীতে ফুটবলত অসমৰ গ্ৰাফডাল আছিল লেখত ল'বলগীয়া। অসমে ছাব-জুনিয়ৰ ফুটবলত একেৰাহে তিনিবাৰ চেম্পিয়ন হোৱাৰ উপৰি ১৯৬০ চনৰ সন্তোষ ট্ৰফিত তৃতীয় স্থান অৰ্জন কৰাৰ সূত্ৰে চাম্পাংগী কাপ লাভ কৰিছিল। এই সময়ছোৱাত টচেন বৰা, গিলবাৰ্টছন ছাংমা, সুবীৰ চৌধুৰী, দেৱাশিস ৰয়, অৰূপ দাস, বাবুল ফুকন, ফ্ৰান্সিছ বৰুৱা, জুৱেল বে, ছামছি ৰাজা আদি তাৰকাই চমকপ্ৰদ ফুটবলেৰে অসমৰ ক্ৰীড়া ইতিহাসক বন্দিত কৰিছিল। আনহাতে এথলেটিক্সত মৃদুল দুৱৰা, ৰণেন দুৱৰা, জুনুমণি শইকীয়া, প্ৰমীলা ভৰালী, কুশল লাহন, জগদীশ বসাক আদিয়ে চমৎকাৰ খেল খেলিছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ বৰ্তমান শতিকাত অসমৰ উত্থান লেখত ল'বলগীয়া। ২০০৭ চনত নেচনেল গেমছ আয়োজন কৰি গুৱাহাটীৰ সৰুসজাইত নতুন ষ্টেডিয়াম নিৰ্মাণ কৰাৰ লগতে অসমৰ ক্ৰীড়াজগৎখনক অধিক গতিশীল কৰাৰ চেষ্টা কৰা হয়। নেচনেল গেমছ আয়োজনৰ দায়িত্ব পোৱাত অত্যাধুনিক আন্তঃ-গাঁথনি নিৰ্মাণৰ ব্যৱস্থা কৰা হয়। কেৱল সেয়ে নহয়, খেলক লৈ অসমত ধ্যান-ধাৰণাৰ কিছু পৰিৱৰ্তন ঘটাটোও লক্ষণীয় হৈ পৰে। এই সময়খিনিত অসমে বক্সিং, আৰ্চাৰি আৰু বডি কনটেক্ট খেলসমূহত সফলতা আৰ্জিছিল। আৰ্চাৰিত আমি জয়ন্ত তালুকদাৰক আৰু বক্সিঙত শিৱ থাপাৰ দৰে প্ৰতিভাৱান খেলুৱৈক দেখা পাওঁ। জয়ন্ত তালুকদাৰে ২০০৬ চনৰ ড'হা এছিয়াডৰ দলগত শাখাত ব্ৰঞ্জৰ পদক পায়। ২০০৭ চনত অৰ্জুন বঁটা বিজয়ী জয়ন্তই ২০১২ চনৰ লণ্ডন অলিম্পিকতো ভাগ লয়। আৰ্চাৰিত জয়ন্তৰ বাহিৰে সঞ্জয় বড়ো, হেমন্ত বসুমতাৰী, প্ৰতিভা বড়ো, বেলশ্ৰী নাৰ্জাৰী আদিয়ে যথেষ্ট সুনাম অৰ্জন কৰে। অসমে মহিলা বক্সিঙত সাফল্য লাভ কৰাৰ লগতে শেহতীয়াকৈ শিৱ থাপাই লণ্ডন অলিম্পিক খেলি বক্সিঙৰ



প্ৰতি জনসাধাৰণক আকৰ্ষিত কৰিবলৈ সক্ষম হয়। বিশ্ব যুৱ অলিম্পিকতো শিৱ থাপাই ৰূপৰ পদক অৰ্জন কৰিছিল। আনহাতে ২০০১ চনত পাঞ্জাবত অনুষ্ঠিত নেচনেল গেমছত অসমৰ মহিলা বক্সাৰসকলেও অসামান্য দক্ষতা দেখুৱায়। ২০০৫ চনত প্ৰণামিকা বৰাই এছিয়ান বক্সিঙত ৰূপ আৰু কল্পনা চৌধুৰীয়ে বিশ্ব বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। কল্পনাই ২০০৮ চনত গুৱাহাটীত অনুষ্ঠিত এছিয়ান বক্সিঙত শ্ৰেষ্ঠ বক্সাৰ হৈ স্বৰ্ণপদক অৰ্জন কৰে। মুঠতে এই শতিকাত অসমৰ ক্ৰীড়াই ৰাষ্ট্ৰীয় প্ৰতিযোগিতা আয়োজন কৰি খেলৰ এক সুকীয়া পৰিৱেশ ৰচনাত যে সফল হৈছে সেয়া নিশ্চিত।

এতিয়া আহোঁ অসমৰ সফল খেল কেইবিধলৈ।

### ক্ৰিকেট

ক্ৰিকেট বৰ্তমান অসমৰ জনপ্ৰিয় খেল। মিডিয়াৰ প্ৰচাৰ আৰু ইলেকট্ৰনিক মাধ্যমত পোৱা গুৰুত্বৰ বাবে আজি অসমৰ গাঁৱে ভূঞে ক্ৰিকেট বিয়পি পৰিছে। ১৯২৮ চনত ক্ৰিকেট এছ'চিয়েচন অৱ বেংগল গঠন কৰোঁতে অসমৰ দুই-চাৰিজন চাহাবে সেই সভাত যোগদান কৰা বুলি কলকাতাৰ ইডেন গাৰ্ডেনৰ বি চি ৰয় ক্লাব হাউছৰ ফলকত উল্লেখ কৰা আছে। অৱশ্যে অসমত ১৯৪৭ চনৰ নৱেম্বৰত ক্ৰিকেট সংস্থা গঠন হৈছিল আনুষ্ঠানিকভাৱে। ইয়াৰ পিছত সুদীৰ্ঘ ৬৫ বছৰত অসমে ১৬ বছৰৰ অনূৰ্দ্ধৰ বিজয় মাৰ্চেণ্ট ট্ৰফি ক্ৰিকেটত দুবাৰকৈ (১৯৯৩-৯৪, ১৯৯৪-৯৫ত) চেম্পিয়ন হৈছিল। তেতিয়া অসমৰ অধিনায়কদ্বয় আছিল সুমিতৰঞ্জন দাস আৰু অংশুমান ভাগৱতী। ১৯৯৩-৯৪ চনত অসমে ১৬ বছৰৰ অনূৰ্দ্ধৰ মাধৱ ৰাও সিন্ধিয়া ট্ৰফিতো বিজয়ী হৈছিল। একেদৰে ১৪ বছৰৰ অনূৰ্দ্ধৰ ভিনু মানকাড স্কুল ক্ৰিকেটতো (১৯৯৪-৯৫) ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল। সেইবাৰ দলৰ অধিনায়ক আছিল প্ৰকাশ ডেকা। ১৯৫৩ চনত কমনৱেলথৰ এটি ক্ৰিকেট দল আহিছিল। এইটোৱেই আছিল অসমলৈ অহা প্ৰথম বিদেশী দল। Silver Jubilee Overseas Team নামেৰে জনাজাত ক্ৰিকেট দলটোৱে সেই সময়ৰ বন-সংৰক্ষক পি ডি ষ্ট্ৰেচিৰ তত্ত্বাৱধানত নিৰ্মিত যোৰহাট ষ্টেডিয়ামত প্ৰদৰ্শনীমূলক ক্ৰিকেট খেলিছিল। অসমে ছিনিয়ৰ পৰ্যায়ৰ ৰঞ্জি ট্ৰফিত কোৱাৰ্টাৰ ফাইনেলৰ ওপৰলৈ উঠাব পৰা নাই যদিও এদিনীয়াত দুবাৰকৈ পূব মণ্ডলৰ চেম্পিয়ন হ'বলৈ সক্ষম হৈছে। ইয়াৰ বাহিৰেও ২০১১-১২ চনত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলাৰ ক্ৰিকেটত অসমে বিজয়ীৰ সন্মান অৰ্জন কৰিছিল। সেইবাৰ অসম দলক নেতৃত্ব দিছিল মণিকা দাসে। অসমৰ ক্ৰিকেটত প্ৰবীৰ হাজৰিকা, বিমল ভৰালী, কমল দাস আদি ক্ৰিকেটাৰে সুনামেৰে খেলিলেও ১৯৫৭ চনত ভাৰতীয় স্কুল দললৈ নিৰ্বাচিত হৈছিল এম পি বৰুৱা। এম পি বৰুৱা এগৰাকী ষ্টাইলিষ্ট অপেনাৰ। তেওঁ অন্য ৰাজ্যকো ৰঞ্জি ট্ৰফিত প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰ পিছত ৰাজেশ বৰা, গৌতম দত্ত, জাভেদ জামান, পলাশজ্যোতি দাস, মৃগেন তালুকদাৰ, খনীন শইকীয়া, ছাদেক ইমৰান চৌধুৰী, আবু নেছিম আহমেদ, পাৰভেজ আজিজ আদিয়ে ভাৰতীয় জুনিয়ৰ দলত স্থান

লাভ কৰিছে। বাওঁহতীয়া খেলুৱৈ গৌতম দত্তই ভাৰতীয় জুনিয়ৰ ক্ৰিকেট দলক নেতৃত্ব দিছে। আনহাতে ১৭ বছৰৰ অনূৰ্ধত পলাশজ্যোতি দাসে এছিয়াৰ শ্ৰেষ্ঠ বেটছমেন আৰু মৃগেন তালুকদাৰে এছিয়াৰ শ্ৰেষ্ঠ অল-ৰাউণ্ডাৰৰ বঁটাও লাভ কৰিছিল। একেদৰে গৌতম হাজৰিকা, হেমাঙ্গ বৰুৱা, মনজিৎ দাস আদিয়ে ভাৰতীয় স্কুল দলত খেলাৰ বাবে নিৰ্বাচিত হৈছিল। শেহতীয়াকৈ গৌতম ৰয় আৰু বিকাশ বৰুৱাৰ নেতৃত্বত বৰ্ষাপাৰাত ক্ৰিকেটৰ বাবে নিজাববীয়াকৈ ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ হৈছে। এই ষ্টেডিয়ামে অসমৰ ক্ৰিকেটত ভৱিষ্যতে প্ৰভাৱ বিস্তাৰ কৰিব বুলি ক'ব পাৰি।

## টেব্‌ল-টেনিছ

ৰাষ্ট্ৰীয় পৰ্যায়ত সফল হোৱা অসমৰ অন্যতম খেল হ'ল টেব্‌ল-টেনিছ। যথেষ্টসংখ্যক আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ উপহাৰ দিয়া এই বিধ ক্ৰীড়াৰ ৰাজ্যিক সংগঠনটো গঠন হৈছিল ১৯৪৮ বৰ্ষত শ্বিলঙত অনুষ্ঠিত সভাত। মনোৰঞ্জন দত্ত আন্তঃ-জিলা টেব্‌ল-টেনিছত ৰাজ্যিক চেম্পিয়ন হোৱা অসমৰ প্ৰথমগৰাকী খেলুৱৈ আছিল। আনহাতে ৰাষ্ট্ৰীয় পৰ্যায়ত অসমে প্ৰথম সুনাম অৰ্জন কৰিছিল সত্তৰৰ দশকত। ১৯৭১ চনত ৰাষ্ট্ৰীয় স্কুল গেমছত ল'ৰাৰ শাখাত অসমে চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। চেম্পিয়ন হোৱা অসম দলটোৰ সদস্যসকল আছিল ঋত্বিক শইকীয়া, সঞ্জীৱ শইকীয়া আৰু ৰেইচ নেইড। ইয়াৰ পিছত অসমৰ টেব্‌ল-টেনিছ প্ৰকৃতাৰ্থত ঠন ধৰি উঠিছিল। নন্দিনী বৰুৱা, মীনা বৰা, মনালিছা বৰুৱা, মদালিছা হাজৰিকা, পাপৰি হাজৰিকা, মিতা সিংহ ৰায়, কাৰ্ফিউ ৰায়, অঞ্জনা বৰা, প্ৰণামী দত্ত মজুমদাৰ, ৰাহুল দত্ত, অৰুণজ্যোতি বৰুৱা, ত্ৰিদিব দুৱৰা, মুকুল বড়ো আদি খেলুৱৈয়ে অসমৰ টেব্‌ল-টেনিছত পোহৰ বিলাইছিল। অৰুণজ্যোতি বৰুৱাৰ নেতৃত্বত ভাৰতৰ জুনিয়ৰ দলে ১৯৮২ চনত তুৰস্কৰ আংকাৰাত অনুষ্ঠিত কমনৱেলথ চেম্পিয়নচিপত স্বৰ্ণপদক পোৱাৰ উপৰি জাকাৰ্টাত অনুষ্ঠিত এছিয়ান চেম্পিয়নচিপত ব্ৰঞ্জৰ পদক লাভ কৰে। অৰুণজ্যোতিয়ে ১৯৮৫ চনত ভূপালত অনুষ্ঠিত ৰাষ্ট্ৰীয় টেব্‌ল-টেনিছৰ পুৰুষৰ ছিংগলছত ৰাণাৰ্ছ-আপ হোৱাৰ উপৰি মিক্সড ডবলছত মনালিছা বৰুৱাৰ সৈতে যুটী বান্ধি বিজয়ী হৈছিল। আনহাতে ছোৱালী দলৰ উত্থান আছিল অভিনৱ। মীনা বৰা, মনালিচা বৰুৱা, মদালিচা হাজৰিকা আদিৰে সমৃদ্ধ অসমৰ ছোৱালী দলে ১৯৭৬ চনৰপৰা ১৯৮১ চনৰ ভিতৰত পাঁচবাৰ ৰাষ্ট্ৰীয় চেম্পিয়ন হৈ পদ্মাৱতী ট্ৰফি লাভ কৰিছিল। মনালিছা বৰুৱাই ১৯৮৫ চনত ভূপালত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত মহিলাৰ ছিংগলছত খিতাপ অৰ্জন কৰিছিল। ছিনিয়ৰ পৰ্যায়ত এনে কৃতিত্ব অৰ্জা মনালিছা বৰুৱা হ'ল অসমৰ একমাত্ৰ খেলুৱৈ। মনালিছা বৰুৱা (পিছলৈ টেব্‌ল-টেনিছ তাৰকা কমলেশ মেহতাৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ মনালিছা বৰুৱা মেহতা) পৰৱৰ্তী সময়ত অৰ্জুন বঁটাও লাভ কৰিছিল। অৰ্জুন বঁটা লাভ কৰা অসমৰ খেলুৱৈসকলৰ ভিতৰত মনালিছা হ'ল দ্বিতীয়গৰাকী আৰু মহিলা খেলুৱৈসকলৰ ভিতৰত একমাত্ৰ অৰ্জুন বঁটা-বিজয়ী খেলুৱৈ। মনালিছা



বৰুৱাই এছিয়ান গেমছতো ভাৰতীয় দলক নেতৃত্ব দিয়াৰ গৌৰৱ অৰ্জন কৰিছিল। পৰৱৰ্তী সময়ত মুকুল বড়ো আৰু জুপি বৰঠাকুৰে যুটি বান্ধি ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ মিক্সড ডব্‌লছত চেম্পিয়ন হৈছিল। ইয়াৰ বাহিৰেও জুপি বৰঠাকুৰ, নিপজ্যোতি বৰুৱা, অনুপম কোঁৱৰ, বাৰ্ডি বড়ো, মধুমিতা গগৈ, অনল কাশ্যপ, সোণেশ্বৰ ডেকা আদিয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল। এইসকল খেলুৱৈৰ বেছি ভাগেই জুনিয়ৰ পৰ্যায়ত ৰাষ্ট্ৰীয় খিতাপ অৰ্জন কৰি অসমৰ টেব্‌ল-টেনিছৰ ভেটি মজবুত কৰিছিল।

## সাঁতোৰ

এই বিধ ক্ৰীড়াৰ সাংগঠনিক দিশটো সিমান সুদৃঢ় নহ'লেও কেবাগৰাকীও প্ৰতিভাবান সন্তৰণবিদে অসমৰ সাঁতোৰ ক্ষেত্ৰখন সজাবলৈ সক্ষম হৈছে। অসমত সাঁতোৰৰ এক ক্ষেত্ৰ আছে; ইতিহাস আৰু ঐতিহ্যও আছে। সাঁতোৰত প্ৰথমেই নাম ল'ব লাগিব জলকুঁৱৰী মিঠু বৰুৱাৰ। জুনিয়ৰ আৰু ছিনিয়ৰ উভয় ক্ষেত্ৰতে মিঠু বৰুৱাই নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। কেবাটাও ৰাষ্ট্ৰীয় অভিলেখৰ গৰাকী মিঠুৰ লগতে দত্তবৰুৱা-ভগ্নীদ্বয় পল্লৱী আৰু মণিকঙ্কণা, এলভিছ আলী হাজৰিকা, লিজা মহন্ত, ফাৰিহা জামান, নিপন বৰা, দেৱাশিস মজুমদাৰ, চন্দন বৰুৱা, পাৰিজাত চৌধুৰী, ঋতুপৰ্ণা মজুমদাৰ আদিয়ে অসমৰ সাঁতোৰ ক্ষেত্ৰখনক উজ্জ্বল কৰি তুলিছে। মিঠু বৰুৱাই এছিয়া পেচিফিক সাঁতোৰ প্ৰতিযোগিতাৰ লগতে ছাফ গেমছতো ভাগ লৈছে। ছাফ গেমছত সফলতা অৰ্জা ফাৰিহা জামানে কমনৱেলথ গেমছ (২০১০)তো অংশগ্ৰহণ কৰিছে। আনহাতে ২০০২ চনত হায়দৰাবাদত অনুষ্ঠিত এফ্ৰ'-এছিয়ান গেমছত লিজা মহন্তই যোগ্যতাৰে প্ৰতিনিধিত্ব কৰিছিল। পল্লৱী দত্তবৰুৱা আৰু মণিকঙ্কণা দত্তবৰুৱাৰ লগতে এলভিছ আলী হাজৰিকাই এছিয়া পেচিফিক সাঁতোৰৰ লগতে অন্য প্ৰতিযোগিতাতো সাফল্য লাভ কৰিছিল।

## এথলেটিক্স

১৯৬৬ চনৰ বেংকক এছিয়াডত এথলেটিক্সত স্বৰ্ণপদক লাভ কৰিছিল ভোগেশ্বৰ বৰুৱাই। ভোগেশ্বৰ বৰুৱাই সেনাবাহিনীত চাকৰি কৰি থকাৰ সুযোগ লৈ প্ৰথমতে ফুটবল আৰু পিছলৈ এথলেটিক্স খেলি সুনাম অৰ্জন কৰিছিল। অসমত এথলেটিক্সৰ ৰাজ্যিক সংগঠন পঞ্চাছৰ দশকত গঢ়ি উঠিলেও ভোগেশ্বৰ বৰুৱাই বেংকক এছিয়াডত স্বৰ্ণপদক পোৱাৰ পিছতহে অসমৰ এথলেটিক্সলৈ প্ৰাণ আহে। সঁচা অৰ্থত ভোগেশ্বৰ বৰুৱাৰ পিছত অসমৰ এথলেটিক্সক ভাৰতৰ মানচিত্ৰত স্থান দিয়া প্ৰথমগৰাকী এথলেট হ'ল তৈয়বুন্নেছা। বেতবাৰীৰ সন্তান ডিহ্কাছ প্ৰ'ৰাৰ তৈয়বুন্নেছাই ডিহ্কাছত ৰাষ্ট্ৰীয় অভিলেখ স্থাপন কৰাৰ উপৰি ১৯৮২ চনৰ নৱম এছিয়ান গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। এথলেটিক্সত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা তৈয়বুন্নেছা হ'ল অসমৰ প্ৰথমগৰাকী মহিলা খেলুৱৈ। ইয়াৰ পিছত অসমৰ কেবাগৰাকীও তাৰকাই ভাৰতীয় এথলেটিক্স দলত স্থান পাইছে।

সেই সকল হ'ল মৃদুল দুৱৰা (প'লভল্ট, ১৯৮৯ চনৰ ইছলামাবাদ ছাফ গেমছ), জুনুমণি শইকীয়া (১০০ মিটাৰ দৌৰ, ১৯৯১ চনৰ ছাফ গেমছ, কলম্বো), প্ৰমীলা ভৱালী (ডিছকাছ, ১৯৯১ চনৰ ছাফ গেমছ, কলম্বো), কুশল লাহন (জেভেলিন থ্ৰ', ১৯৯১ চনৰ ছাফ গেমছ), জগদীশ বসাক (১০০ মিটাৰ দৌৰ, ছাফ গেমছ), প্ৰাঞ্জল গগৈ (এছিয়ান ট্ৰেক এণ্ড ফিল্ড মীট, জাপান আৰু ক্ৰছকাণ্ট্ৰি জৰ্ডান, ১৫০০ মিটাৰ দৌৰ)। আনহাতে ৰনেল দুৱৰাই নতুন দিল্লীৰ জুনিয়ৰ এছিয়ান ট্ৰেক মীটত, নিৰেদিতা গগৈয়ে এছিয়ান স্কুলত আৰু আব্দুল বাৰেকে বিশ্ব ৰেলৱে গেমছত প্ৰতিনিধিত্ব কৰিছে।

জুনুমণি শইকীয়া অসমৰ এথলেটিক্স ক্ষেত্ৰত বৰদৈচিলা হিচাপে পৰিচিত। তেওঁ এছিয়ান জুনিয়ৰ ট্ৰেক এণ্ড ফিল্ড মীটত দুবাৰকৈ স্বৰ্ণপদক পাইছিল। এবাৰ বেইজিঙত, আনবাৰ নতুন দিল্লীত। ১৯৯১ চনৰ কলম্বো ছাফ গেমছৰ ১০০ মিটাৰ ৰিলেত স্বৰ্ণপদক পাইছিল জুনুমণিয়ে। প্ৰমীলা ভৱালীয়ে ১৯৯১ চনৰ কলম্বো ছাফ গেমছৰ ডিছকাছ থ্ৰ'ত স্বৰ্ণ আৰু কুশল লাহনে জেভেলিন থ্ৰ'ত ৰূপৰ পদক অৰ্জন কৰিছিল। একেদৰে জগদীশ বসাকে এই শতিকাৰ প্ৰথম ভাগত কলম্বোত অনুষ্ঠিত ছাফ গেমছৰ ১০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰি অসমৰ এথলেটিক্সক ধন্য কৰিছিল।

### লন-টেনিছ

অসমৰ টেনিছ ক্ষেত্ৰখন এতিয়াও চালুকীয়া অৱস্থাত আছে। ১৯৭৫ চনত ছুদ্মন দাস ৰাষ্ট্ৰীয় চেম্পিয়ন হৈছিল। তেওঁ এছিয়ান টেনিছ চেম্পিয়নশ্বিপৰ ফাইনেল পৰ্যন্ত আগবাঢ়িছিল। উইম্বলডন টেনিছৰ কোৱালিফাইং ৰাউণ্ডতো অৱতীৰ্ণ হৈছিল। বিদ্যুৎ গোস্বামীয়ে ১৯৭৪ চনৰ তেহৰান এছিয়াডত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল আৰু ১৯৭৯ চনত নেচনেল চেম্পিয়ন হৈছিল। ইয়াৰ পিছতো অসমত অলেখ প্ৰতিভাৰ জন্ম হৈছে। সেইসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল সুকন্যা চৌধুৰী, অনিৰ্বাণ বৰুৱা, চন্দ্ৰশেখৰ মহান্তি, ৰুণু দাস, ভাস্কৰ চৌধুৰী, ৰোহণ শইকীয়া, অংশুমান দত্ত, কৌশিক দাস আদি। প্ৰতিগৰাকীয়ে ভাৰতীয় জুনিয়ৰ দলক প্ৰতিনিধিত্ব কৰিছে। কিন্তু পিছত এই খেলুৱৈসকল লোকচক্ষুৰপৰা হেৰাই গৈছে। এতিয়া অসম লন-টেনিছ সংস্থাই নিজাববীয়াকৈ ক্ৰীড়া প্ৰকল্প গঢ়ি তুলিছে। আয়োজন কৰিছে এডভান্স প্ৰশিক্ষণ শিবিৰ। কিন্তু এতিয়াও ই যেন সঠিক ৰূপত বিকশিত হ'ব পৰা নাই।

### ভলিবল

অসমৰ ভলিবলৰ ইতিহাস বৰ পুৰণি। এই খেলত খৰচ কম। গ্ৰাম্য পৰিৱেশত এই বিধ খেল অনুষ্ঠিত হৈছিল। ইয়াৰ প্ৰতি অনেক লোক আকৰ্ষিতও হৈছিল। তাহানি বিভিন্ন অঞ্চলত এই খেল চলি আছিল নিজাববীয়াকৈ স্থিৰ কৰা কিছুমান নিয়মেৰে। ১৯৫৫ চনত অসম ভলিবল সংস্থা গঠন হোৱাৰ পিছত অসমত ভলিবল সুসংবদ্ধভাৱে আগবঢ়াই নিয়াৰ প্ৰয়াস আৰম্ভ হয়। অসমৰ ইতিহাস চালে



দেখা যায় ৰাজ্যৰ সীমাৰ পৰিধি ভাঙি ৰাজ্যৰ বাহিৰত ফুটবলৰ পিছতে ভলিবল খেলত অসমৰ দলে অংশ লৈছিল। সাধাৰণতে কুৰি শতিকাৰ দ্বিতীয় দশকৰপৰা ভলিবলৰ প্ৰসাৰ অসমত ভালদৰে হৈছিল। গুৱাহাটী, বৰপেটা, নগাঁও, শিৱসাগৰ, তেজপুৰ আদি অঞ্চলত ভলিবলৰ প্ৰতি যথেষ্ট আদৰ আছিল। অসমৰ হৈ ১৯৪২ চনত লাহোৰত হোৱা ভাৰতীয় অলিম্পিকত এটি ভলিবল দলে খেলিবলৈ গৈছিল। ইয়াৰপৰা অসমত ভলিবলৰ স্থান সম্পৰ্কে অনুমান কৰিব পাৰি। স্বাধীনতাৰ আগেয়ে গুৱাহাটীত অনুষ্ঠিত হৈছিল লতিকা দেৱী সোঁৱৰণী ভলিবল প্ৰতিযোগিতা। ১৯৫০ চনত শিৱসাগৰ আৰু তেজপুৰতো ভলিবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। ১৯৫৮ চনত অসমত প্ৰথম আন্তঃ-জিলা ভলিবল প্ৰতিযোগিতা আৰম্ভ হৈছিল। অসমত ভলিবলৰ এক দীঘলীয়া ইতিহাস থকা সত্ত্বেও এতিয়ালৈকে মাত্ৰ এজন ভলিবল খেলুৱৈ অসমৰপৰা ভাৰতীয় দলত স্থান লাভ কৰিব পাৰিছে। ভাৰতীয় দলত স্থান পোৱা অসমৰ একমাত্ৰ খেলুৱৈগৰাকী হ'ল অভিজিৎ ভট্টাচাৰ্য। ১৯৯৭ চনত অভিজিতে প্ৰথমবাৰৰ বাবে ভাৰতীয় স্কুল দলত স্থান পাইছিল। মাকাৱত অনুষ্ঠিত প্ৰতিযোগিতাত অভিজিতে শ্ৰেষ্ঠ ব্লকাৰৰ সন্মান লাভ কৰিছিল। পৰৱৰ্তী সময়তো অভিজিৎ ভাৰতৰ ছিনিয়ৰ ভলিবল দলৰ নিয়মীয়া খেলুৱৈ আছিল। অভিজিতে ভাৰতীয় ছিনিয়ৰ দলক নেতৃত্বও দিছিল।

### বক্সিং

সাম্প্ৰতিক সময়ত এই বিধ ক্ৰীড়াত অসমে বেছ সুনাম অৰ্জন কৰিছে। বিশেষকৈ লণ্ডন অলিম্পিকত অসমৰ শিৱ থাপাই ভাৰতক প্ৰতিনিধিত্ব কৰি অসমৰ বক্সিংক নতুন বাট দেখুৱাইছে। অসমলৈ বক্সিঙৰ প্ৰথম ৰাষ্ট্ৰীয় পদকটো মণি সিঙে আনিছিল যদিও শিৱৰ অলিম্পিক খেলৰ উদাহৰণে অসমৰ নৱ প্ৰজন্মক বক্সিঙলৈ অধিক আকৰ্ষিত কৰে। জুনিয়ৰ পৰ্যায়তো অসমৰ কেবাগৰাকীও বক্সাৰে সুনাম আৰ্জিছে। এইসকলৰ ভিতৰত চাণক্য গাৰ্গ, বিতোপন শইকীয়া, প্ৰফুল্ল গগৈ, চন্দন দাস, লক্ষ্মীনন্দন চুতীয়া আৰু সঞ্জীৱ দাসে পুৰুষৰ শাখাত সুনাম অৰ্জন কৰিছে। পুৰুষৰ বক্সিঙৰ তুলনাত অৱশ্যে অসমৰ মহিলা বক্সিং ইতিমধ্যে বহুদূৰ আগবাঢ়ি গৈছে। ২০০১ চনৰ পাঞ্জাৱ ৰাষ্ট্ৰীয় গেমছত জেনিফাৰ ডেনিয়েল, প্ৰণামিকা বৰা, কল্পনা চৌধুৰী আদিয়ে অভুতপূৰ্ব সফলতা অৰ্জন কৰাৰ পিছত অসমৰ মহিলা বক্সাৰসকলে প্ৰচুৰ সুনাম আৰ্জিছে। প্ৰণামিকা বৰাই ২০০৫ চনৰ টাইৱানত অনুষ্ঠিত এছিয়ান চেম্পিয়নশ্বিপত ৰূপৰ পদক পোৱাৰ বিপৰীতে কল্পনা চৌধুৰীয়ে একেটা বৰ্ষতে অনুষ্ঠিত বিশ্ব মহিলা বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। কেৱল সেয়ে নহয়, ২০০৮ চনত গুৱাহাটীত অনুষ্ঠিত এছিয়ান মহিলা বক্সিঙত কল্পনা চৌধুৰীয়ে শ্ৰেষ্ঠ বক্সাৰৰ লগতে নিজৰ বিভাগত স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত প্ৰতিভা কছাৰী, জাহ্নৱী গগৈ, মঞ্জু বসুমতাৰী, মিনু বসুমতাৰী, পিংকী কছাৰী, ছানাশ্ৰী ব্ৰহ্ম, আলাড়ী বড়ো আৰু ফাইলু ব্ৰহ্মাই ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। ফাইলু ব্ৰহ্মাই জুনিয়ৰ আৰু বিশ্ব কেডেট বক্সিঙত

পদক অৰ্জন কৰিছে। আনহাতে ভাগ্যৱতী কছাৰী আৰু মিনু বসুমতাৰীয়ে লণ্ডন অলিম্পিকত ভাগ লোৱাৰপৰা অলপৰ বাবেহে বঞ্চিত হৈছিল। যথেষ্ট প্ৰতিভাৱান খেলুৱৈৰে অসমৰ মহিলা বক্সিঙৰ ভৱিষ্যৎ নিঃসন্দেহে উজ্জ্বল। অসম বক্সিং সংস্থা গঠন হৈছিল ১৯৭৯ চনত। বাবুল চক্ৰৱৰ্তী আছিল প্ৰতিষ্ঠাপক সভাপতি। এতিয়া কালীকান্ত বড়ো আৰু হেমন্ত কলিতাৰ নেতৃত্বত চলিছে অসম বক্সিং সংস্থা।

**বেডমিণ্টন**

অসমৰ সফল খেলসমূহৰ ভিতৰত অন্যতম হ'ল বেডমিণ্টন। বেডমিণ্টনৰ ৰাজ্যিক সংগঠনটোৰ জন্ম হৈছিল ১৯৫২ চনত। এছ এছ গুহ আছিল সভাপতি। বিনয় বল আৰু পি চেটাৰ্জী যুটীয়া সম্পাদকৰ দায়িত্বত আছিল। ১৯৫৪ চনত অনুষ্ঠিত হৈছিল প্ৰথম আন্তঃ-জিলা প্ৰতিযোগিতা। ১৯৫৪-৫৫ চনত অসমে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাগ ল'লেও ১৯৫৮ চনত গুৱাহাটীত কনকলতা ইনড'ৰ ষ্টেডিয়াম স্থাপনৰ লগে লগে খেলৰ পৰিৱেশ ৰচনা হয়। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ ঐকান্তিক প্ৰচেষ্টাত মাত্ৰ ৪৫ দিনতে নিৰ্মাণ হৈছিল ষ্টেডিয়ামটো। উল্লেখ্য যে প্ৰথম ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত শঙ্কৰ ঢালিয়া, নৃপেন বৰুৱা, ডিম্বেশ্বৰ ফুকন, বিমলা মহন্ত আৰু বি ভট্টাচাৰ্যই যোগ দিলেও ১৯৬০ চনত প্ৰথমটো ৰাষ্ট্ৰীয় খিতাপ অৰ্জন কৰিছিল এফ আলেয়াই। এফ আলেয়াই সেই বৰ্ষত ৰাষ্ট্ৰীয় জুনিয়ৰ ছোৱালীৰ ছিংগলছ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত যেন ৰ'বলৈ সময় নাই। যথেষ্টসংখ্যক প্ৰতিভাৱান খেলুৱৈয়ে ভিৰ কৰিছিল ক্ষেত্ৰখনত। ১৯৬৮ চনত ৰাষ্ট্ৰীয় জুনিয়ৰ ল'ৰাৰ ডবলছ শাখাত প্ৰদীপ চলিহা আৰু ধ্ৰুৱজ্যোতি বৰুৱাৰ যুটি ৰানাৰ্ছ-আপ হৈছিল। ১৯৭৭ চনত গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত বিপুল শৰ্মা ছিংগলছত ৰানাৰ্ছ-আপ হৈছিল। ৰাজীৱ আচাৰ্য আৰু শৰৎ দাসৰ যুটি ছাব-জুনিয়ৰ ডবলছত ৰানাৰ্ছ-আপ আৰু দীপাঞ্জু গোস্বামী-বিজয় লক্ষ্মী যুটি ছাব-জুনিয়ৰ ছোৱালীৰ ডবলছত বিজয়ী হৈছিল। ইয়াৰ পৰৱৰ্তী কালত অসমত অনেক বেডমিণ্টন তাৰকাৰ উত্থান হৈছিল। এইসকলৰ ভিতৰত মল্লিকা বৰুৱা, মাধুৰ্য বৰুৱা, সুশান্ত বৰা, কৃষ্ণা হাজৰিকা, দীপাংকৰ ভট্টাচাৰ্য উল্লেখযোগ্য। মল্লিকা বৰুৱাই ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ ছোৱালীৰ ছিংগলছত চেম্পিয়ন হৈছিল। মাধুৰ্য বৰুৱাই ছাব-জুনিয়ৰ আৰু জুনিয়ৰ চেম্পিয়ন হোৱাৰ উপৰি ভাৰতীয় ৰেংকিঙত শীৰ্ষস্থান দখল কৰিছিল। সুশান্ত বৰাই ১৯৯০ চনৰ অকলেণ্ড কমনৱেলথ গেমছত অংশ লৈছিল। দীপাংকৰ ভট্টাচাৰ্যই ১৯৯২ চনৰ বাৰ্চিলোনা আৰু ১৯৯৬ চনৰ আটলাণ্টা অলিম্পিকত ভাগ লোৱাৰ উপৰি ছাব-জুনিয়ৰ আৰু জুনিয়ৰত চেম্পিয়ন হৈছিল। দীপাংকৰে তিনিবাৰকৈ ৰাষ্ট্ৰীয় ছিনিয়ৰ ছিংগলছত (১৯৯৪, ১৯৯৫, ১৯৯৬) বিজয়ীৰ সন্মান অৰ্জন কৰিছিল। আনহাতে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মল্লিকা বৰুৱাই লোপা দাসৰ সৈতে যুটি বান্ধি জুনিয়ৰ ছোৱালীৰ ডবলছত বিজয়ী হৈছিল দুবাৰ। ১৯৮১ চনৰ ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ ডবলছত মাধুৰ্য বৰুৱা আৰু ওমৰ ৰছিদ ৰানাৰ্ছ-আপ আৰু ১৯৮২ চনত স্নিগ্ধা শৰ্মা আৰু



লোপা দাস ছাব-জুনিয়ৰ ছোৱালীৰ ডবলছত বিজয়ী হৈছিল। মাধুৰ্য বৰুৱাই ১৯৮৯ চনত জলন্ধৰত ৰাষ্ট্ৰীয় বেডমিণ্টনৰ ছিনিয়ৰ শাখাত ৰাণাৰ্ছ-আপ হৈছিল। ১৯৮৩ চনত মৃন্ময় শৰ্মাই ছাব-জুনিয়ৰ ছিংগলছত বিজয়ী হোৱাৰ উপৰি অসমৰ ল'ৰা আৰু ছোৱালী দলে ২০০১ চনত ৰাষ্ট্ৰীয় খিতাপ অৰ্জন কৰিছিল। আনহাতে ১৯৮৪ চনত সুকন্যা দত্ত আৰু অঞ্জনা লাহোতীয়ে ছাব-জুনিয়ৰ ছোৱালীৰ ডবলছত, ১৯৮৭ চনত কৃষ্ণা হাজৰিকাই জুনিয়ৰ ছোৱালীৰ ছিংগলছত, জ্যোতিমালা বৰদলৈয়ে ১৪ বছৰৰ অনূৰ্ধ্বত, অঞ্জন চৌধুৰীয়ে ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বত, ২০০১ চনত বহ্নিমান বৰাই ল'ৰাৰ জুনিয়ৰ আৰু কৃষ্ণা ডেকা ৰজাই ছোৱালীৰ জুনিয়ৰ পৰ্যায়ত চেম্পিয়ন হৈছিল। উল্লেখ্য যে মল্লিকা বৰুৱাই ১৯৮৬ চনৰ ছিউল এছিয়াডতো ভাগ লৈছিল। ইয়াৰ বাহিৰে বহ্নিমান বৰা, অলি ডেকা, কৃষ্ণা হাজৰিকা, কৃষ্ণা ডেকাবজা, বিবাবি বসুমতাৰী, অমিতাভ গোস্বামী, অৱন্তিকা ডেকা, অঞ্জলি কলিতা, অংশুমান হাজৰিকা, ৰাজীৱ গোস্বামী, সুব্ৰত চৌধুৰী, হীৰকজ্যোতি নেওগ, পল্লৱ ডেকা আদিয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ বেডমিণ্টনৰ মান উন্নত কৰিবলৈ সক্ষম হৈছিল।

**আৰ্চাৰি**

এতিয়া অসমৰ সুপ্ৰতিষ্ঠিত খেল বুলিবলৈ হ'লে আৰ্চাৰিক চিহ্নিত কৰিব লাগিব। আৰ্চাৰিয়ে জয়ন্ত তালুকদাৰৰ ৰূপত অলিম্পিয়ান উপহাৰ দিছে। অৱশ্যে আৰ্চাৰিৰ ৰাজ্যিক সংগঠনৰ জন্ম হৈছিল আশীৰ দশকত। জীতেন গগৈৰ নেতৃত্বত আৰ্চাৰি সংস্থাই জন্মগ্ৰহণ কৰিলেও কুৰি শতিকাৰ শেষ ভাগত নিত্য বৰকটকী, ৰবীন বৰদলৈ আদিৰ তৎপৰতাত প্ৰাণ পাই উঠিছিল আৰ্চাৰি সংস্থা। তাহানি অসমত কাঁড় খেলে জনপ্ৰিয়তা অৰ্জন কৰিছিল যদিও একৈছ শতিকাতহে আৰ্চাৰিয়ে সাৱলীল গতিৰে অসমৰ ক্ৰীড়াক্ষেত্ৰক আগবঢ়াই নিছে। এই সময়ছোৱাত অসমে কেবাগৰাকীও প্ৰতিভাৱান আৰ্চাৰক জন্ম দিছে। এইসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল জয়ন্ত তালুকদাৰ, নয়নমণি নাথ, পৰশন নাথ, ৰাজীৱ বসুমতাৰী, ৰুণু স্বৰ্গীয়াৰী, অনিমা বসুমতাৰী, হেমন্ত বসুমতাৰী, সঞ্জয় বড়ো, বেলশ্ৰী নাৰ্জাৰী, প্ৰতিভা বড়ো, প্ৰতিমা বড়ো, হিমানী বড়ো, মাইনাও নাৰ্জাৰী, দীপালি বড়ো ইত্যাদি। জয়ন্ত তালুকদাৰে ছিনিয়ৰ পৰ্যায়ত ক্ৰোৱেচিয়াৰ পৰেকত অনুষ্ঠিত বিশ্বকাপ আৰ্চাৰিত স্বৰ্ণপদক লাভ কৰাৰ উপৰি ড'হা এছিয়াডৰ দলগত শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। তেওঁ ২০১০ চনৰ কমনৱেলথ গেমছত ব্ৰঞ্জৰ পদক পাইছিল ব্যক্তিগত শাখাত। ইয়াৰ বাহিৰেও জয়ন্তই অলেখ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত সফলতা আৰ্জিছে। ৰাজীৱ বসুমতাৰীয়ে মেক্সিকোত অনুষ্ঠিত বিশ্ব জুনিয়ৰ আৰ্চাৰি প্ৰতিযোগিতাৰ ৰিকাৰ্ড শাখাত বিশ্ব অভিলেখ গঢ়াৰ উপৰি ২০০৮ চনৰ ফিলিপিনত অনুষ্ঠিত এছিয়ান গ্ৰাঁ-প্ৰী প্ৰতিযোগিতাত পদক অৰ্জন কৰিছিল। আনহাতে ২০১০ চনত অগডেনত অনুষ্ঠিত বিশ্ব যুৱ আৰ্চাৰিৰ ব্যক্তিগত শাখাত সঞ্জয় বড়োই ব্ৰঞ্জৰ পদক পোৱাৰ বিপৰীতে দলগত শাখাত হেমন্ত বসুমতাৰীয়ে ব্ৰঞ্জৰ পদক লাভ

কৰি অসমৰ খেলুৱৈৰ সফলতাৰ লেখডাল অধিক মজবুত কৰিবলৈ সক্ষম হৈছিল।

**ফুটবল**

ফুটবলৰ আন্তঃ-ৰাষ্ট্ৰীয় সংগঠনৰ জন্ম হৈছিল ১৯০৪ চনত। ইপিনে অসমত ফুটবলৰ ৰাজ্যিক সংগঠনটোৰ জন্ম হৈছিল ১৯৪৫-৪৬ চনত। ফুটবলৰ ৰাজ্যিক সংগঠনৰ জন্মৰ সময়ত বিতৰ্কৰ সৃষ্টি হ'লেও অসমত ফুটবলৰ বিকাশ বহু আগেয়ে হৈছিল। ব্ৰিটিছৰ আগমনৰ লগে লগে ফুটবলৰ বিকাশ আৰম্ভ হৈছিল। ব্ৰিটিছে প্ৰথমতে গুৱাহাটীৰ বৰপুল (ভঙাগড়ত মেডিকেল কলেজ গ্ৰাউণ্ড) আৰু যোৰহাটৰ জিমখানা গ্ৰাউণ্ডত ফুটবল খেলি জনসাধাৰণক আকৰ্ষিত কৰিছিল। তাৰ পিছত শ্বিলং আৰু সুৰমা উপত্যকাত ফুটবলৰ সম্প্ৰসাৰণ ঘটাইছিল। ১৯১১ চনত ব্ৰিটিছ চাহাব হাৰ্লাৰে যোৰহাটত ফুটবল লীগ আৰম্ভ কৰিছিল। শ্বিলং ক্লাব আৰু শ্বিলং টাউন ক্লাব গঠনৰ পিছত নেচনেল কাপ, আৰ্ল কাপ আৰু এছ'চিয়েচন কাপ প্ৰতিযোগিতাৰ আৰম্ভণি কৰিছিল। আৰ্ল কাপৰ ১৯১৫ চনৰ ফাইনেল খেলখন চেৰিটি মেচ হিচাপে আয়োজন কৰা হৈছিল। পূৰ্বোত্তৰত এইখনেই প্ৰথম চেৰিটি মেচ আছিল। আনহাতে, গুৱাহাটী টাউন ক্লাব (১৯০৬), মহাৰাণা ক্লাব আৰু কটন কলেজ (১৯০১)ৰ জন্মৰ পিছত গুৱাহাটীত প্ৰসেনজিৎ কাপ, মাণিকচন্দ্ৰ বৰুৱা শ্বিল্ড, ৰায়চাহাব কাপ আদি অনুষ্ঠিত হৈছিল। আনহাতে ১৯১১ চনত শ্বিলঙৰ দল এটাই গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে বিশেষ এখন প্ৰদৰ্শনীমূলক ফুটবল খেলা খেলিছিল। এইখনেই প্ৰথম প্ৰদৰ্শনীমূলক ফুটবল আছিল। সুৰমা উপত্যকাতো ফুটবলৰ বিকাশ হৈছিল। ১৯১৭ চনত শিলচৰৰ ইণ্ডিয়া ক্লাবে কলকাতাৰ আই এফ এ শ্বিল্ড খেলিবলৈ গৈছিল। অসমৰ বাহিৰলৈ খেলিবলৈ যোৱা এইটোৱেই প্ৰথম দল আছিল। ইণ্ডিয়া ক্লাব ১৯৩১ চনত ঢাকাৰ নিৰ্মল শ্বিল্ডত ৰানাৰ্ছ-আপ আছিল। গুৱাহাটীত মহাৰাণা ক্লাবে ১৯২৯ চনত ৰংপুৰত (বৰ্তমান বাংলাদেশৰ অন্তৰ্ভুক্ত) গোবিন্দলাল শ্বিল্ডত ভাগ লোৱাৰ উপৰি ১৯৩৯ চনত লক্ষ্ণৌৰ আই অফ চি শ্বিল্ডত বিজয়ী হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। এনেদৰেই অসমত ফুটবলৰ বিকাশ হৈছিল। অসমে সন্তোষ ট্ৰফিত প্ৰথম যোগদান কৰিছিল ১৯৪৭ চনত। অসম প্ৰথমখন খেলত মহীশূৰৰ হাতত ৩-১ গ'লত পৰাস্ত হৈছিল। স্বৰাজোত্তৰ কালত নগাঁৱত স্বাধীনতা দিৱস কাপ, ১৯৫২ চনত গুৱাহাটীত লোকপ্ৰিয় বৰদলৈ ট্ৰফি আৰু যোৰহাট এ টি পি এ শ্বিল্ড আৰম্ভ হোৱাৰ পিছত ফুটবলৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পায়। ১৯৪৮ চনত লণ্ডন অলিম্পিকত ডাঃ টি আওৱে ভাৰতীয় ফুটবল দলক নেতৃত্ব দিয়াৰ পিছত ১৯৫২ চনৰ হেলছিংকি অলিম্পিকত কনক বৰদলৈ আৰু মনোৰঞ্জন বেনাৰ্জী ষ্টেণ্ডবাই হিচাপে আছিল। অসমে এতিয়ালৈকে ছিনিয়ৰ পৰ্যায়ত ডাঃ টালিমেৰান আও সমন্বিতে কেবাগৰাকীও ফুটবলাৰক ভাৰতীয় দললৈ উপহাৰ দিছে। এওঁলোকৰ ভিতৰত আছে টচেন বৰা (১৯৭২ চনৰ প্ৰি-অলিম্পিক), গিলবাৰ্টছন ছাংমা (১৯৭৫), স্বাধীন ডেকাৰজা (১৯৭৫-৭৬), সুবীৰ চৌধুৰী (১৯৭৬-৭৭), দেবাশিস ৰায় (১৯৭৬-৭৭), কে কাউলা মিজো (১৯৭৬-



৭৭), অৰূপ দাস (১৯৮১-৮২), বাবুল ফুকন (১৯৮৫), ছৈয়দ আবিদ ইমাম (১৯৮৫), জুৱেল বে (১৯৮৯-৯৩), ছামছি ৰাজা (১৯৯৮), জনক বসুমতাৰী আৰু ফ্ৰান্সিছ বৰুৱা।

আনহাতে দলগত সফলতাৰ কথা ক'বলৈ গ'লে উল্লেখ কৰিব লাগিব ১৯৫৫ চনৰ সন্তোষ ট্ৰফিৰ কথা। অসমে ছেমি-ফাইনেলত খেলি চতুৰ্থ স্থান লাভ কৰিছিল। ১৯৬০ চনত কলিকতাত অনুষ্ঠিত সন্তোষ ট্ৰফিত অসমে ছাম্পাংগী কাপ লাভ কৰিছিল তৃতীয় স্থান অধিকাৰ কৰি। ছিনিয়ৰ পৰ্যায়ত অসমে ১৯৯৯ চনৰ ইম্ফল ৰাষ্ট্ৰীয় গেমছত মহাৰাষ্ট্ৰৰ হাতত পৰাস্ত হৈ ৰূপৰ পদক অৰ্জন কৰিলেও ২০০৭ চনৰ ৩৩তম ৰাষ্ট্ৰীয় গেমছত অসমে তামিলনাডুক টাই-ব্ৰেকাৰৰ সহায়ত পৰাস্ত কৰি চেম্পিয়ন হৈছিল। উল্লেখ্য যে অসমত ফুটবলৰ আৰম্ভণি বৰ সুখকৰ নাছিল। কিছুদিন অগা-পিছাকৈ শিলচৰ আৰু গুৱাহাটীত দুখনকৈ অসম ফুটবল সংস্থাৰ পৰিচালনা কমিটি গঠন কৰা হৈছিল। পিছত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ হস্তক্ষেপত আলাপ-আলোচনাৰ মাজেৰে ফখৰুদ্দিন আলী আহমেদক সভাপতি আৰু শিলচৰৰ বিজয় চৌধুৰীক সম্পাদক হিচাপে লৈ সমিলমিলে এখন সমিতি গঠন কৰা হয়। প্ৰথম আন্তঃ-জিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল মণিপুৰত। অসমৰ জুনিয়ৰ পৰ্যায়ত সফলতা ঈৰ্ষণীয়। অসমে চাৰিবাৰকৈ (১৯৬৪, ১৯৭০, ১৯৮৫ আৰু ১৯৯৭ চনত) জুনিয়ৰ পৰ্যায়ত ফাইনেল খেলিছে। যুৱ পৰ্যায়ত ১৯৯৪ চনত ইম্ফলত হোৱা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ ফাইনেল খেলি ৰানাৰ্ছ-আপতে সন্তুষ্ট হৈছিল। ছাব-জুনিয়ৰ পৰ্যায়ত অসমে ১৯৭৯, ১৯৮০, ১৯৮১, ১৯৮২ আৰু ২০১১ চনত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। স্কুল পৰ্যায়ৰ ফুটবলতো অসমে বেছ সফলতা আৰ্জিছে। অসমে ১৯৬৯, ১৯৭৯, ১৯৮১, ১৯৮৩, ১৯৯২, ১৯৯৭ আৰু ২০০০ চনত খিতাপ অৰ্জন কৰিছে সৰ্বভাৰতীয় পৰ্যায়ত। একেদৰে সুব্ৰত কাপ ফুটবলত অসমক প্ৰতিনিধিত্ব কৰা কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক (১৯৮৬) আৰু আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে (১৯৯২) চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। খেলুৱৈ হিচাপে চাবলৈ গ'লে সুশান্ত মুছাহাৰী, ৰঞ্জনা দত্ত, লক্ষেশ্বৰ কাকতীয়ে ভাৰতীয় স্কুল-দলক নেতৃত্ব দিছে। অসমৰপৰা ভাৰতীয় জুনিয়ৰ দলক প্ৰতিনিধিত্ব কৰা প্ৰথমগৰাকী খেলুৱৈ আছিল ইন্দ্ৰজিৎ নামচুম। তেওঁ ১৯৬৪ চনত ভাৰতৰ হৈ ছাইগনলৈ গৈছিল। ইয়াৰ বাহিৰেও বিৰ্জব মুছাহাৰী, জয়ন্ত বসুমতাৰী, অনুপ ভট্টাচাৰ্য, মৃণালকান্তি ৰয়, অসীম ৰয়, সুব্ৰত সিং, ইংদাদ খান, নৱজ্যোতি তালুকদাৰ, জগদীশ ইছ্‌ৱাৰী, হেমন্ত বসুমতাৰী, ৰমিন ছাংমা, অসিত দাস, সুশান্ত মুছাহাৰী, ছেমুৱেল বাগলাৰী, দুলেশ্বৰ ৰাভা, ছৰানথাই নাৰ্জাৰী, গুমবাহাদুৰ ছেত্ৰী, স্বাৰুন থাপা, মুন্না ছেত্ৰী, কমল ছেত্ৰী, বিজয় সোণোৱাল, দেবাশিস কৰ, বিজয় বসুমতাৰী, হলিচৰণ নাৰ্জাৰী, এলেন দেউৰী, নবীন ৰাভা, শ্যামসুন্দৰ ৰেড্ডী, গোবিন্দ বড়ো, সঞ্জয় বড়ো, ডেভিড গয়াৰী, সঞ্জীৱা ৰংপী, ভীমকান্ত সোণোৱাল, অসীম স্বৰ্গীয়াৰী, ই এল নাথন চুলাই, প্ৰাঞ্জল নেওগ, থগিৎ

সোণোৱাল, কুশল ৰাজকোঁৱৰ, মিণ্টু  বড়ো, যাদব পাল, হেৰল্ড ছাংমা, কুমুদ বৰ্মন, শঙ্কৰ বৰ্মন, কামাখ্যা বসুমতাৰী, হৃদয় ব্ৰহ্ম, প্ৰণয়কুমাৰ ব্ৰহ্ম, খোকন সৰকাৰ, কিশোৰ বৰপাত্ৰ গোহাঁই, ক্ৰিশ্চপিন ছেত্ৰী, ৰাজু বসুমতাৰী, পদুম ৰাভা, গুলিদাং ৰংমেই, ছিং ৰংহাং, মুনীন্দ্ৰ ব্ৰহ্ম, মাৰ্কাছ বসুমতাৰী, জেৰাল্ড ছাংমা আদিয়ে ভাৰতৰ জুনিয়ৰ দলক প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰ বাহিৰেও অসমে মহিলা ফুটবলতো বেছ অগ্ৰগতি লাভ কৰিছিল। বন্তি গগৈয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰাৰ পিছত অসমৰ কেবাগৰাকী তাৰকাই ইতিমধ্যে ভাৰতৰ জুনিয়ৰ ছোৱালী দলত খেলৰ যোগ্যতা আৰ্জিছে। এইসমূহ খেলৰ বাহিৰেও অসমে টাইকোৱানডো, ভাৰোত্তোলন হেণ্ডবল, হকি, লনবউল, চাইক্লিং, দেহশ্ৰী, উশ্বু, নেটবল, বাস্কেটবল আদিত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিশ্বৰ অন্যান্য প্ৰান্তৰ তুলনাত অসমত এই কেইবিধ খেলে পলমকৈ গা কৰি উঠিলেও বৰ্তমান অগ্ৰগতি আশাতীত। হেণ্ডবললৈ চালে দেখিম ১৯৭৯ চনত গা কৰি উঠা খেলবিধত ইতিমধ্যে অসমৰপৰা কেইবাগৰাকীও খেলুৱৈয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিছে। অসমৰ মহিলা দলে ১৯৯১ চনত ৰানাৰ্ছ-আপৰ সন্মান পাইছিল। ১৯৯৫ আৰু ১৯৯৬ চনত অসমৰ ছোৱালী দলে চেম্পিয়নৰ সন্মান অৰ্জন কৰিছিল। ল'ৰাৰ ক্ষেত্ৰতো অসমৰ খেলুৱৈসকলে উল্লেখনীয় সফলতা লাভ কৰিছে। অসমৰ পুৰুষৰ হেণ্ডবল দলে ২০০৭ চনৰ ৰাষ্ট্ৰীয় গেমছত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। একেদৰে ২০১১ চনত মিনি আৰু ছাব-জুনিয়ৰ ছোৱালী শাখাত ৰানাৰ্ছ-আপৰ সন্মান লাভ কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছে।২০০৪ চনত কোঝিকোড়ত অনুষ্ঠিত প্ৰতিযোগিতাত ছাব-জুনিয়ৰ ল'ৰা আৰু ছোৱালী উভয় শাখাতে ৰানাৰ্ছ-আপৰ সন্মান লাভ কৰাৰ বিপৰীতে ২০০৫ চনৰ ভিলাইত অনুষ্ঠিত ৰাষ্ট্ৰীয় ছিনিয়ৰ হেণ্ডবলৰ মহিলাৰ বিভাগত ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছিল। ২০১২ চনত হিমাচল প্ৰদেশৰ বিলাছপুৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ মিনি আৰু ছাব-জুনিয়ৰ শাখাত অসমে তৃতীয় স্থান অধিকাৰ কৰিছিল। এই সময়ছোৱাত অসমে কেবাগৰাকীও আন্তঃৰাষ্ট্ৰীয় হেণ্ডবল খেলুৱৈৰ জন্ম দিছে। এওঁলোকৰ ভিতৰত উল্লেখযোগ্য হ'ল প্ৰণতি কলিতা, বিশ্বজিৎ কলিতা, গণেশ দত্ত আৰু বিকি বাঢ়ৈ। চাইক্লিঙত লক্ষ্মী ঠাকুৰীয়াই ৰোড-ৰেচত ৰাষ্ট্ৰীয় চেম্পিয়নৰ সন্মান অৰ্জন কৰিলেও হিমাজ্যোতি গগৈয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ অৰ্জন কৰিছে। অসমে বাস্কেটবলৰ জুনিয়ৰ ল'ৰাৰ শাখাত এবাৰ খিতাপ অৰ্জন কৰিছে। আনহাতে বিনোদ চৌধুৰীৰ ৰূপত মাত্ৰ এগৰাকী আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ উপহাৰ দিছে। টাইকোৱানডোত সত্তৰৰ দশকত ৰাজ্যিক সংস্থা এটা গঢ়ি উঠিলেও এতিয়াহে যথেষ্ট সফলতা অৰ্জন কৰিছে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত। ১৯৯০ৰ দশকত অসমে কেবাগৰাকীও প্ৰতিভাৱান খেলুৱৈ উপহাৰ দিছিল। ১৯৯৩ চনৰ পুনে ৰাষ্ট্ৰীয় গেমছত শ্যাম ৰাজখোৱাই স্বৰ্ণপদক জয় কৰিছিল। একেদৰে পৰাগধৰ কোঁৱৰ, পৱন শইকীয়া আৰু ৰাজীৱ বৰাই ভাৰতীয় দলৰ হৈ বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অৱতীৰ্ণ



হৈছিল। পৱন শইকীয়াই এছিয়ান গেমছতো ভাগ লোৱাৰ যোগ্যতা অৰ্জন কৰিছিল। শেহতীয়াকৈ অসমৰ সুৰেন্দ্ৰ ভাণ্ডাৰী, টাচিন বেগম, নিলোফাৰ ৰহমান, ৰঞ্জন ব্ৰহ্ম, মনালিছা তালুকদাৰ, ৰীতু লালুং, সঞ্জু বড়ো, ৰেখাৰাণী গগৈ, অজয় বড়ো, কে ৰামচিয়াৰী আদিয়ে বিভিন্ন প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। টাচিন বেগমে চেন্নাইত অনুষ্ঠিত ২০১১ চনৰ কমনৱেলথ টাইকোৱানডোত স্বৰ্ণ আৰু মনালিছা তালুকদাৰ, অঞ্জু ব্ৰহ্ম আৰু কে ৰামচিয়াৰীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। একেদৰে ভিয়েটনামৰ হো-চি-মিন নগৰীত সঙ্গীতা বৰগয়াৰী, অজয় বড়ো আৰু ৰেখাৰাণী গগৈয়ে এছিয়ান চেম্পিয়নশ্বিপত কৃতিত্বৰে অংশ লৈ অসমৰ সুনাম বৃদ্ধি কৰিছিল। সুৰেন্দ্ৰ ভাণ্ডাৰীয়ে ইতিমধ্যে আন্তঃ-ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত খেলিছে। দেহশ্ৰীত হৰকান্ত বৰগোহাঁইৰ পিছত ৰবী সিঙে সকলোকে প্ৰভাৱান্বিত কৰিছে। ৰবীয়ে সাতবাৰ ভাৰতশ্ৰী খিতাপ অৰ্জন কৰাৰ লগতে এছিয়ান চেম্পিয়নশ্বিপত তৃতীয়, দক্ষিণ এছিয়াত চেম্পিয়ন আৰু ২০১১ আৰু ২০১২ চনত বিশ্বশ্ৰীত চেম্পিয়ন হৈছে। হৰকান্ত বৰগোহাঁয়ে মিঃ এছিয়াত তৃতীয় স্থান অধিকাৰ কৰাৰ উপৰি পাঁচবাৰ ভাৰতশ্ৰী খিতাপ অৰ্জন কৰিছিল। ইয়াৰ বাহিৰেও বিজিত গগৈয়ে দুবাৰ ভাৰতশ্ৰী খিতাপ লাভ কৰিছিল। একেপথেৰে আগবাঢ়িছিল মুনীন বৰাও। আনহাতে জুনিয়ৰ পৰ্যায়ত বিজয় সন্দিকৈ যোৱা শতিকাৰ আশীৰ দশকত মিঃ ভাৰত কিশোৰ হৈছিল। এওঁলোকৰ উপৰি দেৱাশিস ফুকন, চন্দ্ৰজিৎ বৰা, ইন্দ্ৰনীল কাশ্যপ, গৌতম কলিতা আৰু মহাদেৱ ডেকাও কিছু পৰিমাণে সফল হৈছিল। চন্দ্ৰজিৎ বৰাই জুনিয়ৰ এছিয়া চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ভাৰোত্তোলনতো অসম এক শক্তি হিচাপে পৰিগণিত হৈছিল। ৰেণুবালা চানুৱে কমনৱেলথ গেমছত স্বৰ্ণপদক অৰ্জন কৰাৰ পিছত অপূৰ্ব চেতিয়া, পাপুলং চাংমাই, স্বপ্নাপ্ৰিয়া বৰুৱা, জমিৰ হুছেইন, সৌৰভ গগৈ, মনালিছা সোণোৱাল আদিয়ে অভূতপূৰ্ব সফলতা কঢ়িয়াই আনিছে। জুনিয়ৰ পৰ্যায়ত অসমৰ হৈ প্ৰথমটো ৰাষ্ট্ৰীয় পদক অৰ্জন কৰা অপূৰ্ব চেতিয়া, পাপুল চাংমাই, সৌৰভ গগৈ আৰু জামিৰ হুছেইনে ২০১১ চনত দক্ষিণ আফ্ৰিকাৰ জোহানেছবাৰ্গত অনুষ্ঠিত কমনৱেলথ ভাৰোত্তোলনত অংশ লৈছিল। ইয়াৰ ভিতৰত অপূৰ্ব চেতীয়া আৰু সৌৰভ গগৈয়ে ব্ৰঞ্জৰ পদক পোৱাৰ বিপৰীতে পাপুল চাংমায়ে নিজস্ব ৱেট কেটেগৰিত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। স্বপ্নাপ্ৰিয়া বৰুৱাই ২০১২ চনত ছামোৱাত অনুষ্ঠিত কমনৱেলথ জুনিয়ৰ ভাৰোত্তোলনত ছোৱালীৰ ৭৫  কেজি শাখাত ৰূপৰ পদক পাইছিল। ২০১০ চনৰ কমনৱেলথ ভাৰোত্তোলনত জমিৰ হুছেইন আৰু পাপুল চাংমায়ে স্বৰ্ণপদক লাভ কৰিছিল। অসমৰ যুৱ দল ২০১০ চনত ৰাষ্ট্ৰীয় ভাৰোত্তোলনত চেম্পিয়ন হৈছিল। অসমৰ ক্ৰীড়া ক্ষেত্ৰখনত পলমকৈ প্ৰৱেশ কৰা উশ্বু, জুডো, কাৰাটে, নেটবল, শক্তি-উত্তোলন আদিতো খেলুৱৈসকলে যোগ্যতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। ২০০৭ চনৰ নেচনেল গেমছত মহিলাৰ নেটবলত ব্ৰঞ্জৰ পদক অৰ্জন কৰা অসমৰ হৈ ইতিমধ্যে ভানুমা সোণোৱাল, শিখা

দত্ত আৰু ঝৰ্ণা দেৱনাথে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। শক্তি-উত্তোলনত ৰোজালিন আও, কাকলি ফুকন, মিনতি গগৈয়ে; জুডোত জয়শ্ৰী হাজৰিকা, উশু খেলত ভৰজিৎ চৌধুৰী, নৱনী সোণোৱাল আদিয়ে সফলতা অৰ্জন কৰি ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। ২০০৭ চনৰ নেচনেল গেমছৰ আলম লৈ অসমত প্ৰৱেশ কৰা লনবউল খেলতো ৰাজ্যখনে সুনাম আৰ্জিছে। গুৱাহাটীত অনুষ্ঠিত নেচনেল গেমছত কেবাটাও স্বৰ্ণপদক অৰ্জন কৰা অসমৰ তানিয়া চৌধুৰী, মহম্মদ ৰাজা, মৃদুল বুঢ়াগোহাঁই, নয়নজ্যোতি শইকীয়া, ৰূপটো গগৈ আৰু মনুকুমাৰী পালে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। ইয়াৰ ভিতৰত তানিয়া চৌধুৰী, মনুকুমাৰী পাল আৰু মহম্মদ ৰাজাই কমনৱেলথ গেমছতো ভাৰতক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ আৰ্জিছে। উল্লেখযোগ্য যে বিহুৰ সময়ত খেলা খেলসমূহৰ অন্যতম আছিল পাঞ্জা। এতিয়াও সময়ে সময়ে পাঞ্জা খেল অনুষ্ঠিত হয়। এইবিধ খেলত অসমৰ খেলুৱৈ কিছু পৰিমাণে সফল হৈছে। পৰাগ শৰ্মা, আবদাত হুছেইন, মাধৱী গগৈ, অৰূপ বৰঠাকুৰ, ৰাজেন মিলি, পঙ্কজ বৰা, কালিকাপ্ৰসাদ দত্ত, দেৱজিৎ শৰ্মা আদিয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিছে। মাধৱী গগৈ আৰু আবদাত হুছেইনে ১৯৮৫ চনৰ বিশ্ব চেম্পিয়নশ্বিপত চেম্পিয়ন হৈছিল। ৰাজেন মিলিয়ে ১৯৭৯ চনৰ কানাডা বিশ্ব চেম্পিয়নশ্বিপত স্বৰ্ণপদক অৰ্জন কৰাৰ বিপৰীতে অৰূপ বৰঠাকুৰে ১৯৮০ চনৰ অষ্ট্ৰেলিয়া বিশ্ব চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, কেৰমত অসমে কেবাবাৰো ৰাষ্ট্ৰীয় পৰ্যায়ত সফল হ'লেও সুৰজউদ্দিন আহমেদৰ ৰূপত মাত্ৰ এগৰাকী খেলুৱৈকহে ভাৰতীয় দললৈ উপহাৰ দিব পাৰিছে। এইসমূহ ক্ৰীড়াই ক্ৰীড়াক্ষেত্ৰত অসমৰ উত্থানলৈ অৰিহণা যোগাইছে। আকৌ চাহবাগিচাসমূহত চলি থকা খেলেও অসমৰ ক্ৰীড়াক্ষেত্ৰক শ্ৰীদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসমৰ সাতশৰো অধিক চাহবাগিচাত মোটামুটিভাৱে ফুটবলে জনপ্ৰিয়তা অৰ্জন কৰিছিল। চাহবাগিচাৰ কৰ্মীসকলক উৎসাহিত কৰাৰ বাবে অন্যতম আহিলা আছিল ফুটবল। ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে ১৯৩৯-৪০ চনত ডিব্ৰুগড়ৰ টেঙাখাটৰ লেংৰাই চাহবাগিচাৰ ফুটবল দলে অসমৰ বিভিন্ন স্থানত তাৰ কৃতিত্ব প্ৰমাণ কৰিছিল। সেই সময়ত অৰ্জুন চৰ্দাৰ নামৰ এগৰাকী খেলুৱৈয়ে যথেষ্ট নাম কৰা বুলি তথ্যপাতি পোৱা যায়। লেংৰাই চাহবাগিচাৰ বাহিৰে ১৯৪৭-৪৮ চনত ৰজাআলি চাহবাগিচাত এটি শক্তিশালী ফুটবল দল আছিল। একেদৰে হুগ্ৰীজান চাহবাগিচা, অসম ফ্ৰণ্টিয়াৰ টী কোম্পানি আদিয়ে ফুটবলক যথেষ্ট গুৰুত্ব দিছিল। উত্তৰ পাৰৰ ওৱাং অঞ্চল আৰু স্বাধীনোত্তৰ কালত লিগিৰী চাহবাগিচা আৰু নাজিৰাৰ বিহুবৰ চাহবাগিচাৰ কেবাজনো ফুটবলাৰে প্ৰতিভাৰ সৌৰভ বিলাবলৈ সক্ষম হৈছিল। ইয়াৰ ফলত চৰকাৰে চাহ নিয়ন্ত্ৰণ ক্ৰীড়া পৰিষদ গঠন কৰি দিছিল। এনেবোৰ পদক্ষেপৰ ফলতেই এতিয়াও ৰাজ্যৰ বিভিন্ন চাহবাগিচাত আন্তঃ-চাহবাগিচা ফুটবল প্ৰতিযোগিতা চলি আছে। উল্লেখ্য যে বাগিচাৰপৰা অসমৰ ফুটবল ক্ষেত্ৰই চন্দ্ৰমোহন গঞ্জুৰ দৰে ফুটবলাৰ লাভ কৰিছিল। গোলাঘাটৰ বেতিয়নী চাহবাগিচাত



জন্মগ্ৰহণ কৰা চন্দ্ৰমোহন গঞ্জু বাগিচাৰ খেলুৱৈৰ বাবে এক আদৰ্শ। ইয়াৰ বাহিৰেও বিজয় কোৱা, ৰিচাৰ্ড হ'ৰ, চেমুৱেল কিস্কু, মোহন মিৰ্ধা, লৰেন্স হ'ৰ, প্ৰদীপকুমাৰ কাংগাৰ, ক্ষুদিৰাম ৰোহিদাস আদি ফুটবলাৰে ক্ৰীড়াক্ষেত্ৰত নিজ নিজ যোগ্যতা প্ৰমাণ কৰিছে। এইসকল খেলুৱৈক যদি আমি সঠিকভাৱে সা-সুবিধা দিলোঁহেতেন তেন্তে তেওঁলোক বহুত ওপৰলৈ গ'লহেতেন। আনহাতে বিশ্বনাথ চাৰিআলিৰ ওচৰৰ প্ৰখ্যাত মোনাবাৰী চাহবাগিচাত ১৯৯১ চনত উইলিয়ামছন মেগৰৰ তত্ত্বাৱধানত গঢ় লৈ উঠিছিল উইলিয়ামছন মেগৰ ফুটবল একাডেমি। ১৫ বছৰহে স্থায়ী হৈছিল এই একাডেমি; কিন্তু এই সময়ছোৱাত একাডেমিখনে অনেক কৃতিত্বৰ চিন ৰাখি থৈ গ'ল। ভাৰতীয় হকি দলৰ প্ৰাক্তন অধিনায়ক মাইকেল কিন্দোৱে লৰালি পাৰ কৰিছিল ওৱাঙৰ ওচৰৰ চাহবাগিচাত আৰু তাৰপৰা তেওঁ লাভ কৰিছিল অফুৰন্ত প্ৰেৰণা।

মহিলা ফুটবলৰ প্ৰসাৰতো চাহবাগিচাৰ অঞ্চলসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মহিলা ফুটবলাৰসকলৰ ভিতৰত বীণা বাউৰী, গীতা ৰমণী, দুৰ্গা চাত্তৰা, মুংগী ওৱাং, কেথেৰিন ভেংৰা, বীণা চুৰী, অনু তাছা, মাৰিয়ম তপো আদিয়ে সুনাম আৰ্জিছে। বীণা বাউৰীয়ে কাঠমাণ্ডুত ভাৰতীয় মহিলা ফুটবল দলৰ জাৰ্চি পৰিধান কৰিছিল।

### ভাৰতীয় ক্ৰীড়াক্ষেত্ৰত সংগঠক

সৰ্বভাৰতীয় ক্ৰীড়াক্ষেত্ৰত সংগঠকসকলেও যথেষ্ট সুনাম আৰ্জিছে। ক্ৰীড়া-সংগঠক নহ'লে সংগঠন নচলে। এই ক্ষেত্ৰত সকলোৰে বাটকটীয়া হ'ল নুৰুল আমিন। নুৰুল আমিনে ১৯৭৫ চনৰপৰা ১৯৮০ চনলৈকে ভাৰতীয় ফুটবল ফেডাৰেচনৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। আনহাতে দুৰ্গাদাস বড়ো ২০০৫ চনৰপৰা সৰ্বভাৰতীয় ফেন্সিং ফেডাৰেচনৰ আৰু বীৰেন্দ্ৰপ্ৰসাদ বৈশ্য ২০০৯ চনৰপৰা সৰ্বভাৰতীয় ভাৰোত্তোলন ফেডাৰেচনৰ সভাপতি আৰু ৰকিবুল হুছেইন ২০১২ চনৰপৰা সৰ্বভাৰতীয় কেৰম ফেডাৰেচনৰ সভাপতি নিৰ্বাচিত হৈ আছে। একেদৰে ১৯৯৮ চনৰপৰা ২০০২ চনলৈকে কেদাৰনাথ মৌৰে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ সচিব প্ৰধানৰ দায়িত্ব চম্ভালাৰ বিপৰীতে অন্য কেবাগৰাকীও সংগঠকে বিভিন্ন ফেডাৰেচনৰ বিভিন্ন পদত অধিষ্ঠিত হৈছে। আনহাতে এই নিবন্ধৰ লেখক (সুবোধ মল্ল বৰুৱা) সৰ্বভাৰতীয় ক্ৰীড়া সাংবাদিক ফেডাৰেচনৰ (২০১১-১৪) সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াক্ষেত্ৰত দল পৰিচালক হিচাপে ২০০৮ চনৰ ছিংগাপুৰত অনুষ্ঠিত যুৱ অলিম্পিকত ভাৰতীয় দলৰ ছেফ দ্য মিছন হিচাপে দুৰ্গাদাস বড়ো, ২০১০ৰ কমনৱেলথ গেমছৰ চেফ দ্য মিছন হিচাপে ভুবনেশ্বৰ কলিতা আৰু ১৯৮৮ চনৰ ছিউল অলিম্পিকত ডেপুটী চেফ দ্য মিছন হিচাপে গৈছিল ফণী শৰ্মা। এইসকলৰ বাহিৰে অন্য প্ৰতিযোগিতালৈও অনেকজন অন্য বিষয়ববীয়া হিচাপে গৈছে।

এতিয়া আহোঁ অসমৰ ক্ৰীড়া-ইতিহাসত ঘটা কেইখনমান উল্লেখনীয় ক্ৰীড়া সমাৰোহৰ প্ৰসঙ্গলৈ। এই ক্ষেত্ৰত আমি শক্তি-মেলা, অসম অলিম্পিক আৰু নেচনেল গেমছৰ কথা উল্লেখ কৰিব লাগিব। অৱশ্যে অভিৰুচি ক্ৰীড়া দিৱসৰ কথাও ক'ব লাগিব।

## শক্তি-মেলা

১৯৩৪ বৰ্ষতে আৰম্ভ হৈছিল শক্তি-মেলা। প্ৰথম শক্তি-মেলা যোৰহাটৰ ৰাধানাথ সন্দিকৈ, চন্দ্ৰধৰ বৰুৱা আদিৰ তৎপৰতাত ২৩, ২৪ আৰু ২৫ এপ্ৰিলত অনুষ্ঠিত হৈছিল। এই সন্দৰ্ভত বিশদ তথ্য পূৰ্বতেই দাঙি ধৰা হৈছে। একেদৰে ১৯৩৭ চনত অনুষ্ঠিত দ্বিতীয় শক্তি-মেলাৰ বিষয়েও ওপৰত উল্লেখ কৰা হৈছে। স্বৰাজোত্তৰ কালত শক্তি-মেলাৰ পুনৰ আয়োজনৰ প্ৰয়াস কৰা হৈছিল। ১৯৮৭ চনত গোলাঘাটত আধুনিক শক্তি-মেলাৰ প্ৰথম প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। ১৯৮৭ চনৰ ২৫ আৰু ২৬ এপ্ৰিলত এই সমাৰোহ অনুষ্ঠিত হৈছিল। ক্ৰীড়া মন্ত্ৰী প্ৰৱীণ গগৈৰ অধ্যক্ষতাত গঠিত এখন কমিটীয়ে এই সমাৰোহ আয়োজন কৰিছিল। ইয়াত ৬০ কিলোমিটাৰৰ চাইকেল-চালনা, মাৰাথন দৌৰ, সাঁতোৰ, শৰীৰ-চৰ্চা, ভাৰোত্তোলন আৰু শক্তি-উত্তোলন অনুষ্ঠিত কৰাৰ উপৰি আলোচনাচক্ৰ আদিও আয়োজন কৰিছিল। শক্তি-মেলাৰ পৰৱৰ্তী প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছিল গোৱালপাৰাত আন্তঃ-জিলা এথলেটিক্সৰ সৈতে যুটীয়াভাৱে। কিন্তু তাৰ পিছত সমাৰোহ বন্ধ হৈ যায়।

একেদৰে ১৯৪০ চনত অনুষ্ঠিত হৈছিল অসম অলিম্পিক। বলিনাৰায়ণ বৰুৱাৰ তৎপৰতাত এই অলিম্পিক আয়োজন কৰা হৈছিল। স্বৰাজোত্তৰ কালত ১৯৬১ চনত তেজপুৰত পুনৰবাৰ এনে প্ৰতিযোগিতা আয়োজন কৰা হয়। তাৰ পিছত সুদীৰ্ঘ ৩৩ বছৰৰ নীৰৱতা। ১৯৯৪ চনত অসম অলিম্পিক সংস্থাৰ উদ্যোগত তেজপুৰত অনুষ্ঠিত হৈছিল ৰাজ্যিক গেমছ। এই সমাৰোহৰ দ্বিতীয় অনুষ্ঠান ২০১০ চনত নগাঁৱত অনুষ্ঠিত কৰা হৈছিল অত্যন্ত ধুমধামেৰে। ১৯৫৬ চনত ৰাজ্যিক ক্ৰীড়া পৰিষদ গঠন কৰাৰ পিছত ১৯৭৬ চনত ৰাজ্যৰ ক্ৰীড়া সঞ্চালকালয় গঠন কৰা হয়। ২০০৭ চনৰ ৰাষ্ট্ৰীয় গেমছৰ পিছত গঠন হৈছিল অসম ক্ৰীড়া প্ৰাধিকৰণ। এনেদৰেই অসমৰ ক্ৰীড়াক আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা হৈছিল।

## ৩৩তম নেচনেল গেমছ

অসমৰ ক্ৰীড়াৰ বাবে বিৰল ঘটনা হ'ল ৩৩তম নেচনেল গেমছ। ২০০৭ চনত গুৱাহাটীত অনুষ্ঠিত হৈছিল এই সমাৰোহ। এই সমাৰোহ অসমৰ ক্ৰীড়াৰ বাবে মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। প্ৰায় চাৰিশ কোটি টকা ব্যয়েৰে আয়োজন কৰা এই গেমছ অনুষ্ঠিত হৈছিল ২০০৭ চনৰ ৯ ফেব্ৰুৱাৰিৰপৰা ১৮ ফেব্ৰুৱাৰিলৈকে। এই গেমছৰ বাবে গুৱাহাটী আৰু ইয়াৰ আশে-পাশে নিৰ্মাণ কৰা



হৈছিল ক্ৰীড়া ষ্টেডিয়ামসমূহ। তথ্যমতে, গেমছৰ বাবে গুৱাহাটীত দুটা অত্যাধুনিক ক্ৰীড়া প্ৰকল্প, এটা ছুইমিং পুল, টেনিছ প্ৰকল্প, ৬টা নতুন ইনড'ৰ ষ্টেডিয়াম, শ্যুটিং ৰেঞ্জ, চাইকেল ভেলোড্ৰাম, এখন বিশাল ষ্টেডিয়াম, হকিৰ এষ্ট্ৰোটাৰ্ফযুক্ত ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছিল। এই অত্যাধুনিক সা-সুবিধাৰে গুৱাহাটী বৰ্তমান ভাৰতৰ অন্য দহখন ক্ৰীড়া মহানগৰীৰ অন্যতম হিচাপে পৰিচিত হৈছে। এইবোৰে নিশ্চয় ভৱিষ্যৎ অসমৰ ক্ৰীড়া-উত্থানলৈ অৰিহণা যোগাব। কেৱল সেয়াই নহয়, এইবোৰে ক্ৰীড়াক জনমুখীও কৰি তুলিব। গুৱাহাটীৰ ৩৩তম ৰাষ্ট্ৰীয় গেমছত দহ হেজাৰৰো অধিক খেলুৱৈ আৰু বিষয়ববীয়াই যোগদান কৰিছিল। ইয়াত অসমে ১৪৮টা পদকসহ তৃতীয় স্থান অধিকাৰ কৰিছিল। এনেবোৰ ব্যৱস্থা গ্ৰহণৰ পিছতো অলেখ ক্ৰীড়া প্ৰতিভাৰ সমাহাৰ ঘটা অসমৰ ক্ৰীড়াক্ষেত্ৰখনে উন্নতিৰ যিটো স্তৰলৈ যোৱা উচিত আছিল সেয়া এতিয়াও সম্ভৱ হোৱা নাই। ক্ৰীড়ানীতিও গ্ৰহণ কৰা হৈছে, কিন্তু ইয়াক ৰূপায়ণ কৰিবলৈ এতিয়াও বাকী। ক্ৰীড়াৰ প্ৰতি চৰকাৰৰ মাহীআইসদৃশ আচৰণ আৰু প্ৰয়োজনীয় সা-সুবিধাৰ অভাব আছেই, কিন্তু আমি ক্ৰীড়াক সবল সুঠাম কৰি ৰাখিব লাগিব। ক্ৰীড়াৰ উন্নতি আৰু সবলতাই এখন মুক্ত আকাশৰ সন্ধান দিব পাৰে।

এটি শক্তিশালী জাতি হিচাপে অসমক প্ৰতিষ্ঠিত কৰিব পাৰে ক্ৰীড়াই। অসমৰ জয়ন্ত তালুকদাৰ আৰু শিৱ থাপাই লণ্ডন অলিম্পিকত অংশগ্ৰহণ কৰি অসমৰ ক্ৰীড়াৰ সুনাম বৃদ্ধি কৰিছে। এই দুজনক লৈ অসমৰপৰা অলিম্পিয়ানৰ সংখ্যা বৃদ্ধি হৈছে চাৰিগৰাকীলৈ, কিন্তু নিকটৱৰ্তী মণিপুৰে এতিয়ালৈকে উপহাৰ দিছে ১৩গৰাকীকৈ অলিম্পিয়ানক। ইয়াৰ উপৰি মণিপুৰৰ আছে বহুসংখ্যক এছিয়ান আৰু বিশ্ব চেম্পিয়ন। এওঁলোকৰ কৃতিত্ব আমি মনত ৰাখিব লাগিব। কৃতিত্বৰ কথা মনত ৰখাৰ লগতে ক্ৰীড়াৰ লেখডাল যাতে ঊৰ্ধ্বগামী হয় তাৰ বাবে সকলোৱে মিলি একেলগে কাম কৰি যাব লাগিব। তেতিয়াহে অসমৰ ক্ৰীড়াৰ সুস্থতৰ আৰু সবলতৰ ৰূপ আমি দেখিবলৈ পাম। ❖

## সহায়ক সূত্ৰ


১ অভিৰুচি ক্ৰীড়া দিৱসৰ স্মৃতিগ্ৰন্থ।
২ বিভিন্ন ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ সময়ত উলিওৱা স্মৃতিগ্ৰন্থ।
৩ প্ৰেমধৰ শৰ্মা, জ্যেষ্ঠ উপ-সভাপতি, অসম অলিম্পিক সংস্থা।
৪ ননী দত্ত, প্ৰাক্তন সম্পাদক, অসম অলিম্পিক সংস্থা।
৫ উদয়কমল চেতিয়া (জিলা ক্ৰীড়া বিষয়া), বীৰেন গগৈ, মঞ্জুৰ আলী, ভবজ্যোতি গোস্বামী (ক্ৰীড়া সংগঠক), ধীৰেন শৰ্মা (ক্ৰীড়া সাংবাদিক)।

# অসমত কৃষক-আন্দোলনৰ ধাৰা

## ড° সাগৰ বৰুৱা

মানৱসমাজ তথা সভ্যতাৰ মূল ভেটি হৈছে কৃষি। কৃষি-ব্যৱস্থাৰ জন্মৰ লগতে সৃষ্টি হৈছে কৃষক শ্ৰেণীৰ। উল্লেখযোগ্য যে কেৱল ভাৰতবৰ্ষৰেই নহয়, সমগ্ৰ বিশ্বৰ অৰ্ধেকৰো বেছি মানুহ কৃষিজীৱী। এইসকল লোকৰ ওপৰতে যুগে যুগে নিৰ্ভৰ কৰি আহিছে মানৱজাতিৰ অস্তিত্বৰ কাহিনী। সেয়েহে, এই কৃষকসকলৰ ইতিহাস অধ্যয়নে সাম্প্ৰতিক কালত এক বিশেষত্ব লাভ কৰিছে। ডি ডি কৌশম্বী, আৰ এছ শৰ্মা, ডেনিয়েল থৰ্নাৰ দৰে ইতিহাসবিদসকলে ভাৰতবৰ্ষৰ ইতিহাস-চৰ্চাত পোনপ্ৰথমবাৰৰ বাবে কৃষকসকলৰ ইতিহাস সন্নিৱিষ্ট কৰাত গুৰুত্ব দিয়ে। কৃষকসকলৰ ব্যাখ্যা সম্পৰ্কে ইৰফান হাবিবে লিখিছে: "A rigorous definition of the peasant is desirable, though it is naturally elusive. I take the peasant to mean a person who undertakes agriculture on his own, working with his own implements and using the labour of his family."[১] এইখিনিতে এৰিক হবছ্‌বমৰ এষাৰ কথাও মন কৰিবলগীয়া, য'ত কোৱা হৈছে: "…. objectively it [peasantry] can be defined as a class in itself, in the classical sense, namely a body of people who have the same kind of relation to the means of production as well as other common economic and social characteristics."[২] মাৰ্ক্সবাদীসকলে কৃষকসকলক ধনী কৃষক (rich peasant, using extensive amount of hired labour), মধ্যশ্ৰেণীৰ কৃষক (middle peasant mainly using family labour) আৰু দৰিদ্ৰ কৃষক (poor peasant with land insufficient to absorb the whole of family lablour) এই তিনিটা শ্ৰেণীত বিভক্ত কৰে।[৩] কিন্তু এনে এচাম লোক আছে যিসকলে ভূমিহীন হৈয়ো কৃষি-পদ্ধতিৰ লগত নিজকে জড়িত কৰি জীৱন-নিৰ্বাহ কৰে। সেইসকল কৃষককো কৃষকসকলৰ ইতিহাসৰ অন্তৰ্ভুক্ত কৰিব পাৰি। অন্যথা ইতিহাসৰ এটা অংশ অসম্পূৰ্ণ হৈ ৰ'ব।

মানৱজাতিক জীয়াই ৰখাৰ মূল শক্তি কৃষকসকল, অথচ এই সকল লোক বিভিন্ন 'এজেন্সি'ৰদ্বাৰা শোষিত-নিষ্পেষিত হৈ ৰৈছে। কেতিয়াবা যদি চৰকাৰী যন্ত্ৰৰদ্বাৰা শোষিত হৈছে, কেতিয়াবা আকৌ চৰকাৰী যন্ত্ৰৰ প্ৰতিনিধিস্বৰূপ জমিদাৰ-



মহাজন শ্ৰেণীৰদ্বাৰা লাঞ্ছিত হৈছে। মন কৰিবলগীয়া যে কৃষি-ব্যৱস্থা প্ৰৱৰ্তনৰ মুহূৰ্তৰপৰাই শোষক আৰু শোষিত শ্ৰেণীৰ জন্ম হৈছে। সুপ্ৰকাশ ৰায়ে ঠিকেই লিখিছে: "It is agriculture which led to the formation for the first time, of the relation of the exploiter and exploited, and to class division in human society. The system of primitive agriculture gradually gave birth to small landlords and masses of exploited people in society."[৪] কৃষকসকলৰ শক্তি অপৰিসীম। মাজে সময়ে শোষণ-নিষ্পেষণৰ বলি হৈ অৱশেষত আন্দোলন, বিদ্ৰোহ, বিপ্লৱ আদিৰ মাজেৰে তেওঁলোকৰ ক্ষোভৰ উদগীৰণ ঘটিলেও সেইবোৰে খুউব কমেহে সফলতা লাভ কৰে। সাংগঠনিক শক্তিৰ বা নেতৃত্বৰ অভাৱ, কেতিয়াবা আকৌ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দালাল শ্ৰেণীৰ আৱিৰ্ভাৱ তথা তেওঁলোকৰ মিছা প্ৰলোভনে আন্দোলনবোৰৰ চৰিত্ৰ সলনি কৰে। শেষত আন্দোলন বা বিদ্ৰোহবোৰে সফলতা লাভ কৰাত ব্যৰ্থ হ'বলগীয়া হয়। বিশাল শক্তিৰ অধিকাৰী হৈয়ো কৃষক-আন্দোলন-বিপ্লৱ-বিদ্ৰোহবোৰৰ ব্যৰ্থতা ইতিহাসৰ একো একোটা দুৰ্ভাগ্যজনক অধ্যায় হৈ পৰে। ড° ভূপেন হাজৰিকাৰ ভাষাৰে কব পাৰি "ঢাক ঢাক ঢাক ঢাক ঢাকেই বজালি। লাখ লাখ তহঁত থাকিও একো নেপালি। খাটি খোৱা তহঁতবোৰক দোস্ত কৰি লৈ কুবুদ্ধিৰে দৈত্যবোৰে তেজ শুহি লয়। যুগে যুগে ঠগ খায়ো নুবুজা হ'লি, লাখ লাখ তহঁত থাকিও একো নেপালি।"[৫] যিয়েই হওক, এই প্ৰবন্ধত ঊনৈছ শতিকাৰপৰা আৰম্ভ কৰি কুৰি শতিকাৰ সত্তৰৰ দশকলৈকে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত হোৱা কৃষক-আন্দোলনসমূহৰ এক সম্যক ধাৰণা দিবলৈ প্ৰয়াস কৰা হ'ব।

প্ৰাচীন কালৰেপৰা ভাৰতবৰ্ষৰ কৃষকসকলে শোষণ-নিষ্পেষণবিৰোধী সংগ্ৰাম চলাই আহিছে। কিন্তু কৃষক-আন্দোলনৰ ইতিহাস পৰৱৰ্তী কালত ব্ৰিটিছ ইতিহাসবিদসকলেও সুস্থ মনেৰে বিচাৰ কৰা নাছিল। কেৱল ইতিমধ্যে উল্লেখ কৰি অহাৰ দৰে এচাম প্ৰগতিশীল ইতিহাসবিদৰ কলমত ভাৰতৰ কৃষক-বিদ্ৰোহবোৰে এক সুকীয়া স্থান লাভ কৰে। সন্দেহাতীতভাৱে ক'ব পাৰি যে ভাৰতবৰ্ষৰ কৃষক-বিদ্ৰোহ বা আন্দোলনৰ ইতিহাসত অসমৰ কৃষক-আন্দোলনৰো এক সুকীয়া স্থান আছে। ৰাজ্যৰ শাসনভাৰ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিৰ হাতলৈ যোৱাৰ পূৰ্বেও অসমৰ কৃষকসকলে শাসনযন্ত্ৰৰ শোষণ-নিষ্পেষণ-লাঞ্ছনাৰ বিৰুদ্ধে আন্দোলনৰ পথ বাছি লোৱাৰ উদাহৰণ আছে। মোৱামৰীয়া বিদ্ৰোহ (১৭৬৯-১৮১০) তাৰ এক উদাহৰণ। আহোম-শাসনযন্ত্ৰৰদ্বাৰা দীৰ্ঘদিন ধৰি ভুগি অহা লাঞ্ছনা-নিৰ্যাতনৰ বিৰুদ্ধে প্ৰতিবাদৰ বহিঃপ্ৰকাশ আছিল মোৱামৰীয়া বিদ্ৰোহ। ডিম্বেশ্বৰ নেওগে এই বিদ্ৰোহক "the first socio-political movement made for the people and by the people"[৬] বুলি আখ্যা দিছে। অন্যহাতেদি দণ্ডিনাথ কলিতাই মোৱামৰীয়া বিদ্ৰোহক "popular movement" বুলি আখ্যা দিছে। অমলেন্দু গুহই এই বিদ্ৰোহক *বৈষ্ণৱবাদৰ পৰা মোৱামৰীয়া বিদ্ৰোহলৈ* শীৰ্ষক গ্ৰন্থত মাৰ্ক্সীয় দৃষ্টিভঙ্গিৰে ব্যাখ্যা

কৰিছে। মন কৰিবলগীয়া যে মোৱামৰীয়া বিদ্ৰোহক নিৰ্মমভাৱে দমন কৰিবলৈ গৈ ৬০০ বছৰীয়া আহোম শাসনতন্ত্ৰ প্ৰবল সঙ্কটৰ সম্মুখীন হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সমান্তৰালভাৱে নামনি অসমতো আহোম ৰজা লক্ষ্মীনাথ সিংহ (১৭৬৯-১৭৮০) আৰু গৌৰীনাথ সিংহৰ দিনত (১৭৮০-১৭৯৫) কৃষক-বিদ্ৰোহৰ সূত্ৰপাত ঘটিছিল। বৰ্ধিত ৰাজহৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ বুলি নামনি অসমৰ দৰঙৰপৰা প্ৰায় ৪০০০ কৃষকে ৰাজধানী ৰংপুৰলৈ যাত্ৰা কৰিছিল। চৰকাৰী বাধা নেওচি তেওঁলোকে শাসকপক্ষক বৰ্ধিত ৰাজহৰ নিৰ্দেশনা উঠাই ল'বলৈ বাধ্য কৰিছিল।[৭] একেদৰেই গৌৰীনাথ সিংহৰ দিনতো দৰঙৰ প্ৰজা সাধাৰণে অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাই বিদ্ৰোহ কৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত উজনিৰপৰা পলাই গৈ দৰঙত আশ্ৰয় লোৱা আহোম ৰজাৰ একাংশ বিষয়াই চলোৱা লুটপাত-উপদ্ৰৱৰ ফলতেই বিদ্ৰোহৰ সূচনা হৈছিল। ২৪০জন গাঁওবুঢ়াই একত্ৰিত হৈ 'ৰাইজ-মেল' আহ্বান কৰিছিল আৰু আহোম বিষয়াসকলৰ দুষ্কৰ্মৰ প্ৰতিবাদ জনাইছিল। কিন্তু তাৰ কোনো সুফল নধৰাত দৰঙী ৰাইজে মোৱামৰীয়া বিদ্ৰোহ দমন কৰাৰ ক্ষেত্ৰত আহোম ৰজাক সহায় নকৰিবলৈ সিদ্ধান্ত লোৱাৰ লগতে অত্যাচাৰী বিষয়াসকলক দৰঙৰপৰা বাহিৰ কৰি পঠিয়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ৰাইজ-মেলৰ হেঁচাত দৰঙৰ যুটীয়া ৰজাদ্বয় যথাক্ৰমে প্ৰথম হংসনাৰায়ণ আৰু দ্বিতীয় হংসনাৰায়ণ মোৱামৰীয়া বিদ্ৰোহ দমন কৰাৰ ক্ষেত্ৰত আহোম ৰজাক সহায় কৰাৰপৰা বিৰত থাকিবলগা হৈছিল।[৮]

উনৈছ শতিকাত ব্ৰিটিছ-শাসনৰ আমোলত অসমৰ কৃষক-আন্দোলনে এক নতুন মাত্ৰা লাভ কৰিছিল। ১৮২৬ চনৰ য়াণ্ডাবু সন্ধিৰ সময়ৰপৰা পৰ্যায়ক্ৰমে সমগ্ৰ অসম ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পেনিৰ হাতলৈ গৈছিল আৰু ইয়াৰ লগে লগে অসমত নতুন ৰাজহ-নীতি প্ৰৱৰ্তন হৈছিল। ১৮৩৩ চনত পোন প্ৰথমবাৰৰ বাবে অসমত মাটিৰ ওপৰত খাজনা ধাৰ্য কৰা হৈছিল। এনে ব্যৱস্থাত চৰকাৰে ৰায়তসকলৰ সৈতে পোনপটিয়াভাৱে চুক্তি কৰি তেওঁলোকক দিব লগা মাটিৰ পৰিমাণ আৰু তাৰ বিনিময়ত সংগ্ৰহ কৰিব লগা খাজনাৰ নিৰিখ ধাৰ্য কৰে।[৮] আহোমৰ শাসন-ব্যৱস্থাত পাইক-প্ৰথাত অভ্যস্ত অসমৰ কৃষকসকলে ইংৰাজৰ ভূমিৰাজহ ব্যৱস্থাক সহজভাৱে ল'ব পৰা নাছিল। কিয়নো ইতিমধ্যে ব্ৰিটিছ চৰকাৰে উৎপাদিত সামগ্ৰীৰ পৰিৱৰ্তে মুদ্ৰাৰ মাধ্যমেৰে ৰাজহ পৰিশোধৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। অথচ চাহিদাৰ অনুপাতে মুদ্ৰাৰ প্ৰচলনো যথেষ্ট নাছিল। অমলেন্দু গুহই লিখিছে: "The new master ceased to collect taxes in kind or in the form of labour-rent which had been the erstwhile practice. In the given transitional situation of a deficient currency supply and extremly limited facilities of marketing farm products, the policy caused hardship and resentment."[৯] কেৱল সিমানেই নহয়, খাজনা পৰিশোধ কৰিবৰ বাবে কৃষকসকলে কেতিয়াবা ২/৩ দিন খোজ কাঢ়ি গৈ উৎপাদিত সামগ্ৰী টকা বা মুদ্ৰালৈ ৰূপান্তৰ কৰিব লগা হৈছিল।[১০] খেতিৰ উৎপাদন হওক বা নহওক নতুন ৰাজহ-নীতিৰ ফলত কৃষকসকলে নগদ ধনেৰে খাজনা আদায় দিয়াটো দুৰ্বিষহ আছিল। এগৰাকী ব্ৰিটিছ বিষয়াই মন্তব্য কৰিছিল: "The relaxed Ahom methods of tax collection in service or produce was replaced by an army of revenue 'farmers' tramping the country bearing demand papers totally incomprehensible to the illiterate peasantry."[১১] ভূমি আৰু ৰাজহ-নিৰ্ধাৰণ পদ্ধতিও আছিল ত্ৰুটিপূৰ্ণ। মাটিৰ নমুনা বা উৰ্বৰতাৰ প্ৰতি লক্ষ্য নাৰাখি সকলো মাটিৰ ওপৰত একে হাৰত খাজনা নিৰ্ধাৰণ কৰাত বহু কৃষক খাজনা দিবলৈ অপাৰগ হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনে সদৰ দেৱানী আদালতৰ বিচাৰপতি এ জে মফট মিল্‌ছ অসমলৈ আহোঁতে তেওঁক প্ৰতিবেদন দাখিল কৰি কৈছিল: "... assessment had been made without any particular distinction being observed as to the quality and capacity of the soil; the low rupit (arable) lands, yielding fifty *mounds* of corn per *poora* (1½ acres roughly) were assessed as the same rate as high *rupit* lands producing only fifteen to thirty mounds."[১২] খাজনা-নিৰ্ধাৰণৰ এনে ব্যৱস্থাক ঢেকিয়াল ফুকনে "light upon some but heavy upon others" বুলি আখ্যা দিছিল।[১৩] অন্য হাতেদি খাজনা-সংগ্ৰহৰ ক্ষেত্ৰত সুনিৰ্দিষ্ট চৰকাৰী নিয়ন্ত্ৰণৰ ব্যৱস্থা নথকাত বহু সময়ত কৃষকসকল মৌজাদাৰ বা চৰকাৰী বিষয়াসকলৰ মইমতালিৰ বলি হ'ব লগা হয়। চৰকাৰৰ ত্ৰুটিপূৰ্ণ ভূমি-ৰাজহ নীতি কৃষকৰ অসন্তুষ্টিৰ এক প্ৰধান কাৰণ হৈ পৰিছিল।



উনবিংশ শতাব্দীত চৰকাৰী ৰাজহ-নীতিৰ বিৰুদ্ধে অসমৰ কৃষকসকলৰ প্ৰতিবাদৰ প্ৰথম স্বতঃস্ফূৰ্ত প্ৰতিফলন ঘটিছিল তিৱা জনজাতি বসতিপূৰ্ণ নগাঁও জিলাৰ ফুলগুৰি অঞ্চলত। উল্লেখনীয় কথা যে ১৮৫৭ চনৰ মহাবিদ্ৰোহৰ পৰৱৰ্তী সময়ত ঔপনিবেশিক চৰকাৰ আৰ্থিক অনাটনত পৰিছিল আৰু সেই আৰ্থিক নাটনি দূৰ কৰিবৰ বাবে নতুন নতুন কৰ জনসাধাৰণৰ ওপৰত জাপি দিছিল। ১৮৫৮ চনত ডাকটিকট কৰ (stamp duty) আৰু ১৯৬০ চনত আয়কৰ বলবৎ কৰিছিল।[১৪] তদুপৰি কামৰূপ, দৰং আৰু নগাঁও জিলাৰ সদৰত আবকাৰী কৰ লগোৱা হৈছিল। কেৱল সিমানেই নহয়, অসমৰ মানুহে ৰাজহ নিদিয়াকৈ যুগে যুগে সোণ কমোৱা, বিলত মাছ ধৰা, হাবিৰপৰা কাঠ-বাঁহ-খেৰ সংগ্ৰহ কৰা আদি যিবোৰ কাম কৰিছিল চৰকাৰে সেইবোৰৰ ওপৰতো কৰ নিৰ্ধাৰণ কৰিছিল। অসমৰ কৃষকসকলে ব্ৰিটিছ চৰকাৰৰ দিনত চাপৰি বা চৰণীয়া পথাৰ গৰু-ম'হ চৰোৱাৰ বাবে গ্ৰেজিং বা চৰণীয়া পথাৰৰ ওপৰতো কৰ ভৰিব লগা হৈছিল।[১৫]

ভূমি-ৰাজহকে ধৰি বিভিন্ন কৰ-কাটলে অসমৰ কৃষকসকলক জুৰুলা কৰা সময়তে ব্ৰিটিছ চৰকাৰে অসমীয়া মানুহৰ সাংস্কৃতিক জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পাণ-তামোলৰ ওপৰতো কৰ লগোৱা বুলি এটা বাতৰি ওলাইছিল। এই বাতৰিয়ে কৃষকসকলক অতি ক্ৰোধান্বিত কৰি তোলে। পাণ-তামোলৰ ওপৰত

বলবৎ কৰা কৰ সম্পৰ্কে বিতংভাৱে জনা নগ'লেও এই কৰ বলবৎ কৰা সম্পৰ্কে জিলা-কৰ্তৃপক্ষ আৰু ৰাজহ বিভাগৰ মাজত আলোচনা বা যোগাযোগ আৰম্ভ হোৱা বিষয়টোৱে তাৎপৰ্য বহন কৰিছিল।[১৬] নগাঁও জিলাৰ, বিশেষকৈ ফুলগুৰি অঞ্চলৰ, ৰাইজ চৰকাৰৰ প্ৰতি সন্দিহান হৈছিল আৰু যিকোনো ত্যাগৰ বিনিময়ত এনে ধৰণৰ কৰ লগোৱা কাৰ্যক প্ৰতিহত কৰিবলৈ বদ্ধপৰিকৰ হৈছিল। ইতিমধ্যে ১৮৬০ চনত চৰকাৰে অসমত কানি খেতি বন্ধ কৰে। অথচ চৰকাৰী ভাণ্ডাৰসমূহৰ যোগেদি অধিক মূল্যত 'আবকাৰী কানি' যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। সন্দেহ নাই যে কানি-খেতি বন্ধ কৰাৰ অন্তৰালত চৰকাৰৰ কোনো সামাজিক উদ্দেশ্য নাছিল। বৰঞ্চ, 'আবকাৰী কানি'ৰ বিক্ৰীৰ মাধ্যমেৰে ৰাজহ সংগ্ৰহ কৰা আৰু অসমৰ কৃষকক চিৰাচৰিত জীৱনযাত্ৰাৰপৰা আঁতৰাই আনি চাহবাগিচাৰ বনুৱা হিচাপে নিয়োগ কৰাই আছিল চৰকাৰৰ উদ্দেশ্য। অমলেন্দু গুহই লিখিছে: "A colonial theory of development was thus to rationalize discrimination. Its premises were that special concessions to the planters were necessary to attract capital, labour and enterprise which alone could bring the wastelands under cultivation, that heavy taxation was a necessary disincentive to the habitual 'laziness' of the local peasantry to force them to seek employment in plantation ..."[১৭] দোহাৰিব পাৰি যে কানি খেতি নিষিদ্ধকৰণৰ অন্তৰালত ব্ৰিটিছ চৰকাৰৰ সামাজিক ব্যাধি নিৰ্মূল কৰাতকৈ ঔপনিৱেশিক স্বাৰ্থ পূৰণ কৰা, বিশেষকৈ চৰকাৰী কোষাগাৰ চহকী কৰাৰ উদ্দেশ্যহে নিহিত আছিল। যি কি নহওক, কানি খেতি নিবাৰণৰ বিৰুদ্ধে অসমৰ ভালেমান ঠাইত প্ৰতিবাদ আৰম্ভ হৈছিল। ই গণবিক্ষোভৰ ৰূপ ধাৰণ কৰিছিল ফুলগুৰি অঞ্চলত। ইতিমধ্যে ১৮৬১ চনৰ ১৭ ছেপ্টেম্বৰ তাৰিখে কলিয়াবৰ অঞ্চলৰ প্ৰায় ১৫০০ কৃষকে জিলা সদৰ নগাঁৱলৈ আহি জিলা উপায়ুক্ত লেফ্‌টেনেণ্ট হাৰ্বাৰ্ট স্কন্সক লগ ধৰি পাণ খেতিৰ ওপৰত কৰ নলগাবলৈ দাবী জনাইছিল। জিলা উপায়ুক্তই তেওঁলোকৰ দাবীক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে কেইবাগৰাকী কৃষক নেতাক থানাত ভৰাই ৰাখিছিল। ধৰ সিং নামৰ এগৰাকী স্থানীয় প্ৰভাৱশালী লোকৰ হস্তক্ষেপত নেতাসকলক দিনটোৰ শেষত থানাৰপৰা মুকলি কৰি দিয়া হৈছিল।[১৮] ১৭ ছেপ্টেম্বৰৰ এই ঘটনাই ফুলগুৰিৰ ৰাইজক চৰকাৰী শোষণৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ প্ৰেৰণা যোগাইছিল।

১৪ অক্টোবৰ তাৰিখে ফুলগুৰিত ৰহা, টোপাকুছি, বঢ়মপুৰ, যমুনামুখ, চাপৰমুখ, নেলি, কচুহাট আদি বিভিন্ন ঠাইৰপৰা অহা কৃষকসকল সমৱেত হৈছিল। আৰম্ভ হৈছিল ৰায়ত সভা - a "time-honoured institution" – "recognised feature of Assamese social life"। হাৰ্বাৰ্ট স্কন্সে ৰাইজমেলক তথা কৃষকৰ দাবীসমূহক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে সেইবোৰক "unlawful assembly" আৰু "law and order problems" বুলি গণ্য কৰিছিল আৰু এই মেল ভঙ্গ কৰিবৰ বাবে এজন দাৰোগাৰ নেতৃত্বত এটা আৰক্ষী বাহিনী ফুলগুৰিলৈ প্ৰেৰণ কৰিলে। কিন্তু



এই ক্ষেত্ৰত তেওঁ ব্যৰ্থ হ'ল। অৱশেষত ১৮ অক্টোবৰ তাৰিখে নগাঁৱৰ সহকাৰী আয়ুক্ত লেফ্‌টনেণ্ট ছিংগাৰক এটা আৰক্ষী বাহিনীৰ সৈতে ফুলগুৰিলৈ পঠায়। মেলত গোট খোৱা জনতাক বিশ্বাসত নলৈ আৰু তেওঁলোকৰ অভাৱ-অভিযোগৰ কথা নুশুনি তেওঁ কৃষকসকলক তেওঁলোকৰ হাতত থকা লাঠি আদি পেলাই দিবলৈ নিৰ্দেশ দিয়াৰ লগতে তেওঁ (স্বয়ং ছিংগাৰে) কৃষকসকলৰ ওপৰত জঁপিয়াই পৰিছিল। ইমানদিনে চৰকাৰী শোষণৰ বলি হৈ থকা ফুলগুৰিৰ ৰাইজ ছিংগাৰৰ দমনমূলক কাৰ্যত দুগুণে জ্বলি উঠে আৰু তেওঁলোকৰ মাজৰে দুজনমানে ছিংগাৰৰ মূৰত লাঠিৰে আঘাত কৰে। ছিংগাৰ মাটিত বাগৰি পৰিল আৰু অৱশেষত মৃত্যুৰ মুখত পৰিব লগীয়া হ'ল। ক্ষুব্ধ জনতাই ছিংগাৰৰ মৃতদেহ কলঙত পেলাই থৈ ঘৰলৈ ঘূৰি গৈছিল।[২০] ইয়াৰ পিছত আৰম্ভ হৈছিল ফুলগুৰি বিদ্ৰোহ দমন পৰ্ব। অসমৰ আয়ুক্ত হেনৰি হপকিন্সন আৰু মেজৰ কেম্পবেলৰ তৎপৰতাত নগাঁৱৰ ফুলগুৰি অঞ্চলত বৃহৎসংখ্যক চিপাহী নিয়োগ কৰা হৈছিল। প্ৰায় এমাহৰ ভিতৰত ফুলগুৰি বিদ্ৰোহৰ অপৰাধত ৪১জন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁলোকৰ মাজত ৯জনৰ হয় দেশান্তৰ নহয় দীৰ্ঘকালীন কাৰাবাস হয়। বেণুধৰ কলিতাৰ বিৱৰণ অনুযায়ী পুলিচ-বাহিনীৰ হাতত ৩৯জন ৰায়ত নিহত হৈছিল আৰু ১৫জন গুৰুতৰভাৱে আহত হয়।[২০] চৰকাৰী সৈন্যবাহিনী বা পুলিচৰ হাতত হোৱা নিহত বা আহতৰ সংখ্যা সম্পৰ্কে ভিন্ন মত পৰিলক্ষিত হ'লেও এটা কথা ঠিক যে ব্ৰিটিছ চৰকাৰে ফুলগুৰি বিদ্ৰোহৰ দৰে কৃষক-আন্দোলন যাতে পুনৰ সংঘটিত হ'ব নোৱাৰে তাৰ বাবে চেষ্টা হাতত লয়।

ব্ৰিটিছ ভাৰতত হোৱা অধিকাংশ কৃষক বিদ্ৰোহ বা আন্দোলনৰ যি-পৰিণতি হৈছিল, ফুলগুৰি বিদ্ৰোহেও তেনে ধৰণৰ পৰিণতিৰপৰা পৰিত্ৰাণ পোৱা নাছিল। চৰকাৰী পক্ষই 'কানিয়াৰ বিদ্ৰোহ' বা কানি খোৱা লোকৰ বিদ্ৰোহ বুলি অৱমূল্যায়ন কৰিলেও, ই যে ব্ৰিটিছ চৰকাৰৰ নিৰ্যাতনৰ বিৰুদ্ধে হোৱা এক কৃষক-আন্দোলন তাক অস্বীকাৰ কৰিব নোৱাৰি। এই বিদ্ৰোহ যে কিমান শক্তিশালী আছিল বা চৰকাৰৰ বাবে যে কেনে প্ৰত্যাহ্বান আছিল সেইয়া চৰকাৰী বিষয়াৰ ভাষ্যতে প্ৰকাশ পাইছে। হেনৰি হপকিন্সৰ ভাষাত "The beginning of a tumult is like the letting of water if not stopped at first, it becomes difficult to do so afterwards."[২১] অসমৰ কৃষক-সমাজক জোকাৰি যোৱা এই বিদ্ৰোহৰ গুৰুত্ব তথা ইয়াৰ কাৰণসমূহক কিন্তু একাংশ ব্যক্তি বা অনুষ্ঠানে ইতিবাচক দৃষ্টিৰে চাব পৰা নাছিল। সেয়েহে Butlerৰ দৰে বিষয়াই ক'ব পাৰিছিল: "In no part of India the rent (land revenue etc.) is so low as in Assam"[২২] *অৰুনোদই*এ বৰ বৰ হৰফেৰে "কু-সাহিয়াল নগএগ প্ৰজাৰ" বিদ্ৰোহ বুলি লেখা নিবন্ধত এই বিদ্ৰোহক "কুসাহস কৰম কৰিলে" বুলি কৈ পাতল কৰিছিল। একেদৰে নিধি লেৱি ফাৰৱেল নামেৰে খ্যাত নিধিৰাম নামৰ এজন অসমীয়াই ফুলগুৰি-বিদ্ৰোহক "নগএগ দ্ৰোহী লোকৰ চৰিত্ৰ বৰ্ণনা"ৰ ব্যঙ্গাত্মক লেখাৰে ব্ৰিটিছৰ প্ৰশংসা বুটলিছিল।[২৩] গুণাভিৰাম

বৰুৱায়ো অস্বাভাবিক নিৰ্মমতাৰে দোষী প্ৰজাই অপৰাধত উপযুক্ত শাস্তি পোৱা বুলি লেখিছিল। অথচ কলিকতাৰপৰা প্ৰকাশিত *সোমপ্ৰকাশ*এ এই বিদ্ৰোহৰ ওপৰত এক ইতিবাচক পৰ্যালোচনা আগবঢ়াইছিল: "Giving a report of the income tax riot in Assam, in which an army officer was killed by the agitators, the *Somprakas* commented that there were reasons that had prompted the people of that place to take such a desperate step."[24] যিকি নহওক, ফুলগুৰিৰ বিদ্ৰোহ তৎক্ষণিকভাৱে লাভৱান নহ'লেও উনৈছ শতিকাৰ অসমৰ কৃষকসকলৰ মাজত ব্ৰিটিছবিৰোধী মনোভাব শক্তিশালী কৰাত অৰিহণা যোগালে। অৰ্থনৈতিক শোষণ, অসন্তোষ আৰু উত্তেজনাই কিদৰে মানুহক ৰাজনৈতিকভাৱে সচেতন কৰে তথা ব্ৰিটিছৰ দৰে প্ৰবল শক্তিকো প্ৰত্যাহ্বান জনাবলৈ সাহ দিয়ে ফুলগুৰিৰ কৃষক অভ্যুত্থানেই তাৰ নিদৰ্শন। অন্যহাতেদি ফুলগুৰি বিদ্ৰোহে প্ৰমাণ কৰি দেখুৱাইছিল যে প্ৰচলিত পঞ্চায়ত ব্যৱস্থাতকৈও ৰাইজমেলবোৰ আছিল বহু বেছি শক্তিশালী। এই শক্তিলৈ ভয় কৰিয়েই মেলৰ অস্তিত্বক ধ্বংস কৰাৰ বাবে ব্ৰিটিছে প্ৰচেষ্টা চলাইছিল আৰু সেয়েহে ব্ৰিটিছ চৰকাৰৰ বক্তব্য আছিল: "If British paramountcy was to be preserved in Assam, the *mels* must be crushed."[25] ফুলগুৰি বিদ্ৰোহ সফল নহ'ব পাৰে কিন্তু অসমৰ ৰাইজৰ মনত ই এক নতুন দিশৰ নিৰ্দেশনা দিলে। হেৰম্বকান্ত বৰপূজাৰীৰ ভাষাত "The movement failed ... but the precedent was not lost upon the people, it was followed up soon after." ফুলগুৰি কৃষক-বিদ্ৰোহৰ দৰেই কিছু বছৰৰ পাছতেই নামনি অসমৰ পাতিদৰং, ওপৰ বৰভাগ, বৰমা, বজালী, সৰুক্ষেত্ৰী, পথৰুঘাট আদি অঞ্চলত কৃষক-বিদ্ৰোহৰ সূত্ৰপাত ঘটিছিল। ফুলগুৰি অঞ্চলৰ কৃষকসকলৰদ্বাৰা অনুপ্ৰাণিত হৈ সেইবোৰ অঞ্চলৰ কৃষক ৰাইজে ব্ৰিটিছ চৰকাৰৰ বৰ্ধিত ৰাজহৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। অধ্যাপক শ্ৰুতিদেৱ গোস্বামীৰ ভাষাত "It introduced a new era of peasant awakening in Assam by successfully upholding the value of mass action."[26] মন কৰিবলগীয়া যে ফুলগুৰি বিদ্ৰোহৰ পৰৱৰ্তী কালত বিশেষকৈ ১৮৬১ চনৰপৰা ১৮৯৮ চনৰ ভিতৰত ৰাজহ সংগ্ৰহৰ পৰিমাণ ইমানেই বৃদ্ধি পাইছিল যে এই সময়ছোৱাত ভূমি-ৰাজহ সংগ্ৰহ ১০ লাখ টকাৰপৰা ৪০ লাখ টকালৈ বৃদ্ধি পাইছিল। অথচ কৃষিযোগ্য ভূমিৰ পৰিমাণ (চাহবাগিচাক বাদ দি) সমানুপাতিক নাছিল।[27] অন্যহাতেদি, গ্ৰামাঞ্চলত দৰিদ্ৰতা বৃদ্ধি পাবলৈ লয় আৰু খাজনা দিব নোৱৰা ৰায়তৰ সংখ্যা ১৮৭৯-৮০ চনত ৩,৩১১ জনৰপৰা বৃদ্ধি পাই ১৮৯৫-৯৬ চনত কেৱল কামৰূপ, দৰং আৰু নগাঁও জিলাতে ১৩,০০০ জনলৈ বৃদ্ধি পায়। তদুপৰি বানপানীৰ লগতে ক'লাজ্বৰৰ প্ৰকোপত অসমৰ কৃষক ৰাইজ জুৰুলা হৈ পৰিছিল। ১৮৮৩ চনত আৰম্ভ হোৱা এই মাৰাত্মক ব্যাধিয়ে মহামাৰী ৰূপ ধাৰণ কৰিছিল। কেৱল গোৱালপাৰা জিলাতে ১৮ শতাংশ লোক মৃত্যুৰ মুখত পৰিছিল। ১৮৯০ৰ দশকত কামৰূপত ৭.১ শতাংশ, মঙ্গলদৈ মহকুমাত



৯ শতাংশ আৰু নগাঁও জিলাত ২৮.৯ শতাংশ জনসংখ্যা হ্ৰাস পাইছিল।[28]

যিসময়ত কৃষকসকল আৰ্থিকভাৱে নিশকতীয়া হৈ পৰিছিল সেই সময়তেই (১৮৯২-৯৩) ভূমি-ৰাজহৰ পৰিমাণ গড় হিচাপে ৫৩ শতাংশলৈ বৃদ্ধি পাইছিল। কোনো কোনো ঠাইত বৃদ্ধিৰ হাৰ ৭০ শতাংশৰপৰা ১০০ শতাংশ পৰ্যন্ত হৈছিলগৈ।[29] চৰকাৰৰ এনে ব্যৱস্থাৰ বিৰুদ্ধে কৃষকসকলৰ বাবে প্ৰতিবাদৰ বিকল্প নাছিল। ইতিমধ্যে ১৮৮৪ চনত গঠন হোৱা যোৰহাট সাৰ্বজনিক সভাই কৃষকসকলৰ প্ৰতি সমৰ্থন জনোৱাৰ লগতে কেইবাখনো সভা পাতি খাজনা বৃদ্ধিৰ প্ৰতিবাদ জনায়। অসমৰ আয়ুক্ত ডব্লিউ ই ৱাৰ্ডে বৰ্ধিত কৰ ৩০ শতাংশলৈ হ্ৰাস কৰিবলৈ সিদ্ধান্ত লৈছিল যদিও কৃষকসকলে সেইক্ষেত্ৰত সন্তুষ্টি লভিব পৰা নাছিল আৰু সাময়িকভাৱে কৰসংগ্ৰহ স্থগিত ৰাখিবলৈ দাবী জনাইছিল; কিন্তু মুখ্য আয়ুক্তই সেই দাবী মানিবলৈ মান্তি নহ'ল।[30] কামৰূপ জিলাৰ কৃষকসকলে স্বতঃস্ফূৰ্তভাৱে ৰাইজমেলৰ আহ্বান জনাইছিল আৰু চৰকাৰক খাজনা দিয়াৰপৰা বিৰত থাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইতিমধ্যে ১৮৯৩ চনৰ ২৪ ডিচেম্বৰৰ দিনা ৰঙিয়াৰ ওচৰৰে মূলতঃ কছাৰী জনজাতি বসতিপূৰ্ণ বলাগাঁৱত এখন ৰাইজমেল বহিছিল। ৰাইজমেল ভঙ্গ কৰি ঘৰলৈ ঘূৰি যোৱাৰ পথত সংগ্ৰামী জনতাই ৰঙিয়া বজাৰ আক্ৰমণ কৰি ব্যৱসায়ীসকলৰ ধনসম্পত্তিৰ ক্ষতিসাধন কৰিছিল। ৩০ ডিচেম্বৰ তাৰিখে প্ৰায় ৩০০০ কৃষকে পুনৰ ৰঙিয়াত উপস্থিত হৈ চৰকাৰৰ জনবিৰোধী নীতিৰ প্ৰতিবাদ জনাইছিল। চৰকাৰী সৈন্যবাহিনীয়ে সমবেত ৰাইজক খেদি পঠিওৱাৰ লগতে কেইবাজনো লোকক আটক কৰে। ১০ জানুৱাৰিৰ দিনা ইয়াৰ প্ৰতিবাদত কেইবাহেজাৰ লোক ৰঙিয়াত সমবেত হৈছিল আৰু তেওঁলোকৰ প্ৰতিনিধিয়ে জিলা ন্যায়ধীশক লগ ধৰি বন্দী কৃষকসকলক মুক্তি দিয়াৰ লগতে সাময়িকভাৱে বৰ্ধিত হাৰত ভূমি-ৰাজহ সংগ্ৰহ স্থগিত ৰাখিবলৈ দাবী জনায়। কিন্তু ন্যায়াধীশে তেওঁলোকৰ দাবী মানি লোৱাত উত্তেজিত ৰাইজে থানাত বলপূৰ্বক সোমাবলৈ চেষ্টা কৰে। ইয়াৰ লগে লগে চৰকাৰী বাহিনীৰ আক্ৰমণ আৰম্ভ হ'ল। জিলা উপায়ুক্তৰ নিৰ্দেশত গুলি চালনা কৰি কৃষকসকলক ছত্ৰভঙ্গ দিয়ালে।[31] তথ্যানুসৰি গুলিচালনা কাৰ্যত কোনো লোক হতাহত নহ'ল যদিও পাতিদৰং, নলবাৰী, বৰমা, বজালী আৰু উপৰ বৰভাগত আৰু সৰুক্ষেত্ৰী মৌজাত খাজনা সংগ্ৰহ কৰা চৰকাৰৰ বাবে কষ্টকৰ হৈ পৰিছিল।[32] কৃষকসকলৰ সংগ্ৰামী মনোভাব দমন কৰাৰ উদ্দেশ্যে চৰকাৰে এক আদেশৰ যোগেদি ৰঙিয়া, নলবাৰী, বৰমা আৰু বজালী আৰক্ষীক নিৰ্দেশ দিছিল। চৰকাৰী যন্ত্ৰই সমাজৰ সকলো শ্ৰেণীৰ লোকক শাস্তি হিচাপে মাটি কটাৰ দৰে কামতো লগাইছিল। ৰঙিয়াৰ কৃষকসকলৰ জাগ্ৰত চেতনাই সংগ্ৰামী ৰূপ ধাৰণ কৰাত সৰুক্ষেত্ৰী মৌজাৰ লাচিমাতো কৃষক-বিদ্ৰোহৰ সূত্ৰপাত ঘটিল। ২১ জানুৱাৰি তাৰিখে চৰকাৰে বলপূৰ্বক ৰাজহ-সংগ্ৰহ কৰিবলৈ বিচৰাত উত্তেজিত জনতাই মৌজাদাৰ আৰু এজন মণ্ডলক বেয়া ব্যৱহাৰ কৰিছিল আৰু বেয়াকৈ প্ৰহাৰ কৰাৰ ফলত মণ্ডলজনৰ মৃত্যু ঘটিছিল। পৰিস্থিতি অধিক বেয়ালৈ যাব বুলি ধৰি লৈ

চৰকাৰে প্ৰায় ৭৫জন লোকক বন্দী কৰে। কিন্তু ইয়াৰ প্ৰতিবাদত একেদিনাই কেইবাহাজাৰ মানুহে থানাত উপস্থিত হৈ বন্দী কেইজনক মুকলি কৰি নিয়ে। ২৫ জানুৱাৰিত পুনৰ ৫৯জন লোকক চৰকাৰে বন্দী কৰে। ইয়াৰ প্ৰতিবাদত প্ৰায় ৬০০০ লোক উপায়ুক্তৰ শিবিৰৰ সম্মুখত থিয় হয় আৰু গঞা ৰাইজে চহী কৰা এখন স্মাৰকপত্ৰ উপায়ুক্তৰ হাতত দাখিল কৰে আৰু বন্দী লোককেইজনক মুকলি কৰি দিবলৈ দাবী জনায়। কিন্তু সেই দাবীৰ প্ৰতি সঁহাৰি জনোৱাৰ পৰিৱৰ্তে পুলিচে বলপূৰ্বক জনতাক খেদি পঠিয়ালে।[৩৩] যিসকল ৰায়তে চৰকাৰৰ লগত আপোচ কৰা নাছিল সেইসকলক হালে হালে যুতি লৈ কান্ধত যুৱঁলি দি পথাৰত হাল টানিবলৈ লগাইছিল। এইয়া আছিল চৰকাৰৰ ফালৰপৰা দিয়া ৰাজহুৱা শাস্তিৰ দৃষ্টান্ত। মন কৰিবলগীয়া যে বৰপেটাৰ মহকুমাধিপতি মাধৱচন্দ্ৰ বৰদলৈৰ নেতৃত্বত এনে আসুৰিক অত্যাচাৰ চলিছিল।

কামৰূপ জিলাৰ বিভিন্ন ঠাইত ইতিমধ্যে উল্লেখ কৰা কৃষক-বিদ্ৰোহসমূহৰ প্ৰভাৱ মঙ্গলদৈৰ সমীপৱৰ্তী পথৰুঘাটতো পৰিছিল। পথৰুঘাটত হোৱা কৃষক-বিদ্ৰোহক দৰাচলতে ফুলগুৰিত হোৱা কৃষক-বিদ্ৰোহৰ পৰৱৰ্তী কালৰ দ্বিতীয়টো বৃহৎ কৃষক-বিদ্ৰোহ বুলি ক'ব পাৰি। ঋণ, কৰৰ বোজা আদিয়ে অঞ্চলটোৰ ৰায়তসকলক অৰ্থনৈতিকভাৱে জুৰুলা কৰিছিল। মফট মিলছে উল্লেখ কৰা মতে দৰং জিলাত ১৮৩২-৩৩ চনৰপৰা ১৮৪২-৪৩ চনলৈকে ভূমি-ৰাজহৰ হাৰ ৩ গুণলৈ বৃদ্ধি পাইছিল। ১৮৩২-৩৩ বৰ্ষৰ সংগৃহীত ৰাজহ ৪৩,৫৮৬ টকাৰপৰা ১৮৪২-৪৩ বৰ্ষত হৈছিলগৈ ১,৩৫,৪৫৪ টকা।[৩৪] ঊনৈছ শতিকাৰ শেষলৈ কৃষকসকলৰ আৰ্থিক অৱস্থা কেনে হ'ব পাৰে এনে তথ্যৰপৰা উপলব্ধি কৰিব পাৰি। জানিব পৰা মতে ইতিপূৰ্বে ১৮৬৮ চনত কৰবৃদ্ধিৰ প্ৰতিবাদত সেই সময়ৰ জিলা উপায়ুক্ত কৰ্নেল কম্বাৰ আৰু জিলা মহকুমাধিপতি জে জে এছ ড্ৰিবাৰ্গক পথৰুঘাট অঞ্চলৰ ৰাইজে পৰিদৰ্শন বঙলাত বহু সময় ধৰি ঘেৰাও কৰি ৰাখিছিল। উত্তেজিত একাংশ কৃষকে বঙলাটো জ্বলাই দিয়াৰ পৰিকল্পনা কৰিছিল যদিও কেইগৰাকীমান স্থানীয় প্ৰভাৱশালী ব্যক্তিৰ হস্তক্ষেপত কোনো অঘটন নঘটিল।[৩৫] ১৮৯২ চনত ৰাজহ-বৃদ্ধিৰ কথা ঘোষণা কৰাৰ লগে লগে পৰিস্থিতি সলনি হ'বলৈ ধৰে। ১৮৯৪ চনৰ ২৪ জানুৱাৰি তাৰিখে ছিপাঝাৰত এখন বিৰাট ৰাইজমেল বহিছিল য'ত বৰ্ধিত ৰাজহৰ বিষয়ে আলোচনা কৰা হৈছিল। ২৮ জানুৱাৰিত তেনে এখন মেলৰ আয়োজন কৰা হৈছিল পথৰুঘাটত। চৰকাৰে বুজিছিল যে এই মেলত বৰ্ধিত খাজনাৰ বিৰুদ্ধে আলোচনা হ'ব আৰু বৰ্ধিত ৰাজহ নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। ব্ৰিটিছ চৰকাৰৰ দৃষ্টিত মেল মানেই বিদ্ৰোহৰ পূৰ্বাভাস। গতিকে বিদ্ৰোহ আৰম্ভ হোৱাৰ পূৰ্বেই ৰাইজমেল ভঙ্গ কৰিবৰ বাবে জিলা উপায়ুক্ত এ জে এণ্ডাৰছনে মহকুমাধিপতি ৰেমছন আৰু পুলিচ বিষয়া জে আৰ বেৰিংটনক লগত লৈ ২৭ জানুৱাৰি তাৰিখে পথৰুঘাটত উপস্থিত হ'ল। দুৰ্ভাগ্যৰ কথা, জিলা উপায়ুক্তই দৰিদ্ৰ কৃষকৰ দুখ-দুৰ্গতিৰ বুজ লোৱাৰ পৰিৱৰ্তে কঠোৰ হাতেৰে আইন বলৱৎ



কৰিবলৈহে উদ্যত হৈছিল। তেওঁ ২৮ জানুৱাৰি পুৱাই যিসকল ৰায়তৰ বিৰুদ্ধে খাজনা সময়মতে নিদিয়াৰ অপৰাধত 'বাকিজাই' জাননী প্ৰেৰণ কৰা হৈছিল, সেইসকলৰ সম্পত্তি অধিগ্ৰহণ কৰিবলৈ বেৰিংটনক আৰু স্থানীয় তহছিলদাৰজনক আদেশ দিছিল। পথৰুঘাটৰ কৃষক-বিদ্ৰোহৰ তৎক্ষণিক কাৰণ ইয়াতেই। কৃষক ৰাইজে পৰিদৰ্শন বঙলাৰ সম্মুখত উপস্থিত হৈ বৰ্ধিত হাৰত খাজনা নিদিয়াৰ কথা দৃঢ়ভাৱে ঘোষণা কৰি আৰু খাজনাৰ হাৰ হ্ৰাস কৰাৰ বাবে জিলা উপায়ুক্তৰপৰা প্ৰতিশ্ৰুতি বিচৰিলে। উপায়ুক্তই কৃষক তথা ৰায়তসকলক খাজনা হ্ৰাস কৰাৰ প্ৰতিশ্ৰুতি দিয়াতো দূৰৰ কথা, বিক্ষোভকাৰীসকলক সেই ঠাইৰপৰা খেদি পঠিয়াবৰ বাবেহে আৰক্ষীক নিৰ্দেশ দিলে।[৩৬]

উপায়ুক্তৰ হঠকাৰী নিৰ্দেশ জ্বলা জুইত ঘিউ ঢলাৰ দৰে হ'ল। উত্তেজিত কৃষকসকলে চৰকাৰী বাহিনীক আগুৰি ধৰিলে। অন্যহাতেদি এই বাতৰি বিয়পি পৰাৰ লগে লগে হেজাৰ হেজাৰ ৰায়ত পৰিদৰ্শন বঙলাৰ আশে পাশে গোট খালেহি। তেওঁলোকে প্ৰয়োজন হলে বাঁহৰ লাঠি, ফলা বাঁহৰ টুকুৰা, কুঁহিয়াৰৰ টুকুৰা আদি হাতত লৈ চৰকাৰী বাহিনীক প্ৰতিহত কৰিবলৈ প্ৰস্তুত হৈছিল। চৰকাৰী পক্ষই পৰিস্থিতি অনুকূলে নিয়াৰ পৰিৱৰ্তে পথৰুঘাট ৰণাঙ্গনলৈ পৰিণত কৰিলে। উপায়ুক্তৰ লগত থকা চিপাহীয়েহে পোনতে বন্দুকৰ কুন্দাৰে আৰু বেয়নেটৰে কৃষকসকলক খেদি পঠিয়াবলৈ চেষ্টা কৰিছিল। সেই প্ৰচেষ্টা ব্যৰ্থ হোৱাত পুলিচ-বাহিনীয়ে নিৰীহ জনতাৰ ওপৰত গুলি চলাবলৈ ধৰে। লগে লগে সন্মুখতে থকা ভালেমান কৃষক গুলিবিদ্ধ হৈ মাটিত ঢলি পৰে। চৰকাৰী তথ্য অনুসৰি নিহতৰ সংখ্যা ১৫জন আৰু আহতৰ সংখ্যা আছিল ৩৭জন।[৩৭] যিসকল লোক আহত হৈছিল, সেইসকল লোকক ২/৩ মাহলৈ সশ্ৰম কাৰাদণ্ড দিছিল আৰু পুলিচ-বাহিনীয়ে ৰায়তৰ ঘৰ ক্ৰোক কৰি ৰাজহ আদায় কৰিছিল।[৩৮]

ঊনৈছ শতিকাৰ নামনি অসমৰ কৃষক-বিদ্ৰোহ অসমৰ বাহিৰতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ১৮৯৪ চনৰ ৫ ফ্ৰেব্ৰুৱাৰি তাৰিখে কলিকতাৰ *The Hindu Patriot* পত্ৰিকাত প্ৰকাশ পাইছিল: "According to official report the number of dead was fifteen, wounded thirty-seven, but the number of both was much higher"। আন এখন কাকত *The Indian Nation*ৰ ১৮৯৪ চনৰ ২১ এপ্ৰিলৰ সংখ্যাত কৃষকসকলৰ প্ৰতিটো দাবীয়ে "real not sentimental" বুলি প্ৰকাশ পাইছিল।[৩৯] উল্লেখযোগ্য যে দাক্ষিণাত্যত কৃষকসকলে মহাজন শ্ৰেণীৰ (moneylenders) বিৰুদ্ধে, ১৮৬০ চনত বঙ্গদেশত কৃষকসকলে নীল খেতিয়কসকলৰ (indigo-planters) বিৰুদ্ধে আৰু ১৮৭২ চনত পাবনাৰ কৃষকসকলে জমিদাৰসকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। কিন্তু ঊনৈছ শতিকাত অসমৰ কৃষকসকলে চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। চৰকাৰী শোষণ-নীতিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ গৈ অসমৰ কৃষকসকলে যি-দুৰ্ভোগ ভুগিবলগীয়া হৈছিল তাৰ বিৰুদ্ধে অসমত নৱজাত শিক্ষিত শ্ৰেণীৰ মাজত প্ৰতিবাদৰ জোৱাৰ উঠা

নাছিল। কিন্তু অসমৰ ৰাইজমেলৰ সংগ্ৰামী মানসিকতাৰ প্ৰতিধ্বনি শুনা গৈছিল কেন্দ্ৰীয় বিধান পৰিষদত ৰাসবিহাৰী ঘোষৰ কণ্ঠত। পথৰুঘাটৰ হত্যাকাণ্ডৰ বাবে ব্ৰিটিছ চৰকাৰক জগৰীয়া কৰি ঘোষে বিধান পৰিষদত আঠটা প্ৰশ্ন উপস্থাপন কৰিছিল। (২৯ মাৰ্চ, ১৮৯৪)। চৰকাৰে সদুত্তৰ দিব পৰা নাছিল। হেৰম্বকান্ত বৰপূজাৰীয়ে লিখিছে: "The replies given to these by the Government were vague and unsatisfactory. They were considered as 'misleading and inconsistent with fact' by leading newspapers of the time."[৪০]

উপৰুৱাকৈ চালে ঊনৈছ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহসমূহ ব্যৰ্থ হোৱা যেন লাগিলেও এই বিদ্ৰোহসমূহে সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিছিল। শোষণ আৰু অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ গৈ কৃষকসকলে দেখুৱাই যোৱা চৰম ত্যাগ ইতিহাসৰ পাতত চিৰস্মৰণীয় হৈ ৰৈছে। অন্যহাতেদি ব্ৰিটিছ চৰকাৰে অসমৰ ক্ষেত্ৰত অৱশেষত ৰাজহ-বৃদ্ধিৰ হাৰ ৩২.৭ শতাংশলৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰে। ৰাজহ-বৃদ্ধিৰ হাৰ কিছু দিনৰ পূৰ্বে হ্ৰাস কৰা হ'লে অসমৰ বহু কৃষক পুলিচৰ গুলিত নিহত নহ'লহেতেন আৰু বহু কৃষক জীৱনৰ বাবে ঘূণীয়া নহ'লহেতেন। যি কি নহওক, ঊনৈছ শতিকাৰ কৃষক-বিদ্ৰোহসমূহে অসমৰ কৃষকসকলক চৰকাৰৰ শোষণ-নিষ্পেষণৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবলৈ প্ৰেৰণা যোগাইছিল। শ্ৰুতিদেৱ গোস্বামীৰ ভাষাত "the widespread movements, based on the unity of the entire peasanty and a section of the non-cultivating landowners, hearalded the beginning of a new era of peasant awakening in Assam by effectively upholding the value and utility of organised resistance against governmental injustice." *India's Struggle for Independence* নামৰ গ্ৰন্থত সঠিকভাৱে কোৱা হৈছে: "...the indian peasants showed great courage and a spirit of sacrifice, remarkable organizational abilities and a solidarity that cut across religious and caste lines. They were also able to wring considerable concessions from the colonial state."[৪১]

## দুই

পথৰুঘাটৰ বিদ্ৰোহেই আছিল 'ৰাইজমেল'ৰ নেতৃত্বত হোৱা শেষ গুৰুত্বপূৰ্ণ কৃষক-বিদ্ৰোহ। ইয়াৰ পাছতেই অসমত কৃষক-আন্দোলনৰ নেতৃত্ব বহন কৰিছিল 'ৰায়তসভা'ই। ৰাইজমেলবোৰ কালক্ৰমত জনপ্ৰিতিনিধিত্বপূৰ্ণ ৰায়তসভালৈ পৰিৱৰ্তিত হয় আৰু এইবোৰক অসমৰ মধ্যবিত্ত শ্ৰেণীৰ লোকে সমৰ্থন কৰিবলৈ আগবাঢ়ি আহে। ৰায়তসভাসমূহে পূৰ্বৰ কৃষক-বিদ্ৰোহসমূহৰ মাৰমুখী আন্দোলনৰ পথ ত্যাগ কৰি সাংবিধানিক পথেৰে কৃষকৰ সমস্যাবোৰ সমাধান কৰাত গুৰুত্ব দিছিল। পথৰুঘাটৰ বিদ্ৰোহৰ পাছত যিবোৰ ৰায়তসভা গঠন হৈছিল সেইবোৰৰ



ভিতৰত তেজপুৰ ৰায়ত সভা আৰু নগাঁও ৰায়তসভাৰ নাম ল'ব পাৰি। এই ৰায়তসভাবোৰৰ বাহিৰেও আপাৰ আসাম এছ'চিয়েছন, যোৰহাট সাৰ্বজানিক সভা আদিয়েও কৃষকসকলৰ সমস্যা সম্পৰ্কে মাত মাতি আহিছিল। মধ্যবিত্ত শ্ৰেণীৰদ্বাৰা প্ৰভাৱান্বিত এই অনুষ্ঠানবোৰে কিন্তু কৃষকসকলক সংগঠিত কৰি চৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে প্ৰবল আন্দোলন গঢ়ি তুলিব পৰা নাছিল। সামগ্ৰিক নেতৃত্বৰ পৰিৱৰ্তে মধ্যবিত্ত-প্ৰভাৱিত ৰায়তসভাত কৃষকসকলে নিজৰ যি-নেতৃত্ব সেইয়া বহু পৰিমাণে হেৰুৱাই পেলাইছিল। ফলত কৃষক-বিদ্ৰোহ বা আন্দোলনবোৰৰ চৰিত্ৰও সলনি হৈছিল। মন কৰিবলগীয়া যে ঊনবিংশ শতাব্দীৰ ভাৰতবৰ্ষৰ কৃষক-বিদ্ৰোহ বা কৃষক-আন্দোলনবোৰৰ ঔপনিৱেশিকতাবাদী লক্ষ্য নাছিল। লক্ষ্য আছিল কৃষকসকলৰ ন্যায্য আৰ্থিক দাবীসমূহ পূৰণ কৰা আৰু বিদেশী কৃষিভিত্তিক কোম্পানি, জমিদাৰ আৰু মহাজনসকলৰ অন্যায়ৰ বিৰুদ্ধে থিয় দিয়া। অসমৰ কৃষক-বিদ্ৰোহবোৰৰ লক্ষ্যও আছিল তেনেধৰণৰ। চৰকাৰী ৰাজহ-বৃদ্ধিৰ বিৰুদ্ধে কৰা প্ৰতিবাদ আৰু ৰাজহৰ পৰিমাণ হ্ৰাস কৰাৰ দাবীত অসমৰ কৃষকসকলে বিদ্ৰোহ কৰিছিল। ঊনৈছ শতিকাৰ কৃষক-বিদ্ৰোহসমূহ একো একোটা এলেকাত আবদ্ধ হৈ ৰৈছিল। বিভিন্ন ঠাইত সময়ে সময়ে হোৱা বিদ্ৰোহবোৰৰ মাজত পৰস্পৰ যোগাযোগৰ অভাৱ আছিল। ফলত বিদ্ৰোহ বা আন্দোলনবোৰ বহু সময়ত ফলাফলহীনভাৱে স্থবিৰ হৈ পৰিছিল। যি কি নহওক, কুৰি শতিকাত কৃষকসকলৰ শোষণ-নিষ্পেষণবিৰোধী আন্দোলনবোৰ তথা কৃষকসকলৰ চেতনা সাম্ৰাজ্যবাদ তথা ঔপনিৱেশিক শাসনবিৰোধী সংগ্ৰামৰ লগত চামিল হৈ পৰিছিল। বিপনচন্দ্ৰ আদি ঐতিহাসিকৰ ভাষাত "Most of these weaknesses [of peasant movements] were overcome in the twentieth century when peasant discontent was merged with the general anti-imperialist discontent, and their political activity became a part of the wider anti-imperialist movement."[৪২]

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ঊনৈছ শতিকাৰ ৰাইজমেলবোৰ শতিকাটোৰ শেষৰ কেইবছৰমানৰপৰা লাহে লাহে স্তিমিত হৈ আহিবলৈ ধৰিছিল আৰু ইয়াৰ স্থানত ৰায়তসভাসমূহে কৃষকসকলৰ ভূমি-ৰাজহকে ধৰি বিভিন্ন সমস্যা নিজৰ মজিয়ালৈ আনিবলৈ লৈছিল। অৱশ্যে কুৰি শতিকাৰ প্ৰথম অৱস্থাত ছেগা ছোৰোকাকৈ দুই-এঠাইত কৃষকসকলে জমিদাৰৰ বিৰুদ্ধে আন্দোলন কৰাৰ উদাহৰণ আছে। উল্লেখযোগ্য যে জমিদাৰী এলেকাৰ কৃষকসকলৰ মাটিৰ ওপৰত কোনো ধৰণৰ অধিকাৰ নাছিল। ফলত জমিদাৰসকলে সঘনাই কৃষকক স্থানান্তৰ কৰিছিল। জমিদাৰে জোতদাৰৰ মাধ্যমেৰে কৃষকৰপৰা খাজনা আদায় কৰিছিল। কৃষকসকলে খাজনাৰ উপৰি জমিদাৰক দুৰ্গাপূজা, কালীপূজা, দোলযাত্ৰা, জমিদাৰ পৰিয়ালৰ লোকৰ তীৰ্থযাত্ৰা, জমিদাৰৰ পৰিয়ালৰ মৃত ব্যক্তিৰ শ্ৰাদ্ধ আদিৰ বাবে টকা দিবলগীয়া হৈছিল। ফলত কৃষকসকল আৰ্থিক দুৰৱস্থাত পৰিছিল। কেৱল সেয়ে

নহয়, কৃষক প্ৰজাই জমিদাৰৰ ঘৰৰ সন্মুখেদি জোতা পিন্ধি, ছাতি মেলি যাব নোৱাৰিছিল। সামাজিক আৰু অৰ্থনৈতিকভাৱে শোষিত কৃষকসকলে ৰায়তী স্বত্ব, খাজনা-বৃদ্ধি আৰু অবৈধ কৰ-সংগ্ৰহৰ বিৰুদ্ধে আন্দোলনৰ পথ লৈছিল। ১৯০৩ চনত বিজনীত তেনে ধৰণৰ আন্দোলন হৈছিল। গাৰো জনজাতি সম্প্ৰদায়ৰ নেতা সোণাৰাম চাংমাৰ নেতৃত্বত ১৯০৪ চনত হোৱা আন্দোলনে অবৈধ কৰ-সংগ্ৰহ বন্ধ কৰা, খাজনা হ্ৰাস কৰা, ৰায়তী স্বত্ব প্ৰদান কৰা আদি দাবী তুলিছিল।[৫৩] কিন্তু এই আন্দোলনবোৰ দীঘলীয়া নাছিল বা সফল হ'ব পৰা নাছিল। যি কি নহওক, ইতিমধ্যে উল্লেখ কৰা ৰায়তসভাবোৰ সক্ৰিয় হৈ উঠাৰ লগে লগে গ্ৰাম্য কৃষকসকলৰ সামগ্ৰিক নেতৃত্ব এচাম নতুন শিক্ষিত লোকৰ হাতলৈ গুচি যায়। অন্যহাতেদি ৰায়তসভাৰ নেতৃবৃন্দই ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত সম্পৰ্ক বজাই ৰখাত অসমৰ কৃষকসকলৰ সংগ্ৰামী সত্তা পোনতে জাতীয় কংগ্ৰেছৰ লগত আৰু পিছলৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগত চামিল হৈ পৰিল। উল্লেখযোগ্য যে ১৮৮৬ চনত কলিকতাত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ অধিবেশনত দেৱীচৰণ বৰুৱা আৰু গোপীনাথ বৰদলৈয়ে আপাৰ আসাম এছ'চিয়েচন আৰু সত্যনাথ বৰাই নগাঁও ৰায়তসভাৰ প্ৰতিনিধিত্ব কৰিছিল। একেদৰেই ১৮৮৭ চনৰ মাদ্ৰাজ অধিবেশনত আপাৰ আসাম এছ'চিয়েচনৰ হৈ ৰাধানাথ চাংকাকতী আৰু তেজপুৰ ৰায়তসভাৰ হৈ লক্ষ্মীকান্ত বৰকাকতীয়ে অংশগ্ৰহণ কৰিছিল।[৫৪] ৰায়তসভা বা তেনে ধৰণৰ সংগঠনবোৰে সময়ে সময়ে কৃষকসকলৰ সমস্যাবোৰ চৰকাৰৰ দৃষ্টিগোচৰ কৰি অহাত কৃষক-বিদ্ৰোহবোৰৰ শাম কাটিবলৈ ধৰিছিল। ১৮৮৪ চনত গঠিত হোৱা যোৰহাট সাৰ্বজনিক সভাই ইতিমধ্যে ৰাজহ-বৃদ্ধিৰ প্ৰতিবাদ জনাইছিল। ১৮৯২ চনৰ অক্টোবৰ মাহৰপৰা ১৮৯৩ চনৰ ফেব্ৰুৱাৰি মাহলৈকে সভাই কেইবাখনো সভা পাতিছিল আৰু ৰাজহ-বৃদ্ধিৰ প্ৰতিবাদ জনাইছিল।[৫৫] একেদৰে তেজপুৰ ৰায়তসভাই কৃষকসকলৰ সমস্যাৱলীক লৈ সচেতন আছিল আৰু কৃষিখণ্ডত তাৎক্ষণিক সংস্কাৰসাধনৰ দাবী জনাইছিল।

প্ৰথম বিশ্বযুদ্ধ, যুদ্ধোত্তৰ কালৰ (১৯২০-৩০) অৰ্থনৈতিক মন্দাৱস্থা, ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা আন্দোলন, সমাজবাদী-বাওঁপন্থী সংগঠন বা লোকৰ আবিৰ্ভাৱ আদিয়ে কৃষকসকলৰ মাজত এক নতুন চেতনাৰ জন্ম দিছিল। কুৰি শতিকাৰ কৃষকসকলক বহু সময়ত সমসাময়িক ৰাজনৈতিক ঘটনাৱলীয়ে প্ৰভাৱিত কৰিছিল আৰু সেইবোৰৰ মাজেদিয়েই তেওঁলোকে শোষণমুক্ত জীৱনৰ আকাঙ্ক্ষা ব্যক্ত কৰিছিল। এইখিনিতে থোৰতে কুৰিশ তিকাৰ অসমৰ কৃষকসকলৰ আৰ্থিক দুৰৱস্থাৰ বিষয়ে উনুকিয়াব পাৰি। দৰিদ্ৰ কৃষকসকলে খেতিৰ সময়ত মহাজনসকলৰপৰা বিশেষকৈ মাৰোৱাৰীসকলৰপৰা উচ্চহাৰত সুদ দি টকা ঋণ হিচাপে ল'বলগীয়া হৈছিল। ফলত তেওঁলোকে উৎপাদিত শস্যৰ উচিত মূল্য পোৱা নাছিল। ১৯২৭ চনৰ এটি চৰকাৰী তথ্যমতে বিশ্বনাথ আৰু উত্তৰ লখিমপুৰ অঞ্চলৰ কৃষকসকলৰ যাতায়াতৰ অসুবিধা হেতুকে বাহিৰৰ



বজাৰৰ লগত সম্পৰ্ক নাছিল। ফলত তেওঁলোকে উৎপাদিত সামগ্ৰী পানীৰ দৰত খেতি-পথাৰতেই ব্যৱসায়ীসকলক বিক্ৰী কৰিবলৈ বাধ্য হৈছিল। গতিকে তেওঁলোকৰ বাবে পুঁজি সঞ্চয় সম্ভৱ নাছিল।[৫৬] ১৯১২-১৩ বৰ্ষৰপৰা খাজনা পৰিশোধ কৰিব নোৱৰা ৰায়তৰ বিৰুদ্ধে চৰকাৰে সম্পত্তি বাজেয়াপ্ত কৰি দমনমূলক নীতি গ্ৰহণ কৰিছিল। ১৯১৬-১৭ বৰ্ষত ৰাজহ দিব নোৱৰাৰ বাবে চৰকাৰে ৫৩৬খন এষ্টেট (কৃষকৰ ব্যক্তিগত সম্পত্তি) বিক্ৰী কৰিছিল। ১৯৩৫-৩৬ আৰু ১৯৩৬-৩৭ বৰ্ষত ভূমি সম্পত্তিৰ বিক্ৰীৰ পৰিমাণ আছিল ৭২১৭খন এষ্টেট। কৃষকসকল চৰকাৰৰ আৰ্থিক স্বেচ্ছাচাৰিতাৰ উপৰি মহাজনসকলৰদ্বাৰা যে প্ৰতাৰিত হৈছিল তাৰ এখন ছবি কৃষ্ণনাথ শৰ্মাই ১৯০জন কৃষকৰ সাক্ষ্য গ্ৰহণ কৰি বিধানসভাত দাঙি ধৰিছিল এনেদৰে: "I found that if the actual cost of cultivation is taken into calculation in consideration of the profit and loss of our actual village cultivators, the village cultivators do not gain anything."[৫৭] ১৯২০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অহিংসা অসহযোগ আন্দোলনৰ মাধ্যমেৰে স্বৰাজ-লাভৰ আশাত দেশৰ অন্যান্য শ্ৰেণীৰ লগতে কৃষকসকলে তেওঁলোকৰ সংগ্ৰামী সত্তাক স্বাধীনতা সংগ্ৰামত চামিল কৰিছিল। এই ক্ষেত্ৰত গান্ধীজীৰ অস্পৃশ্যতা-বিৰোধী, খাদীৰ বিকাশ-সাধন, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু নাৰী-শিক্ষাৰ বিকাশ আদি গঠনমূলক আঁচনিয়ে দেশৰ সকলো শ্ৰেণীৰ লোকক অসহযোগৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ প্ৰেৰণা দিছিল। *India's Struggle for Independence*ত সঠিকভাৱে উল্লেখ কৰা হৈছে: "Constructive work played an important role in Gandhian strategy. It was primarily organised around the promotion of *Khadi*, spinning and village industries, national education and Hindu-Muslim unity, the struggle against untouchability and social upliftment of the Harijans and boycott of foreign cloth and liquor ... Constructive work had also the advantage of involving large number of people."[৫৮] অসমৰ কৃষকসকলেও অহিংস অসহযোগ আন্দোলনৰ লগত জড়িত হৈ তেওঁলোকৰ চৰকাৰবিৰোধী সংগ্ৰামক জাতীয় আন্দোলনৰ অংশীদাৰ কৰি তুলিছিল। কৃষকসকলৰ অংশগ্ৰহণেৰে অসমত অসহযোগৰ "no-tax campaign" কাৰ্যসূচীয়ে সফলতা লাভ কৰিছিল। দৰং জিলাৰ হলেশ্বৰ আৰু মহাভৈৰৱ মৌজা "no-tax" আন্দোলনৰ কেন্দ্ৰ লৈ পৰিছিল।[৫৯] লাহে লাহে "no-tax campaign" অসমৰ অন্যান্য জিলালৈ সম্প্ৰসাৰিত হৈছিল। উজনি অসমৰ আয়ুক্তই লিখিছিল: "What is surprising is that this idea [no-tax campaign] has permeated the whole district [Sivasagar] so completly reaching even the remotest villages and to old resident of Assam it is distressing to find a peaceful and friendly people turning against Government and European."[৬০] অসহযোগ আন্দোলনৰ কাৰ্যসূচী হিচাপে অসমৰ

বিভিন্ন ঠাইত পঞ্চায়ত গঠিত হৈছিল। কামৰূপ জিলাৰ বঙালপাৰা, বনগাঁও, ৰামপুৰ, পাঠশালা, পাটবাউসী, বামুণবাৰী, বৰবাক্ৰা আদি বিভিন্ন ঠাইত পঞ্চায়ত গঠন হৈছিল। একেদৰে নগাঁও জিলাৰ জাগিয়াল, ঘাহি, বাৰপূজীয়া, জালুগুটি আদি ঠাইত স্থানীয় বিবাদসমূহ কংগ্ৰেছ-পঞ্চায়তৰ মাধ্যমেৰে মীমাংসা কৰা হৈছিল। যোৰহাটত প্ৰায় ২৫০ পঞ্চায়ত গঠন হৈছিল। এইদৰে অসমৰ প্ৰতিখন জিলাত অসহযোগৰ সময়ত পঞ্চায়ত গঠন হৈছিল।[৫১] অসমৰ কৃষকসকলৰ সমৰ্থন-সহযোগ অবিহনে ই সম্ভৱ নহ'লহেঁতেন। জনজাতীয় কৃষকসকলৰ অসহযোগ আন্দোলনৰ প্ৰতি সঁহাৰি তথা তেওঁলোকৰ ত্যাগৰ কথা সুঁৱৰি তৰুণৰাম ফুকনে লিখিছে: "With all that amazing ingnorance and absolute poverty I found them [the tribal people] ready to respond to our call more promptly and ungrudgingly as many so-called educated people did not ... When I recall the the enthusiasm and the determined and concerted action of the Kacharis of Boko, their ready response, their sacrifices and sufferings, my heart bleeds even now. The Miris of Sibsagar, the Duflas of North Lakhimpur became our best workers and gave such splendid demonstrations of their sincerity and ability that the trained soldiers of the Government had to look at them with awe and admiration."[৫২] এইদৰেই অসমৰ কৃষকসকলে গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা-সংগ্ৰামৰ প্ৰথম পৰ্বত অংশগ্ৰহণ কৰি তেওঁলোকৰ সংগ্ৰামী শক্তি তথা ব্ৰিটিছবিৰোধী মনোভাবৰ পৰিচয় দিছিল। কে এন পানিক্কৰে কৃষক-আন্দোলন আৰু জাতীয় সংগ্ৰামৰ মাজত হোৱা সমন্বয়ৰ কথা ক'বলৈ গৈ কৈছিল: "This coalition created a sense of cohesion and solidariy among the peasantry. It also provided them an effective organisation."[৫৩] কিন্তু অসহযোগৰ সময়লৈকে কৃষকসকলক এক সুকীয়া শ্ৰেণী-সংগঠন হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টা চলোৱা হোৱা নাছিল।

যি কি নহওক, অসহযোগৰ পৰৱৰ্তী সময়ত ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো কৃষকসকলৰ বাবে এক সুকীয়া শ্ৰেণী-সংগঠন গঢ়ি তোলাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এই খিনিতে ক'ব পাৰি যে কৃষকসকলৰ বাবে ভূমি-ৰাজহৰ পৰিমাণ হ্ৰাস কৰা, কৃষকসকলক উচ্ছেদ অভিযান আৰু ঋণগ্ৰস্ততাৰপৰা মুক্ত কৰাকে ধৰি কিছুমান দীৰ্ঘদিনীয়া দাবীৰ ক্ষেত্ৰত বল্লভভাই পেটেলৰ নেতৃত্বত আৰম্ভ হোৱা বৰদলৈ সত্যাগ্ৰহ (১৯২০-২৯) এক যোগাত্মক পদক্ষেপ আছিল।[৫৪] ইতিমধ্যে ১৯৩০ চনৰ ২৬ জানুৱাৰি তাৰিখে আইন অমান্য আন্দোলন আৰম্ভ হয়। অসমৰ কৃষকসকল এই আন্দোলনত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত পিছ পৰি নাথাকিল। যিসকল কৃষকে পোনপটীয়াভাৱে আন্দোলনত অংশগ্ৰহণ কৰিব পৰা নাছিল সেইসকলে কংগ্ৰেছ-কৰ্মীসকলৰ বাবে থকামেলাৰ ব্যৱস্থা কৰাকে ধৰি বিভিন্ন ধৰণে সহায় কৰিছিল।



আনকি তেওঁলোকৰ ঘৰ-দুৱাৰ কংগ্ৰেছৰ সভাসমিতি অথবা প্ৰশিক্ষণৰ কেন্দ্ৰ হৈ পৰিছিল।[৫৫] আইন অমান্য আন্দোলনৰ মাজতেই স্থানীয় ভিত্তিত ভালেমান কৃষক-সংগঠনৰ জন্ম হৈছিল অথবা পূৰ্বৰ কিছুমান সংগঠন পুনৰ সক্ৰিয় হৈছিল। কিন্তু এই সংগঠনবোৰ তৃণমূল পৰ্যায়ত কংগ্ৰেছ-কৰ্মীসকলৰ লগত সম্পৰ্ক থকা সত্ত্বেও ৰাজনীতিকেন্দ্ৰিক নাছিল। বৰঞ্চ, কৃষকসকলৰ এই অনুষ্ঠানবোৰ ভূমি-ৰাজহ হ্ৰাস কৰা বা ৰাজহৰপৰা ৰেহাই দিয়া, কৃষিঋণৰ ব্যৱস্থা কৰা, গৰুগাড়ী আদিৰ ওপৰত থকা কৰ প্ৰত্যাহাৰৰ দাবীক লৈ ব্যস্ত আছিল। তেনে এখন সভা বহিছিল ১৯৩১ চনৰ এপ্ৰিল মাহত দৰং জিলাৰ বিশ্বনাথত। অনুষ্ঠানটিৰ নাম আছিল নন্দুৱাৰ ৰায়তসভা (সন্মিলন)। উক্ত সভাত মহিলাসহ কেইবা শতাধিক ৰায়তে অংশগ্ৰহণ কৰিছিল। নিশা জোৰ লৈ কৃষকসকলে সমদল উলিয়াইছিল, নেতৃত্ব দিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। অৱসৰপ্ৰাপ্ত ছাৰ্জন হৰেকৃষ্ণ দাসে কৃষকসকলৰ সাহস আৰু ত্যাগক লৈ আপ্লুত হৈছিল আৰু ভগৎ সিং, ৰাজগুৰু আৰু শুকদেৱৰ আত্মত্যাগৰ কথাৰে কৃষকসকলক নিজৰ দাবী আদায়ৰ বাবে আহ্বান জনাইছিল।[৫৬] একে বছৰতেই জুন মাহত ছয়দুৱাৰ ৰায়তসভা নামেৰে আন এখন ৰায়ত সভা বহিছিল গমিৰিত। প্ৰায় ৬০০ ৰায়তৰ উপস্থিতিত হোৱা সভাখনত সভাপতিত্ব কৰিছিল মাজুলীৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে।[৫৭] চাৰিদুৱাৰ ৰায়ত সন্মিলন বহিছিল বিহগুৰিত। অন্যহাতেদি ১৯৩১ চনৰ জুন মাহতেই যোৰহাটত অসম প্ৰাদেশিক ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছিল।[৫৮] শিৱসাগৰ জিলাত কমলচন্দ্ৰ শইকীয়াক সম্পাদক আৰু বাপুৰাম গগৈক সভাপতি হিচাপে লৈ চাৰিংশলগুৰি নামেৰে এখন ৰায়তসভা গঠন হৈছিল। এই ৰায়তসভাই বেলিমুখীয়া গ্ৰেজিঙৰপৰা (চৰণীয়া পথাৰ) কৃষকসকলক উচ্ছেদ কৰাৰ প্ৰতিবাদ জনাইছিল।[৫৯] বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা ৰায়তসভা বা ৰায়ত সন্মিলনবোৰে স্থানীয়ভাৱে কৃষকসকলক চৰকাৰৰ শোষণৰ বিৰুদ্ধে সংগ্ৰামী কৰি তোলাত সফল হৈছিল আৰু ইয়াৰদ্বাৰা প্ৰাদেশিক পৰ্যায়ত কৃষক সংগঠন গঢ়ি তোলাৰ পথ মুকলি কৰিছিল। ১৯৩৩ চনত যোৰহাটৰ তিলিকিআম নামে ঠাইত গান্ধীবাদী নেতা কৃষ্ণ শৰ্মাক সম্পাদক হিচাপে লৈ সদৌ অসম ৰায়তসভা গঠন হয়, য'ত অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা ২০০০/৩০০০ ৰায়তসভা একত্ৰিত হয়। প্ৰাদেশিক ৰায়তসভা বা সদৌ অসম ৰায়তসভাৰ দ্বিতীয়খন অধিৱেশন বহিছিল দেৰগাঁৱত। এই সন্মিলনতেই সভাৰ সংবিধান প্ৰস্তুত কৰা হৈছিল, সদস্যসকলৰ বাৰ্ষিক মাচুল এক অনাকৈ ধাৰ্য কৰা হৈছিল আৰু প্ৰতি বছৰে বাৰ্ষিক সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। সভাই ভূমি-ৰাজহ ৫০ শতাংশ হ্ৰাস কৰিবৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছিল। "ৰাইজেই ৰজা" সভাৰ শ্ল'গান হৈ পৰিছিল।[৬০] এয়াই আছিল প্ৰাদেশিক ভিত্তিত কৃষকসকলক একত্ৰিত কৰাৰ প্ৰথম প্ৰচেষ্টা।

ত্ৰিশৰ দশকৰ শেষৰ ফালে কংগ্ৰেছ ছ'চিয়েলিষ্ট পাৰ্টি, কমিউনিষ্ট লীগ আদিৰ দৰে দলবোৰ গঠন হোৱাৰ লগে লগে কৃষকসকলৰ সংগ্ৰামী সত্তাক

একত্ৰীকৰণ কৰাৰ প্ৰক্ৰিয়া খৰতকীয়া হৈ পৰিছিল। ১৯৩৮ চনত এচাম সমাজবাদী-মনোভাবাপন্ন কংগ্ৰেছী লোকে কৃষকসকলৰ স্বাৰ্থত সক্ৰিয় হৈ পৰিছিল। যদুনাথ শইকীয়া, খগেন তামুলী, ধীৰেন দত্ত প্ৰমুখ্যে এচাম সমাজবাদী লোকে ১৯৩৮ চনত গোলাঘাটত কৃষকসকলক লৈ হালোৱা সংঘ নামেৰে এটা অনুষ্ঠানৰ জন্ম দিছিল। পাছলৈ এই অনুষ্ঠানটোক গোলাঘাট জিলা কৃষকসভা নামেৰে নামকৰণ কৰা হৈছিল। সভাৰ প্ৰথম অধিৱেশন বহিছিল গোলাঘাটৰ বেতিয়নি নামে ঠাইত। সভাপতি আছিল নীলমণি ফুকন।[৬১] ধীৰেন দত্তই গোহাৰি-পত্ৰ বিতৰণ কৰি কৃষকসকলৰ মাজত ঔপনিৱেশিক চৰকাৰবিৰোধী অভিযান চলাইছিল। দত্তই *অভিযান* নামেৰে এখন কবিতা-পুথি ৰচনা কৰি কৃষকসকলৰ মাজত বিতৰণ কৰিছিল। গোলাঘাট কৃষকসভাৰ তৃতীয় অধিৱেশন বহিছিল কমাৰগাঁৱত (১৪ অক্টোবৰ ১৯৩৯)। এই অধিৱেশনত কৃষকসকলক কংগ্ৰেছৰ পতাকাৰ তলত সমৱেত হবলৈ আহ্বান জনোৱা হৈছিল আৰু ভূমি-ৰাজহ ৫০ শতাংশ হ্ৰাস কৰিবলৈ দাবী জনোৱা হৈছিল। খগেশ্বৰ তামুলী, যদুনাথ শইকীয়া আৰু ধীৰেন দত্তই সভাক বিপ্লৱী সংগ্ৰামৰ মঞ্চলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰা বুলি জনা যায়।[৬২] গোলাঘাট কৃষক সভাৰ মূল শ্ল'গান আছিল "নাঙ্গল যাৰ মাটি তাৰ", যাৰদ্বাৰা ভূমিৰ ওপৰত কৃষকসকলৰ দাবী স্বীকৃতি দিবলৈ বিচৰা হৈছিল।[৬৩] ১৯৩৮ চনৰ ৭ মাৰ্চ তাৰিখে শিৱসাগৰ জিলাৰ জাজিত এখন কৃষকসভা অনুষ্ঠিত হোৱা বুলি জনা যায়। সভাখনৰ প্ৰতি ভালেমান কংগ্ৰেছীয়ে সমৰ্থন জনাইছিল আৰু সভাই কৃষি-ক্ষেত্ৰখনত সংস্কাৰসাধনৰ দাবী কৰিছিল। তেনে এখন সভা পূৰ্বৰ লখিমপুৰ জিলাৰ টেঁঙাখাতভো বহিছিল য'ত সভাপতিত্ব কৰিছিল তেজাৰৰ হাজৰিকা নামৰ স্থানীয় ব্যক্তিয়ে। কমিউনিষ্ট নীতিত বিশ্বাসী বিনয়ভূষণ চক্ৰৱৰ্তী নামৰ এজন ডাক্তৰে সভাত ভাষণ প্ৰদান কৰিছিল।[৬৪]

নামনি অসমতো চৰকাৰৰ কৃষকবিৰোধী নীতিৰ প্ৰতিবাদ জনাবলৈ কৃষকসকল একত্ৰিত হোৱাৰ উদাহৰণ আছে। ১৯৩৮ চনৰ আক্টোবৰ মাহত কামৰূপ জিলাৰ ক্ষেত্ৰী অঞ্চলত এখন বৃহৎ কৃষকসভা অনুষ্ঠিত হৈছিল। সভাত জগদীশ মেধি নামৰ এগৰাকী কংগ্ৰেছীয়ে চৰকাৰৰ ভূমিনীতিক সমালোচনা কৰিছিল। যি-সময়ত প্ৰায় ৬ লাখ বিঘা মাটি খাজনাবিহীনভাৱে ইউৰোপীয় চাহ কোম্পানিবোৰে ভোগ কৰিছিল, সেই সময়ত অসমৰ কৃষকসকলে প্ৰতি বিঘা মাটিৰ বাবদ বছৰি ২ টকা ৮ অনা কৰ দিবলগীয়া হৈছিল। সভাত মেধিয়ে চৰকাৰৰ কৃষকবিৰোধী নীতিক সমালোচনা কৰিছিল।[৬৫] ইতিমধ্যে ১৯৩৩ চনত গোৱালপাৰাত এখন কৃষক সম্মিলন (সমিতি) গঠিত হৈছিল। এই সন্মিলনৰ প্ৰথম অধিৱেশন বহিছিল বালবালা নামে এখন ঠাইত, য'ত প্ৰায় ১৫০০০ মানুহ সমৱেত হৈছিল। কংগ্ৰেছৰ সমাজবাদী নেতা অমিয়কুমাৰ দাস এই সম্মিলনৰ সভাপতি আছিল। গোৱালপাৰা কৃষক সম্মিলনৰ দ্বিতীয়খন সভা দুধনৈত গোপীনাথ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। কৃষকসকলৰ বিভিন্ন অভাৱ-অভিযোগ পূৰণ কৰাৰ উপৰি সভাই ভূমি-



ৰাজহ হ্ৰাস কৰাৰ বাবে দাবী জনাই আহিছিল। ১৯৩৭ চনত নিখিল গোৱালপাৰা কৃষক সমিতি নামৰে এটা কৃষক সংগঠনৰ জন্ম হৈছিল। জিলাৰ বিভিন্ন ঠাইত সমিতিৰ শাখা গঠন হৈছিল আৰু সভাই শিক্ষা, খোৱাপানী, ভূমি-ৰাজহ আদি কৃষকৰ বিভিন্ন সমস্যা বৰ্ণনা কৰি জৱাহৰলাল নেহৰুলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। দধি মহন্তই উল্লেখ কৰামতে গোৱালপাৰা কৃষক সমিতি কংগ্ৰেছৰ বামপন্থী শিবিৰৰদ্বাৰা প্ৰভাৱিত হৈছিল। ১৯৪০ চনৰ ১৭-১৮ ফেব্ৰুৱাৰি তাৰিখে শালকোচা নামে ঠাইত বহা কৃষক সভাত (কিষাণ সভা) সভাপতিত্ব কৰিছিল নিখিল ভাৰত কৃষক সভাৰ সভাপতি স্বামী সহজানন্দ সৰস্বতীয়ে। এইখনেই আছিল নিখিল গোৱালপাৰা কৃষক সমিতিৰ অন্তিম সভা।[৬৬] মন কৰিবলগীয়া যে এই কৃষক সন্মিলন বা সভাসমূহ পৰিচালিত হৈছিল কংগ্ৰেছৰ সমাজবাদী নেতাসকলৰদ্বাৰা। স্বাভাৱিকতে এইবিলাক কংগ্ৰেছৰ শাখাস্বৰূপ হৈ পৰিছিল। যি কি নহওক, কৃষকসভাবোৰে অসমৰ কৃষকসকলৰ দীৰ্ঘদিনীয়া দাবীবোৰৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে অসমৰ কৃষকসকলৰ সংগ্ৰামী সত্তাক সজীৱ কৰি ৰাখিছিল। উল্লেখ কৰিব পাৰি যে ভাছানি নামেৰে খ্যাত আব্দুল হামিদ খানে গোৱালপাৰা জিলাৰ চৰ-চাপৰি অঞ্চলৰ কৃষকসকলক একত্ৰিত কৰি কৃষকসকলৰ স্বাৰ্থ আদায়ৰ বাবে চেষ্টা চলাইছিল। তেওঁ ১৯৩২ চনত প্ৰজা সন্মিলন নামেৰে এটা সংগঠন গঢ়ি তুলিছিল।

গোলাঘাটত হালোৱা সংঘ তথা গোলাঘাট জিলা কৃষকসভা গঠনৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। ইয়াৰ ঠিক আগে আগে, ১৯৩৬ চনৰ এপ্ৰিল মাহত, কংগ্ৰেছৰ ভিতৰতে থকা সমাজবাদী-কমিউনিষ্ট ভাবাপন্ন এচাম লোকৰ উদ্যোগত নিখিল ভাৰত কৃষক কংগ্ৰেছ গঠন হৈছিল। পাছলৈ ইয়াৰ নামকৰণ কৰা হৈছিল নিখিল ভাৰত কৃষক (কিষাণ) সভা। ব্ৰিটিছ চৰকাৰে কমিউনিষ্ট পাৰ্টিক অবৈধ বুলি ঘোষণা কৰা হেতুকে বামপন্থীসকলে কংগ্ৰেছৰ ভিতৰত থাকিয়েই কাম কৰিছিল।[৬৭] অমলেন্দু গুহই লিখিছে: "It [Communist Party] viewed the Congress as a national front of all anti-imperialist forces and was keen on using its platform."[৬৮] ১৯৪০ চনত হৰিদাস ডেকাই অসম কৃষক আৰু শ্ৰমিক দল (কৃষক-বনুৱা পঞ্চায়ত) নামেৰে এটা সংগঠন গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলাইছিল। কিন্তু সংগঠনটিয়ে পূৰ্ণাঙ্গ ৰূপ পোৱাৰ আগতেই ডেকাক চৰকাৰে আটক কৰিছিল। সংগঠনিক কামত ডেকাৰ লগত আছিল সেই সময়ৰ *The Times of Assam* কাকতৰ সম্পাদক কেদাৰনাথ গোস্বামী। গোস্বামীৰ সভাপতিত্বত ১৯৪০ চনৰ ২ মে তাৰিখে বহা এখন সভাত কৃষক-বনুৱা পঞ্চায়ত গঠন হৈছিল।[৭০] জানিব পৰামতে ১৯৪১ চনৰ ২৯ অক্টোবৰ তাৰিখে উত্তৰ কামৰূপ আৰু দক্ষিণ কামৰূপৰপৰা হেজাৰ হেজাৰ কৃষকে ১৮/২০ মাইল পৰ্যন্ত পদযাত্ৰাৰে গুৱাহাটীত উপস্থিত হৈ ভূমিহীন কৃষকৰ বাবে মাটি আবণ্টনৰ দাবীৰে শোভাযাত্ৰা কৰিছিল। শেষত জিলা উপায়ুক্তৰ বাসভৱন ঘেৰাও কৰি চৰকাৰ আৰু যুদ্ধবিৰোধী শ্ল'গান দি দাবী চনদ উপায়ুক্তৰ হাতত দিছিল। এইটো আছিল ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰথম

বৃহৎ কৃষক সমাৰেশ। একে বছৰতে কামৰূপ জিলাৰ বঙৰাত কৃষক-বনুৱা পঞ্চায়তৰ প্ৰথম সন্মিলন বহিছিল। সন্মিলনৰ দাবী আছিল খাজনা হ্ৰাস কৰা, আধিয়াৰৰ স্বাৰ্থ ৰক্ষা কৰা ইত্যাদি। বঙৰাৰপৰা গুৱাহাটীলৈ গোবিন্দ কলিতা, বিষ্ণু ৰাভা আদিৰ নেতৃত্বত এটি কৃষক সমদল ওলাইছিল।[৭০] কৃষক-বনুৱা পঞ্চায়তে লাহে লাহে নলবাৰী, টিহু, মঙ্গলপুৰ, বাঘমৰা, দক্ষিণ গোৱালপাৰা, মঙ্গলদৈৰ ভকতপাৰা অঞ্চললৈ প্ৰসাৰ লাভ কৰিছিল। ১৯৪৩ চনত অসমত আনুষ্ঠানিকভাৱে ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি (আৰ চি পি আই) গঠন হয়। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত অসমৰ কৃষক-আন্দোলনে এক নতুন মাত্ৰা লাভ কৰিছিল। ১৯৪৫ চনত কামৰূপ জিলাৰ পলাশবাৰীত (উপৰহালি) ভাৰতীয় কৃষক সভাৰ নেতা চৌকত ওচমানীৰ সভাপতিত্বত সদৌ কৃষক-বনুৱা পঞ্চায়তৰ সন্মিলন বহিছিল। এই সন্মিলনত বঙ্গ, বিহাৰ, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, মাদ্ৰাজ আদি প্ৰদেশৰপৰা কেইবাগৰাকী কৃষক-শ্ৰমিক নেতাই অংশগ্ৰহণ কৰিছিল। প্ৰায় ৫০,০০০ কৃষক-বনুৱাৰ উপস্থিতিত মুকলি অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনত কেদাৰনাথ গোস্বামীক সভাপতি, হৰেন কলিতাক সাধাৰণ সম্পাদক আৰু উপেন শৰ্মাক সহ-সভাপতি হিচাপে লৈ প্ৰাদেশিক ভিত্তিত সদৌ কৃষক-বনুৱা পঞ্চায়ত গঠন কৰা হৈছিল। হৰিদাস ডেকাই জনোৱা মতে ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ অধিৱেশনৰ পিছত এইখনেই বৃহৎ জনসমাৰেশ আছিল। উল্লেখযোগ্য যে ১৯৩৭ চনৰ পিছৰ ফালে আন্তৰ্জাতিক খ্যাতিসম্পন্ন কমিউনিষ্ট নেতা সৌমেন্দ্ৰনাথ ঠাকুৰৰ উদ্যোগত অসমত কমিউনিষ্ট লীগৰ সাংগঠনিক কমিটি গঠন হৈছিল। কমিটিয়ে পাণবজাৰত এটি ভাৰাঘৰ লৈ Radical Institute নামেৰে এক পাঠচক্ৰ আৰু ৰাজনৈতিক পুথিভঁড়াল প্ৰতিষ্ঠা কৰিছিল। পাছলৈ কমিউনিষ্ট লীগে বিপ্লৱী কমিউনিষ্ট পাৰ্টি নামলৈ আৰু কংগ্ৰেছৰ বাহিৰে ভিতৰে থকা কমিউনিষ্ট ছ'চিয়েলিষ্ট ভাবাপন্ন ভালেমান লোক সেই বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সদস্য হয়।[৭১] কৃষক-বনুৱা পঞ্চায়তৰ মুকলি অধিৱেশনৰ পাছৰপৰা আৰ চি পি আইৰ নেতাসকলে জিলাই জিলাই কৃষক পঞ্চায়ত সবল কৰিবৰ বাবে জিলা অধিৱেশন অনুষ্ঠিত কৰিছিল। ১৯৪৬ চনত কামৰূপ জিলাৰ বঙৰাগাঁৱত উত্তৰ প্ৰদেশৰ জনপ্ৰিয় নেতা শিৱনলাল চেক্সনাৰ সভাপতিত্বত কামৰূপ জিলা কৃষক-বনুৱা পঞ্চায়তৰ অধিৱেশন বহিছিল। ১৯৪৭ চনৰ ফ্ৰেব্ৰুৱাৰি মাহত ৩০ হেজাৰৰো অধিক কৃষকে প্ৰায় ৫০ মাইল পৰ্যন্ত খোজ কাঢ়ি আহি গুৱাহাটীত বিক্ষোভ প্ৰদৰ্শন কৰিছিল বুলি কমিউনিষ্ট আন্দোলনৰ নেতা বীৰেন ডেকাই উল্লেখ কৰিছে। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে "নাঙল যাৰ মাটি তাৰ", "মাটি কাৰ? খেতিয়কৰ", "লাল ঝাণ্ডা কি জয়", "বিপ্লৱবাদ কি জয়" আদি শ্ল'গান জনপ্ৰিয় কৰি তুলিছিল। খগেন বৰবৰুৱা, হৰিদাস ডেকা, গোবিন্দ কলিতা, উপেন শৰ্মা আদি এচাম নেতাই কৃষকসকলক চৰকাৰী ভূমি উচ্ছেদ নীতি প্ৰতিহত কৰিবলৈ আহ্বান জনাইছিল। লগতে দৰিদ্ৰ কৃষকসকলক পতিত কৃষি উপযোগী ভূমি দখল কৰিবলৈ উৎসাহিত কৰিছিল।[৭২] ১৯৪৭ চনত শিৱসাগৰৰ নামতিত



বিষ্ণুপ্ৰসাদ ৰাভাৰ সভাপতিত্বত কৃষক-বনুৱা পঞ্চায়তৰ অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনত বিষ্ণুপ্ৰসাদ ৰাভাক সভাপতি আৰু হৰিদাস ডেকাক সম্পাদক হিচাপে লৈ প্ৰাদেশিক কমিটি নতুনকৈ গঠন কৰা হয়। লগতে আধিয়াৰ আন্দোলন আৰু কৃষকৰ বাবে মাটিৰ দাবীত কৃষক-আন্দোলনক আগুৱাই নিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। নগাঁও জিলাতো বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত কৃষক-আন্দোলন গঢ় লৈ উঠিছিল। নেতৃত্ব দিছিল ছত্ৰসিং টেৰণ, বাণেশ্বৰ শইকীয়া, জম্বৰু শইকীয়া, কমল বৰবৰা, দেৱ বৰা প্ৰমুখ্যে নেতাসকলে। এই সকল লোকক সংগঠনৰ ক্ষেত্ৰত খোৱাঙৰ (ডিব্ৰুগড়) মিলি হাজৰিকা, পানীৰাম শইকীয়া, গুৱাহাটীৰ শৈলেন মেধি, গোপাল দাস, যোগেন কলিতা, নীহাৰ মুখাৰ্জী প্ৰমুখ্যে পাৰ্টি নেতাসকলে।[৭৩] নামনি অসমৰ দৰে উজনি অসমতো কৃষক সভাৰ সংগঠনৰ কাম আৰম্ভ হৈছিল। গোলাঘাট জিলাৰ বহুপথাৰত সংগঠনৰ নেতৃত্ব দিছিল নবীন বৰা, গণেশ গগৈ আদি নেতাসকলে। যোৰহাটৰ তিতাবৰ, মাধপুৰ আদি ঠাইত আধিয়াৰ কৃষকসকলৰ মাজত সংগঠন হৈছিল। ১৯৪১ চনত কৃষকসভাই বোকাখাতৰ কছুভেটা গ্ৰাণ্ট ভূমিহীনৰ বাবে দখল কৰাৰ আন্দোলন কৰিছিল। ঢেকিয়াল, আঠগাঁও, কাকডোঙা, মৰঙ্গী, সৰুপথাৰ আদি ভালেমান অঞ্চলত কৃষকসভাৰ শাখা গঠন কৰা হৈছিল। নেতৃত্ব দিছিল ৰমা শইকীয়া, যোগেশ্বৰ শইকীয়া, কেৰাই সোণোৱাল, বঙাই মেধি, দণ্ড শইকীয়া, টঙ্ক টামুলি, মঙ্গলা বৰা আদি নেতাসকলে।[৭৪]

১৯১৭ চনৰ নৱেম্বৰ মাহত ৰাচিয়াত কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত শ্ৰমিক শ্ৰেণী, কৃষকসকল, বিপ্লৱী সেনাবাহিনীৰ মিত্ৰ জোঁটে জমিদাৰ-মহাজন, ধনিক-বণিক শ্ৰেণীৰ অপশাসনৰ ওৰ পেলাইছিল। এই বাতৰিয়ে ভাৰতৰ স্বাধীনতাকামী তৰুণ প্ৰজন্মৰ ওপৰত প্ৰভাৱ পেলাইছিল আৰু তেওঁলোকৰ সংগ্ৰামী মনক মুক্তিৰ স্পৃহাৰে উদ্দীপিত কৰি তুলিছিল। ইতিমধ্যে ১৯২০ চনৰ অক্টোবৰ মাহত মানবেন্দ্ৰনাথ ৰায়ৰ নেতৃত্বত তাছখণ্ডত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (Communist Party of India) নামেৰে এটা গোট গঠিত হয়। দেশৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা কমিউনিষ্ট সংগঠনবোৰেও কমিউনিষ্ট পাৰ্টিৰ প্ৰতি আকৃষ্ট হয় আৰু সকলোবোৰ সংগঠন ১৯২৫ চনৰ ডিচেম্বৰ মাহত (২৬ ডিচেম্বৰ-২৮ ডিচেম্বৰ) কানপুৰত একত্ৰিত হৈ আনুষ্ঠানিকভাৱে ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠন কৰে। ইয়াতেই এছ ভি ঘাটেক কেন্দ্ৰীয় সমিতিৰ সম্পাদক হিচাপে নিযুক্তি দিয়া হৈছিল। কৃষক-শ্ৰমিকসকলৰ সৰ্বাঙ্গীণ বিকাশসাধন আৰু কৃষকৰ শোষক-গোষ্ঠীৰ হাতোৰাৰপৰা মুক্ত কৰাই আছিল পাৰ্টিৰ প্ৰথম লক্ষ্য। অসমৰ গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, শিৱসাগৰ, গোৱালপাৰা আদি ঠাইত কমিউনিষ্ট গ্ৰুপ গঠন কৰা হৈছিল। অৱশেষত ১৯৪৩ চনৰ ৩০ জানুৱাৰি তাৰিখে গোলাঘাটত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ৰাজ্যিক সংগঠনৰ জন্ম হৈছিল। যদু শইকীয়া ৰাজ্যিক সংগঠনৰ সম্পাদক হিচাপে নিৰ্বাচিত হয়।[৭৫] ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ভালেমান ৰাজ্যিক সদস্যও ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসম শাখাত যোগদান কৰিছিল। তীৰ্থেশ্বৰ তামুলীয়ে

লিখিছে: "১৯৪৩ চনত গোলাঘাটতে অসমৰ প্ৰথম কমিউনিষ্ট পাৰ্টি গঠন হ'লেও ১৯৪৪ চন পৰ্যন্ত কমিউনিষ্টসকলে কংগ্ৰেছৰ ভিতৰতে কংগ্ৰেছ ছ'চিয়েলিষ্ট হিচাপে থাকি সংগঠনৰ কাম কৰিছিল। ১৯৪৪ চনত কমিউনিষ্টসকল কংগ্ৰেছৰ ভিতৰৰপৰা ওলাই আহে। তেতিয়াৰপৰা নিখিল ভাৰত কৃষকসভা হৈ পৰে কমিউনিষ্ট পাৰ্টিৰ এটা গণসংগঠন।"[৭৬] ১৯৪৬ চনত নগাঁৱৰ থেকেৰাগুৰিত ৰাজ্যিক কৃষকসভাৰ (সন্মিলন) প্ৰথম অধিৱেশন অনুষ্ঠিত হয়।[৭৭] ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ইয়াৰ সংগঠন ভাৰতৰ কৃষকসভাৰ জন্ম ভাৰতৰ তথা অসমৰ কৃষক সংগ্ৰামৰ গতিপথত এক যোগাত্মক দিশ হৈ পৰিল। উল্লেখযোগ্য যে বিশ্বযুদ্ধৰ সময়ছোৱাত কমিউনিষ্টসকলে অসমৰ কৃষকসকলক এক নতুন আদৰ্শৰে উদ্বুদ্ধ কৰিবলৈ সমৰ্থ হৈছিল। সুৰমা উপত্যকাৰ কমিউনিষ্ট নেতা বীৰেশ মিশ্ৰই সঘনাই ব্ৰহ্মপুত্ৰ উপত্যকা ভ্ৰমণ কৰিছিল আৰু ভূস্বামী আৰু চৰকাৰে কৃষকসকলক শোষণ কৰাৰ বিষয়টো সভাই সমিতিয়ে ব্যাখ্যা কৰিছিল। তেওঁৰ ভাষাত কৃষকসকল হ'ল: "Backbone of the society but they were worst sufferers"। মিশ্ৰৰ ব্ৰহ্মপুত্ৰ উপত্যকা ভ্ৰমণ কৃষকসকলৰ বাবে আছিল অত্যন্ত উৎসাহজনক।

## তিনি

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। ভাৰত ত্যাগ কৰাৰ পূৰ্বে ব্ৰিটিছ শাসকে দেশখনক খণ্ডিত ৰূপত এৰি থৈ গ'ল। মন কৰিবলগীয়া যে দেশৰ কৃষকসকলে স্বাধীনতা-সংগ্ৰামৰ প্ৰতিটো পৰ্যায়ত সক্ৰিয় ভূমিকা পালন কৰি আহিছিল। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনে গণ-আন্দোলনৰ ৰূপ পাইছিল মূলত কৃষকসকলৰ ত্যাগৰ বিনিময়ত। ছ'চিয়েলিষ্টসকলৰ নেতৃত্বতেই হওক বা বিপ্লৱী কমিউনিষ্ট দলৰ ছত্ৰছায়াতেই হওক অথবা ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ লগত থাকিয়েই হওক ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমৰ কৃষকসকলেও শাসক পক্ষ বা মাটিৰ মহাজন-জমিদাৰসকলৰ শোষণৰপৰা স্থায়ীভাবে মুক্ত হোৱাৰ আকাঙ্ক্ষাৰে স্বাধীনতা-সংগ্ৰামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৫ আগষ্টত গুৱাহাটীত অনুষ্ঠিত স্বাধীনতা উৎসৱৰ সমাৰেশত গোপীনাথ বৰদলৈয়ে তেওঁৰ ভাষণত কৈছিল: "আজিৰপৰা মানুহৰ ওপৰত সকলো ধৰণৰ অবিচাৰ, অত্যাচাৰ আৰু জমিদাৰ-মহাজনৰ শোষণ বন্ধ হ'ল।"[৭৮] দেশৰ অন্যান্য শ্ৰেণীৰ লগতে কৃষকসকলো আপ্লুত হৈছিল। কিন্তু দেশে স্বাধীনতা লাভ কৰিলে যদিও কৃষক বনুৱাৰ অৱস্থা উন্নত হ'ল বুলি ক'ব নোৱাৰি। বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে দেশ স্বাধীন হোৱা বুলি মানি নল'লে। পাৰ্টিৰ মতে এই স্বাধীনতা সাম্ৰাজ্যবাদী শাসক আৰু ভাৰতৰ বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বৰ মাজত পৰস্পৰৰ স্বাৰ্থৰক্ষাৰ প্ৰয়োজনত এক আপোচ আৰু সেয়েহে এই স্বাধীনতা ভুৱা স্বাধীনতা আৰু প্ৰকৃত স্বাধীনতাৰ বাবে সংগ্ৰাম আধৰুৱা হৈ ৰৈছে। অন্যহাতেদি ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়েও এই



স্বাধীনতাক অন্তৰৰে আদৰণি নজনালে। কৃষক-আন্দোলনৰ প্ৰসংগত কমিউনিষ্ট দলৰ স্থিতি সম্পৰ্কে এই কাৰণেই উনুকিওৱা হৈছে যে অসমৰ কৃষক-আন্দোলনবোৰৰ লগত ভাৰতৰ কমিউনিষ্ট পাৰ্টি অথবা বিপ্লৱী কমিউনিষ্টৰ সম্পৰ্ক আছিল গুৰুত্বপূৰ্ণ।

বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে ভাৰতৰ স্বাধীনতাক "য়ে আজাদী ঝুঠী হ্যায়" বুলি ঘোষণা কৰি কামৰূপ, গোৱালপাৰা, শিৱসাগৰৰ বহু এলেকাত কৃষক-বনুৱা পঞ্চায়তৰ উদ্যোগত শক্তিশালী কৃষক-আন্দোলন গঢ়ি তোলে। আন্দোলনৰ মূল দাবী আছিল কৃষকসকলক মহাজনী ঋণৰপৰা মুক্ত কৰা, আধিখোৱা কৃষকক মাটিৰপৰা উচ্ছেদ বন্ধ কৰা, আধিৰ পৰিৱৰ্তে মাটিৰ মালিকক তিনিভাগৰ এভাগ দিয়া আৰু ভূমিহীনক ভূমি দিয়া। ইতিমধ্যে ১৯৪৮ চনত পশ্চিমবঙ্গৰ বীৰভূম জিলাৰ কেপাই (জগাই) গাঁৱত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সৰ্বভাৰতীয় সন্মিলন বহিছিল, য'ত শ্ৰেণীগত কৃষক-বনুৱা আন্দোলনক আগুৱাই নি সশস্ত্ৰ সংগ্ৰামৰ জৰিয়তে আঞ্চলিক ক্ষমতা দখলৰ আঁচনি লোৱা হয়।[৭৯] পাৰ্টি দেশীয় চৰকাৰৰ কোপদৃষ্টিত পৰিল। হৰিদাস ডেকাই লিখিছে: "... ১৯৪৮ চনৰ এপ্ৰিল মাহত পশ্চিমবঙ্গৰ বীৰভূমৰ জগাইত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সৰ্বভাৰতীয় অধিৱেশন বহে। উক্ত অধিবেশনত পাৰ্টিয়ে ভাৰতবৰ্ষত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যৰে আঞ্চলিক ক্ষমতা দখলৰ যোগেদি মুক্ত অঞ্চল গঠনৰ সংগ্ৰামী পথ গ্ৰহণ কৰে। চৰকাৰে লগে লগে পাৰ্টিক বে-আইনী ঘোষণা কৰে।"[৮০] অধিৱেশনৰ পিছতেই বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ৰাজ্যিক নেতা হৰিদাস ডেকা, তৰুণসেন ডেকা, উপেন দাস, মোহনলাল মুখাৰ্জী, অৰবিন্দ ঘোষ, নীৰেন লাহিড়ী, হৰেন কলিতা, বিষ্ণুপ্ৰসাদ ৰাভা, গোবিন্দ কলিতা, চিন্তাহৰণ কলিতা, খগেন্দ্ৰনাথ বৰুৱা, কামিনী শৰ্মা, উমা শৰ্মা আদি নেতাসকলক চৰকাৰে গ্ৰেপ্তাৰ কৰে। ইয়াৰ মাজতে দৰং জিলাৰ ভকতপাৰাত চৰকাৰী পুলিচ বাহিনীয়ে কৃষক পঞ্চায়ত কৰ্মী কাতিৰাম কছাৰীক গুলীয়াই হত্যা কৰে, বহু কৃষকক আহত কৰে। ইফালেদি গুৱাহাটীৰ বেলতলাৰ কৃষক-গাভৰু প্ৰিয়া ৰংপীপিক বন্দুকেৰে খুন্দিয়াই হত্যা কৰে। পুলিচৰ অত্যাচাৰৰ বিৰুদ্ধে হেজাৰ হেজাৰ কৃষকে সশস্ত্ৰ বিপ্লৱৰ প্ৰস্তুতি চলাইছিল। কিন্তু পুলিচে বিপ্লৱী কমিউনিষ্ট দলৰ বহু সদস্যক গ্ৰেপ্তাৰ কৰে। ১৯৫৩ চনত পাৰ্টিৰ প্ৰায়বোৰ কৰ্মীয়েই জেলৰপৰা মুক্তি পায় আৰু সেই বছৰত বাসুগাঁৱত পাৰ্টিৰ অধিৱেশন বহে। উক্ত অধিৱেশনত পাৰ্টিয়ে গণতান্ত্ৰিক আন্দোলনৰ পথ গ্ৰহণ কৰে। ইয়াৰ লগে লগে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ অধীনত কৃষক-আন্দোলনৰ গতি মন্থৰ হৈ পৰে।[৮১]

স্বাধীন ভাৰতবৰ্ষত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চিপিআই)য়ে (CPI) এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। কৃষকসভাৰ মাধ্যমেৰে পাৰ্টিৰ স্থিতি মজবুত কৰাৰ লগতে কৃষকসকলৰ স্বাৰ্থপূৰণৰ ক্ষেত্ৰত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে নেতৃত্ব বহন কৰি আহিছে। অসমৰ আধিয়াৰসকলৰ অধিকাৰ সুৰক্ষা, ৰায়ত কৃষকৰ ৰায়তী

স্বত্ব ৰক্ষা, কৃষক উচ্ছেদ বন্ধ কৰা, দখলি নাগৰিকক চৰকাৰী পতিত মাটিত আৰু খেতিৰ উপযোগী বনাঞ্চলৰ মাটিত পত্তনৰ দাবীত অসম ৰাজ্যিক কৃষক সভাই সময়ে সময়ে কৃষক-আন্দোলন সংগঠিত কৰি আহিছে। ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ বছৰতে গুৱাহাটীৰ বেলতলা অঞ্চলত এক বৃহৎ কৃষক-আন্দোলনৰ সূচনা হৈছিল। আমবাৰী, ফটাশিল, ধীৰেনপাৰা, মানাপাৰা, দাতালপাৰা, গণেশপাৰা, সাউকুচি, বেতকুচি, লখৰা, গড়চুক, আহোমগাঁওকে ধৰি বেলতলা মৌজাৰ এক বৃহৎ অংশৰ কৃষকে মাটিৰ মালিকৰ শোষণৰ বিৰুদ্ধে পোনতে ট্ৰাইবেল লীগ আৰু বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত আন্দোলনত নামিছিল। পিছলৈ ভাৰতৰ কমিউনিষ্ট পাৰ্টিও এই আন্দোলনত সক্ৰিয়ভাবে জড়িত হৈ পৰে। পোনতে আন্দোলনৰ নেতৃত্ব দিয়াসকলৰ ভিতৰত এজন অগ্ৰণী ব্যক্তি আছিল হেমাঙ্গ বিশ্বাসৰ 'কুল খুড়া' — কুলচন্দ্ৰ বসুমতাৰী। অন্যান্যসকলৰ মাজত আছিল জেতুকী দৈমাৰী, গৌৰী দৈমাৰী, গহন দৈমাৰী, ধীৰেশ্বৰ বড়ো, কালীচৰণ বসুমতাৰী আদি ব্যক্তিসকল। আধিয়াৰ কৃষকসকলে মাটিৰ মালিকৰ ঘৰত ধান দিবলৈ নোযোৱাৰ সিদ্ধান্ত লোৱাৰ লগতে প্ৰতি বিঘাই ডেৰ মোনকৈ ধান খাজনা হিচাপে দিয়াৰ সিদ্ধান্ত লৈছিল। তেওঁলোকে পথত শোভাযাত্ৰা কৰি 'ইনকিলাব জিন্দাবাদ', 'জমিদাৰী মহাজনী শোষণ বন্ধ কৰক', 'খাজনাৰ হাৰ কমাই লোৱা, কমাই লোৱা' আদি ধ্বনি দিছিল।[৮২] কমিউনিষ্ট আন্দোলনৰ নেতা প্ৰাণেশ বিশ্বাসে *স্মৰণে মননে* নামৰ পুথিত লিখিছে: "১৯৪৭ সালের শেষ দিকে পার্টির আসাম প্রাদেশিক সংগঠক কমিটির সভা চলাকালীন হঠাৎ দেখা যায় রাস্তায় লাল ঝাণ্ডা নিয়ে কৃষকদের" এক বিরাট মিছিল যাচ্ছে। ... কারা এই মিছিল পরিচালনা করছে এই ভেবে আমরা বিস্মিত হই। সভায় সিদ্ধান্ত হয় যে আমাকে এই অঞ্চলে গিয়ে কৃষকদের সঙ্গে যোগাযোগ স্থাপন করে কৃষক সংগঠন গড়ে তোলাৰ দায়িত্ব নিতে হবে।'"[৮৩] প্ৰাণেশ নাথ, কনক নাথ, ধীৰেশ্বৰ কলিতা, নন্দেশ্বৰ তালুকদাৰ আদি নেতা সকলো কৃষক-আন্দোলনৰ নেতৃত্বত নামি পৰিছিল। দুৰ্ভাগ্যৰ কথা যে চৰকাৰে বেলতলা মৌজাক উপদ্ৰুত অঞ্চল বুলি ঘোষণা কৰিলে, কৃষকৰ সম্পত্তি ক্ৰোক কৰিলে। ইয়াৰ পাছতেই কৃষক-আন্দোলনৰ মূল নেতাসকলক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। পুলিচৰ নিষ্ঠুৰতাই কৃষকসকলক আন্দোলনৰপৰা পিছুৱাই পঠিয়ালে।

স্বাধীন ভাৰতবৰ্ষত গোলাঘাট জিলাৰ দৈয়াং-টেঙানিৰ কৃষক-আন্দোলন অসমৰ কৃষক-আন্দোলনৰ ইতিহাসত উল্লেখযোগ্য অধ্যায়। ইতিমধ্যে গোলাঘাটৰ তৰাণি আৰু গমাৰি অঞ্চলত এটা কৃষক-বিদ্ৰোহ হৈছিল। ১৯৫০ চনৰ বৰ ভূঁইকম্পৰ ফলত মহৰা মৌজা, মাজুলী, বোকাখাতৰ ধনশ্ৰীমুখ অঞ্চল গৰাখহনীয়াৰ কবলত পৰে। ভূমিহীন কৃষকসকলে কৃষকসভাৰ নেতৃত্বত সংস্থাপনৰ বাবে আৱেদন জনাই ব্যৰ্থ হয় আৰু শেষত তেওঁলোকে তৰাণি আৰু গমাৰি বনাঞ্চলৰ মাটি দখল কৰে। প্ৰায় ১০ বছৰ ধৰি উক্ত অঞ্চলত খেতি কৰি থকাৰ পাছত ১৯৬২ চনৰ ২১ নৱেম্বৰ তাৰিখে চৰকাৰে তৰাণি-গমাৰি অঞ্চলৰ কৃষকসকলক উচ্ছেদ কৰে।



চৰকাৰী পুলিচ-বাহিনীয়ে আনকি কৃষকৰ ঘৰবাৰী জ্বলাই অত্যাচাৰ কৰিছিল। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ গণসংগঠন কৃষক সভাই চৰকাৰৰ উচ্ছেদ নীতিৰ বিৰুদ্ধে থিয় হৈছিল। নেতৃত্ব দিছিল তীখেশ্বৰ তামুলী, ধীৰেন দত্ত, যদু শইকীয়া আদি কৃষক নেতাসকলে। অৱশেষত উচ্ছেদ কৰা কৃষকসকলক পুনৰ সংস্থাপন কৰিবলৈ বাধ্য হয়।[৮৪] গোলাঘাট জিলাৰ দক্ষিণ দিশত দৈয়াং আৰু ধনশিৰিৰ নৈৰ মাজৰ এলেকাটোকেই সামগ্ৰিকভাৱে টেঙানি নামেৰে জনা যায়। এসময়ৰ নামবৰ বনাঞ্চলৰ উত্তৰ খণ্ডৰ তথা সৰুপথাৰ মৌজাৰ এই অঞ্চলটোত কৃষক সভাৰ নেতৃত্বত ১৯৫৪ চনত প্ৰায় ৩০০তকৈ অধিক ভূমিহীন পৰিয়ালে ১৭ নং টেঙানি সংৰক্ষিত বনাঞ্চল দখল কৰে বুলি তীখেশ্বৰ তামুলীয়ে উল্লেখ কৰিছে। এই অঞ্চলটোত মাজুলী, বোকাখাত, ৰঙাগড়া আদি অঞ্চলৰ বানাক্ৰান্ত লোকে বসতি স্থাপন কৰিবলৈ বুলি আহিছিল। তদুপৰি কমাৰগাঁও, খুমটাই, তিতাবৰ আদি ঠাইৰ ভূমিহীন পৰিয়ালে ঠেঙানি অঞ্চলত মাটি ভাঙি বসবাস কৰিছিল। কিন্তু ১৯৬৪ আৰু ১৯৬৬ চনত টেঙানিৰ খেতিয়কসকলক নানা উৎপীড়ন কৰি উচ্ছেদ কৰা হৈছিল। কৃষক-আন্দোলনৰ নেতা তীখেশ্বৰ তামুলী, লক্ষ্যেশ্বৰ বৰা, পোনা শইকীয়া আৰু ৰমা গগৈক পুলিচে গ্ৰেপ্তাৰ কৰিছিল। উপায়ান্তৰ নেদেখি ১৯৬৯ চনত কৃষক সভাই গোলাঘাট মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত ধাৰাবাহিকভাৱে অনশন কাৰ্যসূচী পালন কৰে। একে সময়তে গোলাঘাট নগৰত দুটাকৈ বিৰাট জনসমাৱেশ হোৱা বুলি জানিব পাৰি। তাৰ পাছতেই চৰকাৰে উচ্ছেদ অভিযান বন্ধ ৰাখে।[৮৫] কিন্তু অঞ্চলটোৰ কৃষকসকলৰ সমস্যা আজিও অমীমাংসিত হৈ ৰৈছে। উল্লেখযোগ্য যে দৈয়াং এসময়ৰ দৈয়াং বনাঞ্চলৰ ভিতৰত আৰু বৰ্তমান গোলাঘাট জিলাৰ অন্তৰ্গত। ১৮৮৬ চনত ব্ৰিটিছ চৰকাৰে বেঙ্গল ফৰেষ্ট এক্ট মতে দৈয়াঙক সংৰক্ষিত বনাঞ্চল বুলি ঘোষণা কৰিছিল। ১৯০৫ চনত দৈয়াং বনাঞ্চলত মেৰাপানী, চাউদাং পথাৰ, কাছমাৰি আৰু আমগুৰি এই চাৰিখন বনগাঁও স্থাপন কৰিছিল। ১৯৫১-৫৪ চনতো কেইখনমান বনগাঁও চৰকাৰে স্থাপন কৰিছিল। ১৯৬৮-৭০ চনত চৰকাৰে অসম নাগালেণ্ডৰ সীমান্ত অঞ্চলত "হাফমাইল বেল্ট" ঘূলিওগাঁও স্থাপন কৰিছিল। এইসকল মানুহৰ আশ্ৰয় লৈ দৈয়াং বনাঞ্চল জনাৰণ্য হৈ পৰিছিল। তৰাণি-গমাৰি অঞ্চলত মাটি দখল আৰু তাৰ পৰিণতি সম্পৰ্কে ইতিমধ্যে উল্লেখ কৰা হৈছে। ১৯৭৩ চনত দৈয়াঙত অথন্তৰ ঘটে। অসম চৰকাৰৰ বিশাল পুলিচ- বাহিনীয়ে সেই বছৰতে ৮৬৮৮ ঘৰ মানুহক দৈয়াঙৰপৰা উচ্ছেদ কৰে। লগতে অঞ্চলটোত থকা বিদ্যালয়, মন্দিৰ, নামঘৰ আদি ৰাজহুৱা অনুষ্ঠানসমূহ ধ্বংস কৰিছিল। চৰকাৰী বাহিনীৰ অত্যাচাৰ ইমান দূৰ পাইছিল গৈ যে বসন্ত ৰোগত নৰিয়াপাটিত পৰি থকা নৱম শ্ৰেণীৰ ছাত্ৰী নীলিমা বৰাক চোঁচৰাই নি বৰষুণত পেলাই থৈছিল, ফলত ছাত্ৰীগৰাকীৰ মৃত্যু হৈছিল। এনে নিৰ্মম অত্যাচাৰৰ বিৰুদ্ধে সমগ্ৰ গোলাঘাটবাসী জাঙুৰ খাই উঠিল। ৰণজিৎ সিংহ, পুতুল হাজৰিকা, উদয় শইকীয়া আদি ছাত্ৰ-নেতাসকলৰ নেতৃত্বত ছাত্ৰসকল আন্দোলনমুখী হৈ পৰিল। ছাত্ৰসন্থাৰ

উদ্যোগত আয়োজিত সমাৰেশত প্ৰায় দহহেজাৰ কৃষক একত্ৰিত হৈছিল। এই আন্দোলনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰো অৱদান আছে। যদু শইকীয়া, তীখেশ্বৰ তামুলীৰ নেতৃত্বত এটা সজাতি দলে ১৯৭৩ চনৰ ২৭ জুলাই তাৰিখে মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহক লগ ধৰি উচ্ছেদ অভিযান বন্ধ কৰাৰ লগতে কৃষকৰ মাজত মাটি বিতৰণৰ বাবে দাবী জনাইছিল।[৮৬] একে দিনাই সোণেশ্বৰ বৰাৰ নেতৃত্বত ছ'চিয়েলিষ্ট পাৰ্টিয়ে মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহক লগ ধৰি উচ্ছেদ কাৰ্য বন্ধ কৰি কৃষকসকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ বাবে দাবী জনায়। যি কি নহওক, সন্মিলিত প্ৰচেষ্টাৰ ফলত দৈয়াঙত ১৯৭৭ চনৰপৰা উচ্ছেদ বন্ধ হয়। ১৯৭৮ চনৰ ১১ জুন তাৰিখে মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই ঘোষণা কৰিছিল: "... ইমানবোৰ দুখ-যন্ত্ৰণা, আন্দোলনৰ পৰিসমাপ্তি ঘটাই বৰ্তমানৰ অসম চৰকাৰে এই দৈয়াং বনাঞ্চল খেতিয়ক ৰাইজৰ কাৰণে মুকলি কৰি দিয়াৰ সিদ্ধান্ত লৈছে বুলি মই এই বিবৃতিৰ যোগেদি সদনত ব্যক্ত কৰিছোঁ ...।"[৮৭]

অসমত আন এটা কৃষক আন্দোলন হৈছিল ১৯৬৬ চনত। কৃষক সভাৰ উদ্যোগত উজনি অসমৰ ধলাগুৰি চাহবাগিচাৰ এটা গ্ৰাণ্টত ভূমিহীন কৃষকৰ বাবে মাটি দখল আন্দোলন আৰম্ভ হয়। খগেশ্বৰ শইকীয়া, জগন্নাথ শৰ্মা, বাবাই দাস, তীখেশ্বৰ তামুলী আদি নেতাৰ নেতৃত্বত এই আন্দোলন আৰম্ভ হৈছিল। বাগানৰ মালিকে আন্দোলনমুখী কৃষকসকলক ভেৰোণীয়া বনুৱা লগাই ধনু কাঁড়েৰে আক্ৰমণ কৰাইছিল। অশেষ যন্ত্ৰণাৰ অন্তত কৃষকসকলে সফলতাৰ মুখ দেখিলে। চৰকাৰে বাগানৰ ৬৬৬৪ বিঘা মাটি ভূমিহীন কৃষকৰ বাবে অধিগ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছিল। একেদৰে নাওজান অঞ্চলতো কৃষকসকলে ১৯৬৪ চনত এজন মহাজনৰ ৩৬০০ বিঘা মাটিৰ এটা গ্ৰেণ্ট দখল কৰিছিল। মাটিৰ মালিক আৰু কৃষকসকলৰ মাজত সংঘৰ্ষ হৈছিল। মাটিৰ মালিকে দুৰ্বৃত্তৰে কৃষক-নেতা ভক্ত বাহাদুৰৰ মূৰ কটাইছিল। চৰকাৰৰ প্ৰতিনিধিস্বৰূপ মাটিৰ মহাজনে কৃষক- আন্দোলনটো দমন কৰিলে।[৮৮] জনতা পাৰ্টিৰ নেতা গোলাপ বৰবৰাই লিখিছে যে কংগ্ৰেছী নেতা শঙ্কৰ বৰুৱাৰ উদ্যোগত গোলাঘাট জিলাৰ ঘিলাধাৰী চাহবাগিচাৰ ৫০০০ বিঘা খেতি মাটিক কেন্দ্ৰ কৰি এক কৃষক-আন্দোলন আৰম্ভ হৈছিল। "সেই মাটি দখল কৰি বসবাস আৰু খেতি কৰিবলৈ যোৱা বহুতো মুনিহ-তিৰোতাক পুলিচে মাৰপিট কৰে, বাৰে বাৰে ঘৰ ভাঙি দিয়ে, গ্ৰেপ্তাৰো কৰে। তথাপি হতাশ নোহোৱাকৈ কৃষকসকলে সত্যাগ্ৰহ চলাই গ'ল। শেষত চৰকাৰ আৰু বাগানৰ মালিক দুয়ো পক্ষই হাৰ মানিলে। মাটি খেতিয়কৰ হাতত ৰৈ গ'ল।" ভূমিহীন কৃষকৰ মাটি দখল আন্দোলন পূৰ্বৰ নগাঁও জিলাতো হোৱাৰ কথা জনা যায়। কমিউনিষ্ট আন্দোলনৰ নেতা মুনিন মহন্তই উল্লেখ কৰিছে যে তুলাৰাম ভূঞা, দেৱ বৰা, মুনিন মহন্ত আদি নেতাসকলৰ নেতৃত্বত ঘগুৱা মৌজাৰ ৰৌমাৰি কছাৰিজান, শুকতি পোতা, ছোটগমাৰিগুৰি, পকৰীয়া আৰু মায়ং মৌজাৰ পবিতৰাকে ধৰি প্ৰায় ২২,২৭০ বিঘা মাটি দুখীয়া ভূমিহীন কৃষক ৰাইজৰ মাজত বিতৰণৰ দাবী



তোলা হৈছিল। ইয়াৰ দাবীত গাঁৱে গাঁৱে কৃষকসভাৰ শাখা স্থাপন কৰি আন্দোলন শক্তিশালী কৰা হৈছিল। ১৯৬৯ চনৰ ৩ জানুৱাৰি তাৰিখে মৰিগাঁৱত এখন বৃহৎ কৃষক সমাৰেশ অনুষ্ঠিত হৈছিল। এই সভাত ফণী বৰা, কেহোৰাম হাজৰিকা, দেৱ বৰা আদি কমিউনিষ্ট নেতাসকল উপস্থিত আছিল। সভাৰ সিদ্ধান্ত অনুসৰি মিকিৰভেটা মৌজাকে ধৰি সকলো অঞ্চল, বিশেষকৈ চোৱাতবাড়ি, দীঘলি, কালিকাজাৰী, কলমৌবাৰী, ঢলি ৰিজাৰ্ভ, উত্তৰখোলী মৌজাৰ চিপিকি, সৰিয়হতলি, ঘোভা মৌজাৰ নলদভা ৰিজাৰ্ভ দখল কৰা হৈছিল।[৯০] নগাঁও জিলাৰ কাকি অঞ্চলৰো আন্দোলনৰ ইতিহাস আছে। ১৯৬৯ চনৰ মাৰ্চ মাহৰ ২৩ তাৰিখে প্ৰায় ৫০০০ ভূমিহীন কৃষকে মাটিৰ দাবীত চিপিআই নেতা ফণি বৰাৰ নেতৃত্বত শ্বিলঙত অসম বিধানসভা ঘেৰাও কৰিছিল। নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ভূমিহীন কৃষকসকলে কাকী বনাঞ্চল, বৰমাঞ্চুৰপথাৰ, তাৰালাংচু, ডিমৰু পথাৰ, ৰামনগৰ, কাকীজান আৰু মিলনপথাৰ দখল কৰে। মহঃ আফতাৰউদ্দিন লস্কৰ, ৰমাকান্ত ডেকা, মহেশ্বৰ বৰদলৈ, পূৰ্ণ মেধি, কমল বৰা আদি লোকৰ নেতৃত্বত ১৯৬৯ চনত এখন কৃষক-শ্ৰমিক কমিটী গঠন কৰা হৈছিল। ১৯৬৯ চনৰপৰা ১৯৭৩ চনলৈকে চৰকাৰে কেইবাবাৰো কৃষকসকলক উচ্ছেদ কৰিছিল, শস্য নষ্ট কৰিছিল আৰু বহুতক শাৰীৰিকভাৱে অত্যাচাৰো কৰিছিল। ১৯৭০ চনত আনকি উচ্ছেদ অভিযানত বাধা দিয়াৰ বাবে ২৪৮জন মুনিহ-তিৰোতা, ল'ৰা-ছোৱালীক আটক কৰি ৯ দিন ধৰি জিলা কাৰাগাৰত ৰাখিছিল। কৃষকসকলৰ আন্দোলন অথলে নগ'ল, চৰকাৰে কৃষক-আন্দোলনৰ ওচৰত নত হ'বলৈ বাধ্য হ'ল। ১৯৭৪ চনত কাকী অঞ্চলত ৭০০টা পৰিয়ালক ৩ বিঘা, ৪ কঠা, ৫ লোচাকৈ মাটি ঘৰবাৰী সাজিবৰ বাবে পত্তন দিয়ে।[৯১] ১৯৬৪ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিত বিভাজন ঘটিছিল। পাৰ্টিৰ সদস্যসকলৰ একাংশই চিপিআইৰপৰা ওলাই আহি ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) গঠন কৰে। অচিন্ত্য ভট্টাচাৰ্য আৰু নন্দেশ্বৰ তালুকদাৰৰ নেতৃত্বত অসমত ভাৰতৰ কমিউনিষ্ট (মাৰ্ক্সবাদী) শাখা খোলা হৈছিল। পাৰ্টিৰ বেনাৰত অসমত কৃষকৰ বাবে সুকীয়াকৈ সংগঠন গঢ়ি তোলা হয়। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ (মাৰ্ক্সবাদী) পৃষ্ঠপোষক, পাছলৈ কামৰূপ জিলা সমিতিৰ সম্পাদক ৰবীন কলিতাৰ নেতৃত্বত ১৯৬৬ চনত বৰপেটাৰ কোকিলাবাৰী ৰিজাৰ্ভৰ মাটি দখলৰ আন্দোলন আৰম্ভ হৈছিল।[৯২]

যোৱা শতিকাৰ আশিৰ দশকলৈকে অসমত বহুকেইটা কৃষক-আন্দোলন হৈ গৈছে। ইতিমধ্যে আলোচনা কৰি অহা হৈছে যে ঊনৈছ শতিকাত — বিশেষকৈ ১৮৫৭ চনৰ বিদ্ৰোহৰ পাছত — ফুলগুৰি, বৰমা, ৰঙিয়া, পথৰুঘাট আদি ঠাইত যিবোৰ কৃষক-বিদ্ৰোহ হৈছিল সেইবোৰ কৃষকসকলৰ স্বতঃস্ফূৰ্ত বিদ্ৰোহ আছিল আৰু ইয়াৰ নেতৃত্বও বহন কৰিছিল মূলতঃ কৃষকসকলে নিজে ৰাইজমেলৰ মাধ্যমেৰে। পাছলৈ ৰাইজমেলৰ স্থান লৈছিল ৰায়তসভাবোৰে। স্বাভাৱিকতে কৃষকসকলৰ সংগ্ৰামৰ স্বৰূপ সলনি হৈছিল আৰু আন্দোলনবোৰৰ নেতৃত্বও গৈছিল

এচাম উঠি অহা শিক্ষিত লোকৰ দখলত থকা ৰায়তসভাবোৰৰ হাতলৈ। কুৰি শতিকাত — বিশেষকৈ জাতীয় কংগ্ৰেছৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা সংগ্ৰামৰ কালছোৱাত — কংগ্ৰেছৰ মাজতে থকা এচাম সমাজবাদী লোকে, লগতে কমিউনিষ্টভাবাপন্ন এচাম মানুহে কৃষকসকলৰ সমস্যাবোৰৰ বিষয়ে মাত মাতিছিল আৰু কৃষকৰ সংগ্ৰামী চেতনা স্বাধীনতা সংগ্ৰামৰ লগত একাকাৰ হৈছিল। মহাত্মা গান্ধীৰ "স্বৰাজ", "ৰামৰাজ্য" অথবা "গ্ৰাম ৰাজ্য"ই কৃষকসকলক বহু সময়ত আকৰ্ষণ কৰিছিল। কিন্তু কৃষকসকল প্ৰাদেশিক ভিত্তিত প্ৰকৃততে এটা শ্ৰেণী হিচাপে ঐক্যবদ্ধ হ'ব পৰা নাছিল। কমিউনিষ্ট লীগ — পাছলৈ বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে কৃষকসকলৰ সমস্যাসমূহ সমাধানাৰ্থে কৃষকসকলক সংগঠিত কৰি আন্দোলন আৰম্ভ কৰিছিল। কৃষক বনুৱা পঞ্চায়তবোৰে কৃষকসকলৰ বাবে ভূমি প্ৰদান, আধিয়াৰক মাটিৰ মালিকৰ শোষণৰপৰা মুক্ত কৰা, খাজানা হ্ৰাস কৰা আদিৰ বাবে ঠায়ে ঠায়ে দাবী জনাই আন্দোলনৰ কৰিছিল। ভাৰতৰ কমিউনিষ্ট পাৰ্টি, বিশেষকৈ ৰাজ্যিক কৃষক সভাৰ সংগঠনে কৃষক-আন্দোলনক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। স্বাধীনতাৰ পাছত অসমৰ বিভিন্ন ঠাইত ভূমিহীন কৃষকৰ বাবে মাটি দখল অভিযান আৰম্ভ কৰিছিল। চৰকাৰে পুলিচ-বাহিনী লগাই কৃষকসকলক উচ্ছেদ কৰিছিল। শেষলৈ উচ্ছেদ অভিযানৰ ফলত কৃষক-আন্দোলন কিছু স্তিমিত হৈছিল। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ জন্ম কৃষক-আন্দোলনৰ বাবে এক ইতিবাচক দিশ আছিল।

বামপন্থী দলবোৰৰ নেতৃত্ব হোৱা কৃষক-আন্দোলনৰ হেঁচাত চৰকাৰে ১৯৫৬ চনত চিলিং আইন প্ৰণয়ন কৰি মাটিৰ সীমা ১৫০ বিঘা আৰু ১৯৭১ চনত সংশোধনী ঘটাই মাটিৰ সীমা ৫০ বিঘালৈ হ্ৰাস কৰে। চিলিং-উদ্বৃত্ত মাটি দখলকাৰী ভূমিহীন কৃষকক পট্টাসহ বিতৰণ কৰি দিয়াৰ চৰকাৰী দায়িত্ব প্ৰায়েই কাগজত আবদ্ধ হৈ ৰৈছে। ইয়াৰ পৰিৱৰ্তে আইনৰ সুৰুঙা উলিয়াই মাটিৰ মালিকে পৰিয়ালৰ বিভিন্ন জনৰ নামত মাটি ৰাখি কৃষকসকলক বঞ্চিত কৰিছিল। ১৯৪৮ চনত আধিয়াৰি আইন এখন প্ৰণয়ন কৰিছিল যাৰদ্বাৰা কৃষকসকলে কিছু শতাংশ উৎপাদিত ফচল লাভ কৰাৰ সুবিধা আছিল। কিন্তু আইনখন প্ৰয়োগ কৰিবৰ বাবেও কৃষকে আন্দোলন কৰিবলগীয়া হৈছিল। হেমেন দাসে লিখিছে: "১৯৫৮-৬০ চনৰ ভিতৰত মাদুলীঝাৰ, ভেৰভেৰী, ৰামপুৰ, গোল্লাপাৰা আদি গাঁৱত প্ৰবল আধিয়াৰী আন্দোলন গঢ় লৈ উঠে। ভেৰভেৰীৰ কৃষকে নাঙল-যুৱলি লৈ সৰভোগলৈ সমদল কৰি মাটিৰ মালিকৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। মাদুলীঝাৰৰ কৃষকে ২৫৮ বিঘা মাটিৰ আধি ধান পাঁচ ভাগৰ এভাগ দিয়াৰ দাবীত আন্দোলন কৰে।"[১৩]

স্বাধীনতাৰ সোণালী বৰ্ষ অতিক্ৰান্ত হ'ল। কিন্তু কৃষকসকলৰ অৱস্থাৰ উন্নতি নহ'ল। চিলিং আইন, জমিদাৰী বিলুপ্তি আইন, আধিয়াৰ আইন আদি আইনৰ প্ৰয়োগ মাথোঁ কাগজৰ মাজতে আবদ্ধ হৈ ৰৈছে। তদুপৰি বামপন্থী সংগঠনবোৰ দলীয় ৰাজনীতিত তথা সংসদীয় ৰাজনীতিত অতিমাত্ৰাই সোমাই পৰাত পূৰ্বৰ কৃষক-



আন্দোলনবোৰৰ গতিপথ বিশেষকৈ অসমৰ ক্ষেত্ৰত কিছু সলনি হ'ল। ভূমিহীন কৃষকৰ আজিও ভূমি পট্টা বিষয়টো সমস্যা হৈ ৰৈছে। কৃষকসকলে ফচলৰ বাবে উচিত মূল্য পোৱাৰপৰা বঞ্চিত হৈ ৰৈছে। বানপানী, নদীবান্ধ সমস্যা কৃষকৰ বাবে আজীৱন সমস্যা হৈ ৰ'ল। নব্য উদাৰীকৰণ নীতি আৰু তথাকথিত বিশ্বায়নৰ ফলত উদ্ভৱ হোৱা সমস্যাবোৰৰদ্বাৰা অধিকভাৱে ক্ষতিগ্ৰস্ত হৈছে কৃষকসকল। মন কৰিবলগীয়া যে কৃষকসকলৰ শক্তি অপৰিসীম। বহুক্ষেত্ৰত তেওঁলোকে নিজৰ সামূহিক শক্তিৰ কথা নিজেই বুজি পোৱাত ব্যৰ্থ হয়। তদুপৰি সংসদীয় ৰাজনৈতিক দলবোৰৰদ্বাৰা পৰিচালিত হোৱাত তেওঁলোক বহুধাবিভক্ত হৈ পৰে। সেয়েহে কৃষকসকলক সংসদীয় দলৰপৰা বাহিৰত ৰাখি এটা শ্ৰেণী হিচাপে লৈ তেওঁলোকৰ সমস্যাবোৰ দূৰ কৰিবলৈ ৰাজ্যৰ সমূহ কৃষকক একত্ৰিত কৰি প্ৰবল আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন আছে। আন্দোলনৰ পথত হেঙাৰ আহি যে পৰিব সেইয়া ধ্ৰুৱপ। কিন্তু সেইবোৰক অতিক্ৰম কৰিব পাৰিবই লাগিব। দলীয় বা সংসদীয় ৰাজনীতিত আবদ্ধ সংগঠনবোৰে কৃষক-আন্দোলনক কিমানদূৰ সফলভাৱে আগুৱাই নিব সিয়ো চিন্তাৰ বিষয়। ২০০৪ চনৰ দৈয়াং অঞ্চলৰ কৃষক-সমস্যাৰ পটভূমিত জন্ম লাভ কৰা "দৈয়াং মুক্তি সংগ্ৰাম সমিতি" আৰু পৰৱৰ্তী পৰ্যায়ত অখিল গগৈ প্ৰমুখ্যে এচাম লোকৰ নেতৃত্বত জন্ম লাভ কৰা কৃষক মুক্তি সংগ্ৰাম সমিতি, অসমৰ নেতৃত্বত কৃষক-আন্দোলনে পুনৰ ঠন ধৰি উঠাটো কৃষক-আন্দোলনৰ ক্ষেত্ৰত ইতিবাচক দিশ। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বত কৃষক-আন্দোলনে সঠিক পথত গতি কৰিব পাৰিলেহে কৃষকসকল চৰকাৰী শোষণনীতি, অৱহেলা আৰু পুঁজিপতিসকলৰ হাতোৰাৰপৰা মুক্ত হ'ব পাৰিব। তাকে কৰিবলৈ যাওঁতে প্ৰাক্-ব্ৰিটিছ শাসন কালৰপৰা সংঘটিত হোৱা কৃষক-বিদ্ৰোহ বা আন্দোলনসমূহৰ স্বৰূপ তথা প্ৰকৃতি সম্পৰ্কে সম্যক জ্ঞান থকা প্ৰয়োজন। কিয়নো, পাৰ্থ চেটাৰ্জীৰ ভাষাৰে ক'বলৈ গ'লে: "It is a history [history of peasants] that will educate those of us who claim to be their educators"। তদুপৰি চেটাৰ্জীৰ ভাষাত "Indian history of peasant struggle is a fundamental part of the real history of our people..."।[১৪]

## তথ্যসূত্ৰ


১ Irfan Habib. *Essays in Indian History: Towards Marxist Perception*. New Delhi (Sixth reprint): 2005, p. 109

২ Eric Hobsbawm. *Uncommon People, Resistance, Rebellion and Jazz*. London, 1998, pp. 199-200

৩ তদেৱ।

৪ Suprakash Roy. *Peasant Revolts and Democratic Struggles in India*. Calcutta, 1999, p. 1

৫ সূৰ্য হাজৰিকা (সম্পা.)। *ড° ভূপেন হাজৰিকা গীত সমগ্ৰ*। গুৱাহাটী, ২০১০ (তৃতীয় সংস্কৰণ), পৃষ্ঠা ২৪৮-৯।

৬ মহাদেব চক্ৰবৰ্তী। *আসামের ইতিহাস, প্ৰথম খণ্ড*। কলকাতা, ২০০৭, পৃষ্ঠা ২৮৯।

৭ S. K. Bhuyan. *Anglo-Assamese Relations 1771-1836*. Guwahati, 1974 (2nd edition), pp. 269-70;
Ramesh Chandra Kalita. *A Bunch of Discursive Essays*. Tezpur, 2001, p. 70
৭ তদেৱ।
৮ শ্ৰুতিদেৱ গোস্বামী। "ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহ"। সুভাষ সাহা (সম্পাদিত) *অসমৰ স্বাধীনতা সংগ্ৰাম*, প্ৰথম খণ্ড। জাগীৰোড, ১৯৯১, পৃষ্ঠা ১০৭।
৯ Amalendu Guha. *Planter-Raj to Swaraj. Freedom Struggle and Electoral Politics in Assam, 1826-1947*. Delhi, 1988 (reprint), p. 8
১০ তদেৱ।
১১ মহাদেৱ চক্ৰবৰ্তী, প্ৰাগুক্ত, পৃষ্ঠা ৮৬৫।
১২ Shrutidev Goswami. "Raij Versus the Raj: The Nowgong Outbreak (1861) in Historical Perspective". *Studies in the History of North-East India* Ed. J. B. Bhattacharjee Shillong, 1986, p. 124
১৩ A. J. M. Mills. *Report on the Province of Assam*. Calcutta, 1854, p. XXXVII
১৪ Shrutidev Goswami. *Aspects of Revenue Administration in Assam*. Delhi, 1987, pp. 28-29, 144-6
১৫ A. J. M. Mills, op. cit., pp. 24, 323
১৬ ASR, Commissioner's Office, File No. 409, 1861-63, Sconce to Hopkinson, 25 November, 1861 আৰু মহাদেৱ চক্ৰবৰ্তী, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ৪৭০।
১৭ মহাদেৱ চক্ৰবৰ্তী, প্ৰাগুক্ত, পৃষ্ঠা ৪৭১।
১৮ Shrutidev Goswami. প্ৰাগুক্ত। দ্ৰ. J. B. Bhattacharjee (ed.) op. cit., p. 127
১৯ তদেৱ।
যোগেন্দ্ৰনাৰায়ণ ভূঞা। *ঊনবিংশ শতিকাৰ অসম সংবাদ*। ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯০, পৃষ্ঠা ১০৬-৪১।
২০ ASR, Commissioner's Office, File No. 409, 1861-63, 25 November, 1861
বেণুধৰ কলিতা। *ফুলগুৰি ধেৱা*। নগাঁও, ১৯৯৪ (২য় সংস্কৰণ), পৃষ্ঠা ৬০-৩।
২১ মহাদেৱ চক্ৰবৰ্তী, প্ৰাগুক্ত, পৃষ্ঠা ৪৭৬।
২২ J. Butler. *Travels and Adventures in the Province of Assam*. Delhi, 1978, p. 237
২৩ প্ৰসেনজিৎ চৌধুৰী। *অকণোদই*। *গুৱাহাটী*, ১৯৯৫, পৃষ্ঠা ৪৪ আৰু মহাদেৱ চক্ৰবৰ্তী, প্ৰাগুক্ত, পৃষ্ঠা ৪৭৬-৭।
২৪ S. Chakravarti. *The Bengali Press (1818-1868): A Study in the Growth of Public Opinion*. Calcutta, 1976, pp. 163-4
২৫ মহাদেৱ চক্ৰবৰ্তী, প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৪৭৮।
২৬ Shrutidev Goswami. পূৰ্বোক্ত প্ৰবন্ধ, J.B. Bhattacharjee (ed.), প্ৰাগুক্ত, p. 133
২৭ মহাদেৱ চক্ৰবৰ্তী, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ৪৭৯।
২৮ তদেৱ। সুভাষ সাহা সম্পাদিত, প্ৰাগুক্ত গ্ৰন্থত শ্ৰুতিদেৱ গোস্বামীৰ প্ৰবন্ধ (সম্পাদিত), পৃষ্ঠা ১১৪।
২৯ তদেৱ, পৃষ্ঠা ১১৫; Letter Issued to Govt., Vol, 35, No. 326, ASR.
৩০ Amalendu Guha, প্ৰাগুক্ত, p 51
৩১ সুভাষ সাহা সম্পাদিত প্ৰাগুক্ত গ্ৰন্থত শ্ৰুতিদেৱ গোস্বামী প্ৰবন্ধ, পৃষ্ঠা ১১৫-৭।
৩২ Home Department, Progs, Public (A): Assam Riots, April-December, 1994 (NAI); *Hindoo Patriot*, 5 February, 1894
৩৩ তদেৱ। উদ্ধৃত, Amalendu Guha, প্ৰাগুক্ত, pp 52-3
৩৪ A. J. M. Mills, প্ৰাগুক্ত, pp. 4-6
৩৫ Subhas Chandra Saha. *Grass-Root Nationalism: A Study of Mass-Resistances in the District of Darrang and Nowgong of Assam. 1937-47* (an unpublished thesis). Shillong: NEHU, 1989, pp. 94-5



৩৬ সুভাষ সাহা সম্পাদিত প্ৰাগুক্ত গ্ৰন্থত শ্ৰুতিদেৱ গোস্বামী প্ৰবন্ধ, পৃষ্ঠা ১১৯-২০।
৩৭ B. C. Allan. *Assam District Gazetteers: Darrang*. Shillong, 1905
৩৮ দীনেশ্বৰ শৰ্মা। *মঙ্গলদৈৰ বুৰঞ্জী*। গুৱাহাটী, ১৯৭৪, পৃষ্ঠা ৬৯-৭০;
হোমেন দাস। *অসমত কৃষক-আন্দোলন, এক চমু আভাস*। গোলাঘাট, ২০০৯, পৃষ্ঠা ৫-৬।
৩৯ মহাদেৱ চক্ৰবৰ্তী, প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৪৮২।
৪০ তদেৱ, পৃষ্ঠা ৪৮৩।
৪১ Bipan Chandra *et al. India's Struggle for Independence*. Delhi, 1989, p. 59
৪২ Ibid, p. 60
৪৩ হেমেন দাস, প্ৰাগুক্ত, পৃষ্ঠা ১২।
৪৪ হৰেন্দ্ৰনাথ বৰুৱা সম্পাদিত। *ভাৰতৰ মুক্তি যুঁজত অসম*। গুৱাহাটী, ১৯৭৭, পৃষ্ঠা ৮৩।
৪৫ Shrutidev Goswami. "Mass Organisation and Peasant Uprising: A Study of the Agrarian Situation of Nineteenth Century Assam", J. P. Mishra (ed.). *Aspect of Indian History*. J. P. Mishra: Delhi, 1991, pp. 165-6
৪৬ S. B. Medhi. *Transport System and Economic Development in Assam*. Guwahati, 1978, pp. 113-4
৪৭ সুৰজিৎ বৰুৱা। "বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ অসমৰ ঔপনিবেশিক ভূমি ৰাজহ ব্যৱস্থা", *পদাতিক*, তৃতীয় বৰ্ষ, চতুৰ্থ সংখ্যা, অক্টোবৰ-নৱেম্বৰ, ২০০১, পৃষ্ঠা ৩৩-৪।
৪৮ Bipan Chandra *et al*, প্ৰাগুক্ত, p. 512
৪৯ তদেৱ।
৫০ উদ্ধৃত, ত্ৰৈলোক্যনাথ শৰ্মা (সম্পাদনা)। *দেশ নেতা কুলধৰ চলিহা*। যোৰহাট, ১৯৮৬, পৃষ্ঠা ৪০-৪।
৫১ Assam Police Abstract of Intelligence (APAI), 11 and 25 June, 9 July and 20 August, 1992. Sagar Boruah. *History of the Non-Cooperation Movement in Assam*, p. 50
৫২ সতীশচন্দ্ৰ কাকতী। "দেশ ভক্তৰ স্মৃতি" চন্দ্ৰপ্ৰসাদ শইকীয়া প্ৰকাশিত। *তৰুণৰাম ফুকন স্মৃতিগ্ৰন্থ*। গুৱাহাটী, ১৯৭৭, পৃষ্ঠা ৬৫-৬।
৫৩ Bipan Chandra. *Nationalism and Colonialism in Modern India*. New Delhi (Reprint), 2010, p, 353
৫৪ বিতং তথ্যৰ বাবে চাওক Shrutidev Goswami, *Presidential Address, North East India History Association*, 22nd Session, 2001. Bipan Chandra *et al* প্ৰাগুক্ত pp. 2006-2007
৫৫ অমিয় কুমাৰ দাস। "১৯০৩-৩২ চনৰ স্বাধীনতা আন্দোলনৰ স্মৃতি", হৰেন্দ্ৰনাথ বৰুৱা সম্পাদিত প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ২৪-৬০।
৫৬ তদেৱ।
৫৭ APAI, S B 27 June, 1931; Amalendu Guha, op. cit., pp. 181-2
৫৮ অমিয়কুমাৰ দাস। প্ৰাগুক্ত প্ৰবন্ধ;
বেণুধৰ শৰ্মা। *কংগ্ৰেছৰ কাচিয়লি ৰ'দত*। গুৱাহাটী, ১৯৬০ (পুনৰ মুদ্ৰণ), পৃষ্ঠা ২৪৮-৫০।
৫৯ কৃষ্ণনাথ শৰ্মা। *কৃষ্ণ শৰ্মাৰ ডায়েৰি*। গুৱাহাটী, ১৯৭২, পৃষ্ঠা ২০৪।
৬০ Amalendu Guha, প্ৰাগুক্ত p. 182
৬১ দধি মহন্ত। *অসমত কমিউনিষ্ট আন্দোলনৰ জন্ম আৰু বিকাশ*। গুৱাহাটী, ১৯৯৩, পৃষ্ঠা ৩৮-৯।
৬২ *The Assam Tribune*, 27 October, 1939; Amalendu Guha, *op. cit.*, p. 248
৬৩ দধি মহন্ত, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ৩৮
৬৪ A. C. Bhuyan and S. De (eds). *Political History of Assam*. Vol. 3. Guwahati, 1978, p. 256
৬৫ তদেৱ।
৬৬ হেমেন দাস। প্ৰাগুক্ত, পৃষ্ঠা ১৪।

Amalendu Guha, প্ৰাগুক্ত, p. 248

৬৭ হেমেন দাস। প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৯-১০।
তিৰ্থেশ্বৰ তামুলী। "গোলাঘাট জিলা মাটি দখল আন্দোলন আৰু কৃষক সভা"। হেম ফুকন সম্পাদিত *দৈয়াং-ধনশিৰি, স্মৃতিগ্ৰন্থ*। নতুন সাহিত্য পৰিষদ, গোলাঘাট, অধিবেশন, ২০১১, পৃষ্ঠা ৩৮।
Bipan Chandra. *et al* p. 344

৬৮ Amalendu Guha. প্ৰাগুক্ত, p. 250

৬৯ তদেৱ, p. 249.
A. C. Bhuyan and S. De (eds.), প্ৰাগুক্ত, p. 145
*অসমীয়া*, ১৪ জুন, ১৯৪১।

৭০ হৰিদাস ডেকা। "অসমত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ইতিহাসৰ এচোৱা"। ড° যামিনী ফুকন আৰু অন্যান্য সম্পাদিত *আদৰ্শনিষ্ঠ ৰাজনীতিক আৰু কৃতী অধ্যাপক বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ*। নগাঁও, ২০১০, পৃষ্ঠা ৭।

৭১ হৰিদাস ডেকা। তদেৱ, পৃষ্ঠা ১২।

৭২ Ramesh Chandra Kalita. "Role of the Leftist in the Nationalist Usurge" Arun Bhuyan (ed.), *Nationalist Upsurge in Assam*. Guwahati, 2000, p. 212:
*বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ* । পৃষ্ঠা ৯২-৯৩।

৭৩ হৰিদাস ডেকা। পূৰ্বোক্ত প্ৰবন্ধ। *বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ*, পৃষ্ঠা ১৫-৭।

৭৪ তিৰ্থেশ্বৰ তামুলী। প্ৰাগুক্ত, পৃষ্ঠা ৩৮।

৭৫ তদেৱ, পৃষ্ঠা ৪।
Udayan Misra (ed.). *Political and Society of North East India: Some Reflection: A Collection of Articles of Prafulla Misra*. Shillong, 2000, p. 45

৭৬ তিৰ্থেশ্বৰ তামুলী, প্ৰাগুক্ত, পৃষ্ঠা ৪-৬।

৭৭ তদেৱ। হেমেন দাস, প্ৰাগুক্ত, পৃষ্ঠা ২৩-৪।

৭৮ অৰুণী বৰঠাকুৰ। "অসমৰ কমিউনিষ্ট আন্দোলনৰ সফলতা-বিফলতা", *বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ*, পৃষ্ঠা ২৯।

৭৯ তদেৱ। পৃষ্ঠা ৩১।

৮০ হৰিদাস ডেকা, পূৰ্বোক্ত প্ৰবন্ধ, পৃষ্ঠা ১৫।

৮১ বীৰেন ডেকা। *স্বাধীনতাৰ পৰৱৰ্তী কালত বিপ্লৱী কমিউনিষ্ট পাৰ্টি, বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ*, পৃষ্ঠা ৯৫।

৮২ হেমেন দাস। *অসমৰ কমিউনিষ্ট আন্দোলনৰ চমু ইতিহাস*। গুৱাহাটী, ২০০৯, পৃষ্ঠা ৪২-৩।
অৰুণী বৰঠাকুৰ, প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ২৯।

৮৩ তদেৱ।

৮৪ তিৰ্থেশ্বৰ তামুলী। প্ৰাগুক্ত, পৃষ্ঠা ৩৯।

৮৫ তদেৱ। পৃষ্ঠা ৪০।

৮৬ তদেৱ। পৃষ্ঠা ৪০।

৮৭ অখিল গগৈ। *গণসংগ্ৰামৰ দিনলিপি*। গুৱাহাটী, ২০১১, পৃষ্ঠা ১১১।

৮৮ তদেৱ। পৃষ্ঠা ৪০।

৮৯ গোলাপ বৰবৰুৱা। *জীৱনৰ সান্নিধ্যত আৰু অন্যান্য*। গুৱাহাটী, ১৯৯৫, পৃষ্ঠা ৩২।

৯০ মুনিন মহন্ত। "মৰিগাঁও জিলাত বামপন্থী আন্দোলন" মনোজ ডেকা সম্পাদিত *স্মৰণিকা*। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ একবিংশ ৰাজ্যিক সন্মিলন, ১০ ফেব্ৰুৱাৰি, ২০১২, পৃষ্ঠা ২৪।

৯১ সুৰেন্দ্ৰ বৰুৱা। *কাকীৰ ঐতিহাসিক ৰূপৰেখা*। নতুন সাহিত্য পৰিষদ, কাকী শাখা, ১৯৮৬, পৃষ্ঠা ১১-৪।

৯২ হেমেন দাস। *অসমত কৃষক-আন্দোলন, এক চমু আভাস*। প্ৰাগুক্ত, পৃষ্ঠা ৩৪।

৯৩ হেমেন দাস। *নানা লিখা*। গুৱাহাটী, ২০১০, পৃষ্ঠা ৩৩।

৯৪ *The Partha Chatterjee Omnibus*. Oxford, 1999, p. 172

# অসমত শ্ৰমিক-আন্দোলনৰ পটভূমি আৰু ধাৰা

ড° মামণি বৰঠাকুৰ

মানৱসমাজৰ ক্ৰমবিকাশৰ ধাৰা আৰু তাৰ সামাজিক-অৰ্থনৈতিক গঠনপ্ৰণালীৰ গতিপথত পুঁজিবাদ আৰু পুঁজিবাদী শিল্প-সম্পৰ্কৰ আৱিৰ্ভাৱৰ পৰিণতিস্বৰূপেই শ্ৰমিক-আন্দোলনৰ জন্ম। সহজ ভাষাত ক'বলৈ গ'লে শ্ৰমিক-আন্দোলনৰ জন্ম হৈছে আধুনিক ফেক্টৰি-পদ্ধতিৰ নতুন সামাজিক ফলশ্ৰুতি হিচাপেই। ফেক্টৰি-পদ্ধতিয়ে নতুন সামাজিক শ্ৰেণী হিচাপে যি-শ্ৰমিক শ্ৰেণীৰ জন্ম দিছে, সেই শ্ৰমিক শ্ৰেণীয়ে স্পষ্ট আকৃতি আৰু চৰিত্ৰও গ্ৰহণ কৰিছে। ব্যক্তি বা ৰাজহুৱা প্ৰতিষ্ঠানৰদ্বাৰা নিযুক্ত হ'লেহে গাইগুটীয়া বা উমৈহতীয়াভাৱে কোনো ব্যক্তি বা ব্যক্তি-সমষ্টিয়ে শ্ৰমিকৰূপে স্বীকৃতি পাব পাৰে। যেতিয়ালৈকে মালিক-শ্ৰমিকৰ সম্পৰ্কটো ব্যক্তিগত সম্পৰ্ক হৈয়ে আছিল তেতিয়ালৈকে কোনোধৰণৰ সংগঠন অথবা সংগঠিত আন্দোলন কৰাৰো প্ৰশ্ন উঠা নাছিল। কিন্তু আধুনিক ফেক্টৰি-পদ্ধতিৰ জন্মৰ লগে লগে ব্যক্তিগত সম্পৰ্কই লোপ পালে আৰু মালিক-শ্ৰমিকৰ সম্পৰ্কটো সংঘাতপূৰ্ণ হৈ উঠিল আৰু শ্ৰমিক শ্ৰেণীয়েও নিজৰ অস্তিত্ব-ৰক্ষাৰ প্ৰয়োজনতেই সংগঠিত আন্দোলনৰ সূচনা কৰিলে। শ্ৰমিক-আন্দোলনৰ ইতিহাস মানেই শ্ৰমিক শ্ৰেণীৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামৰ ইতিহাস আৰু মালিক শ্ৰেণীৰ বঞ্চনা তথা শোষণৰ বিৰুদ্ধে প্ৰতিৰোধৰ সংগ্ৰাম। শ্ৰমিক-আন্দোলনৰ ইতিহাস মৌলিকভাৱে অৰ্থনৈতিক দাবীৰ ওপৰতে প্ৰতিষ্ঠিত এটা সামাজিক শ্ৰেণীৰ ইতিহাস। ধনতন্ত্ৰৰ বিকাশৰ লগে লগে মালিক পক্ষয়ো শ্ৰমিক-আন্দোলনক নিজৰ স্বাৰ্থৰ হকে নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে — কেতিয়াবা প্ৰত্যক্ষভাৱে শ্ৰমিক-সংগঠনৰ বিৰোধিতা কৰি আৰু কেতিয়াবা পৰোক্ষভাৱে সুবিধাভোগী শ্ৰমিক-নেতাৰ পৃষ্ঠপোষকতা কৰি। এনে সময়তেই শ্ৰমিক-সংগঠনৰ আন্দোলন অৰ্থনৈতিক সংগ্ৰামৰ লগে লগে ৰাজনৈতিক চৰিত্ৰৰ ৰূপ লয়।

ব্ৰিটিছ পুঁজিপতিসকলেই ভাৰতত আধুনিক শিল্প-উদ্যোগ গঢ়াৰ বাটকটীয়া। বিভিন্ন ক্ষেত্ৰলৈ তেওঁলোকে ইয়াৰ সম্প্ৰসাৰণ ঘটাইছিল। ভাৰতত ৰেললাইন মুকলি কৰাৰ লগে লগে আনুষঙ্গিক উদ্যোগ কিছুমানো গঢ়ি উঠিল। তেওঁলোকে

ইয়াত চাহ, তেল আদি উদ্যোগো স্থাপন কৰিলে। বিভিন্ন উদ্যোগত শ শ শ্ৰমিকৰ প্ৰয়োজন হৈছিল। উল্লেখযোগ্য যে ক্ৰমে ভাৰতীয় পুঁজিপতিসকলেও ভাৰতত বিভিন্ন উদ্যোগ গঢ়ি তুলিছিল। কপাহ আৰু মৰাপাট উদ্যোগত ভাৰতীয় পুঁজিপতিয়ে একচেটিয়া অধিকাৰ প্ৰতিষ্ঠা কৰে। উদ্যোগপতিসকলে বৃহৎ পৰিমাণৰ পুঁজি-বিনিয়োগ কৰি আৰু কম মজুৰি দি শ্ৰমিকসকলক খটুৱাইছিল। বহু শ্ৰমিকে অস্বাস্থ্যকৰ পৰিৱেশত কাম কৰিবলগীয়া হৈছিল। কামৰ কোনো নিৰাপত্তা নাছিল। মজুৰি, কামৰ সময়, শিশু-শ্ৰমিক নিয়োগ আদি কোনো বিষয়তে শ্ৰমিকসকলৰ মাত মতাৰ অধিকাৰ বহুদিনলৈকে নাছিল। গতিকে শ্ৰমিকসকলৰ ন্যায়সঙ্গত দাবীপূৰণৰ ব্যৱস্থাও নাছিল। ফলত শ্ৰমিকসকলৰ মাজত ক্ষোভ আৰু অসন্তুষ্টিয়ে গা কৰি উঠিছিল আৰু সি ক্ৰমান্বয়ে সংগঠিত আন্দোলনৰ ৰূপ লৈছিলগৈ। অসমৰ শ্ৰমিক-আন্দোলনবো এটি দীঘলীয়া অধ্যায় আছে। এটা প্ৰবন্ধত সকলো দিশ সামৰা সম্ভৱপৰ নহয়। সেয়ে ইয়াত অসমৰ শ্ৰমিক-আন্দোলনৰ পটভূমি আৰু ইয়াৰ ধাৰা সম্পৰ্কে এটি চমু আভাস দিবলৈহে চেষ্টা কৰা হৈছে।

ব্ৰিটিছ ঔপনিৱেশিক শোষণমূলক আৰ্থ-ব্যৱস্থাৰ সময়তেই ভাৰতৰ আন আন ঠাইৰ লগতে অসমতো শ্ৰমিক শ্ৰেণীৰ সৃষ্টি হৈছে। অসমত ঔপনিৱেশিক অৰ্থনীতিৰ অনুপ্ৰৱেশ ঘটে ঊনবিংশ শতাব্দীত চাহ আৰু তেল শিল্পৰ যোগেদি। ১৯৩৯ চনত চাহ-শিল্পৰ আৰম্ভণিৰ লগে লগে মালিক-শ্ৰমিক সংঘাতো আৰম্ভ হ'ল। চাহ-শিল্প সম্পূৰ্ণভাৱেই আছিল ব্ৰিটিছ মালিকৰ অধীন। কৃষি-অৰ্থনীতিৰ দেশ অসমত চাহবাগিচাৰ মালিকসকলে বাগিচাৰ কামত লগাবলৈ পৰ্যাপ্ত সংখ্যক থলুৱা শ্ৰমিক পোৱা নাছিল। জনজাতীয় কিছু বনুৱা — বিশেষকৈ কছাৰীসকলক লগোৱা হৈছিল যদিও সি যথেষ্ট নাছিল। বহুদিন ধৰি ভুগি থকা শোষণৰ ফলস্বৰূপে থলুৱা বনুৱাসকলে ১৮৫৭ চনত চাহবাগিচাৰ ঠিকাদাৰ মধুৰাম কোচৰ নেতৃত্বত ধৰ্মঘট কৰিবলৈ ওলাই আহিছিল। শাস্তিমূলক ব্যৱস্থা হিচাপে কোম্পানি চৰকাৰে মধুৰাম কোচক ধৰি আনি সাত বছৰ কাৰাদণ্ড বিহিছিল। মধুৰাম কোচকেই অসমৰ প্ৰথম শ্ৰমিক নেতা বুলি ক'ব পৰা যায়।

এফালে চাহবাগিচাৰ সম্প্ৰসাৰণ আৰু আন ফালে স্থানীয় বনুৱাই কাম কৰিবলৈ অনিচ্ছুক হোৱাৰ ফলত চাহবাগিচাৰ মালিকসকল শ্ৰমিক সঙ্কটৰ সন্মুখীন হ'ব লগাত পৰে। এই বনুৱা সঙ্কট আঁতৰাবলৈ ভাৰতৰ বিভিন্ন প্ৰান্তৰ দুৰ্ভিক্ষগ্ৰস্ত অঞ্চলসমূহৰপৰা বনুৱা অনাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ চাহবাগিচাবোৰত সস্তীয়া শ্ৰমিক হিচাপে কামত লগাবলৈ দালালৰ হতুৱাই বঙ্গ, বিহাৰ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ আদিৰপৰা হাজাৰ হাজাৰ মুনিহ-তিৰোতাক নানান প্ৰলোভন দেখুৱাই অনা হৈছিল। ১৮৬৩ চনত একে আইনৰ জৰিয়তে শ্ৰমিক আমদানিৰ বাবে কোম্পানি চৰকাৰৰপৰা বাগিচাৰ মালিকসকলে অনুমতি লাভ কৰে আৰু এনেদৰেই সৃষ্টি হ'ল আৰকঠীয়া বা গিৰমিটিয়া ব্যৱস্থা অৰ্থাৎ তেওঁলোক চুক্তিবদ্ধ শ্ৰমিক। "বনুৱা সংগ্ৰহ কৰি অসমৰ বাগিচালৈ প্ৰেৰণ কৰা পদ্ধতি অতিশয় অমানৱিক আছিল। বনুৱাসকলক



ইতৰ জীৱ-জন্তুৰ দৰে জাহাজত অসমলৈ অনা হৈছিল, ফলত হাজাৰ হাজাৰ বনুৱা বাটতে মৰি হাজি শেষ হৈছিল।"[১] আইনৰ বাহিৰতো বিভিন্ন ধৰণে শ্ৰমিক আমদানি কৰা হৈছিল। ১৮৮৮ চনৰ ভিতৰত অসমত এনেকৈ মুঠ ৪৬২৯৩ জন শ্ৰমিক আমদানি কৰা হৈছিল। তাৰে অসম উপত্যকাৰ বাবে ৩০৮৩৯ জন আৰু সুৰমা উপত্যকাৰ বাবে ১৫৪৫৪ জন।[২] বাগিচাৰ অস্বাস্থ্যকৰ পৰিৱেশত থাকি অতি কষ্টকৰ জীৱনযাপন কৰিবলগীয়া হোৱাত আৰু মালিকৰ শোষণৰ সন্মুখীন হ'বলগীয়া হোৱাত চাহবাগিচাসমূহৰপৰা ব্যাপক হাৰত শ্ৰমিকে পলাবলৈ চেষ্টা কৰিছিল। এই পলাতক শ্ৰমিকসকলক ধৰি আনি বন্দী কৰা হৈছিল আৰু চুক্তিভঙ্গৰ অপৰাধত শাস্তি দিয়া হৈছিল। শ্ৰমিকসকলে তেওঁলোকৰ অসন্তুষ্টি আৰু বিক্ষোভ প্ৰকাশ কৰিছিল ধৰ্মঘটৰ যোগেদি। ১৯২০ চনৰপৰা অসমৰ চাহবাগিচাসমূহত বিদ্ৰোহ বা ধৰ্মঘট এক ধাৰাবাহিক ঘটনা হৈ পৰিছিল। ১৯২০ চনত আব্দুল কৰিমৰ সভাপতিত্বত সুৰমা উপত্যকাত বহা এখন সভাত বিদেশী মালিকৰ শোষণৰ প্ৰতিবাদ কৰি বাগিচা আৰু অন্যান্য ব্যৱসায় বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শ্ৰমিকসকলক বাগিচা এৰি আহিবলৈ আহ্বান জনোৱা হয়। ১৯২১ চনৰ ২ মে' তাৰিখৰপৰা বৰাক উপত্যকাৰ চাৰগোলা অঞ্চলৰ চাহশ্ৰমিকসকলে মহাত্মা গান্ধীৰ নামত ধ্বনি দি বাগিচা ত্যাগ কৰিবলৈ আৰম্ভ কৰে। অসম চৰকাৰৰ ইস্তাহাৰত প্ৰকাশ পোৱা মতে "By about the middle of the month, between six to seven thousand coolies had left the gardens. Two gardens in the Chargola Valley had lost practically their labour force, and all the gardens but one in the Valley had lost from 30 to 60 percent."[৩]

শ্ৰমিকসকলৰ প্ৰধান দাবী আছিল মজুৰি বৃদ্ধি। বাগিচা এৰি অহা শ্ৰমিকৰে চাঁদপুৰ ৰেল ষ্টেচন ভৰি পৰিল। ৰেল ষ্টেচনত জুমবান্ধি থকা শ্ৰমিকৰ ওপৰত সশস্ত্ৰ পুলিচ বাহিনীয়ে অত্যাচাৰ আৰম্ভ কৰে। 'চাৰগোলা এক্স'ডাছ' নামে পৰিচিত এই শ্ৰমিক-বিক্ষোভক সমৰ্থন জনাই আৰু পুলিচী অত্যাচাৰৰ প্ৰতিবাদ জনাই আসাম-বেঙ্গল ৰেলৱেৰ শ্ৰমিকসকলে দহদিন ধৰি ধৰ্মঘট কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাতো দেশভক্ত তৰুণৰাম ফুকনৰ উদ্যোগত সমৰ্থনসূচক ৰেলধৰ্মঘট হয়। ১৯২১ চনৰ ৩ জুনৰপৰা তিনি দিন ধৰি গুৱাহাটীৰ উকিলসকলে আদালত বৰ্জন কৰে।

যদিও কিছুমান কংগ্ৰেছ-নেতাই ধৰ্মঘট পৰিচালনাত আগভাগ লৈছিল, সেই সময়ৰ ধৰ্মঘট চলোৱাটো কংগ্ৰেছৰ কাৰ্যসূচীৰ অন্তৰ্ভুক্ত নাছিল। মহাত্মা গান্ধীৰো মনঃপূত নাছিল।[৪]

হাজাৰ হাজাৰ শ্ৰমিকে বাগিচা ত্যাগ কৰি আহিলেও বহুতো পেটৰ তাড়নাত আৰু বহুতো শাসক-শোষকে চলোৱা অকথ্য নিৰ্যাতনৰ ফলত পুনৰ বাগিচাবোৰলৈ ঘূৰি যাবলৈ বাধ্য হ'ল। তথাপি এটা কথা স্বীকাৰ কৰিব লাগিব যে এই ঘটনাই শ্ৰমিকসকলৰ চেতনাক জগাই তুলিছিল আৰু মালিক পক্ষৰ শোষণৰ বিৰুদ্ধে

যুঁজিবলৈ একগোট হোৱাত সহায় কৰিছিল।

চাৰগোলা এক্স'ডাছৰ প্ৰভাৱ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহবাগিচাবোৰলৈও বিয়পি পৰিল। দৰং জিলাৰ হেলেম চাহবাগিচাত ১৯২১ চনত প্ৰথম ধৰ্মঘট হয় আৰু এই ধৰ্মঘটৰ ঢৌ বাকী চাহবাগিচাবোৰলৈও বাগৰি গ'ল। লখিমপুৰ, শিৱসাগৰ, তিনিচুকীয়া আদি জিলাৰ বিভিন্ন চাহবাগিচাৰ শ্ৰমিকসকলে বিক্ষোভ, ধৰ্মঘট আৰম্ভ কৰে। মালিকপক্ষৰ দুৰ্ব্যৱহাৰ, নিৰাপত্তামূলক সা-সুবিধাৰ অভাৱ আৰু মজুৰি বৃদ্ধিৰ দাবীয়েই আছিল এই ধৰ্মঘটসমূহৰ মূল কাৰণ। প্ৰকৃততে উপযুক্ত নেতাৰ অভাৱৰ কাৰণেই হয়তো ধৰ্মঘটবোৰ সফল হ'ব পৰা নাছিল।

চাৰগোলা এক্স'ডাছৰ আগতে ১৯২০ চনত ডিব্ৰু-শদিয়া ৰেল-শ্ৰমিকসকলে এটা ধৰ্মঘট কৰিছিল। ১৮৮৫ চনত একাশীবৈ মাইল দৈৰ্ঘ্যৰ ডিব্ৰু-শদিয়া ৰেললাইন খোলা হৈছিল আৰু তাত বহুতো শ্ৰমিকে অতি কম মজুৰিত কাম কৰিছিল। ১৯২০ চনৰ জুলাই মাহত শ্ৰমিকসকলে ৫০ শতাংশ মজুৰি বৃদ্ধিৰ দাবীত দহদিন ধৰি ধৰ্মঘট চলাইছিল। এই ধৰ্মঘটৰ এটা ফল হৈছিল যে মাহিলি ১০০ টকাতকৈ কম মজুৰি পোৱা শ্ৰমিকসকলৰ আয় ৩০ শতাংশ বৃদ্ধি পাইছিল। এই ধৰ্মঘটে ডিব্ৰু-শদিয়া ৰেলৰেৰ ওচৰেপাঁজৰে থকা চাহবাগিচাৰ শ্ৰমিকক উৎসাহিত কৰিছিল।

১৯২১ চনৰ ব্ৰিটিছ-বিৰোধী আন্দোলন আৰু গণজাগৰণৰ বাতৰিয়েও শ্ৰমিকসকলক উদগনি যোগাইছিল। সেয়েহে এই সময়ৰপৰা শ্ৰমিক-আন্দোলন সাম্ৰাজ্যবাদবিৰোধী জাতীয় মুক্তিসংগ্ৰামৰ অংশ হৈ পৰিছিল।

লাহে লাহে অন্যান্য শিল্পতো বিদ্ৰোহ আৰু ধৰ্মঘট আৰম্ভ হ'ল। ১৯২৫ চনত ছুইডিচসকলৰ মালিকনাত অবিভক্ত গোৱালপাৰা জিলাৰ ধুবুৰীত অসমৰ প্ৰথম জুইশলা তৈয়াৰ কৰা কাৰখানা স্থাপিত হয়। ইয়াৰ শ্ৰমিকসকলে সপ্তাহত প্ৰতিদিনেই কাম কৰিবলগা হৈছিল। মজুৰিৰ পৰিমাণ অতি কম আছিল আৰু ওভাৰটাইম কামৰ বাবে কোনোধৰণৰ অতিৰিক্ত মজুৰি দিয়া হোৱা নাছিল। ইয়াৰ প্ৰতিবাদত শ্ৰমিকসকলে ১৯২৮ চনৰ ২ নৱেম্বৰৰপৰা ধৰ্মঘটৰ আৰম্ভ কৰিছিল। গোৱালপাৰা জিলাত এইটো আছিল প্ৰথম শ্ৰমিক ধৰ্মঘট। কিন্তু মালিকপক্ষৰ অমনোযোগিতাৰ বাবে শ্ৰমিকসকলে শেষত ধৰ্মঘট প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। শ্ৰমিকসকলৰ অসন্তুষ্টি দিনক দিনে বাঢ়ি গৈছিল। উৎপাদন বৃদ্ধি হৈছিল যদিও শ্ৰমিক ছাঁটাই আৰম্ভ হ'ল। এনেকুৱা পৰিস্থিতিত শ্ৰমিকসকলে ১৯৩৬ চনত পুনৰ আন্দোলন আৰম্ভ কৰে। এই আন্দোলনৰ প্ৰতি ৰাইজেও পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। আন্দোলনটোৰ এটা উল্লেখযোগ্য দিশ হ'ল যে বিধানসভাৰ মজিয়াতো বিষয়টো উত্থাপন কৰা হৈছিল। ফকৰুদ্দিন আলি আহমেদে বিষয়টো উত্থাপন কৰিছিল আৰু সাদ্‌উল্লা চৰকাৰে পাঁচজন ব্যক্তিক লৈ এখন Conciliation Board গঠন কৰি শ্ৰমিকসকলৰ সমস্যা সমাধান কৰিবলৈ বিচাৰিছিল যদিও ব'ৰ্ডৰ সিদ্ধান্ত শ্ৰমিকসকলৰ পক্ষে নগ'ল। অৱশেষত শ্ৰমিকসকলে কামত যোগদান কৰিবলৈ বাধ্য হ'ল। এই আন্দোলনে সফলতা লাভ কৰিবলৈ সক্ষম নহ'ল যদিও



শ্ৰমিকসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাই আন্দোলনৰ গুৰুত্ব বহন কৰিছিল, যাৰ কাৰণে বিধানসভাৰ মজিয়াতো পোনপ্ৰথমবাৰৰ বাবে বিষয়টো আলোচিত হৈছিল।

ব্ৰিটিছ যুগৰ কঠোৰ শাসনকালত ডিগবৈৰ তেল শ্ৰমিকসকলৰ ঐক্যবদ্ধ আন্দোলন শ্ৰমিক-আন্দোলনৰ ইতিহাসত আন এটা দিগ্‌নিৰ্ণয়কাৰী ঘটনা। বাৰটা দাবীৰ ভিত্তিত শ্ৰমিকসকলে অসম অইল কোম্পানি (AOC) লেবাৰ ইউনিয়ন ধৰ্মঘট পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক সুধীন্দ্ৰ প্ৰামাণিকৰ নেতৃত্বত ১৯৩৯ চনৰ ৩ এপ্ৰিল তাৰিখৰপৰা ৫ ছেপ্টেম্বৰলৈকে পাঁচ মাহ ধৰি ধৰ্মঘট কৰিছিল। ধৰ্মঘটক বাধা দিবলৈ পুলিচী নিৰ্যাতন চলিছিল। ১৮ এপ্ৰিলত পুলিচৰ গুলীত সত্যেন্দ্ৰনাথ চক্ৰৱৰ্তী, প্ৰাণেশ্বৰ চৌধুৰী আৰু চণ্ডী তাহিৰ নামৰ তিনিজন লোকৰ মৃত্যু হৈছিল। শ্ৰমিক-হত্যাৰ বাতৰিটো বিয়পি পৰাৰ লগে লগে অসমতেই নহয়, অসমৰ বাহিৰতো প্ৰবল প্ৰতিবাদৰ জোৱাৰ উঠিল। দ্বিতীয় বিশ্বযুদ্ধৰ অজুহাত লৈ চৰকাৰে জৰুৰী আইন ঘোষণা কৰি ধৰ্মঘট ভাঙি নিদিয়া হ'লে হয়তো আৰু বহুদিনলৈ ই চলি থাকিলেহেঁতেন।

এই ধৰ্মঘটত জাতি-ধৰ্ম-বৰ্ণনিৰ্বিশেষে ছহাজাৰ শ্ৰমিকে যোগদান কৰিছিল আৰু শেষলৈকে সকলো দমনপীড়ন নেওচি শ্ৰমিকসকলে যুঁজ দিছিল। এই ধৰ্মঘটৰ বিষয়ে ব্ৰিটিছ চাহাব জৰ্জ মেকেঞ্জিৰ লেখাৰপৰা কিছু ধাৰণা কৰিব পাৰি। তেওঁ লিখিছিল: "1939 saw Digboi strike bound from April until the outbreak of hostilities in September of that year. Those who did not have to suffer the strike period will be imaged to learn that this was one of the best organised strikes that the writer has seen anywhere."[৪]

১৯৩৯ চনৰ ৪ ছেপ্টেম্বৰত ডিগবৈ আৰু তিনিচুকীয়াক ভাৰত চৰকাৰে বিশেষ সংৰক্ষিত এলেকা বুলি ঘোষণা কৰে। সুধীন্দ্ৰ প্ৰামাণিককে ধৰি জগন্নাথ উপাধ্যায়, যদুনাথ ভূঞা, মহম্মদ চফি, ভক্তবাহাদুৰ প্ৰধান, কেদাৰনাথ গোস্বামী, ডাঃ বিনয়কুমাৰ চক্ৰৱৰ্তী আদি শ্ৰমিক নেতাক ডিগবৈ অঞ্চলৰপৰা বহিষ্কাৰ কৰাৰ আদেশ দিয়া হয়।

মজুৰি বৃদ্ধি, চাকৰিৰ নিৰাপত্তা আৰু ট্ৰেড ইউনিয়ন অধিকাৰৰ দাবীত সংঘটিত হোৱা এই ধৰ্মঘটেই আছিল অসমৰ প্ৰথম দীৰ্ঘস্থায়ী ধৰ্মঘট। ধৰ্মঘটটোৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল শ্ৰমিকসকলৰ ঐক্য। তদুপৰি এই ধৰ্মঘটে ৰাষ্ট্ৰীয় পৰ্যায়তো গুৰুত্ব পাইছিল।

১৯৩৯ চনৰ এপ্ৰিল-মে' মাহত আৰু এটা পথ-প্ৰদৰ্শক শ্ৰমিক-আন্দোলন হ'ল কাছাৰ জিলাৰ অৰুণাবন্দ বাগিচাত। লালকান্দা চাহবাগিচাৰ মজদুৰ ইউনিয়নে এই ধৰ্মঘট পৰিচালনা কৰিছিল। ধৰ্মঘটটোৰ ফলত অসমৰ চাহশিল্পৰ ওপৰত বৰদলৈ মন্ত্ৰীসভাই প্ৰথম তদন্ত কমিটী গঠন কৰে।

১৯২৮ চনৰপৰা ১৯৪৩ চনৰ ভিতৰত অসমত শ্ৰমিক শ্ৰেণীৰ ধৰ্মঘট তথা সংগ্ৰামে ব্যাপক ৰূপ লৈছিল। কেৱল ১৯৩৯ চনতেই অবিভক্ত অসমত

ধৰ্মঘটৰ কাৰণে মুঠ ১৩,৪৬,৭৪০টা শ্ৰম দিৱস বিনষ্ট হয়।[৬]

প্ৰথম অৱস্থাত শ্ৰমিক-আন্দোলন বা বিক্ষোভ স্বতঃস্ফূৰ্তভাৱেই হৈছিল। কিন্তু লাহে লাহে চাহবাগিচাকে ধৰি আন আন শিল্পত শ্ৰমিকসকল সংগঠিত হ'বলৈ ধৰিলে। উল্লেখ কৰি অহা সংগ্ৰামবোৰে প্ৰকৃতপক্ষে সংগঠনৰ ভেটি বন্ধাৰ কাম কৰিছিল। উল্লেখনীয় যে ১৯২৬ চনত ট্ৰেড ইউনিয়ন পঞ্জীয়ন আইন (Trade Union Registration Act 1926) প্ৰৱৰ্তন হোৱাৰ আগলৈকে আইনসঙ্গতভাৱে শ্ৰমিক সংগঠন কৰাৰ অধিকাৰ শ্ৰমিকসকলৰ নাছিল। শ্ৰমিকসকল যিহেতু অশিক্ষিত আছিল সেয়ে ৰাজনৈতিক নেতাসকলেই শ্ৰমিক-সংগঠনৰ কামত আগভাগ লৈছিল। ভাৰতৰ স্বাধীনতা-আন্দোলনৰ নেতা সকলেই শ্ৰমিক-সংগঠনৰো নেতা হৈ পৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছ, যাৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা-আন্দোলন চলোৱা হৈছিল, তেওঁলোকেই শ্ৰমিকসকলক সংগঠিত কৰাৰ কামত লাগি পৰিছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ শ্ৰমিক শ্ৰেণীৰ প্ৰথম সংগঠন 'নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ' (AITUC) গঠন কৰা হয় প্ৰথম মহাযুদ্ধৰ পৰৱৰ্তী কালত। ১৯২০ চনত লালা লাজপৎ ৰায়ৰ সভাপতিত্বত এই সংগঠনটো গঠন কৰা হ'ল সাম্ৰাজ্যবাদী প্ৰভুত্ব আৰু পুঁজিবাদী শোষণৰ বিৰুদ্ধে। ভাৰতীয় শ্ৰমিকক সংগঠিত কৰাত এই সংগঠনৰ এক ঐতিহাসিক ভূমিকা আছে। লাহে লাহে বিভিন্ন মতাদৰ্শৰ বিভিন্ন ৰাজনৈতিক দলৰ সৃষ্টি হৈছিল আৰু নিজ নিজ দৃষ্টিভঙ্গীৰে শ্ৰমিকসকলক প্ৰভাৱান্বিত কৰিছিল।

১৯২০ চনৰপৰা ১৯৩০ চনৰ ভিতৰত সাম্যবাদী আৰু সমাজবাদী ভাবধাৰাই দেশৰ ৰাজনৈতিক চিন্তাধাৰাত খোপনি পুতিছিল। এই সময়ছোৱাৰ ভিতৰত ভাৰতীয় শ্ৰমিক-সংগঠনত বামপন্থী আদৰ্শৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই সময়ত কমিউনিষ্টসকলে শ্ৰেণী-আন্দোলন, ন্যূনতম মজুৰি-ব্যৱস্থা, বাক্-স্বাধীনতা, শ্ৰমিক-সংগঠন গঢ়াৰ স্বাধীনতা আদি ধাৰণাসমূহ শ্ৰমিক শ্ৰেণীৰ মাজত প্ৰচাৰ কৰিছিল। এই প্ৰচাৰৰদ্বাৰা প্ৰভাৱান্বিত হৈ শ্ৰমিকসকলো আন্দোলনমুখী হ'ল। তেওঁলোকৰ আদৰ্শৰে শ্ৰমিক দল গঠন হ'বলৈ ধৰিলে। আনহাতে শ্ৰমিকসকলৰ মাজত হোৱা সাম্যবাদী প্ৰচাৰ আৰু প্ৰভাৱে ব্ৰিটিছ শাসকক সচকিত কৰি তুলিলে। শ্ৰমিকৰ ওপৰত চলিল দমন, নিপীড়ন। ১৯৩৪ চনত ব্ৰিটিছ চৰকাৰে ভাৰতত কমিউনিষ্ট পাৰ্টিক নিষিদ্ধ ঘোষণা কৰিছিল আৰু তেওঁলোকৰদ্বাৰা সংগঠিত ট্ৰেড ইউনিয়ন সমূহকো বে-আইনী ঘোষণা কৰি শ্ৰমিক-সংগঠনৰ ওপৰত দমন-পীড়ন চলাই শ্ৰমিক-আন্দোলনক দুৰ্বল কৰিবলৈ চেষ্টা কৰিলে। তথাপি শ্ৰমিক শ্ৰেণীয়ে সংগ্ৰামী সত্তা বজাই ৰাখিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত শ্ৰমিক শ্ৰেণীৰ চেতনাই উল্লেখযোগ্যভাৱে বৃদ্ধি পায় আৰু ১৯৪২ চনত কমিউনিষ্ট পাৰ্টিও বৈধ বুলি ঘোষিত হ'ল।

১৯৩৫-৩৬ চন মানৰপৰা অসমত কমিউনিষ্টসকলে শ্ৰমিকসকলক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল। ১৯৩৫-৩৬ চনত ধুবুৰীৰ মেচ-ফেক্টৰিত



শ্ৰমিকসকলৰ দৰমহা-কৰ্তন আৰু শ্ৰমিক ছাটাইৰ বিৰুদ্ধে ৫৭ দিন ধৰি হোৱা ধৰ্মঘটত শ্ৰমিকনেতা বিপিন চক্ৰৱৰ্তীৰ অংশগ্ৰহণ বিশেষভাৱে মনকৰিবলগীয়া। আনকি সেইসময়ৰ গোৱালপাৰাৰ পুলিচ ছুপাৰিণ্টেণ্ডেণ্টে চৰকাৰক এনেধৰণে জনাইছিল: "Through Bipin Chakravarty Communist influence is working under the cloak of the Bengal Labour Association."[৭]

অসমৰ চাহবাগিচাত ট্ৰেড ইউনিয়ন গঠনৰ প্ৰথম ফলপ্ৰসূ প্ৰচেষ্টা দেখা যায় বৰাক উপত্যকাত।

অসমৰ চাহবাগিচাবোৰত বিভিন্ন সময়ত আন্দোলন, বিক্ষোভ আদি সংঘটিত হৈছিল যদিও ট্ৰেড ইউনিয়ন গঠন ১৯৩৮ চনৰ আগলৈকে হোৱা নাছিল। ১৯২৭ চনত কানপুৰত অনুষ্ঠিত হোৱা নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অধিৱেশনলৈ ব্ৰিটিছ সংসদৰ সদস্য এ এ পাৰ্ছেল আৰু সমবায় আন্দোলনৰ হলছৱৰ্থে আহি অসম ভ্ৰমণো কৰিছিল আৰু বিভিন্ন বাগিচা, তেল উদ্যোগ আদি পৰিদৰ্শন কৰি শ্ৰমিকৰ অৱস্থাৰ বুজ লৈছিল। তেওঁলোকৰ লগত আছিল অমিয়কুমাৰ দাস। হলছৱৰ্থ আৰু পাৰ্ছেলে বিভিন্ন সভাত ভাষণ দি অসমত শ্ৰমিক-সংগঠনৰ ওপৰত গুৰুত্ব দিছিল। লগতে ইংলেণ্ড, মেক্সিকো, ৰাছিয়া, চীন আদি দেশৰ শ্ৰমিকসকলে সংগঠনৰ মাজেদি আন্দোলন চলাই দৰমহা বৃদ্ধিকে ধৰি কেনেকৈ আন বহুতো সুবিধা লাভ কৰিব পাৰিছে সেই সভাত ব্যক্ত কৰিছিল। পাৰ্ছেলে ভাষণ প্ৰসঙ্গত কৈছিল: "The birth of Communist Party of India also greatly helped to unionise the labourers."[৮]

তেওঁলোকৰ ভাষণে বহুতকে আকৰ্ষিত কৰিছিল যদিও অসমৰ চাহবাগিচাত প্ৰথম শ্ৰমিক সংগঠন গঢ়ি উঠে ১৯৩৯ চনত আৰু এই সংগঠনটো প্ৰথম বৰাক উপত্যকাত গঠন কৰা হয়। তাত কমিউনিষ্টসকলৰ উদ্যোগত চিলেট-কাছাৰ চাহবাগান মজদুৰ ইউনিয়নৰ সাংগঠনিক কমিটী গঠন কৰা হৈছিল ১৯৩৮ চনত আৰু ১৯৩৯ চনৰ ২৯ মাৰ্চ তাৰিখে তাৰ ইউনিয়ন পঞ্জীয়নভুক্ত হয়। ইয়াৰ পিছত ডিব্ৰুগড়, মাৰ্ঘেৰিটা আদি ঠাইৰ চাহবাগিচাতো সংগঠনৰ কাম আৰম্ভ হয়। ১৯৩৯ চনতে আপাৰ আছাম টী কোম্পানি লেবাৰ ইউনিয়ন (ডিব্ৰুগড়), ৰাজমাই টী কোম্পানি লেবাৰ ইউনিয়ন (ডিব্ৰুগড়), গ্ৰীনউড টী কোম্পানি লেবাৰ ইউনিয়ন (ডিব্ৰুগড়), মাকুম টী কোম্পানি লেবাৰ ইউনিয়ন (মাৰ্ঘেৰিটা) গঠিত হয়।

১৯৩৮ চনৰ আগলৈকে অসম অইল কোম্পানিত কোনো মজদুৰ সংগঠন নাছিল। পেট্ৰ'লিয়ামৰ একমাত্ৰ গুৰুত্বপূৰ্ণ বিদেশী তেল কোম্পানিত মজদুৰ সংগঠন কৰাৰ আৱশ্যকতাৰ কথা সৰ্বভাৰতীয় স্তৰত নেতাসকলে চিন্তা কৰিছিল। ১৯২৯ চনত নেতাজী সুভাষচন্দ্ৰ বসুৱে জামছেদপুৰৰ শ্ৰমিকনেতা চৌখা সিঙক অসম অইলত মজদুৰ সংগঠন কৰিবলৈ পঠিয়াইছিল।[৯] অৱশ্যে চৌখা সিং কৃতকাৰ্য নহ'ল। ১৯৩৭ চনত পণ্ডিত জৱাহৰলাল নেহেৰু অসমলৈ আহি ডিগবৈলৈ গৈছিল আৰু তাৰ জুবিলি ফিল্ডত শ শ দৰ্শকৰ আগত দিয়া ভাষণ প্ৰসঙ্গত

তেতিয়ালৈকে শ্ৰমিকসকলৰ কোনো সংগঠন নথকাত আশ্চৰ্য প্ৰকাশ কৰিছিল। তেওঁ শ্ৰমিক সংগঠনৰ কাৰ্যকাৰিতাৰ বিষয়ে বহলাই ব্যাখ্যা কৰি উদ্যোগত শ্ৰমিকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰিবৰ কাৰণে ভয়ভীত এৰি অবিলম্বে শ্ৰমিক-সংগঠন গঢ়ি তুলিবলৈ ডিগবৈৰ শ্ৰমিকসকলক উদাত্ত আহ্বান জনাইছিল।[১০] কিছুদিনৰ পিছতেই জগন্নাথ উপাধ্যায়ক সভাপতি, মহম্মদ আহম্মদ চৌধুৰী আৰু যদুনাথ ভূঞাক সম্পাদক হিচাপে লৈ অসম অইল কোম্পানি লেবাৰ ইউনিয়ন গঠন কৰা হ'ল। সুধীন্দ্ৰ প্ৰামাণিকক পৰামৰ্শদাতা কৰি অনা হ'ল। ১৯৩৯ চনৰ ডিগবৈৰ ঐতিহাসিক ধৰ্মঘট এই ইউনিয়নৰ নেতৃত্বতেই হৈছিল আৰু ইউনিয়নে কোম্পানিৰ কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা বাবদফীয়া দাবীৰ ভিতৰত প্ৰথমটোৱেই আছিল বিনাচৰ্তে অসম অইল কোম্পানি লেবাৰ ইউনিয়নক স্বীকৃতি দিয়া। ১৯৩৯ চনৰ ২০ মাৰ্চ তাৰিখে এই ইউনিয়নে স্বীকৃতি লাভ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ অজুহাত লৈ এ ও চি লেবাৰ ইউনিয়নৰ ধৰ্মঘটক বে-আইনী বুলি ঘোষণা কৰি ধৰ্মঘটৰ নেতাসকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱাৰ পিছত কিছুদিনলৈকে এই ইউনিয়নে বিশেষ কাম কৰিবপৰা নাছিল যদিও ১৯৪৩ চনত কমিউনিষ্ট সমৰ্থকসকলৰ উদ্যোগত পুনৰ ইউনিয়ন সক্ৰিয় হৈ উঠে আৰু কমিউনিষ্ট নেতা বাৰীন চৌধুৰী সভাপতি নিৰ্বাচিত হয়।

ডক-মজদুৰ ইউনিয়ন, দোকান কৰ্মচাৰী ইউনিয়ন, ৰেল কৰ্মচাৰীসকলৰ মাজতো এইসময়ৰ ভিতৰত শ্ৰমিক সংগঠন গঢ়ি উঠিছিল। ১৯৩৫-৪৩ৰ ভিতৰত শ্ৰমিক-শ্ৰেণীৰ পাৰ্টি হিচাপে অসমত কমিউনিষ্ট পাৰ্টি গঠনৰ আদিপৰ্ব শেষ হয়। এই সময়তেই বিপ্লৱী কমিউনিষ্ট পাৰ্টি গুৱাহাটীত গঠিত হয় আৰু কংগ্ৰেছ সমাজতন্ত্ৰী দলেও নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হয়।[১১] অল ইণ্ডিয়া ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অসম শাখা ১৯৪৩ চনত গঠন কৰা হৈছিল।

১৯৪৭ চনৰ ১৫ আগষ্টত শাসনভাৰ পৰিৱৰ্তনৰ লগে লগে ৰাজনৈতিক দৃশ্যপটৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। শ্ৰমিক-আন্দোলনতো ইয়াৰ প্ৰভাৱ পৰে। বামপন্থীসকলৰদ্বাৰা পৰিচালিত শ্ৰমিক-আন্দোলনবোৰক উদ্যোগ-অধিপতিসকলে ভয় কৰি চলিবলগীয়া হৈছিল আৰু সেয়েহে তেওঁলোকে কংগ্ৰেছ নেতৃত্বাধীন শ্ৰমিক-সংগঠনৰ ওপৰতহে অধিক নিৰ্ভৰশীল আছিল। স্বাধীনতাৰ পিছত কংগ্ৰেছে শাসনভাৰ লোৱা প্ৰদেশবোৰত সেয়ে চৰকাৰেও শ্ৰমিক সংগঠন আৰু মালিকৰ মাজত বিভেদ হ্ৰাস কৰি মিলা-প্ৰীতিৰ ব্যৱস্থা কৰিছিল। ১৯৪৭ চনত ইণ্ডিয়ান নেচনেল ট্ৰেড ইউনিয়ন কংগ্ৰেছ (INTUC) গঠন হোৱাৰ দুবছৰৰ ভিতৰতে এই সন্থাক ভাৰতৰ সৰ্ববৃহৎ বনুৱা সন্থা হিচাপে আন্তৰ্জাতিক বনুৱা সংঘই স্বীকৃতি দিয়ে।

১৯৪৬ চনৰ প্ৰাদেশিক নিৰ্বাচনত অসমত কংগ্ৰেছৰ বিজয়ে কংগ্ৰেছ-নেতাসকলক শ্ৰমিক-সংগঠনৰ কাম কৰাত সুবিধা দিছিল। শাসকীয় দল হিচাপে কেৱল কংগ্ৰেছী লোককহে শ্ৰমিকসকলক সংগঠন কৰাৰ অনুমতি দিয়া হ'ল। ১৯৪৭ চনৰ ২৭ জুলাইত পঠোৱা এখন চিঠিৰদ্বাৰা (Indian Tea Association letter no LD/600 dated 27th July, 1947) শ্ৰমিক-নেতা ৰবীন কাকতিক চাহবাগিচাৰ শ্ৰমিকক সংগঠন কৰাৰ অনুমতি দিয়া হয়। আনকি চিঠিত এইখিনি কথাও উল্লেখ কৰা হ'ল যে যিসকল শ্ৰমিক নেতাই ৰবীন কাকতিৰপৰা অনুমতিপত্ৰ পাব একমাত্ৰ তেওঁলোকহে শ্ৰমিক লাইনত সোমাব পাৰিব।[১২] এইটোৱে কংগ্ৰেছ নেতাসকলক চাহবাগিচাৰ শ্ৰমিকসকলৰ মাজত তেওঁলোকৰ মতাদৰ্শ প্ৰচাৰৰ সুবিধা দিছিল।



ইণ্ডিয়ান নেচনেল ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অসম শাখা ১৯৪৭ চনৰ ৩ ছেপ্টেম্বৰ তাৰিখে কেবিনেট মন্ত্ৰী কামাখ্যাপ্ৰসাদ ত্ৰিপাঠীৰ সভাপতিত্বত গঠন কৰা হ'ল। নগাঁও, গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া আদি ঠাইৰ চাহবাগিচাৰ বনুৱাসকলৰ মাজত সোমাই পৰি ৰবীন কাকতিয়ে কাম কৰিছিল। বিজয়চন্দ্ৰ ভাগৱতীয়ে অবিভক্ত দৰং জিলাৰ বনুৱাসকলক সংগঠন কৰাৰ কামত আগভাগ লৈছিল। সুৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰ আদিত্য নামৰ দুজন নেতাই সুৰমা উপত্যকাৰ চাহ-শ্ৰমিকৰ মাজত সোমাই পৰি সুৰমা উপত্যকাত চাহ-শ্ৰমিক সংগঠন গঠন কৰিছিল।

চাহবাগিচাৰ বাহিৰেও তেল, ৰেল, মটৰ, প্লাইউড, কয়লাখনি আদিৰ শ্ৰমিকসকলৰ মাজতো কংগ্ৰেছ নেতাসকলে সংগঠনৰ কাম কৰিছিল। ডিগবৈৰ তেল কোম্পানিত ইণ্ডিয়ান নেচনেল ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ স্বীকৃতিপ্ৰাপ্ত অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন গঠন কৰা হ'ল। সুধীন্দ্ৰ প্ৰামাণিকৰ লগত বিভিন্ন বিষয়ত মতপাৰ্থক্যৰ ফলস্বৰূপে এই নতুন ইউনিয়ন গঠন হ'ল। এই ক্ষেত্ৰত সেই সময়ৰ ডিগবৈ অঞ্চলৰ বিশিষ্ট ব্যক্তি দ্বিজেন্দ্ৰচন্দ্ৰ দেৱশৰ্মাই বিশেষভাৱে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। সুধীন্দ্ৰ প্ৰামাণিকৰ লগতে মাহিলি দৰমহাৰ বিষয়টো লৈ এদিন কথাৰ কটাকটি হোৱাত শৰ্মাদেৱ ওলাই আহি নতুন সংগঠন গঢ়াৰ সংকল্প ল'লে। আত্মজীৱনীমূলক গ্ৰন্থ *সৰু সৰু মানুহৰ সৰু সৰু কথাত* লিখিছে, "সিদিনাখনৰ পৰাই ডিগবৈত পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন সংগঠন কৰাত লাগিলো। ভাল সঁহাৰি পালো। মোক সভাপতি আৰু মহাত্মম প্ৰসাদ তেৱাৰীক সম্পাদক কৰি অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ নতুন কমিটী গঠন হ'ল।"[১৩]

উৎসাহজনকভাৱে অসম পেট্ৰ'লিয়ম মজদুৰ ইউনিয়নৰ সদস্যসংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিষয়াই জৰীপ কৰি সংখ্যাগৰিষ্ঠ বুলি প্ৰমাণপত্ৰ দিয়াত কোম্পানিয়ে এই ইউনিয়নক স্বীকৃতি দিলে। নতুন এই সংখ্যাটোৱেও অসম অইল কোম্পানিৰ লগত বহুতো চুক্তি সম্পাদন কৰি শ্ৰমিক-মালিকৰ মাজত থকা বিবাদৰ মীমাংসা কৰিবলৈ চেষ্টা কৰিছিল।

১৯৪৯ চনত হোৱা ৰেল ধৰ্মঘটৰ সময়ত শ্ৰমিক-আন্দোলনকাৰীসকলৰ ওপৰত কংগ্ৰেছ চৰকাৰে দমননীতি চলাই কমিউনিষ্ট ট্ৰেড ইউনিয়ন সংগঠনৰ কামকাজত বাধা প্ৰদান কৰাৰ সুবিধাতে INTUC আৰু সমাজতন্ত্ৰী দল এইচ এম

এছে ৰেলত দুটা ইউনিয়ন গঠন কৰি কৰ্তৃপক্ষৰ স্বীকৃতি লাভ কৰিলে।

মালিক আৰু চৰকাৰৰ সহযোগত ব্যাপকভাৱে আই এন টি ইউ চি সংগঠিত হ'ল। ১৯৫৭ চনৰপৰা ১৯৫৯ চনলৈকে দিয়া আই এন টি ইউ চিৰ কামকাজৰ ৰিপৰ্টত পোৱা যায় যে চাহ আৰু তেল শিল্পৰ বাহিৰেও বিজুলী, জুইশলা, ছপাশাল, মটৰ পৰিবহণ, চেনিকল আদিত তেওঁলোকৰ সংগঠন গঢ়ি উঠিছিল। ১৯৮৭ চনৰ ১৪ আৰু ১৫ তাৰিখে তিনিচুকীয়াত বহা ২০তম দ্বিবাৰ্ষিক অধিৱেশনৰ সম্পাদকৰ প্ৰতিৱেদন মতে ১৯৮৬ চনৰ শেষলৈকে বিভিন্ন শিল্পত INTUCতে স্বীকৃতিপ্ৰাপ্ত ৫৮টা সংগঠন হ'লগৈ আৰু মুঠ সদস্য সংখ্যা হয়গৈ ৩,৫৭,৬৩৭জন।

এ আই টি ইউ চিৰ নেতৃবৰ্গই স্বাধীনতাৰ পৰৱৰ্তী সময়ত দেশৰ শাসক আৰু শোষক শ্ৰেণীৰ প্ৰতি দেখুওৱা আপোচবাদী দৃষ্টিভংগি আৰু কৰ্মকাণ্ডৰ ফল হিচাপে সংগঠনৰ মাজত তীব্ৰ বিৰোধৰ সৃষ্টি হৈছিল। যিটো সময়ত শ্ৰমিকৰ ওপৰত হোৱা শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীৰ সংগ্ৰাম জোৰদাৰ কৰাৰ প্ৰয়োজন আছিল সেই সময়তেই এ আই টি ইউ চিৰ নেতৃবৰ্গই সংগ্ৰামৰ পথ পৰিত্যাগ কৰি চৰকাৰ আৰু মালিক গোষ্ঠীৰ লগত আপোচ কৰাৰ নীতি গ্ৰহণ কৰিছিল। অল ইণ্ডিয়া ট্ৰেড ইউনিয়ন কংগ্ৰেছতো আদৰ্শগত বিতৰ্ক আৰম্ভ হয়। ভাৰতৰ শ্ৰমিক-আন্দোলনত শ্ৰেণী-নীতি বিসৰ্জন দিয়া আৰু শ্ৰেণী-সংগ্ৰামৰ নীতিক লৈ সৃষ্টি হোৱা সংঘাত আৰু বিৰোধৰ পৰিণতিত ১৯৭০ চনত চেণ্টাৰ অৱ ইণ্ডিয়ান ট্ৰেড ইউনিয়ন (চি আই টি ইউ)ৰ জন্ম হৈছে।[১৪] ১৯৭০ চনৰ এপ্ৰিল মাহৰ ৯ আৰু ১০ তাৰিখে গোৱাত অনুষ্ঠিত এখন অভিৱৰ্তনত এটা নতুন কেন্দ্ৰীয় সৰ্বভাৰতীয় সংগঠন গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সেই একে চনৰে ২৮, ২৯ আৰু ৩০ মে' তাৰিখে কলিকতাত অনুষ্ঠিত সন্মিলনত চি আই টি ইউ গঠনৰ কথা ঘোষণা কৰা হয়। অসমত ১৯৭১ চনত চি আই টি ইউৰ প্ৰথম ৰাজ্যিক সন্মিলন গুৱাহাটীত অনুষ্ঠিত হ'ল আৰু ডাঃ দেৱপ্ৰসাদ বৰুৱাক সভাপতি আৰু অমল ঘোষ দস্তিদাৰক সাধাৰণ সম্পাদক হিচাপে লৈ চি আই টি ইউৰ পূৰ্ণাঙ্গ অসম ৰাজ্যিক কমিটী গঠন কৰা হ'ল। এই সংগঠন ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) প্ৰভাৱিত শ্ৰমিক সংগঠন। চি আই টি ইউ গঠনৰ লগে লগে ট্ৰেড ইউনিয়ন আন্দোলন এটা নতুন স্তৰত সোমাল। চাহবাগিচা, প্লাইউড, প্ৰেছ, ঔষধ কাৰখানা, মেচ ফেক্টৰি আদি শিল্পত সাংগঠনিক কামকাজ আৰম্ভ কৰি লাহে লাহে বিভিন্ন শিল্পলৈ ইয়াৰ সংগঠন বিয়পি পৰিছিল আৰু শ্ৰমিকসকলৰ আন্দোলনৰ সমৰ্থনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিলে।

সৰ্বস্তৰৰ শ্ৰমিক-কৰ্মচাৰীক ঐক্যবদ্ধ কৰাৰ স্বাৰ্থতে ১৯৭৩ চনত অসমত জে চি টি ইউৱে (জইণ্ট কাউন্সিল অৱ ট্ৰেড ইউনিয়নছে) জন্মলাভ কৰিছিল। এই মঞ্চ গঠনত চি আই টি ইউৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

বিভিন্ন শিল্প-উদ্যোগৰ শ্ৰমিক-সংগঠনসমূহ বিভিন্ন কেন্দ্ৰীয় সংগঠনৰ অন্তৰ্ভুক্ত যদিও কিছুমান সংগঠনে স্বতন্ত্ৰভাৱেও কাম কৰে। তদুপৰি বৰ্তমান



শ্ৰমিক-সংগঠন কেৱল ঔদ্যোগিক শ্ৰমিকসকলৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বিভিন্ন শিল্পৰ বাহিৰেও ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ অসামৰিক সেৱা প্ৰতিষ্ঠান আদিতো শ্ৰমিক-কৰ্মচাৰীৰ মাজত সংগঠন গঢ়ি উঠিছে আৰু ১৯২৬ চনৰ ট্ৰেড ইউনিয়ন পঞ্জীয়ন আইন পঞ্জীভুক্ত কৰা হৈছে।

১৯৩৮-৩৯ চনত সংগঠিত হোৱা অতি কমসংখ্যক শ্ৰমিক সংগঠনৰপৰা লাহে লাহে সংগঠন বাঢ়ি গৈ ১৯৪৯-৫০ চনলৈ হ'লগৈ ৬৭টা। Annual General Administrative Report of the Labour of Assam মতে ১৯৬৮-৬৯ চনত থকা ১৯৫টা শ্ৰমিক সংগঠনৰপৰা ১৯৮০-৮১ চনত ৩৪৭টা হৈছিলগৈ। শেহতীয়া তথ্য অনুসৰি ২০১১ চনত পঞ্জীভুক্ত শ্ৰমিক সংগঠনৰ সংখ্যা হয়গৈ ৬৬৮টা।

শ্ৰমিকসকলক বিভিন্ন সা-সুবিধা আৰু অৰ্থনৈতিক-সামাজিক সুৰক্ষা দিবৰ কাৰণে ভাৰত চৰকাৰে বিভিন্ন ধৰণৰ আইনো প্ৰণয়ন কৰিছে। আইনৰ যোগেদি কল্যাণমূলক কামকাজো হাতত লৈছে। ভাৰতৰ শ্ৰমিক আইনৰ প্ৰকৃত বুৰঞ্জী আৰম্ভ হয় ১৮৮১ চনত প্ৰথম কাৰখানা আইন (Factory Act) গ্ৰহণ কৰাৰপৰা। কিন্তু আইনখন শ্ৰমিক-সুৰক্ষাৰ ক্ষেত্ৰত পৰ্যাপ্ত নাছিল। সেয়েহে ইয়াৰ বিৰোধিতা কৰি ১৮৮২ চনৰপৰা ১৮৯০ চনৰ ভিতৰত বিভিন্ন ঠাইত ধৰ্মঘট হৈছিল।[১৫] ১৮৯১ চনত কাৰখানা আইনখন সংশোধন কৰা হ'ল। আইনখনে প্ৰথমবাৰৰ কাৰণে শ্ৰমিকসকলক সপ্তাহত এদিন ছুটি দিয়াৰ কথা ঘোষণা কৰিছিল। সংশোধিত এই আইনখনেও শ্ৰমিকে বিচৰা ধৰণে সা-সুবিধা নিদিয়াৰ কাৰণে শ্ৰমিকসকলে ইয়াৰ বিৰোধিতা কৰে। স্বাধীনতাৰ পিছত ১৯৪৮ চনত ভাৰত চৰকাৰে নতুনকৈ ঘোষণা কৰা কাৰখানা আইনে শ্ৰমিকসকলক আগৰ কেইখন আইনতকৈ কিছু বেছি সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰিলে। ১৪ বছৰৰ তলৰ কোনো শিশুকেই উদ্যোগৰ কামত লগাব নোৱৰাৰ কথা ঘোষণা কৰা হ'ল। শিশুৰ সুৰক্ষাৰ কাৰণে শিশু-শ্ৰমিক আইন বেলেগকৈও প্ৰণয়ন কৰা হৈছিল। এইবোৰৰ উপৰি ভাৰত চৰকাৰে আন বহুতো শ্ৰমিকসম্পৰ্কীয় আইন প্ৰণয়ন কৰিছিল। এই আইনবোৰ ভাৰতৰ বিভিন্ন ৰাজ্যত প্ৰযোজ্য হ'ল। অসমে এই আইনসমূহক ভিত্তি কৰি অসম বাগিচা শ্ৰম বিধিকে (Plantation Labour Rules) ধৰি নিজাববীয়াকৈও বহুতো বিধি গ্ৰহণ কৰিলে। এইবোৰৰ যোগেদি সামাজিক-অৰ্থনৈতিক সুৰক্ষা, শিক্ষা, স্বাস্থ্যসম্পৰ্কীয় সা-সুবিধাৰ কথা কোৱা হ'ল। শ্ৰমিকসকলৰ সামাজিক সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এসময়ৰ কেন্দ্ৰীয় শ্ৰমমন্ত্ৰী আৰু পিছলৈ ভাৰতৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত প্ৰখ্যাত ট্ৰেড ইউনিয়ন নেতা প্ৰয়াত ভি ভি গিৰিয়ে কৈছিল: "প্ৰতিখন উন্নয়নশীল ৰাষ্ট্ৰ নিৰ্মাণত শ্ৰমিকসকলৰ সামাজিক সুৰক্ষাই একাধিক দিশত প্ৰচুৰ অৰিহণা যোগায়। শ্ৰমিকৰ উন্নতমানৰ জীৱনধাৰা, কৰ্ম-সম্পাদনৰ বাবে সুস্থ পৰিৱেশ বা বাতাৱৰণ আৰু অনিশ্চয়তামুক্ত ভৱিষ্যৎ জীৱনৰ লেখীয়া কথাই কৃষিকৰ্ম বা কলকাৰখানাৰ সুচল পৰিচালনা নিশ্চিত কৰে। আনহাতে সামাজিক সুৰক্ষা দানৰ প্ৰতি অৱহেলা কৰিলে উৎপাদন কমে, এটা কৰ্মক্ষম স্থায়ী শ্ৰমিক

দলৰ অভাৱ ঘটে।"[১৬]

অসমত সংগঠিত আৰু অসংগঠিত উভয় ক্ষেত্ৰতে শ্ৰমিকৰ সংখ্যা অতি বেছি। গৃহ আৰু অন্যান্য নিৰ্মাণ-শিল্পৰ শ্ৰমিক, বেচৰকাৰী পৰিবহণ শ্ৰমিক, ৰিক্সাচালক, ঠেলাচালক, কমাৰ, কুমাৰ, মটৰ গেৰেজৰ শ্ৰমিক, সৰু দোকানৰ কৰ্মচাৰী, বিভিন্ন কুটিৰ শিল্পত নিযুক্ত শ্ৰমিক ইত্যাদিক মূলতঃ অসংগঠিত খণ্ডৰ শ্ৰমিক হিচাপে গণ্য কৰা হয়। কলকাৰখানা, খনি, চাহবাগিচা, বেংক, বীমা, বিদ্যুৎ আদিৰ শ্ৰমিকসকলক সংগঠিত ক্ষেত্ৰৰ শ্ৰমিক হিচাপে ধৰা হয়। যিবোৰ প্ৰতিষ্ঠানত শ্ৰমিকৰ সংখ্যা দহজনতকৈ কম তেওঁলোক অসংগঠিত ক্ষেত্ৰৰ শ্ৰমিক আৰু দহজনতকৈ বেছি হ'লেই সংগঠিত খণ্ডৰ।

অসংগঠিত খণ্ডৰ শ্ৰমিকসকল কোনো আইনৰদ্বাৰা সুৰক্ষিত নহয়। সংগঠনৰ ক্ষেত্ৰতো বহু ঠিকা-শ্ৰমিকে অস্থায়ী হিচাপে অতি কম মজুৰিত আৰু অন্যান্য সা-সুবিধাৰপৰা বঞ্চিত হৈ কাম কৰি আছে। স্থায়ী কামত থাকিলেও তেওঁলোক সুৰক্ষিত নহয়। ঠিকা-শ্ৰমিকসকলৰ মাজতো সংগঠন গঢ়ি উঠিছে। কিন্তু নতুনকৈ গঢ়ি উঠা কিছুমান কলকাৰখানাত ঠিকা-শ্ৰমিক নিযুক্তি দিয়া হৈছে যদিও সেইবোৰৰ শ্ৰমিকসকলে সংগঠন কৰাৰ ক্ষেত্ৰত মালিক পক্ষৰপৰা বাধাৰ সন্মুখীন হ'বলগীয়া হৈছে। শ্ৰম আইনমতে সেইবোৰৰ কামত অস্থায়ী শ্ৰমিকৰ নিযুক্তি নিষিদ্ধ যদিও চৰকাৰে সেই আইন সম্পূৰ্ণৰূপে উলঙ্ঘা কৰি আহিছে।

অসংগঠিত আৰু অদক্ষ শ্ৰমিক তথা আৰু ঠিকা-শ্ৰমিকসকল অৰ্থনৈতিক আৰু সামাজিকভাৱে সুৰক্ষিত নহয়। অসম চৰকাৰে বৰ্তমান নিৰ্ধাৰণ কৰি দিয়া অদক্ষ শ্ৰমিকৰ ন্যূনতম মাহিলি মজুৰি মাত্ৰ ৩৯০০ টকা আৰু ঠিকা-শ্ৰমিকৰ ৪২৫০ টকা। ১৯৫৭ চনৰ পঞ্চদশ ভাৰতীয় শ্ৰম সন্মিলনৰ সংজ্ঞা আৰু পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশৰ ভিত্তিত এজন অদক্ষ শ্ৰমিকে ন্যূনতম মজুৰি মাহে দহ হাজাৰ টকা পাব লাগিব। কিন্তু বৰ্তমানো ই কাৰ্যকৰী কৰা হোৱা নাই। ইয়াৰ বাহিৰেও সামাজিক সুৰক্ষা, যেনে পেঞ্চন, ভৱিষ্যনিধি, চিকিৎসা ভাট্টা আদিৰপৰা এইসকল লোক বঞ্চিত।

বাওঁপন্থী ট্ৰেড ইউনিয়নবোৰৰ সংগ্ৰামৰ হেঁচাত কেন্দ্ৰীয় চৰকাৰে ২০০৮ চনৰ ৩১ ডিচেম্বৰত অসংগঠিত খণ্ডৰ শ্ৰমিকৰ সামাজিক সুৰক্ষা আইন ২০০৮ প্ৰণয়ন কৰে। অসম চৰকাৰেও মূল আইনখনৰ আধাৰত ২০১০ চনৰ ৩ জুনত অসমৰ অসংগঠিত খণ্ডৰ শ্ৰমিকৰ সামাজিক সুৰক্ষা বিধি ২০১০ নামৰ এখন বিধি প্ৰণয়ন কৰে। কিন্তু তাৰ পূৰ্ণ প্ৰয়োগ হ'বলৈ বহু বাকী।

বৰ্তমান অসমৰ চাহবাগিচাসমূহকে ধৰি বিভিন্ন উদ্যোগত মহিলা শ্ৰমিকৰ সংখ্যা যথেষ্ট বেছি। শ্ৰমশক্তিৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিগণিত কৰ্মজীৱী মহিলাসকলৰ যিসকল সংগঠিত ক্ষেত্ৰত নিয়োজিত তেওঁলোকো আইনৰদ্বাৰা সম্পূৰ্ণ সুৰক্ষিত নহয়। কৰ্মজীৱী মহিলাসকলৰ এটা প্ৰধান সমস্যা হৈছে শিশু প্ৰতিপালন। শিশুক নিৰাপদে ৰাখিবলৈ কৰ্মস্থলত শিশু ৰখাৰ কেন্দ্ৰ (crech



house) অপৰিহাৰ্য। অসমৰ বাগিচাসমূহত মহিলাসকলৰ সংখ্যা পুৰুষতকৈ বেছি। ১৯৪৮ চনৰ কাৰখানা আইনমতে যিবোৰ সংগঠিত খণ্ডত ৩০গৰাকীতকৈ অধিক মহিলা শ্ৰমিক আছে সেইবোৰত ছবছৰৰ তলৰ শিশুক ৰাখিব পৰাকৈ পৰিষ্কাৰ, পোহৰ পৰি থকা শিশু-সুৰক্ষা কেন্দ্ৰ থাকিব লাগিব। কিন্তু অসমৰ বিভিন্ন বাগিচাত মাথোন নামত শিশু ৰখা ঘৰ আছে যদিও সেইবোৰ পাত দমাই থোৱা ঘৰ হিচাপেহে ব্যৱহাৰ কৰা হয়। মহিলা বনুৱাৰ দৈনিক মজুৰিও বহু দিনলৈকে পুৰুষৰ মজুৰিতকৈ কম আছিল। ১৯৯১ চনৰ পাছৰপৰা পুৰুষ আৰু মহিলা শ্ৰমিকৰ মাজৰ মজুৰিৰ ব্যৱধান লোপ কৰা হয়। "২০.২. ৯০ তাৰিখে শ্ৰমিক-নেতাসকলে চৰকাৰৰ লগত কৰা চুক্তিমতে (Notification No GLR (RC) 127/87 dtd Dispur the 20.2.90) পুৰুষ আৰু মহিলা বনুৱাৰ মজুৰি সমান কৰা হয়।"[১৭] কিন্তু এতিয়াও তুলনামূলকভাৱে চাহশ্ৰমিকৰ মজুৰি অইন শিল্প-শ্ৰমিকৰ মজুৰিতকৈ কম। ১৪ বছৰৰ তলৰ শিশুক কামত লগোৱাটো আইনমতে অপৰাধ। কিন্তু এতিয়াও বহু শিশু-শ্ৰমিকে শিল্প উদ্যোগকে ধৰি বিভিন্ন ক্ষেত্ৰত কাম কৰি থকা দেখা যায়।

বৰ্তমানৰ যুগ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। পৃথিৱীত বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নে বিশ্বৰ উন্নত দেশৰ পুঁজিপতিসকলক যথেষ্ট সহায় কৰিছে। লগে লগে শ্ৰমিক-আন্দোলনৰো এটা নতুন অধ্যায় আৰম্ভ হৈছে। ১৯৪৮ চনতেই জেনেৰল এগ্ৰিমেণ্ট অন টেৰিফছ এণ্ড ট্ৰেড (GATT)ৰ জন্মই প্ৰকৃততে মাৰ্কিন আৰু ইউৰোপীয় বহুজাতিক কোম্পানিবোৰক বিশ্ববাণিজ্য পৰিচালনাৰ বাবে বাট মুকলি কৰি দিছিল। বিশ্ববেংক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ দৰে বিশ্ববাণিজ্য সংস্থা দুটাই অৰ্থনৈতিক সংস্কাৰৰ নামত বাণিজ্যৰ বিশ্বায়ন, উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ আদিৰ কথা ঘোষণা কৰিছে আৰু ভাৰতকে ধৰি তৃতীয় বিশ্বৰ দেশসমূহত ইয়াৰ প্ৰচলনত হেঁচা প্ৰয়োগ কৰিছে। ১৯৯১ চনত ভাৰত চৰকাৰে অৰ্থনীতিৰ উদাৰীকৰণ নীতি গ্ৰহণ কৰে যিটো নতুন অৰ্থনৈতিক নীতি হিচাপে পৰিগণিত হয়। ভাৰতীয় উদ্যোগসমূহক আন্তঃৰাষ্ট্ৰীয় উদ্যোগসমূহৰে সৈতে প্ৰযুক্তিৰ ক্ষেত্ৰত ফেৰ মাৰিব পৰাকৈ ১৯৯০ৰ দশকত চৰকাৰে ক্ৰমাগতভাৱে ভাৰতীয় অৰ্থনীতিক উদাৰ, শিথিল আৰু উন্মুক্ত কৰি আনে। ভাৰতীয় উদ্যোগসমূহত বিদেশী বিনিয়োগৰ অনুমতি দিয়া হয়। উদ্যোগসমূহে যাতে অতিৰিক্ত কৰ্মচাৰী ছাঁটাই কৰি উন্নততৰ প্ৰযুক্তিৰ প্ৰয়োগ ঘটাব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰে। চৰকাৰৰ নতুন অৰ্থনৈতিক নীতিৰপৰা আটাইতকৈ বেছি প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে শ্ৰমিক শ্ৰেণী। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক ব্যক্তিগতকৰণ কৰাৰ প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত কৰি বিদেশী পুঁজি বিনিয়োগৰ নামত বহুজাতিক কোম্পানিবোৰক আমাৰ দেশত ব্যৱসায় কৰাৰ সুবিধা দিয়াত দেশীয় উদ্যোগবোৰ সঙ্কটৰ গৰাহত পৰিছে আৰু অৰ্থনীতিৰ ওপৰত এক প্ৰচণ্ড আঘাত নামি আহিছে। অসমৰ তৈলক্ষেত্ৰসমূহৰ ওপৰত ব্যক্তিগত মালিকৰ আধিপত্য বাঢ়িছে। ৰাজ্যখনত কয়লা, সাৰ, কাগজ কল আদি

সঙ্কটত পৰিছে। বাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ অৱস্থাও পুতৌ লগা। স্থায়ী শ্ৰমিকৰ সংখ্যা কমাই ঠিকাভিত্তিক অস্থায়ী শ্ৰমিক নিয়োগৰ ব্যৱস্থা কৰা হৈছে। বিশ্বায়ন, উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতিৰ আধাৰত দেশৰ শ্ৰমিক আইনসমূহ সংশোধন কৰাৰ উদ্দেশ্যৰে ১৯৯৯ চনতেই দ্বিতীয় শ্ৰম আয়োগ গঠন কৰা হৈছিল। ৩০০জনতকৈ কমসংখ্যক শ্ৰমিকে কাম কৰা উদ্যোগ প্ৰতিষ্ঠানৰ মালিকক চৰকাৰৰপৰা কোনো ধৰণৰ অনুমতি নোলোৱাকৈ নিজ ইচ্ছামতে শ্ৰমিক ছাঁটাই আৰু কাৰখানা বন্ধ কৰাৰ অধিকাৰ দিয়াৰ বাবে আয়োগে চৰকাৰলৈ পৰামৰ্শ আগবঢ়াইছিল। আয়োগে পৰামৰ্শ দিছিল যে একমাত্ৰ উদ্যোগৰ কৰ্তৃপক্ষৰ স্বীকৃতিপ্ৰাপ্ত ইউনিয়নেহে ধৰ্মঘটৰ আহ্বান দিব পাৰিব। এইবোৰৰ বাহিৰেও শ্ৰম আয়োগে দিয়া বহু পৰামৰ্শই শ্ৰমিকৰ জীৱনলৈ ভয়াবহতা নমাই আনিছিল। ইয়াৰ প্ৰতিবাদত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে অসমৰ শ্ৰমিক-সংগঠনেও ঐক্যবদ্ধ আন্দোলন গঢ়ি তুলিছিল।

উল্লেখ্যযোগ্য যে বিভিন্ন সময়ত অসমৰ শ্ৰমিক-সংগঠনসমূহে চলাই নিয়া আন্দোলনৰ ফলস্বৰূপেই প্ৰাক্-স্বাধীনতা কালৰ সেই গোলামীযুগৰ অৱস্থাৰপৰা শ্ৰমিকৰ অৱস্থা তুলনামূলকভাৱে কিছু উন্নত হৈছে। কিন্তু বিশ্বায়ন আৰু উদাৰবাদী অৰ্থনীতিৰ ফলত উন্নত পুঁজিবাদী দেশসমূহত যি-অৰ্থনৈতিক সঙ্কটে দেখা দিছে তাৰ প্ৰভাৱ অসমতো পৰিছে। ফলত ৰাজ্যখনৰ শ্ৰমিক শ্ৰেণী ঘোৰ বিপৰ্যয়ৰ সন্মুখীন হৈছে। কেন্দ্ৰীয় চৰকাৰে নতুন অৰ্থনৈতিক নীতি গ্ৰহণ কৰাৰ প্ৰতিবাদত ট্ৰেড ইউনিয়নবোৰে ২০ বছৰৰ ভিতৰত ১৪টা ধৰ্মঘট কৰিছে। আৰু অসমৰ ট্ৰেড ইউনিয়নবোৰেও সেইবোৰলৈ সমৰ্থন আগবঢ়াইছে। দেশৰ ৰাজনীতি, চৰকাৰৰ শ্ৰমনীতি আৰু অৰ্থনৈতিক নীতিৰ লগত শ্ৰমিকসকলৰ অৱস্থাৰ সম্পৰ্ক আছে। কিন্তু অতি দুখৰ বিষয় যে অসমত আজি জাত-পাত, ধৰ্ম, গোষ্ঠী, ভাষা আদিৰ নামত চলোৱা বিভাজনবাদী নীতিয়ে শ্ৰমিকসকলৰ একতাৰ বাটত হেঙাৰস্বৰূপে থিয় দিছে।

## তথ্যসূত্ৰ

১ লোহিতকুমাৰ বৰা। "চাহ-বনুৱা সমাজৰ অসমীয়া নাৰী"। শিৱনাথ বৰ্মন, সন্ধ্যা দেৱী আৰু পৰমানন্দ মজুমদাৰ সম্পাদিত *অসমীয়া নাৰী: ঐতিহ্য আৰু উত্তৰণ*। গুৱাহাটী: ষ্টুডেণ্টচ্ ষ্টʼৰ্চ, ২০০২, পৃষ্ঠা ২০৭।

২ সুভাষ সাহা। "অসমৰ চাহ শিল্পত মালিক-শ্ৰমিক সম্পৰ্ক - এটি খতিয়ান (১৮৩৫-১৯২৭)"। নতুন সাহিত্য পৰিষদ, গুৱাহাটী আঞ্চলিক সমিতিৰদ্বাৰা সম্পাদিত *অসমৰ শ্ৰমিক-আন্দোলন - ইতিহাস আৰু ধাৰা: প্ৰাক স্বাধীনতাকাল* (প্ৰথম খণ্ড)। গুৱাহাটী ভাগৱতী প্ৰকাশন, প্ৰথম প্ৰকাশ ১৯৯৩।

৩ A. C. Bhuyan, S. De (eds.). *Political History of Assam*, Volume 2 (1920-1939). Dispur : Govt. of Assam, 1st edition 1978, p. 238

৪ অমলেন্দু গুহ। "অসমত চাহ শ্ৰমিক-আন্দোলন - ১৮৩৯-১৯৪৭"। নতুন সাহিত্য পৰিষদ, গুৱাহাটী আঞ্চলিক সমিতিৰদ্বাৰা সম্পাদিত *অসমৰ শ্ৰমিক-আন্দোলন*। প্ৰাগুক্ত।



৫ দ্বিজেন্দ্ৰচন্দ্ৰ দেৱশৰ্মা। *সৰু সৰু মানুহৰ সৰু সৰু কথা*। তিনিচুকীয়া: দ্বিজেন্দ্ৰচন্দ্ৰ দেৱশৰ্মা, প্ৰথম প্ৰকাশ, ২০০০ চন, পৃষ্ঠা ৩২৪।

৬ অচিন্ত্য ভট্টাচাৰ্য। "অসমত ট্ৰেড ইউনিয়ন আন্দোলন ইতিহাসৰ চমু আভাস"। স্মৰণিকা চি আই টি ইউ দশম অসম ৰাজ্যিক সন্মিলন, ৭, ৮, ৯ ফেব্ৰুৱাৰি, ২০১০, স্মৰণিকা উপসমিতি সম্পাদিত, ২০১০, পৃষ্ঠা ২১।

৭ A. C. Bhuyan, S. De (eds.). *Political History of Assam*. vol. 2 (1920-1939) Dispur: Govt. of Assam, 1st Edition 1978, p. 262

৮ তদেৱ, পৃষ্ঠা ২৪৪।

৯ দ্বিজেশচন্দ্ৰ দেৱশৰ্মা। প্ৰাগুক্ত, পৃষ্ঠা ৩০৫।

১০ তদেৱ, পৃষ্ঠা ৩০৭।

১১ অচিন্ত্য ভট্টাচাৰ্য, প্ৰাগুক্ত, পৃষ্ঠা ২২।

১২ জি এছ ভট্টাচাৰ্য। "অসমত শ্ৰমিক-আন্দোলনৰ পাতনি"। *Silver Jubilee Souvenir of the Gauhati Refinery Workers' Union*, 1986, published by Silver Jubilee Souvenir Committee, p. 13

১৩ দ্বিজেন্দ্ৰচন্দ্ৰ দেৱশৰ্মা। প্ৰাগুক্ত, পৃষ্ঠা ৫৭১।

১৪ দেবেন ভট্টাচাৰ্য। "অসমত চি আই টি ইউ গঠনৰ আদি পৰ্ব"। চি আই টি ইউ দশম অসম ৰাজ্যিক সন্মিলন, ৭, ৮, ৯ ফেব্ৰুৱাৰি ২০১০। প্ৰাগুক্ত, পৃষ্ঠা ৩৪।

১৫ G. Ramanujan. *Indian Labour Movement*. New Delhi: Sterling Publishers, 1986, p. 8

১৬ "সম্পাদকীয়", *আমাৰ অসম*, ২৯ এপ্ৰিল ২০০৭, গুৱাহাটী।

১৭ লোহিতকুমাৰ বৰা, প্ৰাগুক্ত, পৃষ্ঠা ২১১।

# অসমত নাৰীমুক্তি আন্দোলন

ড° মীৰা দেৱী

নাৰী-পুৰুষ উভয়ৰে সমাজ গঠিত যদিও সমাজত নাৰী আৰু পুৰুষৰ সমানাধিকাৰ আজিও প্ৰতিষ্ঠিত হোৱা নাই। উৎপাদনৰ সা-সঁজুলিবোৰ বিকশিত হোৱাৰ লগে লগে সমাজত পুৰুষৰ আধিপত্য বাঢ়িল আৰু দাস-সমাজ ব্যৱস্থা সৃষ্টি হোৱাৰ লগে লগে আদিম মাতৃপ্ৰধান-সমাজ ধ্বংসৰ মুখত পতিত হ'ল। এই মাতৃ-অধিকাৰৰ উচ্ছেদেই হৈছে নাৰীজাতিৰ পতনৰ প্ৰধান স্তৰ।

ভাৰতবৰ্ষত ঋগ্বেদৰ দিনত নাৰীৰ যি-স্বাধীনতা আছিল পৰৱৰ্তী কালত শাস্ত্ৰকাৰ মনুৱে নাৰীৰ জীৱনৰ সেই সকলো স্বাধীনতা খৰ্ব কৰি নাৰীক চিৰকাল পুৰুষৰ অধীনত ৰখাৰ নিৰ্দেশ দিলে। নাৰীক ঘৰুৱা দাসী হিচাপে লৈ নানা ভীতি প্ৰদৰ্শনেৰে শাস্ত্ৰৰ দোহাই দি নাৰীৰ স্থান সমাজত নিম্নগামী হোৱাৰ পথ প্ৰশস্ত কৰি তুলিলে।

কিন্তু ব্ৰিটিছে ভাৰতবৰ্ষৰ শাসনভাৰ লোৱাৰ পিছত ভাৰতীয় সমাজত যেতিয়া পছিমীয়া প্ৰভাৱ পৰে তেতিয়াৰ পৰাহে নাৰীমঙ্গল আৰু নাৰীমুক্তিৰ চেতনাই ভাৰতীয় সমাজত প্ৰৱেশ কৰে। ভাৰতৰ অন্যান্য প্ৰদেশতকৈ বহু পিছতহে অসম ইংৰাজৰ অধীনলৈ যায়। ঐতিহাসিক য়াণ্ডাবু সন্ধি (১৮২৬) হোৱাৰ পিছতহে পাশ্চাত্য চিন্তাৰ স্ৰোত যেতিয়া অসমতো প্ৰৱেশ কৰে তাৰ পিছৰপৰাই অসমতো নাৰীমুক্তি বা নাৰীৰ অধিকাৰ সম্পৰ্কে এক নৱচেতনাৰ উন্মেষ হ'বলৈ আৰম্ভ কৰে।

অসমৰ নাৰীমুক্তি প্ৰসঙ্গত সেই বাবে ব্ৰিটিছৰ ভাৰত-আগমন আৰু পাশ্চাত্য শিক্ষাবিস্তাৰৰ ফলত হোৱা বঙ্গৰ নৱ-জাগৰণ আৰু নাৰী-সংগঠনসমূহৰ বিষয় থোৰতে আলোচনা কৰিব লাগিব।

অষ্টাদশ শতাব্দীৰ শেষ ভাগৰপৰা কলিকতা চহৰ শিল্প-বাণিজ্যৰ কেন্দ্ৰ হৈ পৰে। কলিকতা মাদ্ৰাছা, হিন্দু কলেজ, সংস্কৃত কলেজ আদি শিক্ষা-প্ৰতিষ্ঠান প্ৰতিষ্ঠিত হোৱাত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ জ্ঞান-চৰ্চাৰ পথ মুকলি হয়। লৰ্ড কৰ্নৱালিছে ভূমি-ৰাজহ সংস্কাৰ আৰু চিৰস্থায়ী বন্দবস্তৰদ্বাৰা বঙ্গ আৰু বিহাৰৰ ৰাজহৰ পৰিমাণ স্থায়ীকৈ নিৰ্ধাৰণ কৰে। লৰ্ড উইলিয়ম বেণ্টিঙ্কে 'সতীদাহ' প্ৰথা বিলোপ কৰে।

ইংলেণ্ডৰ শিল্প-বিপ্লৱৰ ফলত কল-কাৰখানাৰ কেঁচামালৰ বাবে ইংৰাজে



ভাৰতত উপনিবেশ স্থাপন কৰে। তেওঁলোকৰ সুবিধাৰ বাবেই যানবাহন-ৰেলপথ, স্কুল-কলেজ আদি নিৰ্মাণ বা প্ৰতিষ্ঠা কৰে। পাশ্চাত্যৰ শিক্ষা-সংস্কৃতিয়ে যুগ-যুগান্তৰৰ ভাৰতীয় মধ্যযুগীয় সামন্ততান্ত্ৰিক ৰীতি-নীতিৰ ওপৰত আঘাত কৰে। দেশত সৃষ্টি হোৱা নৱজাগৰণে চিন্তাচৰ্চাৰ সলনি ঘটায়।

ঊনবিংশ আৰু বিংশ শতাব্দীৰ ভাৰতীয় নাৰীৰ ব্যক্তিত্ব আৰু মঙ্গলৰ বাবে যি-সজাগতাৰ সৃষ্টি হৈছিল তাৰ মূলতে আছিল পাশ্চাত্যৰ উদাৰনৈতিক আদৰ্শ আহৰণ কৰা ভাৰতীয় সমাজসংস্কাৰক, ৰাজনীতিজ্ঞ আৰু জনদিয়েক সহৃদয় ব্ৰিটিছ শাসক। যি-সময়ত ভাৰতীয় মহিলাৰ ব্যক্তিসত্তা আৰু মানৱীয় সত্তা সম্পৰ্কে একো বুলিয়েই ধাৰণাই নাছিল সেই ঊনবিংশ শতাব্দীত ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদি সমাজসংস্কাৰকসকলে ৰক্ষণশীলতাৰ বুকুৰপৰা ভাৰতীয় মহিলাক উদাৰতা আৰু প্ৰগতিৰ পথলৈ লৈ আহিবলৈ প্ৰচেষ্টা চলাইছিল। বহুবিবাহ, বাল্যবিবাহ, সতীদাহ-প্ৰথাৰ বিৰোধিতা কৰি নাৰী-মঙ্গল আৰু নাৰীমুক্তিৰ পথ প্ৰশস্ত কৰি তুলিছিল। নাৰীঅধিকাৰ বিষয়ৰ কেইখনমান আইনো গৃহীত হৈছিল।

মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা জাতীয় আন্দোলনত নাৰীৰ অংশগ্ৰহণ আছিল লেখত ল'বলগীয়া। বিপ্লৱী নাৰীসকলৰ ভিতৰত সৰোজিনী নাইডু আছিল অগ্ৰণী। মহাত্মাই তেওঁৰ সপোনৰ ভাৰত সম্পৰ্কে কৈছিল এনেদৰে:

> মই এনে এখন ভাৰতৰ কাৰণে কাম কৰিম, য'ত অতি দৰিদ্ৰজনেও অনুভৱ কৰে যে এইখন তেওঁলোকৰ দেশ, যাক আমি গঢ়ি তোলাত তেওঁলোকৰ কাৰ্যকৰী মাত মাতিবৰ হক আছে। এইখন এনে এখন ভাৰত য'ত মানুহৰ মাজত কোনো উচ্চ-নীচ শ্ৰেণী থাকিব নোৱাৰিব, এনে এখন ভাৰত য'ত সকলো সম্প্ৰদায়ে সম্পূৰ্ণ মিলা-প্ৰীতিৰে বাস কৰিব, নাৰীয়ে পুৰুষৰ সমানে অধিকাৰ ভোগ কৰিব। এইখনেই হ'ল মোৰ সপোনৰ ভাৰত।

মহাত্মা গান্ধীৰ নেতৃত্বত আন্দোলনত যোগদান কৰা মহিলাসকলৰ ভিতৰত আছিল সৰোজিনী নাইডু, কস্তুৰবা গান্ধী, এনি বেচান্ত, ৰি আম্মা, মনিবেন পেটেল, ৰাজকুমাৰী অমৃত কউৰ, বাসন্তী দেৱী, উৰ্মিলা দাস, কমলা দেৱী চট্টোপাধ্যায়, সৰলা দেৱী চৌধুৰানী আদি। পাছলৈ এওঁলোকৰ একাংশই সশস্ত্ৰ আন্দোলনত যুক্ত হৈ দেশৰ হকে প্ৰাণ দিছিল। কল্পনা দত্ত, বীণা দাস, কমলা দাসগুপ্তা, প্ৰীতিলতা ৱাদ্দেদাৰ, শান্তি ঘোষ, সুনীতি চৌধুৰী আদিৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য।

১৯১৭ চনত উইমিনছ্ ইণ্ডিয়ান এছ'চিয়েচন (Women's Indian Association) আৰু ১৯২৭ চনত নিখিল ভাৰত মহিলা সন্মিলন (All India Women's Conference) গঠিত হয়। স্ত্ৰীশিক্ষা, নাৰীৰ সামাজিক মৰ্যাদা, সামাজিক সংস্কাৰ আৰু ভোটাধিকাৰৰ বাবে এই দুটা সংগঠনে আন্দোলন গঢ়ি তোলে। নিখিল ভাৰত মহিলা সন্মিলনৰ প্ৰচেষ্টাত The Legal Practitioners' (Woman) Amendment Act 1923, Indian Succession Act 1925, Child Marriage Restraint Act 1929 আদি আইন পাছ হয়।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰিপ্ৰেক্ষিতত মহিলা আত্মৰক্ষা সমিতি গঠন হয়। ১৯৫৪

চনত ভাৰতীয় জাতীয় নাৰী ফেডাৰেচন গঠিত হয়। ১৯৭৩ চনৰ অষ্টম সন্মিলনত নাৰীৰ অধিকাৰৰ দাবীত, উন্নত কৰ্ম পৰিৱেশ, শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত মৌলিক সংস্কাৰসাধনৰ দাবীত নাৰী আৰু পুৰুষৰ বাবে সংগ্ৰাম গঢ়ি তোলাৰ লগতে নব্য ঔপনিৱেশবাদৰ নীতিৰ বিপৰীতে জাতীয় অৰ্থনীতি শক্তিশালী কৰাৰ বাবে আৰু শান্তিৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে। যৌতুক আৰু সতীপ্ৰথাৰ বিৰুদ্ধেও আন্দোলন কৰে। ১৯৮৮ চনত মহাৰাষ্ট্ৰত অনুষ্ঠিত সন্মিলনত সতীপ্ৰথা আৰু ধৰ্মৰ নামত ৰাজস্থানৰ দেওৰালা গাঁৱত ৰূপ কানোৱাৰ নামৰ ১৮ বছৰীয়া বিধৱাগৰাকীক বৰ্বৰতাৰে কৰা হত্যা অতি নিন্দনীয় বুলি অভিহিত কৰে।

১৯৮১ চনত তামিলনাডুত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি (All India Democratic Women's Association) নামেৰে এটা সৰ্বভাৰতীয় নাৰী সংগঠনৰ জন্ম হয়। সংগঠনটোৱে দৃঢ়ভাৱে কয় যে সমাজৰ আমূল বৈপ্লৱিক পৰিৱৰ্তন অবিহনে শোষিত নাৰীৰ পূৰ্ণ মুক্তি সম্ভৱ নহয়। মাৰ্ক্সবাদত অনুষ্ঠানটোৱে বিশ্বাস কৰে। ১৯৫৭ চনৰ পাছত বহুতো স্ব-শাসিত নাৰী দল (autonomous women's group)ৰ জন্ম হয়।

পেশাগত (professional) নাৰী সংগঠন কিছুমানেও মহিলাৰ বিভিন্ন ক্ষেত্ৰত স্বাধীনতা আৰু সা-সুবিধা বিচাৰি আহিছে। নাৰীমুক্তি আন্দোলনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে এই সংগঠনসমূহে কাম কৰি আহিছে।

অসমীয়া সমাজখনো পুৰুষপ্ৰধান সমাজ বাবেই ইয়াৰ কেন্দ্ৰস্থলত আছে পুৰুষসকলহে। পৰম্পৰাগত সমাজখনত ডাকৰ বচন, মনু আদিৰ ৰচনাসমূহে যুগ যুগ ধৰি প্ৰভাৱ বিস্তাৰ কৰি আহিছে। মুছলমান সম্প্ৰদায়ৰ মাজত তেওঁলোকৰ ধৰ্মীয় গ্ৰন্থ কোৰান ছৰিফে নাৰীৰ স্থান নিৰ্ণয় কৰি দিছে।

উচ্চবৰ্ণৰ হিন্দু-সমাজত সামাজিক বিধি-নিষেধ কঠোৰ যদিও উচ্চ হিন্দু-সমাজক বাদ দি সাধাৰণ অসমীয়া কৃষিজীৱী সমাজত নাৰীক যি-মৰ্যাদা দিয়া হয়, তাত জনজাতীয় প্ৰভাৱ উলাই কৰিব নোৱাৰি। তিব্বতীয়-বৰ্মীসকলৰ নাৰীপুৰুষে যেনেকৈ পথাৰত কাম কৰে, অনা-তিব্বতীয়-বৰ্মী অসমীয়া সমাজতো কৃষিজীৱী পৰিয়ালত নাৰীয়ে পথাৰত ধান ৰোৱাৰপৰা আৰম্ভ কৰি ভাত বন্ধালৈকে সকলো কাম কৰে। ছোৱালী পলুৱাই অনা, গা-ধন দি ছোৱালী অনা আদি জনজাতীয় প্ৰভাৱ অসমীয়া সমাজত আছে।

যুৱতী কালত বিবাহ হোৱা, বিবাহবিচ্ছেদ, বিধৱাবিবাহ আদিত জনজাতীয় প্ৰভাৱ আছে। অসমত বহুবিবাহ আৰু অসবৰ্ণ বিবাহ-প্ৰথা আহোমসকলৰ প্ৰভাৱত হৈছিল আৰু যৌতুক প্ৰথাৰো আহোম দিনৰপৰাই প্ৰচলন হয়।

মহাপুৰুষীয়া ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম এক উদাৰ ধৰ্ম বুলি স্বীকৃত হ'লেও নাৰীৰ ধৰ্ম গ্ৰহণ আৰু প্ৰচাৰ অলপ দূৰৈত যেন বৈ গৈছিল।

য়াণ্ডাবু সন্ধিয়েই অসমত পাশ্চাত্য চিন্তাৰ স্ৰোত বোৱাই অনাৰ পথ মুকলি কৰে আৰু তেতিয়াৰপৰাই অসমতো যি-এক নৱচেতনা জাগ্ৰত হ'বলৈ আৰম্ভ



কৰে তাৰেই অন্যতম প্ৰধান অসমৰ নাৰী মুক্তি আন্দোলন।

মানৰ তিনিটাকৈ অসম আক্ৰমণ আৰু তাৰ পাছত য়াণ্ডাবু সন্ধিয়ে ছশ বছৰীয়া আহোম ৰাজত্বৰ অৱসান ঘটায়। অষ্টাদশ শতাব্দীৰ শেষৰ ফালে উত্তৰ হোৱা মোৱামৰীয়া বিদ্ৰোহে অসমৰ ৰাজনীতি অস্থিৰ কৰি তোলে। ৰজা গৌৰীনাথ সিংহই মোৱামৰীয়া মহন্তসকলৰ বিদ্ৰোহ দমন কৰিব নোৱাৰি ইষ্ট ইণ্ডিয়া কোম্পানিৰ লৰ্ড কৰ্নৱালিচক বিদ্ৰোহ দমনৰ বাবে অনুৰোধ জনায়। কেপ্টেইন ৱেলচক লৰ্ড কৰ্নৱালিছে সসৈন্যে বিদ্ৰোহ দমন কৰিবলৈ পঠায়। গৌৰীনাথ সিংহৰ দিনৰপৰাই অসমৰ ৰাজনৈতিক দৃশ্যপটৰ পৰিৱৰ্তন ঘটে। মোৱামৰীয়া বিদ্ৰোহত পুৰুষ-মহিলা বহুতেই প্ৰাণ দিব লগা হৈছিল; কিন্তু ৰাধা-ৰুক্মিণীৰ দৰে দুই বীৰাঙ্গনাই দিয়া নেতৃত্বই নাৰীৰ মাজত লুকাই থকা সাহস আৰু দেশপ্ৰেমৰ নিদৰ্শন স্পষ্টকৈ দাঙি ধৰিবলৈ সক্ষম হয়।

জয়মতীৰ দৰে নাৰীয়ে আজিও অসমৰ ইতিহাস জিলিকাই ৰখাৰ দৰে বহুতো বীৰাঙ্গনাই অসমৰ ইতিহাস জিলিকাই ৰাখিছে যদিও প্ৰকৃতাৰ্থত নাৰীমুক্তি আন্দোলনে সম্পূৰ্ণৰূপে নতুন অসম অৰ্থাৎ আধুনিক অসমতহে পোখা মেলিছিল। য়াণ্ডাবু সন্ধিয়ে অসমৰ সামন্ততান্ত্ৰিক শাসনৰ ওৰ পেলাই গণতান্ত্ৰিক ৰাজনীতিৰ বীজ ৰোপণ কৰে। ব্ৰিটিছৰ আগমনৰ ফলত আধুনিক শিক্ষা-প্ৰণালীৰ প্ৰচলন হয়। মিঃ ৰবাৰ্ট ব্ৰুচে চাহ খেতি প্ৰচলন কৰি অৰ্থনীতিৰ জগৎখনলৈ পৰিৱৰ্তন আনে। বাহিৰৰ বনুৱা, নতুন বজাৰ এইবোৰে পৰিৱৰ্তন আনে। গোমধৰ কোঁৱৰৰ নেতৃত্বত অহা বিপ্লৱী চেতনাই নতুনৰ বাবে বাট মুকলি কৰে।

এই সময়তে ভাৰতৰ সমাজখনলৈ অনা নৱজাগৰণৰ ঢৌৱে অসমকো স্পৰ্শ কৰে। স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তা, বিধৱাবিবাহ, বাল্যবিবাহ দূৰীকৰণ, সতীদাহ নিবাৰণ আদি বিষয়সমূহে অসমীয়া শিক্ষিত ডেকাসকলকো অনুপ্ৰাণিত কৰে।

এই সময়ছোৱাত ইউৰোপ আৰু এছিয়াত ৰাজনৈতিক নানা সঙ্ঘাত ঘটে আৰু বিভিন্ন মতাদৰ্শৰ উদ্ভৱ হয়। ভাৰতীয় এচাম শিক্ষিত ডেকা নতুন চিন্তা-চৰ্চাত পৰিৱৰ্তনমুখী হৈ পৰে; তেওঁলোকৰ প্ৰভাৱ অসমীয়া ডেকাসকলৰ এচামৰ ওপৰত পৰে আৰু এওঁলোকেই হৈ পৰে নতুন অসম গঢ়াৰ বাটকটীয়া।

পূৰণি অসমীয়া সমাজখনত অলপ কথাতে স্ত্ৰী-বৰ্জনৰ দৰে ঘটনা ঘটিছিল। নাৰীয়ে স্ব-ইচ্ছাৰে কোনো কাম কৰিব নোৱাৰিছিল। এনে এটি ঘটনাৰ বিৱৰণ *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ* গ্ৰন্থত গ্ৰন্থকাৰ গুণাভিৰাম বৰুৱাই সুন্দৰভাৱে দাঙি ধৰিছে এনেদৰে:

> উজনী খণ্ডত তিয়ক নামে এখনি বৰ্দ্ধিষ্ণু গ্ৰাম আছিল। তাতে গৌতম গোত্ৰৰ কেইঘৰমান ব্ৰাহ্মণ আছিল। তেওঁবিলাক তিয়কীয়া অধ্যাপকৰ ঘৰৰ বুলি প্ৰসিদ্ধ। মোৱামৰীয়া বা মৰাণৰ উপদ্ৰৱত সেই ঘৰৰ এজন ব্ৰাহ্মণে তেওঁৰ স্ত্ৰী আৰু যোগাই নামে এটি আঠ বছৰীয়া ল'ৰা লৈ নামেৰে ভটিয়াই আহে। সেই সময়ত দেশত উপদ্ৰৱ হোৱাত কৃষি-বাণিজ্য নাছিল। বিশেষ পলাই আহিবলগীয়া মানুহবিলাকে লগত সকলো সামগ্ৰী নিব নোৱাৰিছিল। অধ্যাপক কেইবাদিনো উপবাসে আছিল। এতিয়া যেনেকুৱা

> আমাৰ অসমীয়া মানুহৰ তামোলৰ প্ৰতি বৰ শ্ৰদ্ধা, ভাত নাখাই ৰবঞ্চ থাকিব পাৰে, তামোল নাখাই থাকিব নোৱাৰে, অতি কষ্ট বোধ কৰে, তেতিয়াও তেনেকুৱা আছিল। তেওঁৰ লগত তামোল-পাণ নাছিল; আৰু তাক খোৱাও নাছিল। এদিনাখন এঠাইত ব্ৰহ্মপুত্ৰত তেওঁবিলাকে নাও চপাইছিল। লুইতত দৈবাৎ পাণ-তামোল উটি আহিছিল। যোগাইৰ মাকে স্নান কৰি সেই তামোল-পাণ খালে। অধ্যাপকে স্নান কৰি তেওঁৰ পত্নীক তামোল খোৱা দেখি তামোল-পাণ ক'ত পালে সুধিলে। তেওঁ ক'লে যে- "লুইতত উটি অহা পাই খালোঁ।" অধ্যাপকৰ ইয়াতে বৰ ক্ৰোধ জন্মিল আৰু ক'লে বোলে, "তই যেতিয়া কিজানি কোনে কেনেকৈ উটাই দিছে তাক বিচাৰ নকৰি উটি অহা তামোল আকাল বুলি খালি তোত বিশ্বাস নাই"। এই বুলি অনেক তিৰস্কাৰ কৰি অধ্যাপকে তেওঁক সেই ঠাইতে পৰিত্যাগ কৰি নাও মেলি ভটিয়াই গ'ল। আইজনাৰ শেষ অৱস্থা কি হ'ল কোনেও ক'ব নোৱাৰে।[১]

সি যি কি নহওক, এই গোসাঁইৰ বংশৰে আন এজন তিয়কীয়া অধ্যাপকৰ ঘৰৰ এজন লোকৰ নাম পৰশুৰাম। লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ আশ্ৰয়ত ডাঙৰ হোৱা পৰশুৰামৰ পুত্ৰ হ'ল আনন্দৰাম ঢেকিয়াল ফুকনৰ পিতৃ হলিৰাম ঢেকিয়াল ফুকন।

আনন্দৰাম ঢেকিয়াল ফুকনে স্ত্ৰীশিক্ষাৰ বাটকটীয়া হৈ পুৰুষ-প্ৰধান সমাজখনত স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি নিজৰ ঘৈণীয়েকক ঘৰতে লিখাপঢ়া শিকাইছিল। কন্যা পদ্মাৱতী দেৱী ফুকননীক সৰুৰেপৰাই পিতৃয়ে উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিছিল।

গুণাভিৰাম বৰুৱাই *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ*ত ফুকন সম্পৰ্কে এনেদৰে লিখিছে:

> স্ত্ৰী শিক্ষাৰ প্ৰতি তেওঁৰ বৰ শ্ৰদ্ধা আছিল, নিজৰ পত্নীক নিজেই শিক্ষা দিছিল আৰু নিজৰ কন্যা পদ্মাৱতীক পঞ্চত বৰ্ত্তত বিদ্যাৰম্ভ কৰিছিল। স্ত্ৰী পুৰুষ উভয়ে মনুষ্য, এতেকে স্ত্ৰী বিলাক অশিক্ষিতা থাকিলে পুৰুষ অৰ্দ্ধাঙ্গী ৰোগক্ৰান্তৰ দৰে থাকে এইটি তেওঁৰ মত। স্ত্ৰী স্বাধীনতাৰো তেওঁ পক্ষপাতী আছিল। উপযুক্ত শিক্ষিতা হ'লে স্ত্ৰীক স্বাধীনতা দিয়া বেয়া নহয় এইটো তেওঁৰ বিশ্বাস আছিল।[২]

*সুধৰ্ম্মাৰ উপাখ্যান* ৰচনাৰে বিশেষভাৱে খ্যাত পদ্মাৱতী দেৱী ফুকননী সম্পৰ্কে ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে লিখিছে এনেদৰে:

> আজিকালিৰ অৰ্থত শিক্ষৰ ফলৰ পৰা সামান্য শিক্ষিত পদ্মাৱতী দেৱী সাহিত্য-প্ৰাসত্তৰ অধিকাৰী আছিল। তেওঁ সীমিত জ্ঞান, অভিজ্ঞতা আৰু কল্পনা শক্তিৰে গদ্য-পদ্য উভয় দিশৰ ৰচনাত ব্ৰতী হৈ এক শতিকা আগৰ মহিলা লেখিকাসকলৰ মাজত এটি পৰম্পৰা থৈ যাব পাৰিছে। এওঁ আধুনিক অসমীয়া ভাষাৰ সাহিত্যিক, প্ৰতিষ্ঠা কালৰ একমাত্ৰ বিশিষ্ট লেখিকা।

অসমীয়া সমাজৰ নতুনৰ বাৰ্তাবাহক আনন্দৰাম ঢেকিয়াল ফুকনৰ পিছত গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠাপক ব্যক্তি। এওঁলোকে ইংৰাজী শিক্ষাৰ মাধ্যমেৰে পাশ্চাত্যৰ ধাৰণাবোৰ লাভ কৰি বন্ধনমুক্ত জীৱনধাৰাৰ আহ্বানত সমাজৰ পুৰণি ধ্যানধাৰণা আঁতৰাই পেলাবৰ চেষ্টা কৰিছিল। গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী* (১৮৫৭) নাটক আৰু হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ কীৰ্ত্তন* (১৮৬১) নতুন যুগৰ স্বাক্ষৰ। সমাজত বিধৱাবিবাহৰ সমৰ্থনত লিখা *ৰাম-নৱমী* নাটকত বিদ্যাসাগৰৰ প্ৰভাৱ পৰাৰ দৰে হেমচন্দ্ৰ বৰুৱাই *আত্মজীৱন চৰিত*ত "বিধৱাৰ বিবাহ"ৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰিছে।



*অৰুনোদই*ত "স্ত্ৰী শিক্ষা"ত হ. চ. নামেৰে লিখা হেমচন্দ্ৰ বৰুৱাৰ কথাখিনিয়ে স্ত্ৰীশিক্ষাৰদ্বাৰা সমাজৰ অন্ধ কুসংস্কাৰ, গোড়ামি আঁতৰি যাব বুলি স্পষ্ট কৰি দেখুৱাইছে এনেদৰে: "যেতিয়ালৈকে তিৰোতাবিলাকক বিদ্যা শিকাই মুক্তাৱস্থা দিয়া নেযায় তেতিয়ালৈকে দেশৰ মঙ্গল হ'বৰ সম্ভাৱনা নাই।"

ইংৰাজী শিক্ষা গ্ৰহণ কৰি ৰক্ষণশীল সমাজখনৰ পুৰণি চিন্তাধাৰাৰপৰা নিজকে মুক্ত কৰিবলৈ সমৰ্থ হোৱা এই দুই সমাজসংস্কাৰকক বঙ্গৰ নৱজাগৰণে আৰু অধিক সজীৱ কৰি তুলিছিল।

*আত্মজীৱন চৰিত*ত হেমচন্দ্ৰই বিধৱাৰ বিবাহৰ যুক্তি দাঙি ধৰিছিল এনেদৰে:

> শাস্ত্ৰ নেলাগে যুক্তিলৈ চালেই বিধবাৰ বিয়াত যে কোনো দোষ নাই তাক বুজিব পাৰি ....। এতিয়া চাওঁক চোন মতা-তিৰোতা দুটা সমান জীৱ; ভোক পিয়াহ, টোপনি, বোধ, ইচ্ছা, অঙ্গ-প্ৰত্যঙ্গ, জন্ম-মৰা দুইৰো সমান। তথাপি এটাৰ যি স্বত্ব আছে, আনটোৰ সি নাই বোলা কথাটো কিমান অন্যায়, ইয়াক যাৰ অলপমান জ্ঞান আছে, সিও বুজিব পাৰে। ঈশ্বৰৰ বা স্বভাৱৰ নিয়ম মতে বিধবাৰ বিয়া নিষিদ্ধ হোৱা হ'লে স্বামীৰ মৃত্যুৰ পাছত তিৰোতাৰ মনৰ পৰা সহবাসৰ বাঞ্ছা গুচি গ'লহেতেন, কিন্তু সকলোৱেই জানে, তেনে কেতিয়াও নহয়।

পত্নীৰ মৃত্যুৰ পিছত হেমচন্দ্ৰ বৰুৱাই দ্বিতীয় বাৰ বিবাহ নকৰালে; গুণাভিৰাম বৰুৱাই ব্ৰাহ্ম-ধৰ্ম গ্ৰহণ কৰি আত্মীয়-স্বজনৰ মতৰ বিৰুদ্ধে গৈ বিধৱাবিবাহ কৰাইছিল। সমাজত শাস্ত্ৰ আৰু বিশ্বাসৰ ভেটি আছিল কটকটীয়া। বিধৱাবিবাহ কৰাই সসন্মানে আৰু নিৰ্বিৰোধে থাকিব নোৱাৰি শেষত প্ৰৱসুৱা জীৱনত শান্তি বিচাৰিবলগীয়া হৈছিল তেওঁ। তেওঁৰ পত্নী বিষ্ণুপ্ৰিয়াই *নীতি কথা* আৰু কন্যা স্বৰ্ণলতা বৰুৱাই *আৰ্হি তিৰোতা* পুথি লেখি অসমৰ নাৰীমুক্তি আন্দোলনৰ প্ৰাক্-ক্ষণত নিশ্চয় আৰ্হিস্বৰূপ হৈ পৰিছিল।

ব্ৰিটিছ-আগমনৰ সময়ত যি-সমাজচেতনাৰ উদ্ভৱ হৈছিল সি আছিল মূলতঃ বাল্যবিবাহ আৰু বিধৱাবিবাহকেন্দ্ৰিক। নাৰীৰ ওপৰত চলা সামাজিক অৱমাননাই আছিল ইয়াৰ ভিত্তি। বাল্যবিবাহৰ বলি হোৱা অনেক নাৰীয়ে বিবাহৰ মূল তাৎপৰ্য উপলব্ধি নকৰোঁতেই বাল্য-অৱস্থাতে বিধৱা হৈ পিতৃগৃহত (খুব কমেইহে স্বামীগৃহত) নানা ধৰণৰ সামাজিক অন্যায়ৰ বলি হ'বলগীয়া হৈছিল। অৱশ্যে ১৯২৯ চনত পাছ হোৱা চৰ্দা আইনৰ প্ৰভাৱত নাৰীয়ে বাল্যবিবাহৰ কবলৰপৰা মুক্ত হ'বলৈ আইনতঃ সমৰ্থ হৈছিল। আনহাতে ভাৰতৰ জাতীয় মুক্তি আন্দোলনৰ প্ৰসাৰ ঘটাৰ লগে লগে অসমতো নাৰীৰ অংশগ্ৰহণ বৃদ্ধি পাইছিল।

অসমৰ নাৰীমুক্তি আন্দোলনৰ ক্ষেত্ৰত আমি যাৰ নাম প্ৰথমতে ল'ব লাগিব তেওঁ হ'ল অগ্নিস্নাতা বিদ্ৰোহিনী চন্দ্ৰপ্ৰভা শইকীয়ানী। নাৰীৰ প্ৰতি কৰা সামাজিক অন্যায়ৰ বিৰুদ্ধে তেওঁ গৰ্জি উঠিছিল। টিহুৰ ওচৰৰ দৈশিংগৰী গাঁৱৰ এক অখ্যাত পৰিয়ালত জন্মগ্ৰহণ কৰা চন্দ্ৰপ্ৰভাই অশেষ পৰিশ্ৰম কৰি নিজৰ

একাগ্ৰতাৰে শিক্ষা গ্ৰহণ কৰিবলৈ আগুৱাই আহিছিল। যাত্ৰাপথত আছিল অনেক কণ্টক। কিন্তু নাৰীৰ মাজত লুকাই থকা শক্তিক তেওঁ জাগ্ৰত কৰি, কণ্টকাকীৰ্ণ পথ অতিক্ৰম কৰি অসমৰ নাৰীমুক্তি আন্দোলনৰ এক উজ্জ্বল জ্যোতিষ্ক হিচাপে আদৰ্শ ৰাখি থৈ গৈছে। ১৯১৫ চনৰপৰাই বিপ্লৱী জীৱনৰ পাতনি মেলা চন্দ্ৰপ্ৰভাই কুসংস্কাৰৰ বিৰুদ্ধে প্ৰথমে অভিযান চলাই উচ্চ আৰু নিম্নবৰ্ণৰ মাজত থকা বৈষম্য আঁতৰোৱাৰ চেষ্টা চলাইছিল। উল্লেখযোগ্য যে দৈশিংগৰী গাঁৱৰ সত্ৰৰ কাষত থকা কীৰ্তন ঘৰটোত আৰু লোকেল ব'ৰ্ডৰ পকী কুঁৱাটোত সকলে পানী নিবলৈ হ'লে উচ্চ বৰ্ণৰ তিৰোতাসকলে পানী তুলি দিছিল। সত্ৰাধিকাৰৰ লগত আলোচনা কৰি তেওঁ এই নিয়ম উঠাই পেলালে। ১৯১৯ চনত বৰপেটাৰ কীৰ্তন ঘৰত নাৰীৰ প্ৰৱেশ অধিকাৰৰ বাবে আন্দোলন গঢ়ি তুলিছিল। তেওঁ বহু চেষ্টা কৰিও তেতিয়া সফল হ'ব নোৱাৰিলেও বৰ্তমানে তাত প্ৰৱেশৰ ক্ষেত্ৰত যি- অধিকাৰ নাৰীয়ে লাভ কৰিলে তাৰ প্ৰথম কৃতিত্বৰ অধিকাৰী নিশ্চয় তেৱেঁই হ'ব লাগিব।

১৯১৭ চনত নগাঁৱৰ মিচন স্কুলৰপৰা ইংৰাজী মাইনৰ (M.E.) পাছ কৰি তেওঁ নগাঁৱৰ বালিকা প্ৰাইমাৰি বিদ্যালয়ত অস্থায়ী শিক্ষয়িত্ৰী নিযুক্ত হৈছিল। তেতিয়াই তেওঁ নগাঁৱৰ মহিলাসকলক লগ লগাই নগাঁও মহিলা সমিতি নামৰ অনুষ্ঠান এটি গঠন কৰিছিল। ইয়াৰ সভানেত্ৰী আছিল খগেন্দ্ৰীপ্ৰিয়া বৰুৱা আৰু সম্পাদিকা আছিল স্বৰ্ণলতা বৰুৱা।[২]

১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহে আৰু ২০ আগষ্টৰ দিনা তেজপুৰত মহাত্মাৰ ভাষণ শুনি চন্দ্ৰপ্ৰভাই বিদেশী বস্ত্ৰ বৰ্জন আৰু খাদী প্ৰচাৰৰ আঁচনি হাতত লয়। স্বাধীনতা আন্দোলনৰ অংশ হিচাপে এই আঁচনি কাৰ্যকৰী কৰাৰ বাবে নাৰীসকলক সামৰি লোৱাৰ প্ৰয়োজনতেই এটা মহিলা সংগঠনৰ আৱশ্যকতা তেওঁ উপলব্ধি কৰিছিল।

১৯২৬ চনৰ আগতে অসমত নাৰীৰ বাবে কোনো সুকীয়া সংগঠন নাছিল। প্ৰতি বছৰে অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ একেখন মণ্ডপতে একোটিকৈ মহিলা শাখা গঠন হৈছিল। ১৯২৫ চনত নগাঁৱত বহা অসম সাহিত্য সভাৰ অধিৱেশনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে যোগ দিছিল আৰু এই সভাতে মণ্ডপৰপৰা তেওঁৰ বক্তব্যত মহিলাসকলক পৰম্পৰাগত পৰ্দাপ্ৰথাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ আহ্বান জনাইছিল। যেতিয়া তেওঁ দেখিলে যে পিঞ্জৰাত থকা প্ৰাণীৰ দৰে বাঁহৰ চিকৰ আঁৰত মহিলাসকল বহি আছে, তেতিয়া তেওঁ এই প্ৰথাৰ বিৰোধিতা কৰি বক্তৃতা দিছিল। দৰাচলতে চন্দ্ৰপ্ৰভাই অসীম সাহসেৰে পৰম্পৰাগত শোষণৰপৰা নাৰীক মুক্ত কৰিবলৈ বিচৰা অসমৰ নাৰীমুক্তি আন্দোলনৰ প্ৰথম নেত্ৰী। তেওঁ অভ্যৰ্থনা সমিতিক সুধিলে জাতিৰ আধা অংশক চিকৰ আঁৰত ৰাখি আমি সমাজৰ কল্যাণৰ বাবে কি সাহিত্য সৃষ্টি কৰিম? তাৰ পিছত আইসকলক গঞ্জনাৰ সুৰত ক'লে, আপোনালোকৰ আত্মসন্মানে এনেদৰে পিঁজৰাৰ ভিতৰত বন্দী হৈ থাকিবলৈ লাজ পোৱা নাইনে? সিংহিনীৰ দৰে চিক ভাঙি ওলাই নাহে কিয়?[৩]



কিছুমান ৰক্ষণশীল লোকে চন্দ্ৰপ্ৰভাৰ এই কাৰ্যক সমৰ্থন নকৰিলেও পিছদিনা পতা এখন মহিলা সভাতেই চন্দ্ৰপ্ৰভা শইকীয়ানীক মহিলা সমিতি গঠন কৰাৰ দায়িত্ব দিয়া হয়। ১৯২৬ চনত ধুবুৰী সাহিত্য সভাৰ অধিৱেশনৰ সময়তে লক্ষীপুৰৰ জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী, মহাদেৱ শৰ্মা, ভুৱনচন্দ্ৰ দত্ত আদিৰ প্ৰেৰণাত সাহিত্য সভাৰ সভাপতি বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত বিজনী হলত বহা মহিলাৰ সভাত অসম মহিলা সমিতিয়ে সাংগঠনিক ৰূপ পৰিগ্ৰহ কৰে আৰু সমিতিৰ সম্পাদিকা নিৰ্বাচিতা হয় চন্দ্ৰপ্ৰভা শইকীয়ানী।

মহাত্মাৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলনত বহুতো শিক্ষিতা মহিলা ওলাই আহিছিল। ৰাজবালা দাসে কলিকতাৰপৰা পঢ়া বাদ দি আহি আন্দোলনত যোগদান কৰিছিল। ডিব্ৰুগড় কংগ্ৰেছ কমিটীৰ মহিলা শাখাৰ সম্পাদিকা আছিল ৰাজবালা দাস। নানা বাধা-বিঘিনি অতিক্ৰম কৰি মহাত্মাৰ বাণী এওঁলোকে প্ৰচাৰ কৰি ফুৰিছিল। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিৱেশনত বিলাতী বস্ত্ৰ বৰ্জন, খদ্দৰ প্ৰচলন, ৰাগিয়াল বস্তু বৰ্জন, অস্পৃশ্যতা বৰ্জন, মুদ্ৰানীতিৰ বিৰুদ্ধাচৰণ, নিবনুৱা সমস্যা আৰু সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলাৰ বাবে আহ্বান জনায়। হেমন্তকুমাৰী দেৱী, ধৰ্মদা দেৱী, গিৰিজা দেৱী, স্নেহলতা ভট্টাচাৰ্য আদিয়ে স্বৰাজ আন্দোলনত গাৰলৈ গৈ কাম কৰা বুলি নলিনীবালা দেৱীয়ে তেওঁৰ *এৰি অহা দিনবোৰ*ত উল্লেখ কৰিছে।

ঊনবিংশ শতাব্দীৰ সংস্কাৰ আন্দোলন আৰু স্বাধীনতা আন্দোলনত নাৰীৰ সক্ৰিয় অংশগ্ৰহণে চন্দ্ৰপ্ৰভা শইকীয়ানী, ৰাজবালা দাস আদিৰ দৰে শিক্ষিতা মহিলাৰ সৃষ্টি কৰিলে। মহিলা সমিতিয়ে ৰাজ্যিক ভিত্তিত ১৯২৬ চনত যি-ৰূপ ল'লে তাৰ আগতেও ডিব্ৰুগড়ত হেমপ্ৰভা দাস, ডাঃ তিলোত্তমা ৰায় চৌধুৰী আৰু অমলপ্ৰভা দাসৰ মাতৃয়ে ডিব্ৰুগড় মহিলা সমিতি নামেৰে এখন মহিলা সমিতি গঢ়ি তুলিছিল। ১৯১৭ চনত চন্দ্ৰপ্ৰভাই নগাঁও মহিলা সমিতি গঠন কৰাৰ কথা আগতে উল্লেখ কৰা হৈছে। তেজপুৰতো অসমীয়া মহিলাসকলে তেজপুৰ মহিলা সমিতি গঠন কৰিছিল। এই সমিতিৰ নেতৃত্বত আছিল সৰলা দেৱী, স্বৰ্ণময়ী দেৱী, মিছেছ মনোমোহন লাহিড়ী আদি মহিলাসকল। এওঁলোকৰ পিছত জ্যোতিপ্ৰসাদ আগৰৱালাৰ মাতৃ কিৰণময়ী আগৰৱালা আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে মহিলা সমিতিৰ নেতৃত্ব লৈছিল।

অসম প্ৰাদেশিক মহিলা সমিতিৰ প্ৰথম অধিৱেশন গোৱালপাৰাত আৰু দ্বিতীয় অধিৱেশন যোৰহাটত বহে। স্ত্ৰীশিক্ষাৰ প্ৰৱৰ্তন, পৰ্দাপ্ৰথাৰ উচ্ছেদ, মাতৃমঙ্গল আৰু শিশুমঙ্গল, বয়সিয়াল মহিলাৰ শিক্ষা-আঁচনি, মাদক দ্ৰব্য নিবাৰণ, বাল্যবিবাহ নিৰোধ, খাদি আৰু কুটীৰ শিল্পৰ প্ৰসাৰ, অসবৰ্ণ বিবাহত উৎসাহ, হৰিজন সেৱা আৰু নাৰীৰ মন্দিৰ-প্ৰৱেশ আৰু অস্পৃশ্যতা বৰ্জনৰ আঁচনি ৰূপায়ণত মহিলা সমিতিয়ে কিছু ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰিছিল।

লাহে লাহে অসমত স্ত্ৰীশিক্ষাই বিস্তৃতি লাভ কৰে। কলিকতাত থাকি

উচ্চশিক্ষা লোৱা ডিব্ৰুগড়ৰ দেৱীপ্ৰভা দত্তৰ কন্যা হেমপ্ৰভা আছিল প্ৰথম অসমীয়া এফ এ পাছ ছোৱালী। সন্দিকৈ ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাস, অৰুণাচল (তেতিয়াৰ নেফা)ত শিক্ষাৰ পোহৰ বিলোৱা অধ্যক্ষা ইন্দিৰা মিৰি আদিৰ নাম স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত ল'বই লাগিব। সুধালতা আৰু সুখলতা প্ৰথম মহিলা এম এ। মহিলা-আন্দোলনৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ভনীয়েক ৰজনীপ্ৰভাই কলিকতাত ডাক্তৰী পঢ়িছিল। কিন্তু তেওঁৰ জীৱনৰ পৰিণতি বৰ মৰ্মান্তিক। বিদুষী অমৃতপ্ৰিয়া দেৱীয়ে গাঁৱত থকিয়ে *অৰুনোদইত* লেখিবলৈ সমৰ্থ হৈছিল। এনে আৰু বহু মহীয়সী নাৰীৰ সাহস আৰু উৎসাহে অসমৰ সামাজিক জীৱনত মহিলাৰ স্থান উন্নত কৰাত অৰিহণা যোগাইছিল।

অসমীয়া মহিলা আলোচনী *ঘৰ জেউতীয়ে* (১৯২৮) মহিলাসকললৈ বোৱাই আনিছিল নাৰীমুক্তিৰ এচেৰেঙা পোহৰ। আলোচনীখনৰ যুটীয়া সম্পাদিকা আছিল কমলালয়া কাকতি আৰু কনকলতা চলিহা। স্ত্ৰীশিক্ষা, বিধৱাবিবাহ, যৌতুকপ্ৰথা নিবাৰণ, নাৰীৰ আত্মনিৰ্ভৰশীলতা আদি বিভিন্ন কথাই ইয়াত স্থান পাইছিল। *ঘৰ জেউতিৰ* তৃতীয় বছৰ চতুৰ্থ সংখ্যাত কমলালয়া কাকতিয়ে লিখিছিল:

> আজি জগত জুৰি নাৰী জনজাগৰণৰ এক আন্দোলন চলিছে। চিৰদিনৰ উপেক্ষিতা পদদলিতা নাৰীয়ে আজি নিজৰ ন্যায্য অধিকাৰ বুজি পাইছে। আজি নাৰীয়ে তাঁতশাল আৰু চৰু মাত্ৰ লৈ সন্তুষ্ট নহয়, সমাজ, শিক্ষা আৰু সকলোতে পুৰুষৰ সমানে নাৰীৰো অধিকাৰ - এই সত্যক প্ৰতিপন্ন কৰিবলৈ স্বাৰ্থপৰ সমাজ আৰু নিষ্ঠুৰ অনুশাসনৰ বিপক্ষে আজি নাৰীৰ এই যুদ্ধ ঘোষণা।[8]

মেচপাৰাৰ জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত জন্ম হোৱা *আৱাহন* আলোচনীয়ে নাৰীমুক্তিৰ ধাৰণা-আধাৰিত বহুতো গল্প, প্ৰবন্ধ প্ৰকাশ কৰিছিল। *আসাম হিতৈষীৰ* প্ৰথম বছৰ অষ্টম সংখ্যাত (১৯২৫ চনত) প্ৰকাশিত লক্ষ্মীধৰ শৰ্মাৰ "অসমীয়া নাৰী সম্বন্ধে আমাৰ কয়েক" নামৰ প্ৰবন্ধত তেওঁ লেখা কথাখিনি অসমৰ নাৰীমুক্তি আন্দোলনক আগুৱাই নিয়াৰ ক্ষেত্ৰত নিশ্চয় কম প্ৰেৰণাদায়ক নাছিল। তেওঁৰ গল্পসমূহতো নতুন নাৰীৰ সন্ধান চলিছিল। তেওঁ লিখিছিল:

> নাৰীয়ে ঘৰৰ ভিতৰত থাকি সাংসাৰিক কামকাজ সন্তান আদি পালন কৰিব, বাহিৰ জগতৰ সৈতে তেওঁলোকৰ একো সম্পৰ্ক থকা উচিত নহয়, এয়ে মানুহৰ ধাৰণা আৰু আজি হঠাৎ নাৰী জাতিৰ এই নতুন আবিৰ্ভাৱ কাৰ্যক্ষেত্ৰত দেখি সমস্ত পৃথিৱীৰ মানুহেই আতঙ্কিত হৈ উঠিছে — অঘটন ঘটিব, সমাজৰ শৃঙ্খলা ভাঙিব এনেবোৰ কথা কৈ নাৰীৰ এই নতুন উদ্যমৰ ধ্বংস সাধন কৰিবলৈ প্ৰস্তুত হৈছে। সংসাৰ আৰু স্বাৰ্থ দুয়োটা গোট খাই নাৰীজাতিৰ আগত এটি দুৰ্ভেদ্য দুৰ্গৰূপে থিয় হৈছে। কিন্তু দুৰ্গ যিমানেই দুৰ্ভেদ্য হওক, সত্যৰ বলত সি লাহে লাহে ধূলিৰ লগত মিহলি হোৱা স্বাভাৱিক।

উল্লেখযোগ্য যে নাৰীমুক্তিৰ বিৰুদ্ধে এচাম লোকে তেতিয়াও সক্ৰিয় ভূমিকা লৈছিল। ঊনৈছ শতিকাৰ শেষৰ ফালে অসমত নাৰীমঙ্গলৰ চেতনা জাগৃত হোৱাৰ সময়ত ৰত্নেশ্বৰ মহন্তই নাৰীক ৰক্ষণশীল চিন্তা চেতনাৰে বুৰাই ৰাখিবৰ প্ৰয়াস কৰিছিল। *আসাম-বন্ধুত* প্ৰকাশিত "ঘৈণীৰ কৰ্ত্তব্য আৰু স্ত্ৰী শিক্ষা" শীৰ্ষক প্ৰবন্ধত



তেওঁ লিখিছিল:

> দুৰ্ভাগ্যক্ৰমে কাৰো ভাগ্যত অসৎ পুৰুষ পৰিল বা পিতৃ-মাতৃৰ বাছনিৰ দোষত বা তেওঁলোকে স্বভাৱ বা চৰিত্ৰাদিলৈ মন নকৰি অৰ্থকে মুখ্য বস্তু বুলি ধৰি ছোৱালীৰ সুখ হ'ব বুলি বিবেচনা কৰি যদি কোনো কুচৰিত্ৰ পুৰুষক নিজৰ ছোৱালী দিয়ে, তেনেহ'লে ছোৱালীয়ে নিজৰ অদৃষ্টক দোষি সেই পুৰুষক সুপথগামী কৰিবৰ নিমিত্তে নিজৰ জীৱনত সুখ আৰু সম্ভোগ উছৰ্গা কৰিবলৈকো শিকিব লাগে।

স্ত্ৰী-স্বাধীনতা সম্পৰ্কে তেওঁ কৰা মন্তব্য আছিল এনে ধৰণৰ: "দুঃখিত অন্তঃকৰণেৰে কওঁ যে আজিকালিৰ তিৰুতা বিলাকক যি স্বাধীনতা দিবলৈ উলিয়াইছে, সি 'স্বাধীনতা' নহয়, 'স্বেচ্ছাচাৰিতা'। তিৰুতাক নিজৰ ইচ্ছাৰ তলতীয়া কৰি দিব না লাগে।" ("স্বাধীনতা নে স্বেচ্ছাচাৰ")।

ৰত্নেশ্বৰ মহন্তৰ সমসাময়িক পূৰ্ণকান্ত শৰ্মাই *আসাম-বন্ধুত* লেখা এটি প্ৰবন্ধত স্ত্ৰীশিক্ষাৰ বিৰুদ্ধে এনেদৰে যুক্তি দিছিল: "পুথি নপঢ়াকৈয়ে বা বালিকা পঢ়াশালিলৈ নোযোৱাকৈয়ে জ্ঞান-শিক্ষা কৰিব পাৰি। স্ত্ৰী লোকৰ মৌখিক শিক্ষাই ভাল।" ("স্ত্ৰী-শিক্ষা")

সেই সময়ৰ এজন বিশিষ্ট ব্যক্তি — প্ৰথম বিলাত-ফেৰৎ ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰাই *মৌ* আলোচনীত লিখিছিল:

> নিজৰ বন এৰি যি তিৰুতাই আকৌ বি. এ, এম. এ. আদি মুনিহৰ বন কৰিবলৈ আগবাঢ়ে, তেনেকুৱা মতা তিৰুতাক দেখিলেই ভয় লাগে। ভাটি সভ্যতাৰ তিৰুতাক পণ্ডিত কৰা দোষ এই দেশত লাহে লাহে সোমাবলৈ ধৰিছে। যদিহে ই আৰু সৰহকৈ সোমাবলৈ ধৰে, তেন্তে এই দেশীয় তিৰুতাৰ যি সৰলতা, সৰলতা, নিপুণতা আৰু নানা গুণ আছিল, সেইবোৰ একে বেলিয়েই লোপ পাব। ("তিৰুতাৰ বন কি?")

স্ত্ৰী-স্বাধীনতাৰ সপক্ষে লক্ষ্মীনাথ বেজবৰুৱাৰ স্থিতি কৃপাবৰী ৰূপত লেখা তেওঁৰ "স্ত্ৰী স্বাধীনতা" শীৰ্ষক নিবন্ধত পোৱা যায়। মহিলা সভা এখনত মহিলাসকলক উদ্দেশ কৰি তেওঁ কৈছে:

> হে মহিলাবৃন্দ! আপোনালোকে যদি সঁচাকৈয়ে স্বাধীনতা বিচাৰিছে তেন্তে এই পুৰণি পঁচা ঘৃণীয়া কেৰিমেৰিৰ পাকৰ পৰা ওলাওঁক। বিধৱাই নেভাবক যে স্বামীৰ অবিহনে তেওঁৰ জীৱন বৃথা। ... তেওঁক মন যায়। — মৰা স্বামীলৈ বেজাৰ কৰক, তাত হানি নাই কিন্তু সেইজন পাৰ্টনাৰ বা অংশীদাৰ গ'ল বুলিয়েই তেওঁ যেন হাত সাৰটি বহি থাকি লোকৰ কৃপাৰ পাত্ৰ হৈ নেথাকে। ... বিধৱাই অকলৈ স্বাধীনভাৱে খুটি খাবলৈ সমৰ্থ হোৱা উচিত আৰু আপোনালোকৰ সভাই মহিলাসকলক প্ৰাণপণে এই শিক্ষাহে দিয়া উচিত। বিধৱাৰ পুনৰবাৰ বিয়া কৰোৱা-নকৰোৱাটো তেওঁৰ ইচ্ছাধীন কাৰ্য্য হওক।

আনহাতে কৃপাবৰী ৰূপত লিখা "বৰবৰুৱাৰ ভাবৰ বুৰবুৰনি" (দ্বিতীয় ভাগ)ৰ অন্তৰ্গত "ৰুচ দেশত তিনি মাহ" শীৰ্ষক লেখনীত জয়ধ্বজ আৰু বৰবৰুৱাৰ কথোপকথনৰ জৰিয়তে এটা পশ্চাৎগামী মনোভাব ব্যক্ত হৈছে। তেওঁ লেখিছে এনেদৰে:

> আমাৰ স্ত্ৰী-পুৰুষৰ দ্বাৰাই গঠিত সমাজৰ আদৰ্শ অতি ওখ আৰু সি কৌটিকলীয়া বিজ্ঞান-দৰ্শনৰ অভিজ্ঞতাৰ কৰালেৰে নিৰ্ম্মিত, জানি থবাঁ। ডেকা ল'ৰাই বা শিং ভাঙি

> দৰৱা হ'বলৈ লোৱা আদবয়সীয়াই মহিলা, নাৰী বা ললনা ইত্যাদি মধুৰ বচনেৰে তিৰুতাক মাতি তেওঁলোকৰ ওপৰত চলি অহা অত্যাচাৰ (?) ইত্যাদিৰ কথা কৈ মুখ বুজালে বা কলম চলালে তেওঁলোকক gallant বা chivalrous বুলি আমি কম। তাৰ বাহিৰে এখোজো আগ নাবাঢ়ো। তেহেঁলৈ তেওঁলোকে আমাক ঘৃণে খোৱা, মামৰে ধৰা, সঙ্কীৰ্ণমনা প্ৰভৃতি যিহকে মন যায়, কওক; তাত আমি নেলাগো।

এইখিনিলৈকে কৈয়ে তেওঁ কথা সামৰা নাই; আৰু এঢাপ আগবাঢ়ি কৈ কৃপাবৰে কৈছে:

> তিৰুতাক মতা মানুহৰ সমানে সমানে সকলো বিষয়তে শিক্ষা দিবলৈ গৈছা যোৱাঁ, তিৰুতাক মতাৰ দৰেই ইঞ্জিনিয়াৰ, কাপ্টান, কৰ্ণেল, বনুৱা, বাৰিষ্টৰ, উকীল, মুক্তিয়াৰ কৰিবলৈ গৈছা যোৱাঁ, কিন্তু তুমি আমাৰ ঘৰখন ভাঙিব পাৰিবা এই মাথোন; কাকো সুখ দিব নোৱাৰা। ধৰা, আমাৰ অসমত পাঁচশ ইঞ্জিনিয়াৰলৈ ঠাই আছে; গৱৰ্ণমেণ্ট সেই পাঁচশক চাকৰি দিলে। তাৰ আদখিনি তিৰুতা। সেই খিনিতে ২৫০জন মতাৰ ভাত মাৰি, তেওঁলোকক নিকনুৱা কৰিলে আৰু ২৫০জনী তিৰুতাৰ চাকৰি হ'ল। তাৰ মানে ২৫০জন মতাই উপযুক্ত ঘৰৰ ঘৈণী হেৰুৱালে, সেই ২৫০জনী তিৰুতাই ঘৰ-সংসাৰ ল'ৰা-ছোৱালী তুলি ডাঙৰ-দীঘল কৰিব নোৱাৰা হ'ল বা কৰিব নলগীয়া হ'ল; কাৰণ তেওঁলোক চাকৰিয়া।

কৃপাবৰ-ৰূপত বেজবৰুৱাই এনেদৰে ২৫০জন মতাৰ চাকৰি যোৱা আৰু একপ্ৰকাৰ ঘৰ সংসাৰ ভাগি যোৱা বুলি কৈ পুনৰ প্ৰশ্ন আনিছে এনেদৰে:

> খনা, লীলাৱতী কেইজনী হ'ব পাৰে? ... ধৰাঁ, পুৰণি প্ৰথাৰে শিক্ষাত দুজনী চাৰিজনী খনা, লীলাৱতী হ'ব পৰা তিৰুতা নহয় মৰাই পৰিল; কিন্তু দুজনী চাৰিজনীৰ নিমিত্তে এককোটি তিৰুতাক নিঠৰুৱা কৰিব লাগিব নে? সমাজ বোলা, শিক্ষা বোলো, greatest good of the greater numberৰ ওপৰতহে প্ৰতিষ্ঠিত আৰু তেনে হোৱাই উচিত।

অসমৰ নাৰীমুক্তি আন্দোলনৰ ক্ষেত্ৰত এনে ধৰণৰ মতামত চলিছিল সঁচা — কিন্তু ১৯১৯ চনতেই অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যই আকৌ স্ত্ৰী-শিক্ষাক আগুৱাই নিয়াৰ সপক্ষে বলিষ্ঠ মন্তব্য দিছিল "কঃপন্থা"ত এনেদৰে: "যি মানুহ স্ত্ৰীশিক্ষাৰ বিৰোধী, সেই মানুহ হয় অজ্ঞান, নহয় তেওঁ ঘোৰ স্বাৰ্থপৰ, মহাপাপী। পৃথিৱীৰ আন যত সভ্য জাতি বা দেশে উন্নতিৰ জখলাত খোপে খোপে উঠিছে, তাৰ মূল কাৰণ স্ত্ৰীজাতিক সুশিক্ষা দিয়া। যি-জাতিৰ মানুহে মাতৃজাতিক সন্মান কৰিব জানে আৰু শিকে, সেই জাতিৰ ভিতৰতহে মানুহ জন্মে।" ("কঃ পন্থা")

পৰাধীন জীৱনৰ বেষ্টনী ভাঙি নাৰীয়ে নিজা সংগঠনৰ মাজেদি তেওঁলোকৰ হৃত স্বাধীনতা ঘূৰাই অনাৰ প্ৰয়াসেৰে ওলাই অহাত আগভাগ ল'লে দুৰ্বাৰ সাহসিনী চন্দ্ৰপ্ৰভাই। গাঁৱে-ভূঞে চাইকেলত উঠি মহিলাসকলক একত্ৰিত কৰাৰ কামত ক্লান্তিহীনভাৱে কাম কৰি গ'ল। বহুতে নিন্দা কৰিলে। নিৰুপমা বৰগোহাঞিৰ চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনভিত্তিক উপন্যাস *অভিযাত্ৰী*ত ৰক্ষণশীল সমাজখনৰ আনকি তিৰোতাসকলেই চন্দ্ৰপ্ৰভাই চাইকেলত উঠি যোৱা দেখি কেনে কটু সমালোচনা কৰিছিল তাক বৰ্ণনা কৰিছে এইদৰে:

"এই বাপাহাঁত — চাচুন চা, সেই তিৰিটু কেন্‌কে চাইকেলত উঠি গৈছে, লাজো নালগে না? ..."



স্বামী দণ্ডিনাথ কলিতাৰ সাহচৰ্য অবিহনে নিজৰ গৰ্ভস্থ সন্তানক তেওঁ অকলে ডাঙৰ দীঘল কৰিছিল। তেওঁৰ ব্যতিক্ৰমী কথাই মানুহক আচৰিত কৰি তুলিছিল। "দৈৱজ্ঞ দুহিতা" গল্পৰ মাজেদি তেওঁ মেনকাৰ দৰে এটি সফল নাৰী চৰিত্ৰ অঙ্কন কৰি এজনী পতিতায়ো যে স্বাধীনতা সংগ্ৰামৰ অংশীদাৰ হ'ব পাৰে তাকে দেখুৱাই গৈছে। *পিতৃ ভিঠা* উপন্যাসত নাৰীয়ে যে পিতৃৰ সম্পত্তি ৰক্ষা কৰিব পাৰে তাৰ নিদৰ্শন দাঙি ধৰি গৈছে।

দণ্ডিনাথ কলিতা ৰচিত *সাধনা* (১৯২৮) উপন্যাসত দীনবন্ধু আৰু প্ৰভাৱতী — এই দুই চৰিত্ৰ দণ্ডিনাথ কলিতা আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে স্ত্ৰীশিক্ষা, স্ত্ৰী-স্বাধীনতা আদিৰ আলোচনাৰ মাজেদি অসমত নাৰীমুক্তিৰ পথাৰখন জীপাল কৰি তুলিছে।

বঙ্গৰ কাদম্বিনী গাঙ্গুলিয়ে ঊনৈছ শতিকাতে ডাক্তৰনী হৈ খ্যাতি অৰ্জন কৰাত তেওঁক "বেশ্যা" বুলি বঙ্গৰ আলোচনী এখনত নিন্দা কৰাৰ দৰেই চন্দ্ৰপ্ৰভাকো সমাজৰ এচাম লোকে নানা কটু সমালোচনা কৰিছিল। তথাপি অসমৰ চুকে-কোণে তেওঁ কৰ্মীসকলক লৈ নাৰী জাগৰণৰ মন্ত্ৰ উচ্চাৰণ কৰি ফুৰিছিল। তেওঁৰ আদৰ্শত আগবাঢ়ি গৈছিল ইন্দুপ্ৰভা বৰুৱানী, পুষ্পলতা দাস আদি মহিলাসকল। এই মহিলা সমিতিয়ে কিন্তু স্বাধীনতাৰ পিছত শাসক শ্ৰেণীৰ মহিলা শাখালৈ ৰূপান্তৰিত হৈ পৰে আৰু সমাজকল্যাণ বিভাগৰ আঁচনিসমূহ কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰে। এইখিনিতে উল্লেখযোগ্য যে ভাৰতৰ জাতীয় আন্দোলনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে কেবাবাৰো কাৰাবৰণ কৰিবলগীয়া হৈছিল, আৰু কনকলতা আৰু ভোগেশ্বৰী ফুকননীৰ দৰে সাহসী নাৰীয়ে পুলিচৰ গুলী বুকু পাতি ল'ব লগীয়া হৈছিল।

আসমৰ চুকে-কোণে কমিউনিষ্ট আদৰ্শ প্ৰচাৰৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত কমিউনিষ্ট আদৰ্শত বিশ্বাসী মহিলাসকলৰ নেতৃত্বত মহিলা আত্মৰক্ষা সমিতি অসমতো গঢ় লৈ উঠে। কৃষক-আন্দোলনত যোগদান কৰা বাবে ইমাচাও দেৱী নামৰ এগৰাকী মহিলাই পুলিচৰ গুলীত মৃত্যুবৰণ কৰে। ১৯৪৮ চনত মহিলা আত্মৰক্ষা সমিতিয়ে কাছাৰ, নগাঁও আৰু শিলঙত সংগঠন গঢ়ি তোলে।

১৯৪৮-৪৯ চনত নাৰীমুক্তি সংঘৰপৰা প্ৰগতি সংঘ নামৰ কমিউনিষ্ট পাৰ্টি পৰিচালিত আন এটা নাৰী সংগঠনৰ সৃষ্টি হৈছিল। ১৯৪৯ চনত ডিব্ৰুগড়ৰ নালীয়াপুলত অসম গণনাট্য সংঘৰ দ্বিতীয় সম্মিলনৰ ওপৰত পুলিচে চলোৱা গুলীত বীণা বৰা শ্বহীদ হয়।

১৯৫১ চনত মহিলা আত্মৰক্ষা সমিতিৰ বাওঁপন্থী মহিলাসকল লগ হৈ গণতান্ত্ৰিক নাৰী সংঘ নামৰ মহিলা সংগঠন এটি গঢ়ি তোলে। ইয়াৰ সভানেত্ৰী আছিল অধ্যাপিকা নীলিমা দত্ত আৰু সম্পাদিকা হেনা বৰা। সংঘই মহিলাৰ মাজত কুসংস্কাৰৰ বিৰুদ্ধে, মহিলাৰ সমানাধিকাৰৰ বাবে, শিক্ষাবিস্তাৰৰ বাবে আৰু সম্পত্তিৰ

অধিকাৰৰ বাবে কাম কৰিছিল।

১৯৭১ চনত গুৱাহাটীত গণতান্ত্ৰিক নাৰী সংঘক ৰাজ্যিক ভিত্তিত অসম মহিলা সংঘ হিচাপে নামকৰণ কৰে।

বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ সংগ্ৰামৰ পটভূমিত সৃষ্টি হৈছিল নাৰীমুক্তি সংঘ (পিছলৈ প্ৰগতি মহিলা সংঘ)। ইয়াৰ লগত যুক্ত হৈ পশ্চিম নলবাৰীৰ বেলশৰত মহিলাৰ এটি শক্তিশালী নেতৃত্ব সৃষ্টি হৈছিল। কমলা বৰ্মন, তৰুণসেন ডেকাৰ পত্নী বিমলা সেন ডেকা আদিৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ পত্নী কনকলতাৰ নাম বিষ্ণুৰাভাৰ *সোণপাহি* গল্পপুথিৰ পাতনিতে উল্লেখ আছে। মোহিনী ৰাভা আদি বহুতো মহিলাৰ নাম ইয়াত সন্নিবিষ্ট কৰিব লাগিব।

১৯৬২ চনত মতাদৰ্শগত কাৰণত কমিউনিষ্ট পাৰ্টিৰ বিভাজন হয়। ১৯৮১ চনত মাদ্ৰাজ চহৰত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি গঠিত। ১৯৮২ চনৰ আগেয়ে কামৰূপ জিলা প্ৰস্তুতি কমিটী এখন তৈয়াৰ কৰা হয়। এই প্ৰস্তুতি কমিটীত ৰেজিনা খাতুন, সুৰমা দাস, সত্যৱতী ভূঞা, মীৰা দেৱী, সুলেখা দাস, দীপাঞ্জলি দত্ত প্ৰমুখ্যে কেবাগৰাকী মহিলা আছিল। ১৯৮২ চনত এই সমিতিৰ সাংগঠনিক কমিটী গঠন হোৱাৰ পিছত ৰাজ্যিক ভিত্তিত কাৰ্যসূচী আৰু গঠনতন্ত্ৰ গৃহীত কৰি লয়। পশ্চাৎপদ নাৰী-সমাজক দায়িত্বশীল আৰু গণতান্ত্ৰিক চেতনাসম্পন্ন কৰি গঢ়ি তোলা, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, পাৰিবাৰিক আৰু সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে নাৰীৰ সমানাধিকাৰৰ বাবে সংগ্ৰাম চলোৱা, অস্পৃশ্যতা, ধৰ্মীয় কুসংস্কাৰ আদি কুপ্ৰভাৱৰপৰা নাৰীক মুক্ত কৰা, শ্ৰমজীৱী মহিলাৰ নিৰাপত্তা, অধিকাৰ আৰু উপযুক্ত কৰ্ম-পৰিৱেশৰ দাবীত সংগ্ৰাম কৰা, নাৰীক যৌন আবেদনৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা, অৱক্ষয়ী সংস্কৃতিৰ বিৰুদ্ধে প্ৰচাৰ চলোৱা আদি ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য।

এই লক্ষ্য আৰু উদ্দেশ্যত অন্যান্য বহু কথাৰ উপৰি পণপ্ৰথা, বাল্যবিবাহ, বহুবিবাহ আদিৰ দৰে সামন্ততান্ত্ৰিক অৱশেষ আৰু সকলো ধৰণৰ সামাজিক অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম গঢ়ি তোলাৰ কথাও গঠনতন্ত্ৰখনত উল্লেখ আছে। পাঁচকোণীয়া ৰঙা তৰা একোণত আৰু মাজত মুষ্টিবদ্ধ হাত উত্তোলিত কৰি থকা এগৰাকী সংগ্ৰামী নাৰীৰ ছবিত তলত "গণতন্ত্ৰ, সমানাধিকাৰ, নাৰীমুক্তি" লিখা থকা সংগঠনৰ পতাকাখন ৰঙা বৰ্ডাৰযুক্ত বগা কাপোৰৰ। *আৱাজ* ইয়াৰ মুখপত্ৰ।

অসমতো নাৰী-নিৰ্যাতন, মূল্যবৃদ্ধি, সম্পত্তিত স্বামী-স্ত্ৰীৰ যৌথ অধিকাৰ আদিৰ দাবীত আন্দোলন কৰা দেখা যায়। অনুষ্ঠানটিয়ে নাৰীৰ ৩৩ শতাংশ আসন সংৰক্ষণ, "ডাইনী" হত্যা নিষিদ্ধকৰণ আদি অন্যান্য দাবীসমূহ সজোৰে উত্থাপন কৰি আহিছে। বৰ্তমান ইয়াৰ সম্পাদিকা মাধুৰী দেৱী।

১৯৭৯ চনত আন এটা বাওঁপন্থী নাৰী সংগঠন নাৰীমুক্তি সন্থা গঠন হয়। *অৰ্ধ আকাশ* নামৰ আলোচনী এখন অনুষ্ঠানটিয়ে মুখপত্ৰ হিচাপে প্ৰকাশ কৰি আহিছে।



অসমৰ মহিলা সংগঠনসমূহৰ ভিতৰত অল ইণ্ডিয়া মহিলা সাংস্কৃতিক সংগঠন (All India Mahila Sanskritik Sangathan চমুকৈ AIMSS)ৰ ৰাজ্যিক সমিতি আছে। অসম ৰাজ্যিক কমিটীয়ে কিছুমান দাবীৰ ভিত্তিত কাম কৰি আহিছে। নাৰী-নিৰ্যাতন আৰু অৱমাননা, পণপ্ৰথা, অপসংস্কৃতি, মদ আৰু ড্ৰাগছ, কন্যাভ্ৰূণ আৰু শিশুকন্যা হত্যাৰ বিৰুদ্ধে, নাৰীৰ সামাজিক নিৰাপত্তা, সকলোৰে বাবে চাকৰি আৰু সমকামত সম-মজুৰি, জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে একে নাগৰিক আইন প্ৰৱৰ্তন সুনিশ্চিত কৰাৰ দাবীত দেশব্যাপী তীব্ৰ গণ-আন্দোলন গঢ়ি তোলাৰ বাবে তেওঁলোকে আহ্বান জনায়।

এই সংগঠনৰ ২০১২ চনৰ নৱেম্বৰত হোৱা সন্মিলনৰ মাজেদি ইনা হুছেইনক সভানেত্ৰী, খদেজা খাতুন, চিত্ৰলেখা দাস উপসভানেত্ৰী, বৰ্ণালী শৰ্মাক সম্পাদিকা আৰু স্বৰ্ণলতা চলিহাক কোষাধ্যক্ষ নিৰ্বাচন কৰা হয়। ১৬ নৱেম্বৰত (২০১২ ইং) দিল্লীৰ পেৰামেডিকেল ছাত্ৰী এগৰাকীৰ গণধৰ্ষণৰ ফলত হোৱা মৃত্যুৰ প্ৰতিবাদত সন্মিলনে এটি প্ৰস্তাৱ লয়।

এই সন্মিলনত বিশিষ্ট নাৰীবাদী লেখিকা নিৰুপমা বৰগোহাঞিও উপস্থিত থাকি মহিলাসকলক সচেতন আৰু সতৰ্ক থাকিবলৈ পৰামৰ্শ দিয়ে। ছোৱালীবিলাকে আত্মৰক্ষাৰ বাবে আনকি নিজৰ ভেনিটি বেগত কটাৰী, ব্লেড আদি ৰখাৰ ওপৰতো গুৰুত্ব দিয়ে। ছোৱালীবিলাকে শাৰীৰিক সক্ষমতাৰ বাবে বিভিন্ন ধৰণৰ প্ৰশিক্ষণ লোৱাও উচিত বুলি ঔপন্যাসিকাগৰাকীয়ে বক্তব্য আগবঢ়ায়।

১৯৭৫ চন মানৰপৰাই ভাৰতবৰ্ষত নাৰী আন্দোলনে নতুন গতি ল'বলৈ সমৰ্থ হয়। ভাৰতৰ বিভিন্ন প্ৰান্তত পুৰুষৰ সহায় নোলোৱাকৈ বা ৰাজনৈতিক পাৰ্টিৰ প্ৰভাৱমুক্ত হৈ নিজস্বভাৱে একাংশ নাৰীয়ে সংগঠন গঢ়ি তুলিছিল। আন্তৰ্জাতিক নাৰী দিৱস মহিলা সংগঠনসমূহে ৮ মাৰ্চত পালন কৰি আহিছে। আন্তৰ্জাতিক নাৰী বৰ্ষ অসমৰ বিভিন্ন ঠাইত পালন কৰা হৈছিল। নলবাৰী অঞ্চলত ক্ষীৰদা বুজৰবৰুৱা, অভিনেত্ৰী মীৰা বিশ্বাস আদিয়ে পশ্চিম নলবাৰী অঞ্চলত ব্যাপকভাৱে শোভাযাত্ৰা, সভা সমিতি কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত জন্ম লোৱা নলবাৰীৰ গন্ধিয়াগাঁৱত গন্ধিয়া মহিলা সমিতিয়ে দিব্যপ্ৰভা দেৱীৰ নেতৃত্বত এখনি শক্তিশালী মহিলা সমিতি হিচাপে দেখা দিছিল। ব্ৰাহ্মণ বিধৱাৰে ভৰি থকা এই গাঁওখনক চন্দ্ৰপ্ৰভা শইকীয়ানী, ইন্দুপ্ৰভা বৰুৱানী আদিয়ে শালসূতা দি স্বাৱলম্বী হোৱাত সহায় কৰিছিল। গাঁৱৰ মহিলা ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থকা সময়ত প্ৰয়াত মাধৱ শৰ্মাৰ পত্নী দিব্যপ্ৰভা দেৱীক সমিতিৰ সম্পাদিকাৰ দায়িত্ব অৰ্পণ কৰিছিল। এই আৰম্ভণী সভাত সভাপতিত্ব কৰিছিল সংস্কৃত পণ্ডিত প্ৰয়াত পুৰুষোত্তম ভট্টাচাৰ্যৰ পিতৃ জ্যোতিৰ্বিদ আদ্যনাথ ভট্টাচাৰ্যই। আৰম্ভণী গীত লিখিছিল প্ৰয়াত মাধৱ শৰ্মাই। গীতটো আছিল:

জাগা জাগা জাগা অসম মহিলা
এলাহ নিদ্ৰা পৰিহৰি।

জাগ্রত আজি নিখিল বিশ্ব
তুমি কিয় বাৰু ৰ'বা পৰি।

সততে এই নলবাৰী অঞ্চলত মহিলাৰ কামকাজত ব্যস্ত থকা আন এগৰাকী মহিলা আছিল সুমিত্রা হুজুৰী। এওঁ চন্দ্রপ্রভা শইকীয়ানীৰ দৰেই চাইকেলত উঠি জনসেৱাৰ কামকাজ আগুৱাই নিছিল। কামৰূপ জিলাৰ বাইহাটাত জন্ম লাভ কৰা সুখীৰাম আৰু সুৱানৰ কন্যা সুমিত্রা হুজুৰি তৃতীয় শ্রেণীত পঢ়ি থাকোঁতেই মাকৰ লগত স্বৰাজ-স্বাধীনতাৰ সভা-সমিতিলৈ গৈছিল আৰু তেতিয়াই তেওঁ গুৱাহাটীৰপৰা অহা অমলপ্রভা দাস আৰু মাতৃ হেমপ্রভা দাসৰ লগত পৰিচিত হয়। পাছলৈ গুৱাহাটীৰ কস্তুৰবা আশ্রমত থাকে আৰু ১৯৫২ চনত বাঁহজানীৰ কস্তুৰবা সেৱাশ্রমত সেৱিকা ৰূপে থাকি ধাত্রীৰ কামকাজ কৰে। ১৯৬১-৬২ চনত তেওঁ বিনোৱাজীৰ লগত পদযাত্রা কৰি ফুৰে। ১৯৭৫ চনত গন্ধিয়া মহিলা সমিতিলৈ নাৰীবৰ্ষৰ কামত আহি দুদিনমান থাকে। (উল্লেখযোগ্য যে দিব্যপ্রভা দেৱী *অৰুনোদইৰ লেখিকা* অমৃতপ্রিয়া দেৱীৰ কন্যা আৰু এই প্রবন্ধৰ লেখিকা মীৰা দেৱীৰ মাতৃ।)

সুমিত্রা হুজুৰি সম্পৰ্কে শশী শৰ্মাই এনেদৰে লিখিছে: "এনেদৰে তেওঁৰেই দৰে কেইগৰাকীমান সেৱিকাই হে আচলতে অতকালে পুৰুষ-প্রধান সমাজে গৰকি ৰখা আমাৰ নাৰী-সমাজক মুক্তিৰ পথত উদ্বুদ্ধ কৰিলে।"

এইখিনি সময়তে — অৰ্থাৎ ১৯৭৫ চনত ভাৰতত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা সময়ত — অসমতো গণতন্ত্ৰত বিশ্বাসী আৰু বাওঁপন্থী কিছুসংখ্যক লোকে কাৰাবৰণ কৰিবলগীয়া হৈছিল। এই সময়ত মহিলা নেত্রী তথা ৰাজনৈতিক কৰ্মী হিচাপে ৰেণুকাদেৱী বৰকটকী এৰেষ্ট হৈছিল। ছাত্র-আন্দোলন আৰু কৃষক সভাৰ কামকাজত অংশগ্ৰহণ কৰাৰ উপৰি মহিলাৰ শাল-সূতা আদিৰ দাবীত পশ্চিম নলবাৰীত হোৱা আন্দোলন সমূহতো ছাত্রী অৱস্থাতে মীৰা দেৱী জড়িত হৈ পৰিছিল আৰু ডি আই আৰ (DIR)ত এৰেষ্ট হৈ গুৱাহাটী কাৰাগাৰত ৰেণুকা দেৱী বৰকটকীৰ লগত একেটা কোঠাতে কিছুদিন পাৰ কৰিছিল।

যিহওক এই চনতে তেজপুৰৰ এটা লেখিকাৰ দলে অসম লেখিকা পৰিষদ নামৰ অসমভিত্তিক এটি সংগঠন গঢ়ি তোলে। স্বাধীন সংগঠনৰে নাৰীৰ সুপ্ত প্রতিভাৰ বিকাশ ঘটোৱাই ইয়াৰ মুখ্য উদ্দেশ্য আছিল। ১৯৭৬ চনত অসম লেখিকা পৰিষদৰ সাংগঠনিক বিৰোধ হোৱাত অসম লেখিকা সমাৰোহ সমিতি আৰু অসম লেখিকা সন্থা নামেৰে অনুষ্ঠানটি দুটি ভাগত বিভক্ত হৈ পৰে। দুয়োটা সংগঠন মূলতঃ নগৰকেন্দ্ৰিক হৈ আছে যদিও মহিলাসকলে নিজস্ব সংগঠনৰ মাজেদি সাহিত্যিক হিচাপে আত্মপ্রকাশ কৰাৰ বাবে কিছু সুবিধা লাভ কৰিব। অসম লেখিকা সমাৰোহ সমিতিয়ে পাহৰণিৰ অটল গৰ্ভত লীন হৈ যাব ধৰা কেবাগৰাকী সাহিত্যসেৱী মহিলাৰ জীৱনী *লেখিকাৰ জীৱনী* হিচাপে কেইবাটাও খণ্ডত প্রকাশ কৰি উলিয়াইছে। অসম লেখিকা সন্থাই প্রীতি বৰুৱাৰ সম্পাদনাত *ঘৰ জেউতিৰ*



যুগৱপৰা আশীৰ দশকলৈ প্রকাশিত লেখিকাৰ গল্পৰ নিৰ্বাচিত সঙ্কলন *লেখিকাৰ গল্প* নাম দি নাৰীৰো যে সৃজনী ক্ষমতা আছে আৰু পুৰুষতকৈ নাৰী যে কোনো গুণে হীন নহয় তাকে প্রতিপন্ন কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠানটিয়ে অন্যান্য সাহিত্য-কৰ্মও অব্যাহত ৰাখিছে। ১৯৭৬ চনত লেখিকা সমাৰোহ সমিতিয়ে *লেখিকা* নামৰ আলোচনী প্রকাশ কৰে। ১৯৭৫ চনত ডিব্ৰুগড়ত গঢ়ি উঠা ওৱাৰ্কিং উইমিনছ এছ'চিয়েচন (Working Women's Association) নামৰ সংগঠনটোৱে শ্ৰমজীৱী নাৰীসকলৰ হোষ্টেলৰ দাবীত আন্দোলন গঢ়ি তোলে। এই সংগঠনৰ মুখপত্র হিচাপে অপৰ্ণা মহন্তৰ সম্পাদনাত *আইদেউৰ জোনাকী বাট* নামৰ আলোচনী প্রকাশ পায়। ১৯৮৪ চনৰ ৮ মাৰ্চত আন্তৰ্জাতিক নাৰীদিৱস পালন কৰে।

অসমৰপৰা বিদেশী বিতাড়নৰ দাবীত যি-দীৰ্ঘদিনীয়া আন্দোলন চলিছিল তাত স্বতঃস্ফূৰ্তভাৱে ভালেমান মহিলাই অংশগ্ৰহণ কৰিছিল। কিন্তু পিছলৈ মহিলাৰ সমস্যা সম্পৰ্কত তেওঁলোক ওলাই নাহিল। ১৯৮২ চন মানৰ ভিতৰত অসমৰ বিভিন্ন ঠাইত মূলা গাভৰু সন্থা আৰু জাগ্রত মহিলা পৰিষদ নামৰ দুটা নাৰী-সংগঠন গঢ় লৈ উঠে যদিও সেইবোৰত নাৰীকল্যাণৰ আঁচনি নাছিল।

সমাজত পুত্র-সন্তানক প্রাধান্য (son-preference) দিয়া আৰু কন্যা-সন্তানক বোজা হিচাপে গণ্য কৰাৰ ফলস্বৰূপে আমাৰ দেশত ভয়ানকভাৱে নাৰী-পুৰুষৰ আনুপাতিক ব্যৱধান বৃদ্ধি পাইছে। ল'ৰা সন্তানক সম্পত্তিৰ উত্তৰাধিকাৰী বুলি ভৰা আৰু ধৰ্মীয় ৰীতি-নীতিৰ লগত পুত্র-সন্তানক জড়িত কৰা, আনকি মাতৃয়েও পুত্ৰ-সন্তান বিচৰা দেখা যায়। এনে পশ্চাৎপদ চিন্তাই আমাৰ সমাজখনৰ সমস্যা জটিলতৰ কৰি তুলিছে। লিঙ্গ-বৈষম্যই ভয়াবহ ৰূপ ল'বলৈ ধৰিছে। ভ্ৰূণতে কন্যা সন্তানক মাৰি পেলোৱা আইনতঃ অপৰাধ বুলি গণ্য হ'লেও বহুতো মধ্যবিত্ত পৰিয়ালে অতি গোপনে এই কাৰ্য কৰি আহিছে। এইবোৰে সমাজত কন্যা-সন্তানক নিৰাপত্তাহীনতাৰ অতল গহ্বৰলৈ ঠেলি দিছে।

২০১১ চনৰ ভাৰতৰ লোকপিয়ল ৰিপৰ্ট অনুসৰি দেশৰ মুঠ জনসংখ্যা ১২১ কোটি। ইয়াৰে পুৰুষৰ সংখ্যা ৬২.৩৭ কোটি আৰু নাৰীৰ সংখ্যা ৫৮ কোটি। অসমৰ মুঠ জনসংখ্যা ৩, ১১, ৬৯, ২৭২।

পুৰুষ - ১, ৫৯, ৫৪, ৯২৭জন।

নাৰী - ১, ৫২, ১৪, ৩৪৫ গৰাকী।

মাতৃগৰ্ভতে ভ্ৰূণ পৰীক্ষা কৰি কন্যা-ভ্ৰূণ নষ্ট কৰি পেলোৱাটো সমগ্ৰ মানৱজাতিৰ বাবেই এক কলঙ্কিত কাৰ্য। ভাৰতৰ ৰাজস্থান, গুজৰাট আদিৰ দৰে অৱশ্যে অসমত এনে ধৰণৰ কন্যা সন্তানৰ ওপৰত চলা বৈষম্য বৃদ্ধি হোৱা নাই।

২০০৯ চনত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ অসম ৰাজ্যিক কমিটীয়ে Pre-Conception and Pre-natal Diagnostic Techniques (Prohibition of Sex Selection), 1994 (PC PNDT) Act সন্দৰ্ভত এখন কৰ্মশালা পাতি মহিলাৰ সমস্যা সম্পৰ্কীয় এই দিশটো অৱগত কৰাইছিল। ২০১২ চনৰ

জুলাই মাহৰ ১৪ তাৰিখে গুৱাহাটীত এই সমিতিয়ে উঠি অহা যুৱতীসকলক সচেতন কৰিবৰলৈ এখন যুৱতী অভিবৰ্তন অনুষ্ঠিত কৰে।

বিশ্বায়নৰ প্ৰভাৱত তৃতীয় বিশ্বৰ দেশসমূহৰ দ্ৰুত পৰিবৰ্তন সাধিত হৈছে। সমাজৰ দৰিদ্ৰৰো দৰিদ্ৰতম অংশ নাৰীসকলৰ সামাজিক অৱস্থান বিঘ্নিত হৈছে। ২০০০ চনৰ ৮ মাৰ্চত চিয়েটলৰপৰা জেনেভালৈ প্ৰায় তিনি শতাধিক মহিলা সংগঠনৰ উদ্যোগত ১৫৯খন দেশৰ প্ৰায় ছয় হাজাৰ মহিলা সংগঠনে যুক্তভাৱে বিশ্বায়ন, উদাৰীকৰণ, বেচৰকাৰীকৰণ আদিৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিছিল। বিশ্বায়নৰ ফলত দাৰিদ্ৰ্যৰ নাৰীকৰণ তীব্ৰতৰ হৈছে আৰু লিঙ্গবৈষম্যৰ মাত্ৰা উৰ্ধ্বগামী হৈছে। অকল যে কামৰ অৱস্থাৰ অৱনতি ঘটিছে এনে নহয়, কামৰ পৰিৱেশত নিৰাপত্তাও বিঘ্নিত হৈ গৈ আছে; সঙ্কটৰ জোৰা মৰাৰ বাবে বহু নাৰীয়েই বাধ্যতামূলকভাৱে অসংগঠিত ক্ষেত্ৰত কাম কৰিবলগীয়া হৈছে। বিশ্বায়নে মুষ্টিমেয় নাৰীৰ জীৱনলৈ স্বতন্ত্ৰতা আৰু অৰ্থনৈতিক সুযোগ-সুবিধা আনি দিলেও বৃহৎসংখ্যক নাৰীয়েই আৰু দুৰ্বল হৈ পৰিছে। লিঙ্গবৈষম্যই নাৰীৰ ওপৰত সামাজিক অত্যাচাৰ আৰু নিৰ্যাতন বঢ়াই তুলিছে।

সম্প্ৰতি* আমাৰ দেশখনত নাৰী-নিৰ্যাতনৰ ঘটনাই চূড়ান্ত ৰূপ লৈছে। অসমত আজি কেইবছৰমান আগেয়ে ৰ্ণালী দেব নামৰ ফুলকুমলীয়া ছোৱালী এজনীক দুৰ্বৃত্তই গুৱাহাটীৰ পল্টন বজাৰত ধৰ্ষণ কৰি অতি নিৰ্মমভাৱে হত্যা কৰিছিল। অসমৰ চুকে-কোণে তাৰ বিৰুদ্ধে প্ৰতিবাদৰ কণ্ঠ গৰ্জি উঠিছিল। যৌতুকৰ বাবে হত্যা আৰু আত্মহত্যা অসমত বাঢ়িছে। ২০১২ চনৰ জুলাই মাহত গুৱাহাটীৰ জি এছ ৰোডত এগৰাকী যুৱতীৰ শ্লীলতাহানি হোৱা ঘটনাই গোটেই বিশ্বতে অসমক লজ্জানত কৰি তুলিছিল। উল্লেখযোগ্য যে উত্তৰ-পূৱৰ দুৱাৰমুখ গুৱাহাটীৰ এটা ব্যস্ততাপূৰ্ণ এলেকাত জনচক্ষুৰ আগত কেইজনমান উন্মত্ত যুৱকে এটা বাৰৰ সম্মুখত এজনী যুৱতীক অতি লজ্জাজনকভাৱে নিপীড়ন কৰে। এই ঘটনাৰ এটা ভি ডি অ' ছবিয়ে জনসাধাৰণৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰে আৰু ইয়াৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ হয়। এই ঘটনাৰ প্ৰতিক্ৰিয়া অসমৰ বাহিৰতো হয় আৰু এনে ঘটনাক অসংখ্য লোকে ধিক্কাৰ দিয়ে। আৰক্ষী বিভাগে এঘাৰ জনক চিনাক্ত কৰে। ঘটনাৰ মুখ্য অভিযুক্ত অমৰজ্যোতি কলিতাক উৰিষ্যাত আটক কৰে। এই ঘটনাত বিভিন্ন মহিলা সংগঠনে তীব্ৰ প্ৰতিবাদ কৰি ৰাজপথলৈ ওলাই আহে। নিৰ্যাতন-বিৰোধী ঐক্যমঞ্চৰপৰা সুমিত্ৰা হাজৰিকাই এই ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। পুলিচ প্ৰশাসনৰ ব্যৰ্থতাৰ কথাও তেওঁ দোহাৰে। অসমৰ মহিলা আয়োগৰ সভানেত্ৰী মীৰা বৰাই এজনী মহিলাৰ ইচ্ছাৰ ওপৰত আক্ৰমণ কৰাৰ কাৰো অধিকাৰ নাই বুলি কয়। সৰ্বভাৰতীয় মহিলা নেত্ৰী বৃন্দা কাৰাটে এই ঘটনাৰ তীব্ৰ প্ৰতিবাদ কৰে।

জি এছ ৰোডৰ ঘটনাৰ সন্দৰ্ভত বিধানসভাই কিবা নতুন আইনৰ প্ৰয়োজন অনুভৱ কৰিছে নেকি — এনে নিৰ্যাতনৰ ঘটনাৰ বাবে যৌতুক, ধৰ্ষণ, ডাইনী



হত্যা, ঘৰুৱা হিংসা আদি বিৰুদ্ধে আইনেই যথেষ্ট নহয় বুলি বিধায়িকা তথা প্ৰাক্তন কৃষি মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই মতপ্ৰকাশ কৰে।

গুৱাহাটীৰ এই ঘটনাৰ প্ৰতিবাদ কৰি আৰু নিৰ্যাতিতা যুৱতীগৰাকীৰ নিৰাপত্তা আৰু ভৱিষ্যতৰ সুব্যৱস্থাৰ বাবে বিভিন্ন মহিলা সংগঠনৰ লগতে স্বতঃস্ফূৰ্তভাৱে নাৰীৰ সুৰক্ষাৰ বাবে বহুতে ইয়াৰ প্ৰতিবাদত মহানগৰীৰ লগতে অন্যান্য অঞ্চলো উত্তাল কৰি তোলে। মহিলা আয়োগৰ সৰ্বভাৰতীয় অধ্যক্ষা মমতা শৰ্মা আহি অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ লগত আলোচনাত মিলিত হৈ মহিলাৰ নিৰাপত্তাবিষয়ক সমস্যাসমূহ ব্যাখ্যা কৰে আৰু "বীৰাঙ্গনা" নামৰ এটি মহিলা আৰক্ষী কমাণ্ডো বাহিনী গুৱাহাটী মহানগৰীৰ মহিলাৰ নিৰাপত্তাৰ বাবে গঠন কৰে। নাৰীৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনা সমগ্ৰ দেশতে বাঢ়ি গৈ আছে। কিন্তু শেহতীয়াভাৱে সমগ্ৰ বিশ্বকে কোবাই গৈছে এক লোমহৰ্ষণকাৰী দলবদ্ধ ধৰ্ষণৰ ঘটনাই। ১৬ ডিচেম্বৰ ২০১২ত দেশৰ ৰাজধানী চহৰ নতুন দিল্লীত চলন্ত বাছত এগৰাকী পেৰা-মেডিকেলৰ ছাত্ৰীক কেইজনমান যুৱকে দলবদ্ধভাৱে ধৰ্ষণ কৰে। ছয়জন লোকে যুৱতীগৰাকীক বলাৎকাৰ কৰাৰ পাছত ২৯ ডিচেম্বৰত চিকিৎসাধীন অৱস্থাত যুৱতীগৰাকীয়ে শেষনিঃশ্বাস ত্যাগ কৰে। দিল্লীৰ দলবদ্ধ বলাৎকাৰৰ ঘটনাৰ পাছত প্ৰচলিত আইন সংশোধনৰ অৰ্থে চৰকাৰে ন্যায়াধীশ জে এছ বাৰ্মাৰ নেতৃত্বত এখন তিনিজনীয়া কমিটী গঠন কৰি দিয়ে। ধৰ্ষণ আইনৰ সংশোধনৰ বাবে বাৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলীৰ অধিক সংখ্যককেই অগ্ৰাহ্য কৰি কেন্দ্ৰীয় কেবিনেটে জাৰি কৰা ধৰ্ষণ আইনৰ অধিসূচনা কোনোপধ্যেই মানি নলয় দেশৰ একাধিক মহিলা সংগঠনে। তদুপৰি অধিসূচনাত ৰাষ্ট্ৰপতি প্ৰণৱ মুখোপাধ্যায়ক স্বাক্ষৰ নকৰিবলৈকো আহ্বান জনাই সংগঠন সমূহে কয়: "ন্যায়াধীশ জে এছ বাৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলীৰ অধিক সংখ্যক প্ৰস্তাৱ অগ্ৰাহ্য কৰা হৈছে। সেয়েহে এনে অধিসূচনাই দেশৰ নাৰী-সমাজক কেতিয়াও সুৰক্ষিত কৰিব নোৱাৰে। আমি সকলো পক্ষক এনে অধিসূচনা বৰ্জন কৰিবলৈ আহ্বান জনাইছোঁ।" (দ্ৰ. নতুন দিল্লী, ২ ফেব্ৰুৱাৰি, "অধিসূচনাত স্বাক্ষৰ নকৰিবলৈ ৰাষ্ট্ৰপতিক আহ্বান, বাৰ্মা আয়োগৰ পৰামৰ্শ অগ্ৰাহ্য কৰাত কেন্দ্ৰৰ ওপৰত মহিলা সংস্থাৰ ক্ষোভ" শীৰ্ষক বাতৰি। *নিয়মীয়া বাৰ্তা*, সম্পাদক শংকৰ লস্কৰ, গুৱাহাটী, ৩ ফেব্ৰুৱাৰি, ২০১৩।)

বাৰ্মা আয়োগৰ প্ৰতিবেদনে আইনী ব্যৱস্থাত একাধিক সংশোধনৰ পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য: (১) ভাৰতীয় দণ্ডবিধিৰ ১০০ ধাৰাত থকা আত্মৰক্ষা অধিকাৰক সংশোধন কৰি বলাৎকাৰৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ "শৰীৰৰ ব্যক্তিগত অধিকাৰ"ক (ৰাইট টু প্ৰাইভেট ডিফেন্স অৱ বডি) অন্তৰ্ভুক্ত কৰণ, (২) থানাত বলাৎকাৰৰ অভিযোগ বা এজাহাৰ গ্ৰহণত অসম্মতি তথা গোচৰ ৰুজু কৰাত অসম্মতিক ফৌজদাৰী অপৰাধ হিচাপে গণ্য কৰাকৈ ভাৰতীয় দণ্ডবিধিৰ ১৬৬ ধাৰা সংশোধন, (৩) মহিলাৰ শ্লীলতাহানিৰ ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধিৰ ৩৫৪ ধাৰা সংশোধন কৰি ইয়াত বলাৎকাৰ আৰু যৌন আতিশয্যকো অন্তৰ্ভুক্ত কৰা,

(৪) এচিড আক্ৰমণৰ ঘটনাক গুৰুতৰ শাস্তিযোগ্য অপৰাধ হিচাপে ভাৰতীয় দণ্ডবিধিত সামৰাকৈ আইন সংশোধন, (৫) মহিলাৰ শ্লীলতাহানি বিষয়ত ভাৰতীয় দণ্ডবিধিৰ ৩৫৪ ধাৰা সংশোধন কৰি মহিলাৰ অনুমতি অবিহনে যৌনস্পৃহাৰে তেওঁৰ শৰীৰক ইচ্ছাকৃতভাৱে স্পৰ্শ কৰা বা কুমন্তব্য কৰা বা অঙ্গি-ভঙ্গি কৰা কাৰ্যকো অপৰাধ হিচাপে সামৰি লোৱা আৰু (৬) মহিলাৰ শৰীৰৰপৰা সাজ-পোছাক খুলি উলঙ্গ কৰা কাৰ্যক গুৰুতৰ অপৰাধ হিচাপে গণ্য কৰি ভাৰতীয় দণ্ডবিধিত নতুন ধাৰা সংযোজন আদি। ২৩ জানুৱাৰিৰ *নিয়মীয়া বাৰ্তা*ত প্ৰকাশিত নিউজ ডেস্কৰপৰা দিয়া, "বাৰ্মা আয়োগৰ প্ৰতিৱেদন দাখিল" শীৰ্ষক বাতৰিৰপৰা লোৱা হৈছে।

উল্লেখযোগ্য যে কেইবাটাও নাৰীসংগঠন, নাগৰিক সংগঠন আৰু বহু নাৰী অধিকাৰ কৰ্মীয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনোৱা যৌন নিৰ্যাতন সম্বন্ধীয় অধ্যাদেশখনত ৰাষ্ট্ৰপতিক স্বাক্ষৰ নকৰিবলৈ অনুৰোধ জনাইছিল যদিও ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে আধ্যাদেশখনত স্বাক্ষৰ কৰে। (দ্ৰ. *অসমীয়া প্ৰতিদিন*, ৪ ফেব্ৰুৱাৰি ২০১৩।)

এই ঘটনাৰ তল নপৰোঁতেই বহুতো নাবালিকা আৰু কিশোৰীক এনে ধৰণে নিৰ্যাতন কৰি মৃত্যুমুখলৈ প্ৰক্ষেপ কৰা হৈছে। যুৱতীৰ শ্লীলতাহানিৰ আন এক জ্বলন্ত উদাহৰণ ২০০৭ চনৰ দিন দুপৰতে বেলতলাত এটা আন্দোলনত অংশগ্ৰহণ কৰি থকা অৱস্থাত কেবাজনো দুৰ্বৃত্তই লক্ষ্মী ওৰাং নামৰ আদিবাসী যুৱতী এগৰাকীক ৰাজপথত নগ্ন কৰি মানৱতাক বিসৰ্জন দিয়া ঘটনা।

৮ মাৰ্চ আন্তৰ্জাতিক নাৰীদিৱসৰ সময়ত দিল্লীত ঘটা ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি ইউ পি এ-ৰ অধ্যক্ষা ছোনিয়া গান্ধীয়ে এই বুলি ক্ষোভ উজাৰিছিল: "Our heads hang in shame because of these rapes and crimes against women"। দিল্লীৰ মুখ্যমন্ত্ৰী স্বয়ং শীলা দীক্ষিতে শাসকীয় কংগ্ৰেছ দলৰ হৈয়ো তেওঁৰ কন্যাই নিৰাপত্তা অনুভৱ নকৰে বুলি মন্তব্য কৰিছিল। শোভা দে'ৰ দৰে প্ৰখ্যাত লেখিকাই কৈছিল: "The soceity's attitude towards women has visibly changed with the time and now is not a very pleasant time to be a woman in India"। নতুন দিল্লীত "নিৰ্ভয়-দলবদ্ধ ধৰ্ষণ" সম্পৰ্কত তেওঁ এনে অত্যন্ত গুৰুত্বপূৰ্ণ মন্তব্য দাঙি ধৰে।

উত্তৰ-পূবৰ যুৱতী দিল্লীত নিৰ্যাতিতা হোৱাৰ উপৰি ৰে'লতো উত্তৰ-পূবৰ যুৱতী নিৰ্যাতিত হোৱাৰ দৰে ঘটনা ঘটিবলৈ পাইছিল। অসমৰ অকল লখিমপুৰতে চাৰিশ ছোৱালী নিৰুদ্দেশ হোৱা বুলি ৰাজ্যসভাত আলোচনা হৈছিল। "বচপন বচাও আন্দোলন" নামৰ এটা এন জি অ' ই চলোৱা এক সমীক্ষাত এইটো ওলাই পৰিছিল। দৰিদ্ৰতা আৰু উচ্চবিলাসী জীৱনৰ লক্ষ্যই এনে ঘটনাৰ বাবে কাম কৰে বুলি লখিমপুৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে *The Assam Tribune*ত প্ৰকাশিত এটা সাক্ষাৎকাৰত কৈছিল। (দ্ৰ. *The Assam Tribune* বাতৰি কাকত। বাতৰিৰ শিৰোনাম "Poverty behind 'Missing' Girls in Lakhimpur", ৭ মাৰ্চ ২০১৩।)



"অসমত নাৰীমুক্তি আন্দোলন"ৰ পৰিপ্ৰেক্ষিতত নাৰীৰ ওপৰত হোৱা অপৰাধবোৰৰপৰা নাৰীৰ প্ৰকৃত অৱস্থাটো কি বা কেনেধৰণৰ সেই কথা ওলাই পৰে। ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ই মহিলাক ন্যায়প্ৰদানৰ নমুনা দাঙি ধৰিছে এনেদৰে যে তিনি বছৰত অসমত ৫,০৫২টা বলাৎকাৰৰ ঘটনাৰ মাত্ৰ ৫১৭ অপৰাধীক হে কাৰাদণ্ড বিহা হৈছিল (২০০৯-২০১১ চন)। গৃহ মন্ত্ৰণালয়ৰ এটা সূত্ৰই কয় যে অভিযুক্তৰ বিৰুদ্ধে পৰ্যাপ্ত তথ্য-প্ৰমাণ গোটাবলৈ অধিবক্তাৰ অসমৰ্থতা আৰু আৰক্ষীৰ সঠিক তদন্তৰ অভাৱেই ইয়াৰ মূল কাৰণ। ব্যু'ৰ'ৰ প্ৰতিৱেদন অনুসৰি দেশত ২০০৯-১১ চনত ১,২২,২৯২টা যৌন নিৰ্যাতনৰ ঘটনা সংঘটিত হোৱাৰ বিপৰীতে মাত্ৰ ২৭, ৪০৮জন অপৰাধীকহে শাস্তি বিহা হৈছিল। (দ্ৰ. *অসমীয়া প্ৰতিদিন*, ৪ ফেব্ৰুৱাৰি ২০১৩।)

ৰাজ্যখনত ক্ৰমান্বয়ে মহিলাৰ ওপৰত অন্য ধৰণেও নিৰ্যাতন বাঢ়িছে। ডাইনী সন্দেহত বহুতো নিৰীহ মহিলাক অকথ্য নিৰ্যাতন কৰি মাৰি পেলোৱা হৈছে। অৱশ্যে দুই-এজন পুৰুষো এই কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বলি হৈছে। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে এক অক্লান্ত যুঁজাৰু মহিলা বীৰুবালা ৰাভা। ডাইনী সন্দেহত অন্ধবিশ্বাসত আচ্ছন্ন হৈ থকা এচাম লোকে ঘৰবাৰী পুৰি, হানি খুচি, কেতিয়াবা আকৌ মুণ্ডচ্ছেদ কৰি আমাৰ দৰে মানুহকো নৃশংসভাৱে হত্যা কৰে। এনে লোমহৰ্ষক ঘটনাসমূহ ক্ৰমাৎ বৃদ্ধি পাব ধৰিছে। চৰকাৰে যি-দৰে এইবোৰ ৰোধ কৰিব লাগিছিল সেই ধৰণে কৰিব পৰা নাই, সচেতন মহলেও এই জঘন্য অপৰাধৰ বাবে যি-ধৰণে মাত মাতিব লাগিছিল তেনেকৈ মাত মতা নাই। অথচ এগৰাকী সাধাৰণ মহিলাই নিজৰ জীৱন বিপন্ন কৰিও ইয়াৰ সবল প্ৰতিবাদ কৰি আহিছে আৰু তেওঁ তাৰ বাবে সমাজত স্বীকৃতিও লাভ কৰিছে।

এসময়ত সাহসী পদক্ষেপ লোৱা বীৰুবালাই উপলব্ধি কৰিছিল যে সমাজত চলি অহা 'ডাইনী' বিশ্বাসৰ কোনো যথাৰ্থতা নাই। অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ ঠাকুৰবিলাত ১৯৫৪ চনত জন্মগ্ৰহণ কৰা বীৰুবালাৰ একে গাৱঁৰে চণ্ডীচৰণ ৰাভাৰ লগত বিবাহ হয়। তিনিপুত্ৰ আৰু এক কন্যা-সন্তানৰ মাতৃ বীৰুবালাৰ প্ৰথম পুত্ৰৰ মূৰৰ বিকৃতি ঘটাত ১৯৮৫ চনত বীৰুবালাৰ স্বামী চণ্ডীচৰণ ৰাভা দেওধনীৰ ওচৰলৈ যায়। দেওধনীয়ে মাত্ৰ তিনিদিন সন্তানটি জীয়াই থাকিব বুলি কৈছিল যদিও তাৰ পাছতো সি জীয়াই থকাত বীৰুবালাৰ অন্তৰৰপৰা অন্ধবিশ্বাসৰ কলীয়া মেঘ আঁতৰি যায়। বেজ, কবিৰাজ, ডাইনী আদিৰ ওপৰত তেওঁ আস্থা সম্পূৰ্ণ হেৰুৱাই পেলায়। গোৱালপাৰাৰ ৰংজুইৰ ওচৰৰ দ'দান মন্দিৰত ভাৰত চৰকাৰৰ অধীনস্থ সংস্থা অসম মহিলা সমতা ছ'চাইটিৰ উদ্যোগত অনুষ্ঠিত নাৰী-নিৰ্যাতন আৰু ডাইনী-প্ৰথাৰ বিৰুদ্ধে হোৱা সজাগতা সভাত বীৰুবালাই "ডাইনী নামানো" বুলি মুক্তকণ্ঠে ঘোষণা কৰে। ইয়ে বীৰুবালাৰ জীৱননাটৰ পট পৰিৱৰ্তনৰ পৰিচয়

দিয়ে। প্ৰথমতে ৰক্ষণশীল সমাজৰ ভাবুকি, তেওঁক এঘৰীয়া কৰি থোৱা ব্যৱস্থা, তেওঁ আদৰৰে পতা মহিলা সমিতিৰপৰা তেওঁকে অপসাৰণ আদি ঘটনা সংঘটিত হ'লেও এটা সময়ত বাইজে তেওঁক বুজিবলৈ সক্ষম হয়। গোৱালপাৰা জিলা প্ৰশাসন আৰু শুভবুদ্ধিসম্পন্ন ব্যক্তিয়ে বীৰুবালাক প্ৰশংসা কৰিবলৈ ধৰে। সমাজৰ উন্নয়নমূলক কামতো তেওঁ আগভাগ লয়। আনকি আলফা সন্দেহত সেই অঞ্চলত হোৱা সামৰিক নিৰ্যাতনৰ বিৰুদ্ধেও তেওঁ মাত মাতে। ২০০৫ চনৰ বিশ্ব-শান্তিৰ নবেল বঁটাৰ বাবে বীৰুবালাৰ নাম মনোনয়ন কৰাৰ ফলত বীৰুবালাৰ সংগ্ৰামী সত্তা আৰু উজলি উঠিল। বিশ্বৰ ১৫০খন দেশৰ ১০০০জন বিশিষ্ট ব্যক্তিৰ স'তে বীৰুবালাৰ নাম সন্নিৱিষ্ট হোৱাটো অসমৰ বাবে কম গৌৰৱৰ কথা নহয়।

২০১১ চনত "ডাইনী হত্যা"ৰ দৰে বৰ্বৰোচিত কামৰপৰা সমাজত নিৰ্যাতিতা মহিলাসকলৰ সমস্যাৰ সমাধানৰ অৰ্থে "মিছন বীৰুবালা" গঠিত হয়। এই মিছনৰ উদ্দেশ্য সমগ্ৰ অসমতে ডাইনী-হত্যাৰ বিৰুদ্ধে জনমত গঠন কৰা। ইতিমধ্যে এই মিচনৰ কামে বিস্তৃতি লাভ কৰিছে। তেওঁৰ সহযোগীসকলেই তেওঁৰ সন্মানাৰ্থে এই মিছনৰ নাম "মিছন বীৰুবালা" ৰাখিছে। তেওঁ এইবোৰ কামকাজৰ বাবে সম্মানিতও হৈছে বহু বঁটাবাহনৰ যোগেদি। নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ গোৱালপাৰা জিলা সমিতিৰ সম্পাদিকা হিচাপে মীৰা দেৱীয়ে বীৰুবালাৰ "ডাইনী-হত্যা" বিৰোধী কামত সহযোগ আগবঢ়াইছে।

এই প্ৰসঙ্গতে পোহৰলৈ নহা বীৰুবালাৰ সহযোগী মঞ্জুলা ৰাভাৰ নামটো নল'লে আলোচনা আধৰুৱা হৈ ৰ'ব। তেৰোঁ সাহসেৰে মুখামুখি হৈছে এনে বহু ঘটনাৰ।

আজিৰ অসমত সঘনাই হৈ থকা "ডাইনী" নিৰ্যাতনৰ ক্ষেত্ৰত বীৰুবালাৰ দৰে মহিলাৰ অতীৱ প্ৰয়োজন। অন্ধবিশ্বাসৰ পৰা মানুহক মুক্ত কৰাটো মহিলা সংগঠনসমূহে এক গুৰুদায়িত্ব বুলি অনুভৱ কৰিছে।

অসমৰ নাৰীমুক্তি আন্দোলনে অসমীয়া সাহিত্যত যথেষ্ট প্ৰভাৱ পেলাইছে। উদাহৰণস্বৰূপে দণ্ডিনাথ কলিতাৰ *সাধনা* উপন্যাসৰ নায়িকা প্ৰভাৱতী দৰাচলতে চন্দ্ৰপ্ৰভা শইকীয়ানীহে। পাশ্চাত্যত নাৰীমুক্তি আন্দোলনে Mary Wollstonecraftৰ *A Vindication of the Rights of Women*, John Stuart Millৰ *The Subjection of Women*, Simone de Beauvoirৰ *The Second Sex* আদি নাৰীবাদ বিষয়ক গ্ৰন্থৰ প্ৰকাশ আৰু প্ৰচাৰৰ ফলত বিকাশ লাভ কৰে। "নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰণা বা ভাবেই নাৰীবাদ" বুলি *Feminism* গ্ৰন্থত জন্ চাৰ্ভেই কৈছে।

পাশ্চাত্যৰ এই নাৰীবাদী আন্দোলনে নাৰীৰ অধিকাৰক সাব্যস্ত কৰিছিল। *সাধনাত* স্বাধীন চিন্তাৰ অধিকাৰিনী প্ৰভাৱতীৰ মাজেদি প্ৰকাশ পোৱা চন্দ্ৰপ্ৰভাৰ চৰিত্ৰটোত স্ত্ৰীশিক্ষা, স্ত্ৰী-স্বাধীনতাৰ যথাৰ্থ ব্যাখ্যা আৰু স্বৰূপ প্ৰকাশ পাইছে। *লেখিকাৰ গল্পত* সন্নিৱিষ্ট "দৈৱজ্ঞ দুহিতা" গল্পটোত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বিধৱাৰ দুখৰ জীৱনৰ লগতে জাতীয় আন্দোলনত যোগ দিয়া এটি নাৰী চৰিত্ৰ অঙ্কন



কৰিছে। তেওঁৰ *পিতৃভিঠা* উপন্যাসে নাৰী আৰু পুৰুষৰ সমানাধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে।

ইয়াৰ পূৰ্বৰ *ৰাম-নৱমী* নাটকে সমাজৰ বালবিধৱাৰ কৰুণ কাহিনী উন্মোচন কৰিছে। লক্ষ্মীধৰ শৰ্মাৰ *নিৰ্মলা* নাটক, মাধৱ শৰ্মাৰ *নৱযুগ*, লক্ষ্মীধৰ শৰ্মাৰ *ব্যৰ্থতাৰ দান* গল্প-সংকলনত নতুন নাৰীৰ সন্ধান পোৱা যায়।

আমি নাৰী-স্বাধীনতাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা হেমচন্দ্ৰ, গুণাভিৰাম আদিৰ বিভিন্ন লেখনীয়ে যে বিশেষ প্ৰেৰণা যোগাইছিল তাক উনুকিয়াই আহিছোঁ।

*ৰামধেনু* যুগত "এনথ্ৰপ'ল'জিৰ সপোনৰ পিছত" গল্পৰ জৰিয়তে সমাজত নাৰীৰ স্থান নিৰূপণ কৰি নাৰীমুক্তি আন্দোলনৰ পথৰ সন্ধানত আগবাঢ়ি অহা নিৰুপমা বৰগোহাঞে পিছলৈ তেওঁৰ উপন্যাস *অন্য জীৱন*, *চম্পাৱতী* আদিত সমাজবাদী তথা নাৰীবাদী চিন্তা স্পষ্ট ৰূপত দাঙি ধৰিছে। এই ক্ষেত্ৰত তেওঁ মাৰ্ক্সবাদৰদ্বাৰা প্ৰভাৱিত হৈছে। বিশেষকৈ সমাজবাদী দৃষ্টিভঙ্গিৰে নাৰী মুক্তিৰ ধাৰণাটো প্ৰকাশ পাইছিল এংগেলছৰ *Origin of the Family, Private Property and the State* গ্ৰন্থত। *অন্য জীৱনত* সমাজবাদী নাৰীমুক্তিৰ চিন্তা প্ৰকট হৈ উঠিছে।

নিৰুপমা বৰগোহাঞিৰ *অন্য জীৱনত* পুতলী চৰিত্ৰটো মুক্তিকামী নাৰী চৰিত্ৰ। পিতৃতান্ত্ৰিক শোষণ-নিৰ্যাতনৰ ছবি ইয়াত সুন্দৰকৈ ব্যক্ত হৈছে। তেওঁৰ *অভিযাত্ৰী* চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনভিত্তিক উপন্যাস। ঠিক তেনেকৈ তিলোত্তমা মিশ্ৰৰ *স্বৰ্ণলতাত* ঊনবিংশ শতাব্দীৰ নাৰী স্বাধীনতাৰ প্ৰকৃত স্বৰূপ ফুটি উঠিছে। অনুৰাধা শৰ্মা পূজাৰীৰ *মেবেং* উপন্যাসত ইন্দিৰা মিৰিৰ জীৱনৰ লগতে অসমত স্ত্ৰীশিক্ষাৰ অৱস্থা ৰূপায়িত হৈছে।

জ্ঞানপীঠ বঁটাৰে বিভূষিতা মামনি ৰয়চম গোস্বামীৰ উপন্যাসত নাৰী-জীৱনৰ বঞ্চনা-হতাশা আৰু ৰক্ষণশীল সমাজৰ ধ্যান-ধাৰণা প্ৰকাশ পাইছে। তেওঁৰ *নীলকণ্ঠী ব্ৰজ* আৰু *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* অতি মৰ্মস্তুদভাৱে উচ্চবৰ্ণৰ ব্ৰাহ্মণ বিধৱাৰ কৰুণ পৰিণতি অঙ্কিত হৈছে আৰু উপন্যাস দুখনে বিধৱা নাৰীৰ মনস্তাত্ত্বিক দিশটো সম্পূৰ্ণভাৱে উন্মোচিত কৰিছে। *নীলকণ্ঠী ব্ৰজৰ* সৌদামিনী, বৃন্দাবনৰ ৰাধেশ্যামীসকলৰ জীৱন, *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* গিৰিবালাৰ চৰিত্ৰই পাঠকৰ মন আঁকুহি আনে। ৰক্ষণশীল সমাজখনৰ ৰূপ দেখি পাঠক উদ্বিগ্ন আৰু চিন্তিত; সৌদামিনী, গিৰিবালাহঁতৰ জীৱনৰ পৰিবৰ্তন হোৱাটো বিচাৰে। চিন্তাৰ খোৰাক যোগাব পৰা এইবোৰ সাহিত্য-কৰ্মই নাৰীমুক্তি আন্দোলনত নিশ্চয় প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। "সংস্কাৰ" তেওঁৰ এটি সাৰ্থক চুটি গল্প।

এনে এক পৰিস্থিতিয়ে পাঠকৰ আগলৈ আগবঢ়াই দিলে অৰূপা পটংগীয়া কলিতাক। তেওঁৰ *মৃগনাভি*, *অয়নান্ত*, *ফেলানী* আদি উপন্যাসে নাৰীৰ চেতনা জগাই তোলাত সক্ষম হৈছে। চিত্ৰলতা ফুকন, ৰীতা চৌধুৰী আদি বহু মহিলাই সাহিত্য ৰচনাৰ মাজেদি নাৰীৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাৰ স্ফুৰণ ঘটাই

অসমৰ নাৰীমুক্তি আন্দোলনৰ পথাৰখনত ন-কঠীয়াৰ সঞ্চাৰ কৰিছে। অপৰ্ণা মহন্তৰ *অভিনৱ নাৰীৰ সন্ধানত*, মীৰা দেৱীৰ *অসমীয়া উপন্যাসত নাৰীবাদ* আদি গ্ৰন্থই নাৰীবাদী চিন্তাৰ বিস্তাৰ ঘটাইছে। পাশ্চাত্যৰ "লেজ্‌বিয়ানিজম"ৰ ধাৰণা অসমীয়া সাহিত্যলৈ গল্পৰ মাজেদি লৈ আহিছে গোবিন্দপ্ৰসাদ শৰ্মাই তেওঁৰ গল্প-সঙ্কলন *ছোৱালী হষ্টেলত এগৰাকী লেজবিয়ান*ৰ মাজেদি। সঙ্কলনটিত থকা এই নামৰ গল্পটোত পাশ্চাত্যৰ মৌল নাৰীবাদ (Radical Feminism)ৰ অন্য এটি ভাগ "লেজবিয়ানিজম" (lesbianism)ৰ আদৰ্শ লেখকে দাঙি ধৰিছে — য'ত পুৰুষ অবিহনেই তিৰোতা অকলে জীৱন কটাব বিচাৰে।

ইতিমধ্যে আৰু এনে ধৰণৰ নাৰী-মুক্তিৰ ধাৰণা নিহিত হৈ থকা বহু গল্প, উপন্যাস, জীৱনী, প্ৰবন্ধ প্ৰকাশ পাইছে যিবোৰে সঁচাকৈয়ে নাৰী-সমাজক পৰম্পৰাগত কুসংস্কাৰ আৰু ৰক্ষণশীলতাৰপৰা ওলাই আহিবলৈ প্ৰেৰণা যোগাইছে।

অসমত হোৱা নাৰী-জাগৰণৰ ঢৌৱে প্ৰাক্-স্বাধীনতা কালত অসমৰ গাঁও-ভূঁইক সম্পূৰ্ণকৈ বিধৌত কৰিব পৰা নাছিল সঁচা কিন্তু য'ত তাৰ প্ৰভাৱ পৰিছিল সিয়ে পৰৱৰ্তী কালত এটি ডাঙৰ ভূমিকা লৈছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নেতৃত্বত গঠিত হোৱা মহিলা সমিতিৰ শাখা-প্ৰশাখা বিভিন্ন ঠাইলৈ বিস্তৃতি লাভ কৰিছিল আৰু স্ত্ৰীশিক্ষা, নিৰক্ষৰতা দূৰীকৰণ আৰু মহিলাৰ বোৱাকটাৰ মাজেৰে নাৰী-সবলীকৰণৰ প্ৰচেষ্টা চলিছিল। কমিউনিষ্ট আন্দোলনে নাৰীৰ মুক্তিৰ প্ৰসঙ্গত কোনো কোনো অঞ্চলত প্ৰভাৱ পেলাইছিল — যাৰ ফলস্বৰূপে মহিলা সংঘ বা পিছলৈ অন্য এক মহিলা সংগঠন নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, নাৰী মুক্তি সংস্থা আদিৰ জৰিয়তে আজিকোপতি কাম কৰি আহিছে। অসমত পুৰুষক বাদ দি বা পুৰুষক শত্ৰু হিচাপে লৈ নাৰী আন্দোলনে গঢ় লোৱা নাই। কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত সমাজতান্ত্ৰিক আদৰ্শৰে গঠিত হোৱা মহিলা সমিতিসমূহেও সমাজব্যৱস্থাৰ পৰিৱৰ্তন হ'লেহে প্ৰকৃত নাৰীমুক্তি সম্ভৱপৰ বুলি বিবেচনা কৰে।

সমাজৰ আধা অংশ নাৰীৰে আজি সামাজিক অৱস্থা বৰ দুখ-লগা ধৰণৰ। নাৰীক "অৰ্ধাকাশ" বুলি কোৱা হয় যদিও শিক্ষা, দীক্ষা, চাকৰি, নিৰাপত্তা সকলো দিশতে মহিলাৰ সমস্যাই আজিও মূৰ দাঙি থিয় হৈ আছে। কি গাঁৱৰ কি চহৰৰ কৃষিজীৱী মহিলা, শ্ৰমজীৱী মহিলা, চাকৰিজীৱী মহিলাৰ সন্মুখত বাধাৰ প্ৰাচীৰ আছে। আজি চাকৰিয়াল মহিলাৰ কৰ্মক্ষেত্ৰত নানা ধৰণৰ অতিশয্য, শ্ৰমজীৱী মহিলাৰ বাসস্থান বা অন্যান্য দিশত নানা ধৰণৰ সমস্যা — এইবোৰ দূৰ কৰাৰ বাবে আন্দোলন হৈ আছে। অঙ্গনবাদী কৰ্মী, মধ্যাহ্ন-ভোজনৰ কৰ্মী, আশা-কৰ্মী আদিৰ আন্দোলনে মহিলাক ঘৰৰ চাৰিবেৰৰ মাজৰপৰা উলিয়াই আনিছে। সমান কামত সমান মজুৰিৰ বাবে, অসংগঠিত ক্ষেত্ৰৰ শ্ৰমিকসকলৰ ভৱিষ্যৎ নিৰাপত্তাৰ বাবে, খাদ্য-নিৰাপত্তাৰ বাবে বিভিন্ন আন্দোলন হৈ থকা দেখা যায়। স্বাস্থ্য আঁচনিয়ে ভিতৰুৱা গাঁও অঞ্চল, চৰ অঞ্চলৰ মহিলাক সম্পূৰ্ণৰূপে উপকৃত কৰিব পৰা নাই। এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত মহিলাৰ অধিক অংশই নিজৰ অধিকাৰ



সম্পৰ্কে সচেতন নহয়। সেয়েহে ঊনবিংশ শতাব্দীতে নতুনকৈ চিন্তাৰ জগতত ভুমুকি মৰা অসমৰ নাৰীমুক্তি আন্দোলনৰ আজিও সমাপ্তি হোৱা নাই; বৰং বিশ্বায়নৰ প্ৰভাৱত অধিক লুণ্ঠিত হোৱা নাৰীসমাজক পশ্চাৎপদ অৱস্থাৰপৰা তুলি অনাত সহায় কৰাৰ অধিক প্ৰয়োজন হৈছে। শিক্ষা-দীক্ষা, চাকৰি, নিৰাপত্তা আদি সকলো দিশত নাৰীক আগুৱাই অনাৰ দায়িত্ব চৰকাৰী পক্ষৰ সামাজিক সংগঠন আদিৰ ভিতৰত অধিক দায়বদ্ধতা মহিলা সংগঠনসমূহৰ ই এক ঐতিহাসিক দায়িত্ব, সময়ৰ প্ৰত্যাহ্বান।

য়াণ্ডাবু সন্ধিৰ আগেয়ে অসমীয়া মহিলাৰ বীৰত্ব আৰু দেশপ্ৰেমৰ কাহিনীয়ে আমাক প্ৰেৰণা যোগায়। প্ৰেৰণা যোগায় কোম্পানিৰ অধীনত প্ৰথমগৰাকী মহিলা তহচিলদাৰ হিচাপে নিযুক্তি পোৱা থেং ফাখ্ৰী নামৰ মহিলা গৰাকীয়ে, যাৰ বৰ্ণনা ড° মামণি ৰয়চম গোস্বামীয়ে তেওঁৰ উপন্যাস *থেং ফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল*ত বৰ্ণনা কৰিছে। ব্ৰিটিছৰ বিশ্বস্ত বিষয়া হৈয়ো শেষত স্বদেশ আৰু স্বজাতিৰ বাবে সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে সাহসেৰে থিয় দিছিল থেং ফাখ্ৰীয়ে।

পদ্মাৱতী দেৱী ফুকননীৰপৰা আৰম্ভ কৰি বৰ্তমানৰ উত্তৰ-পূবৰ খ্যাতিসম্পন্না খেলুৱৈ মেৰীকমলৈকে উত্তৰ-পূবৰ মহিলাৰ খ্যাতি সৰ্বজনবিদিত।

নাৰীয়ে আপোন শক্তিৰে সমাজলৈ কৃতিত্ব কঢ়িয়াই আনিলেও তেনে নাৰী সংখ্যাত নগণ্য। আজি নাৰীমুক্তিৰ পথ এটাই: সেইটো হৈছে বৈজ্ঞানিক সমাজতন্ত্ৰ। ব্যক্তিগত সম্পত্তিৰ বিলোপসাধনেই হৈছে সমাজতান্ত্ৰিক সমাজব্যৱস্থাৰ মূল ভিত্তি। নাৰীমুক্তিৰ প্ৰথম চৰ্ত হৈছে বৃহৎসংখ্যাত সামাজিক উৎপাদনলৈ মহিলাসকলক লৈ আহিব লাগিব। পুৰুষৰ সমানে সকলো স্তৰতে মহিলাক সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। দ্বিতীয়তে ৰান্ধনি-শালৰপৰা মহিলাসকলক মুক্ত কৰি শিশু-ৰক্ষণাগাৰ, সামাজিক ভোজনালয় আদি সৃষ্টি কৰিব লাগিব। নাৰীৰ ঘৰুৱা কামকাজক সামাজিক কামলৈ ৰূপান্তৰিত কৰি স্বীকৃতি দিব লাগিব। একমাত্ৰ এনে ব্যৱস্থাইহে নাৰীক প্ৰকৃত মুক্তি দিব পাৰিব। ইয়াৰ বাবে প্ৰয়োজন হ'ব শক্তিশালী সংগঠনৰ।

"অসমীয়া ছোৱালীৰ উক্তি" ৰূপকোঁৱৰ জ্যোতিপ্ৰাসাদ আগৰৱালাৰ এটি কালজয়ী কবিতা। সেই কবিতাৰ দুটি পংক্তিৰে সামৰিব খুজি কওঁ আকৌ উদ্দীপ্ত হওক অসমৰ নাৰী:

আজি মোৰ
আলোক যাত্ৰা
স্বৰ্ণধ্বজা মই
জগতৰ পদুলিয়ে
যাম মোৰ
মহা শোভাযাত্ৰা,

অসমীয়া ছোৱালীৰ

জোনাকী বাটেদি

আজি

মঙ্গল যাত্ৰা

পূৰ্ব্বভাৰতী জয়

জয়-জয়কাৰ

নতুন কিৰণ জ্যোতি

কৰিছোঁ প্ৰচাৰ

কৰিছোঁ প্ৰচাৰ

কৰিছোঁ প্ৰচাৰ।

সহায়ক গ্ৰন্থ


১ অঞ্জলি শৰ্মা। *চন্দ্ৰপ্ৰভা*। গুৱাহাটী: বনলতা, ২০১১।

২ গুণাভিৰাম বৰুৱা। *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৯১।

৩ (ড°) নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ সম্পাদিত *আসাম-বন্ধু*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৪।

৪ নগেন শইকীয়া সম্পাদিত *বেজবৰুৱাৰ ৰচনাৱলী*, চতুৰ্থ খণ্ড। গুৱাহাটী: বনলতা, ২০১০।

৫ নিৰুপমা বৰগোহাঞি। *অভিযাত্ৰী*। নলবাৰী: জাৰ্নাল এম্প'ৰিয়াম, ২০১৩।

৬ পুষ্পলতা দাস। "বিদ্ৰোহিনী চন্দ্ৰপ্ৰভা" *লোকায়ত*, ৰঙালী বিহু সংখ্যা, সম্পাদক হোমেন বৰগোহাঞি, গুৱাহাটী ১৯৮২।

৭ (ড°) প্ৰফুল্ল দত্ত গোস্বামী সম্পাদিত *পদ্মাৱতী দেৱী ফুকননী ৰচনাৱলী*, গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৯৪।

৮ (ডঃ) মীৰা দেৱী। *অসমীয়া উপন্যাসত নাৰীবাদ*, গুৱাহাটী: লোকায়ত প্ৰকাশন, ১৯৯৬।

৯ যতীন্দ্ৰনাথ গোস্বামী সকলিত আৰু সম্পাদিত *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*। গুৱাহাটী: হেমকোষ প্ৰকাশন, ১৯৯৯।

১০ যোগেন্দ্ৰনাথ ভূঞা সম্পাদিত *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৭৭, পৃষ্ঠা ২২৫।

১১ শশী শৰ্মা। "*সময়ে যাক পাহৰিব যাব*", নলবাৰী: সৰ্বানন্দ পুথিভঁৰাল, ১৯৭৬।

১২ শিৱনাথ বৰ্মন, সন্ধ্যা দেৱী আদি সম্পাদিত *অসমীয়া নাৰী ঐতিহ্য আৰু উত্তৰণ*, গুৱাহাটী: ষ্টুডেণ্ট ষ্ট'ৰচ, ২০০২।

১৩ শীলা বৰঠাকুৰ সম্পাদিত *লেখিকাৰ জীৱনী*। সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ, ১৯৮৭, পৃষ্ঠা ১৩৫-৬।

১৪ শ্যামলী গুপ্তা, মালিনী ভট্টাচাৰ্য আদি সম্পাদিত *নাৰী ও বিশ্বায়ন* (বাংলা)। ন্যাশনাল বুক এজেন্সি প্ৰাইভেট লিমিটেড, কলকতা, ২০০৪।

১৫ (ড°) সত্যেন্দ্ৰনাথ শৰ্মা। পুনঃ সম্পাদিত *মৌ*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮০।

১৬ F. Engels. *Origin of the Family Private Property and the State*. Moscoe: Progress Publishers, 1977

১৭ John Charvet. *Feminism*. London: G. M. Dent & Sons, 1982


# অসমৰ ছাত্ৰ আন্দোলন: এক ঐতিহাসিক অৱলোকন

ড° কঙ্কণ ডেকা

অসমৰ সামাজিক ইতিহাসত ছাত্ৰ আন্দোলনে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ঔপনিৱেশিক কালৰপৰা অসমৰ সমাজজীৱনত উদ্ভৱ হোৱা প্ৰায়বোৰ সামাজিক অথবা ৰাজনৈতিক সন্ধিক্ষণত ছাত্ৰ তথা যুৱ সমাজে গ্ৰহণ কৰা ভূমিকাৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। অসমৰ ছাত্ৰসমাজে বিভিন্ন সময়ত গ্ৰহণ কৰা ভূমিকা সম্পৰ্কে ইতিমধ্যে কেতবোৰ লেখত ল'বলগীয়া গৱেষণা কাৰ্য সম্পাদিত হোৱাৰ উপৰি এই বিষয়ক কেবাখনো উল্লেখযোগ্য গ্ৰন্থও প্ৰকাশিত হৈছে। উদাহৰণস্বৰূপে ড° শীলা বৰাৰ *Student Revolution in Assam*, ড° ৰমেশচন্দ্ৰ কলিতাৰ *ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা*, ড° মিতা ডেকাৰ *Student Movements in Assam* আদি গৱেষণামূলক অধ্যয়নৰ ভিত্তিত ৰচিত গ্ৰন্থ। ইয়াৰ উপৰি ১৯৪৭ চনৰ পৰৱৰ্তী কালত ছাত্ৰ সমাজৰদ্বাৰা পৰিচালিত বিভিন্ন আন্দোলন, বিশেষকৈ ১৯৭৯ চনৰপৰা ১৯৮৫ চনলৈকে সদৌ অসম ছাত্ৰ সন্থাৰদ্বাৰা পৰিচালিত অসম আন্দোলনৰ পৰ্যালোচনাৰে সমৃদ্ধ বহুকেইখন গ্ৰন্থ প্ৰকাশিত হৈছে। এই গ্ৰন্থসমূহে অসমৰ ছাত্ৰ সমাজৰদ্বাৰা ঔপনিৱেশিক কালৰেপৰা বিভিন্ন সামাজিক আৰু ৰাজনৈতিক সংগ্ৰামত গ্ৰহণ কৰা অৱস্থান তথা ভূমিকাৰ তথ্যভিত্তিক বিশ্লেষণ আগবঢ়োৱাৰ উপৰি ছাত্ৰসমাজৰদ্বাৰা পৰিচালিত আন্দোলনসমূহৰ বিভিন্ন দিশৰ পৰ্যালোচনা আগবঢ়াইছে। আমাৰ এই আলোচনাত মূলতঃ ঔপনিৱেশিক কালৰপৰা অসমত ছাত্ৰসমাজৰ সামাজিক তথা ৰাজনৈতিক প্ৰক্ৰিয়াৰ মূল ধাৰাসমূহৰ সম্যক আলোচনা আগবঢ়োৱা হ'ব।

অসমত ব্ৰিটিছ শাসন বিস্তাৰৰ পাছৰেপৰা ধীৰে ধীৰে ইংৰাজী শিক্ষাৰ বাবে শিক্ষানুষ্ঠান স্থাপিত হ'বলৈ ধৰে। ১৮৩৫ চনত গুৱাহাটীত ইংলিছ ছেমিনাৰি নামেৰে অসমৰ প্ৰথমখন ইংৰাজী স্কুল স্থাপিত হয়। অসমত আধুনিক ইংৰাজী শিক্ষাৰ ইয়েই আৰম্ভণি। ইয়াৰ উদ্দেশ্য আছিল ঔপনিৱেশিক শাসনৰ হাত শক্তিশালী কৰিবলৈ প্ৰয়োজনীয় এটা স্থানীয় কৰ্মীবাহিনীৰ সৃষ্টি কৰা যিয়ে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ ব্ৰিটিছ প্ৰশাসনৰ বিভিন্ন স্তৰত চাকৰিয়াল হিচাপে নিয়োজিত হোৱাৰ

উপৰি ব্ৰিটিছ-শাসনৰ প্ৰতি অনুগত হৈ থাকিব। ব্ৰিটিছ-প্ৰবৰ্তিত এই শিক্ষাব্যৱস্থাৰ ভেটিতেই অসমত এক শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে বিকাশ লাভ কৰিছিল। পৰৱৰ্তী কালত এই মধ্যবিত্ত শ্ৰেণীটোৱে অসমৰ সামাজিক জীৱনত নিৰ্ণায়ক ভূমিকাত অৱতীৰ্ণ হোৱা এটি প্ৰভাৱশালী সামাজিক শক্তিত পৰিণত হয়।[১] অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ উত্থানৰ ঐতিহাসিক পটভূমি আৰু এই পটভূমিয়ে এই শ্ৰেণীটোৰ মতাদৰ্শগত পৰিমণ্ডলত কিদৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে সেই বিষয়ে যথেষ্ট গভীৰ আৰু অনুসন্ধানমূলক আলোচনা হৈছে।[২]

ব্ৰিটিছ শাসনৰ কালছোৱাত মূলতঃ কৃষিজীৱী অসমৰ সাধাৰণ ৰাইজক অমানৱিক ভূমি-ৰাজহ ব্যৱস্থাৰে কেকোৰাচেপা দি অসমত স্থানীয়ভাৱে ব্যৱসায়-বাণিজ্য অথবা উদ্যোগিক বিকাশৰ পথ ৰুদ্ধ কৰা হৈছিল। তেনেস্থলত চৰকাৰী চাকৰিৰ বাহিৰে শিক্ষিত অসমীয়া মধ্যবিত্তৰ সন্মুখত নিয়োগৰ বা জীৱিকাৰ নিশ্চয়তাৰ অন্য বিকল্প পথ আছিল তেনেই সীমিত। আনহাতে, ঔপনিবেশিক প্ৰশাসনৰ বিভিন্ন চাকৰিত নিয়োগৰ বাবে শিক্ষাদীক্ষাত তুলনামূলকভাৱে অসমতকৈ আগবঢ়া চুবুৰীয়া বঙ্গদেশৰপৰা এচাম আমোলা-কৰ্মচাৰী আমদানি কৰা আৰু ১৮৩৭ চনত অসমৰ অফিচ-কাচাৰি তথা পঢ়াশালিত বাংলা ভাষাৰ প্ৰৱৰ্তনে অসমীয়া শিক্ষিত মধ্যশ্ৰেণীক এক প্ৰত্যাহ্বানৰ পৰিস্থিতিলৈ ঠেলি দিছিল। এই প্ৰত্যাহ্বানৰ স্বৰূপ আছিল জটিল। ব্ৰিটিছ শাসনৰ গাত ভেজা দি মূৰ দাঙিবলৈ চেষ্টা চলাই থকা অসমীয়া শিক্ষিত মধ্যশ্ৰেণীয়ে ইয়াৰ উন্মেষ-কালত সাম্ৰাজ্যবাদী শাসনৰ সৈতে ফেপেৰি পাতি লোৱাৰ শক্তি আৰু সামৰ্থ্য গোটাবলৈ সক্ষম নহ'ল। নিজৰ দেশ আৰু জাতিৰ দুৰ্দশাৰ বাবে দায়ী সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে প্ৰতিবাদ আৰু প্ৰতিৰোধৰ ৰাজনৈতিক সংগ্ৰাম গঢ়ি তুলিবলৈ চেষ্টা চলোৱাৰ পৰিৱৰ্তে ই সাম্ৰাজ্যবাদী শাসনৰ প্ৰতি সহযোগিতাৰ পথহে গ্ৰহণ কৰিলে। ফলত কোনো ৰাজনৈতিক সংগ্ৰামৰ কৰ্মসূচী নথকাত অসমৰ শিক্ষিত মধ্যশ্ৰেণীয়ে ভাষা-সাহিত্যৰ বিকাশকে ইয়াৰ প্ৰাৰম্ভিক কাৰ্যসূচীৰূপে আঁকোৱালি ল'লে। অসমীয়া শিক্ষিত শ্ৰেণীটোৰ এটা অংশই অসমীয়া ভাষাৰ ৰক্ষণাবেক্ষণ তথা বিকাশসাধনৰ বাবে আত্মনিয়োগ কৰাৰ মাজেৰে অসমত অসমীয়া ভাষাক কেন্দ্ৰ কৰি এক নতুন জাগৰণ-প্ৰক্ৰিয়াৰ সূচনা কৰে। ভাষা-সাহিত্যৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ প্ৰচেষ্টাৰ মাজেৰেই অসমত জাতীয়তাবাদী চিন্তাবিদৰো উন্মেষ ঘটে।

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মাজৰপৰাই অসমৰ ছাত্ৰসমাজখনৰো সৃষ্টি হৈছিল। সেই হেতুকে তেওঁলোকৰ চিন্তাচেতনাৰ জগৎখনক অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মতাদৰ্শই প্ৰভাৱিত নকৰাকৈ থকা নাছিল। সেইকালত অসমত উচ্চশিক্ষাৰ সা-সুবিধা নথকাত স্কুলীয়া শিক্ষাৰ অন্তত উচ্চশিক্ষাৰ বাবে ইচ্ছুক ছাত্ৰসকল প্ৰবাসলৈ, বিশেষকৈ কলিকতালৈ যোৱাৰ বাদে গত্যন্তৰ নাছিল। কলিকতাত উচ্চশিক্ষাৰ বাবে সমৱেত হোৱা অসমৰ ছাত্ৰসকলে নতুনকৈ লাভ কৰা উচ্চশিক্ষাৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ স্বদেশ আৰু স্বজাতিৰ হকে কিবা কৰাৰ তাগিদা অনুভৱ



কৰিছিল। উল্লেখযোগ্য যে, প্ৰাৰম্ভিক পৰ্যায়ত প্ৰবাসী অসমীয়া ছাত্ৰসমাজৰো স্বদেশ-স্বজাতিৰ সেৱাৰ হাবিয়াস ধাৰিত হৈছিল মূলতঃ ভাষা-সাহিত্যৰ বিকাশৰ যত্নৰ দিশত। কলিকতা-প্ৰবাসী অসমৰ ছাত্ৰসমাজে গঢ়ি তোলা প্ৰথমটো সংগঠন অসমীয়া সাহিত্য সভা নামটিৰপৰাই এইটো স্পষ্ট হয়। ১৮৭২ চনৰ জানুৱাৰি মাহত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াৰ পৰামৰ্শমতে অসমীয়া ছাত্ৰৰ সন্মিলনী নামেৰে অনিয়মীয়াকৈ চলি থকা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ মঞ্চখনে অসমীয়া সাহিত্য সভা নামেৰে সংগঠিত হয়।[৩] সেই বছৰতেই এই অনুষ্ঠানৰ তৰফৰপৰা জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱাই লৰ্ড নৰ্থব্ৰুকক এখনি অভিনন্দন পত্ৰ প্ৰদান কৰে। ৰমেশচন্দ্ৰ কলিতাৰ মতে প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ এয়া আৱেদন-নিৱেদনৰ ৰাজনীতি অনুশীলনৰ প্ৰাৰম্ভিক প্ৰয়াস।[৪] অৱশ্যে সেইকালত ভাৰতীয় শিক্ষিত শ্ৰেণীৰদ্বাৰা পৰিচালিত সামাজিক ৰাজনৈতিক অনুষ্ঠানসমূহেও কোনো বিকল্প সংগ্ৰামী ৰাজনীতিৰ অনুশীলন আৰম্ভ কৰাৰ উদাহৰণ নাছিল। সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ শিক্ষিত শ্ৰেণীয়ে ব্ৰিটিছৰাজৰপৰা আৱেদন-নিৱেদনৰ নৰমপন্থী কাৰ্যসূচীৰ মাধ্যমেৰে অভাৱ-অভিযোগ পূৰণৰ পদ্ধতিকেই অৱলম্বন কৰি আহিছিল। এনে ৰাজনৈতিক বাতাৱৰণৰ পৰিপ্ৰেক্ষিতত প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ তৰফৰপৰা কোনো বৈপ্লৱিক কাৰ্যসূচী গ্ৰহণ নকৰা কথাটো অস্বাভাৱিক নহয়।

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ গঠনৰদ্বাৰাই শিক্ষিত ভাৰতীয় মধ্যশ্ৰেণীয়ে ব্ৰিটিছ শাসনৰ সৈতে সংগঠিত ৰূপত মোকাবিলা কৰাৰ সুনিৰ্দিষ্ট কাৰ্যসূচী হাতত লয়। অৱশ্যে ইয়াৰ আগেয়েও ইণ্ডিয়ান এছ'চিয়েচনকে ধৰি শিক্ষিত শ্ৰেণীৰ বিভিন্ন সৰ্বভাৰতীয় তথা প্ৰাদেশিক অনুষ্ঠানৰ মাধ্যমেৰে সমাজৰ বিভিন্ন শ্ৰেণীৰ স্বাৰ্থৰ অনুকূলে ব্ৰিটিছ চৰকাৰৰপৰা বিভিন্ন সা-সুবিধা আদায় কৰাৰ চেষ্টা অব্যাহত আছিল। জাতীয় কংগ্ৰেছৰ জন্ম আছিল এনেবোৰ কাৰ্যকলাপৰ ভাৰতজুৰি এক সংগঠিত ৰূপ দিয়াৰ প্ৰয়াস। তেতিয়াৰ কলিকতা মহানগৰ আছিল ৰাজনৈতিক আলাপ-আলোচনা আৰু সক্ৰিয়তাৰ উৰ্বৰ ক্ষেত্ৰ। এনে ৰাজনৈতিক পৰিৱেশৰ প্ৰভাৱ প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ ওপৰতো পৰিছিল। ১৮৮৮ চনত প্ৰবাসী অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা উন্নতি সাধিনী সভা নামৰ আন এটি অনুষ্ঠানৰ জন্ম দিয়ে। নামটোৰপৰাই ইয়াৰ উদ্দেশ্যৰ বিষয়ে ধাৰণা কৰিব পাৰি। তাৎপৰ্যপূৰ্ণভাৱে অ ভা উ সা সভাৰ উদ্যোগত প্ৰকাশিত *জোনাকী* আলোচনীখনৰ প্ৰথম সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাই আলোচনীখনৰ উদ্দেশ্য সম্পৰ্কে আত্মকথাত লিখিছিল যে ৰাজনীতি তেওঁলোকৰ ৰাজ্যৰ বাহিৰ। এই পৰাধীন দেশত প্ৰজানীতিহে ধৰিবলগীয়া। প্ৰবাসী অসমীয়া ছাত্ৰসমাজ যে সচেতনভাৱেই ৰাজনীতিৰপৰা দূৰৈত অৱস্থান কৰিছিল তাৰ প্ৰমাণ পোৱা যায় ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত অসমৰ বিভিন্ন ঠাইত সংঘটিত কৃষক বিদ্ৰোহৰ ঘটনাৱলীৰ ক্ষেত্ৰত *জোনাকী*য়ে অৱলম্বন কৰা নীৰৱতাৰপৰা।[৫] সাম্ৰাজ্যবাদী শাসকৰ বিৰুদ্ধাচৰণ কৰি আপদ চপাই লোৱাৰ মনোবল অসমীয়া শিক্ষিত মধ্যশ্ৰেণী আৰু ইয়াৰ প্ৰতিনিধিস্বৰূপ অসমৰ ছাত্ৰসমাজে

তেতিয়াও অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাছিল। নিজৰ স্থিতি শক্তিশালী কৰিবলৈ সেই পৰ্যন্ত ই ঔপনিৱেশিক শাসকশ্ৰেণীৰ বদান্যতাৰ ওপৰতেই নিৰ্ভৰশীল আছিল।

বিদেশী শাসনৰ বিৰুদ্ধে সৰ্বভাৰতীয় ৰাজনৈতিক প্ৰেক্ষাপটতো প্ৰত্যক্ষ সংঘাতৰ পৰিৱেশৰ সূচনা হয় লৰ্ড কাৰ্জনৰ বঙ্গ-বিভাজন (Partition of Bengal) আঁচনিৰ বিৰুদ্ধে গঢ়ি উঠা আন্দোলনৰপৰা। উত্তাল ৰূপ ধাৰণ কৰা বঙ্গ-বিভাজনবিৰোধী আন্দোলনে ভাৰতীয় জাতীয় কংগ্ৰেছৰো ৰাজনৈতিক কৌশলৰ পৰিৱৰ্তন সাধনত নিৰ্ণায়ক ভূমিকা পালন কৰে। কংগ্ৰেছ চৰমপন্থী আৰু নৰমপন্থী দুটা শিবিৰত বিভক্ত হৈ পৰে। বঙ্গ-বিভাজনবিৰোধী আন্দোলনে বঙ্গদেশত তীব্ৰ ৰূপ ধাৰণ কৰিছিল। বিদেশী সামগ্ৰী বৰ্জন আৰু স্বদেশী সামগ্ৰী গ্ৰহণ আছিল আন্দোলনটোৰ কেন্দ্ৰীয় আহ্বান। যুৱসমাজৰ এক বৃহৎ অংশই এই আন্দোলনত অংশগ্ৰহণ কৰাত আন্দোলনৰ শক্তি আৰু ব্যাপকতা বৃদ্ধি পাইছিল। 'স্বদেশী' কাৰ্যসূচী ৰূপায়ণত ছাত্ৰ-যুৱ সমাজেই আগভাগ লৈছিল। ছাত্ৰসকলক আন্দোলনত অংশগ্ৰহণৰপৰা নিৰস্ত কৰিবলৈ চৰকাৰে কুখ্যাত কাৰ্লাইল চাৰ্কুলাৰ (পৰৱৰ্তী কালৰ কানিংহাম চাৰ্কুলাৰৰ দৰে) জাৰি কৰিছিল ১০ অক্টোবৰ ১৯০৫ চনত। কিন্তু ছাত্ৰসকল দুগুণ উদ্যমেৰে আন্দোলনত জঁপিয়াই পৰিছিল।[৬] চৰকাৰী দমননীতিয়ে হিংসাত্মক গোপন কাৰ্যকলাপ সংগঠিত কৰিবলৈ প্ৰৰোচিত কৰিছিল। অনুশীলন সমিতি, ব্যায়াম সংঘ আদিৰ আলমত এনে কাৰ্যকলাপৰ তৎপৰতা বৃদ্ধি পাইছিল। স্কুল-কলেজসমূহ আছিল এনেবোৰ কাৰ্যকলাপৰ বাবে স্বেচ্ছাসেৱক নিযুক্তিৰ উৎস। ন্যায়াধীশ ৰাউলাটৰ অধ্যক্ষতাত বঙ্গ-বিভাজন আন্দোলনৰ কালত সংঘটিত হিংসাত্মক গোপন কাৰ্যকলাপ সম্পৰ্কে অনুসন্ধান কৰিবলৈ ১৯১৭ চনত নিয়োজিত Sedition Committeeৰ প্ৰতিৱেদনত এইদৰে উল্লেখ আছে:

"Abundant evidence has compelled us to the conclusion that the secondary English schools and in a less degree the colleges, of Bengal have been regarded by the revolutionaries as their most fruitful recruiting centres."

যদিও অসমৰ শিক্ষিত শ্ৰেণীটোৱে বঙ্গ-বিভাজনৰ প্ৰস্তাৱৰ বিৰুদ্ধে কোনো আন্দোলনৰ পথ গ্ৰহণ কৰা নাছিল, বঙ্গৰ উত্তাল ৰাজনৈতিক বাতাৱৰণৰ প্ৰভাৱৰপৰা অসম একেবাৰে মুক্ত নাছিল। তেজপুৰ আৰু বৰপেটাৰ একাংশ ছাত্ৰই স্বদেশীৰ প্ৰচলন আৰু বিদেশী বস্তুৰ বৰ্জনৰ হকে প্ৰচাৰ চলাইছিল। গুৱাহাটীতো একাংশ ছাত্ৰই স্বদেশীৰ প্ৰচাৰ চলাইছিল, যিসকলৰ মাজত অন্যতম আছিল আম্বিকাগিৰী ৰায়চৌধুৰী। অম্বিকাগিৰী আৰু তেওঁৰ একাংশ সতীৰ্থই গুপ্ত কাৰ্যকলাপতো জড়িত হৈ পৰিছিল। তেওঁলোকে সেৱা সঙ্ঘ নামৰ এক অনুষ্ঠান প্ৰতিষ্ঠা কৰি অসমৰপৰা ব্ৰিটিছ শাসন উচ্ছেদ কৰাৰ পৰিকল্পনা হাতত লৈছিল। অসমত এয়েই সাম্ৰাজ্যবাদবিৰোধী ছাত্ৰ-সংগ্ৰামৰ প্ৰথম নিদৰ্শন বুলিব পাৰি। অম্বিকাগিৰীয়ে বঙ্গদেশৰ আৰ্হিত অসমতো বিপ্লৱী দল গঠনৰ চেষ্টা চলাইছিল। একাংশ ছাত্ৰই



গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত অৱস্থিত ইংৰাজ চাহাবসকলৰ এটি প্ৰমোদগৃহত অগ্নিসংযোগ কৰি জ্বলাই দিছিল। অম্বিকাগিৰী  অনুশীলন সমিতিৰ সদস্য হৈছিল আৰু তেওঁ সুৰেন্দ্ৰ দাশগুপ্ত নামৰ এজন সতীৰ্থৰ সৈতে অসম আৰু বঙ্গৰ দুৱলীয়া লাট বেমফিল্ড ফুলাৰৰ প্ৰাণনাশৰ চেষ্টাও চলাইছিল। এই প্ৰচেষ্টা বিফল হোৱাত আৰু তেওঁৰ সহযোগীজন পুলিচৰ হাতত ধৰা পৰাত অম্বিকাগিৰীয়ে বহুদিন আত্মগোপন কৰি থাকিবলগীয়া হৈছিল। সেই কালৰ অসমীয়া ছাত্ৰসমাজৰ গৰিষ্ঠসংখ্যকৰ ৰাজনৈতিক কাৰ্যকলাপৰ প্ৰতি নিস্পৃহ স্থিতিৰ বিপৰীতে একাংশ ছাত্ৰৰ বৈপ্লৱিক ৰাজনৈতিক কাৰ্যকলাপত অংশগ্ৰহণ আছিল সঁচাকৈয়ে লেখত ল'বলগীয়া ঘটনা।[৭]

বৃহত্তৰ ছাত্ৰসমাজক সংগঠিত কৰাৰ উদ্দেশ্যৰে অসমত ছাত্ৰসকলৰ প্ৰথমটো অনুষ্ঠান অসম ছাত্ৰ সন্মিলনৰ জন্ম হয় ১৯১৬ চনত। ইয়াৰ প্ৰতিষ্ঠাৰ বাবে কিছু বছৰ আগৰেপৰাই প্ৰস্তুতি চলোৱা হৈছিল যদিও ১৯১৬ চনত অসম এছ'চিয়েচনৰ গুৱাহাটীত অনুষ্ঠিত অধিৱেশনৰ থলীতেই ইয়াৰ আত্মপ্ৰকাশ ঘটে। সেই সময়ৰ অসমৰ অতিকৈ কৰ্মতৎপৰ যুৱনেতা চন্দ্ৰনাথ শৰ্মা আছিল এই সংগঠনৰ অন্যতম মূল উদ্যোক্তা।[৮] উল্লেখযোগ্য যে অসমত তেতিয়াও সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামৰ গতি ত্বৰান্বিত হোৱা নাছিল। ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ কৃষক বিদ্ৰোহসমূহক বাদ দিলেও অসমৰ শিক্ষিত মধ্যশ্ৰেণীৰ মাজত তেতিয়াও সংগ্ৰামী ৰাজনীতিৰ অনুশীলন আৰম্ভ হোৱা নাছিল। আনকি কৃষক-বিদ্ৰোহৰ ঘটনালানিৰ ক্ষেত্ৰতো এই শ্ৰেণীটোৱে সামগ্ৰিকভাৱে এক শীতল দৃষ্টিভঙ্গি গ্ৰহণ কৰিছিল। তেতিয়ালৈকে অসমীয়া শিক্ষিত মধ্যবিত্তৰ ৰাজনৈতিক অনুশীলনৰ মূল সংগঠন আছিল অসম এছ'চিয়েচন। ই তেতিয়া পৰিচালিত হৈছিল মাণিকচন্দ্ৰ বৰুৱাৰ নেতৃত্বত। বঙ্গ-বিভাজন আঁচনিৰ প্ৰতি এছ'চিয়েচনে প্ৰত্যাহ্বানমূলক স্থিতি লোৱা নাছিল। ড° প্ৰফুল্ল মহন্তৰ মতে, অসম এছ'চিয়েচনে কাৰ্জন আঁচনিৰ মৃদু প্ৰতিবাদ কৰিলেও তাক বাধা দিয়াত আগ্ৰহ প্ৰকাশ কৰা দেখা নগৈছিল। এছ'চিয়েচনৰ গুৰিধৰোঁতা জগন্নাথ-মাণিকচন্দ্ৰই অসমীয়াৰ কাৰণে চাকৰি আদিৰ সংৰক্ষণৰ আহ্বান জনাই ব্ৰিটিছৰ অনুকূলেই মত প্ৰকাশ কৰিছিল।[৯] তেওঁ পুনৰ লিখিছে: "এই স্বদেশী আৰু বয়কট আন্দোলনৰপৰা অসমীয়া মধ্যবিত্ত শ্ৰেণী সচেতনভাৱে আঁতৰি থকাটো লক্ষ্য কৰিবলগীয়া। ব্ৰিটিছৰ স্বাৰ্থত আঘাত পৰিব পৰা কামৰপৰা মধ্যবিত্ত শ্ৰেণী আঁতৰি থাকিব বিচাৰিছিল।"[১০] এনে ৰাজনৈতিক পৰিমণ্ডলত জন্মলাভ কৰা অসম ছাত্ৰ সন্মিলনেও ইয়াৰ জন্মলগ্নত কোনো ৰাজনৈতিক কৰ্মসূচী গ্ৰহণৰ বাবে উদ্যোগ লোৱা দেখা নাযায়। শিক্ষিত মধ্যবিত্ত নেতৃত্বই ছাত্ৰসকল ৰাজনীতিৰপৰা আঁতৰত থকাটোকেই কামনা কৰিছিল। সন্মিলনৰ প্ৰথম গুৱাহাটী অধিৱেশনৰ সভাপতি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ ভাষণত ছাত্ৰসকলক ঈশ্বৰবিশ্বাসী আৰু নৈতিক চৰিত্ৰগঠনৰ লক্ষ্যেৰে কাম কৰিবলৈ আহ্বান জনাইছিল।[১১]

অসম ছাত্ৰ সন্মিলনৰ নামটো প্ৰথমতে অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন

ৰখা হৈছিল যদিও পাছত বাদানুবাদৰ অন্তত অসম ছাত্ৰ সন্মিলন বখা হয়। ইয়াৰপৰা এইটো প্ৰতীয়মান হয় যে ছাত্ৰসমাজে ভাষা-সাহিত্যৰ চৰ্চাকেই তেওঁলোকৰ কাৰ্যৰ পৰিসৰ হিচাপে নিৰ্ধাৰণ কৰি লৈছিল। বিশিষ্ট গৱেষক ড° ৰমেশচন্দ্ৰ কলিতাই উল্লেখ কৰিছে যে ছাত্ৰ সন্মিলনৰ নিয়মাৱলীত ছাত্ৰসংগঠনটোৱে ৰাজনৈতিক বিষয়ৰ সন্দৰ্ভত আলোচনা কৰাৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ কৰা হৈছিল। তেওঁ লগতে এই বুলি মত আগবঢ়াইছে: "সামগ্ৰিকভাৱে অসমীয়া মধ্যবিত্ত শ্ৰেণীটো এতিয়াও ব্ৰিটিছৰ প্ৰতি অনুৰক্ত হৈ থকাত সেই মধ্যবিত্ত শ্ৰেণীৰ পোষ্যপুত্ৰ অসম ছাত্ৰ সন্মিলনত ৰাজনীতি-চৰ্চা কৰাটো নিষিদ্ধ হোৱাটো আছিল স্বাভাৱিক।"[১২]

## সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত অসমীয়া ছাত্ৰসমাজ

প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯১৮) পাছৰ আন্তৰ্জাতিক আৰু জাতীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত সাম্ৰাজ্যবাদ-বিৰোধী আন্দোলন ঘনীভূত হ'বলৈ আৰম্ভ কৰে। খিলাফৎ আন্দোলন আৰু জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ ঘটনাই কংগ্ৰেছ দলক ভাৰতজোৰা আন্দোলনৰ কাৰ্যসূচী গ্ৰহণৰ বাবে প্ৰৰোচিত কৰে। ১৯১৯ চনত গান্ধীয়ে আগবঢ়োৱা অসহযোগ আন্দোলনৰ কাৰ্যসূচী ১৯২০ চনৰ নাগপুৰ কংগ্ৰেছ অধিৱেশনে গ্ৰহণ কৰাত সমগ্ৰ ভাৰতজুৰি অফিচ-কাচাৰী, স্কুল-কলেজ বৰ্জনৰ লগতে বিদেশী সামগ্ৰী বৰ্জন আদি কাৰ্যসূচীৰ মাধ্যমেৰে অসহযোগ আন্দোলনে গণ-আন্দোলনৰ ৰূপ লয়। উল্লেখযোগ্য যে একাংশ অসমীয়া ছাত্ৰই নিজাববীয়াকৈ ১৯২০ চনৰ ছেপ্টেম্বৰ মাহত কলিকতাত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিশেষ অধিৱেশন আৰু সেই বছৰৰে ডিচেম্বৰ মাহত অনুষ্ঠিত নাগপুৰ অধিৱেশনত অংশগ্ৰহণ কৰিছিল। সেই ছাত্ৰসকলৰ মাজৰে প্ৰফুল্লচন্দ্ৰ বৰুৱা, লক্ষ্মীধৰ শৰ্মা, বিদ্যাধৰ শৰ্মা, উমেশচন্দ্ৰ দাস আদিয়ে অধিৱেশনত যোগদান কৰি অসমলৈ উভতি আহি কলেজ বৰ্জনৰ আন্দোলনৰ সূচনা কৰে। প্ৰথম অৱস্থাত গৰিষ্ঠসংখ্যক ছাত্ৰই কলেজ বৰ্জনৰ কাৰ্যসূচীৰ প্ৰতি বিশেষ সঁহাৰি জনোৱা নাছিল যদিও কলিকতাত শিক্ষাগ্ৰহণ কৰি থকা একাংশ অসমীয়া ছাত্ৰক অসহযোগ আন্দোলনৰ ঢৌৱে প্ৰভাৱান্বিত কৰাত তেওঁলোকে কলেজ বৰ্জন কৰি অসমলৈ উভতি আহে। এই ঘটনাৰ প্ৰভাৱত গুৱাহাটীৰ কটন কলেজৰ একাংশ ছাত্ৰয়ো কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত চামিল হয়। এই সমগ্ৰ ৰাজনৈতিক তৎপৰতাৰ অন্যতম সংগঠক আছিল কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা যিয়ে অসমত কংগ্ৰেছ সংগঠনৰ ক্ষেত্ৰ প্ৰস্তুত কৰাৰ বিষয়তো ঐতিহাসিক ভূমিকা পালন কৰিছিল। চন্দ্ৰনাথ শৰ্মাই কটন কলেজৰ ছাত্ৰাবাসৰ আবাসিকসকলক লৈ অনুষ্ঠিত কৰা এখন সভাত (১৯২১ চনৰ ২ জানুৱাৰিত পতা) ছাত্ৰসকলক অসহযোগ আন্দোলনত যোগদান কৰিবলৈ আহ্বান জনাই ভাষণ দিছিল। উল্লেখযোগ্য যে প্ৰবীণ নেতাসকলে, বিশেষকৈ তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা আদিয়ে কলেজ বৰ্জন কৰি আন্দোলনত যোগদান কৰাৰ ক্ষেত্ৰত ছাত্ৰসকলক



বিভিন্ন উপায়ে নিৰুৎসাহ কৰিছিল। বিশেষকৈ নবীনচন্দ্ৰ বৰদলৈয়ে কলেজ-বৰ্জনৰ ভয়াৱহ পৰিণতিৰ বুজনি দি ছাত্ৰসকলক নিৰস্ত কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু চন্দ্ৰনাথ শৰ্মাৰ উদ্যোগ আৰু সাংগঠনিক দক্ষতাৰ পৰিণতিত একাংশ ছাত্ৰই কলেজ-বৰ্জন কৰি আন্দোলনত অংশগ্ৰহণ কৰিছিল। দেখা যায় যে অসহযোগ আন্দোলনৰ আৰম্ভণিৰ কালছোৱাত অসমৰ প্ৰবীণ নেতাসকলে এক দোদুল্যমান স্থিতি গ্ৰহণ কৰাৰ বিপৰীতে ছাত্ৰসমাজেহে এই আন্দোলনৰ সৈতে চামিল হ'বলৈ সংগ্ৰামী পদক্ষেপ আগবঢ়াইছিল।[১৩] ৰমেশচন্দ্ৰ কলিতাই উল্লেখ কৰিছে "... অসমত ছাত্ৰসকলে আন্দোলন আৰম্ভ কৰাৰ পিচতহে নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, কুলধৰ চলিহা আদি নেতাসকলে আন্দোলনত অংশগ্ৰহণ কৰিছিল।"[১৪]

অসহযোগ আন্দোলনে অসমত উল্লেখযোগ্য ৰাজনৈতিক জাগৰণ আনিবলৈ সক্ষম নহ'লেও এই আন্দোলনৰ এক বিশেষ কৃতিত্ব এয়ে যে ই অসমত মাদকদ্ৰব্য নিবাৰণৰ আন্দোলনক (temperance movementক) এক উল্লেখনীয় সফলতা অৰ্জন কৰাত অৰিহণা যোগাইছিল। ছাত্ৰসকলৰ প্ৰচাৰ, পিকেটিং আদিৰ ফলত কানিকে ধৰি বিভিন্ন মাদকদ্ৰব্যৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে কমিছিল। এই আন্দোলনৰ ফলত কানিৰ ব্যৱহাৰ পঞ্চাছ শতাংশ হ্ৰাস পাইছিল।[১৫]

উল্লেখযোগ্য যে অসহযোগ আন্দোলনৰ ভৰপকৰ সময়তে, ১৯২১ চনৰ এপ্ৰিল মাহত, অসম ছাত্ৰ সন্মিলনৰ ষষ্ঠ বাৰ্ষিক অধিৱেশন গুৱাহাটীত অনুষ্ঠিত হৈছিল। অধিৱেশনখনিৰ গতিবিধিলৈ লক্ষ্য কৰিলে, সেই সময়ত সমগ্ৰ দেশতে অসহযোগ আন্দোলনৰ ফলত সৃষ্টি হোৱা ৰাজনৈতিক বাতাৱৰণৰ প্ৰভাৱ অসম ছাত্ৰ সন্মিলনীৰ মজিয়াত অনুভূত হৈছিল বুলি উমান পোৱা নাযায়। এই অধিৱেশনত সভাপতিত্ব কৰা কটন মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক আৰ আৰ টমাছে ছাত্ৰসকলক ৰাজনীতিৰপৰা আঁতৰত থাকি শিক্ষাৰ দিশত মনোনিৱেশ কৰিবলৈ আহ্বান জনাইছিল। সম্পাদকীয় প্ৰতিৱেদনতো ৰাজনীতি-বিষয়ক প্ৰসঙ্গৰ কোনো উল্লেখ নাছিল।[১৬] অৱশ্যে সংগঠন হিচাপে অসম ছাত্ৰ সন্মিলনে অসহযোগ আন্দোলনত চামিল নহ'লেও এই সংগঠনৰ একাংশ নেতৃবৃন্দৰ লগতে ছাত্ৰসমাজৰ এটা লেখত ল'বলগীয়া অংশই অসমত এই আন্দোলনত অংশগ্ৰহণ কৰি সাম্ৰাজ্যবাদ-বিৰোধী গণসংগ্ৰামৰ পাতনি মেলিছিল। প্ৰবীণচাম নেতাই ছাত্ৰসমাজৰ অংশগ্ৰহণৰ পাছতহে এখোজ-দুখোজকৈ আহি এই আন্দোলনৰ অংশীদাৰ হৈছিল।[১৭]

অসহযোগ আন্দোলনৰ পৰৱৰ্তী কালছোৱাত অসমত জাতীয় কংগ্ৰেছৰ সাংগঠনিক শক্তিবৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল অসহযোগ আন্দোলনত কলেজ বৰ্জন কৰি আন্দোলনত জঁপিয়াই পৰা যুৱ-ছাত্ৰসকলেই। আনকি চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত ছাত্ৰসকলে অসমৰ ইমূৰৰপৰা সিমূৰলৈকে সভা-সমিতি পাতি স্বাধীনতা-আন্দোলনৰ বাণী প্ৰচাৰ কৰাৰ লগতে কংগ্ৰেছৰ সাংগঠনিক ভেটি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।[১৮]

চৌৰীচৌৰাৰ ঘটনাৰ পাছত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন স্থগিত

ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে ১৯২২ চনত। ইয়াৰ পাছত ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছ অধিৱেশনলৈকে বিস্তৃত কালছোৱাত জাতীয় কংগ্ৰেছৰ তৰফৰপৰা সক্ৰিয় ৰাজনৈতিক কৰ্মসূচী ঘোষিত নোহোৱাত আৰু কংগ্ৰেছৰ ভিতৰত মতানৈক্যই গা কৰি উঠাত যুৱশক্তিৰ মাজত বিকল্প ৰাজনৈতিক পথ আৰু কৰ্মসূচীৰ সন্ধান আৰম্ভ হয়। এই সময়ছোৱাতেই সমাজবাদী বাওঁপন্থী আদৰ্শয়ো একাংশ স্বাধীনতাপ্ৰেমী যুৱকক আকৃষ্ট কৰে। ফলত জাতীয় কংগ্ৰেছৰ আওতাৰ বাহিৰত স্বাধীনতা সংগ্ৰাম আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে নতুন নতুন সংগঠনৰ জন্ম হৈছিল। ইয়াৰ ভিতৰত লেখত ল'বলগীয়া হ'ল ভগৎ সিং, চন্দ্ৰশেখৰ আজাদ আদিৰ নেতৃত্বত জন্মলাভ কৰা Hindustan Socialist Republican Association। এই সংগঠনে সমাজবাদী মতাদৰ্শ আৰু বিপ্লৱী ৰাজনীতিৰ আধাৰত দেশৰ মুক্তিৰ বাবে সংগ্ৰাম চলায়। তেওঁলোকে গান্ধীৰ অহিংস নীতিক পৰিত্যাগ কৰি হিংসাত্মক ৰাজনৈতিক কাৰ্যসূচীও গ্ৰহণ কৰিছিল। অসমতো এই সময়ছোৱাত ছাত্ৰসমাজৰ মাজত ৰাজনৈতিক চেতনাৰ ক্ষিপ্ৰ বিকাশ ঘটিছিল আৰু স্থানীয় ৰূপৰ ছাত্ৰ-যুৱ-সংগঠন গঠনৰ মাজেৰে যুৱ-ছাত্ৰসমাজ ৰাজনৈতিক কাৰ্যপলাপত জড়িত হৈ পৰিছিল। ১৯২৯ চনত গোলাঘাটত স্থাপন হোৱা সদৌ অসম যুৱক সংঘ, ১৯৩০-৩৫ৰ ভিতৰত গঠিত ৰঙিয়া নলবাৰী গাঁৱলীয়া ছাত্ৰ সন্মিলন তথা সমসাময়িকভাৱে জন্মলাভ কৰা কামৰূপ যুৱক সংঘ, পুঠিমাৰী কেন্দ্ৰীয় ছাত্ৰ সন্মিলন, তৰুণ সংঘ আদি যুৱ-ছাত্ৰসমাজৰ এনে সাংগঠনিক তৎপৰতাৰ উদাহৰণ।[১৯]

স্বাধীনতা আন্দোলনত যুৱ-ছাত্ৰসকলৰ এনে সক্ৰিয় অংশগ্ৰহণে শাসকসকলকো বিপাঙত পেলাইছিল। ব্ৰিটিছ চৰকাৰে অনুধাৱন কৰিবলৈ সক্ষম হৈছিল যে অসমত সাম্ৰাজ্যবাদবিৰোধী আন্দোলনৰ চালিকাশক্তি হিচাপে ছাত্ৰ-যুৱকসকলেই মূল ভূমিকা পালন কৰিছে। ছাত্ৰসকলক আন্দোলনত অংশগ্ৰহণৰপৰা নিৰস্ত কৰিবলৈ ১৯৩০ চনত অসমৰ শিক্ষাধিকৰ্তা জে আৰ কানিংহামে জাৰি কৰা কুখ্যাত কানিংহাম চাৰ্কুলাৰৰপৰাই এই সত্য প্ৰতীয়মান হয়। উল্লেখযোগ্য যে ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ পূৰ্ণ স্বৰাজৰ দাবী উত্থাপন আৰু ইয়াৰ পিছতেই গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা আইন অমান্য আন্দোলনে ভাৰতজুৰি প্ৰবল ৰাজনৈতিক সংগ্ৰামৰ সূচনা কৰিছিল। ব্ৰিটিছ চৰকাৰে প্ৰথমতে জাতীয় কংগ্ৰেছৰ সভাপতি জৱাহৰলাল নেহৰুক আৰু পাছত মহাত্মা গান্ধীক কাৰাগাৰলৈ নিক্ষেপ কৰি আন্দোলন প্ৰশমিত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সংগ্ৰামী ৰাইজে দুগুণ উৎসাহে আন্দোলন চলাই নিছিল। অসমত ছাত্ৰ-যুৱকসকলে গান্ধীৰ গ্ৰেপ্তাৰৰ বিৰোধিতাৰে প্ৰবল আন্দোলনৰ সূচনা কৰিব বুলি আশংকা কৰিয়েই কানিংহাম চাৰ্কুলাৰ জাৰি কৰিছিল। কিন্তু ইয়াৰ ফল হৈছিল বিপৰীত। কানিংহাম চাৰ্কুলাৰে ছাত্ৰসকলক আইন অমান্য আন্দোলনত জঁপিয়াই পৰিবলৈ পৰোক্ষভাৱে প্ৰৰোচিত কৰিছিল। ১৯৩০ চনৰ জুলাই মাহত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বিশেষ অধিৱেশনতো কানিংহাম চাৰ্কুলাৰৰ বিৰোধিতা তথা স্বাধীনতা সংগ্ৰামত ছাত্ৰসকলৰ



অংশগ্ৰহণৰ সিদ্ধান্তৰে প্ৰস্তাৱ লোৱা হয়। অসম ছাত্ৰ সন্মিলনে অৰাজনৈতিক সংগঠনৰ চৰিত্ৰ পৰিহাৰ কৰি ৰাজনৈতিক কাৰ্যকলাপত জড়িত হোৱাৰ বাট মোকোলাই দিছিল কুখ্যাত কানিংহাম চাৰ্কুলাৰে।[২০]

আন্তৰ্জাতিক পৰিস্থিতিত দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰচ্ছায়া ঘনীভূত হ'বলৈ ধৰাৰ লগতে জাৰ্মানি আৰু ইটালিত ফেচিবাদী শক্তিৰ উত্থানে ভাৰতৰ সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামতো প্ৰভাৱ পেলাইছিল। জাতীয় কংগ্ৰেছৰ হোঁহকা পিচলা নীতিৰ পৰিপ্ৰেক্ষিতত বামপন্থী দলসমূহে সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰাম অব্যাহত ৰখাৰ চেষ্টা চলায়। ছাত্ৰসমাজৰ মাজতো বাওঁপন্থী ৰাজনৈতিক মতাদৰ্শৰ প্ৰসাৰ বৃদ্ধি হ'বলৈ ধৰা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে সেইকালৰ ভাৰতৰ ছাত্ৰসকলৰ প্ৰভাৱশালী সংগঠন ভাৰতীয় ছাত্ৰ ফেডাৰেচন ১৯৪০ চনত দুটা শিবিৰত বিভক্ত হয়। এটা ধাৰাই জাতীয়তাবাদী মতাদৰ্শৰ পক্ষ গ্ৰহণ কৰে আৰু আনটো শিবিৰে কমিউনিষ্ট মতাদৰ্শত চামিল হয়। অসম ছাত্ৰ সন্মিলনে কমিউনিষ্ট প্ৰভাৱান্বিত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অন্তৰ্ভুক্ত হয় আৰু তেতিয়াৰপৰা ই অসম ছাত্ৰ ফেডাৰেচন নামেৰে জনাজাত হয়।[২১]

এই কালছোৱাতেই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত যুৱ-ছাত্ৰসমাজৰ মাজত বৈপ্লৱিক আৰু হিংসাত্মক সংগ্ৰামৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। বিশেষকৈ প্ৰৱীণচাম নেতাৰ সংগ্ৰামৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী পথগ্ৰহণে যুৱচামৰ ধৈৰ্যচ্যুতি ঘটাইছিল। ড° শীলা বৰাই লিখিছে: "What made the Government most apprehensive was the danger involved in the youthful members of these organizations being important of waiting for the distant objectives of their leaders to take shape and being saturated with violent beliefs."[২২] যুৱ-ছাত্ৰসমাজৰ মাজত গোপন সশস্ত্ৰ কাৰ্যকলাপৰ অনুশীলন আৰু এনে অনুশীলনৰ বাবে স্বেচ্ছাসেৱক বাহিনী, মৃত্যু-বাহিনী, যুগান্তৰ সংঘ আদি সংগঠিত হ'বলৈ ধৰে। অসমতো শঙ্কৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আদিয়ে বৈপ্লৱিক আন্দোলনৰ গুৰি ধৰিবলৈ আগবাঢ়ি আহে।

জাৰ্মানিৰদ্বাৰা চোভিয়েট ৰাছিয়া আক্ৰমণে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰাম আৰু দ্বিতীয় বিশ্বযুদ্ধ সম্পৰ্কে স্থিতিৰ পৰিৱৰ্তন ঘটায়, যাৰ ফলত কমিউনিষ্ট দলে ফেচিবাদৰ বিৰুদ্ধে বিশ্বজোৰা সংগ্ৰামৰ স্বাৰ্থত ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলি থকা সংগ্ৰাম সাময়িকভাৱে স্তিমিত কৰে। আনহাতে, জাতীয় কংগ্ৰেছেও পূৰ্বৰ স্থিতি সলনি কৰি ১৯৪২ চনৰ প্ৰখ্যাত ভাৰতত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰি ব্ৰিটিছ-শাসনৰ বিৰুদ্ধে মৰণপণ সংগ্ৰামৰ আহ্বান দিয়ে। নিষ্ক্ৰিয়তাৰ বাবে অসম ছাত্ৰ ফেডাৰেচনৰ ভেটি দুৰ্বল হ'বলৈ ধৰে। আনহাতে জাতীয় কংগ্ৰেছে ছাত্ৰসমাজক সংগঠিত কৰিবলৈ সদৌ ভাৰত ছাত্ৰ কংগ্ৰেছ নামৰ এটি সংগঠন গঢ়ি তোলাৰ প্ৰস্তুতি চলায়। অসমতো উদ্বেলিত ছাত্ৰসমাজক জাতীয়তাবাদী সংগ্ৰামত সংগঠিত কৰিবলৈ ১৯৪৪ চনৰ নৱেম্বৰ মাহত গুৱাহাটীত

এখন অধিৱেশন অনুষ্ঠিত হয়, য'ত সদৌ অসম ছাত্ৰ সন্থা নামৰ এটি নতুন ছাত্ৰ সংগঠনে আত্মপ্ৰকাশ কৰে। পৰৱৰ্তী সময়ত ই সদৌ ভাৰত ছাত্ৰ কংগ্ৰেছৰ সৈতে চামিল হয় আৰু ১৯৪৬ চনত ইয়াৰ নামটো অসম প্ৰাদেশিক ছাত্ৰ সংস্থালৈ সলনি কৰা হয়। এই সময়ছোৱাত সংগঠনটোৱে সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামত ছাত্ৰসমাজক সংগঠিত কৰাত বিশেষ ভূমিকা পালন কৰিছিল।[২৩]

উল্লেখযোগ্য যে অসম ছাত্ৰ ফেডাৰেচনৰ মাধ্যমেৰে বাওঁপন্থী ধাৰাত ছাত্ৰসমাজক সংগঠিত কৰাৰ প্ৰচেষ্টাত যতি পৰা নাছিল। ১৯৪৫ চনৰ পৰৱৰ্তী সময়ছোৱাত অসম ছাত্ৰ ফেডাৰেচনে পুনৰ ইয়াৰ কাৰ্যকলাপ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছিল আৰু ১৯৪৭ চন পৰ্যন্ত ই অসমৰ ছাত্ৰসমাজৰ মাজত এটি লেখত ল'বলগীয়া সংগঠনৰূপে স্বীকৃত হৈ আছিল। অন্য সক্ৰিয় ছাত্ৰ-সংগঠনৰ সমান্তৰালভাৱে অসম ছাত্ৰ ফেডাৰেচনেও নৌসেনা বিদ্ৰোহ, ৰেল-শ্ৰমিকৰ ধৰ্মঘট, ডাক-তাঁৰ শ্ৰমিকৰ ধৰ্মঘট, আজাদ হিন্দ ফৌজৰ যুদ্ধবন্দীৰ নিঃচৰ্ত মুক্তিৰ দাবী তথা কেবিনেট মিছন আৰু গ্ৰুপিং ব্যৱস্থাৰ বিৰুদ্ধে নিজাববীয়াকৈ সংগ্ৰাম গঢ়ি তুলিছিল।[২৪]

উল্লেখযোগ্য যে সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামৰ কৰ্মসূচীৰ উপৰি অসমৰ ছাত্ৰসমাজে অসমৰ সামাজিক আৰু শৈক্ষিক অগ্ৰগতিৰ বাবেও চেষ্টা চলাইছিল। ইয়াৰ এক গুৰুত্বপূৰ্ণ উদাহৰণ হৈছে অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে গঢ়ি তোলা আন্দোলনত ছাত্ৰসমাজে গ্ৰহণ কৰা ভূমিকা। ড° শীলা বৰাই এই সম্পৰ্কে বিস্তাৰিত আলোচনা তেওঁৰ *Student Revolution in Assam* গ্ৰন্থত কৰিছে। তেওঁ লিখিছে: "The students of Assam had done a yeomen's service to the province by rousing and inspiring the whole of Assamese community about the urgency of the University in Assam".[২৫]

অসমত সাম্ৰাজ্যবাদবিৰোধী আন্দোলনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল এই আন্দোলনত শিক্ষানুষ্ঠান হিচাপে কটন কলেজৰ ভূমিকা। অসমত অসহযোগ আন্দোলনৰপৰা ১৯৪২ চনৰ "ভাৰতত্যাগ" আন্দোলনলৈকে প্ৰতিটো সংগ্ৰামৰ আগশাৰীত আছিল কটন কলেজৰ একাংশ অগ্ৰণী ছাত্ৰ। আনকি অসমত অসহযোগ আন্দোলনৰ সূত্ৰপাত ঘটোৱাৰ ক্ষেত্ৰতো কটন কলেজৰ সচেতন আৰু আগৰণুৱা ছাত্ৰসকলৰ বৰঙণি আছিল উল্লেখনীয়। আনহাতে অন্য প্ৰগতিশীল ধাৰাৰ ছাত্ৰ-আন্দোলন, ৰাজনৈতিক চিন্তাচৰ্চা তথা বিতৰ্কৰ ক্ষেত্ৰতো কটন কলেজৰ ছাত্ৰসমাজে আগৰণুৱা ভূমিকা পালন কৰিছিল।

১৯৪৭ চনত অসমত ব্ৰিটিছ ঔপনিবেশিক শাসনৰ অৱসান ঘটাৰ লগে লগে সমগ্ৰ ভাৰতবাসীৰ লগতে ছাত্ৰ সমাজৰো এক গৌৰৱোজ্জ্বল সংগ্ৰামী অধ্যায়ৰ পৰিসমাপ্তি ঘটে। অসমৰ ছাত্ৰসমাজে বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ অনুগামী হিচাপে এই সংগ্ৰামক সন্মুখ শাৰীৰপৰা নেতৃত্ব প্ৰদান কৰি অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হয়।



### ১৯৪৭ৰ পৰৱৰ্তী সময়ত অসমত ছাত্ৰ-যুৱ আন্দোলনৰ ৰূপৰেখা

ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যবাদী শাসনৰ অৱসান আৰু ১৯৫২ চনত স্বাধীন ভাৰতৰ সংবিধানৰ আধাৰত প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচন আৰু ইয়াৰ পৰৱৰ্তী দুটা দশককাল ভাৰতীয় ৰাজনীতিত কংগ্ৰেছ দল (অবিভক্ত)ৰ একচ্ছত্ৰী আধিপত্য সাব্যস্ত হৈছিল। এই সময়ছোৱাত কেন্দ্ৰ আৰু প্ৰায়বোৰ ৰাজ্যত শাসনৰ বাঘজৰী নিয়ন্ত্ৰণ কৰিছিল কংগ্ৰেছ দলে। ৰাজনৈতিকভাৱে কংগ্ৰেছ দলক প্ৰত্যাহ্বান জনাব পৰা অন্য কোনো ৰাজনৈতিক দল নাছিল বুলিলেও হয়। কিছু অঞ্চলত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

ব্ৰিটিছ সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামৰ কালছোৱাত জন্মলাভ কৰা প্ৰায়বোৰ ছাত্ৰ-সংগঠনেই ১৯৪৭ চনৰ পাছৰ বছৰবোৰত লাহে লাহে নিস্তেজ হৈ পৰিছিল। সৰ্বভাৰতীয় স্তৰত ছাত্ৰ কংগ্ৰেছক প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ পৰামৰ্শমতেই হেনো ১৯৪৮ চনত ভঙ্গ কৰি দিয়া হৈছিল।[২৬] অসমতো স্বাধীনতা সংগ্ৰামৰ কালছোৱাত তৎপৰ হৈ থকা ছাত্ৰ-সংগঠনসমূহৰ কামকাজ প্ৰায় নিস্তেজ হৈ পৰিছিল। সেই সময়ছোৱাত মূলতঃ ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অধীনত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনে (AISFএ) সীমিত স্তৰত কাৰ্যকলাপ অব্যাহত ৰাখিছিল। অসমত দুলাল খাউণ্ড, দেৱপ্ৰসাদ বৰুৱা, অৰুনী বৰঠাকুৰ আদিৰ নেতৃত্বত AISFএ ছাত্ৰসমাজৰ বিভিন্ন সমস্যাৰ উপৰি বৃহত্তৰ সমাজৰ সমস্যাক লৈ আন্দোলন তথা সংগ্ৰাম চলাই গৈছিল। ১৯৫০ চনত কটন কলেজত মাচুল বৃদ্ধিৰ বিৰুদ্ধে দুলাল খাউণ্ড, মহেন্দ্ৰ বৰা আদিৰ নেতৃত্বত ছাত্ৰসকলে ধৰ্মঘট কৰিছিল। ১৯৪৮ চনৰপৰা ১৯৫২ চনলৈকে হোৱা আধিয়াৰ আন্দোলনতো বাওঁপন্থী মতাদৰ্শৰে অনুপ্ৰাণিত ছাত্ৰসকলে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ১৯৫৪ চনত AISFৰ অসম প্ৰাদেশিক কমিটিৰ গুৱাহাটীত অনুষ্ঠিত বাৰ্ষিক অধিৱেশনত প্ৰায় ৩০০ মান ছাত্ৰ-প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল।[২৭]

ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সমান্তৰালভাৱে অসমৰ কিছু অঞ্চলত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ কাৰ্যাকলাপো আছিল সেই কালছোৱাত লেখত ল'বলগীয়া। ১৯৬০ৰ দশকৰ শেষৰ ফালে আৰু ১৯৭০ৰ দশকৰ আগভাগত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ উদ্যোগত গঠিত ছাত্ৰ পৰিষদ আৰু ন-জোৱান সংঘ নামৰ ছাত্ৰ আৰু যুৱক সংগঠনে আত্মপ্ৰকাশ কৰিছিল।[২৮]

১৯৫৬ চনত অসমত তেল-শোধনাগাৰ প্ৰতিষ্ঠাৰ দাবীত এক তীব্ৰ গণ-আন্দোলনৰ সূচনা হৈছিল। উক্ত আন্দোলনত ছাত্ৰছাত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৫৬ চনৰ ১ আগষ্ট তাৰিখে গুৱাহাটীৰ শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰসংগঠনসমূহৰ এখন প্ৰতিনিধিত্বমূলক সভাত অসমত তেল-শোধনাগাৰ প্ৰতিষ্ঠাৰ বাবে এক শক্তিশালী আন্দোলন গঢ়ি তুলিবলৈ সিদ্ধান্ত লোৱা হয়। পিছদিনা গুৱাহাটীৰ নবীন বৰদলৈ হলত ৮০০জন ছাত্ৰৰ উপস্থিতিত এক সভা অনুষ্ঠিত হয়। উক্ত সভাত প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টিৰ নেতা হৰেশ্বৰ গোস্বামীয়ে

উদ্দীপনামূলক বক্তব্যৰে ছাত্ৰসকলক আন্দোলনৰ বাবে অনুপ্ৰাণিত কৰিছিল। সভাত আন্দোলন পৰিচালনাৰ বাবে সমিতি গঠন কৰি ১৯৫৬ চনৰ ১১ আগষ্ট তাৰিখে All Assam Students' Protest Day পালনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। পৰৱৰ্তী সময়ত এই আন্দোলনে সমগ্ৰ ৰাজ্যখনতেই তীব্ৰ ৰূপ ধাৰণ কৰিছিল। অসমৰ ছাত্ৰসমাজ তথা বৃহত্তৰ জনসাধাৰণৰ ব্যাপক সঁহাৰি অৰ্জন কৰা এই আন্দোলনৰ ফলত ১৯৬২ চনত গুৱাহাটীত প্ৰথমটো তেল-শোধনাগাৰ স্থাপন হয়।[২৯]

১৯৬৬-৬৭ চনত অসমৰ ছাত্ৰসমাজৰ ব্যাপক অংশগ্ৰহণেৰে পৰিচালিত খাদ্য-আন্দোলন আছিল এক লেখত ল'বলগীয়া ঘটনা। একাংশ দুৰ্নীতিপৰায়ণ চৰকাৰী বিষয়া আৰু অসাধু ব্যৱসায়ীৰ দৌৰাত্ম্যত বয়বস্তুৰ ব্যাপক মূল্যবৃদ্ধি, চোৰাংবজাৰ আৰু অন্যায় মজুতকৰণৰ পৰিণতিত খাদ্যদ্ৰব্যৰ এক সঙ্কটে বিভিন্ন জিলাত মাৰাত্মক ৰূপ ধাৰণ কৰিছিল। ১৯৬৭ চনৰ ২৭ মে'ৰপৰা ২ জুনলৈকে গুৱাহাটীতে অনুষ্ঠিত এক অভিবৰ্তনত ভাৰতৰ কমিউনিষ্ট পাৰ্টি, বিপ্লৱী কমিউনিষ্ট পাৰ্টি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী), প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি আদি সংগঠনৰ উপৰি বিভিন্ন ট্ৰেড ইউনিয়ন, যুৱক সংগঠন আদিৰ প্ৰতিনিধিসকলে এক ৰাজ্যজোৰা খাদ্য-আন্দোলন গঢ়াৰ উদ্দেশ্যে সংযুক্ত আন্দোলন পৰিষদ নামেৰে এটি সমিতি গঠন কৰিছিল। যোৰহাটতো নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ যুটীয়া আহ্বানত অনুষ্ঠিত এখন সভাই চৰকাৰৰ খাদ্যনীতিৰ কঠোৰ সমালোচনা কৰিছিল। সভাখন অধ্যাপক নিত্যা ভট্টাচাৰ্যৰ সভাপতিত্বত যোৰহাটৰ বিষ্ণুৰাম বৰুৱা হলত অনুষ্ঠিত হৈছিল ১০ জুন ১৯৬৭ চনত।[৩০]

সমগ্ৰ অসমত খাদ্য-আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। ৬ আগষ্ট তাৰিখে শিলঙত ছাত্ৰসকলে উলিওৱা এটি শোভাযাত্ৰাত পুলিছে গুলীবৰ্ষণ কৰাত শঙ্কৰ পুৰকায়স্থ নামৰ ছাত্ৰ এজনৰ মৃত্যু হৈছিল। এই ঘটনাই আন্দোলনৰ মাত্ৰা বৃদ্ধিত অৰিহণা যোগাইছিল। গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট, নগাঁও আদিত আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰিছিল। নগাঁৱত সুৰেন ভূঞা, ৰাজেন শইকীয়া, কিৰণ মহন্ত, চাকিৰাম বৰাকে আদি ধৰি কেবাজনো ছাত্ৰনেতাই ৩ নৱেম্বৰ তাৰিখৰপৰা আমৰণ অনশনত বহিছিল। অনশনকাৰী ছাত্ৰনেতাসকলৰ সমৰ্থনত ছাত্ৰসকলে শোভাযাত্ৰা কৰি উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত পিকেটিং কৰাত প্ৰশাসনে তীব্ৰ দমনমূলক নীতি প্ৰয়োগ কৰি সমগ্ৰ চহৰখনতেই উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কাৰ্ফিউ জাৰি কৰিবলগীয়া হৈছিল। উপায়ুক্তৰ লিখিত প্ৰতিশ্ৰুতিৰ পিছতহে ছাত্ৰনেতাসকলে অনশন প্ৰত্যাহাৰ কৰিছিল।[৩১]

অসমত দ্বিতীয়টো তেল শোধনাগাৰৰ বাবে চলা আন্দোলনতো ছাত্ৰসমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। All Assam Oil Refinery Sangram Parishad নামৰ সমিতিৰ নেতৃত্বত চলা আন্দোলনটোৰ আহ্বায়ক আছিল প্ৰমোদ গগৈ, বিশ্ব গোস্বামী আৰু বি এল হাসাৰিয়া। আন্দোলনটোত কটন কলেজকে ধৰি গুৱাহাটীৰ



শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰছাত্ৰীসকলৰ বিশেষ অৱদান আছিল। ১৯৭০ চনৰ ৪ ছেপ্টেম্বৰ তাৰিখে অসমত দ্বিতীয়টো তেল শোধনাগাৰ প্ৰতিষ্ঠাৰ দাবীত অসম বন্ধ পালন কৰা হৈছিল। ৩ অক্টোবৰ তাৰিখে গুৱাহাটীত ছাত্ৰসকলে তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক শোধনাগাৰৰ দাবীত এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। কটন কলেজত আয়োজিত শ্ৰীমতী গান্ধীক সম্বৰ্ধনা জনাবলৈ আয়োজন কৰা এখন সভাত এই প্ৰসঙ্গক লৈ এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল।[৩২]

১৯৬০ আৰু ১৯৭০ৰ দশকত অসমত দুটা লেখত ল'বলগীয়া ছাত্ৰ-আন্দোলন সংঘটিত হৈছিল। ষাঠিৰ দশকৰ আৰম্ভণিত ৰাজ্যভাষা আন্দোলন আৰু সত্তৰৰ দশকৰ আৰম্ভণিত বিশ্ববিদ্যালয়ৰ মাধ্যম আন্দোলন। ১৯৬০ চনৰ ২২ এপ্ৰিল তাৰিখে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অসমত অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে স্বীকৃতি দিব লাগে বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰে আৰু সেই বছৰতে ১০ অক্টোবৰ তাৰিখে ৰাজ্যিক বিধানসভাত অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ মৰ্যাদা প্ৰদান কৰি আইন প্ৰণয়ন হোৱাত ৰাজ্যজুৰি ভাষিক সংঘৰ্ষৰ সূত্ৰপাত হয়। একেদৰে ১৯৭০ৰ দশকতো অসমীয়া ভাষাক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যমৰূপে প্ৰচলন কৰাৰ প্ৰসঙ্গক লৈ পুনৰবাৰ ৰাজ্যজুৰি ভাষিক সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। এই দুয়োটা আন্দোলনতেই মূলত অসমীয়াভাষী ছাত্ৰছাত্ৰীসকলে সদৌ অসম ছাত্ৰ সন্থাৰ[৩৩] নেতৃত্বত সক্ৰিয় ভূমিকা পালন কৰিছিল। আনহাতে ৰাজ্যখনৰ বাংলাভাষী-প্ৰধান অঞ্চলসমূহত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। দুয়োটা আন্দোলনে এফালেদি অসমীয়া আৰু বাংলাভাষীসকলৰ মাজত ব্যৱধানৰ মাত্ৰা বৃদ্ধি কৰিছিল, আনহাতেদি বিভিন্ন জনজাতীয় গোষ্ঠীৰ মাজত ভাষিক আৰু সাংস্কৃতিক চেতনাৰ উন্মেষ ঘটোৱাত বিশেষ ভূমিকা পালন কৰিছিল। উল্লেখযোগ্য যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ২২ এপ্ৰিলত গ্ৰহণ কৰা প্ৰস্তাৱটোৰ বিৰুদ্ধে ২৮ এপ্ৰিল ১৯৬০ তাৰিখে উত্তৰ-পূব ভাৰতৰ পাৰ্বত্য জিলাসমূহৰ ৰাজনৈতিক নেতৃবৃন্দই গাৰোপাহাৰ জিলাৰ তুৰাত মিলিত হৈ All Party Hill Leaders' Conference নামৰ এটি সুকীয়া ৰাজনৈতিক দলৰ জন্ম দিছিল।[৩৪]

অসমীয়া ভাষাক কেন্দ্ৰ কৰি গঢ় লোৱা অসমীয়া জাতীয়তাবাদী চেতনা আৰু এই চেতনাৰে সৈতে অসমীয়া শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৰ অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত সামাজিক আধিপত্য প্ৰতিষ্ঠাৰ তথা ৰক্ষণাবেক্ষণৰ নিবিড় সম্পৰ্ক আছে। সেয়েহে ১৯৬০ আৰু ১৯৭০ৰ দশকৰ ভাষিক আন্দোলনে সত্তৰ দশকৰ শেষৰ ফালে অসমীয়া জাতীয় অস্তিত্বৰ সঙ্কটৰ প্ৰশ্নত সৃষ্টি হোৱা সুদীৰ্ঘ অসম আন্দোলনৰ সামাজিক পৃষ্ঠভূমি প্ৰস্তুত কৰিছিল বুলিব পাৰি। ১৯৭৯ চনৰপৰা ১৯৮৫ চনলৈকে সুদীৰ্ঘ ছয় বছৰ জুৰি চলা এই আন্দোলনৰো মূল চালিকাশক্তি আছিল ছাত্ৰসমাজ। সদৌ অসম ছাত্ৰ সন্থা (AASU)ৰ[৩৫] নেতৃত্বত পৰিচালিত এই আন্দোলনটোৱে অসমৰ সামাজিক জীৱনত কেতবোৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। আন্দোলনটোৰ মতাদৰ্শগত, ৰাজনৈতিক তথা আৰ্থ-সামাজিক

পটভূমিক কেন্দ্ৰ কৰি ইতিমধ্যে কেবাখনো লেখত ল'বগীয়া গ্ৰন্থ ৰচিত হৈছে। ড° হীৰেন গোহাঁইৰ *On the Present Movement in Assam* আৰু *Assam: A Burning Question*, ড° মণিৰুল হুছেইনৰ *The Assam Movement*, ড° হীৰেন গোহাঁই আৰু ড° দিলীপ বৰা সম্পাদিত *অসম আন্দোলন: প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি* আৰু শেহতীয়াকৈ অখিল গগৈৰ *বিদেশী সমস্যা আৰু জাতীয় আন্দোলনৰ পথ* আদি গ্ৰন্থত আন্দোলনটোৰ বিভিন্ন দিশৰ বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

অসম আন্দোলনে অসমত আঞ্চলিকতাবাদী ৰাজনীতিৰ বীজ ৰোপণ কৰিবলৈ সক্ষম হৈছিল। আনহাতে এই আন্দোলনৰ পাছৰপৰাই অসমত বিভিন্ন জনগোষ্ঠীৰ স্বাধিকাৰ ৰক্ষাৰ আন্দোলনসমূহে মূৰ দাঙি উঠাৰ ফলত বৃহৎ অসমীয়া জাতি সম্পৰ্কীয় ধাৰণাটো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা দেখা গৈছে। সম্প্ৰতি অসমত প্ৰতিটো জনগোষ্ঠীয়ে নিজ নিজ ছাত্ৰসংগঠন তথা অন্যান্য সামাজিক-ৰাজনৈতিক সংগঠনৰ নেতৃত্বত স্বশাসন, পৃথক ৰাজ্য আদি বিভিন্ন ৰূপৰ ৰাজনৈতিক দাবীৰ ভিত্তিত আন্দোলনৰত হৈছে।

প্ৰাক্-স্বাধীনতা কালৰেপৰা অসমত সংঘটিত সকলো ৰাজনৈতিক কাৰ্যকলাপৰ অন্যতম চালিকাশক্তি হ'ল ছাত্ৰসমাজ। ই অসমৰ সামাজিক ইতিহাসৰ এটা উল্লেখযোগ্য দিশ। ছাত্ৰসমাজৰদ্বাৰা পৰিচালিত আন্দোলনসমূহক মূলতঃ দুটা ধাৰাত বিভক্ত কৰিব পাৰি: এটা জাতীয়তাবাদী দাবী তথা আশা-আকাঙ্ক্ষাৰ ভিত্তিত পৰিচালিত ধাৰা আৰু আনটো প্ৰগতিশীল তথা বামপন্থী মতাদৰ্শৰে পৰিচালিত কৃষক-শ্ৰমিক তথা বৃহত্তৰ সমাজৰ আৰ্থ-সামাজিক সমস্যাৱলীৰ সমাধানকল্পে গঢ়ি উঠা ছাত্ৰ-আন্দোলনৰ ধাৰা। অনস্বীকাৰ্য যে জাতীয়তাবাদী ধ্যানধাৰণাৰে পৰিচালিত ধাৰাটো নিকট অতীত কালত অসমৰ ছাত্ৰ আন্দোলনৰ ক্ষেত্ৰখনত শক্তিশালী ৰূপত অৱতীৰ্ণ হ'বলৈ সক্ষম হৈছিল। দুয়োটা ধাৰাৰ ছাত্ৰ আন্দোলনসমূহৰ তুলনামূলক তথা বিস্তৃত অধ্যয়ন আৰু গৱেষণাৰ বাবে এতিয়াও যথেষ্ট সুযোগ আছে। আশা কৰোঁ অনাগত দিনত এই বিষয়ক লৈ পুঙ্খানুপুঙ্খ গৱেষণা তথা অধ্যয়নৰ বাবে কোনো উদ্যমী গৱেষক আগবাঢ়ি আহিব। তেনে এক সম্ভাৱনা সৃষ্টি কৰিবলৈ সক্ষম হ'লে এই নিবন্ধৰ প্ৰকৃত উদ্দেশ্যই সাৰ্থকতা লাভ কৰিব।

### জনগোষ্ঠীগত ছাত্ৰ আন্দোলন[০৫]

অসম আন্দোলনৰ (১৯৭৯-১৯৮৫) পৰৱৰ্তী কালছোৱাত ৰাজ্যখনত বিভিন্ন জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অধিকাৰ প্ৰতিষ্ঠাৰ লক্ষ্যৰে এলানি জনগোষ্ঠীয় স্বাধিকাৰ আন্দোলনৰ আত্মপ্ৰকাশ ঘটে। এই সংগ্ৰামসমূহৰ মূল চালিকাশক্তিৰূপে বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-যুৱ সংগঠনসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিংশ শতাব্দীৰ শেষৰটো দশকত এনে জনগোষ্ঠীয় সংগ্ৰামসমূহে তীব্ৰ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হয় যদিও অসমত ব্ৰিটিছ শাসনৰ



সময়ৰপৰাই জনগোষ্ঠীসমূহৰ মাজত সামাজিক ৰাজনৈতিক চেতনাৰ উন্মেষ ঘটিছিল। ঔপনিৱেশিক শাসন কালত প্ৰৱৰ্তিত আধুনিক শিক্ষাৰ প্ৰভাৱত অসমৰ জনজাতীয় গোষ্ঠীসমূহৰ মাজৰপৰা এটা শিক্ষিত শ্ৰেণীৰ উত্থান ঘটিছিল। এই শিক্ষিত শ্ৰেণীটোৱেই জনগোষ্ঠীসমূহৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে উদ্যোগ গ্ৰহণ কৰিছিল।

উল্লেখযোগ্য যে, বিংশ শতাব্দীৰ অন্তিম দশকত তীব্ৰ ৰূপ ধাৰণ কৰা জনগোষ্ঠীয় স্বাধিকাৰ সংগ্ৰামসমূহৰ উৎপত্তিৰ কাৰণ জটিল আৰু বহুমাত্ৰিক। ইয়াৰ উৎপত্তি আৰু বিকাশৰ সৈতে অসমৰ সামগ্ৰিক সমাজব্যৱস্থাৰ ঔপনিৱেশিক কালত ঘটা বিৱৰ্তনৰ প্ৰক্ৰিয়াৰ ওতপ্ৰোত সম্পৰ্ক আছে। অসম ব্ৰিটিছ শাসনৰ অধীনস্থ হোৱাৰ লগে লগে স্বাভাৱিকভাৱেই ব্ৰিটিছ প্ৰৱৰ্তিত নতুন প্ৰাশাসনিক ব্যৱস্থাটোৰ পৰিচালনাৰ স্বাৰ্থত এটা শিক্ষিত শ্ৰেণীৰ প্ৰয়োজন ঘটিছিল। এই আধুনিক প্ৰশাসনিক ব্যৱস্থাটোৰ বিভিন্ন কাৰ্য সম্পাদনৰ বাবে লিখা-পঢ়া, জোখ-মাখ, গণনা আদি কাৰ্যত পাৰ্গত কৰ্মচাৰীৰ প্ৰয়োজন হৈছিল। ঔপনিৱেশিক শাসনৰ আদি পৰ্বত এনে বিদ্যাত পাৰ্গত বা শিক্ষিত কিছু মানুহ প্ৰতিৱেশী বঙ্গদেশৰপৰা আমদানি কৰি নিয়োগ কৰা হৈছিল। লাহে লাহে ব্ৰিটিছ প্ৰৱৰ্তিত ইংৰাজী শিক্ষাৰে শিক্ষিত এটা শ্ৰেণীৰ স্থানীয়ভাৱে বিকাশ ঘটে। অসমত বাস কৰা জনজাতীয় গোষ্ঠীসমূহৰ তুলনাত পৰম্পৰাগতভাৱে বুদ্ধিগত বিদ্যাৰ সৈতে অধিক পৰিচিত ব্ৰাহ্মণ কায়স্থ আদি উচ্চ বৰ্ণৰ অসমীয়াসকলে এই শিক্ষাব্যৱস্থাৰ সুযোগৰ সদ্ব্যৱহাৰ কৰি নতুন প্ৰশাসনিক ব্যৱস্থাৰ সা-সুবিধাৰ বাবে এই উদীয়মান শ্ৰেণীটোৰ প্ৰতিদ্বন্দ্বীৰূপে থিয় দিছিল বাহিৰৰপৰা অহা বাংলাভাষী শ্ৰেণীটো, যাৰ ফলত অসমীয়া শিক্ষিত মধ্যশ্ৰেণী আৰু বাংলাভাষী মধ্যশ্ৰেণীৰ মাজত বিদ্বেষৰ ভাব সৃষ্টি হৈছিল আৰু ঔপনিৱেশিক শাসকবৰ্গই এই বিদ্বেষক বৰ্ধিত ৰূপ দিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল।

আনহাতে, ঔপনিৱেশিক আমোলত অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনত কৃষি, উদ্যোগ আদিৰ বিশেষ প্ৰগতি সাধিত ন'হ'ল। ভূমি ৰাজহ (Land Revenue) সংগ্ৰহত আগ্ৰহী ঔপনিৱেশিক শাসনতন্ত্ৰই এই ক্ষেত্ৰসমূহৰ বিকাশৰ বাবে প্ৰয়োজনীয় উদ্যোগ গ্ৰহণত অনিচ্ছুক আছিল, যাৰ ফলত অসমীয়া শিক্ষিত মধ্যবিত্তৰ বাবে চৰকাৰী চাকৰিয়েই সংস্থাপনৰ একমাত্ৰ প্ৰশস্ত ক্ষেত্ৰৰূপে পৰিগণিত হৈছিল। ইয়াৰ পৰিসৰ সীমিত হোৱাৰ বাবে প্ৰতিযোগিতা বৃদ্ধি পাবলৈ ধৰিছিল। বাঙালী শিক্ষিত মধ্যশ্ৰেণীৰপৰা অহা প্ৰত্যাহ্বান আছিলেই। তেনেস্থলত জনজাতীয় জনগোষ্ঠীসমূহে শিক্ষা-দীক্ষাৰে আগবাঢ়ি আহি এই সীমিত ক্ষেত্ৰখনত ভাগীদাৰ হোৱাটো বাঞ্ছনীয় নাছিল। অৱধাৰিতভাৱে, বঞ্চনাৰ প্ৰক্ৰিয়া এটাৰো অনুপ্ৰৱেশ ঘটিছিল। তুলনামূলকভাৱে পিছপৰা, ভিতৰুৱা অঞ্চলত বাস কৰা জনজাতিসমূহৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটিছিল মন্থৰ গতিত। জনজাতিসমূহৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে শিক্ষিত অসমীয়া বৰ্ণহিন্দু শ্ৰেণীটোৰ তৰফৰপৰা

বিশেষ উদ্যোগ গ্ৰহণ কৰা দেখা নাযায়।

ঔপনিৱেশিক শাসনৰ ছত্ৰছায়াত গঢ় লৈ উঠা ব্যৱস্থাপক পৰিষদ, বিধান পৰিষদ, বিধান সভা আদিতো প্ৰতিনিধিত্বকে আদি কৰি সিংহভাগ সা-সুবিধা অসমীয়া শিক্ষিত বৰ্ণহিন্দু শ্ৰেণীটোৰ হাততেই কুক্ষিগত হৈছিল। ৰাজনৈতিক ক্ষমতাই অৰ্থনৈতিক স্বাৰ্থ আৰু সামাজিক প্ৰতিপত্তি প্ৰতিষ্ঠাৰ আহিলা হিচাপে ব্যৱহৃত হয়। ফলত আন আন জনগোষ্ঠীৰ উদীয়মান শিক্ষিত শ্ৰেণীয়ে আৰ্থ-সামাজিক বিকাশ আৰু ৰাজনৈতিক ক্ষমতাৰ প্ৰাপ্য ভাগৰপৰা বঞ্চিত হোৱাৰ অনুভৱ আৰু আশংকাত ভুগিবলৈ ধৰে। এনে পৰিস্থিতিতেই নিজ নিজ প্ৰাপ্য অধিকাৰ অৰ্জনৰ বাবে বিভিন্ন সামাজিক-ৰাজনৈতিক সংগঠন গঢ়ি উঠা দেখা যায়। কছাৰী সন্মিলন, মটক এছ'চিয়েচন, চুতীয়া সন্মিলন,কোচ-ৰাজবংশী সন্মিলন, ঘেটলাগপুৰী এছ'চিয়েচন, আহোম সভা আদি সংগঠনে আত্মপ্ৰকাশ কৰে। পৰৱৰ্তী সময়ত ইয়াৰে একাংশ সংগঠনৰ নেতৃবৃন্দই Assam Plains Tribal League গঠন কৰে। একেদৰে, পাহাৰীয়া জনজাতি তথা অন্যান্য পিছপৰা সম্প্ৰদায়ৰ নেতৃবৃন্দ মিলিত হৈ Assam Tribes and Races Federationৰ দৰে সংগঠন গঢ়ি তুলি তেওঁলোকৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক অধিকাৰৰ দাবীত সৰব হৈ উঠা দেখা যায়।

ঔপনিৱেশিক প্ৰশাসনে নিজৰ শাসনৰ সুৰক্ষাৰ স্বাৰ্থত এনেবোৰ দ্বন্দ্ব বিভাজনৰ বৃদ্ধিত সাৰপানী যোগাই গৈছিল। ব্ৰিটিছ শাসন প্ৰৱৰ্তনৰ প্ৰাৰম্ভিক সময়ৰেপৰা পাহাৰীয়া অঞ্চল তথা জনজাতি বসতিপ্ৰধান অঞ্চলসমূহত পৃথক প্ৰাশাসনিক ব্যৱস্থা প্ৰৱৰ্তন, পিছপৰা এলেকা (Backward Tracts) ব্যৱস্থা, বহিৰ্ভূত আৰু আংশিকভাৱে বহিৰ্ভূত এলেকা (Excluded and Partially Excluded Area) আদি ব্যৱস্থাৰ মাধ্যমেৰে পাহাৰ আৰু ভৈয়াম, জনজাতি আৰু অজনজাতি প্ৰধান অঞ্চলৰ মাজত ব্যৱধান গঢ়ি তোলাৰ প্ৰক্ৰিয়া চলি আহিছিল। ইয়াৰ উপৰি, বিভিন্ন প্ৰতিনিধিত্বমূলক প্ৰশাসনিক অনুষ্ঠানত এনেবোৰ পশ্চাৎপদ জনগোষ্ঠীৰ সমানুপাতিক প্ৰতিনিধিত্বৰ প্ৰশ্নতো ঔপনিৱেশিক শাসকগোষ্ঠীয়ে বিভাজনমূলক উদ্দেশ্যকহে প্ৰাধান্য দিছিল। সঁচা অৰ্থত এনে জনগোষ্ঠীসমূহৰ উন্নয়নৰ বাবে ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ বাবে কোনো উদ্যোগ গ্ৰহণৰপৰা বিৰত আছিল। ইয়াৰ বিপৰীতে এক কেন্দ্ৰীভূত ৰাজনৈতিক আৰু প্ৰশাসনিক কাঠামোহে গঢ়ি তোলা হৈছিল।

ভাৰতবৰ্ষৰ বৰ্তমান ৰাষ্ট্ৰকাঠামো মুলতঃ ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ কালত গঢ়ি উঠা ৰাজনৈতিক, প্ৰশাসনিক ব্যৱস্থাটোৰেই সংবৰ্ধিত ৰূপ। ব্ৰিটিছসকলে এফালেদি ভাৰতবৰ্ষৰ প্ৰশাসনিক ঐক্য প্ৰতিষ্ঠা কৰিছিল যদিও অন্যহাতেদি ইয়াৰ সামাজিক আৰু সাংস্কৃতিক ভিন্নতাক স্থায়ী ৰূপ দিবলৈকো যত্নৰ ক্ৰুটি কৰা নাছিল। জাতি (Caste) আৰু জনজাতি (Tribe), পাহাৰ (Hills) আৰু ভৈয়াম (Plains), হিন্দু-মুছলমান আদি ভিন্ন ভৌগোলিক, সাংস্কৃতিক



আৰু সামাজিক সত্তাক লোকপিয়ল, সংৰক্ষণ আদি প্ৰশাসনিক কচৰতৰ মাধ্যমেৰে অপৰিৱৰ্তনীয় আৰু স্থিৰ সামাজিক বৰ্গ ৰূপে গঢ়ি তোলাৰ প্ৰক্ৰিয়াও ঔপনিৱেশিক শাসনকালতেই সম্পাদিত হৈছিল। ইয়াৰ লগতে ব্ৰিটিছ ঔপনিৱেশিক অৰ্থনৈতিক স্বাৰ্থক অগ্ৰাধিকাৰ দি গ্ৰহণ কৰা অৰ্থনৈতিক নীতি তথা ব্যৱস্থাৱলীয়ে আঞ্চলিক অৰ্থনৈতিক বৈষম্যৰ বীজ ৰোপণ কৰে। কলিকতা, বোম্বাই, মাদ্ৰাজ (বৰ্তমানৰ কলকাতা, মুম্বাই, চেন্নাই) আদি ব্ৰিটিছ প্ৰশাসনৰ মূলকেন্দ্ৰসমূহক নগৰীকৰণ, শিল্প, বাণিজ্য আদিৰ প্ৰাণকেন্দ্ৰৰূপে গঢ়ি তোলাৰ বিপৰীতে দেশখনৰ অন্য অঞ্চলবোৰক কেৱল প্ৰাকৃতিক সম্পদ লুণ্ঠন আৰু খাজনা-সংগ্ৰহৰ ক্ষেত্ৰৰূপে ব্যৱহাৰ কৰা হৈছিল। বিশেষকৈ ভাৰতবৰ্ষৰ জনজাতি বসতিপ্ৰধান প্ৰাকৃতিক সম্পদত চহকী বনাঞ্চল অথবা প্ৰত্যন্ত অঞ্চলসমূহৰপৰা প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ ব্যতিৰেকে অৰ্থনৈতিক উন্নয়ন অথবা কৃষিৰ বিকাশৰ বাবে কোনো পদক্ষেপ ঔপনিৱেশিক শাসকগোষ্ঠীয়ে গ্ৰহণ কৰা নাছিল।

এই সমূহ প্ৰক্ৰিয়াৰ অৱধাৰিত ফল হিচাপে একাংশ অঞ্চল অৰ্থনৈতিকভাৱে অগ্ৰসৰ আৰু বিকশিত হ'বলৈ ধৰে, আৰু আনবোৰ অঞ্চল অৰ্থনৈতিক পশ্চাৎপদতাত নিমজ্জিত হয়। একেদৰে কিছুমান শ্ৰেণী, সম্প্ৰদায় বা জনগোষ্ঠী অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে লাভান্বিত আৰু শক্তিশালী হৈ উঠে আৰু আন কেতবোৰ শ্ৰেণী, সম্প্ৰদায় আৰু জনগোষ্ঠী অৰ্থনৈতিক সা-সুবিধা আৰু ৰাজনৈতিক ক্ষমতাৰপৰা বঞ্চিত হৈ সামাজিক পশ্চাৎপদতাত নিমজ্জিত হয়।

১৯৪৭ চনৰ স্বাধীনতাপ্ৰাপ্তিৰ পিছৰ পৰ্যায়তো পৰিস্থিতিৰ বিশেষ পৰিৱৰ্তন ন'হল। বৰঞ্চ, বিক্ষুব্ধ জনজাতি গোষ্ঠীসমূহৰ সুৰক্ষাৰ বাবে যিবোৰ সাংবিধানিক ব্যৱস্থা কৰা হৈছিল, যেনে — ভূমিৰ সুৰক্ষাৰ বাবে ট্ৰাইবেল ব্লক-বেল্ট, চাকৰি-বাকৰি শিক্ষা আদিত সংৰক্ষণ — সেইবোৰ উচিত ৰূপত গুৰুত্বসহকাৰে কাৰ্যকৰী কৰা ন'হল অথবা বিভিন্ন আইনী সুৰুঙাৰে উলঙ্ঘা কৰিহে থকা দেখা গ'ল। পিছপৰা জনগোষ্ঠীসমূহক অৰ্থনৈতিক-ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ সলনি সংবিধান- স্বীকৃত অধিকাৰ সমূহও বিভিন্ন প্ৰশাসনিক কায়দাৰে নাকচ কৰাৰ প্ৰচেষ্টাৰে তেওঁলোকৰ উন্নয়নৰ বাটত হেঙাৰ দিয়াহে দেখা গ'ল। বিভিন্ন জনগোষ্ঠীক ঐক্যবদ্ধ কৰি অধিক ৰাজনৈতিক অৰ্থনৈতিক সা-সুবিধাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম গঢ়ি তোলাৰ ৰাজনৈতিক বিচক্ষণতাৰ অভাৱ ঘটিল। ইয়াৰ সলনি অৰ্জিত নামমাত্ৰ ক্ষমতাৰ সিংহভাগ অকলে গ্ৰাস কৰাৰ সঙ্কীৰ্ণ মানসিকতা আৰু উগ্ৰ জাতিদম্ভৰ ফলত জনজাতীয় জনগোষ্ঠীসমূহৰ ক্ষোভে ক্ৰমান্বয়ে জটিল ৰূপ ধাৰণ কৰিলে।

অসমৰ শিক্ষিত বৰ্ণহিন্দু মধ্যশ্ৰেণীৰ ক্ষমতাসীন অংশটোৰ ৰাজনৈতিক বিচক্ষণতাৰ অভাৱ তথা উগ্ৰ জাতিদম্ভৰ ফলত মূলসুঁতিৰ অসমীয়া সমাজখনৰ সৈতে জনজাতীয় গোষ্ঠীসমূহৰ ব্যৱধান বৃদ্ধি পাবলৈ ধৰে। বড়ো, কাৰ্বি, মিচিং,

ৰাভা, তিৱা আদি জনগোষ্ঠীৰ উদীয়মান শিক্ষিত শ্ৰেণীয়ে অৰ্থনৈতিক-ৰাজনৈতিক ক্ষমতাৰ প্ৰাপ্য অংশ বিচাৰি ধীৰে ধীৰে সংগ্ৰামত অৱতীৰ্ণ হয়।

অসমৰ ভৈয়ামৰ জনজাতীয় জনগোষ্ঠীসমূহৰ মাজত বিংশ শতাব্দীৰ প্ৰথমাৰ্ধতেই ৰাজনৈতিক সচেতনতা আৰু সাংগঠনিক প্ৰচেষ্টাৰ উন্মেষ ঘটা পৰিলক্ষিত হয়। এই জনজাতীয় জনগোষ্ঠীসমূহৰ ভিতৰত বড়োসকলৰ মাজত সামাজিক-ৰাজনৈতিক চেতনাৰ অঙ্কুৰণ ঘটিছিল কুৰি শতিকাৰ প্ৰথম দশকতেই। কালীচৰণ ব্ৰহ্ম, সতীশচন্দ্ৰ বসুমতাৰী, ৰূপনাথ ব্ৰহ্ম আদি নেতৃস্থানীয় লোকৰ প্ৰচেষ্টাত বড়োসকলৰ মাজত সামাজিক সচেতনতা, সাংগঠনিক প্ৰচেষ্টা আদিৰ সূচনা হয়। কালীচৰণ ব্ৰহ্মৰ উদ্যোগত ১৯১৯ চনত কোকৰাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বড়ো ছাত্ৰ সন্মিলনী প্ৰতিষ্ঠা হৈছিল। তেওঁৰে উদ্যোগত ১৯২৩ চনত বড়ো ছাত্ৰ সন্মিলনী প্ৰতিষ্ঠা হৈছিল। কালীচৰণ ব্ৰহ্মৰ প্ৰচেষ্টাতেই ১৯২৩ চনত বড়ো কছাৰী মহামিলন নামৰ এটি অনুষ্ঠান গঢ়ি উঠিছিল। এই অনুষ্ঠানসমূহে মূলতঃ তেওঁলোকৰ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উন্নয়ন তথা সংস্কাৰমূলক কাৰ্যসূচীত মনোনিৱেশ কৰিছিল। তেতিয়ালৈকে বড়োসকলৰ মাজত পৃথক জাতীয় চেতনাৰ উন্মেষ ঘটা নাছিল।

পৰৱৰ্তী সময়ত, অসমৰ অন্যান্য জনজাতীয় গোষ্ঠী, যেনে — মিচিং, কাৰ্বি, তিৱা আদিৰ মাজৰপৰাও কিছুসংখ্যক শিক্ষিত নেতৃস্থানীয় ব্যক্তিৰ উত্থান ঘটে। এই জনজাতীয় নেতাসকলৰ প্ৰচেষ্টাত ১৯৩৩ চনত All Assam Plains Tribal League নামৰ এটি উমৈহতীয়া ৰাজনৈতিক মঞ্চ গঠিত হয়। স্বাধীনতাপ্ৰাপ্তিৰ সময়লৈকে এই অনুষ্ঠানটো এটা প্ৰভাৱশালী অনুষ্ঠানৰূপে বৰ্তি আছিল। পৰৱৰ্তী সময়ত ইয়াৰে একাংশ নেতাই কংগ্ৰেছ দলত যোগদান কৰাত ক্ৰমান্বয়ে ই নিষ্ক্ৰিয় হৈ পৰে। সময় বাগৰাৰ লগে লগে জনজাতীয় গোষ্ঠীসমূহৰ মাজত স্বকীয় পৰিচিতিৰ চেতনা বৃদ্ধি পাবলৈ ধৰে। লগতে সামাজিক বঞ্চনাৰ অনুভৱো তীব্ৰতৰ হ'বলৈ ধৰে। ১৯৫২ চনত বড়ো সাহিত্য সভা গঠনৰ পিছত বড়োসকলে তেওঁলোকৰ ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ প্ৰয়াসৰূপে আন্দোলনমুখী হয়।

এনে পটভূমিত অসমৰ ভৈয়াম জনজাতিসমূহৰ এখন সন্মিলিত সভা ১৯৬৭ চনত কোকৰাঝাৰত অনুষ্ঠিত হয় আৰু এই সভাখনত Plains Tribal Council of Assam (PTCA) নামৰ এটা নতুন ৰাজনৈতিক দলৰ জন্ম হয়। PTCAই ভৈয়ামৰ জনজাতিসমূহৰ বাবে সাংবিধানিক সুৰক্ষা, ষষ্ঠ অনুসূচী প্ৰৱৰ্তন আদি বিভিন্ন দাবীত সংগ্ৰাম গঢ়ি তুলিছিল। ১৯৭২ চনত PTCAই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত উদয়াচল নামে পৃথক স্বায়ত্তশাসিত অঞ্চলৰ দাবী উত্থাপন কৰে।

ইতিমধ্যে ১৯৬৭ চনত বড়োসকলৰ ছাত্ৰসংগঠন সদৌ বড়ো ছাত্ৰ সন্থা (All Bodo Students' Union, চমুকৈ ABSU)ৰ জন্ম হয়। সংগঠনটোৱে বড়ো ভাষাৰ বাবে পৃথক ৰোমান লিপিকে আদি কৰি বিভিন্ন দাবীত শক্তিশালী আন্দোলন গঢ়ি তুলিছিল। ১৯৭২ চনত ৰোমান লিপিৰ দাবীত চলা আন্দোলনত



ওঠৰগৰাকী বড়ো যুৱক-যুৱতীয়ে প্ৰাণ আহুতি দিছিল চৰকাৰী দমননীতিৰ ফলস্বৰূপে।

ABSUৰ নেতৃত্বত ১৯৮৭ চনৰপৰা বড়োসকলৰ বাবে এখন পৃথক ৰাজ্যৰ দাবীত এক জঙ্গী গণ-আন্দোলনৰ সূচনা হয়। এই আন্দোলনৰ কালছোৱাত ABSU আৰু PTCAৰ মাজত সংঘাত সৃষ্টি হয় আৰু কেবাগৰাকীও শীৰ্ষস্থানীয় PTCA নেতা বড়ো উগ্ৰপন্থীৰ হাতত নিহত হয়। উল্লেখযোগ্য যে, ইতিমধ্যে ABSUও দুটা ভাগত বিভক্ত হৈ (১৯৮৬ চনত) আবছু (উপেন ব্ৰহ্ম গোট) আৰু আবছু (গঙ্গাধৰ ৰামতিয়াৰী গোট) ৰূপে আত্মপ্ৰকাশ কৰে। ইয়াৰে উপেন্দ্ৰ ব্ৰহ্ম নেতৃত্বাধীন গোটটো অধিক শক্তিশালী হৈ উঠে আৰু ই বড়ো জাতীয় জাগৰণৰ চালিকাশক্তিত পৰিণত হয়। এক দীঘলীয়া আন্দোলনৰ অন্তত ১৯৯৩ চনত স্বাক্ষৰিত বড়ো চুক্তিৰ মাধ্যমেৰে বড়োলেণ্ড অট'নমাছ কাউন্সিল (Bodoland Autonomous Council)গঠনৰ যোগে এই সংগ্ৰামৰ সাময়িকভাৱে শাম কাটে। পৰৱৰ্তী সময়ত বড়ো জাতীয় আন্দোলনত সদৌ বড়ো ছাত্ৰ সন্থা (ABSU)ৰ পূৰ্বৰ প্ৰভাৱ কিছু পৰিমাণে হ্ৰাস পায়। ইয়াৰ পৰিৱৰ্তে Bodo Liberation Tiger (BLT)ৰ দৰে জঙ্গী সংগঠন প্ৰভাৱশালী হৈ উঠে। ২০০৩ চনত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু BLTৰ মাজত হোৱা বুজাপৰাৰ মাধ্যমেৰে সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত Bodoland Territorial Council গঠন হয়। অৱশ্যে ABSUএ শেহতীয়াভাৱে পুনৰ পৃথক বড়ো ৰাজ্যৰ দাবীত সংগ্ৰামী কাৰ্যসূচী হাতত লোৱা পৰিলক্ষিত হৈছে।

বড়োসকলৰ দৰে অসমৰ আন আন ভৈয়ামৰ জনজাতিসমূহেও স্বায়ত্ত শাসনৰ দাবীত দীৰ্ঘদিন ধৰি আন্দোলন চলাই আহিছে। ইয়াৰ ভিতৰত মিচিং, ৰাভা, তিৱা, দেউৰী, সোণোৱাল কছাৰী আদি জনগোষ্ঠীসমূহে স্বায়ত্ত শাসনৰ দাবীত সৰব হৈ উঠে। এই জনগোষ্ঠীসমূহৰ স্বায়ত্ত শাসনকে আদি কৰি বিভিন্ন দাবীৰ ভিত্তিত গঢ়ি উঠা আন্দোলনসমূহত এওঁলোকৰ ছাত্ৰ-যুৱ সংগঠনসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মিচিং জনগোষ্ঠীৰ ছাত্ৰ সংগঠন টাকাম মিচিং পৰিণ কেবাং (Takam Mishing Porin Kebang) ১৯৮৫ চনত প্ৰতিষ্ঠা হয়। ইয়াৰ পূৰ্বে মিচিং জনগোষ্ঠীৰ মাজত ১৯৩৩ চনত জন্মলাভ কৰা মিৰি ছাত্ৰ সন্মিলন (Miri Chatra Sanmilan)ৰপৰা Assam – NEFA Mishing Students' Union (১৯৭১ চন), All Assam Mishing Students' Union (১৯৭৮ চন) আদি বিভিন্ন নামেৰে ছাত্ৰ সংগঠনৰ জন্ম হৈছিল। TMPK হৈছে মিচিং জনগোষ্ঠীৰ বৰ্তমান এক শক্তিশালী ছাত্ৰ সংগঠন আৰু এই সংগঠনটোৱে মিচিংসকলৰ স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা পালন কৰি আহিছে। ১৯৯৫ চনত মিচিংসকলে ৰাজ্যিক অধিনিয়মৰ ভিত্তিত স্বায়ত্তশাসনৰ ক্ষমতা অৰ্জন কৰে। TMPKকে আদি কৰি মিচিং সংগঠনসমূহে এই স্বশাসন ব্যৱস্থাত সম্পূৰ্ণ সন্তুষ্ট নহয় আৰু তেওঁলোকে বড়োসকলৰ আৰ্হিত ষষ্ঠ অনুসূচীত আধাৰত

স্বায়ত্তশাসনৰ দাবী তুলিছে।

নামনি অসমৰ এক বৈশিষ্ট্যপূৰ্ণ জনজাতীয় গোষ্ঠী হ'ল ৰাভাসকল। ৰাভাসকলৰ ছাত্ৰ সংগঠন সদৌ ৰাভা ছাত্ৰ সন্থা (All Rabha Students' Union, চমুকৈ ARSU)ৰ জন্ম হয় ১৯৮০ চনত। ইয়াৰ পূৰ্বে Assam Rabha Chatra Sanmilan (১৯২৬ চনত), ৰাভা যুৱক সংঘ (১৯৪১ চনত), হাব্ৰাঘাট ৰাভা ছাত্ৰ সন্মিলন (১৯৪৫ চনত), গাৰোপাহাৰ ৰাভা ছাত্ৰ সন্মিলন (১৯৫৬ চনত) আদি যুৱ ছাত্ৰ সংগঠনে আত্মপ্ৰকাশ কৰিছিল। সম্প্ৰতি ARSU ৰাভাসকলৰ মাজত এক শক্তিশালী যুৱ-ছাত্ৰ সংগঠনৰূপে ৰাভাসকলৰ স্বাধিকাৰ সংগ্ৰামৰ নেতৃত্ব দি আহিছে। ৰাভাসকলেও ১৯৫৬ চনত ৰাজ্যিক অধিসূচনাৰ ভিত্তিত স্বশাসনৰ ব্যৱস্থা লাভ কৰিছে যদিও ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্ত শাসনৰ বাবেও দাবী জনাই আহিছে।

অসমৰ ভৈয়ামৰ জনজাতিসমূহৰ অন্যতম হ'ল দেউৰী জনগোষ্ঠী। এই জনগোষ্ঠীৰপৰা উদ্ভুত ভীমবৰ দেউৰী অসমৰ জনজাতীয় সংগ্ৰামৰ এগৰাকী আগশাৰীৰ নেতা আছিল। প্ৰাক্-স্বাধীনতাৰ কালতে দেউৰীসকলৰ মাজত সাংগঠনিক প্ৰচেষ্টাৰ সূত্ৰপাত ঘটিছিল আৰু দেউৰী সন্মিলনৰ দৰে অনুষ্ঠানৰ জন্ম হৈছিল। কিন্তু বিংশ শতাব্দীৰ নব্বৈৰ দশকতহে দেউৰী ছাত্ৰ সন্থাৰ জন্ম হয়। দেউৰীসকলেও স্বায়ত্ত শাসনৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হয়। ২০০৫ চনত দেউৰীসকলে ৰাজ্যিক অধিনিয়মৰ ভিত্তিত স্বায়ত্ত শাসনৰ অধিকাৰ লাভ কৰে। একেদৰে, সোণোৱাল কছাৰী আৰু ঠেঙাল কছাৰী জনগোষ্ঠীয়েও তেওঁলোকৰ স্বাধিকাৰ সংগ্ৰামৰ ফলস্বৰূপে স্বায়ত্তশাসন পৰিষদ গঠনৰ ক্ষমতা অৰ্জন কৰে। এই জনগোষ্ঠীসমূহৰ সংগ্ৰামত তেওঁলোকৰ ছাত্ৰ-যুৱ সংগঠনসমূহে আগৰণুৱা ভূমিকা পালন কৰি অহা দেখা যায়।

উল্লেখযোগ্য যে বড়োসকলক বাদে ভৈয়ামৰ আন জনজাতীয় জনগোষ্ঠীয়ে দীৰ্ঘ দিনধৰি ষষ্ঠ অনুসূচীৰ আধাৰত স্বশাসনৰ অধিকাৰ বিচাৰি আন্দোলন চলাই আহিছে। এই উদ্দেশ্যে ১৯৯৭ চনত এওঁলোকে এটা উমৈহতীয়া ছাত্ৰ-যুৱ সংগঠনৰ জন্ম দিছিল। Tribal Students' Federation (TSF) নামে পৰিচিত এই সংগঠনটো মিচিং, ৰাভা, তিৱা, দেউৰী, সোণোৱাল কছাৰী আদি জনগোষ্ঠীয় সংগঠনৰ অংশীদাৰিত্বত গঠিত হৈছিল। ইয়াৰ পূৰ্বে, আশীৰ দশকৰ আদিভাগত, ১৯৮২-৮৩ চনত All Assam Tribal Students' Union (AATSU) নামৰ এনে সন্মিলিত জনজাতীয় ছাত্ৰ সংগঠনে আত্মপ্ৰকাশ কৰিছিল। ছবছৰীয়া অসম আন্দোলনৰ কালত AATSUএ জনজাতিসমূহৰ সামগ্ৰিক স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত লেখত ল'বলগীয়া ভূমিকা পালন কৰিছিল।

অসমৰ পাহাৰ অঞ্চলত বসবাস কৰা জনজাতীয় জনগোষ্ঠী কাৰ্বি আৰু ডিমাচাসকলৰ মাজতো স্বাধীনতাৰ বহু আগৰেপৰাই সামাজিক ৰাজনৈতিক চেতনাৰ উন্মেষ ঘটিছিল। চেমচন ছিং ইংতি, জয়ভদ্ৰ হাগজেৰ আদি নেতাসকলে



পাহাৰীয়া জনজাতিসমূহৰ সামাজিক অৰ্থনৈতিক বিকাশৰ বাবে যথেষ্ট অৱদান আগবঢ়াই গৈছে। ১৯৫১ চনতে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাক সামৰি ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্ত শাসিত জিলা গঠিত হৈছিল। ১৯৮৬ চনত এই জিলা দুখন সামৰি স্বায়ত্ত শাসিত ৰাজ্য গঠনৰ দাবীত স্বায়ত্ত শাসিত দাবী সমিতি (Autonomous State Demand Committee, চমুকৈ ASDC) নামৰ দল আৰু কাৰ্বি ছাত্ৰ সংস্থা (Karbi Students' Association) গঠিত হয়। স্বায়ত্তশাসিত ৰাজ্যৰ বাবে এই জিলা দুখনত বিভিন্ন উত্থান-পতনৰ মাজেৰে সংগ্ৰাম অব্যাহত আছে।

অসমৰ আন এটা জনগোষ্ঠী তিৱাসকল পাহাৰ আৰু ভৈয়াম উভয়তে বসবাস কৰে। তিৱাসকলক আগতে লালুং নামেৰে জনা গৈছিল। লালুং বা তিৱাসকলেও স্বশাসনৰ দাবীত সংগ্ৰাম চলাই আহিছে। ১৯৬৭ চনত লালুং দৰবাৰ প্ৰতিষ্ঠা হোৱাৰ পিছত ১৯৭১ চনত লালুং যুৱ-ছাত্ৰ সন্মিলন, ১৯৭৭ চনত লালুং যুথ ফ্ৰণ্ট তথা ১৯৮৯ চনত সদৌ তিৱা ছাত্ৰ সন্থা (All Tiwa Students' Union) গঠনৰ মাজেৰে তিৱাসকলে তেওঁলোকৰ স্বশাসনকে ধৰি বিভিন্ন দাবী পূৰণৰ বাবে সংগ্ৰাম চলাই আহিছে। ১৯৯৫ চনত তিৱা স্বায়ত্তশাসিত পৰিষদ ৰাজ্যিক অধিনিয়মেৰে প্ৰতিষ্ঠা হয় যদিও তিৱাসকলেও ষষ্ঠ অনুসূচীৰ আধাৰত স্বশাসনৰ দাবী জনাই আহিছে।

অসমৰ আন একাংশ জনগোষ্ঠীয়েও ভাৰতীয় সংবিধানৰ আধাৰত জনজাতি হিচাপে স্বীকৃতি বিচাৰি দীঘলীয়া সংগ্ৰাম চলাই আহিছে। আহোম, কোচ ৰাজবংশী, আদিবাসী-চাহ জনজাতি, চুতীয়া, মৰাণ, মটক আদি জনগোষ্ঠীসমূহৰ যুৱ-ছাত্ৰ সংগঠনসমূহে এই দাবীৰ ভিত্তিত সময়ে সময়ে তীব্ৰ গণ আন্দোলন গঢ়ি তুলিছে। ইয়াৰে আহোমসকল ব্ৰিটিছ অহাৰ পূৰ্বে অসমৰ শাসক ৰাজবংশৰ গোষ্ঠী আছিল। ১৮৯৩ চনত আহোম সভা নামৰ এটি অনুষ্ঠান আহোমসকলৰ মাজত প্ৰতিষ্ঠা হৈছিল আৰু এই অনুষ্ঠানটো এটা প্ৰভাৱশালী অনুষ্ঠানৰূপে স্বাধীনতাৰ সময়লৈকে বৰ্তি আছিল। বিংশ শতাব্দীৰ তৃতীয় দশকমানত আহোম ছাত্ৰ সভা নামৰ এটা ছাত্ৰ সংগঠনৰো জন্ম হৈছিল। বৰ্তমান আহোমসকলৰ মাজত প্ৰভাৱশালী যুৱ-ছাত্ৰ সংগঠন সদৌ অসম টাই আহোম ছাত্ৰ সংস্থাৰ (All Assam Tai-Ahom Students' Associationৰ) জন্ম হয় ১৯৮৮ চনত। জনজাতিৰূপে আহোমসকলক স্বীকৃতি দিয়াৰ দাবীত ই আন্দোলন চলাই আহিছে। একেদৰে, অসমৰ চাহবাগিচাত শ্ৰমিকৰূপে কাম কৰিবলৈ ভাৰতৰ অন্য ঠাইৰপৰা আমদানি কৰা বিভিন্ন জনগোষ্ঠীৰ আৰ্থ-সামাজিক সমস্যা আদিক লৈ স্বাধীনতাৰ কালতে গঢ়ি উঠা ছোটনাগপুৰী ছাত্ৰ সন্মিলন (১৯৪৭ চন) নামৰ সংগঠনটো অসম চাহ বনুৱা ছাত্ৰ সন্থা (১৯৫৪ চন), অসম চাহ-মজদুৰ সম্প্ৰদায় ছাত্ৰ সন্থা (১৯৫৮ চন), অসম চাহ-মজদুৰ জনজাতি ছাত্ৰ সন্থা আদি বিভিন্ন পৰ্বেৰে পাৰ হৈ ১৯৮৪ চনত অসম চাহ

জনজাতি ছাত্ৰ সংস্থা নামেৰে অভিহিত হয়। আনহাতে একেটা সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা All Adivasi Students' Association of Assam নামেৰে আন এটি ছাত্ৰ সংগঠন ১৯৯৬ চনত প্ৰতিষ্ঠা হয়। এই দুয়োটা সংগঠনেই আদিবাসী বা চাহ জনজাতি নামেৰে সামগ্ৰিকভাৱে পৰিচিত জনগোষ্ঠীসমূহৰ অনুসূচীতকৰণ তথা অন্যান্য আৰ্থ-সামাজিক সমস্যা সমাধানৰ অৰ্থে সংগ্ৰাম চলাই আহিছে।

একেদৰে কোচ ৰাজবংশীসকলেও দীৰ্ঘদিন ধৰি আত্মপ্ৰতিষ্ঠাৰ বিভিন্ন সংগ্ৰাম পৰিচালনা কৰি আহিছে — ১৯১২ চনত প্ৰতিষ্ঠিত কোচ-ৰাজবংশী ক্ষত্ৰিয় সন্মিলনৰ জন্মৰপৰাই। বৰ্তমান এই জনগোষ্ঠীটোৱে জনজাতিৰূপে অনুসূচীতকৰণৰ দাবীত তীব্ৰ সংগ্ৰাম অব্যাহত ৰখাৰ উপৰি পশ্চিম অসম আৰু উত্তৰবঙ্গৰ একাংশ অঞ্চল সামৰি পৃথক কমতাপুৰ ৰাজ্যৰ দাবী উত্থাপন কৰিছে। ১৯৯৩ চনত প্ৰতিষ্ঠিত কোচ ৰাজবংশী ছাত্ৰ সংস্থা (All Assam Koch-Rajbangshi Students' Union, চমুকৈ AAKRSU) — এই জনগোষ্ঠীৰ সংগ্ৰামৰ অন্যতম চালিকাশক্তি।

উজনি অসমৰ চুতীয়া আৰু মৰাণ-মটকসকলেও জনজাতিৰূপে অনুসূচীতকৰণৰ দাবীত আন্দোলন চলাই আছে। চুতীয়াসকলৰ মাজত ১৯২৫ চনত চুতীয়া সন্মিলন গঠনৰ যোগেদি সামাজিক তথা ৰাজনৈতিক সংগঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এই সন্মিলনৰ উদ্যোগতে ১৯৪৬ চনৰপৰা চুতীয়া ছাত্ৰ সন্মিলন অনুষ্ঠিত হয়। ইয়াৰপৰাই সদৌ অসম চুতীয়া যুৱ-ছাত্ৰ সন্মিলন, সদৌ অসম চুতীয়া ছাত্ৰ সন্মিলন আৰু পিছলৈ ছাত্ৰ সন্থা গঠিত হৈছিল। চুতীয়াসকলক অনুসূচীত জনজাতিৰূপে স্বীকৃতি দিয়াৰ দাবীত আহোম, কোচ-ৰাজবংশী আদিৰ দৰে জনগোষ্ঠীসমূহৰ সৈতে সন্মিলিতভাৱে চুতীয়া ছাত্ৰ-যুৱ সংগঠনসমূহেও সংগ্ৰাম চলাই আহিছে। একেদৰে, মৰাণ আৰু মটক জনগোষ্ঠীয়েও ১৯৩৭ চনত গঠিত মৰাণ হিতকাৰিণী সভা, মটক লীগ (১৯৩৯ ) আদি সামাজিক অনুষ্ঠানৰ উদ্যোগত সংগঠিত হ'বলৈ আৰম্ভ কৰিছিল ঊনবিংশ শতাব্দীৰ প্ৰথমাৰ্ধতেই। ১৯৫৮ চনত অসম মৰাণ ছাত্ৰ সভাৰ জন্ম হয় আৰু ই পিছলৈ সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰূপে পৰিচিত হয়। মৰাণসকলেও অনুসূচীকৰণৰ দাবীত তীব্ৰ আন্দোলন চলাই আহিছে।

সাম্প্ৰতিক কালত অসমত জনগোষ্ঠীয় চেতনা আৰু এই চেতনাৰ আধাৰত বিভিন্ন জনগোষ্ঠীয়ে সামাজিক, ৰাজনৈতিকভাৱে সংগঠিত হোৱাৰ প্ৰৱণতা বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। অসমীয়া জাতীয়তাবাদক প্ৰতিনিধিত্ব কৰা তথাকথিত মূলসুঁতিৰ সংগঠন আৰু অনুষ্ঠানসমূহে জনগোষ্ঠীসমূহৰ আশা আকাংক্ষাক সঠিকভাৱে আৰু সহানুভূতিৰে তুলি ধৰাত ব্যৰ্থ হোৱাৰ বাবেই এনে পৰিস্থিতি সৃষ্টি হৈছে বুলি ক'ব পাৰি। সম্প্ৰতি, আন জনগোষ্ঠীসমূহৰ দৰে ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ মাজতো এনে সাংগঠনিক প্ৰক্ৰিয়া ত্বৰান্বিত



হৈছে। ১৯৮০ চনত সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা (All Assam Minorities Students' Union বা AAMSU), ১৯৯০ চনত গঠিত বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন আৰু সদৌ অসম বাঙালী যুৱ-ছাত্ৰ পৰিষদ, ১৯৯৫ চনত গঠিত সদৌ অসম নেপালী ছাত্ৰ সন্থা (All Assam Nepali Students' Union বা AANSU) আদি এনে সাংগঠনিক তৎপৰতাৰ উদাহৰণ। এই সংগঠনসমূহে তেওঁলোকে প্ৰতিনিধিত্ব কৰা জনগোষ্ঠী বা ভাষিক ধৰ্মীয় সম্প্ৰদায়সমূহে সন্মুখীন হৈ অহা সমস্যাৰ ক্ষেত্ৰত সময়ে সময়ে সংগ্ৰামী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।

অসমৰ জনগোষ্ঠীয় ছাত্ৰ আন্দোলন সম্পৰ্কত এতিয়ালৈকে বিস্তৃত গৱেষণা হোৱা নাই। এই বিষয়ত যথেষ্ট গৱেষণা আৰু অধ্যয়নৰ অৱকাশ আছে। ০

## প্ৰসঙ্গ-টোকা

১ ড° প্ৰফুল্ল মহন্ত। *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*। গুৱাহাটী: লয়াৰ্ছ বুক ষ্টল, ২০০৯, পৃষ্ঠা ১৮৩।

২ অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱনত অসমীয়া মধ্যবিত্তৰ ভূমিকা সম্পৰ্কীয় আলোচনাৰ পাতনি মেলিছিল বিদগ্ধ পণ্ডিত ড° হীৰেন গোহাঁইয়ে। পৰৱৰ্তী সময়ত বিষয়টোৱে বহু বিশিষ্ট গৱেষকৰ দৃষ্টি আকৰ্ষণ কৰে। ড° প্ৰফুল্ল মহন্তৰ *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস* এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

৩ ড° প্ৰফুল্ল মহন্ত, পূৰ্বোক্ত গ্ৰন্থ। এই সংগঠনটি প্ৰথমতে ১৮৬৯ চনত অসমীয়া ছাত্ৰ সন্মিলনী নামেৰে গঠিত হৈছিল বুলি উল্লেখ কৰিছে। (পৃষ্ঠা ২১৬)। আনহাতে ড° ৰমেশচন্দ্ৰ কলিতাই ইয়াৰ নাম Assamiya Sanmilani বুলি উল্লেখ কৰিছে। দ্ৰষ্টব্য "Assam Students' Conference; Vanguard of Freedom Struggle" - *Situating Assamese Middle Class: The Colonial Period* গ্ৰন্থ। Guwahati: Bhabani Books, 2011

৪ ড° প্ৰফুল্ল মহন্ত, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ২১৬-১৭ আৰু ড° ৰমেশচন্দ্ৰ কলিতা, *ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা*। তেজপুৰ: উলুপী প্ৰকাশন, ১৯৮৫, পৃষ্ঠা ৭।

৫ ড° ৰমেশচন্দ্ৰ কলিতা। ভাৰতৰ *স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা* (এতিয়াৰ পৰা 'অসমীয়া ছাত্ৰৰ ভূমিকা' বুলি উল্লেখ কৰা হ'ব), পৃষ্ঠা ১১।

৬ বাৰিদবৰণ ঘোষ। *সমকালীন সাহিত্যে বঙ্গভঙ্গ*। কলিকতা: পুনশ্চ, ২০০৫, ভূমিকা দ্ৰষ্টব্য।

৭ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমীয়া ছাত্ৰৰ ভূমিকা*। প্ৰাগুক্ত, পৃষ্ঠা ২৫-২৭। ড° প্ৰফুল্ল মহন্ত, *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*। প্ৰাগুক্ত, পৃষ্ঠা ২৫১।

৮ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমীয়া ছাত্ৰৰ ভূমিকা*। প্ৰাগুক্ত, পৃষ্ঠা ২৯।

৯ ড° প্ৰফুল্ল মহন্ত। প্ৰাগুক্ত, পৃষ্ঠা ২৪১।

১০ ঐ, পৃষ্ঠা ৩২।

১১ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমীয়া ছাত্ৰৰ ভূমিকা*। প্ৰাগুক্ত, পৃষ্ঠা ৩১।

১২ তদেৱ, পৃষ্ঠা ৩২।

১৩ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমীয়া ছাত্ৰৰ ভূমিকা*। পৃষ্ঠা ৪০-৪৭; ড° প্ৰফুল্ল মহন্ত, *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*। পৃষ্ঠা ২৬৫।

১৪ ড° ৰমেশচন্দ্ৰ কলিতা, *অসমীয়া ছাত্ৰৰ ভূমিকা*। প্ৰাগুক্ত, পৃষ্ঠা ৪৮।

১৫ তদেৱ, পৃষ্ঠা ৫৫।

১৬ তদেৱ, পৃষ্ঠা ৫৫।

১৭ ড° প্ৰফুল্ল মহন্ত। *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*। প্ৰাগুক্ত, পৃষ্ঠা ২৯১-৯।

১৮ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমীয়া ছাত্ৰৰ ভূমিকা*। প্ৰাগুক্ত, পৃষ্ঠা ৪৫।
১৯ তদেৱ, পৃষ্ঠা ৭০।
২০ তদেৱ, পৃষ্ঠা ৮৩-৮৫।
২১ তদেৱ, পৃষ্ঠা ১১৪।
২২ Dr Sheila Bora. *Student Revolution in Assam*. New Delhi: Mittal Publication, 1992, p. 111
২৩ ড° শীলা বৰাই তেওঁৰ *Student Revolution in Assam* গ্ৰন্থত চল্লিছৰ দশকৰ ছাত্ৰ ৰাজনীতিৰ বিভিন্ন ধাৰা আৰু এই কালছোৱাত স্বাধীনতা আন্দোলনত বিভিন্ন ধাৰাৰ ছাত্ৰসংগঠনসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে। লগতে তথ্যভিত্তিক আলোচনা আগবঢ়াইছে। পৃষ্ঠা ১৫০-২৭০।
২৪ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমীয়া ছাত্ৰৰ ভূমিকা*। প্ৰাগুক্ত, পৃষ্ঠা ১১৪-৪২।
২৫ Dr Sheila Bora. *Student Revolution in Assam*, প্ৰাগুক্ত, পৃষ্ঠা ২১৩।
২৬ Dr Ramesh Chandra Kalita. *A Bunch of Discursive Essays*. Tezpur: Utopi Publications, 2007, পৃষ্ঠা ১৯-২০।
২৭ বিশিষ্ট কমিউনিষ্ট নেতা তথা একালৰ AISFৰ আগশাৰীৰ ছাত্ৰনেতা অৱনী বৰঠাকুৰৰ সৈতে আলোচনা কালত লেখকে এই তথ্য লাভ কৰিছিল। বৰঠাকুৰে অৱশ্যে জনাইছে যে মহেন্দ্ৰ বৰা AISFৰ সদস্য নাছিল, তেওঁ কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপেহে এই আন্দোলনত অংশগ্ৰহণ কৰিছিল।
২৮ ড° ৰমেশচন্দ্ৰ কলিতা। "অসমৰ ছাত্ৰ আন্দোলন: এক ঐতিহাসিক সমীক্ষা"। *বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ*, অশীতিতম জন্মদিবস উদ্‌যাপন সমিতি, নগাঁও, ২০১০, পৃষ্ঠা ১০৯-১০ আৰু তাত থকা বীৰেন ডেকাৰ প্ৰবন্ধ, পৃষ্ঠা ৯৬।
২৯ ড° ৰমেশচন্দ্ৰ কলিতা। *বাণেশ্বৰ শইকীয়া অভিনন্দন গ্ৰন্থ*, পৃষ্ঠা ১০৫-৬।
৩০ তদেৱ, পৃষ্ঠা ১০৬-৮।
৩১ তদেৱ, পৃষ্ঠা ১০৮।
৩২ অতুল বৰা। *সদৌ অসম ছাত্ৰ সন্থাৰ অধিবেশনৰ সমীপেষু*। গুৱাহাটী: প্ৰকাশক গোষ্ঠী, পৃষ্ঠা ১৬-২৮।
৩৩ ড° ৰমেশচন্দ্ৰ কলিতা। *অসমৰ কালানুক্ৰমিক ইতিহাস*। পৃষ্ঠা ১৩৫-৬।
৩৪ সদৌ অসম ছাত্ৰ সংস্থা নামেৰে ব্ৰিটিশ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সংগঠনটি পিছলৈ সদৌ ভাৰত ছাত্ৰ কংগ্ৰেছ (AISC)ত চামিল হৈছিল। সত্তৰৰ দশকৰপৰা অসমৰ জাতীয়তাবাদী ধাৰাৰ ছাত্ৰ আন্দোলনত আগবেপৰা ভূমিকা পালন কৰা সদৌ অসম ছাত্ৰ সন্থা নামৰ সংগঠনটিৰ জন্ম হয় ১৯৬৭ চনত তেজপুৰত। দ্ৰষ্টব্য: অতুল বৰাৰ *সদৌ অসম ছাত্ৰ সংস্থাৰ অধিবেশনৰ সমীপেষু*।
৩৫ এই নিবন্ধৰ জনগোষ্ঠীয় আন্দোলন সম্পৰ্কীয় অংশখিনি যুগুতাওঁতে (১) শিৱনাথ বৰ্মন, *অসমৰ জনজাতি সমস্যা*, গুৱাহাটী: বনলতা, ২০১৩; (২) দেৱব্ৰত শৰ্মা, *অসম জাতিগঠন প্ৰক্ৰিয়া আৰু জাতীয় জনগোষ্ঠীগত সংগঠন*, যোৰহাট: একলব্য, ২০০৬; (৩) ড° হীৰেন গোহাঁই আৰু দিলীপ বৰা সম্পাদিত, *অসম আন্দোলন: প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি*, গুৱাহাটী: বনলতা, ২০০৭; (৪) ড° প্ৰফুল্লকুমাৰ মহন্ত, *জনগোষ্ঠীয় চেতনা*, গুৱাহাটী: কিতাপ ভৱন, ২০০৩; (৫) ডাঃ ধ্ৰুবজ্যোতি বৰা, *ইতিহাস চিন্তা*। গুৱাহাটী: জ্যোতি প্ৰকাশন, ১৯৮৮; (৬) ড° ৰমেশচন্দ্ৰ কলিতা, *অসমৰ কালানুক্ৰমিক ইতিহাস*, গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০০৬; (৭) অসম প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰকাশিত *Political History of Assam*, vol. 3 আদি গ্ৰন্থৰ উপৰি *প্ৰান্তিক*, ১৬-৩০ এপ্ৰিল, ১৯৮৮, *হেদাং* (অসম মৰাণ সভাৰ পঞ্চদশ দ্বি-বাৰ্ষিক অধিবেশনৰ স্মৃতিগ্ৰন্থ), AATSUৰ তৃতীয় সাধাৰণ অধিৱেশনৰ স্মৃতিগ্ৰন্থ (১৯৮৫ চন), *North East Voice* আদি আলোচনীৰ সহায় লোৱা হৈছে। কেতবোৰ তথ্য ব্যক্তিগতভাৱে সংগ্ৰহ কৰা হৈছে।

# আধুনিক অসমত বিজ্ঞান-চেতনা আৰু জনবিজ্ঞান আন্দোলন

ডাঃ জয়দেৱ শৰ্মা

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৫৫ চনত অনুষ্ঠিত ভাৰতীয় বিজ্ঞান কংগ্ৰেছত ভাষণ দি কৈছিল— "মই নিজে কাহানিও কোনো গোড়া মতবাদৰদ্বাৰা পৰিচালিত নহওঁ আৰু মই সদায়েই মোৰ ভুলসমূহ স্বীকাৰ কৰিবলৈ আৰু সেইবোৰ সংশোধন কৰিবলৈ প্ৰস্তুত। চিন্তাৰ এনেকুৱা এটা পন্থাকেই মানুহে কোৱা বৈজ্ঞানিক পন্থা (scientific approach) বুলি মই বিশ্বাস কৰোঁ। মই ভাবোঁ যে মই নিজে বিজ্ঞান-চেতনা বা বৈজ্ঞানিক মানসিকতাৰ (scientific temperৰ) অধিকাৰী, যদিও মই এনে দাবী কৰিব নোৱাৰোঁ যে মই এজন বিজ্ঞানী।"[১] উল্লেখযোগ্য যে ইংৰাজী "scientific temper" শব্দ দুটা এইক্ষেত্ৰত তেৱেঁই প্ৰথমতে ব্যৱহাৰ কৰিছিল। জৱাহৰলাল নেহৰুৰ এই বক্তব্যৰপৰা এটা কথা ভালকৈ বুজিব পাৰি যে বিজ্ঞান-চেতনা বা বৈজ্ঞানিক মানসিকতা (সমাৰ্থক শব্দ — বৈজ্ঞানিক দৃষ্টিভঙ্গি, বিজ্ঞানমনস্কতা)ৰ অধিকাৰী হ'বলৈ এজন ব্যক্তি বিজ্ঞানী হোৱাৰ বা বিজ্ঞানৰ কোনো উচ্চ ডিগ্ৰীধাৰী হোৱাৰ প্ৰয়োজন নাই। অৰ্থাৎ বৈজ্ঞানিক তথা বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী হ'লেই ব্যক্তি এজন বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হ'ব — এই কথা সদায়েই সত্য নহ'বও পাৰে। এইখিনিতে ভাৰত চৰকাৰৰ এজন জ্যেষ্ঠ বিজ্ঞানীৰ উদাহৰণ দিব পৰা যায়। কেইবছৰমান আগলৈকে তেওঁ ভাৰত চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত বৈজ্ঞানিক উপদেষ্টা আৰু উচ্চ পৰ্যায়ৰ ছজন চৰকাৰী বিজ্ঞানীৰ এজন আছিল। অৰ্থাৎ দেশৰ হাজাৰ হাজাৰ বিজ্ঞান-কৰ্মীৰ ভৱিষ্যৎ নিৰ্ণায়কৰ মুখ্য ভূমিকা তেওঁলোকেই গ্ৰহণ কৰিছিল। অথচ তেওঁৰেই পুত্ৰৰ বিবাহৰ নিমন্ত্ৰণী পত্ৰত আছিল সত্য সাইবাবাৰ ফটো, যাৰ দিব্য (divine) উপস্থিতিত বিবাহ-কাৰ্য সম্পন্ন হোৱাৰ কথা।[২] বিখ্যাত বিজ্ঞানীও যে বিজ্ঞান-চেতনাবিহীন হ'ব পাৰে এয়া তাৰ এটি উদাহৰণ। অসমকে ধৰি ভাৰতবৰ্ষত এনে উদাহৰণৰ অভাৱ নাই।

দাৰ্শনিক, সাহিত্যিক, বহুভাষাবিদ, সৰ্বজনস্বীকৃত সুবিখ্যাত পণ্ডিত আৰু ৰাজনীতিবিদ নৰসিংহ ৰাৱে ১৯৯১ চনৰ ২১ জুন তাৰিখে দেশৰ নৱম প্ৰধানমন্ত্ৰী

হিচাপে শপত গ্ৰহণ কৰাৰ বাবে পাঁজি-পুথি চাই ৰাহুৰ অশুভ শক্তিৰপৰা হাত সাৰিবলৈ ১২-৫৩ মিনিট সময়টোকে বাছি লৈছিল।[৩] অসমৰ বয়োবৃদ্ধ এম বি বি এছ ডিগ্ৰীধাৰী ডাক্তৰ মন্ত্ৰী এজনে আজি কিছু বছৰ আগতে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত মানুহ এঘৰত ঘটা তথাকথিত অলৌকিক ঘটনা এটাৰ ব্যাখ্যা দিবলৈ গৈ ভূতবদ্বাৰাহে তেনে কাৰ্য সংঘটিত হৈছে বুলি ঘোষণা কৰিছিল। অৰ্থাৎ আমাৰ সমাজৰ সাধাৰণ জনগণৰ তো কথাই নাই, পণ্ডিত, গৱেষক, ৰাজনীতিবিদ, সমাজনীতিবিদ, শিল্পী, সাহিত্যিক, সাংবাদিক, ডাক্তৰ, ইঞ্জিনিয়াৰ, বিজ্ঞানী, সংস্কৃতিৰ বিদগ্ধ পণ্ডিত আদি সমাজৰ অনেক উচ্চ পৰ্যায়ৰ ব্যক্তিৰ চিন্তা-চেতনাও এনেদৰে অবৈজ্ঞানিক ধ্যান-ধাৰণাৰে ঠাহ খাই আছে।

এইটো ঠিক যে এইকেছ শতিকাত বিজ্ঞানৰ অভাৱনীয় বিকাশ ঘটিছে আৰু বিশ্বায়নৰ যোগেদি তথ্য-প্ৰযুক্তিৰ চমকপ্ৰদ অগ্ৰগতিৰ সহায়ত প্ৰায় সমগ্ৰ বিশ্বতে বিজ্ঞানে দিবলৈ বিচৰা বতৰাবোৰ বিয়পি পৰিছে। তৎসত্বেও আমি লক্ষ্য কৰিছোঁ যে অসম তথা ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যসমূহ আৰু বিশ্বৰ বিভিন্ন দেশত হাজাৰ বছৰীয়া প্ৰাচীন অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰ জনসমাজত পূৰ্ণ মাত্ৰাই চলি আছে। নিৰক্ষৰ জনগণৰ মাজত তাৰ মাত্ৰা অধিক যদিও শিক্ষিতসকলৰ মাজতো পিছে কম নহয়। আনকি আমেৰিকা আৰু ইউৰোপৰ উন্নত দেশসমূহও এনে অন্ধবিশ্বাসৰপৰা মুক্ত হ'ব পৰা নাই। তথাপি নৱজাগৰণৰ ঢৌৰে বিধৌত ইউৰোপত কুসংস্কাৰ অন্ধবিশ্বাসৰ বিৰুদ্ধে যি-বিৰাট জাগৰণৰ সৃষ্টি হৈছিল সিয়েই মহাদেশখনক বহু পৰিমাণে প্ৰাচীন ধ্যান-ধাৰণা, ধৰ্মীয় গোড়ামি আদিৰপৰা মুক্ত কৰিবলৈ সক্ষম হৈছিল।

ইউৰোপত যেতিয়া জ্ঞান-বিজ্ঞান তথা দৰ্শনৰ এক বহল ভেটি তৈয়াৰ হ'বলৈ আৰম্ভ কৰিছিল, তাৰো বেছ কিছু বছৰ আগৰপৰাই খ্ৰীষ্টপূৰ্ব এহাজাৰ চন বা তাৰো আগতে ভাৰতবৰ্ষৰ বিশাল বৈদিক সভ্যতাই তেনে এক শক্তিশালী ভেটিৰ ওপৰতেই বিশ্ব-দৰবাৰত থিয় হৈছিল। কিন্তু ইউৰোপত ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত ধাৰাটোৰ বিপৰীতে যেনেকৈ আন এটা বৈজ্ঞানিক চিন্তা তথা যুক্তিবাদৰ বিকল্প ধাৰা সমানেই চলি আছিল তেনে কোনো বিকল্প ধাৰা ভাৰতবৰ্ষত সৃষ্টি হোৱা নাছিল। বৈদিক সভ্যতা-সংস্কৃতিৰ মূল চালিকা শক্তি আছিল বেদ-উপনিষদসমূহ, যাৰ প্ৰাণ পৰিচালিত হৈছিল এনে এক সুসংবদ্ধ দৰ্শনৰদ্বাৰা যি আছিল পূৰ্ণমাত্ৰাই অবৈজ্ঞানিক তথা কল্পনাপ্ৰসূত ভ্ৰান্ত ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সৌ প্ৰাচীন কালতে এই দেশত বিশ্ববিদ্যালয়ও গঢ় লৈ উঠিছিল। গণিত, জ্যোতিৰ্বিদ্যা, চিকিৎসাবিজ্ঞান আদি বিভিন্ন জ্ঞানৰ বেছ অগ্ৰগতি হৈছিল এই দেশত। কিন্তু এই প্ৰতিটো দিশতেই ধৰ্মৰ প্ৰভাৱ আছিল সুস্পষ্ট। এই বিজ্ঞানীসকলৰ চিন্তা-চেতনাত ধৰ্মৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ বাবে বৈজ্ঞানিক মানসিকতাৰ বিকাশ হোৱাৰ কোনো সুযোগ নাছিল।

প্ৰখ্যাত জ্যোতিৰ্বিদ আৰু গণিতশাস্ত্ৰবিদ আল-বেৰুণীয়ে একাদশ শতাব্দীত ভাৰত ভ্ৰমণলৈ আহি আশ্চৰ্যজনকভাৱে লক্ষ্য কৰিছিল যে এই দেশৰ শাস্ত্ৰবিদসকল অত্যন্ত ভীৰু, নিজৰ ধাৰণাৰ ওপৰত তেওঁলোকৰ আস্থা অত্যন্ত কম, ছক্ৰেটিছৰ



দৰে দৃঢ়তাৰ অভাৱ, সামাজিক দুৰ্বলতা আৰু সমাজত দুৰ্নামৰ ভয়।[৪] "প্ৰাচীন গ্ৰীকসকলে যেনেকৈ ধূমকেতু আৰু অন্যান্য জ্যোতিষ্কমণ্ডলীক লৈ বিশদভাৱে বৈজ্ঞানিক গৱেষণা চলাইছিল অতি কমসংখ্যক হিন্দুৱেহে সেইটো কৰিছে, কাৰণ এই বিষয়বোৰত ব্ৰাহ্মণ্যবাদীসকলৰ মতবাদ উপেক্ষা কৰিবলৈ তেওঁলোক অক্ষম।"[৫]

ভাৰতীয় সমাজখনত বেদ-উপনিষদ আৰু ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱত পূজা-পাতল, যাগ-যজ্ঞ, বলিদান, ভাগ্যগণনা, ৰাশিফল চোৱা, জন্ম-কুণ্ডলীত বিশ্বাস, তাবিজ-মাদলি, জৰা-ফুকা, ভূত-প্ৰেত-ডাইনী-যখিনী আদিত বিশ্বাস, জাত-পাতৰ বিচাৰ, অস্পৃশ্যতা আদিৰ ইমানেই পয়োভৰ আছিল যে যুক্তিবাদী চিন্তা-চেতনাই সেই সময়ত মূৰ তুলিবৰ সুৰুঙাই পোৱা নাছিল। পিছলৈ চাৰ্বাক দৰ্শন বা বৌদ্ধ দৰ্শনে বৈদিক বিশ্বাসসমূহৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল যদিও বিশাল বৈদিক সমাজে তাক চেপা মাৰি অৱদমিত কৰিছিল। স্বাভাৱিকতে ভূখণ্ডটোৰ অংশ অসমৰ সামাজিক অৱস্থাও দেশখনৰ মূল ছবিখনৰপৰা পৃথক নাছিল। অসমৰ প্ৰাচীন সামন্তীয় সমাজখনত বৈদিক সভ্যতাৰে লালিত যাগ-যজ্ঞ, পূজা-পাতল, জ্যোতিষ চৰ্চা, ভাগ্য-গণনা আদিৰ পূৰ্ণ পয়োভৰ থকা হিন্দু-ধৰ্মীয় সমাজ এখন গঢ় লৈ উঠিছিল। তাৰ লগে লগে অসমৰ পৰ্বতে-ভৈয়ামে থকা বিভিন্ন জনজাতীয় জনগোষ্ঠীৰ মাজত জনজাতীয় পৰম্পৰা, আচাৰ-নীতি আদিও পূৰামাত্ৰাই বৰ্তি আছিল। এই দুই সমাজত প্ৰচলিত ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা আছিল সম্পূৰ্ণৰূপে অন্ধবিশ্বাসপ্ৰসূত বিভিন্ন কৰ্মকাণ্ডৰ সমষ্টি।

দেশৰ অন্যান্য ঠাইৰ নিচিনা অসমতো অসমীয়া মানুহে বিজ্ঞানভিত্তিক বিভিন্ন কাৰিকৰী কামত নিজকে নিয়োজিত কৰি আহিছিল। লো পগাই হিলৈ-বৰতোপ আদি তৈয়াৰ কৰা, পিতলৰ বাচন তৈয়াৰ কৰা, নৈৰপৰা সোণ কমোৱা আদি কামত অসমীয়া মানুহ পাকৈত আছিল। তাৰ লগে লগে অঙ্কশাস্ত্ৰ, চিকিৎসাবিদ্যা, স্থাপত্যবিদ্যা আদি অনেক বিষয় তাহানিৰ অসমত কম-বেছি পৰিমাণে চৰ্চা হৈছিল। ভাস্কৰাচাৰ্যৰ *লীলাৱতী* কবিৰত্ন দ্বিজে অসমীয়ালৈ ভাঙনি কৰিছিল। মাটিৰ হিচাপ-নিকাচ আদি কামত প্ৰয়োজন হোৱা অঙ্কৰ চৰ্চাত মূলতঃ কায়স্থসকল পাকৈত আছিল, যাৰ বাবে কায়থেলী অঙ্ক নামৰ গণিতৰ এটা ধাৰা সৃষ্টি হৈছিল প্ৰাচীন অসমত। চিকিৎসাবিজ্ঞানৰ চৰ্চাৰ লগে লগে দুই এখন চিকিৎসা পুথি যেনে অনঙ্গ কবিৰাজৰ *বৈদ্য কল্পতৰু* আৰু শ্ৰীদামোদৰৰ *চিকিৎসা সংহিতা* অসমত ৰচিত হৈছিল প্ৰাচীন কালতে। পশুচিকিৎসাৰ পুথি *হস্তী বিদ্যাৰ্ণৱ* এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। সাগৰখৰি দৈৱজ্ঞৰ *ঘোঁৰানিদান* আছিল আন এখন চিকিৎসাপুথি।[৬] কিন্তু দেখা গৈছিল যে হিন্দু-দৰ্শনৰদ্বাৰা প্ৰভাৱিত এনে পুথিসমূহে বৈজ্ঞানিক মানসিকতা বিকাশৰ ক্ষেত্ৰত বিশেষ কোনো ভূমিকা পালন কৰিব পৰা নাছিল। পঞ্চদশ শতিকাত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰে ৰাজ্যখনৰ সামাজিক-সাংস্কৃতিক তথা ধৰ্মীয় দিশত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিবলৈ সক্ষম হৈছিল। হিন্দু-ধৰ্মৰ জাত-পাত আৰু অস্পৃশ্যতাৰ অবৈজ্ঞানিক

ধ্যান-ধাৰণাৰ বিৰুদ্ধে শঙ্কৰদেৱে বিশেষ প্ৰগতিবাদী অৱস্থান গ্ৰহণ কৰিছিল। বহু দেৱতা তথা ঈশ্বৰৰ উপাসনাৰ বিপৰীতে একেশ্বৰ-সাধনাৰ ধাৰণা সমাজত প্ৰতিষ্ঠা কৰি আৰু ব্ৰাহ্মণ্যবাদৰ আধাৰত চলি থকা বিভিন্ন কৰ্মকাণ্ডৰ বিৰুদ্ধে ৰাইজক সজাগ কৰি তুলি তেওঁ অন্ততঃ এটা দিশত প্ৰগতিবাদী চিন্তাৰ ঢৌ জনমানসত বিয়পাই তুলিবলৈ সক্ষম হৈছিল। চুফীবাদত বিশ্বাসী আজান ফকীৰৰ দৰ্শন আৰু কৰ্মৰাজিয়েও সমাজসংস্কাৰত বিশেষ অৱদান আগবঢ়াইছিল। জাতি-ধৰ্ম-বৰ্ণ-গোষ্ঠী-সম্প্ৰদায়ৰ দেৱাল ভাঙি মানুহক তেওঁলোকে বেছ কিছু পৰিমাণে আধুনিক মনৰ অধিকাৰী কৰি তুলিবলৈ সক্ষম হৈছিল। অৱশ্যে বিশ্বজগৎ আৰু ব্যক্তিমানুহ তথা প্ৰাণীজগৎ ঈশ্বৰৰ ইচ্ছানুযায়ীহে পৰিচালিত হয় বুলি বিশ্বাস কৰা এই দৰ্শনে আধুনিক যুক্তিবাদলৈ বিশেষ কোনো অৰিহণা যোগাব পৰা নাছিল।

এইদৰে প্ৰায় ওঠৰ শতিকাৰ শেষলৈকে ভাৰতবৰ্ষৰ অন্যান্য অংশৰ লগতে অসমতো বৈজ্ঞানিক মানসিকতাৰ উন্মেষ ঘটিব পৰা বিশেষ কোনো পৰিঘটনা লক্ষ্য কৰা নাযায়। ভাৰতবৰ্ষত প্ৰচলিত প্ৰাচীনপন্থী চিন্তা-চেতনাৰ বিপৰীতে আধুনিক যুক্তিবাদ তথা বিজ্ঞান-চেতনা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত স্বাভাৱিকতে দেশখনত ব্ৰিটিছৰ আগমন তথা ঔপনিৱেশিক শাসন প্ৰতিষ্ঠাপন আৰু পছিমীয়া শিক্ষাব্যৱস্থাৰ প্ৰৱৰ্তন আছিল আটাইতকৈ উল্লেখযোগ্য ঘটনা। পলাশীৰ যুদ্ধৰ পিছৰেপৰা অসমৰ চুবুৰীয়া ৰাজ্য বঙ্গদেশত ব্ৰিটিছে খোপনি লয় আৰু লাহে লাহে বিশাল ব্ৰিটিছ সাম্ৰাজ্যৰ ভেটি সুদৃঢ় কৰিবলৈ আৰম্ভ কৰে। তাৰ বাবেই ব্ৰিটিছে দেশত গঢ়ি তুলিছিল বিভিন্ন কল-কাৰখানা, প্ৰৱৰ্তন কৰিছিল ৰেল-সেৱা আৰু স্থাপন কৰিছিল আধুনিক চিকিৎসালয়। ফলত দেশখনত ব্যাপক হাৰত আধুনিক বিজ্ঞানৰ প্ৰয়োগ হৈছিল। এনে ব্যৱস্থাবোৰৰ লগতে শাসন-ব্যৱস্থাৰ কামকাজ পৰিচালনা কৰিবলৈ স্থানীয় মানুহক শিক্ষিত কৰি কামত নিয়োগ কৰাটো ব্ৰিটিছৰ বাবে অত্যন্ত জৰুৰী হৈ পৰিছিল। সেইবাবে দেশখনত পছিমীয়া আৰ্হিৰ শিক্ষাব্যৱস্থাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাবলৈ তেওঁলোক বাধ্য হৈছিল। বঙ্গদেশ অধিকাৰ কৰাৰ পিছৰপৰাই ইংৰাজে বিভিন্ন ঠাইত পছিমীয়া আৰ্হিৰ স্কুল খুলি আধুনিক শিক্ষা প্ৰচাৰৰ দিহা কৰিছিল। ১৮১৭ চনত আনকি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হিন্দু কলেজ প্ৰতিষ্ঠা কৰা হয়। পিছলৈ এই কলেজৰেই নাম হয়গৈ প্ৰেছিডেন্সি কলেজ। স্বাভাৱিকতে এই সময়ছোৱাৰপৰাই কলিকতা হৈ উঠিছিল আধুনিক জ্ঞান-বিজ্ঞান, কলা আৰু দৰ্শনৰ আকৰ্ষণীয় কেন্দ্ৰ। শাসন পৰিচালনাৰ বাবে ভাৰতীয়ৰ মাজৰপৰা সাধাৰণ কেৰাণী-মহৰি তৈয়াৰ কৰাহে যদিও ব্ৰিটিছৰ মূল উদ্দেশ্য আছিল, পৰোক্ষভাৱে এই শিক্ষাব্যৱস্থাৰ প্ৰচলনত আন এটা মহান কাৰ্যও সম্পাদিত হ'ল। ভাৰতৰ হেজাৰ বছৰীয়া প্ৰাচীনপন্থী চিন্তাৰ বিপৰীতে আধুনিক শিক্ষাৰ পোহৰত দেশৰ মানুহৰ মনত নতুন চিন্তা তথা বৈজ্ঞানিক ধ্যান-ধাৰণাৰ উদ্ৰেক হ'বলৈ ধৰিলে। ৰাজা ৰামমোহন ৰায়ৰ দৰে বিশাল প্ৰতিভাধৰ ব্যক্তিৰো উন্মেষ ঘটিছিল এই সময়তেই। তেওঁৰ পিছে পিছে আগবাঢ়ি আহিছিল ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আৰু অনেকজন। পছিমীয়া শিক্ষাৰ হাতে হাত ধৰি ইউৰোপীয়



নৱজাগৰণৰ নৱচিন্তাৰ ঢৌৱে বঙ্গদেশতো প্ৰগতিবাদী চিন্তাৰ বিৰাট খলকনি তুলিবলৈ আৰম্ভ কৰিলে। তাৰ ফল হ'ল - যুগ যুগ ধৰি সমাজত প্ৰচলিত পশ্চাৎমুখী ক্ৰিয়াকাণ্ড, যেনে - সতীদাহ, বাল্যবিবাহ, বিধৱাবিবাহত সামাজিক বাধা, অস্পৃশ্যতা আদিৰ বিৰুদ্ধে প্ৰবল জনমতৰ সৃষ্টি হ'ল। আনকি ডেভিড হেয়াৰ আৰু ডিৰ'জিঅ'ৰ নেতৃত্বত গঠিত ইয়ং বেংগল নামৰ সংগঠনটোৱে ধৰ্ম আৰু ঈশ্বৰকে ধৰি সকলো ধৰণৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে ৰণহুংকাৰ তুলি বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ কামত উঠি পৰি লাগিল।

বঙ্গদেশৰ এই নৱজাগৰণৰ ঢৌৱে অসমক স্পৰ্শ কৰিবলৈ বেছি পৰ নালাগিল। প্ৰাক্-ঐতিহাসিক কালৰপৰাই চুবুৰীয়া দেশ হিচাপে অসম আৰু বঙ্গদেশৰ মাজত আছিল এক ঘনিষ্ঠ যোগাযোগ। ৰাজনৈতিক আৰু ধৰ্মীয় তথা সামাজিক-সাংস্কৃতিক কাৰণত দুয়ো দেশৰ মাজত মানুহৰ সঘন অহা-যোৱা আছিল। বঙ্গদেশত আধুনিক শিক্ষাৰ প্ৰসাৰৰ লগে লগে সমসাময়িক অসমৰ ডা-ডাঙৰীয়া আৰু সমাজৰ সচেতন লোকসকলৰ সতি-সন্ততিসকলেও কলিকতালৈ ঢাপলি মেলিবলৈ আৰম্ভ কৰিলে - জ্ঞান আহৰণৰ উদ্দেশ্যে। অসমত আধুনিকতাৰ পোহৰ পৰি বিজ্ঞান-চেতনাই বিকাশ লাভ কৰাৰ এয়াই আছিল আৰম্ভণী পৰ্ব।

সেই সময়ত অসমৰ দেশীয় শিক্ষাৰে শিক্ষিত ব্যক্তিসকলৰ ভিতৰত হলিৰাম ঢেকিয়াল ফুকন আছিল অন্যতম। তেওঁ আছিল পিতৃ পৰশুৰামৰ বৰপুত্ৰ। অৰ্থাৎ পিতৃৰ মৃত্যুৰ পিছত পিণ্ডদান কৰাৰ দায়িত্ব তেওঁৰেই আছিল। আৰু সেই বাবে ইংৰাজী শিক্ষা শিকি 'জাত যোৱা'ৰ ভয়তে তেওঁক ইংৰাজী পঢ়াৰপৰা বিৰত ৰখা হৈছিল।[৭] অৱশ্যে তেওঁ নিজে বাংলা পঢ়িব আৰু লিখিব পাৰিছিল। আৰু বাংলা ভাষাত লিখা তেওঁৰ *আসাম বুৰঞ্জী* নামৰ কিতাপখন আছিল প্ৰথম প্ৰকাশিত অসম বুৰঞ্জী। ১৮২৯ চনত এই কিতাপখনে ছপা আকাৰত আত্মপ্ৰকাশ কৰে।[৮]

হলিৰামৰ ভ্ৰাতৃ যজ্ঞৰাম খাৰঘৰীয়া ফুকনে কিন্তু ইংৰাজী শিক্ষা লাভ কৰিছিল আৰু তেৱেঁই আছিল ইংৰাজী শিক্ষাৰে শিক্ষিত প্ৰথমজন অসমীয়া।[৯] তেওঁ ১৮৩১ চনত কলিকতাৰপৰা প্ৰকাশিত *সমাচাৰ দৰ্পণ* কাকতত "Lucy and Her Bird" নামৰ ইংৰাজী কবিতা এটাৰ বাংলা অনুবাদ প্ৰকাশ কৰিছিল।[১০] আধুনিক শিক্ষাৰে শিক্ষিত হৈ তেওঁ নিজকে অন্ধবিশ্বাস-কুসংস্কাৰৰপৰা মুক্ত কৰিব পাৰিছিল। বিজ্ঞান-চেতনাৰ বাবেই যজ্ঞৰামে ইউৰোপীয়সকলৰ লগত বহি যিকোনো খাদ্যগ্ৰহণ, সুৰাপান আনকি গোমাংস ভক্ষণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। তেওঁ বিভিন্ন তৰহৰ সুৰা আৰু ইউৰোপীয় খাদ্য ক্ৰয় কৰিছিল। ৰাজা ৰামমোহন ৰায়ৰ সংস্পৰ্শলৈ আহি তেওঁ ব্ৰাহ্মধৰ্মৰদ্বাৰা প্ৰভাৱিত হৈছিল আৰু ৰামমোহনৰপৰা উপদেশ আৰু শিক্ষা লাভ কৰিছিল। ৰামমোহনে যিসকলৰ লগত প্ৰথমে ব্ৰহ্মোপাসনা কৰিছিল তাৰ ভিতৰত যজ্ঞৰামো এজন আছিল। তেওঁৰ এনে আচৰণৰ বাবেই যজ্ঞৰাম খ্ৰীষ্টান হ'ল বুলি জনৰৱ উঠিছিল। আধুনিক মনৰ অধিকাৰী যজ্ঞৰামে সংস্কৃত, বাংলা, ইংৰাজী, পাৰ্ছী, আৰবী, ভূটীয়া, উৰ্দু প্ৰভৃতি ভাষা ভালকৈ জানিছিল। ১৮৩৫ চনত

গুৱাহাটীত স্থাপন কৰিবলগীয়া ইংৰাজী স্কুলখনৰ বাবে তেওঁ আৰ্থিক সাহায্যও দান কৰিছিল।[১১]

অসমীয়া ভাষাত প্ৰথম অভিধান লিখোঁতা যাদুৰাম ডেকাবৰুৱা (জন্ম ১৮০১ চন) সতীদাহ প্ৰথাৰ প্ৰচণ্ড বিৰোধী আছিল আৰু বিধৱা-বিবাহৰ পক্ষে মাত মাতিছিল। সমাজৰ সকলো ৰক্ষণশীলতাৰ বিৰুদ্ধে থিয় দি তেওঁ নিজে বিধৱা বিয়া কৰাইছিল।[১২] আন এজন শিক্ষিত অসমীয়া গঙ্গাগোবিন্দ ফুকনে ইংৰাজী আদব-কায়দা শিকিছিল আৰু জাত-পাতৰ লেখীয়া পশ্চাৎমুখী ধাৰণাৰ বিপৰীতে হিন্দু-সমাজখন সংস্কাৰ কৰি অসমৰ সামাজিক আৱৰ্জনা দূৰ কৰাৰ ইচ্ছা পোষণ কৰিছিল। স্ত্ৰীশিক্ষাৰ প্ৰতি তেওঁৰ পৰম আগ্ৰহ আছিল আৰু শিৱসাগৰত প্ৰথম ১৮৭০ চনত স্ত্ৰীশিক্ষাৰ স্কুল স্থাপন কৰিছিল।[১৩]

১৮৩৫ চনত গুৱাহাটীত অসমৰ প্ৰথমখন ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা হয়। এতিয়াৰ কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক স্কুলখনেই আছিল সেই সময়ত প্ৰতিষ্ঠিত ইংৰাজী স্কুল। ঠিক তাৰ আগে আগে — ১৮২৯ চনত — আধুনিক অসমৰ মূল খনিকৰ, হলিৰাম ঢেকিয়াল ফুকনৰ জ্যেষ্ঠপুত্ৰ আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হয় গুৱাহাটীত। ১৮৩৭ চনত তেওঁ গুৱাহাটীৰ ইংৰাজী স্কুলত নাম লগায় আৰু তাত চাৰি বছৰ অধ্যয়ন কৰি মাত্ৰ ১২ বছৰ বয়সতে উচ্চশিক্ষাৰ বাবে কলিকতালৈ ৰাওনা হয়। কলিকতাৰ হিন্দু কলেজত তেওঁ তিনি বছৰ অধ্যয়ন কৰি অসমলৈ উভতি আহে। অসমত তেওঁ ইংৰাজ চৰকাৰৰ অধীনত প্ৰশাসনিক উচ্চ পদবীত নিষ্ঠা, সততা আৰু দক্ষতাৰে চাকৰি কৰিছিল।

আনন্দৰামে কলিকতাত অধ্যয়ন কৰি থকা সময়ছোৱাত কলিকতা মহানগৰ বঙ্গীয় নৱজাগৰণৰ ঢৌত উত্তাল হৈ আছিল। স্বাভাৱিকতে আনন্দৰামৰ চিন্তা-চেতনাও আধুনিক জ্ঞান-বিজ্ঞানৰ নতুন আবিষ্কাৰ তথা দৰ্শনৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল। হিন্দু-ধৰ্মৰ স'তে জড়িত কুসংস্কাৰসমূহৰ বিৰুদ্ধে তেওঁ সচেতন হৈ উঠিছিল। এনে কুসংস্কাৰ-অন্ধবিশ্বাস ৰাজ্যখনৰপৰা আঁতৰাবৰ বাবে অসমীয়া মানুহে ইংৰাজী শিক্ষাৰে শিক্ষিত হোৱাটো তেওঁ কামনা কৰিছিল। অসমত কাৰিকৰী শিক্ষাৰ বিদ্যালয় প্ৰতিষ্ঠা কৰা, আৰু জৰা-ফুকা, তাবিজ-মাদলিৰ প্ৰচলন হৈ থকা ৰাজ্যখনত আধুনিক চিকিৎসা-বিজ্ঞানৰ প্ৰসাৰৰ বাবে তেনে বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ হকে তেওঁ ইংৰাজৰ ওচৰত আৰ্জি পেচ কৰিছিল। আনকি তেওঁ জন্ম-মৃত্যু আৰু বিবাহ-পঞ্জীয়নৰ বাবেও মত প্ৰকাশ কৰিছিল। ১৮৫৩ চনত ইংৰাজৰ উচ্চ বিষয়া মফট্ মিল্‌ছ অসমলৈ অহাত অসমৰ জনসাধাৰণৰ এশ এবুৰি সমস্যা সমাধানৰ হকে তেওঁ মিল্‌ছৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰখনৰপৰাই তেওঁৰ যুক্তিবাদী আধুনিক মানসিকতাৰ উমান পোৱা যায়। ইয়ং বেংগলৰ দৰে জংগী যুক্তিবাদীসকলৰ আদৰ্শৰ প্ৰতিও তেওঁ আকৰ্ষিত হৈছিল। হেমচন্দ্ৰ বৰুৱালৈ তেওঁ লিখা চিঠি এখনৰপৰাই এই কথা বুজিব পাৰি।[১৪] আনন্দৰামৰ বিজ্ঞানসন্মত ভাৱধাৰা সেই সময়ৰ ৰক্ষণশীল অসমীয়া সমাজখনে ভাল চকুৰে চাব পৰা নাছিল। তেওঁৰ জীয়েক অসমৰ প্ৰথম



মহিলা সাংবাদিক পদ্মাৱতীক নন্দীশ্বৰ বৰুৱাই বিয়া কৰোৱাৰ পিছত নন্দীশ্বৰে তেওঁৰ জ্ঞাতি-গোত্ৰৰপৰা ইমানেই তিৰস্কাৰ পাইছিল যে শেষত বিৰক্তিতে তেওঁৰ নিজৰ পৈতৃক উপাধি এৰি 'ফুকন' উপাধি লিখিবলৈ লৈছিল।[১৫]

আধুনিক অসমৰ কুসংস্কাৰবিৰোধী ঐতিহ্যৰ আন এজন বাৰ্তাবাহক আছিল সাহিত্যিক, সাংবাদিক, বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱা। তেওঁ এফালে আনন্দৰাম ঢেকিয়াল ফুকনৰ আদৰ্শ আৰু আনফালে কলিকতাত অধ্যয়ন কৰা সময়ত বঙ্গীয় নৱজাগৰণৰ বাণীৰদ্বাৰা অনুপ্ৰাণিত হৈ সমাজৰ প্ৰচলিত ধ্যান-ধাৰণাৰ বিপৰীতে কেৱল থিয় দিয়াই নহয়, নিজেও বিধৱা এগৰাকীৰ পাণিগ্ৰহণ কৰি আৰু নিজৰ বিধৱা জীয়েকক পুনৰায় বিয়া দি নিজৰ আধুনিক মানসিকতা প্ৰতিপন্ন কৰিছিল। ১৮৩৭ চনত (আন এটা মত অনুযায়ী ১৮৩৪ চনত) যোৰহাটত তেওঁৰ জন্ম হৈছিল।[১৬] অসমত আধুনিক জ্ঞান-বিজ্ঞানৰ বাতৰি বিলাবৰ বাবে *আসাম-বন্ধু* কাকতখনৰ মাজেৰে আৰু নানা লিখনিৰদ্বাৰা তেওঁ অবিৰাম প্ৰচেষ্টা চলাইছিল।

গুণাভিৰাম বৰুৱাৰ সমসাময়িক হেমচন্দ্ৰ বৰুৱাই কলিকতালৈ যোৱা নাছিল বা কোনো বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা লাভ কৰা নাছিল। তথাপি তেওঁৱেই আছিল সমসাময়িক অসমৰ আটাইতকৈ অগ্ৰণী বিজ্ঞান-চেতনাসম্পন্ন ব্যক্তি। *হেমকোষ*ৰ ৰচক আৰু অসমীয়া ভাষাৰ ওজা হিচাপে খ্যাত এইগৰাকী মনীষীয়ে ধৰ্ম, ঈশ্বৰ আদি একোতে বিশ্বাস কৰা নাছিল। জাত-পাত, ভূত-প্ৰেত, বেজালি, জ্যোতিষীৰ ভৱিষ্যৎ-গণনা আদি সকলো অন্ধবিশ্বাসৰ বিৰুদ্ধে তেওঁ অসমৰ সমাজখনক সজাগ কৰাৰ চেষ্টা কৰিছিল। তেওঁৰ *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* কিতাপখনত তেওঁৰ উন্নত বৈজ্ঞানিক মানসিকতা বাৰুকৈয়ে পৰিস্ফুট হৈ উঠিছে। স্ত্ৰীশিক্ষা, স্ত্ৰী-স্বাধীনতা আৰু বিধৱাবিবাহৰ পক্ষে তেওঁ আছিল এজন সৰৱ যোদ্ধা। সমাজত বিধৱাবিবাহ এক প্ৰকাৰ নিষিদ্ধ থকা হেতুকে তাৰ প্ৰতিবাদ কৰি তেওঁ ভৰ যৌৱনতে নিজৰ স্ত্ৰীক হেৰুৱায়ো দ্বিতীয় বিবাহ কৰোৱা নাছিল। আত্মা-পৰমাত্মাত বিশ্বাস নথকা এইজন বিজ্ঞানমনস্ক ব্যক্তিয়ে মৃত্যুৰ পিছত তেওঁৰ শৱটো সৎকাৰ কৰাৰ কোনো প্ৰয়োজন নাই বুলি নিজেই লিখি থৈ গৈছিল।[১৭] তেওঁ নিজে ব্ৰাহ্মণ হৈয়ো শূদ্ৰ ৰান্ধনিয়ে ৰন্ধা ভাত খাইছিল। এনেবোৰ কাৰণতেই সমসাময়িক হিন্দু অসমীয়া সমাজখনে তেওঁক বৰ্জন কৰি চলিছিল। আনকি তেওঁৰ মৃত্যুৰ পিছতো তেওঁৰ শৱদেহ কঢ়িয়াই নিবলৈ প্ৰথম অৱস্থাত এই অসমীয়া সমাজখন আগবাঢ়ি অহা নাছিল। অৱশ্যে কিছুসংখ্যক বাঙালী ভদ্ৰলোকে তেওঁৰ শৱদেহ দাহ কৰাৰ কাৰণে লৈ যাবলৈ ওলোৱাৰ পিছতহে অসমীয়া লোকসকল আগবাঢ়ি আহিছিল।

১৮৬৯ চনত বিলাতলৈ গৈ উচ্চশিক্ষা আহৰণ কৰা সমসাময়িক ভাৰতবৰ্ষৰ উজ্জ্বল তাৰকা, বিদগ্ধ পণ্ডিত আনন্দৰাম বৰুৱা আছিল লণ্ডনলৈ যোৱা প্ৰথমজন অসমীয়া ব্যক্তি। তেওঁ বিজ্ঞান, কলা, সংস্কৃত সাহিত্য আৰু প্ৰশাসন বিষয়ত অগাধ জ্ঞান আয়ত্ত কৰাৰ উপৰি নিজৰ মনটোকো বিজ্ঞান-চেতনাৰে উদ্ভাসিত কৰি তুলিছিল। বিলাতৰপৰা ঘূৰি আহোঁতে তেওঁক 'জাত যোৱা'ৰ অপৰাধত ঘৰত

সোমাবলৈ দিয়া হোৱা নাছিল আৰু নিজকে প্ৰায়শ্চিত্ত কৰি শুদ্ধ হ'বলৈ কোৱা হৈছিল। কিন্তু আধুনিক যুক্তিবাদত বিশ্বাসী আনন্দৰামে এনে কথাত মুঠেও সম্মতি নজনালে। তেওঁ যেতিয়া শিৱসাগৰত এছিষ্টেণ্ট কমিছনাৰ হৈ আছিল, বিলাত-ফেৰৎ বিখ্যাত ডাক্তৰ আৰু আনন্দৰামৰ বাল্যবন্ধু জালনুৰ আলী আহমেদো শিৱসাগৰত ছাৰ্জন হৈ আছিল। এদিন নৈশ ভোজলৈ নিমন্ত্ৰণ জনাই ইংৰাজ চাহাব এজনে দুয়োকে তেওঁৰ লগতে একেলগে একেখন টেবুলতে খাবলৈ নিদিয়াৰ বাবে তাৰ প্ৰতিবাদত দুয়ো নৈশ ভোজৰপৰা ওলাই আহিছিল।[১৮]

১৮৯৬ চনত হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পিছত অসমত যুক্তিবাদী চিন্তা-চেতনাৰ বুৰবুৰণি লাহে লাহে মাৰ যাবলৈ আৰম্ভ কৰিছিল। অৱশ্যে তেওঁলোকৰ উত্তৰসূৰি হিচাপে কুৰি শতিকাৰ প্ৰথম ভাগতো আন কেইজনমান প্ৰগতিশীল অসমীয়াই কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে জনসজাগতা সৃষ্টি কৰাৰ চেষ্টা চলাইছিল। ধৰ্ম-ঈশ্বৰ আদিত বিশ্বাস কৰিও সেই সময়ৰ শিক্ষিত অসমীয়া বহুতেই ধৰ্মৰ নামত চলা কুসংস্কাৰ, জাত-পাতৰ বিচাৰ আদি কোনোপধ্যেই সমৰ্থন কৰা নাছিল। নিজে এজন পৰম ধাৰ্মিক হৈয়ো লক্ষ্মীনাথ বেজবৰুৱাই ব্ৰাহ্মণ্য ধৰ্মৰ সকলো কথা নিৰ্বিবাদে মানি লোৱা নাছিল। তেওঁ প্ৰকৃতাৰ্থত ব্ৰাহ্মধৰ্মতহে আস্থা ৰাখিছিল। সেয়েহে নিজৰ বিয়াখনো আদি ব্ৰাহ্মসমাজৰ মতেহে হৈছিল। তাত হোম পোৱা নহৈছিল।[১৯]

পাশ্চাত্য উচ্চশিক্ষাৰে শিক্ষিত হৈ লক্ষ্মীনাথে মদ-মাংস খাইছিল, চাহাবৰ দৰে পোছাক-পৰিচ্ছদ পৰিধান কৰিছিল আৰু আধুনিক জীৱন-যাপন কৰিছিল। তেওঁ নিজৰ জীৱনত ভালেমান অন্ধপ্ৰথা আৰু সংস্কাৰ আচৰিত ধৰণে আওকাণ কৰিছিল। পৰিয়ালৰ অমতত ৰবীন্দ্ৰনাথৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞাসুন্দৰীৰ সৈতে তেওঁ ব্ৰাহ্ম-ধৰ্মৰ নিয়ম মতে বিয়া পতাক লৈ শিৱসাগৰৰ ঘৰত তুমুল প্ৰতিক্ৰিয়া হৈছিল। বিয়াৰ পিছত তেওঁ শিৱসাগৰৰ নিজ ঘৰলৈ আহি সন্মুখীন হোৱা এই প্ৰতিক্ৰিয়াৰ কথা ৩০ মে' ১৮৯১ তাৰিখে প্ৰজ্ঞাসুন্দৰীলৈ লিখা চিঠিখনত পৰিষ্কাৰভাৱে প্ৰকাশ পাইছিল। তেওঁ লিখিছিল যে ঘৰলৈ আহি তেওঁ পিতৃ-মাতৃ আৰু অন্যান্যসকলৰপৰা তেনেই শীতল অভ্যৰ্থনাহে লাভ কৰিছিল। সেয়া যেন আছিল চকুলো আৰু হুমুনিয়াহ ভৰা অভ্যৰ্থনা। তেওঁলোকে ভাল পোৱা হিন্দু-ধৰ্মীয় ৰীতি-নীতি আৰু সামাজিক পৰম্পৰাই তেওঁলোকক প্ৰচণ্ড ৰক্ষণশীল আৰু ঠেক মনৰ কৰি গঢ়ি তোলা বুলিও চিঠিখনত তেওঁ উল্লেখ কৰিছিল। লগতে লিখিছিল যে এয়া তেওঁলোকৰ দোষ নাছিল, দোষ আছিল প্ৰচলিত ধৰ্মীয় আৰু সামাজিক এই প্ৰথাসমূহৰ।[২০] কেৱল সেয়াই নহয়, বেজবৰুৱাই তেওঁৰ লিখনিৰ মাজেৰে সমাজত প্ৰচলিত জাত-পাতৰ বিচাৰ, কুটিল ব্ৰাহ্মণ্যবাদী কৰ্মৰাজি আদিৰ বিৰুদ্ধেও তেওঁৰ প্ৰগতিশীল মনৰ পৰিচয় দিছে। *বাঁহী*ৰ জৰিয়তে তেওঁ বিজ্ঞান বিষয়ক আৰু স্বাস্থ্য-বিষয়ক বিভিন্ন নতুন নতুন বাতৰি ৰাইজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছিল।

গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে ধৰ্মীয় উদাৰতাতহে বিশ্বাস কৰিছিল। ধৰ্মৰ সৈতে জড়িত কুসংস্কাৰসমূহৰপৰা তেওঁ নিজেও মুক্ত



আছিল আৰু সমাজখনকো মুক্ত কৰাৰ চেষ্টা কৰিছিল। জাতি-বৰ্ণনিৰ্বিশেষে সকলোকে সমানভাৱে চাইছিল আৰু হৰিজনসকলকো সমাজত উচ্চ স্থান দিবলৈ চেষ্টা কৰিছিল।[২১]

যুক্তিবাদৰ এনে প্ৰবক্তাসকলৰ এজন আছিল কালিৰাম মেধি (১৮৭৮-১৯৫৪)। *আসাম বান্ধৱ* নামৰ আলোচনীখনৰ দ্বিতীয় বছৰ, ৯ম সংখ্যাত (১৯১১ চন) তেওঁ আজিৰপৰা প্ৰায় ১০০ বছৰ আগৰ অসমৰ সমাজজীৱনত প্ৰচলিত কুসংস্কাৰ, ধৰ্মীয় বিশ্বাস আদিৰ আচল ৰূপ উদঙাই দি ৰাইজক সজাগ কৰাৰ বাবে "কুসংস্কাৰ" নামৰ এটি প্ৰবন্ধ প্ৰকাশ কৰিছিল। সাহিত্যিক পদ্মনাথ গোহাঞিবৰুৱাই ১৯২৪ চনত প্ৰকাশ কৰা ভূত *নে ভ্ৰম* নামৰ ধেমেলীয়া নাটকৰ মাজেৰে অসমীয়া মানুহক ভূত-প্ৰেতৰ বিৰুদ্ধে সজাগ কৰাৰ চেষ্টা কৰিছিল। এই নাটকৰ এটা চৰিত্ৰ মুক্তিনাথৰ মুখেদি লিখকে কৈছে: "অন্ধবিশ্বাসত আমাৰ সমাজ তল গ'ল। অজ্ঞান গঞাই ৰোগ-ব্যাধিৰ আচল কাৰণ ঢুকি নাপায়। ভূত বুলি এবিধ মনে-পতা দেওহে তাৰ কাৰণ বুলি বিশ্বাস কৰে। বেজে ভূত খেদিবলৈ বুলি ৰোগীৰ নাকত পকা জলকীয়া গুজি ৰোগৰ বিকাৰ চৰায়! বহুতে ভূতৰ ভয়ত দুৱাৰ মাৰি ভিতৰত বিশুদ্ধ বায়ু সোমোৱাত বাধা দিয়ে; দৰপ-পাতিৰ সলনি জৰা-ফুকা কৰে। ভূত বিশ্বাস মানুহৰ স্বভাৱত পৰিণত হৈছে। ভূতৰ ভয়ত মন অস্থিৰ হয়; আৰু মনৰ অস্থিৰতাত আমাৰ অশিক্ষিত মানুহে ছাঁটোকে বাঘটো দেখাৰ দৰে, ভূতৰ ভয়ঙ্কৰ ৰূপ দেখে।"[২২]

১৯২৮ চনৰ ১৯ ফেব্ৰুৱাৰিৰ *অসমীয়া* কাকতত ত্যাগবীৰ হেম বৰুৱাই "ধৰ্ম আৰু শাসন যন্ত্ৰ" নামৰ প্ৰবন্ধৰ জৰিয়তে ধৰ্ম যে প্ৰকৃততে মানৱ-শোষণৰহে হাতিয়াৰ তাক স্পষ্ট ৰূপত প্ৰকাশ কৰিছিল। ১৮৯৭ চনত জন্মগ্ৰহণ কৰা দেশপ্ৰাণ লক্ষীধৰ শৰ্মাও আছিল হেমচন্দ্ৰ বৰুৱাৰ দৰেই পূৰামাত্ৰাই বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী। সমাজত প্ৰচলিত অন্ধবিশ্বাস, বেজ-বেজালি, নাৰীৰ প্ৰতি অৱহেলা আদিৰ বিৰুদ্ধে তেওঁ সদা সৰৱ আছিল। "অসমীয়া নাৰী সম্বন্ধে আঁষাৰদিয়েক" প্ৰবন্ধৰ মাজেৰে বিধৱাবিবাহৰ বিপক্ষে থিয় দিয়াসকলক ক্ষুৰধাৰ সমালোচনা কৰি দুহাজাৰ বছৰ আগৰ ঋষি মনুৰ পশ্চাৎপদ চিন্তাৰ ভেদ ভাঙি কৈছিল যে মনুৰ দিনৰ সমাজ তথা চিন্তাৰ ঠাইত আজি নতুন চিন্তাই মানৱসমাজক আলোকিত কৰিছে।[২৩] ঈশ্বৰ মানুহৰ কল্পনাৰ এক অদ্ভুত সৃষ্টি আৰু ঈশ্বৰে নিৰ্বাসন ল'লেহে মানুহৰ স্বাধীনতা পূৰ্ণ হ'ব পাৰে বুলি তেওঁ বিশ্বাস কৰিছিল। "মানুহৰ স্বাধীনতা পূৰ্ণ হ'ব পাৰে/নিৰ্বাসন লয় যদি কল্পিত ঈশ্বৰে" — লক্ষীধৰ শৰ্মাৰ কবিতা 'ঈশ্বৰ'ৰ শেষ পঙক্তি।

কুসংস্কাৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা আন এজন ব্যক্তি আছিল কমলাকান্ত ভট্টাচাৰ্য। ব্ৰাহ্মণ্যবাদীসকলৰ কুকৰ্ম, যেনে - জাত-পাত, অস্পৃশ্যতা আদিৰ বিৰুদ্ধে তেওঁ খোলাখুলিকৈ বিদ্ৰোহ ঘোষণা কৰিছিল। নিজে ব্ৰাহ্মণ হৈয়ো তেওঁ লগুণ নিপিন্ধিছিল। অসমীয়া গোড়া বামুণ গোসাঁইৰ ধাৰণাত

তেওঁ আছিল 'মেলেছ'।[২৪] তেওঁ বিশ্বনাথৰ গোড়া ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিলেও এবাৰ কলিকতাৰপৰা অহাৰ পিছত তেওঁক খোৱা-বোৱাৰ সংস্কাৰ ভঙাৰ দোষত সমাজে প্ৰায়শ্চিত্ত হ'বলৈ কোৱাত তেওঁ মৰ্মান্তিক আঘাত পায়। তেওঁ যুক্তিৰ তাড়নাত ব্ৰাহ্মণ্য ধৰ্ম এৰি ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰে আৰু যোৰহাটৰ এগৰাকী বিধৱা ব্ৰাহ্মণ কন্যাৰ পাণিগ্ৰহণ কৰে।[২৫]

ত্যাগবীৰ হেম বৰুৱায়ো ব্ৰাহ্মণ্য সংস্কাৰত বিশ্বাস হেৰুৱাইছিল। আনহাতে দেশভক্ত তৰুণৰাম ফুকন আৰু চন্দ্ৰনাথ শৰ্মাই বাল্যবিবাহৰ বিৰুদ্ধে সমাজত এটা আন্দোলন গঢ়ি তুলিছিল।[২৬] তৰুণৰাম ফুকনৰ সৈতে লগ লাগি চন্দ্ৰনাথে গুৱাহাটীত এখন সভা পাতি পেটেলৰ অসবৰ্ণ বিবাহৰ বিলৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।[২৭]

অসমৰ আন এজন সুপুত্ৰ বিখ্যাত দাৰ্শনিক ভবানন্দ দত্ত আছিল প্ৰগতিশীল চিন্তা-চেতনাৰ বাৰ্তাবাহক। হিন্দু-দৰ্শনৰ জন্মান্তৰবাদ, কৰ্মবন্ধনৰপৰা মুক্তি আদি পশ্চাৎমুখী ধাৰণাৰ বিৰুদ্ধে তেওঁ দ্বিধাহীন বক্তব্য এনেদৰে দাঙি ধৰিছিল: "বিশেষকৈ এই জন্মান্তৰবাদ আৰু কৰ্মবন্ধনৰ ধাৰণা সমাজৰ প্ৰগতি আৰু কল্যাণসাধনৰ পথত আটাইতকৈ প্ৰধান বাধা; ই মানুহক ৰক্ষণশীল কৰে, ভাগ্যত বিশ্বাসী কৰি ভাগ্যক জয় কৰিব পৰা পুৰুষাৰ্থৰ পৰা নিচেষ্ট কৰে।"[২৮] *দৃষ্টি আৰু দৰ্শন* নামৰ গ্ৰন্থত লিখা তেওঁৰ লিখনিসমূহৰপৰা বুজা যায় যে মাৰ্ক্সবাদকেই তেওঁ জীৱনৰ দৰ্শন হিচাপে গ্ৰহণ কৰিছিল আৰু তাৰদ্বাৰাই বৈজ্ঞানিক ধ্যান-ধাৰণাসম্পন্ন মানসিকতাৰো অধিকাৰী হৈছিল।

এইদৰে শিক্ষিত মধ্য শ্ৰেণী এটা গঢ়ি তোলাৰ মাজেৰে অসমৰ সমাজজীৱনত যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত এক সংস্কাৰমুখী চেতনা গঢ়ি তোলাৰ ক্ষেত্ৰত ব্ৰিটিছৰদ্বাৰা প্ৰচলিত শিক্ষাব্যৱস্থাই এক প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। এই শ্ৰেণীৰ লোকসকলৰ প্ৰত্যেকজনেই হয়তো হেমচন্দ্ৰ বৰুৱা আৰু লক্ষীধৰ শৰ্মাৰ দৰে সকলো ধৰণৰ অবৈজ্ঞানিক ধ্যান-ধাৰণা তথা ধৰ্ম আৰু ঈশ্বৰৰ অস্তিত্বকো নাকচ কৰিব পৰা ধৰণৰ সম্পূৰ্ণ বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী নাছিল। অৱশ্যে বহু পৰিমাণে তেওঁলোক কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰপৰা মুক্ত আছিল আৰু সমাজখনকো সিবোৰৰপৰা মুক্ত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ঊনৈছ শতিকাত খ্ৰীষ্টান মিছনেৰি আৰু শিক্ষিত অসমীয়াসকলৰ উদ্যোগত অসমত বাতৰি-কাকত, আলোচনী আৰু কিতাপ প্ৰকাশৰো এটা ঢৌ প্ৰবাহিত হৈছিল। ছপা মাধ্যমৰ মাজেৰে অসমৰ জকাইচুকীয়া গাঁৱলৈকো দেশ-বিদেশৰ বিভিন্ন সামাজিক, ৰাজনৈতিক বাতৰিৰ লগতে বিজ্ঞান, স্বাস্থ্য আদিৰ নতুন নতুন বাতৰিও প্ৰচাৰিত হৈছিল। খ্ৰীষ্টান মিছনেৰিসকলৰ যদিও ধৰ্মপ্ৰচাৰেই মূল উদ্দেশ্য আছিল, তথাপি তাৰ মাজতো তেওঁলোকৰদ্বাৰা প্ৰকাশিত *অৰুনোদই* নামৰ বাতৰি-কাকতখনে অসমৰ জনজীৱনত জ্ঞান-বিজ্ঞানৰ প্ৰসাৰ ঘটাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ চেষ্টা কৰিছিল। ১৮৬১ চনৰ আগষ্ট মাহৰ *অৰুনোদইত* প্ৰকাশিত শিৱসাগৰৰ এজন ছাত্ৰৰ "সভ্য হ'বলৈ নিবেদন" নামৰ লেখাটিৰপৰা এই কথাৰ আভাস পোৱা



যায়। তাত তেওঁ লিখিছিল:

> "ইয়ং বঙ্গাল" অৰ্থাৎ ডেকা বঙ্গালী বিলাক বৰ সভ্য ও সুশিক্ষিত, তেওঁলোক কেতিয়াবাই "চুপাৰষ্টিসান" অৰ্থাৎ মিছা ভ্ৰান্তিৰ পৰা মুক্ত হল। হে পৰম ঈশ্বৰ আমাৰ এই দুখিত অসম দেশক এই দুখিত অৱস্থাৰ পৰা কেতিয়া মুক্ত কৰিব? অসম দেশত গণক, বামুণ, মঙ্গলতী এই সকলেই অনেক প্ৰকাৰে উন্নতিৰ পথ বাধা কৰিছে, কিয়নো তেওঁবিলাকে "গ্ৰহৰ দোষ, বুৰা ডাঙ্গৰীয়াৰ দোষ", এই বুলিয়েই মিছা মিছিকৈ ফাঁকি দি খাই। তেওঁ বিলাকে লৰাই ইংৰাজী পৰ্হিলে বাপেক-মাকৰ পিণ্ড নিদিয়ে বুলি কয়; ... তেওঁ ইমানতো কইহে, বোলে ইংৰাজী পৰ্হিলেই জাত যায়; কি মিছা ভ্ৰান্তি একা? ইংৰাজী পৰ্হিলে বা কিমান জ্ঞানী হই, তাক পৰ্হা সকলেহে জানে; তেওঁবিলাকে বুৰা ডাঙ্গৰিয়া, জলখাই ডাঙ্গৰিয়া, শণিৰ দোষ, মঙ্গলৰ দোষ, তুলশি গছ, সালেগ্ৰাম আৰু ভূত পিসাঁচএই সকল পাপক নে মানে।..... ..... ।[২৯]

*অৰুনোদইৰ ধলফাট* কিতাপখনৰ ভূমিকাত বিৰিঞ্চি কুমাৰ বৰুৱাই সঠিকভাৱে লিখিছে: "এইদৰে দেন পেলায়ো বেপ্টিষ্টসকলে অসমীয়া ৰাইজৰ মাজত জ্ঞান বিলাবৰ যত্ন কৰি আছিল। কাৰণ তেতিয়াও যেন অসমীয়া জাতি শুই আছে, কানিৰ ৰাগিয়ে টোপনি গধুৰ কৰি তুলিছে। নানা কুসংস্কাৰ আৰু অন্ধবিশ্বাসে দেশখনক আচ্ছন্ন কৰি ৰাখিছে। 'অৰুনোদই'ৰ লেখকসকলে সেই টোপনি ভাঙি দি কুসংস্কাৰ, অন্ধবিশ্বাস আঁতৰাবৰ কাৰণে যেন প্ৰাণ-পণে যত্ন কৰিছে।"

*অৰুনোদই*ৰ পিছত প্ৰকাশিত *জোনাকী, বিজুলী, ঊষা, বাঁহী, আৱাহন, জয়ন্তী* আদি কাকত-আলোচনীবোৰেও এইক্ষেত্ৰত এলান্ধুকলীয়া চিন্তা-ভাৱনাৰ ঠাইত সংস্কাৰমুখী আধুনিক চেতনা প্ৰচাৰৰ চেষ্টা কৰিছিল। স্বাধীনতা আন্দোলন তীব্ৰতৰ হোৱাৰ লগে লগে অসমতো ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ লেখীয়াকৈ মাৰ্ক্সবাদৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছিল আৰু কমিউনিষ্টসকলৰ আন্দোলন শক্তিশালী হৈ উঠিছিল। ব্যক্তিগতভাৱে প্ৰকৃত কমিউনিষ্টসকল সকলো ধৰণৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰপৰা মুক্ত আছিল যদিও ৰাজনৈতিক আন্দোলনৰ তাগিদাত বৈজ্ঞানিক মানসিকতা গঢ়াৰ আন্দোলনত তেওঁলোকে মনোনিৱেশ কৰিব পৰা নাছিল। এই ভাৱধাৰাত বিশ্বাসী প্ৰগতিশীল সাহিত্য-সংস্কৃতিৰ কৰ্মীসকলে ভাৰতবৰ্ষত প্ৰগতিশীল লেখক সংঘ আৰু ভাৰতীয় গণনাট্য সংঘ গঢ়ি তুলিছিল। অসমতো তাৰ আৰ্হিত 'প্ৰগতি সমিতি' নামৰ এক সাহিত্য-চৰ্চাৰ কেন্দ্ৰ গঢ় লৈ উঠে। এই কেন্দ্ৰত বিহগী কবি ৰঘুনাথ চৌধাৰী, ভবানন্দ দত্ত, চৈয়দ আব্দুল মালিক, গৌৰীশংকৰ ভট্টাচাৰ্য, ড° প্ৰফুল্ল দত্ত গোস্বামী, অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী, চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি অনেক প্ৰগতিশীল ব্যক্তিৰ সমাৱেশ ঘটিছিল। সাহিত্য-চৰ্চাৰ মাজেৰে তেওঁলোকে অসমত এক প্ৰগতিশীল চিন্তা-চৰ্চাৰ ঢৌ বিয়পাই দিয়াৰ চেষ্টা কৰিছিল। ঠিক একে ধৰণে 'ভাৰতীয় গণনাট্য সংঘ'ৰ অসম শাখা এটাও গঢ় লৈ উঠিছিল য'ত জ্যোতিপ্ৰসাদ আগৰৱালা, হেমাঙ্গ বিশ্বাস, বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা আদি অনেক শিল্পীয়ে অসমত সংস্কৃতিৰ মাজেৰে জাত-পাত আৰু ধৰ্মীয় সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে জনগণক সজাগ কৰি এক প্ৰগতিশীল চিন্তা-চৰ্চাৰ

পৰিৱেশ ৰচনা কৰাৰ চেষ্টা কৰিছিল। এইখিনিতে ১৯৩৬ চনৰ অসম সাহিত্য সভাৰ তেজপুৰ অধিৱেশনত সভাপতিৰ আসনৰপৰা ৰঘুনাথ চৌধাৰীয়ে দাঙি ধৰা বক্তব্যৰ সামান্য অংশ এটা উদ্ধৃত কৰিলোঁ: "অতীতৰ কুসংস্কাৰ, অন্ধ অনুৰক্তি আৰু দাসত্বই জাতিৰ অধঃপতনৰ মূল কাৰণ। ... মানুহে মানুহৰ ওপৰত কৰা অনাচাৰ, অত্যাচাৰ, জন্মগত অধিকাৰৰ দাবী, ৰাষ্ট্ৰীয় প্ৰভুত্ববাদ, ধৰ্মৰ নামত সাম্প্ৰদায়িক বিদ্বেষ বহ্নিৰ পৰা জাতিৰ মুক্তি, অস্পৃশ্যতা পাপৰ পৰা জাতিক উদ্ধাৰ কৰিবৰ্লৈ সাম্যবাদ প্ৰচাৰ কৰা আৰু আত্মমৰ্য্যাদা আদি জগাই তোলাই জাতীয় সাহিত্যৰ নতুন পন্থা উদ্ভাৱন কৰি জাতিক আত্মপ্ৰতিষ্ঠিত কৰিবৰ্লৈ প্ৰাণস্পৰ্শী সাহিত্য ৰচনা কৰিব লাগিব। জনসাধাৰণৰ অন্তৰ স্পৰ্শ কৰিব পৰা সাহিত্যই প্ৰকৃত সাহিত্য।"[৩০]

উল্লেখযোগ্য যে সাহিত্য-সংস্কৃতিৰ দিশত তেওঁলোকে অসমত এক নতুন চিন্তা-চৰ্চাৰ জোৱাৰ আনিবৰ্লৈ সক্ষম হৈছিল যদিও কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে কোনো প্ৰত্যক্ষ আন্দোলন তেওঁলোকে গঢ়ি তোলা নাছিল। ব্ৰিটিছ আগমনৰ পিছত পছিমীয়া শিক্ষাৰে আন আন বহুতো ব্যক্তিয়ে আধুনিক শিক্ষা লাভ কৰিছিল আৰু ব্যক্তিগত জীৱনত বহু পৰিমাণে তেওঁলোক সংস্কাৰমুক্ত আছিল। তেওঁলোকৰ কৰ্মৰাজি নিশ্চয় সেই সময়ৰ ৰক্ষণশীল সমাজ এখনত এক গুৰুত্বপূৰ্ণ প্ৰগতিশীল পদক্ষেপ আছিল। আজিও তেনে ব্যক্তিসকলৰ যুক্তিবাদী চিন্তা-চেতনাৰপৰা এক মহৎ শিক্ষা গ্ৰহণ কৰিব পাৰি। পিছৰ ফালে কুৰি শতিকাত যদিও অসমত শিক্ষা-দীক্ষা তথা বিজ্ঞান-চৰ্চাৰ বহু পৰিমাণে অগ্ৰগতি হৈছিল আৰু আধুনিক শিক্ষাৰে শিক্ষিত লোকৰ সংখ্যাও বৃদ্ধি পাইছিল, তথাপি বিজ্ঞান-চেতনা বিকাশৰ ধাৰাটো যথেষ্ট পৰিমাণে শক্তিশালী হৈ নুঠিল। ইয়াৰ কাৰণ কি?

আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আদি মনীষীসকলে যদিও আধুনিক চিন্তাৰ ঢৌ অসমত বিয়পোৱাৰ চেষ্টা কৰিছিল, বিশাল অসমীয়া সমাজখনৰ তুলনাত তেওঁলোকৰ সংখ্যা আছিল তেনেই তাকৰ। তেওঁলোকৰ বেছিসংখ্যকেই হিন্দু-দৰ্শনৰ পশ্চাৎমুখী চিন্তা তথা অলৌকিকতাৰ প্ৰভাৱৰপৰা মুক্ত নাছিল। বহু সময়ত তেওঁলোকৰ কামকাজ সাধাৰণ সমাজ-সংস্কাৰৰ দিশতেই সীমাবদ্ধ আছিল। প্ৰকৃত বৈজ্ঞানিক মানসিকতাৰ পৰিৱেশ এটা তেওঁলোকে গঢ়ি তুলিব পৰা নাছিল। জাত-পাত, অস্পৃশ্যতা আদিৰ বিৰুদ্ধে কিছু সংস্কাৰমূলক চিন্তা প্ৰচাৰত বাহিৰে ব্ৰিটিছৰদ্বাৰা প্ৰতিষ্ঠিত শিক্ষাব্যৱস্থাত মানুহৰ মাজত প্ৰকৃত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ বাবে কোনো ধৰণৰ সুৰুঙা নাছিল। বৰং কলা আৰু বিজ্ঞানৰ জ্ঞান-দানৰ লগতে এই শিক্ষাব্যৱস্থাই জনমানসত তথাকথিত ধৰ্মীয় চেতনাহে গঢ়ি তোলাৰ চেষ্টা কৰিছিল। ধৰ্মীয় চিন্তা-ভাৱনাই মানুহক সংস্কাৰমুখী কৰিলেও প্ৰকৃতাৰ্থত বিজ্ঞান-চেতনাৰ উন্মেষ ঘটাব নোৱাৰে। বঙ্গদেশত 'ইয়ং বেংগল' নামৰ সংগঠনে বিজ্ঞান-চেতনা গঢ়ি তোলাত যি-ভূমিকা লৈছিল, ৰাজা ৰামমোহন ৰায় তথা ব্ৰাহ্মসমাজে সেইধৰণৰ ভূমিকা গ্ৰহণ কৰিব পৰা নাছিল। অসমত মূলতঃ হেমচন্দ্ৰ বৰুৱাই আৰু তেওঁৰ মৃত্যুৰ বেছ কিছু বছৰ পিছত লক্ষীধৰ



শৰ্মাইহে এককভাৱে বৈজ্ঞানিক মানসিকতাৰ ভেটিত সমাজৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে থিয় দিছিল। কিন্তু বিজ্ঞান-চেতনা ধাৰাবাহিকভাৱে বিস্তাৰ কৰাৰ হকে অসমত কোনো সংগঠন গঢ়ি উঠা নাছিল। এই ক্ষেত্ৰত চুবুৰীয়া বঙ্গদেশৰ সৈতে অসমৰ পাৰ্থক্য লক্ষ্য কৰা যায়। সেয়েহে উচ্চশিক্ষা লাভৰদ্বাৰা উচ্চ পৰ্যায়ৰ বৈজ্ঞানিক জ্ঞান আহৰণ কৰা বহুকেইজন ব্যক্তিৰ সৃষ্টি হ'ল যদিও তেওঁলোকে পূৰ্বসূৰিসকলৰপৰা বৈজ্ঞানিক মানসিকতাৰ পৰম্পৰা লাভ কৰিব নোৱাৰিলে।

বঙ্গদেশত এনে যুক্তিবাদী আন্দোলনত সাৰ-পানী যোগাবলৈ পিছৰ যুগতো বহুতো সাহিত্যিক আৰু বিজ্ঞানী ওলাই আহিছিল। এই ক্ষেত্ৰত ৰবীন্দ্ৰনাথ ঠাকুৰ আছিল অন্যতম। ধৰ্মীয় চিন্তাৰপৰা মুক্ত নহ'লেও তেওঁ গোড়া ধৰ্মীয় মতবাদৰ ঊৰ্ধ্বত অৱস্থান কৰিছিল আৰু অবৈজ্ঞানিক চিন্তাৰ বিৰুদ্ধে থিয় দিছিল। ১৯৩৪ চনত বিহাৰত হোৱা প্ৰবল ভুঁইকম্পক মহাত্মা গান্ধীয়ে অস্পৃশ্যতাৰ পাপৰ কাৰণে মানুহক ঈশ্বৰে দিয়া শাস্তি বুলি কৰা ঘোষণাৰ তেওঁ তীব্ৰ বিৰোধিতা কৰি বিবৃতি দিছিল এইবুলি "এইটো বিশেষভাৱে দুৰ্ভাগ্যজনক এই কাৰণেই যে প্ৰপঞ্চ এটাৰ এই ধৰণৰ অবৈজ্ঞানিক ব্যাখ্যা আমাৰ দেশৰ বহুসংখ্যক মানুহে আগ্ৰহেৰে মানি ল'ব।" বৈজ্ঞানিক মানসিকতাৰ অন্যতম পথ-প্ৰদৰ্শক জৱাহৰলাল নেহৰুৱেও মহাত্মা গান্ধীৰ এই বক্তব্যত আশ্চৰ্য প্ৰকাশ কৰিছিল আৰু ৰবীন্দ্ৰনাথৰ বিবৃতিক স্বাগতম জনাইছিল।[৩১] ধৰ্ম সম্পৰ্কে তো ৰবীন্দ্ৰনাথ আছিল প্ৰচলিত গোড়া মতবাদৰ প্ৰচণ্ড বিৰোধী। সেই সময়ৰ বিখ্যাত পদাৰ্থবিদ, জ্যোতিৰ্বিজ্ঞানী অধ্যাপক মেঘনাদ সাহাক ১৯৩৮ চনৰ নৱেম্বৰ মাহত বিশ্বকবিজনাই শান্তিনিকেতনত বক্তৃতা দিবলৈও আমন্ত্ৰণ জনাইছিল।[৩২] উল্লেখযোগ্য যে অধ্যাপক মেঘনাথ সাহা আছিল ভাৰতীয় বৈদিক দৰ্শনৰ পশ্চাৎমুখী চিন্তা, তথাকথিত হিন্দু জ্যোতিষ, হিন্দু অৱতাৰবাদ, বিশ্বজগৎ সম্পৰ্কীয় হিন্দু-দৰ্শনৰ ব্যাখ্যা আদিৰ ক্ষুৰধাৰ সমালোচক।

মেঘনাদ সাহা, বিখ্যাত পদাৰ্থবিজ্ঞানী সত্যেন্দ্ৰনাথ বসু আদি বিজ্ঞানীসকলে কেৱল বিজ্ঞানৰ গৱেষণাতে ব্যস্ত নাথাকি সামাজিক সমস্যাসমূহৰো বিশ্লেষণ কৰিছিল আৰু সেই সময়ৰ তথাকথিত পণ্ডিতসকলৰ অবৈজ্ঞানিক চিন্তাৰ বিৰুদ্ধে যুক্তিবাদী বিতৰ্ক আগবঢ়াইছিল। দুয়োজনেই আছিল বৈদিক শাস্ত্ৰভিত্তিক অবৈজ্ঞানিক সকলো ক্ৰিয়াকাণ্ড আৰু চিন্তা-ভাবনাৰ তীব্ৰ সমালোচক। ৰাজেন্দ্ৰলাল মিত্ৰ, বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়, ৰাজকৃষ্ণ মুখোপাধ্যায়, কালীপ্ৰসন্ন সিংহ, শিৱনাথ শাস্ত্ৰী, প্ৰফুল্লচন্দ্ৰ ৰায়, ৰামেন্দ্ৰসুন্দৰ ত্ৰিবেদী, শৰৎচন্দ্ৰ চট্টোপাধ্যায়, ক্ষিতিমোহন সেন, ৰাজশেখৰ বসু, সুকুমাৰ ৰায় আদি অনেক মনীষীয়ে বঙ্গদেশত পিছলৈও এনে চিন্তা-চেতনাৰ ধাৰা অব্যাহত ৰাখিবলৈ চেষ্টা কৰিছিল। তদুপৰি বৈজ্ঞানিক মানসিকতা প্ৰচাৰৰ হকে সমাজত কাম কৰি থকা কেইবাটাও সক্ৰিয় সংগঠনে পৰৱৰ্তী কালতো পশ্চিমবঙ্গত বিজ্ঞানমনস্কতা প্ৰসাৰৰ দিশত প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে এই সকলো কৰ্মকাণ্ডই যে বৈজ্ঞানিক যুক্তিবাদৰ আধাৰত প্ৰতিষ্ঠিত আছিল, এনে কথা সত্য নহয়। কিন্তু সামগ্ৰিকভাৱে অন্ধকাৰাচ্ছন্ন

সমাজখনত তেওঁলোকে আধুনিকতাৰ পোহৰ বিলাব পাৰিছিল।

আশাৰ কথা এয়ে যে যোৱা প্ৰায় তিনি-চাৰিটা দশকত বিজ্ঞান-চেতনাৰে সমৃদ্ধ ব্যক্তিৰ সংখ্যা অসমত বহু পৰিমাণে বৃদ্ধি পাইছে আৰু এনে চেতনাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱাৰ বাবে কেইবাজনো বিজ্ঞানমনস্ক ব্যক্তিয়ে নিৰলসভাৱে চেষ্টা চলাই আছে। এইসকল ব্যক্তিৰ মহান অবদান সম্পৰ্কে আলোচনা কৰাৰ থল নিশ্চয় আছে যদিও প্ৰবন্ধৰ পৰিসৰলৈ চাই সেই আলোচনাৰপৰা সম্প্ৰতি বিৰত থকা হ'ল।

কিন্তু কথা হ'ল, সমাজ এখনত বিজ্ঞান-চেতনাসম্পন্ন ব্যক্তি কিছুসংখ্যক থকা মানেই সমাজত বৈজ্ঞানিক মানসিকতাৰ ভেটি সুদৃঢ় হোৱা নুবুজায়। জনগণৰ মাজলৈ বিজ্ঞান-চেতনাৰ মূল কথাবোৰ সংগঠিত ৰূপত লৈ যাব নোৱাৰিলে আৰু সামগ্ৰিকভাৱে জনগণক সুসংগঠিতভাৱে বিজ্ঞান-চেতনাসম্পন্ন কৰি গঢ়ি তুলিব নোৱাৰিলে সমাজৰ উন্নয়ন সম্ভৱ নহয়।

আজি একৈছ শতিকাৰ আধুনিক সমাজখনত কি দেখিছোঁ? এফালে বিশ্বায়নৰ বতাহে কঢ়িয়াই অনা উন্নত তথ্য-প্ৰযুক্তি, শিক্ষানুষ্ঠান আৰু সাক্ষৰ লোকৰ সংখ্যাৰ তুলনামূলক বৃদ্ধি আৰু আনফালে হাজাৰ বছৰীয়া অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ভয়ঙ্কৰ অৱস্থিতি।

সমাজৰ সকলো শ্ৰেণী তথা সকলো স্তৰৰ মানুহৰ মাজত নিজৰ মনৰ কল্পনা পূৰণৰ বাবে নাইবা সমাজৰ মঙ্গলৰ কাৰণে যাগ-যজ্ঞ, পূজা-পাতল, বলিদান আদি পূৰ্ণ গতিত চলি আছে। খৰাং বতৰত ভেকুলী বিয়া পতাকে ধৰি নদীৰ গৰাখহনীয়া ৰোধৰ বাবে, বিভিন্ন ৰোগৰপৰা আৰোগ্য লাভৰ বাবে, নিঃসন্তানে সন্তান লাভৰ বাবে — কি গাঁও কি চহৰ সকলোতে, কি শিক্ষিত কি অশিক্ষিত নিৰ্বিশেষে অনেকেই বিভিন্ন অলৌকিক শক্তিৰ ওচৰত মূৰ দোৱাইছে। তাবিজ-মাদলি পৰিধান, ৰাশিফল চোৱা, ভাগ্যগণনা কৰা, শুভ দিন-বাৰ চাই যাত্ৰা কৰা আদি যেন জীৱনৰ নিত্য নৈমিত্তিক ঘটনা। ধৰ্মীয় গুৰু, বাবা, সন্ন্যাসীসকলৰ দোৰ্দণ্ড প্ৰতাপ চলিয়েই আছে। টিংকু ডেকাৰ দৰে ৰাতিটোৰ ভিতৰতে মানুহৰ ত্ৰাণকৰ্তাত পৰিণত হোৱা কিশোৰ বা ব্যক্তি বা মহিলাৰ কাহিনী ৰাজ্যখনত প্ৰায়েই শুনা যায়। ভূত-প্ৰেত-ডাইনী-যখিনীত বিশ্বাস আৰু তাৰ বাবে বিভিন্ন বেজালি আৰু তন্ত্ৰ-মন্ত্ৰৰ আশ্ৰয় লোৱা, 'ডাইনী'ক নৃশংসভাৱে হত্যা কৰা ঘটনা ৰাজ্যখনত যেন তেনেই সাধাৰণ ঘটনা। গুৱাহাটী চহৰৰ দৰে ঠাইতো আনকি উলঙ্গ বাবাক ৰাজপথেৰে ভি আই পি আদৰা দি আদৰি নিয়া মানুহৰো অভাৱ নাই।

উল্লেখিত উদাহৰণকেইটা ৰাজ্যখনত প্ৰচলিত অগণন অন্ধবিশ্বাসৰ মাত্ৰ কেইটামানহে। কন্যা-ভ্ৰূণ হত্যা, যৌতুক প্ৰথা আদি সংস্কাৰৰ প্ৰাধান্য এই ৰাজ্যখনত ভাৰতৰ আন কিছুমান ৰাজ্যৰ তুলনাত কিছু কম হ'লেও বিশাল ভাৰতীয় সমাজৰ বহু অন্ধবিশ্বাস এই ৰাজ্যখনতো বিদ্যমান — অৱশ্যে তাৰ বাহ্যিক ৰূপ কিছু ভিন্ন হ'ব পাৰে। আনহাতে, পুঁজিবাদ-সাম্ৰাজ্যবাদৰ সু-পৰিকল্পনাত গঢ়ি উঠা বিশ্বায়নৰ এই যুগত প্ৰচাৰ মাধ্যমৰ অহৰহ প্ৰচাৰৰদ্বাৰা বিশ্বৰ বিভিন্ন কুসংস্কাৰ, অন্ধবিশ্বাস



দিনৌ ন-ন ৰূপত এই দেশত প্ৰৱেশ কৰি আছে। বাস্তুশাস্ত্ৰ, ফেংছুই, ৰেইকি আদি অনেক ন-ন অন্ধবিশ্বাসে ইতিমধ্যে অসমৰ জনগণক গ্ৰাস কৰিবলৈ ধৰাও দেখা গৈছে।

এটা কথা মনত ৰখা উচিত হ'ব যে আমাৰ সমাজখনৰ মূল আৰ্থ-সামাজিক গাঁথনিৰ গৰ্ভতেই পোত খাই আছে অন্ধবিশ্বাসৰ দীঘলীয়া শিপা। অসম তথা ভাৰতবৰ্ষৰ সমাজখনৰ মূল ছবিখন কি? একে আষাৰতে ক'বলৈ গ'লে কোটি কোটি দাল-দৰিদ্ৰ, নিবনুৱা, নিৰক্ষৰ, অৰ্ধাহাৰী, অনাহাৰী, বস্ত্ৰ-বাসস্থানহীন ভাৰতীয়ৰ মাজত বিশাল প্ৰাচুৰ্য থকা এমুঠি মানুহ। জীৱনৰ বিভীষিকাৰপৰা মুক্তি পাবলৈ ভাৰতবৰ্ষত আজি হাজাৰ হাজাৰ কৃষকে প্ৰতি বছৰেই বাছি লয় আত্মহত্যাৰ পথ। এইখন ৰাষ্ট্ৰৰে অঙ্গৰাজ্য অসমৰ চিত্ৰখন তাৰপৰা পৃথক হ'ব নোৱাৰে। অসমৰ ভিতৰুৱা অঞ্চলবোৰত আজিও হেজাৰ-বিজাৰ মানুহে বাস কৰে— য'ত সুচল যাতায়াত নাই, বিশুদ্ধ খোৱাপানীটুপি পাবলৈ নাই, চিকিৎসালয় আৰু বিদ্যালয় য'ত আজিও সপোন হৈয়েই আছে। এনে ঠাইবোৰত ৰোগৰ চিকিৎসা মানেই পূজা-পাতল, জৰা-ফুকা, বেজৰ মন্ত্ৰপূত পানী ইত্যাদি। জনজাতি-অধ্যুষিত অঞ্চলবোৰত আৰু চাহ-জনজাতিৰ বাসস্থানবোৰত এই অৱস্থা আৰু ভয়াবহ। বিশুদ্ধ খোৱাপানী আৰু প্ৰতিষেধক ছিটাৰ অভাৱত প্ৰতি বছৰে কলেৰা, গ্ৰহণী, মেলেৰিয়া আদি বিভিন্ন ৰোগে মহামাৰীৰ ৰূপেৰে সংহাৰী হৈ উঠে। স্বাভাৱিকতে কাৰোবাৰ ঘৰত হোৱা ৰোগেই হওক বা ৰাইজৰ মাজত বিয়পি পৰা মহামাৰীয়েই হওক বা আন কিবা ক্ষতিকাৰক অভাৱনীয় ঘটনাই হওক, সিবোৰৰ কাৰণ হিচাপে যুগ যুগ ধৰি চলি অহা বিশ্বাস অনুযায়ী কোনো লোকক ডাইনী সজাই হত্যা কৰি মানুহে সমস্যাৰ সমাধান বিচাৰে।

এইটো আটায়ে জনা কথা যে আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিৰদ্বাৰা মানুহৰ অগণন সমস্যাৰ সমাধান কৰিব পৰা যায়। অথচ সমস্যাবোৰ আজিও সমস্যা হৈয়ে আছে, যাৰ ফলত মানুহ নিজৰ অজ্ঞাতেই অন্ধবিশ্বাসৰ বলি হৈ আছে। ইয়াৰ বাবে দোষ কাৰ? বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁইৰ ভাষাত: "কিন্তু দোষটো বিজ্ঞানৰ নহয়, ব্যৱহাৰ কৰোঁতাসকলৰহে। সেই দোষ খণ্ডাবলৈ হ'লে বিজ্ঞানৰ ব্যৱহাৰ জনসাধাৰণৰ স্বাৰ্থানুযায়ী হ'ব লাগিব। আৰু জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব পাৰিব জনসাধাৰণেহে। দেশৰ অৰ্থনীতিৰ বাঘজৰী জনসাধাৰণৰ হাতলৈ গ'লেহে জনসাধাৰণৰ স্বাৰ্থত বিজ্ঞানৰ ব্যৱহাৰ হ'ব।"[৩৩]

অসমত বিজ্ঞান-আন্দোলনৰ অন্যতম নেতা ড° ৰবীন্দ্ৰকুমাৰ শৰ্মাই সঠিককৈ কৈছে যে মানুহৰ বহু সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় জ্ঞান মানুহে লাভ কৰিবলৈ সমৰ্থ হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ফলতেই। তৎসত্ত্বেও সমস্যাসমূহ সমাধান নোহোৱাৰ কাৰণ নিশ্চয় বিচাৰিব লাগিব অন্যান্য সামাজিক ক্ষেত্ৰত। "একমাত্ৰ জ্ঞান-কৌশল-প্ৰযুক্তি থাকিলেই সমস্যা সমাধানৰ পথ সুগম নহয়, ইয়াৰ বাবে লাগিব সামাজিক অভীপ্সা। বিজ্ঞান-জনপ্ৰিয়কৰণৰ কাৰ্যসূচী সঠিকভাৱে নিৰ্ণয় কৰি ৰূপায়ণ কৰিলে মানুহৰ চেতনা তীক্ষ্ণতৰ হয় আৰু এনে

তীক্ষ্ণ চেতনাবোধৰ প্ৰসাৰে সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় সামাজিক, ৰাজনৈতিক অভীপ্সা সৃষ্টিত অৰিহণা যোগায়।”[৩৪]

বিজ্ঞান-জনপ্ৰিয়কৰণৰ কাৰ্যসূচী সঠিকভাৱে ৰূপায়ণৰ অৰ্থই হ'ল সমাজত আলোড়ন-সৃষ্টিকাৰী এক জনবিজ্ঞান আন্দোলন গঢ়ি তোলা। 'আন্দোলন' শব্দটোৱে এই ক্ষেত্ৰত কোনো ৰাজনৈতিক আন্দোলনৰ কথা সূচোৱা নাই। বিজ্ঞানৰ জ্ঞান সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱাৰ বাবে আৰু তাক জনসাধাৰণৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পৰা সম্ভাৱনাসমূহ সাধাৰণ ৰাইজৰ মাজত উন্মোচিত কৰাৰ বাবে আৰু তাৰ লগে লগে সমাজত প্ৰচলিত প্ৰাচীন চিন্তা-চেতনাৰ বিপৰীতে বিজ্ঞানৰ প্ৰমাণসিদ্ধ নতুন চিন্তা-চেতনাৰে মানুহৰ মন আলোকিত কৰাৰ কাৰণে সমাজত এক সৃষ্টিমূলক আলোড়নৰ বাতাৱৰণ গঢ়ি তুলিবলৈ বিজ্ঞানমনস্ক ব্যক্তিসকলে সুসংগঠিতভাৱে হাতত লোৱা কাৰ্যক্ৰমণিকাসমূহেই হ'ল জনবিজ্ঞান আন্দোলন। স্বাভাৱিকতে দেশৰ আৰ্থ-সামাজিক গাঁথনিটো জনমুখী কৰি গঢ়ি তুলিবলৈ যিসকলে জনগণক লৈ প্ৰগতিশীল গণ-আন্দোলন গঢ়ি তোলাৰ চেষ্টা কৰি আছে, তেওঁলোকক জনবিজ্ঞান-আন্দোলনে পৰোক্ষভাৱে নিশ্চয় সহায় কৰিব। কিয়নো শেষ পৰ্যায়ত এই দুয়োটা আন্দোলনেই ইটো সিটোৰ পৰিপূৰক। এইটো বুজা উচিত যে সমাজৰ অৰ্থনৈতিক গাঁথনিৰ পৰিৱৰ্তন ঘটাই তাক জনস্বাৰ্থমুখী কৰি গঢ়ি তুলিব নোৱাৰিলে বিজ্ঞান-চেতনাও গঢ়ি উঠিব নোৱাৰে।

অসমৰ জনগণৰ কাৰণে যথেষ্ট আশাব্যঞ্জক কথা এয়ে যে যোৱা কেইটামান দশকত অসমত বিজ্ঞান-চেতনাসম্পন্ন ব্যক্তিৰ সংখ্যা বৃদ্ধিৰ লগে-লগে এক সুসংগঠিত ৰূপত জনবিজ্ঞান আন্দোলন গঢ়ি তোলাৰ প্ৰক্ৰিয়া এটাও লাহে লাহে গঢ় লৈ উঠিব ধৰিছে। ১৯৫৩ চনত কিছুসংখ্যক বিজ্ঞানপ্ৰেমী ব্যক্তিৰ প্ৰচেষ্টাতেই অসমত গঢ়ি উঠিছিল বিজ্ঞান জনপ্ৰিয়কৰণৰ এক অনুষ্ঠান— যি পিছলৈ অসম বিজ্ঞান সমিতি নামেৰে প্ৰতিষ্ঠিত হৈছিল। যোৱা প্ৰায় ৬০টা বছৰে এই সমিতিয়ে অসমৰ চুকে-কোণে অজস্ৰ শাখা গঠন কৰি নিজৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ চেষ্টা কৰি আহিছে। এটা কথা লক্ষ্য কৰা গৈছে যে সমিতিয়ে মূলতঃ অসমৰ জনসমাজত বিজ্ঞানৰ অৱদান আৰু সিবোৰৰ ব্যৱহাৰৰ বিষয়েহে ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ চেষ্টা কৰিছে। এয়া নিশ্চয় এক প্ৰশংসনীয় পদক্ষেপ। কিন্তু একে সময়তে পশ্চাৎপদ চিন্তাসমূহৰ বিষয়ে ৰাইজক সজাগ কৰি তেওঁলোকৰ মাজত বৈজ্ঞানিক মানসিকতা প্ৰসাৰৰ দিশতো সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। এই ক্ষেত্ৰত অসম বিজ্ঞান সমিতি অধিক সক্ৰিয় হোৱা দৰকাৰ।

যোৱা ২০০৪ চনত গঠিত ইলোৱা বিজ্ঞান মঞ্চই এই দিশত বেছ প্ৰশংসনীয় কামকাজ কৰি আছে। জীৱনৰ মাত্ৰ ৩৪টা বছৰ জীয়াই থকা বিজ্ঞানমনস্ক বিদুষী মহিলা, গণতান্ত্ৰিক মহিলা আন্দোলনৰ নেত্ৰী ইলোৱা ৰায়চৌধুৰীৰ স্মৃতিত এই মঞ্চ গঠিত হৈছে। অসমত কুসংস্কাৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে এক জনজাগৰণ গঢ়ি তোলাই হ'ল এই মঞ্চৰ মূল উদ্দেশ্যে। উল্লেখযোগ্য যে দুৰাৰোগ্য কৰ্কট ৰোগত



ভুগি থকা অৱস্থাত ইলোৰা ৰায়চৌধুৰীক বেজ, বাবা, ফকীৰ আদিয়ে বিভিন্ন জৰা-ফুকা, পূজা-পাতল আদিৰ বিধান দিবলৈ আহিছিল যদিও সিবোৰক নিতান্তই অন্ধবিশ্বাস বুলি কৈ তেওঁ নম্ৰতাৰে প্ৰত্যাখ্যান কৰিছিল। তেওঁ আনকি মৃত্যুৰ পিছত শৱদেহটো সৎকাৰ কৰাৰ নামত মাটিত বিলীন কৰি দিয়াৰ সলনি দৃষ্টিহীনক দৃষ্টিদানৰ বাবে চকুযুৰি আৰু চিকিৎসা-বিজ্ঞানৰ শিক্ষা তথা গৱেষণাৰ বাবে মৰণোত্তৰ দেহটো দান কৰি সুস্থ অৱস্থাতে শেষ ইচ্ছাপত্ৰ পঞ্জীয়ন কৰি থৈ গৈছিল। এইদৰে মৰণোত্তৰ দেহদান কৰা তেৱেঁই আছিল অসমৰ প্ৰথমগৰাকী মহিলা আৰু দ্বিতীয়জন ব্যক্তি। বিজ্ঞানমনস্কতাৰ প্ৰবল শক্তিৰে মানসিকভাৱে শক্তিশালী হোৱা বাবেহে তেওঁ এনে মহান অথচ ধৰ্মীয় তথা সামাজিক পৰম্পৰা- ভঙ্গকাৰী সিদ্ধান্ত ল'ব পাৰিছিল। সেয়েহে অসমৰ বিজ্ঞানমনস্ক ব্যক্তি কিছুসংখ্যকে লগ হৈ তেওঁৰ এই মহান আদৰ্শ প্ৰচাৰৰ হকে সংগঠনটো গঢ়ি তুলিছে আৰু জনমানসত কুসংস্কাৰবিৰোধী যুঁজ এখনৰ পাতনি মেলিছে। *সমীক্ষণ* নামৰ আলোচনী এখন প্ৰকাশৰদ্বাৰা কুসংস্কাৰ, অন্ধবিশ্বাসবিৰোধী ধাৰাটোক আৰু অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ চেষ্টা তেওঁলোকে কৰিছে। এই সংগঠনৰ নেতৃত্বতেই প্ৰতি বছৰে হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন ১০ ডিচেম্বৰ দিনটো কুসংস্কাৰবিৰোধী দিৱস হিচাপে পালন কৰা হয়। “ডাইনী”-হত্যা, বেজ-বেজালি, জ্যোতিষ আদিৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ উপৰি ৰক্তদান, নেত্ৰদান, মৰণোত্তৰ অঙ্গদান আৰু দেহদান আদি সমাজসেৱামূলক কামৰ জৰিয়তেও মানুহক তথাকথিত ধৰ্মীয় সংস্কাৰৰপৰা মুক্ত কৰাৰ বাবে তেওঁলোকে প্ৰচেষ্টা হাতত লৈছে। তেওঁলোকৰ এই আন্দোলনে ইতিমধ্যে জনগণৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি কৰিছে। এতিয়ালৈকে সহস্ৰাধিক ব্যক্তিয়ে মৰণোত্তৰ দেহদানৰ ইচ্ছাপত্ৰত চহী কৰিছে আৰু ২০১৫ চনৰ ১ মে'লৈকে ৫১জন ব্যক্তিয়ে মৰণোত্তৰভাৱে দেহদান কৰিছে (দ্ৰ. প্ৰবন্ধটোৰ শেষত দিয়া তালিকা) এই মঞ্চৰ কামকাজ আৰু অধিক ত্বৰান্বিত কৰিব পাৰিলে অসমত নিশ্চয় সঁচা অৰ্থত এক জনবিজ্ঞান আন্দোলন গঢ় লৈ উঠিব।

যুক্তি-বিকাশ সমিতি, অসম আৰু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় বিজ্ঞান সমিতি আদি দুই-এটা সৰু-সুৰা সংগঠনেও এই দিশত বৈজ্ঞানিক মানসিকতা প্ৰসাৰৰ বাবে কিতাপ-পত্ৰ প্ৰকাশকে ধৰি কিছু কাম কৰিছে। তদুপৰি বীৰুবালা ৰাভাৰ নেতৃত্বত গঢ় লৈ উঠা মিশ্যন বীৰুবালা নামৰ অনা-চৰকাৰী সংগঠনটোৱেও যোৱা কিছু বছৰ ধৰি অসমৰ গাঁৱে-ভূঞে ডাইনী বিশ্বাসৰ বিৰুদ্ধে সক্ৰিয়ভাৱে কাম কৰি আহিছে। প্ৰজেক্ট প্ৰহৰী নামৰ আন এটা সংগঠনেও ডাইনী-বিশ্বাসবিৰোধী অভিযানত কিছু আগভাগ লৈছে। আশা কৰিব পৰা যায় যে এনে সংগঠনসমূহ আৰু ৰাইজৰ সহযোগত অসমত অদূৰ ভৱিষ্যতে এক শক্তিশালী জনবিজ্ঞান-আন্দোলন গঢ়ি তুলিব পৰা যাব।

এই ক্ষেত্ৰত কেৰলত যোৱা বহু বছৰ ধৰি সফলতাৰে জনবিজ্ঞান-আন্দোলন চলাই থকা কেৰল ছাত্ৰ সাহিত্য পৰিষদ, পশ্চিমবঙ্গৰ পশ্চিমবঙ্গ বিজ্ঞান মঞ্চ আৰু

অন্যান্য সংগঠন আৰু লগতে সৰ্বভাৰতীয় ভিত্তিত গঢ়ি উঠা অল ইণ্ডিয়া পিপল্‌ছ ছায়েন্স নেটৱৰ্ক (All India People's Science Network) আদি বিভিন্ন সংগঠনৰ কামকাজৰ অভিজ্ঞতাৰ আধাৰত অসমতো এনে জনবিজ্ঞান-আন্দোলন গঢ়ি তুলিব পৰি।

অসমৰ জনগণৰ বিভিন্ন জ্বলন্ত সমস্যাৰ মূল কাৰণসমূহ বিশ্লেষণ কৰি বিজ্ঞানৰ সঠিক ব্যৱহাৰৰ মাজেৰে সিবোৰৰ সমাধানৰ পথ ৰাইজক বুজাই দিব পৰা যায় জনবিজ্ঞান আন্দোলনৰ মাজেৰে। উদাহৰণস্বৰূপে ৰোগ-মহামাৰীৰ মূল বৈজ্ঞানিক কাৰণ বুজি পালে মানুহে অন্ততঃ জৰা-ফুকা, তাবিজ-মাদলি আদি অবৈজ্ঞানিক উপায়েৰে ৰোগ-নিৰাময়ৰ চিন্তাৰপৰা মুক্ত হ'ব পাৰিব। লগে লগে জঘন্য 'ডাইনী'-হত্যাৰ পৰিৱেশো বহু পৰিমাণে নিৰ্মূল হ'ব। সেয়া বাস্তৱায়িত হ'বলৈ হ'লে চিকিৎসাবিজ্ঞানৰ সুবিধাসমূহ তেওঁলোকৰ বাবে সহজে উপলব্ধ হ'ব লাগিব। জনবিজ্ঞান-আন্দোলনে এই দুয়োটা দিশতে মানুহক সজাগ কৰি জনগণক সক্ৰিয় কৰি তোলাৰ মাজেৰে জনস্বাস্থ্যৰ সমস্যা সমাধানৰ পথ উন্মুক্ত কৰিব পাৰে।

ঠিক তেনেকৈ সামাজিক, ৰাজনৈতিক আদি বিভিন্ন সমস্যাৰ ক্ষেত্ৰতো এনেধৰণে ভূমিকা পালন কৰাৰ বাবে জনবিজ্ঞান-আন্দোলনে কাৰ্যসূচী গ্ৰহণ কৰিব পাৰে। ৰাজ্যখনত চলি থকা জনগোষ্ঠীয় সংঘাত, উগ্ৰ সাম্প্ৰদায়িকতাবাদ, বানপানী, গৰাখহনীয়া, দৰিদ্ৰতা, নিৰক্ষৰতা, জনবিস্ফোৰণ ইত্যাদি বিভিন্ন সমস্যাৰ ক্ষেত্ৰতো এই আন্দোলনে পথ-নিৰ্দেশনা দিব পাৰে। শিক্ষাজগতত প্ৰাচীন নীতিৰ পৰিৱৰ্তন ঘটাই জনগণৰ বৈজ্ঞানিক চিন্তা-চেতনাৰ বিকাশসাধনৰ বাবে আৰু পাঠ্যপুথিত নতুন নতুন পাঠ অন্তৰ্ভুক্ত কৰাৰ বাবেও আজি বিভাগীয় কৰ্তৃপক্ষক বাধ্য কৰোৱাৰ আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন। আৰু এনে বিভিন্ন কাৰ্যসূচীৰ সফল ৰূপায়ণৰদ্বাৰাহে প্ৰকৃত জনবিজ্ঞান আন্দোলন গঢ়ি তুলিব পৰা যাব। সমস্যাজৰ্জৰিত অসমৰ বাবে এয়াই আজিৰ সময়ৰ আহ্বান।

**সংযোজন: মানৱকল্যাণ আৰু চিকিৎসাবিজ্ঞানৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে অসমত মৰণোত্তৰ দেহদান কৰি জীৱন মহীয়ান কৰা ব্যক্তিসকল:**

২০১৫ চনৰ ৭ মে'লৈকে অসমত একাৱন্নগৰাকী ব্যক্তিয়ে মৰণোত্তৰ দেহদান কৰিছে। ইয়াৰে সাতত্ৰিশগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যাললৈ, পাঁচগৰাকীয়ে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ, চাৰিগৰাকীয়ে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ, তিনিগৰাকীয়ে বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ আৰু আন দুইগৰাকীয়ে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ মৰণোত্তৰ দেহদান কৰিছে। প্ৰয়াত চন্দ্ৰকান্ত শইকীয়া, ইলোৰা ৰায়চৌধুৰী আৰু ভূপেন মেধিৰ বাদে সকলোৰে মৰণোত্তৰ দেহদান "ইলোৰা বিজ্ঞান মঞ্চ"ৰ জৰিয়তে সংশ্লিষ্ট পৰিয়ালবৰ্গৰ সহযোগত সম্পন্ন কৰা হয়। এইসকল মানৱহিতৈষী ব্যক্তিক আমি গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।



**গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ দেহদান কৰা ব্যক্তিসকল:**

১ চন্দ্ৰকান্ত শইকীয়া, ৮৫ বছৰ
খনাগুৰি, চতিয়া, জিলা - শোণিতপুৰ
(প্ৰবীণ স্বাধীনতা সংগ্ৰামী, সৰ্বোদয় আন্দোলনৰ নেতা)
— ১৬ জুন ১৯৯৯ চনত মৰণোত্তৰ দেহদান।

২ ইলোৰা ৰায়চৌধুৰী, ৩৪ বছৰ
হেদায়েৎপুৰ, গুৱাহাটী
(বিজ্ঞানমনস্ক আৰু প্ৰগতিবাদী নাৰী, তেওঁৰ স্মৃতিত গঠিত হৈছে "ইলোৰা বিজ্ঞান মঞ্চ")
— ১৫ মে' ২০০৩ চনত মৃত্যু আৰু দেহদান।

৩ জন ডেভিছ, ৬৭ বছৰ
লাখটকীয়া, গুৱাহাটী
(সমাজকৰ্মী তথা ব্যৱসায়ী)
— ১৫ ফেব্ৰুৱাৰি ২০০৫ চনত মৃত্যু, ১৭ ফেব্ৰুৱাৰিত দেহদান।

৪ মানসী দাস ঘোষ, ৬৪ বছৰ
তৰুণ নগৰ, জি এচ ৰোড, গুৱাহাটী
(গুৱাহাটী উলুবাৰীৰ অৰবিন্দ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, সমাজসেৱিকা)
— ১৮ নৱেম্বৰ ২০০৫ চনত মুম্বাইত মৃত্যু, ১৯ নৱেম্বৰত দেহদান।

৫ ৰোহিণী কলিতা, ৭৩ বছৰ
শান্তিপুৰ, মিৰ্জা, কামৰূপ জিলা
(একালত শিক্ষকতা কৰা কলিতা অসম ৰাজ্যিক পৰিবহণ নিগমৰ উচ্চপদস্থ বিষয়া আছিল, সমাজহিতৈষী ব্যক্তি)
— ২৫ জানুৱাৰি ২০০৭ চনত মৃত্যু আৰু দেহদান।

৬ ধূৰ্জটিপ্ৰসাদ খাউণ্ড, ৫৬ বছৰ
খাৰঘুলি, গুৱাহাটী
(অভিযন্তা তথা শেষলৈ ভাৰতীয় দৰ্শনৰ গৱেষণা আৰু চৰ্চাত নিয়োজিতপ্ৰাণ)
— ৭ মাৰ্চ ২০০৭ চনত বাঙ্গালুৰুত মৃত্যু, ১০ মাৰ্চত গুৱাহাটীত দেহদান।

৭ ভৱদেৱ গোস্বামী, ৯০ বছৰ
খোছপাৰা, মিৰ্জা, কামৰূপ
(প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, আজীৱন শিক্ষাৰ প্ৰসাৰত ব্ৰতী, সমাজৰ কামত আত্মোৎসৰ্গ কৰা এজন সৰল মানুহ)
— ৭ ছেপ্টেম্বৰ ২০০৭ চনত মৃত্যু আৰু দেহদান।

৮ জয়ন্তীবালা শইকীয়া, ৬৫ বছৰ
অম্বিকাগিৰি নগৰ, জুৰোড, গুৱাহাটী

(দানশীলা মহিলা, গুৱাহাটী বিবেকানন্দ কেন্দ্ৰক নিজৰ বাসগৃহ আৰু সম্পত্তি স্বামী যোগেন্দ্ৰ শইকীয়াৰ সহযোগত দান)
— ১৮ অক্টোবৰ ২০০৭ চনত মৃত্যু আৰু দেহদান।

৯ প্ৰফুল্ল শৰ্মা, ৫৮ বছৰ
ৰণাকুছি (হেলচাপাৰা), টিহু, নলবাৰী
(কৃষক নেতা তথা নলবাৰী জিলাৰ চি পি আই (এম) নেতা)
— ১ নৱেম্বৰ ২০০৭ চনত মৃত্যু, ২ নৱেম্বৰত দেহদান।

১০ বাণী মহন্ত, ৫৭ বছৰ
কছৰুৱা বামুণগাঁও, কমলপুৰ, ৰঙিয়া
(কৃষক নেতা তথা কামৰূপ জিলাৰ চি পি আই (এম) নেতা)
— ৬ মাৰ্চ ২০০৮ চনত মৃত্যু, ৭ মাৰ্চত দেহদান।

১১ ভুবন চন্দ্ৰ দাস, ৮১ বছৰ
কুলহাটী, হাজো, কামৰূপ
(ডাকতাঁৰ বিভাগৰ শ্ৰমিক-কৰ্মচাৰী আন্দোলনৰ বিশিষ্ট নেতা)
— ৩০ এপ্ৰিল ২০০৮ চনত মৃত্যু আৰু দেহদান।

১২ ডাঃ উদয়চন্দ্ৰ তালুকদাৰ, ৯০ বছৰ
পাঠশালা টাউন, বৰপেটা
(প্ৰবীণ স্বাধীনতা সংগ্ৰামী আৰু বিশিষ্ট চিকিৎসক)
— ২ জুলাই ২০০৮ চনত মৃত্যু, ৩ জুলাইত দেহদান।

১৩ শশধৰ দেৱ, ৬৭ বছৰ
জ্যোতিকুছি, লালগণেশ, গুৱাহাটী
(ডাকতাঁৰ বিভাগৰ কৰ্মচাৰী আন্দোলনৰ বিশিষ্ট নেতা)
— ১ জুন ২০০৯ চনত মৃত্যু আৰু দেহদান।

১৪ শুচিব্ৰতা ৰায়চৌধুৰী, ৭৯ বছৰ
"আমাৰ ঘৰ", পাথৰ কোৱেৰী, নাৰেঙ্গী, গুৱাহাটী
(বিশিষ্ট সমাজকৰ্মী, লেখিকা তথা মানৱতাবাদী নেত্ৰী)
— ২ ডিচেম্বৰ ২০০৯ চনত মৃত্যু আৰু দেহদান।

১৫ জুৰি বৰদলৈ, ৪৪ বছৰ
জু ৰোড, জোনালী বাছ ষ্টেণ্ড, গুৱাহাটী
(বিশিষ্ট খেলুৱৈ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত বঁটা লাভ)
— ৫ এপ্ৰিল ২০১০ চনত মৃত্যু, ৬ এপ্ৰিলত দেহদান।

১৬ বিভা বেনাৰ্জী, ৮৪ বছৰ
পাণ্ডুৰ নগৰ, পাণ্ডু-মালিগাঁও, গুৱাহাটী
(মহিলা নেত্ৰী, মানৱহিতৈষী বিদুষী মহিলা)
— ২৯ আগষ্ট ২০১০ চনত মৃত্যু, ৩০ আগষ্টত দেহদান।



১৭ নিজামুদ্দিন খান, ৬২ বছৰ
কয়াকুছি, বৰপেটা
(সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা চি পি আই (এম) দলৰ বিশিষ্ট নেতা, কৃষক আন্দোলন নেতা)
— ১৪ মে' ২০১১ চনত মৃত্যু, ১৫ মে'ত দেহদান।

১৮ ৰোহিণীকুমাৰ পাটগিৰি, ৮৬ বছৰ
গীতানগৰ, গুৱাহাটী
(অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া, বিশিষ্ট নাগৰিক)
— ১১ আগষ্ট ২০১১ চনত মৃত্যু আৰু দেহদান।

১৯ ড° উমা চক্ৰৱৰ্তী, ৭৮ বছৰ
যোৰপুখুৰী, উজান বজাৰ, গুৱাহাটী
(বেদ-বিশাৰদ, সংস্কৃত সাহিত্যৰ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পণ্ডিত তথা গৱেষক। কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা "বেদমূৰ্তি" উপাধিভূষিতা)
— ১১ ছেপ্টেম্বৰ ২০১১ চনত মৃত্যু আৰু দেহদান।

২০ আফতাব আহমেদ, ৬৬ বছৰ
সিজুবাৰী ৰোড, হাতীগাঁও, গুৱাহাটী
(অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া (অসম চৰকাৰৰ সচিব পদত নিযুক্ত আছিল), বিজ্ঞানমনস্ক ব্যক্তি)
— ১৩ নৱেম্বৰ ২০১১ চনত মৃত্যু, ১৪ নৱেম্বৰত দেহদান।

২১ ৰেণু দেৱী, ৭৪ বছৰ
"আমাৰ ঘৰ" পাথৰ কোৱেৰী, নাৰেঙ্গী, গুৱাহাটী
(মানৱ দৰদী, সমাজহিতৈষী মহিলা)
— ২৮ জানুৱাৰি ২০১২ চনত মৃত্যু আৰু দেহদান।

২২ ললিতকুমাৰ ভৰালী, ৫৯ বছৰ
ধীৰেনপাৰা, গুৱাহাটী
(বিশিষ্ট সমাজকৰ্মী, আছাম কাৰ্বন শ্ৰমিক কৰ্মচাৰী তথা চি পি আই (এম) দলৰ নেতা)
— ১৯ জুলাই ২০১২ চনত মাদ্ৰাজ কলেজত মৃত্যু, ২০ জুলাইত গুৱাহাটীত দেহদান।

২৩ বলেন শইকীয়া, ৮৫ বছৰ
ৰাইডঙীয়া, নগাঁও
(সৰ্বজনশ্ৰদ্ধেয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিজ্ঞানমনস্ক মানৱহিতৈষী ব্যক্তি)
— ২১ জুন ২০১২ চনত মৃত্যু, ২২ জুনত দেহদান।

২৪ প্ৰদীপকুমাৰ বৰা, ৬৬ বছৰ
জুৰণি পথ, জু ৰোড, গুৱাহাটী

(সমাজহিতৈষী, বিজ্ঞানমনস্ক ব্যক্তি)
— ৩১ জুলাই ২০১২ চনত মৃত্যু আৰু দেহদান।

২৫ পুষ্পিতা নন্দী, ৭৩ বছৰ
বৰ্শাপাৰ, বিনোবা নগৰ, গুৱাহাটী
(মানৱহিতৈষী মহিলা, বিনোবা নগৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী)
— ১৫ ছেপ্টেম্বৰ ২০১২ চনত মৃত্যু আৰু দেহদান।

২৬ অনিমেশ মেধি, ৮২ বছৰ
গণেশ মন্দিৰ পথ, পূব শৰণীয়া, গুৱাহাটী
(বিশিষ্ট শিক্ষাবিদ তথা কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক)
— ১২ ডিচেম্বৰ ২০১২ চনত মৃত্যু আৰু দেহদান।

২৭ অনন্তকুমাৰ নাথ, ৬৯ বছৰ
খানামুখ চেকগেট, লক্ষেশ্বৰ, গুৱাহাটী
(বিশিষ্ট ট্ৰেড ইউনিয়ন নেতা তথা অৱসৰপ্ৰাপ্ত ৰে'ল কৰ্মচাৰী)
— ৮ মাৰ্চ ২০১৩ চনত মৃত্যু আৰু ৯ মাৰ্চত দেহদান।

২৮ তৰুণ মেধি, ৬৭ বছৰ
মিলন পথ, অম্বিকাগিৰি নগৰ, গুৱাহাটী
(বিশিষ্ট লেখক আৰু জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া)
— ১ জুন ২০১৩ চনত মৃত্যু আৰু ২ জুন দেহদান।

২৯ মালতী দেৱী, ৭৮ বছৰ
জু ৰোড বিদ্যাপীঠ পথ, অম্বিকাগিৰীনগৰ, গুৱাহাটী
(কামৰূপীয়া সংস্কৃতিৰ সাধক, লেখিকা আৰু মহিলা নেত্ৰী)
— ২ নৱেম্বৰ ২০১৩ চনত মৃত্যু আৰু দেহদান।

৩০ অন্নলতা শইকীয়া, ৮২ বছৰ
ৰাইদঙীয়া, নগাঁও
(প্ৰাথমিক বিদ্যা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী। স্বামী প্ৰয়াত বলেন শইকীয়াৰো ইতিপূৰ্বে মৰণোত্তৰ দেহদান কৰা হয়)
— ২০ জানুৱাৰি ২০১৪ চনত মৃত্যু, ২১ জানুৱাৰিত দেহদান।

৩১ কণা (শ্যামলী) ঘটক, ৬১ বছৰ
পাণ্ডু মালিগাঁও, গুৱাহাটী
(গণতান্ত্ৰিক মহিলা আন্দোলনৰ নেত্ৰী)
— ১ ফেব্ৰুৱাৰি ২০১৪ চনত মৃত্যু আৰু নেত্ৰদান তথা দেহদান।

৩২ বিমল নন্দী, ৭৭ বছৰ
বৰ্শাপাৰা, বিনোবা নগৰ, গুৱাহাটী
(বিশিষ্ট শ্ৰমিক নেতা তথা এছ ইউ চি আই (কমিউনিষ্ট) দলৰ সদস্য। পত্নী প্ৰয়াত পুষ্পিতা নন্দীৰো ইতিপূৰ্বে মৰণোত্তৰ দেহদান হয়।)
— ৯ মে' ২০১৪ চনত মৃত্যু, ১০ মে'ত দেহদান।



৩৩ ড° মিনতি হাজৰিকা, ৭৪ বছৰ
অম্বিকাগিৰীনগৰ, গুৱাহাটী
(বিশিষ্ট সাহিত্যিক, যোৰহাটৰ দেৱীচৰণ বৰুৱা কন্যা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা, *চৰিত পুথিৰ* গৱেষক)
— ২৯ জুন ২০১৪ চনত মৃত্যু আৰু দেহদান।

৩৪ হৰেন্দ্ৰনাথ শৰ্মা, ৯৪ বছৰ
জ্যোতিনগৰ, পাঠশালা
(বিশিষ্ট যুক্তিবাদী তথা বিজ্ঞানমনস্ক লেখক)
— ৮ জানুৱাৰি ২০১৫ চনত মৃত্যু, ৯ জানুৱাৰিত নেত্ৰদান তথা দেহদান।

৩৫ দিব্যেন্দু দাস (মণ্টু), ৬৩ বছৰ
আনন্দৰাম বৰুৱা পথ, পাণবজাৰ, গুৱাহাটী
(সমাজকৰ্মী তথা প্ৰগতিশীল সাহিত্য-সংস্কৃতি আন্দোলনৰ কৰ্মী)
— ৯ জানুৱাৰি ২০১৫ চনত মৃত্যু আৰু নেত্ৰদান তথা দেহদান।

৩৬ সূৰ্যব্ৰত লহকৰ, ৮৬ বছৰ
ৰিহাবাৰী, গুৱাহাটী
(বিশিষ্ট সমাজকৰ্মী তথা মানৱহিতৈষী ব্যক্তি)
— ২৪ জানুৱাৰি ২০১৫ চনত মৃত্যু আৰু নেত্ৰদান তথা দেহদান।

৩৭ ড° অমলেন্দু গুহ, ৯১ বছৰ
উলুবাৰী, গুৱাহাটী
(আন্তৰ্জাতিক খ্যাতিসম্পন্ন ইতিহাসবিদ তথা সমাজবিজ্ঞানী)
— ৭ মে' ২০১৫ চনত মৃত্যু আৰু নেত্ৰদান তথা দেহদান।

**ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত দেহদান কৰা ব্যক্তিসকল**

১ গোলাপ গগৈ, ৬৭ বছৰ
নাগাজাংকা বছাগাঁও, মৰিয়নি, যোৰহাট
(মৰিয়নি অঞ্চলৰ জনপ্ৰিয় আৰু বিশিষ্ট সমাজকৰ্মী)
— ২ ফেব্ৰুৱাৰি ২০০৭ চনত মৃত্যু আৰু দেহদান।

২ তাৰাপ্ৰসাদ গগৈ, ৫৮ বছৰ
খনামুখ (গৌৰীসাগৰ), শিৱসাগৰ
(দোৱদৰীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, বিশিষ্ট নাগৰিক, সমাজকৰ্মী)
— ৯ মে' ২০০৯ চনত মৃত্যু আৰু দেহদান।

৩ প্ৰকাশ বৰা, ৪৩ বছৰ
কেন্দুগুৰি চেঙেলীয়া গাঁও, যোৰহাট নগৰ
(ভাৰতীয় জীৱন বীমা নিগমৰ কৰ্মচাৰী, যোৰহাটৰ বিশিষ্ট সমাজকৰ্মী, খেলুৱৈ, নাট্য তথা সাংস্কৃতিক কৰ্মী)
— ১৬ জুন ২০১০ চনত মৃত্যু, ১৭ জুনত দেহদান।

৪ যোগেন্দ্ৰনাথ শইকীয়া, ৭২ বছৰ
চিৰিং-চাপৰি, ডিব্ৰুগড় চহৰ
(নামৰূপ সাৰ কাৰখানাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা মানৱহিতৈষী ব্যক্তি)
— ২২ এপ্ৰিল ২০১৪ চনত মৃত্যু আৰু দেহদান।

৫ মহেন কোঁৱৰ, ৭৪ বছৰ
ম'বাৰজাৰ, আমগুৰি, শিৱসাগৰ
(বিশিষ্ট লেখক, নিষ্ঠাবান শংকৰ সেৱক আৰু সমাজকৰ্মী)
— ৩০ জুন ২০১৪ চনত মৃত্যু আৰু দেহদান।

**যোৰহাট মেডিকেল কলেজত দেহদান কৰা ব্যক্তিসকল**

১ ড° অৱণীচন্দ্ৰ গোস্বামী, ৬১ বছৰ
স্বাগতপুৰী, নেহেৰু পাৰ্ক,, যোৰহাট
(বিশিষ্ট শিক্ষাবিদ তথা যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক)
— ১৮ জানুৱাৰি ২০১২ চনত মৃত্যু আৰু দেহদান।

২ ভুবন ভুঞা, ৭০ বছৰ
অক্ষয়বাৰী, সোণাৰী গাঁও, যোৰহাট
(বিশিষ্ট সমাজসেৱক আৰু সাংস্কৃতিককৰ্মী, *মঘাই ওজা* তথ্য চিত্ৰৰ প্ৰযোজক)
— ২২ ছেপ্টেম্বৰ ২০১২ চনত মৃত্যু আৰু দেহদান।

৩ গণেশচন্দ্ৰ শৰ্মা, ৭৬ বছৰ
পঞ্চৱতী মালৌআলি, যোৰহাট
(সমাজকৰ্মী তথা হোটেল ব্যৱসায়ী)
— ২৯ ছেপ্টেম্বৰ ২০১২ চনত মৃত্যু আৰু দেহদান।

৪ ঋষভ চেতিয়া, ৭১ বছৰ
মিছনপট্টি, গোলাঘাট টাউন
(বিশিষ্ট বাওঁপন্থী কৰ্মী, প্ৰগতিবাদী লেখক আৰু কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া)
— ১১ জানুৱাৰি ২০১৩ চনত মৃত্যু, ১২ জানুৱাৰিত দেহদান।



**বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত দেহদান কৰা ব্যক্তিসকল**

১ নীলিমা খাতুন, ৩৫ বছৰ
গোমা-ফুলবাৰী, বহৰি, বৰপেটা
(সমাজসেৱিকা, যুক্তিবাদী আৰু বিজ্ঞানমনস্ক মহিলা)
— ১৩ মে' ২০১৩ চনত মৃত্যু, ১৪ মে'ত দেহদান।

২ ভূপেন মেধি (ভাটু), ৭৯ বছৰ
গলিয়াহাটী, ১নং, বৰপেটা চহৰ
(বাওঁপন্থী আদৰ্শত দীক্ষিত সমাজকৰ্মী। ককায়েক অনিমেশ মেধিৰো ইতিপূৰ্বে মৰণোত্তৰ দেহদান হয়)
— ২ জুন ২০১৩ চনত মৃত্যু আৰু দেহদান।

৩ পৰেশচন্দ্ৰ দাস, ৮৭ বছৰ
আমবাৰী হাটী, বৰপেটা টাউন
(বিশিষ্ট স্বাধীনতা সংগ্ৰামী, ক্ৰীড়াবিদ, কংগ্ৰেছ (সমাজবাদী) দলৰ প্ৰাক্তন জিলা সভাপতি)
— ১৫ জুন ২০১৪ চনত মৃত্যু আৰু নেত্ৰদান, ১৬ জানুৱাৰিত দেহদান।

**তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত দেহদান কৰাসকল**

১ ৰত্ন ৰাজবংশী, ৮৩ বছৰ
ডেকাসুন্দৰ, জামুগুৰিহাট
(বিশিষ্ট নাগৰিক তথা সমাজকৰ্মী, মানৱদৰদী আৰু বিজ্ঞানমনস্ক ব্যক্তি)
— ২১ এপ্ৰিল ২০১৫ চনত তেজপুৰৰ ব্যাপ্টিষ্ট মিছনত মৃত্যু, ২২ এপ্ৰিলত নেত্ৰদান তথা দেহদান।

২ পূৰ্ণ ভুঞা, ৫৭ বছৰ
মৰণাকুৰি, জামুগুৰিহাট
(মধ্য জামুগুৰি হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা শিক্ষক আন্দোলনৰ নেতা)
— ৪ মে' ২০১৫ চনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু, ৫ মে'ত দেহদান।

**তথ্যসূত্ৰ**

১ Puspa M. Bhargava, Chandana Chakrabarti. *Angels, Devil and Science*. New Delhi: National Book Trust, First Edition, 2007, p. 4
২ ঐ, পৃষ্ঠা ৭৫।
৩ প্ৰবীৰ ঘোষ। '*সংস্কৃতি: সংঘৰ্ষ ও নিৰ্মাণ*'। কলকাতা: দে'জ পাব্লিচিং, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰি ১৯৯৩, পৃষ্ঠা ১৫৭।
৪ আল বিৰুনী বচিত ভাৰত। সম্পাদনা কেয়ামুদ্দিন আহমদ। অনুবাদ প্ৰভাত মুখোপাধ্যায়। নতুন দিল্লী: নেচ্চনাল বুক ট্ৰাষ্ট, পৃষ্ঠা XXII
৫ তদেৱ, পৃষ্ঠা ২২২

৬ ড° শিৱনাথ বৰ্মন। “অসমত বিজ্ঞান চৰ্চাৰ আদি যুগ”। অসম প্ৰকাশন পৰিষদ প্ৰকাশিত *অসমত বিজ্ঞান চৰ্চাৰ ধাৰা* গ্ৰন্থৰ প্ৰবন্ধ।

৭ কুমুদেশ্বৰ হাজৰিকা। *চৈধ্য গৰাকী বিশিষ্ট অসমীয়া - স্মৃতিৰ সুৰভি*। পাঞ্চজন্য, ২০০৭, পৃষ্ঠা ৩।

৮ ড° প্ৰফুল্ল মহন্ত। *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*। ২য় প্ৰকাশ। গুৱাহাটী: লয়াৰ্ছ বুক ষ্টল। পৃষ্ঠা ১৮৬।

৯ তদেৱ, পৃষ্ঠা ২।

১০ তদেৱ, পৃষ্ঠা ১৮৭।

১১ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। *ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি*। ৩য় প্ৰকাশ, ১৯৯৩। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা ৪১-২।

১২ দুলাল পূজাৰী। “ঊনবিংশ শতিকাৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰ”। *সমীক্ষা*, ১ম বছৰ, ১ম সংখ্যা, পৃষ্ঠা ৭০।

১৩ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। প্ৰাগুক্ত, পৃষ্ঠা ৩৮,

১৪ ড° প্ৰফুল্ল মহন্ত। প্ৰাগুক্ত, পৃষ্ঠা ১৬০।

১৫ ড° শিৱনাথ বৰ্মন। *ৰূপান্তৰৰ বেহৰূপ*। গুৱাহাটী: আঁক বাঁক, প্ৰথম প্ৰকাশ, জানুৱাৰি ২০১৩, পৃষ্ঠা ১৬৯।

১৬ *আসাম-বন্ধু*। একত্ৰ সঙ্কলনৰ ভূমিকা। সম্পাদক (ড°) নগেন শইকীয়া। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৪, পৃষ্ঠা ১৭।

১৭ যতীন্দ্ৰনাথ গোস্বামী। *অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা*। গুৱাহাটী: হেমকোষ প্ৰকাশন, প্ৰথম প্ৰকাশ, ১৯৮৫, পৃষ্ঠা ৪৯।

১৮ কুমুদেশ্বৰ হাজৰিকা। প্ৰাগুক্ত, পৃষ্ঠা ১৫।

১৯ ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। প্ৰাগুক্ত, পৃষ্ঠা ৫৫।

২০ নিত্য বৰা সম্পাদিত *বেজবৰুৱাৰ ৰচনাৱলী*। অসম প্ৰকাশন পৰিষদ। জানুৱাৰি ২০১৪, পৃষ্ঠা০.১৮।

২১ ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। প্ৰাগুক্ত, পৃষ্ঠা ৫৫।

২২ পদ্মনাথ গোহাঞিবৰুৱা। ভূত *নে ভ্ৰম। গোহাঞি বৰুৱা ৰচনাৱলী* দ্বিতীয় সংস্কৰণ, অসম প্ৰকাশন পৰিষদ, ১৯৮৭, পৃষ্ঠা ৩১৭।

২৩ *দেশপ্ৰাণ লক্ষীধৰ শৰ্মাৰ ৰচনাৱলী*, ২য় খণ্ড। নতুন সাহিত্য পৰিষদ, ডিচেম্বৰ, ১৯৯৬। পৃষ্ঠা ২৭।

২৪ ড° শিৱনাথ বৰ্মন। *ৰূপান্তৰৰ বেহৰূপ*। গুৱাহাটী: আঁক বাঁক, প্ৰথম প্ৰকাশ, জানুৱাৰি ২০১৩, পৃষ্ঠা ১৭৪।

২৫ ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। *ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি*, ৩য় প্ৰকাশ। ১৯৯৩, পৃষ্ঠা ৪৯।

২৬ তদেৱ, পৃষ্ঠা ৪৯।

২৭ তদেৱ, পৃষ্ঠা ৫৬।

২৮ ভৱানন্দ দত্ত। “জীৱনৰ চৰম লক্ষ্য”। *জয়ন্তী* আলোচনীৰ একাদশ বছৰ, ১ম সংখ্যা, ১৯৫৩ চন।

২৯ ড° বিৰিঞ্চিকুমাৰ বৰুৱা। *অকনোদইৰ থলফাট*। অসম সাহিত্য সভা। চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ১৯৬৫, পৃষ্ঠা ১২৮।

৩০ পৰমানন্দ মজুমদাৰ। *চেতনা প্ৰবাহ - জয়ন্তীৰ পৰা গণনাট্যলৈ*। আখৰ প্ৰকাশ। প্ৰথম প্ৰকাশ, ২০০৮, পৃষ্ঠা ১১।

৩১ মূল লেখক কৃষ্ণ কৃপালনী। *ৰবীন্দ্ৰনাথ ঠাকুৰ*। অনুবাদক আনন্দ বৰমুদৈ। নেশ্যনেল বুক ট্ৰাষ্ট, ২০০৪, পৃষ্ঠা ২০৩-৪।

৩২ দেৱীপ্ৰসাদ চট্টোপাধ্যায় সম্পাদিত *উৎস মানুষ* বিশেষ সংকলন। *প্ৰতিবোধ - অন্ধতা ও অযুক্তিৰ বিৰুদ্ধে*। ২য় প্ৰকাশ, ১৯৯৩। কলকাতা, পৃষ্ঠা ১৪৪।

৩৩ ড° হীৰেন গোঁহাই। *বিজ্ঞান আৰু জনগণ*। ইলোৰা বিজ্ঞান মঞ্চৰ স্মৃতিগ্ৰন্থ। প্ৰথম অধিৱেশন, ১৪-১৫ মে', ২০০৫।

৩৪ ড° ৰবীন্দ্ৰকুমাৰ শৰ্মা। *বিজ্ঞান জনপ্ৰিয়কৰণ প্ৰয়োজন আৰু প্ৰত্যাহ্বান*। সভাপতিৰ ভাষণ। অসম বিজ্ঞান সমিতিৰ ৪৭তম বাৰ্ষিক অধিৱেশন, বঙাইগাঁও।

# অসমত গণমুখী সাংস্কৃতিক আন্দোলনঃ এটি অৱলোকন

অমিয়কুমাৰ দাস

সৰ্বসাধাৰণ মানুহৰ সুখ-দুখ, হৰ্ষ-বিষাদৰ বৈচিত্ৰ্যময় আৰু ব্যঞ্জনাপূৰ্ণ চিত্ৰ চিত্তাকৰ্ষক ৰূপত, যি-শিল্পকৰ্মত ধৰা দিয়ে, সিয়ে গণসংস্কৃতি। গণসংস্কৃতিৰ স্ৰষ্টাই জনগণৰ মাজত থাকি তেওঁলোকৰ সুখ, দুখ-দুৰ্দশাৰ উৎসৰ অনুসন্ধান কৰি মানুহক মুক্তি পথৰ সন্ধান দিয়ে। মানুহক অমানৱীয় অৱস্থাৰপৰা উদ্ধাৰ হোৱাৰ কথা সোঁৱৰাই থাকে গণসংস্কৃতিয়ে। অন্যহাতেদি “গণ” শব্দটোৱে খাটি খোৱা জনগণক বুজায়। সমাজৰ এক বৃজন অংশকে জনগণ বোলা হয়। এজন শিল্পীক তেতিয়াহে গণশিল্পী বোলা হয়, যেতিয়া তেওঁ খাটি খোৱা দুখীয়া শ্ৰেণীটোৰ সপক্ষে থাকে। অৱশ্যে শ্ৰেণীবিভক্ত সমাজত কোনো শিল্পীয়েই নিৰপেক্ষ অৱস্থান ল'ব নোৱাৰে। জ্যোতিপ্ৰসাদৰ মতে গণ হ'ল “নিৰীহ জনতা, যি শতাব্দী শতাব্দী ধৰি বলীৰ, অত্যাচাৰীৰ, ছলাহীৰ সকলোৰেই উৎপাত মূৰ পাতি, নিজৰ চকুপানী নিজেই মচি, নিজৰ দুখৰ বতৰা নিজেই বুকুত সাঁচি নিৰীহভাৱে সকলো সহ্য কৰি আছে।”[১]

প্ৰণিধানযোগ্য যে অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ অভিকেন্দ্ৰ নিশ্চয় গণনাট্য সংঘৰ সৌজন্যত সংঘটিত হোৱা সাংস্কৃতিক কৰ্মসূচীসমূহ, যাৰ জোৱাৰত আকাশ-বতাহ মুখৰিত হৈছিল। এক কথাত অসমৰ গণমুখী সাংস্কৃতিক আন্দোলন মানে গণনাট্যৰ যুগটোকে আঙুলিয়াব পাৰি।

ভাৰতীয় গণনাট্য সংঘৰ সাংস্কৃতিক আন্দোলনৰ সৰ্বভাৰতীয় মহান ঐতিহ্যৰ পৰিপ্ৰেক্ষিতত অসম গণনাট্যৰ জন্ম আৰু কৰ্মধাৰাৰ পম খেদিব লাগিব। কিন্তু ইয়াত বিচাৰৰ ভেটি হ'ব অসমত সাংস্কৃতিক তথা অসমৰ অতীত ঐতিহ্যৰ সুস্থ, বলিষ্ঠ দেশপ্ৰেম আৰু অগ্ৰগতিৰ ধাৰা। অসমত গণআন্দোলন তথা সাংস্কৃতিক আন্দোলনৰ ভেটি স্থাপিত হৈছিল ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে গঢ়ি ওঠা জনজাগৰণৰ সময়ত আৰু তাকেই কেন্দ্ৰ কৰি ক্ৰমান্বয়ে অসমৰ কাব্য-সাহিত্য-সঙ্গীতত নতুন জীৱনবাদ, কু-সংস্কাৰবিৰোধী যুক্তিবাদ, মানুহৰ মুক্তিস্পৃহা আৰু নৱ কৰ্মোদ্যমৰ খলকনি উঠে।

IPTA অৰ্থাৎ Indian People's Theatre Association, যাক অসমীয়া বা বাংলা ভাষাত আমি ভাৰতীয় গণনাট্য সংঘ নামেৰে অভিহিত কৰোঁ, জন্ম লভিছিল ১৯৪৩ চনৰ ২৫ মে'ত অনুষ্ঠিত হোৱা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ মুম্বাই অধিৱেশনত, য'ত প্ৰস্তাৱ যোগে এটি সাংস্কৃতিক অনুষ্ঠানৰ পোষকতা কৰা হয়। প্ৰাৰম্ভতে পেৰিচ মহানগৰীত ১৯৩৫ চনত ফেচিবাদৰ বিৰুদ্ধে প্ৰগতিশীল শিল্পী-সাহিত্যিকসকলে বিশ্বত শান্তি বিচাৰি এনে অনুষ্ঠান (International Conference of Writers)ৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। এবছৰৰ পাছতে — ১৯৩৬ চনত — লক্ষ্ণৌত প্ৰগতিশীল শিল্পী সাহিত্যিক সংঘৰ জন্ম হৈছিল ফেচিবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধাচৰণ কৰি। দহ বছৰৰ পিছত হেমাঙ্গ বিশ্বাসৰ নেতৃত্বত সুৰমা ভেলি কালচাৰেল স্কোৱাডৰদ্বাৰা সমগ্ৰ অসমভ্ৰমণৰ সূত্ৰ ধৰি জন্ম হয় গণনাট্য সংঘৰ অসমৰ শাখাবোৰ।

জ্যোতিপ্ৰসাদ আৰু হেমাঙ্গ বিশ্বাসৰ মণিকাঞ্চন সংযোগে এই আন্দোলনক নতুন গতি প্ৰদান কৰিলে। গণমুক্তিৰ সপোন বুকুত লৈ জনতাৰ বাবে শিল্পীৰ সাংস্কৃতিক অভিযানত জীৱন উছৰ্গা কৰা জ্যোতিপ্ৰসাদে গণনাট্যত যোগদান কৰাৰপৰা জীৱনৰ অন্তিম মুহূৰ্তলৈকে (১৯৪৭-৫১) চলোৱা সাংগঠনিক-সাংস্কৃতিক কৰ্মযজ্ঞৰ কৃতিত্ব যেনেকৈ হেমাঙ্গ বিশ্বাসৰ, ঠিক তেনেকৈ অননুকৰণীয় সাংস্কৃতিক ব্যক্তিত্বৰে গণনাট্যক বিকশিত আৰু গতিদান কৰাৰ কৃতিত্ব জ্যোতিপ্ৰসাদৰ।[২] ১৯৪৭ চনত শিলচৰত অনুষ্ঠিত প্ৰথম প্ৰাদেশিক সন্মিলনত জ্যোতিপ্ৰসাদক (ৰোগাক্ৰান্ত জ্যোতিপ্ৰসাদ তাত উপস্থিত নাছিল) সভাপতি মনোনীত কৰা আৰু হেমাঙ্গ বিশ্বাসক সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়াটো ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ আৰু সঠিক সিদ্ধান্ত আছিল।

অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ পটভূমি বিচাৰিলে পোনপ্ৰথমে অসমৰ সেই সময়ৰ সামাজিক দিশটো উল্লেখ কৰিবই লাগিব। গণনাট্য সংঘৰ প্ৰাসঙ্গিকতা ভাৰতৰ অন্য ৰাজ্যতকৈ বেছি, কিয়নো ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ সময়ত অসমত সাক্ষৰ লোকৰ শতকৰা হাৰ আছিল মাত্ৰ ১২। এই ১২ জনৰো প্ৰায়খিনিয়ে আছিল উচ্চবংশীয় আৰু ধন-পইচা থকা শ্ৰেণীৰ। বাকী পিছপৰা আৰু জনজাতীয় লোকৰ প্ৰায়বোৰেই অসাক্ষৰ আৰু অশিক্ষিত। সেই কাৰণে নাচ-গান আৰু নাটকৰ নিচিনা মাধ্যমবোৰ জনসাধাৰণক শিক্ষা দিবৰ বাবে অতীৱ প্ৰয়োজনীয় হৈ পৰিছিল।[৩]

মন কৰিবলগীয়া যে অসমৰ ঐতিহ্যৰ ভেটিতে থিয় হৈ যে গণনাট্য সংঘ আগবাঢ়িবলৈ বিচাৰিছিল সেই কথা সংঘৰ তৃতীয় অধিৱেশনৰ সম্পাদকীয় প্ৰতিবেদনত উল্লেখ আছে। "অসমৰ ৰঙ্গমঞ্চত *কানীয়া কীৰ্ত্তন*ৰপৰা আৰম্ভ কৰি *কাৰেঙৰ লিগিৰী*লৈকে সমাজসংস্কাৰমূলক নাটকৰ ঐতিহ্য, মণিৰাম দেৱান, পিয়লী ফুকন প্ৰমুখ্যে যি-সাম্ৰাজ্যবাদবিৰোধী ঐতিহ্য, ৰাইজমেলৰ গীত আৰু মণিৰাম দেৱানৰ গীত ইত্যাদি গীতৰ ধাৰাই অসমৰ গণনাট্য সংঘৰ ভেটি।"[৪]



তদুপৰি গণনাট্য সংঘৰ প্ৰতিষ্ঠাৰ আগেয়ে অসমত প্ৰগতি সমিতি (১৯৩৮) আৰু জয়ন্তী গোষ্ঠীৰ সৌজন্যত সদৌ অসম প্ৰগতিশীল শিল্পী-সাহিত্যিক সংঘৰ (১৯৪৪) জন্ম হৈছিল। সেয়ে অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ সৈতে অসমীয়া প্ৰগতিশীল সাহিত্যৰ সম্পৰ্ক অবিচ্ছিন্ন। নৱবৈষ্ণৱ আন্দোলনক অসমীয়া প্ৰগতিশীল সাহিত্যৰ সূচনা পৰ্ব বুলি ক'ব পাৰি; শঙ্কৰদেৱে সৰ্বপ্ৰথমে জনসাধাৰণৰ সহজবোধ্য ভাষাত সাহিত্যচৰ্চা কৰি জনচেতনাত আলোড়ন আনিছিল; জাতিপ্ৰথাৰ বিৰুদ্ধাচৰণ কৰি এটি সামাজিক আন্দোলনৰ পটভূমি তৈয়াৰ কৰিছিল। ঊনবিংশ শতাব্দীৰ *জোনাকী* আৰু *বিজুলী*য়ে অৱশ্যে অসমৰ ব্ৰিটিছবিৰোধী চেতনাৰ বিপৰীতে সাম্ৰাজ্যবাদীৰ স্বাৰ্থক স্বাগত জনাই অসমৰ প্ৰগতিশীল সাহিত্যৰ ধাৰাটোৰ অগ্ৰগতিত অন্তৰায়ৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ত শঙ্কৰদেৱৰদ্বাৰা প্ৰদৰ্শিত প্ৰগতিশীল আদৰ্শৰে অথচ সাম্ৰাজ্যবাদবিৰোধী গণচেতনাৰ অনুকূলে সাহিত্য সৃষ্টি কৰি এদল সাহিত্যসেৱীয়ে প্ৰকৃত দেশপ্ৰেমৰ পৰাকাষ্ঠা দেখুৱাইছিল। নিপীড়িত লক্ষজনৰ কাষত থিয় হৈছিল কবি সমাজকৰ্মী ধীৰেন দত্ত, অমূল্য বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা, ভৱানন্দ দত্ত আদি। অৱশ্যে এওঁলোকক পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে ৰুছ সমাজতান্ত্ৰিক বিপ্লৱৰ দ্ৰুত সাফল্যই প্ৰভাৱিত কৰিছিল।[৫] গণনাট্যৰ লগত জড়িত সাহিত্যিক-বুদ্ধিজীৱীসকলে অসমত গণ-সাংস্কৃতিক আন্দোলনৰ বাট মুকলি কৰিছিল আৰু এই আন্দোলনক প্ৰকৃতাৰ্থত সুকীয়া পৰিচয় দিবলৈ প্ৰয়াস কৰিছিল।

গণনাট্য সংঘৰ তৃতীয় প্ৰাদেশিক অধিৱেশন (১৯৫৫)ৰ সম্পাদকীয় প্ৰতিবেদনৰ কথা উল্লেখ কৰিলেই এই গণমুখী সাংস্কৃতিক আন্দোলনৰ পটভূমি জলজল পটপট কৈ ওলাই পৰে। "অসমৰ জনতাৰ অধিকাংশই হ'ল খেতিয়ক আৰু এই অনাখৰী খেতিয়ক শ্ৰেণীৰ উৎপাদনমুখী জীৱনতেই জন্ম হৈছিল বনগীত, ওজাপালি আদি, যিবোৰ আমাৰ জাতীয় সংস্কৃতিৰ মূল প্ৰবাহ।"[৬] যিহেতু অসমৰ আৰ্থিক ভেটি হ'ল কৃষি আৰু কৃষি আৰু কৃষ্টিৰ সম্পৰ্ক বা যোগসূত্ৰ অবিচ্ছেদ্য, সেই হেতুকে কৃষ্টি আন্দোলন জনসাধাৰণৰ মাটি আৰু জীৱিকাৰ সংগ্ৰামৰ লগত ঘনিষ্ঠভাৱে জড়িত। অভিজ্ঞতাপুষ্ট হেমাঙ্গ বিশ্বাসে এই গণসঙ্গীতৰ ধাৰাটো প্ৰয়োগ কৰিছিল সুৰমা উপত্যকাত আৰু তেওঁ কমিউনিষ্ট আৰু কৃষাণ সভাৰ লগত একাত্মও হৈ পৰিছিল। শ্ৰমজীৱী মানুহৰ সংগ্ৰামী ঐক্যৰ চেতনা জগাবলৈ তেওঁ ৰচিছিল গণসঙ্গীত আৰু সেইবোৰ গাইছিল। এফালে দেশৰ ৰাজনৈতিক স্বাধীনতা আৰু আনফালে দেশৰ অৰ্থনৈতিক মুক্তি — এই দুই আদৰ্শ আগত ৰাখি তেওঁ অসমৰ গণসঙ্গীতৰ চৰ্চা কৰাৰ লগতে অনুশীলন আৰু প্ৰচাৰৰ কামত ব্ৰতী হৈছিল আশাতীতভাৱে। উল্লেখযোগ্য যে চল্লিছৰ দশকৰ শেষাৰ্ধত শ্ৰেণীসংগ্ৰামৰ ভিত্তিত অসমৰ হালোৱা সংঘই বিশেষকৈ ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত আৰু "কৃষক বনুৱা পঞ্চায়ত"ৰ জৰিয়তে অসমৰ কৃষকসকলৰ সমস্যাসমূহৰ সমাধানাৰ্থে জোৰদাৰ জঙ্গী আন্দোলন চলিছিল। অসমৰ গ্ৰামাঞ্চলৰ

অৱহেলিত হালুৱা-বনুৱাৰ মুক্তি অধিকাৰৰ কাৰণে এয়াই আছিল সৰ্বপ্ৰথম আন্দোলন। এই আন্দোলনৰ জৰিয়তে "অসমত এটা সাংস্কৃতিক বিপ্লৱৰ প্ৰচেষ্টা লৈছিল হৰেন কলিতা, লোকনাথ বৰুৱা আৰু বিষ্ণু ৰাভাকে আদি কৰি লোকসকলে।"[৭] উল্লেখযোগ্য যে সেই সময়ত মাটিৰ মহাজন, জমিদাৰ আদিৰ পক্ষ লৈ দুখীয়া, ভূমিহীন খেতিয়কৰ স্বাৰ্থৰ বিৰুদ্ধে সংবাদপত্ৰত বহু লেখা ওলাইছিল। গতিকে এই মানসিকতাৰ প্ৰতিৰোধ এই আন্দোলনৰ অন্তৰ্ভুক্ত আছিল। শঙ্কৰদেৱক লৈ সেই সময়ত প্ৰতিক্ৰিয়াশীল শক্তিৰ যি-আধিপত্য চলিছিল তাৰ বিৰুদ্ধেও প্ৰথম যুদ্ধ কৰিছিল এই দলটোৱে। দেখা যায় যে বহু সময়ত গণনাট্যৰ কৰ্মীসকলে কৃষক সভাৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকি সেইবোৰত প্ৰাণসঞ্চাৰ কৰিছিল আৰু শোষক-শাসকৰ বিৰুদ্ধে কৃষক-বনুৱাক ঐক্যক উৎসাহিত কৰিছিল।

উল্লেখযোগ্য যে গণনাট্য সংঘৰ জন্মকালত ভাৰতৰ স্বাধীনতা আন্দোলনৰ জোৱাৰ উঠিছিল। নিস্তেজ শিল্পকলাই মূক মানুহৰ মনবোৰ মুকলি কৰিব পৰা নাছিল। পুঁজিবাদৰ কূট-কৌশলে মানুহৰ সৃষ্টি-ক্ষমতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছিল; সৃষ্টি প্ৰতিভা আৰু অভিব্যক্তিৰ ক্ষমতা মানুহৰ মনলৈ দুনাই আনিবলৈ সমাজৰ বুনিয়াদত সাংস্কৃতিক জাগৰণৰ অতীৱ প্ৰয়োজন হৈছিল। বৃত্ত ভাঙি জনসাধাৰণৰ সজাগ অংশক এলিট সংস্কৃতিয়ে স্পৰ্শ কৰিবগৈ নোৱাৰে। জড়ীভূত কলাই শ্ৰমজীৱী মানুহক যান্ত্ৰিক আৰু পাঠক-শ্ৰোতাক নিষ্ক্ৰিয় আৰু ব্যক্তিত্বহীন কৰি তোলে।[৮] ইয়াৰ বিৰুদ্ধে প্ৰয়োজন আছিল বৈপ্লৱিক কলাৰ যিয়ে দুৰ্নীতিৰ বিৰুদ্ধে গণ-প্ৰতিৰোধ গঢ়ি তুলিব পাৰে আৰু প্ৰতিৰোধৰপৰা সৃষ্টি কৰিব পাৰে সংগ্ৰাম তথা বিপ্লৱৰ।

ভাৰতীয় গণনাট্য সংঘৰ অন্যতম লক্ষ্য আছিল নগৰীয়া সংস্কৃতিৰ লগত গাঁৱলীয়া লোকসংস্কৃতিৰ মিলনৰ পথ খুলি দিয়া আৰু আদান-প্ৰদানৰ সেতু গঢ়ি তোলা। লগতে মানুহৰ মাজত নিহিত হৈ থকা সুপ্ত প্ৰতিভাক বিচাৰি উলিয়াই সেই প্ৰতিভাক যোগ্য স্থান দিয়া। এই দুয়োটা বিষয়তে IPTA (অসম)ৰ তাত্ত্বিক তথা "One Man Army" হেমাঙ্গ বিশ্বাস হৈ পৰিছিল আগৰণুৱা। গণনাট্য সংঘৰ ইস্তাহাৰৰ শীৰ্ষত ধ্বনি আছিল "People's Theatre stars the people" অৰ্থাৎ জনগণৰ নাটকত জনগণেই তাৰকা। এই আদৰ্শৰ প্ৰতিফলন ঘটিছিল তাৰ সামগ্ৰিক কাৰ্যক্ৰমণিকাতেই। চমুকৈ গণ-সঙ্গীত, ছাঁ-নাট, গণমুখী কাব্য-সাহিত্যৰ জৰিয়তে গঢ়ি উঠিছিল গণমুখী সাংস্কৃতিক আন্দোলন।

হেমাঙ্গ বিশ্বাসে ১৯৪৫ চনত গৃহীত ভাৰতীয় গণনাট্য সংঘৰ প্ৰস্তাৱৰ উদ্ধৃতি দি অতি প্ৰত্যয়ৰে আহ্বান জনাইছিল যে সংগঠন হিচাপে তেওঁলোক কোনো পাৰ্টিৰ ওচৰত দায়বদ্ধ নহয়। তেওঁলোক দায়বদ্ধ দেশৰ জনসাধাৰণৰ ওচৰত। কোনো এটা দল বা সংগঠনৰ মতামত প্ৰচাৰাৰ্থে IPTA মঞ্চ হ'ব নোৱাৰে। জ্যোতিপ্ৰসাদৰ বেলিকা কথাটো আছিল যে তেওঁ গণসংস্কৃতি আৰু



সাম্যবাদক একে দৃষ্টিৰে দেখা পাইছিল। স্বৰাজোত্তৰ দেশবাসীৰ স্বাৰ্থ অৱহেলিত হোৱাত, স্বাধীন চৰকাৰৰদ্বাৰাই শ্ৰমজীৱী জনগণ নিগৃহীত হোৱাত তেওঁ গৰ্জি উঠিছিল। জ্যোতিপ্ৰসাদৰ জীৱনৰ শেষ কালছোৱাৰ ৰচনা আৰু দৰ্শনত নিপীড়িত মানুহৰ কথা অতি স্পষ্টকৈ শুনিবলৈ পাওঁ। দেশৰ বিভিন্ন প্ৰান্তৰ ধৰ্মঘটী শ্ৰমিক আৰু তেভাগা আন্দোলনৰ উপান্ত খেতিয়ক হৈছেগৈ জ্যোতিৰ অসমৰ নাটঘৰৰ হিৰো আৰু তেওঁৰ গীতসমূহৰ প্ৰধান উৎস।

অসমৰ সাংস্কৃতিক জগতক যেতিয়া জীৱনবিমুখী সুৰে আচ্ছন্ন কৰি আছিল, তেতিয়া গণনাট্যই ৰাজ্যখনৰ সংস্কৃতিৰ পথাৰত জীৱনমুখী সুৰৰ কঠীয়া সিঁচে। গণনাট্যই আধুনিক অসমীয়া সঙ্গীতক নতুন দৃষ্টিৰে আলোড়িত কৰে। গণনাট্য সংঘৰ ডিব্ৰুগড় শাখাই ইতিপূৰ্বে নগেন কাকতি আৰু জ্যোতিপ্ৰসাদৰ সাংগঠনিক আঁচনিৰে চাহবনুৱা, ৰেল-শ্ৰমিকৰ মাজত অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰিছিল। সেই সময়ত জ্যোতিপ্ৰসাদে কমিউনিষ্ট আন্দোলনক অন্যায়ৰ বিৰুদ্ধে বিশ্বজোৰা প্ৰতিৰোধৰ এক আদৰ্শবাদী দল বুলি অকপটে স্বীকাৰ কৰি লয়। ডিব্ৰুগড়ত থকা জীৱনৰ শেষ কালছোৱাত জ্যোতিৰ উত্তৰণ ঘটিল "কংগ্ৰেছৰপৰা কমিউনিষ্ট সমৰ্থকলৈ, অহিংস আন্দোলনৰপৰা সশস্ত্ৰ প্ৰতিৰোধ আন্দোলনৰ পৃষ্ঠপোষকলৈ, ৰূপকোঁৱৰৰপৰা গণশিল্পীলৈ।"[৯] তেওঁ নামি আহিল কাৰ্পেটৰপৰা ঘাঁহনিলৈ। বুৰ্জোৱা কংগ্ৰেছ চৰকাৰ প্ৰচাৰত নামিছিল এই বুলি যে, গণনাট্য আন্দোলন মানেই কমিউনিষ্ট আন্দোলন। কমিউনিষ্ট আন্দোলন মানেই চৰকাৰবিৰোধী।

এক দুৰ্ভাগ্যজনক ঐতিহাসিক ঘটনা ঘটিছিল ১৯৪৮ চনৰ ১৭ জুলাইৰ দিনটোত, যাক "নালিয়াপুলৰ দুৰ্ঘটনা" বুলি কোৱা হয়। ১৬ আৰু ১৭ জুলাইত ডিব্ৰুগড় জিলাৰ নালিয়াপুলত গণনাট্যৰ অধিৱেশন অনুষ্ঠিত হৈছিল। স্বাধীনতাৰ উত্তৰকালৰ অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ইতিহাসত এক মচিব নোৱৰা কলঙ্কজনক ঘটনা সংঘটিত হয়। ১৬ জুলাইত কোনো অজ্ঞাত হঠকাৰীৰ হাতত গোবিন্দ দাস নামৰ পুলিচৰ এজন দাৰোগাৰ মৃত্যু হ'লত ১৭ জুলাইত পুলিচে নিৰস্ত্ৰ জনতাৰ ওপৰত জপিয়াই পৰি ষোড়শী নাগ আৰু বীণা বৰা নামৰ দুই সাংস্কৃতিক কৰ্মীক হত্যা কৰে। একশ্ৰেণীৰ হঠকাৰী লোকৰ হাতত কৰ্তব্যৰত পুলিচ বিষয়াৰ হত্যা যিমান বেদনাদায়ক, দেশৰেই পুলিচৰ গুলীত নিৰস্ত্ৰ আৰু নিৰপৰাধ মানুহৰ মৃত্যু সিমানেই বেদনাদায়ক। জ্যোতিপ্ৰসাদে এই ঘটনাত মৰ্মান্তিক দুখ পাইছিল আৰু "নালিয়াপুলৰ বিপদ-সঙ্কেত" নামৰ দুখন চিঠি লিখি কেবাখনো বাতৰিকাকতলৈ পঠাইছিল। কিন্তু সেইবোৰ ক'তো নোলাল।

জ্যোতিপ্ৰসাদৰ সভাপতিত্বত হোৱা প্ৰথম বৈঠকৰ প্ৰস্তাৱত কোৱা হৈছিল, যে "... ফল্গু ধাৰাৰ দৰে মাটিৰ তলত বৈ যোৱা তেলৰ সোঁত আৰু অন্যান্য খনিজ পদাৰ্থ, সেউজী ডাঠ বননিৰ অতুল ঐশ্বৰ্য, চাহ-শিল্প প্ৰভৃতি আৰু দিগন্ত-বিয়পা সাৰুৱা মাটিত শোষণমুক্ত প্ৰচুৰ উৎপাদনে সমাজজীৱনলৈ যেনেকৈ অফুৰন্ত আনন্দ আনিব, ঠিক তেনেকৈ সাংস্কৃতিক দিশত পৰ্ব্বত আৰু ভৈয়ামৰ বিভিন্ন

ভাষা-ভাষী আৰু জাতিৰ সুকীয়া সাংস্কৃতিক ধাৰাক অক্ষুণ্ণ ৰাখি এইবোৰক পৰিপূৰ্ণ বিকাশৰ সুযোগ দিলে মহামিলনৰ মাজেদি ৰামধেনুৰ দৰে ফুলি উঠিব অসমৰ মহান সংস্কৃতি। সাংস্কৃতিক প্ৰভুত্বৰ মনোবৃত্তি আৰু আছুতীয়াকৈ থকা ঠেক মনোভাবত কোনো জাতিৰ সংস্কৃতিয়ে গঢ় ল'ব নোৱাৰে; বৰঞ্চ ই জাতিৰ নামত সংঘৰ্ষ আৰু বিচ্ছেদৰ কাৰণ হৈ পৰিব।" সেই সময়ত "অসমৰ মধ্যবিত্ত শ্ৰেণীৰ একাংশ প্ৰভাৱশালী শাখা ভাষিক জাতীয়তাবাদত নিমগ্ন হৈ আছিল; গণনাট্য সংঘই ইয়াৰ বিৰুদ্ধে দুৰ্যোৰ প্ৰতিবাদ জনাইছিল।"[১০]

হেমাঙ্গ বিশ্বাসে অসমত যেতিয়া এই গণমুখী সাংস্কৃতিক আন্দোলনৰ আঁত ধৰিছিল তেতিয়া তেওঁ তাত্ত্বিক বিষয়বোৰতো যথেষ্ট গুৰুত্ব দিছিল, বিশেষকৈ লোকসঙ্গীত আৰু গণসঙ্গীতৰ পাৰ্থক্য সম্পৰ্কে। তেওঁৰ মতে গণসংগ্ৰামৰ চেতনাত উদ্বুদ্ধ লোকসঙ্গীতৰ ধাৰাটি গণসঙ্গীতৰ অন্তৰ্গত যদিও গণসঙ্গীত মানেই লোকসঙ্গীত নহয়। গণসঙ্গীত অনেক বেছি ব্যাপক। স্বদেশচেতনা গণচেতনাৰে মিলিত হৈ শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিকতাৰ ভাবাদৰ্শৰ সাগৰৰ যি-ঠাইডোখৰত বিলীন হয়, তাতেই জন্ম হয় গণসঙ্গীতৰ।[১১] অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ দ্ৰষ্টা আৰু স্ৰষ্টা হেমাঙ্গ বিশ্বাসে অনুধাৱন কৰিছিল যে গণসাংস্কৃতিক আন্দোলনৰ ঢৌৱে সাময়িকভাৱে হ'লেও লোকসঙ্গীতক অচলাৱস্থা আৰু আধ্যাত্মিকতাৰ কবলৰপৰা মুক্ত কৰিছিল। তেওঁ কৈছিল যে সমষ্টিচেতনা, সমষ্টিৰ স্বীকৃতি, সুৰৰ আঞ্চলিকতা, ভাষা আৰু অভিব্যক্তিৰ বৈশিষ্ট্যক বাদ দি ব্যক্তিগত কোনো ৰচনা লোকসঙ্গীত হৈ নুঠে। গ্ৰামীণ সমাজৰ লোকসঙ্গীতে শ্ৰমিক শ্ৰেণীৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰাৰ কাৰণটো হ'ল, আমাৰ কৃষিপ্ৰধান অৰ্ধ-ঔপনিৱেশিক দেশৰ কল-কাৰখানাত যিসকলে কাম কৰে, সেই শ্ৰমিকসকলৰ সৈতে গাঁৱৰ সম্পৰ্ক খুউব নিবিড়। সেয়েহে শ্ৰমিকৰ সৃষ্টিশীলতাৰ আত্মপ্ৰকাশৰ প্ৰধান মাধ্যম হ'ল তাৰ ঐতিহ্যবাহী লৌকিক আঙ্গিক। লোকসঙ্গীত কেৱল গ্ৰাম্য কৃষকৰে সৃষ্টি নহয়, খনিত, চাহবাগিচাত, কল-কাৰখানাত কাম কৰা শ্ৰমিকৰো সৃষ্টি। এই গণসাংস্কৃতিক আন্দোলনে লোকসঙ্গীতৰ স্ৰষ্টা উপেক্ষিত চহা কবিৰ গানলৈ নতুন জীৱন আনিলে। এই আন্দোলনে স্বাদেশিকতাক সন্মিলিত কৰিলেহি শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিকতাৰে। লোকসঙ্গীত স্বতঃস্ফূৰ্ত আৰু যৌথ সৃষ্টি। মাৰ্গসঙ্গীত আৰু আধুনিক সঙ্গীত ব্যক্তিৰ সচেতন প্ৰয়াসৰ ফল। লোকসঙ্গীতৰ আধাৰতেই গণসঙ্গীতৰ সৃষ্টি, কিন্তু গণসঙ্গীতত আজি শ্ৰমিক শ্ৰেণীৰ জীৱন আৰু সংগ্ৰামী চেতনা যুক্ত হৈছে।

গণসাংস্কৃতিক আন্দোলনৰ গতি স্তব্ধ হৈ পৰিবলৈ বাধ্য হয় যদিহে শ্ৰমজীৱী মানুহে নিজৰ জীৱনক সলনি কৰাৰ লক্ষ্যৰে আগুৱাই নিয়া আন্দোলনৰ যুক্তি তথা সংগ্ৰামৰ সৈতে একাত্মবোধ নকৰে। দুয়োটা সংগ্ৰাম স্বতন্ত্ৰ বা ইটো-সিটোৰপৰা বিচ্ছিন্ন নহয়। লোকসংস্কৃতিৰ বিকাশ বা উত্তৰণৰ প্ৰক্ৰিয়াটোও সেইবাবে গণবিচ্ছিন্ন ব্যক্তি-প্ৰতিভাৰ তৎপৰতাৰ ফল হ'ব নোৱাৰে।



প্ৰণিধানযোগ্য যে লোকসঙ্গীতৰপৰা আধুনিক সঙ্গীতলৈ ভাৰতীয় সঙ্গীতৰ উত্তৰণ বা বিকাশ ইতিপূৰ্বেই ঘটিছিল। বিশেষকৈ স্বাধীনতা আন্দোলনৰ কালছোৱাত ভাৰতৰ প্ৰান্তে প্ৰান্তে আঞ্চলিক ভাষাবোৰত অজস্ৰ দেশপ্ৰেমমূলক গীত ৰচিত হৈছিল। "ভাৰতীয় আধুনিক সঙ্গীতৰ এই ধাৰাটো সংগ্ৰামৰ থলীতেই বিকশিত হৈছিল যদিও সেই সংগ্ৰাম আছিল ভাৰতীয় ধনিক আৰু মধ্যশ্ৰেণীৰ জাতীয়তাবাদী আদৰ্শৰে পৰিচালিত আৰু সেইবাবে দেশৰ সংখ্যাগৰিষ্ঠ কৃষক-শ্ৰমিকৰ মুক্তিৰ প্ৰশ্ন তাত গৌণ হৈ আছিল। তাতেই প্ৰবল হৈ পৰিছিল গণমুখী সাংস্কৃতিক আন্দোলনৰ প্ৰাসঙ্গিকতা।"[১২]

গণনাট্য সংঘই যি-গণসাংস্কৃতিক আন্দোলনৰ পটভূমি তৈয়াৰ কৰিছিল, তাৰ আটাইতকৈ উল্লেখযোগ্য উপাদানটো আছিল সঙ্গীত। সঙ্গীতত প্ৰাণৰ নিজৰা বৈছিল তেতিয়া। কাশ্মীৰৰপৰা অসম সীমান্তলৈকে শ শ গীতৰ, অগণিত আঞ্চলিক সুৰৰ মিশ্ৰ ধ্বনিত সৃষ্টি হৈছিল সৰ্বভাৰতব্যাপী এক গণছিম্ফনিৰ। সেই সময়ত সঙ্গীতত এফালেদি যি-উদ্দেশ্যহীনতা আৰু আনফালেদি যি-টুলুঙা তৰলতাই দেখা দিছিল — গণনাট্যৰ গীতৰ প্ৰবাহে তালৈ লৈ আহিল এক সামাজিক ঐতিহাসিক তাৎপৰ্য। লোকসঙ্গীতক প্ৰান্তিক অৱস্থাৰপৰা উদ্ধাৰ কৰি তাত নৱজীৱনৰ বিষয়বস্তু প্ৰদান কৰা হ'ল। অসমৰ বিহু, বনগীত আদিৰ পুৰণি সুৰৰ ধাৰাত নৱজীৱনৰ বাণী অনুৰণিত হ'ল। একে সময়তে ভাৰতৰ উচ্চাঙ্গ সঙ্গীতৰ চহকী ঐতিহ্য আৰু লোকসঙ্গীতৰ বিচিত্ৰ ধাৰাৰ সমন্বয়ত জীৱনসংগ্ৰামৰ বাণী সুমুৱাই দি যি-সৃষ্টিমূলক গীত ৰচনা কৰা হ'ল সেয়া বৰ্তমান সঙ্গীতৰ ধাৰাত নতুন যুগৰ সূচনা কৰিলে। সস্তীয়া হতাশাপূৰ্ণ, প্ৰাণহীন আৰু অ-সুৰৰ উৎপত্তিৰ বিৰুদ্ধে এইবোৰে প্ৰতিবাদ সাব্যস্ত কৰিলে। গণনাট্যৰ গীত HMV আৰু Colombiaই 'progressive song' title দি ৰেকৰ্ড কৰিবলগীয়া হ'ল। "ভাৰতৰ নৱযুগৰ শান্তি আৰু স্বাধীনতা, কৃষক-মজদুৰ আৰু মধ্যবিত্তৰ জীৱন আৰু জীৱিকাৰ প্ৰতিটো সংগ্ৰাম গণনাট্যৰ অজস্ৰ গীতৰ জাউৰিৰ মাজেদি প্ৰতিধ্বনিত হৈ উঠিল। ভাৰতৰ সাংস্কৃতিক আন্দোলনত এনে দৃষ্টান্ত আৰু পাবলৈ নাই।"[১৩]

জ্যোতিপ্ৰসাদে আধুনিক গীতত যি-গতিশীল দিশ উন্মোচন কৰিছিল, সেই পথেৰে গণনাট্য সংঘৰ মজিয়াত ভূপেন হাজৰিকাই এক বলিষ্ঠ পদক্ষেপ পেলালে। জ্যোতিপ্ৰসাদৰ ৰোমাণ্টিক মানৱতাবাদক ভূপেন হাজৰিকাই সমাজতান্ত্ৰিক বাস্তৱতাৰ পোহৰেৰে উদ্ভাসিত কৰি আধুনিক গীতলৈ এক আলোড়ন আনি দিয়ে। গণনাট্যৰ এই সাংস্কৃতিক আন্দোলনৰ সৈতে ভূপেন হাজৰিকাৰ সংযোগ এক অস্বাভাৱিক ঘটনা নাছিল। তেওঁ নিজে কৈছে যে বিষ্ণু ৰাভা আছিল তেওঁৰ বাবে এটা ডাঙৰ টাৰ্নিং পইণ্ট। জ্যোতিয়ে তেওঁক উচ্চ আসনত বহুৱাই আকাশত বিচৰণ কৰালে। বিষ্ণুৰাভাই তেওঁক ৰঙামাটিলৈ নমাই আনি ভাৰতীয় সঙ্গীতৰ সৈতে পৰিচয় কৰাই দিছিল। ভূপেন হাজৰিকাই ১৯৩৯ চনতে পণ লৈছিল এক শোষণহীন সমাজ গঢ়াৰ। তেওঁ গাইছিল:

অগ্নিযুগৰ ফিৰিঙতি মই নতুন ভাৰত গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম।
নবকঙ্কালৰ অস্ত্ৰ সাজি শোষণকাৰীক বধিম।

জ্যোতিপ্ৰসাদৰ মৃত্যুৰ পাছত যদিওবা গণসাংস্কৃতিক আন্দোলনত নিষ্ক্ৰিয়তা আহিছিল, তথাপি ১৯৫২ চনৰ পিছত এই সাংস্কৃতিক কৰ্মীসকলে অপূৰ্ব গীত সম্ভাৰেৰে গণনাট্য সংঘক মানুহৰ কাষলৈ লৈ গৈছিল, ভূপেন হাজৰিকাই গীত গাইছিল এনেদৰে:

ইফালেদি লথিয়ায় হালোৱা-বনুৱাক
সিফালেদি লথিয়ায় তোক, নাজিতৰা
সিফালেদি লথিয়ায় তোক।
ৰঙালী বিহুটিক কঙালী কৰিলে
পেটবে নুগুচে ভোক, নাজিতৰা
পেটবে নুগুচে ভোক।
দুদিন বিহু মাৰি এবছৰ কান্দিবি
গিলিবি দুখেৰে ঢোক
গাঁৱৰে এই গাল লোক
হ'ল মহাজনৰ ধোপ ...

ভূপেন হাজৰিকাই আমেৰিকাত প্ৰতিষ্ঠানবিৰোধী শিল্পী পল ৰবছন, হাৱাৰ্ড ফাষ্ট, পিট ছিগাৰ আদিক লগ পাইছিল। তেওঁৰ মনত সেইসকল শিল্পীৰ ছাপ পৰিছিল আৰু এক অনন্য ধৰণৰ প্ৰতিবাদী সত্তাই গঢ় লৈছিল। আমেৰিকাৰপৰা ঘূৰি আহি অসমৰ মাটিত ভৰি দিয়েই তেওঁ দেখিলে গণনাট্য সংঘৰ প্ৰতিষ্ঠান-বিৰোধী সংগ্ৰাম, কমিউনিষ্ট পাৰ্টি আৰু বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ৰাষ্ট্ৰ জুৰি বিৰোধ-জেহাদ। সন্মুখত পালে নীতিনিষ্ঠ, আদৰ্শৱান, সংগ্ৰামী নেতৃত্বত ৰাভা আৰু হেমাঙ্গ বিশ্বাসক। এহাতে অদম্য সৃষ্টিৰ প্ৰেৰণা আৰু আনহাতে সংগ্ৰামী প্ৰতিষ্ঠান-বিৰোধী মতাদৰ্শ। তৰুণ ভূপেন জিলিকি উঠিল। "তেওঁৰ দৰে উচ্চ শিক্ষিত, বৌদ্ধিক চেতনাদীপ্ত, তাতে সমাজৰ পিছপৰা শ্ৰেণীৰ তৰুণ, সাংঘাতিক জনপ্ৰিয় শিল্পী এগৰাকীৰ এনে অভ্যুদয় প্ৰত্যক্ষ কৰি কেৱল চৰকাৰী মহলেই নহয়, প্ৰতিষ্ঠানমুখী অসমীয়া মধ্যবিত্ত সমাজ, বিশেষকৈ উচ্চবৰ্ণৰ এচাম মানুহ ভিতৰি ভিতৰি জ্বলিবলৈ ধৰিলে। তেওঁৰ জ্বালাময়ী তথা সাম্যবাদ-সম্পৃক্ত গানবিলাকে দিগন্ত কঁপাই তুলিলে।"[১৪]

তেওঁৰ বেছিভাগ গীততে শ্ৰেণীসংগ্ৰামৰ সুৰ স্পষ্ট। মে' দিৱসত শ্ৰমিকসকলৰ উদ্দেশে তেওঁ বৈপ্লৱিক অভিনন্দন জনোৱাৰ বাবে ৰচনা কৰে গীত। ১৯৪৯ চনত চিকাগোৰ ৰেল ষ্টেচনত তেওঁ ৰচিলে:

ঝক্ ঝক্ ৰেল
চলে মোৰ



ৰেল চলে ৰেল চলে
সাম্যই ৰিঙিয়াই,
শান্তি উকিয়াই ৰেল চলে।।[১৫]
...........
নতুনৰ গতি খেদি বাহুৱে বাহুৱে বন্ধা,
আকাশ পৰশি যোৱা
একতাৰ বান্ধোনক
ৰুধিব কোনে?
সাম্যৰ ধুমুহাই ঠেলে ঠেলে।।

তেওঁৰ "শিল ভাঙোতা", "চাহবনুৱাৰ জুগনু" (১৯৫৩ চনত দিলীপ শৰ্মাই চীনত সুৰ দি গীতটো পুনঃ পৰিৱেশন কৰে।), "গাঁৱৰ ৰংমন মাছলৈ গ'ল", "বৰ বৰ মানুহৰ দোলা", "সাগৰ সংগম"ত আদি গীতে প্ৰকৃতাৰ্থত মানুহৰ চেতনাক উদ্দীপিত কৰিছিল। গাঁৱৰ দৰিদ্ৰ, সৰ্বসাধাৰণ ৰাইজৰ, যিসকলে স্বাধীনতা আন্দোলনত জীৱন আহুতি দিছিল, তেওঁলোকৰ ফালে পিঠি দি স্বাধীনতাৰ ঘিউ-মৌ খাবলৈ যোৱা মধ্যবিত্ত এচাম নেতা-পালি নেতাক উদ্দেশি তেওঁ গাইছিল:

লুইতত ভোটোঙাই ওলাল শিশু
আজি বোলে ৰঙালী বিহু বিহু
যেন লেতেকুৰে থোক
দলদোপ দলদোপ হেন্দোলদোপ
সমাজৰ পথাৰত কোন খেলুৱৈয়ে
কাক বা সাজিছে ঢোপ
ৰাইজৰ এইগাল লোক।

১৯৬০ চনত "ৰাজ্যভাষা"ক লৈ অসমীয়া-বাঙালীৰ মাজত হোৱা সংঘাতৰ ফলত বিধ্বস্তপ্ৰায় অসমত শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠাৰ বাবে হেমাঙ্গ বিশ্বাসে ভূপেন হাজৰিকাৰ সৈতে লগ লাগি "Let Us Meet the Cultural Troupe" নামৰ সাংস্কৃতিক দল এটা গঠন কৰে। দলটো সমগ্ৰ অসম ভ্ৰমণ কৰি অসমীয়া আৰু বাঙালীৰ মাজত সমন্বয়ৰ সেতু ৰচিছিল আৰু তাকে লৈ সৃষ্টি কৰিছিল "হাৰাধন-ৰংমনৰ কথা" নামৰ গীতি-আলেখ্য। সকলো হেৰুৱাই সৰ্বস্বান্ত হোৱা বাঙালী কৃষক হাৰাধনৰ হৃদয়বিদাৰক প্ৰশ্ন আৰু বিননিৰ উত্তৰ দিছিল ৰংমনৰূপী অসমীয়া কৃষকজনে। এই শান্তি অভিযানটো আছিল গণনাট্য সংঘৰ অন্যতম শ্ৰেষ্ঠ কীৰ্তি।

হাৰাধন।। পদ্মাৰ তুফান উড়াইয়া নিল
আমাৰ সুখেৰ ঘৰ
উজান ঠেইল্যা আইলাম আমি
লুইতেৰ চৰ।
আমাৰ ভাংগা নাওয়ে বন্ধু

তুমি দিলায় পাল
আমি ধৰলাম বৈঠা বন্ধু
তুমি ধৰলায় হাল।
এ' মিলন গাঙে আনলো বলে
কে বিভেদেৰ বান
চৰ ভাঙ্গিল, ঘৰ ভাঙ্গিল
ডুবলো সোণাৰ ধান।
আমাৰ দেহে বৃষ্টি শুকায়
ৰক্তকণায় সুৰুয ঘুমায়
হালেৰ খুঁটী মুঠিতে শোভায়
তবু কেন উপবাসী
নিজ দেশে পৰবাসী
সমনীয়া, বলো না আমায়।

ৰংমন।। ভাষা নুবুজিও যুগে যুগে আহে
মানুহ মানুহৰ পিনে
মৰমৰ ভাষাৰে আখৰ নাইকিয়া
বুজিব খুজিলেই চিনে।
গংগাৰ চাপৰিৰে তলিতে দেখিবা
লুইতৰ পলসো আছে
তোমাৰে মোৰে আয়ে কান্দিলে
একেই চকুপানী মচে।
তুমিয়ে ময়ে দেশখন গঢ়োতে
যদিহে কেঁচাঘাম সৰে
দুয়োৰে ঘামৰে মিলনে দেখিবা
বুৰঞ্জী ৰচনা কৰে।

এই সাংস্কৃতিক বাহিনীৰ যাত্ৰাপথতে ভূপেন হাজৰিকাই ৰচিছিল "মানুহে মানুহৰ বাবে" বিখ্যাত গীতটি। গণনাট্যৰ আদৰ্শৰ সৈতে একাত্ম হৈ তেওঁ ৰচা আৰু অনেক গীতৰ ভিতৰত আছে:

এন্ধাৰ কাতিৰ নিশাতে
এখনি নৈৰে পাৰতে, এটি ভগা পজাতে
পানেই কামিহাড় সাৰটি তাই
পোণাকণে উচুপে।
আই ভোক লাগিছে ভাত দে
.............
.............



ফল নাই মূল নাই
তেনেই উদং ঘৰ।

আচলতে গণনাট্যৰ মাজত ভূপেন হাজৰিকাই কনফিডেন্স বিচাৰি পাইছিল।[১৭] আৰু সেই কনফিডেন্স লৈয়েই তেওঁ ষাঠি চনৰ ভাষা আন্দোলনৰ ধামখুমীয়াত যেতিয়া অসমীয়া-বাঙালী মানুহৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল তেতিয়া শান্তি অভিযান কৰিবলৈ আগবাঢ়ি আহিছিল। ড° হাজৰিকাক গণনাট্যৰ মঞ্চত পাই কৰ্মীসকলে বেলেগ এটা উৎসাহ পাইছিল। ভূপেন হাজৰিকায়ো কমিউনিষ্ট শিল্পী বিষ্ণুৰাভাৰ চিন্তাদৰ্শত প্ৰৱেশ কৰাৰ সুযোগ পালে। তাৰেই অনুপ্ৰেৰণাত গালে:

হৰিজন পাহাৰী হিন্দু-মুছলিমৰ
বড়ো কোচ চুতীয়া কছাৰী আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম।
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।
নতুন ভাৰত গঢ়িম
নতুন অসম গঢ়িম।

স্মৰ্তব্য যে গণশিল্পীক প্ৰকৃত স্বীকৃতি দিয়ে জনতাইহে। উদাহৰণস্বৰূপে জীৱনকালত উপেক্ষিত জ্যোতি-বিষ্ণুপ্ৰসাদৰ স্বীকৃতি পৰৱৰ্তী সময়ত ইমানেই সাৰ্বজনীন আৰু সবল হৈ পৰিল যে এসময়ত নিৰ্যাতন দিয়া শাসক শ্ৰেণীয়ে এই দুইজনা গণশিল্পীক ক্ৰমে "ৰূপকোঁৱৰ" আৰু "কলাগুৰু" বুলি মানি ল'বলৈ বাধ্য হয়। ইপিনে সামাজিক কাৰ্যাৱলী আৰু গণচেতনা সৃষ্টিত ড° হাজৰিকাৰ ভূমিকা সকলো সময়তে একে ধাৰাতে আছিল বুলি ক'ব নোৱাৰি। নিজৰ জীৱনত নানান ৰাজনৈতিক অৱস্থান পৰিৱৰ্তনৰ পিছতো ভূপেন হাজৰিকাই কিছুদিনৰ আগতে সাংবাদিকক দিয়া সাক্ষাৎকাৰত কৈছে, "মাৰ্ক্সবাদ কেতিয়াও বৃদ্ধ নহয়, গতিকে ইয়াৰ মৃত্যু নাই।"[১৮] অৱশ্যে গণনাট্য সংঘৰ দিনতেই তেওঁৰ গণমুখী শ্ৰেষ্ঠ সৃষ্টিবোৰ হোৱা বুলি শেহতীয়াকৈ স্বীকাৰ কৰা কাৰ্যই তেওঁৰ গণমুখী প্ৰৱণতাৰেই স্বাক্ষৰ বহন কৰে।

অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ আন এজন গুৰুত্বপূৰ্ণ প্ৰবক্তা আছিল "ৰাইজৰ শিল্পী" বিষ্ণুপ্ৰসাদ ৰাভা। ৰাজনীতি আৰু সাংস্কৃতিক কৰ্মক্ষেত্ৰত তেওঁৰ সক্ৰিয় অংশগ্ৰহণে ত্ৰিছ আৰু চল্লিছৰ দশকত অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰিছিল। মাৰ্ক্সীয় বিশ্ববীক্ষা গ্ৰহণ কৰাটো বিষ্ণুৰাভাৰ জীৱনচৰ্যাৰ স্বাভাৱিক পৰিণতি। তেওঁৰ প্ৰতিভা আছিল বিশ্লেষণধৰ্মী, তথ্যানুসন্ধানী আৰু বিদ্ৰোহী। মাৰ্ক্সবাদ গ্ৰহণে তেওঁৰ সেই প্ৰতিভাক "শ্ৰেণীচেতনা আৰু সমাজচেতনাৰ বৈপ্লৱিক জিঞ্জিৰি পিন্ধাই দিলে।"[১৯]

তিলক হাজৰিকাই লিখিছে "জ্যোতিপ্ৰসাদৰ জনতা" হ'ল ৰাভাৰ "ৰাইজ"।

জ্যোতিপ্ৰসাদে জনতাৰ প্ৰাণৰো প্ৰাণত লুকাই থকা শিল্পীজনক জগাই তুলিব খুজিছিল; কিন্তু ৰাভাই "ৰাইজ"ৰ মুক্তিৰ বাবে সশস্ত্ৰ সংগ্ৰামত জঁপিয়াই পৰিছিল, পুঁজিবাদৰ শোষণ-শাসনৰপৰা সমাজক মুক্ত কৰাৰ সপোন দেখিছিল। জ্যোতিপ্ৰসাদে "শিল্পী-জনতা"ক সামাজিক ন্যায় আৰু সমতাৰ বেদীত প্ৰতিষ্ঠা কৰিবলৈ হাতে কামে লাগি গৈছিল। "মুক্তিৰ দেউল" (য'ত ভূপেন হাজৰিকাৰ দুটি গীত সন্নিৱিষ্ট কৰা হৈছিল) গীতি-আলেখ্যখন ৰাভাই উচৰ্গা কৰিছিল সৰ্বহাৰাৰ নামত। ৰাভাৰ প্ৰাণস্পৰ্শী গীত কেইটিমান হ'ল:

বল্ বল্ বল্ বল্
কৃষক শক্তি দল।
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ বল্।

বিশ্বৰ ছন্দে ছন্দে, ...

ভাঙ ভাঙ ভাঙ ভাঙ, লোহাৰ শিকলি ভাঙ

হে বিপ্লবী বীৰ অধিনায়ক হে!
দিয়া অগ্নি-বাণী বিপ্লৱৰ
ভাঙা বন্দীশাল কৌটিকালৰ
মুক্তি হওক নিৰ্যাতিতৰ।

পূৰ্বোক্ত আলেখ্যটিত এইবোৰ গীত অন্তৰ্ভুক্ত।

হেমাঙ্গ বিশ্বাসে কৈছে, গণজীৱনৰ জীৱনদৰ্শনক বাদ দি কোনো শিল্পী মহান হ'ব নোৱাৰে, এই কথা ৰাভাই উপলব্ধি কৰিছিল। এখন শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাৰ বাবে তেওঁ গণমুখী নৃত্য-নাটিকা আৰু গীতসমূহ ৰচিছিল। ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত তেওঁৰ অংশগ্ৰহণে এক বৃহৎ আলোড়নৰ সৃষ্টি কৰিছিল কৃষকসকলৰ মাজত। ধনতন্ত্ৰবাদ ধ্বংস হওক, সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা হওক, কৃষক বনুৱা ৰাজ কায়েম হওক — ৰাভাৰ গীতত এনে ভাব প্ৰকাশ হৈছে এনেদৰে:

ৰাইজেই ৰজা মোৰ
প্ৰজায়েই ৰজা মোৰ
সুখৰে পঞ্চায়তৰাজ।

তেওঁৰ অন্যান্য গীততো কৃষক-বনুৱাই পাইছে বিশাল মৰ্যাদা। হেমাঙ্গ বিশ্বাসে প্ৰত্যয়েৰে কৈছিল যে ৰাভাৰ ৰচনাত কৃষক-বনুৱা পাৰ্শ্বচৰিত্ৰ নহয়; তেওঁলোকেই প্ৰধান চৰিত্ৰ বা হিৰো। সেয়ে তেওঁ গাইছে:

তেজৰ বোলৰে লিখি যাম ইতিহাস।
মচি যাম দীন সমাজৰ হীন পৰিহাস।



ৰাভাই কৈছিল: ".... জীৱনযাত্ৰাৰ ঘাত-প্ৰতিঘাততে কৃষ্টিৰ ৰূপান্তৰ হয়; সেই ৰূপান্তৰিত সংস্কৃতিৰ আলম লৈ জীৱন যাত্ৰাও প্ৰগতি বাটত আগুৱাই যায়। জীৱন যাত্ৰাৰ লগতে কৃষ্টি-সংস্কৃতি ওতপ্ৰোতভাৱে যুক্ত হৈ থাকে।" তেওঁৰ মতে যি-জাতিৰ কৃষ্টি-সংস্কৃতি প্ৰগতিশীল নহয় — অৰ্থাৎ স্থিতিশীল, সেই জাতিৰ জীৱনযাত্ৰাও থীৰ-স্থিৰ হয়। এই গণমুখী চিন্তাই আছিল ৰাভাৰ চিন্তাৰ আধাৰস্বৰূপ। স্মৰ্তব্য যে জ্যোতিপ্ৰসাদৰ গণমুখী চিন্তাধাৰাক ("গণমুখী চিন্তাধাৰা" স্বৰাজোত্তৰ কালৰ শব্দবন্ধ বুলি বহুতে ক'ব খোজে) বিষ্ণুৰাভা আৰু ভূপেন হাজৰিকাই গণনাট্য সংঘৰ মজিয়াত সফলতাৰে তুলি ধৰিছিল।

ৰাভাৰ অন্তৰত সমাজৰ ৰূপান্তৰৰ আশাই অতি গভীৰভাৱে ক্ৰিয়া কৰিছিল। সেয়ে তেওঁ বিপ্লৱৰ বাণী প্ৰচাৰ কৰিবলৈ নিষ্পেষিত জনগোষ্ঠীসমূহৰ ওচৰ চাপিছিল আৰু তেওঁলোকৰ লগত একাত্ম হৈছিল। তেওঁৰ প্ৰখৰ ইতিহাস-চেতনাই এনে গণমুখী চিন্তাৰ আধাৰ। প্ৰকৃতাৰ্থত ৰাভা আছিল ৰাইজৰ বাবে এক বিশাল শোভাযাত্ৰা। তেওঁৰ সৃষ্টি আৰু স্বাভাৱিক বিচৰণ ক্ষেত্ৰ আছিল নাটক, থিয়েটাৰ, নৃত্য-গীত ইত্যাদি। তেওঁ পৰিৱেশ্য কলাৰ বহু উৎকৃষ্ট নিদৰ্শন ৰাখি থৈ গৈছে।

১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত তৃতীয় প্ৰাদেশিক অধিৱেশনত গণনাট্য সংঘই অভূতপূৰ্ব সফলতা লাভ কৰিছিল। ভূপেন হাজৰিকাৰ "ৰং কিনিবা কোনে" গীতটিত ৰাভাই প্ৰদৰ্শন কৰা নৃত্যই দৰ্শকক আপ্লুত কৰিছিল। ৰাভাই কেইবাখনো ৰাজহুৱা মিটিঙত (যিবোৰ জনজাতীয় সংগঠনসমূহে পাতিছিল) জনজাতীয় লোকসকলক গণনাট্য সংঘৰ লগত জড়িত হ'বলৈ অনুপ্ৰাণিত কৰিছিল। গণনাট্য সংঘৰ সৰ্বভাৰতীয় নেতৃবৃন্দই গুৱাহাটীৰ অধিৱেশনক ভূয়সী প্ৰশংসা কৰিছিল।

গণমুখী সাংস্কৃতিক আন্দোলনৰ আৰু এক উজ্জ্বল নক্ষত্ৰ আছিল মঘাই ওজা। মঘাই ওজা আছিল হেমাঙ্গ বিশ্বাসৰ "জীৱনৰ শ্ৰেষ্ঠতম আৱিষ্কাৰ।"[২০] ঢোল সংস্কৃতিৰ গণমুখিতাৰ সহায়ত এই ৰণুৱা শিল্পীজনে কৃষক-বনুৱাৰ চেতনা জাগ্ৰত কৰি দৰিদ্ৰ পীড়িত মানুহৰ বুকুৰ হুমুনিয়াহৰ সম্ভেদ লৈছিল। তেওঁৰ ঢোলৰ শব্দত ঝঙ্কৃত হৈছিল মুক্ত প্ৰতিবাদ, কলুষিত সমাজৰ প্ৰতি ব্যঙ্গ আৰু তাচ্ছিল্য। তেওঁৰ ঢোলৰ ছেৱত ফুটি উঠিছিল:

মাজুলী দেশতে খোৱাৰ অভাৱতে
পেলায় পৰিয়াল কাটি।
শিলং ৰোডতে দেখিবা ৰাইজসকল
মিনিষ্টাৰসকলৰ মাটি।

ভাষা আন্দোলনৰ ৰাজনৈতিক ধামখুমীয়াত "Meet the Cultural Troupe"এ এই শিল্পীবাহিনীক লগত লৈ গাইছিল:

ৰাইজখনে কান্দিছে ডা-ডাঙৰীয়া
দেশখনে কান্দিছে চোৰা
ৰাইজৰ বলতে তুমি বলবন্ত

কিয়নো পাহৰি যোৱা?

পুনৰ গালে সেই সময়তে :

ভাইয়ে ভাইয়ে দন কৰে পৰে পায় আশ
মতা-মাইকী দন কৰে ঘৰে বসবাস।

মঘাই ওজা হৈ পৰিছিল সংহতিৰ বাণী ছটিওৱা এজন ৰণুৱা। হেমাঙ্গ বিশ্বাসে লিখিছে, "যিসময়ত অসমৰ শিক্ষিত আৰু বুদ্ধিজীৱী শ্ৰেণীৰ অধিকাংশৰে চিন্তা জাতি-বিদ্বেষৰ কলুষ-কালিমাৰে আচ্ছন্ন আছিল, সেইসময়ত অসমৰ দুখীয়া খেতিয়কৰ ঘৰৰ সন্তান মাটিৰ শিল্পী মঘাই ওজাৰ ঢোলৰ চাপৰত অসমীয়া সংস্কৃতিৰ বিবেক গৰজি উঠিছিল।"[২১] এইজনা মাটিৰ শিল্পী গণনাট্য সংঘৰ সাংস্কৃতিক পৰিক্ৰমাত চামিল হৈছিল ১৯৫৫ চনত। সেই সময়ত সংঘৰ নীতি আৰু আদৰ্শৰ বাবে অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক ৰৰমূৰীয়াসকলে গণনাট্যৰ শিল্পীসকলক অসমৰ প্ৰধান উৎসৱ বিহুতো অনুষ্ঠান পৰিৱেশন কৰিবলৈ নিদিছিল। ড° ভূপেন হাজৰিকাই আক্ষেপ কৰি কৈছিল, "গণনাট্য আন্দোলন কৰোঁ বাবে মোৰ বহু শিক্ষক বন্ধুৱে [গুৱাহাটী বিশ্ববিদ্যালয়ৰ] মোক 'ৰঙা শিক্ষক' বুলি উপহাস কৰিছিল — [মোৰ গান] অবাঞ্ছিত গান বুলি বাতৰি কাকতত সমালোচনা কৰিছিল।" হেমাঙ্গ বিশ্বাসে এই ঘটনাবিলাক সৰু সৰু কাগজত ছপাই প্ৰচাৰ কৰিছিল। সাধাৰণ মানুহে ভালপোৱা বাবে গণনাট্য আন্দোলনটো দুৰ্বাৰ গতিৰে আগবাঢ়িছিল। গভীৰ জীৱনবোধ আৰু সঠিক সাংস্কৃতিক চেতনাৰে উদ্বুদ্ধ হৈ মঘাই ওজাই ৰৰমূৰীয়াসকলৰ সংকীৰ্ণ ধ্যান-ধাৰণাৰ প্ৰতিবাদ জনাই গণনাট্য সংঘত যোগ দি গণ-সাংস্কৃতিক আন্দোলনটোক জীপাল কৰি তুলিছিল।

গণমুখী সাংস্কৃতিক আন্দোলনৰ অন্যতম সহযোগী দিলীপ শৰ্মাই চল্লিছৰ দশকত কলিকতাত জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ সঙ্গ লভিছিল আৰু সঙ্গীতজগতত প্ৰতিষ্ঠিত হৈছিল। ১৯৫০ চনত অসমলৈ আহি তেওঁ সান্নিধ্য লাভ কৰিছিল হেমাঙ্গ বিশ্বাস, চৈয়দ আব্দুল মালিক, ভূপেন হাজৰিকা, মঘাই ওজা, কেশৱ মহন্ত, প্ৰবুদ্ধ ৰায় চৌধুৰী, হেম শৰ্মা প্ৰমুখ্যে শিল্পী সাহিত্যিকৰ। গণনাট্য সংঘ সঁচাকৈয়ে দেশৰ শ্ৰমজীৱী মানুহৰ প্ৰেৰণাৰ উৎস বুলি কৈ গণনাট্যক তেওঁ আঁকোৱালি লৈছিল।

কামৰূপ জিলাৰ বকো অঞ্চলত এক কৃষক সন্মিলনত শৰ্মাই "ৰাতিপুৱাইলৰে কুকুৰাই পাৰে ৰাৱ" গীতটি ভূপেন হাজৰিকা আৰু হেমাঙ্গ বিশ্বাসৰ সৈতে গাই শ্ৰোতা কৃষকৰ হৃদয়ত আলোড়ন তুলিছিল। অসমৰ শান্তি কমিটিৰ উদ্যোগত আৰু বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু ভবানন্দ দত্তৰ প্ৰেৰণাত ১৯৫৩ চনত তেওঁ ভাৰতীয় সাংস্কৃতিক দলৰ প্ৰতিনিধি হিচাপে চীনলৈ যাত্ৰা কৰে আৰু তাত ড° হাজৰিকাৰ "ঝক ঝক ৰেল চলে" আৰু "মোৰ গাঁৱৰে সীমাৰে পাহাৰৰ সিপাৰে" গীত দুটি পৰিৱেশন কৰিছিল, ৰাৰ্ষতো তেওঁ "অ' মোৰ মনুৱাৰে" গীতটি গাই ভূয়সী প্ৰশংসা বুটলিছিল। "তেওঁৰ নেতৃত্বত 'নাওখেলৰ গীত' আৰু



'জ্যোতিপ্ৰসাদৰ গীত' হেমাঙ্গ বিশ্বাসে ১৯৫৩ চনৰ বোম্বাই অধিৱেশনত অন্তৰ্ভুক্ত কৰি গোৱাইছিল।"[২২] ইয়াৰ পিছতো ভূপেন হাজৰিকাই আৰু বহুত বাস্তৱবাদী গীত ৰচনা কৰিলে; যেনে: "বৰ বৰ মানুহৰ দোলা", "এটি কলি দুটি পাত ৰতনপুৰ বাগিচাত", "পানেইৰ পোণাকণ" ইত্যাদি। মেহনতী আৰু ভোকাতুৰ মানুহৰ প্ৰতি ভূপেন হাজৰিকাৰ দৰদ আছিল অপৰিসীম।

গণনাট্যৰ আদৰ্শক অহৰ্নিশে অসমৰ বুকুত প্ৰসাৰিত কৰিবলৈ প্ৰয়াস কৰা আন এজন ৰণুৱা আছিল কেশৱ মহন্ত। পৌৰাণিক কাহিনীক নিষ্ঠুৰ বাস্তৱৰ লগত সম্পৃক্ত কৰাত তেওঁ আছিল সিদ্ধহস্ত। যেনে:

এই কংসৰ কাৰাগাৰ
হিংসাৰ অনাচাৰ
লাঞ্ছিতা দৈৱকী মাতৃ
গণমন পৰজন
জনমৰ শুভ ক্ষণ
বেদনাৰ অষ্টমী ৰাত্ৰি
সাজু হোৱা অ' মহাযাত্ৰী।[২৩]

ইফালেদি প্ৰখৰ শ্ৰেণীদৃষ্টিকোণ থকা গীতিকাৰে চিনি পায় সমাজৰ আচল শত্ৰু কোন। সেয়ে তেওঁ গীতত কৈছে:

নিজৰ ঘৰতে তই
নিজে হাতে লগালি জুই
ভিতৰত নল'লি গম
তাতো কুটুমো আছিল শুই
মই জগাই দিলো
জগাই দিলো
জগাইছিলো
তই মোলৈ হে দাঙিলি দা
অ' কলিজাত লগালি ঘা।

আকৌ সমাজৰ স্বৰূপ উদঙাই তেওঁ লিখিছে:

ঘূৰ বাই গুলচী ঘূৰ।
ধনভঁৰালী ৰখীয়াই ধনে লৈ পলাইছে।

তেওঁৰ অনুপম গীতিসাহিত্যই অসমীয়া সাহিত্যক চহকী কৰিছে আৰু প্ৰতিভাৱান সুৰকাৰসকলে (খগেন মহন্ত, ৰমেন বৰুৱা আদিয়ে) তেওঁৰ গীতসমূহক সজাই পৰাই অসমৰ গণমুখী সাংস্কৃতিক জগৎখনক ওখ আসনলৈ লৈ গৈছে। অসমৰ প্ৰগতিশীল শিল্পী-সাহিত্যিক সংঘ আৰু ভাৰতীয় গণনাট্য সংঘৰ সক্ৰিয়তা আৰু সজীৱতা কেশৱ মহন্তৰ প্ৰচেষ্টাতেই উজ্জ্বল হৈছিল। কেশৱ মহন্তই সমাজৰ কলুষতা আৰু পঙ্কিলতাৰ বিৰুদ্ধে থিয় দিছিল তেওঁ সম্পাদনা কৰা *প্ৰবাহ*

আলোচনীৰ জৰিয়তে। তেওঁৰ আহ্বান আছিল ভাববাদী মূল্যবোধৰ বিৰুদ্ধে সংগ্ৰাম কৰি কাব্যক বাস্তৱ জীৱনমুখী আৰু জনমুখী কৰাৰ।

হেমাঙ্গ বিশ্বাস গণনাট্য সংঘৰ আৰু অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনৰ মধ্যমণি আছিল। তেওঁৰ একমাত্ৰ কবিতা পুথি *কুল খুৰাৰ চোতালত* সন্নিৱিষ্ট "কমৰেড ৰত্নেশ্বৰ ৰাভা" আৰু "কুল খুৰাৰ চোতাল" কবিতা দুটিয়ে সংগ্ৰামী কমৰেডসকলৰ প্ৰতি থকা কবিৰ অকুণ্ঠ শ্ৰদ্ধাৰ উমান দিয়ে। তেওঁ লিখিছে:

যুগে যুগে শোষিতৰ কষ্ট পান কৰি
নীলকণ্ঠ খুৰা,
যুগে যুগে বসুমাতাৰ গৰ্ভ বিদাৰি
লখিমী উলিয়াই
খুৰা হ'ল বসুমাতাৰী। ("কুল খুৰাৰ চোতাল")[২৪]

তেওঁ পুনৰ লিখিছে:

বলিয়া হাতীৰ পাল আহে
শুঁৰত মেৰাই তাৰ উচ্ছেদ নোটিছ
আলফুল কেঁচুৰা কুঁহিটি
টানি ছিঙি গছকি মোহাৰি
কৈ যায়:
এই মাটিত তোৰ আৰু অধিকাৰ নাই।
("নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা")

ভাৰতীয় গণনাট্য সংঘৰ এজন সুদক্ষ সাংস্কৃতিক কৰ্মী হিচাপে খ্যাত নগেন কাকতি গণনাট্যৰ সাংগঠনিক দিশত হেমাঙ্গ বিশ্বাসৰ পিছত। জ্যোতিপ্ৰসাদ আৰু ৰাভাৰ যোগসূত্ৰই কাকতিক বামপন্থী আন্দোলনত জঁপিয়াই পৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। জন্ম লগ্নৰেপৰা ডিব্ৰুগড় গণনাট্য সংঘৰ লগত জড়িত হৈ কাকতিয়ে "ছাঁ নাট" অসমত পৰীক্ষামূলকভাৱে প্ৰযোজনা কৰিবলৈ লৈছিল।[২৫] "১৫ আগষ্টৰ আহ্বান" নামৰ "ছাঁ নাট"খনত তেওঁ সংলাপ দিছিল আৰু গাইছিল:

মচা নাই মচা নাই মচা নাই
শতিকাৰ বেদনাই অসমীক সোঁৱৰাই
দেশৰ মাটিত তপত তেজৰ
দাগ মচা নাই।
ফাঁচী কাঠৰ পৰা মাতে সৌ মণিৰামে
কুশলে মাতে সৌ অসমৰ গাঁৱে-ভূঞে
ধূলিকণাবোৰ এটি এটি ফিৰিঙতি মৰাপানী
মাতে সোঁৱৰায়।

নগেন কাকতিৰ তাৎপৰতাৰ বাবে ১৯৪৭ চনৰ ২৭, ২৮ আৰু ২৯ অক্টোবৰত খোৱাঙত অনুষ্ঠিত হোৱা ট্ৰাইবেল অধিৱেশনত বহুতো বাক-বিতণ্ডা



অৰিয়া-অৰিৰ মাজত গণনাট্য সংঘৰ কৰ্মীসকলে সাংস্কৃতিক কাৰ্যসূচীত অংশ গ্ৰহণ কৰিব পাৰিছিল। অৱশ্যে সেই সভাৰ সাংস্কৃতিক শাখাৰ সভাপতি ৰাভাই সহায় কৰিছিল। গণনাট্যই এই সময়ত নগেন কাকতি ৰচিত আন তিনিখন নাটক পৰিৱেশন কৰিছিল: *তুফান, পোহৰলৈ* আৰু মৌখিকভাৱে ৰচিত *বদলা লেনা*। চাহবনুৱাক নায়ক-নায়িকা কৰি ৰচনা কৰা নাটক হিচাপে *তুফান* আৰু *বদলা লেনা* অসমৰ নাট্য ইতিহাসত সম্ভৱতঃ প্ৰথম। নগেন কাকতিয়ে লিখি থৈ যোৱা মতে জ্যোতিপ্ৰসাদে কৈছিল, "তোমালোকে জনতাক লগত লৈহে সকলো কৰিব লাগিব। জনতাক বাদ দি নহয়। জনতাৰ চেতনাৰ উপলব্ধিৰ স্তৰ চাইহে কাম কৰিব লাগে।"[২৬]

গণমুখী সাংস্কৃতিক আন্দোলনৰ ধ্বজা উৰুৱাত নিঃসন্দেহে সহযোগ আগবঢ়াইছিল গণনাট্য সংঘ প্ৰদৰ্শিত নাটকসমূহে। এই নাটকসমূহক লোকনাট্য বুলিলেও ভুল কোৱা নহয়। যেতিয়া অসমীয়া সাহিত্যত পৌৰাণিক আৰু নব্যৰোমাণ্টিক নাটকৰ উভৈনদী, তেতিয়া এই নাটকবোৰৰ যোগেদি অসমীয়া নাট্যসাহিত্যলৈ নৱবাস্তৱতা আনিছিল গণনাট্যই। এই নাটকবোৰৰ বিষয়বস্তু আছিল ফেচিষ্ট আক্ৰমণ, সাম্প্ৰদায়িকতা, যুদ্ধৰ বিভীষিকাময় পৰিৱেশ, বিশেষকৈ যুদ্ধজনিত কাৰণত বঙ্গৰ দুৰ্ভিক্ষ ইত্যাদি। সেই সময়ৰ সংগ্ৰামী বাস্তৱতাৰ আধাৰত নাটসমূহ পৰিৱেশন কৰি গণচেতনাক আলোড়িত কৰিছিল গণনাট্য সংঘই। আঞ্চলিক আৰু সৰ্বভাৰতীয় ক্ষেত্ৰত তেতিয়া *দাদা, ইয়ে কিসকা খুন, ম্যায় ভুখা হুঁ, জৱানবন্দী, নৱান্ন, মাভূমি* আৰু *ম্যায় কোন হুঁ* নাটকবোৰৰ তেতিয়া বিৰাট খ্যাতি। এইবোৰৰ উপৰি কেইখনমান বোলছবি আৰু ছায়া নাটকে জনতাক জাগ্ৰত কৰিছিল। বোলছবিৰ ভিতৰত *ধৰতী কে লাল, দো-বিঘা জমিন* আদিয়ে খলকনি আৰু ইতিহাস সৃষ্টি কৰিছিল। স্বাধীনোত্তৰ কালত বহু লোকনাট্য গণনাট্য আন্দোলনৰ অঙ্গীভূত হৈ পৰিছিল। গণনাট্য সংঘৰ গুৰুত্ব তাৰ বলিষ্ঠ আদৰ্শৰ বাবে। সাম্ৰাজ্যবাদ আৰু শ্ৰেণীবিভক্ত সমাজব্যৱস্থাবিৰোধী বলিষ্ঠ অৱস্থানৰ বাবে বিংশ শতাব্দীৰ অসমৰ সাংস্কৃতিক ইতিহাসত ইয়াৰ গুৰুত্ব অকুণ্ঠভাৱে স্বীকৃত। "সাংস্কৃতিক কাৰ্যসূচীৰে গণনাট্য সংঘই দেশৰ খাটি খোৱা মানুহক দিব বিচাৰিলে শোষণমুক্তিৰ সন্ধান।" জ্যোতিপ্ৰসাদৰ উপৰি হেমাঙ্গ বিশ্বাস, ভূপেন হাজৰিকা, বিষ্ণু ৰাভা, মঘাই ওজা, মণি বৰা, নিজামুদ্দিন আহমেদ হাজৰিকা, নৰহৰি বুঢ়া ভকত, দীপালী শৰ্মা, নিকুঞ্জলতা মহন্ত, চৈয়দ আব্দুল মালিক, সুদক্ষিণা শৰ্মা, আনন্দিৰাম দাস, খগেন মহন্ত আদি সৰু-বৰ অগণন সাংস্কৃতিক কৰ্মীৰ যোগদানে এই গণমুখী সাংস্কৃতিক আন্দোলনটোক দিছিল এক প্ৰাণৱন্ত গতি। সেই সময়ত ভাৰতীয় গণনাট্য সংঘৰ নেতৃত্বত যি-বিপ্লৱী গণ-সাংস্কৃতিক আন্দোলনৰ জোৱাৰ প্ৰায় পোন্ধৰ বছৰ ধৰি দেশৰ চৌদিশে উঠিছিল সেই অধ্যায়টোৱেই আধুনিক যুগৰ ভাৰতৰ গণ-সাংস্কৃতিক আন্দোলনৰ ইতিহাসৰ "স্বৰ্ণযুগ" হিচাপে সুধী সমাজত তথ্য নিষ্ঠাৰে স্বীকৃত।[২৭]

অসমত গণমুখী সাংস্কৃতিক আন্দোলনৰ সৌধ নিৰ্মাণ কৰিছিল গণনাট্য

সংঘই। গণনাট্য আন্দোলনৰ দুৰ্বলতাও নথকা নহয়। এই দুৰ্বলতাখিনি সংঘৰ তৃতীয় অধিৱেশনৰ প্ৰতিবেদনত আঙুলিয়াই দিয়া হৈছিল। সংঘৰ ডাঙৰ দুৰ্বলতা হৈছে আদৰ্শগত দুৰ্বলতা। দেশৰ সাংস্কৃতিক ঐতিহ্য আৰু তাৰ ধাৰা, আনকি গণনাট্যৰ ইতিহাস সম্পৰ্কেও বহু শিল্পী অজ্ঞ আছিল।

গণসেৱা, গণজাগৰণ আৰু গণমুখী সংস্কৃতিৰ যি-মহান আদৰ্শ গণনাট্য সংঘই দাঙি ধৰিছে, তাক অধিকাংশ শিল্পীয়ে স্বীকাৰ কৰিছে, কিন্তু জীৱনদৰ্শন হিচাপে ল'ব পৰা নাই তেতিয়াও আৰু এতিয়াও। হেমাঙ্গ বিশ্বাসে কৈছিল, "আমাৰ নাটকত কোনো পাৰ্শ্বচৰিত্ৰ নাই, সকলো হিৰো"। অসমৰ ৭২টা জাতি-উপজাতি মিলি এক কোটি জনতাৰ ৭৫ ভাগেই খেতিয়ক। গণনাট্য সংঘই এই কোটি কোটি জনতাৰ সাংস্কৃতিক ক্ষুধা নিবসন কৰিব পৰা নাই। গাঁও অঞ্চলৰপৰা সেইসময়ত অনেক লোকে গণজীৱনৰ সোৱাদ থকা নতুন নাটক, ভাওনা, যাত্ৰা আদি বিচাৰি তাগাদা দিছিল; কিন্তু ইয়াৰ চাহিদা পূৰাব পৰা সমলেৰে গণনাট্য সংঘ প্ৰস্তুত হোৱা নাছিল।

মন কৰিবলগীয়া যে হেমাঙ্গ বিশ্বাসে গণনাট্য সংঘৰ মহান আদৰ্শক ৰাইজৰ ওচৰলৈ নিবলৈ কিছুমান ৰূপমূলাধৰ্মী শিল্প সৃষ্টিত কাহানিও গুৰুত্ব দিয়া নাছিল। তেওঁ থলুৱা সংস্কৃতিৰ ৰূপ-ৰসৰ সন্ধান কৰিছিল আৰু বুজি পাইছিল যে গণসংস্কৃতিৰ যদি কোনো গণচৰিত্ৰ থাকে, তেন্তে তাৰ উপাদান নিহিত থাকে লোকসঙ্গীত আৰু লোকসংস্কৃতিৰ মাজত। এই গণসাংস্কৃতিক আন্দোলনে পূৰ্ণতা বা ব্যাপ্তি লাভ কৰাৰ কাৰণেও প্ৰয়োজন আছিল প্ৰগতিশীলতাৰ লগত লোকসংস্কৃতিৰ সেতুবন্ধনৰ। তেওঁ পূৰাদমেই এই উদ্যোগ লৈছিল।

গণনাট্য সংঘৰ সমূহ কাৰ্যসূচীত তাৰ আদৰ্শ আৰু লক্ষ্যক মানুহৰ হৃদয়ত প্ৰতিষ্ঠা কৰিবলৈ লোকসংস্কৃতিৰ স্পৰ্শ লাগিবই। লোকসংস্কৃতিত ভেজা দিলেহে গণ-সংস্কৃতিৰ দিশ উন্মোচন কৰিব পৰা যাব। লেনিনেও তাকেই ব্যাখ্যা কৰি কৈছে, "শিল্প সম্পৰ্কে আমি যি ভাবিছোঁ সেইটোৱেই মুখ্য কথা নহয়। শিল্প জনগণৰ নিজস্ব সম্পদ।" ব্যাপক শ্ৰমজীৱী বা জনগণৰ অন্তৰত সি দৃঢ়ভাৱে থিতাপি ল'ব লাগিব। তেওঁৰ মতে, শিল্প হ'ব লাগিব জনগণৰ বোধগম্য আৰু প্ৰিয়।

অৱশ্যে গণনাট্যৰ যুগত সৃষ্টি হোৱা বিপ্লৱী শ্ৰেণীটোৱে আমাৰ সমাজক মূল্যবোধৰ অৱক্ষয়ৰপৰা নিঃসন্দেহে ৰক্ষা কৰিছিল। কাৰ্ল মাৰ্ক্সে আনকি বিপ্লৱী ধ্যানধাৰণা আৰু বিপ্লৱী শ্ৰেণীৰ অবিচ্ছিন্ন সহাৱস্থানৰ কথা স্বীকাৰ কৰি কৈছে: "কোনো এক যুগত থকা বিপ্লৱী চিন্তাধাৰাই সেই যুগত বিপ্লৱী শ্ৰেণী থকাটোকেই সূচায়।"

দাসসমাজ, সামন্তবাদী, পুঁজিবাদী আদি সকলো সমাজতেই শাসক শ্ৰেণীয়েই সংস্কৃতিৰ পুৰোহিতালি কৰি আহিছে। প্ৰকাৰান্তৰে তেওঁলোকৰ ধ্যান-ধাৰণাকেই সমাজৰ সামগ্ৰিক ধ্যান-ধাৰণা বুলি প্ৰমাণ কৰিবলৈ ষড়যন্ত্ৰ কৰি আহিছে। অৱশ্যে



বুৰ্জোৱাৰ গৰ্ভৰপৰাই সমাজতন্ত্ৰ অঙ্কুৰিত হয়। এনেক্ষেত্ৰত বুৰ্জোৱা সমাজখনৰ খুটি-নাটি জনা আৰু তাৰ সাৰভাগ গ্ৰহণ কৰি পচাভাগ বৰ্জন কৰা প্ৰক্ৰিয়াটো গণমুখী শিল্প-সংস্কৃতিৰ অবিচ্ছেদ্য অঙ্গ। অসমৰ গণ-সাংস্কৃতিক আন্দোলনত এনেবোৰ কথা দকৈ চোৱা হোৱা নাছিল।

তদুপৰি সেই সময়ত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ ভিতৰছোৱা মতাদৰ্শগত কাৰণত অন্তৰ্কলহত জৰ্জৰিত আছিল। নেহেৰু নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ প্ৰতি আনুগত্য আৰু ছোভিয়েট ৰাষ্ট্ৰৰ ৰাজনৈতিক নীতি-নিৰ্দেশনাৰে পাৰ্টি চলোৱাৰ ফলত পাৰ্টিৰ ভিতৰত প্ৰবল মতানৈক্যৰ সৃষ্টি হয় আৰু তাৰেই পৰিণতিত ষাঠিৰ দশকৰ মাজভাগত (১৯৬৪) ভাৰতীয় কমিউনিষ্ট পাৰ্টি চি পি আই আৰু চি পি আই (এম)ৰূপে দ্বিধাবিভক্ত হয়। কেৱল ৰাজনৈতিক বিভাজনেই নহয়, সাংস্কৃতিক বিভাজনো ঘটিল। দুয়োটা পাৰ্টিয়ে পূৰ্বৰ ভাৰতীয় গণনাট্য সংঘক নিজ নিজ সম্পত্তি বুলি দাবী কৰাত গণনাট্য সংঘ দুভাগ হ'ল দুই পাৰ্টিৰ নামফলকৰ তলত।

অসমত সমাজতন্ত্ৰৰ বীজ অঙ্কুৰতেই মৰহি গৈছিল। সামন্তীয় বা অৰ্ধ-ঔপনিবেশিক পৰিৱেশত কেৱল কৃষকৰ জঙ্গী আন্দোলনেই সমাজতন্ত্ৰ আনিব নোৱাৰে। সেয়েহে অসমত গণমুখী সাংস্কৃতিক আন্দোলনৰ সূত্ৰধাৰ গণনাট্য সংঘৰ কৰ্মীসকল বাম-গণতান্ত্ৰিক শিবিৰৰ লগত জড়িত থকাৰ হেতু পুলিচী নিৰ্যাতনৰ বলি হৈছিল। পৰৱৰ্তী সময়ত চীনা আগ্ৰাসন, ভাৰত-পাকিস্তান যুদ্ধ আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ বিভাজনৰ ফলত এই আন্দোলন নিষ্ক্ৰিয় হৈ পৰিছিল। যিহেতু বাম-গণতান্ত্ৰিক শিবিৰৰ লগত গণনাট্যৰ সম্পৰ্ক আছিল অভিন্ন, সেই হেতুকে যেতিয়াই শিবিৰটোৰ সঙ্কট ঘনীভূত হ'ল তেতিয়াৰপৰাই আন্দোলনটোৱে বিফলতাৰ মুখ দেখিবলৈ আৰম্ভ কৰিলে।

বাম-গণতান্ত্ৰিক দলসমূহে নিৰ্বাচনী ৰাজনীতিত অধিক গুৰুত্ব আৰোপ কৰাত গণ-সাংস্কৃতিক আন্দোলনটোত নেতিবাচক প্ৰভাৱ পৰে। বাম-গণতান্ত্ৰিক শিবিৰে এই প্ৰক্ৰিয়াটোত অধিক গুৰুত্ব দিয়াত প্ৰাথমিক কামবোৰ, বিশেষকৈ খেতিয়ক-মজদুৰৰ সমস্যাবোৰ, যিবোৰক তেওঁলোকৰ প্ৰতিবাদী "শক্তিৰ উৎস" বুলি কোৱা হয়, সেইবোৰত কাণসাৰ নিদিয়া হ'ল।[২৮] গণনাট্য সংঘৰ শক্তি কমি আহিছিল এনেবোৰ কাৰণত।

বঙ্গদেশতো প্ৰবলভাৱে আৰম্ভ হোৱা গণনাট্য সংঘৰ কাৰ্যাৱলী বিভিন্ন ৰাজনৈতিক ব্যক্তিক কেন্দ্ৰ কৰি বিভক্ত হৈ পৰে। এজন শিল্পী-সাহিত্যিক কোনো এটা প্ৰগতিবাদী ৰাজনৈতিক দলৰ সদস্য হোৱাটো বেয়া কথা নহয়। কিন্তু কোনো এজন শিল্পী-সাহিত্যিক দলবহিৰ্ভূত হ'লেই যে তেওঁ প্ৰগতিবাদী নহ'ব তাৰো কোনো মানে নাই। হেমাঙ্গ বিশ্বাসে সেয়ে গণনাট্য সংঘত 'পাৰ্টিৰ আধিপত্য' বিচৰা নাছিল। বহুতো দল বহু সময়ত নিৰ্বিচাৰবাদী আৰু মতান্ধ হৈ পৰে। তেনে দলীয় বান্ধোনৰ ভিতৰলৈ বহুতো শিল্পী-সাহিত্যিক নাযায়, কাৰণ তাত তেওঁলোকৰ সৃষ্টি প্ৰতিভা ব্যাহত হয়।

সাম্যবাদৰ ভুল প্ৰয়োগৰ ফলত সমাজবাদী দেশবোৰত সাম্যবাদী আদৰ্শ অকাৰ্যকৰী হ'বলৈ আৰম্ভ কৰিলে। পুঁজিবাদী গণতন্ত্ৰৰ নীৰৱ বলিত পৰিণত হ'ল বিভিন্ন দেশৰ কমিউনিষ্ট পাৰ্টিবোৰ। অসমৰ গণমুখী সাংস্কৃতিক আন্দোলনো পুঁজিবাদী গণতন্ত্ৰৰ আগ্ৰাসনৰ বলি হ'ল আৰু নিস্তেজ হৈ পৰিল।

অৱশ্যে এইটো সন্দেহাতীতভাৱে সত্য যে স্বৰাজোত্তৰ কালত আমাৰ দেশত লোককলা, সঙ্গীত আৰু নাট্যৰ চিন্তা-চৰ্চা পৰীক্ষা-নিৰীক্ষা কৰি যি এক নব্য সাংস্কৃতিক আন্দোলনৰ সৃষ্টি হৈছে তাত গণ-নাট্য সংঘই কৃতিত্বৰ সিংহভাগ দাবী কৰিব পাৰে। সমগ্ৰ দেশৰে গণনাট্য সংঘৰ শাখাসমূহৰ সাংস্কৃতিক অনুষ্ঠানবোৰত লোকনাট্য আৰু লোকগীতবোৰ অপৰিহাৰ্য অঙ্গ হ'ল। সমাজৰ সচেতন অংশই বুজি পাইছিল যে মাৰ্ক্সীয় আদৰ্শৰে জনগণৰ চেতনা জগাব পৰা যাব। ৰাইজৰ চিত্তক উদ্বুদ্ধ কৰিবলৈ হ'লে প্ৰথমে ৰাইজৰ লগত অভিন্ন হৈ মিলি যাব লাগিব আৰু তেওঁলোকৰ কলা-কৃষ্টি, গীতমাতৰ লগতে তেওঁলোকৰ মাজৰ শিল্পীসকলক আদৰি ল'ব লাগিব। গণনাট্য সংঘই কিছু পৰিমাণে এই কাম কৰিছিল, যাৰ ফলত লোকনাট্য গণনাট্যৰ সাংস্কৃতিক অনুষ্ঠানৰ অঙ্গীভূত হৈ পৰে।

গণনাট্য সংঘৰ কিছুমান সাংস্কৃতিক সাফল্য অত্যন্ত গুৰুত্বপূৰ্ণ। ই জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাক এক শক্তিশালী আনুষ্ঠানিকতাৰ মাজেৰে, এক সুসংঘবদ্ধ সাংগঠনিক প্ৰক্ৰিয়াৰে জনসাধাৰণৰ মাজলৈ লৈ গৈছিল। হেমাঙ্গ বিশ্বাসৰ নেতৃত্বত অনুষ্ঠানটো দায়বদ্ধ হোৱা পৰিলক্ষিত হৈছিল। কিন্তু গুৱাহাটী আৰু ডিব্ৰুগড়ৰ দৰে মাথোন দুখনমান নগৰতে ই সীমাবদ্ধ হৈ থাকিল। পিছত তেওঁলোকৰ মাজত সাংগঠনিক শিথিলতাইদেখা দিলে। ৰাজনৈতিক কাৰণত হোৱা বিভাজনে গণনাট্য সংঘক দুৰ্বল কৰিলে। অসমৰ সমাজ-উত্তৰণৰ প্ৰক্ৰিয়াক দ্ৰুতগামী কৰিবলৈ হ'লে অনিবাৰ্যভাৱে সাংস্কৃতিক কৰ্মীসকলে জ্যোতি-বিষ্ণু আৰু তেওঁলোকৰ বাণীক ৰাইজৰ ওচৰলৈ নিব লাগিব, এক নিৰৱচ্ছিন্ন আন্দোলনৰ ৰূপত।[২৯] "দেশেই আমাৰ নাটঘৰ ৰাইজেই ভাৱৰীয়া" অৰ্থাৎ ভাৱৰীয়া ৰাইজৰ ওচৰলৈ যাব লাগিব জ্যোতি-বিষ্ণু, হেমাঙ্গ-ভূপেন হাজৰিকা, কেশৱ মহন্ত আদিৰ সাহিত্য, নাটক, গীত, কবিতা আদিৰে, "দেশ" নামৰ নাটঘৰটোত নিৱেদন কৰিবলৈ। তেহে ৰাজনৈতিক তথা বিভিন্ন কাৰণত নিষ্ক্ৰিয় হৈ পৰা গণমুখী সাংস্কৃতিক আন্দোলনটো পুনৰুজ্জীৱিত কৰিব পৰা যাব। দেশ বুলিলে শাসনাধিষ্ঠ কেইজনমান উচ্চশ্ৰেণীৰ লোক বা চৰকাৰটোকে নুবুজায়, বুজায় অগণন জনগণক, যিয়ে প্ৰকৃতাৰ্থত দেশখনক সকলো পিনৰপৰা গঢ়ি তোলে। সেই কাৰণে যেতিয়া দেশকেই নাটঘৰ বুলি কোৱা হয়, তেতিয়া আমি অগণন খাটি খোৱা জনতাৰ দেশখনকে বুজোঁ। দেশৰ লগত জাতীয় সংস্কৃতি ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। জাতীয় সংস্কৃতি প্ৰতিভাত হয় লোকগীত, লোকনৃত্য আৰু লোকনাট্যৰ মাধ্যমেৰে। এইবোৰক সূক্ষ্মভাৱে অৰ্থাৎ ভিতৰত সোমাই অধ্যয়ন কৰি ল'লেহে জনগণৰ বাবে শিল্প সৃষ্টি কৰিব পাৰি। গণনাট্য এই ক্ষেত্ৰত বহুদূৰ আগুৱাই



গৈছিল।

গণনাট্য সম্পৰ্কত এৰিক বেন্টলিয়ে কৈছিল "...a People's Theatre will be a fraud if it is not guided by taste and intelligence."[৩০] অৰ্থাৎ ইয়াৰ সফলতা নিৰ্ভৰ কৰিছে ৰস আৰু বৌদ্ধিকতাৰদ্বাৰা ই কিমানদূৰ ৰঞ্জিত আৰু নিৰ্দেশিত হৈছে তাৰ ওপৰত।

কলা-সাহিত্য জনতামুখী হ'ব লাগে আৰু ব্যৱসায়বাদী হ'ব নালাগে। শিল্পী-সাহিত্যিকসকলে উপলব্ধি কৰিব লাগিব যে আদৰ্শবাদী আৰু গণমুখী এক উচ্চ-পৰ্যায়ৰ কলা-সাহিত্যহে সমাজত বৰ্তি থাকে। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ মতে সংস্কৃতিৰ ভূমি বহল কৰাৰ লগতে ইয়াক ওখও কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল জনতাক উচ্চ সংস্কৃতিসম্পন্ন কৰি গঢ়ি তোলা। ইয়েই হ'ব অসমৰ পৰৱৰ্তী গণমুখী সাংস্কৃতিক আন্দোলনৰ আধাৰ আৰু পাথেয়।

### তথ্যসূত্ৰ


১ ড° গিৰিশ বৰুৱা। *জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ ৰাভা*। গোলাঘাট: ভাগৱতী প্ৰকাশন, ১৯৮৯ পৃষ্ঠা ৪৮।

২ সমীন্দ্ৰ হুজুৰী। "জ্যোতিপ্ৰসাদ আৰু হেমাঙ্গ বিশ্বাসৰ মণিকাঞ্চন সংযোগ"। *গৰীয়সী*। জুন, ২০০৬, গুৱাহাটী, পৃষ্ঠা ২৫।

৩ ড° গিৰিশ বৰুৱা। প্ৰাগুক্ত, পৃষ্ঠা ৭৩।

৪ দিলীপকুমাৰ দত্ত (সম্পা.)। *সৈনিক শিল্পী বিষ্ণু ৰাভা: কৃতি আৰু কৃতিত্ব*। গুৱাহাটী: জ্যোতি প্ৰকাশন, ২০০৯ পৃষ্ঠা ৮০।

৫ তোষেশ্বৰ চেতিয়া (সম্পা.)। *প্ৰগতিশীল সাহিত্য-সমীক্ষা*। ধিলামৰা: নতুন সাহিত্য পৰিষদ, ১৯৮৮, পৃষ্ঠা ৭৯।

৬ পৰমানন্দ মজুমদাৰ। *চেতনা প্ৰবাহ, জয়ন্তীৰ পৰা গণনাট্যলৈ*। গুৱাহাটী: আখৰ প্ৰকাশ, ২০০৮, পৃষ্ঠা ৬৩।

৭ ড° প্ৰদীপজ্যোতি মহন্ত (সম্পা.)। *সমাজ-সংস্কৃতি-সাহিত্য। অসম অকাদেমি,* ১৯৯১,পৃষ্ঠা ১৭৪।

৮ পৰমানন্দ মজুমদাৰ (সম্পা.)। *গণশিল্পী মঘাই ওজা*। নলবাৰী: সমন্বয় গ্ৰন্থালয়, ১৯৮৮,পৃষ্ঠা ১৫।

৯ শৰৎচন্দ্ৰ নেওগ। *জ্যোতিপ্ৰসাদ আৰু ভাৰতীয় গণনাট্য সংঘ*। ডিব্ৰুগড়: ডিব্ৰুগড় জিলা সামিতি, ২০১১,পৃষ্ঠা ১৯।

১০ পৰমানন্দ মজুমদাৰ। *চেতনা প্ৰবাহ*। প্ৰাগুক্ত, পৃষ্ঠা ১৪৭।

১১ পৰমানন্দ মজুমদাৰ (সম্পা.)। *হেমাঙ্গ বিশ্বাস ৰচনাৱলী*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০০৮, পৃষ্ঠা ১৯।

১২ *গঙ্গা-চিলনী গণশিল্পী*। ডিব্ৰুগড়: হেমাঙ্গ বিশ্বাস জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি, ২০১২,পৃষ্ঠা ৮৫।

১৩ তদেৱ, পৃষ্ঠা ৬০।

১৪ শৰৎচন্দ্ৰ নেওগ। *মানুহে মানুহৰ বাবে*। ডিব্ৰুগড় জিলা সমিতি, ভাৰতীয় গণনাট্য সংঘ, ২০১১,পৃষ্ঠা ২২।

১৫ লোকনাথ গোস্বামী। *বন্দিত ভূপেনদা নিন্দিত ভূপেন হাজৰিকা*। গুৱাহাটী: আঁকবাক, ২০০৯,পৃষ্ঠা ৫০।

১৬ ড° দিলীপ কুমাৰ দত্ত। *ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰ ৰথ*। গুৱাহাটী: বনলতা, ১৯৮১,পৃষ্ঠা ৪৬।

১৭ পৰমানন্দ মজুমদাৰ (সম্পা.)। *হেমাঙ্গ বিশ্বাস, দৃষ্টি আৰু সৃষ্টি*। গুৱাহাটী: অৰুণোদয় প্ৰকাশন, ২০১২, পৃষ্ঠা ১৯।

১৮ লোকনাথ গোস্বামী। প্ৰাগুক্ত, পৃষ্ঠা ১৮।
১৯ বিজনলাল চৌধুৰী (সম্পা.)। *সাহিত্য বীক্ষণ, অসমীয়া প্ৰগতিশীল সাহিত্যৰ ধাৰা*। নতুন সাহিত্য পৰিষদৰ হৈ গুৱাহাটী: ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০০৬, পৃষ্ঠা ৪১৮।
২০ পৰমানন্দ মজুমদাৰ। *চেতনা প্ৰবাহ, জয়ন্তীৰ পৰা গণনাট্যলৈ*। প্ৰাগুক্ত, পৃষ্ঠা ৪৭।
২১ পৰমানন্দ মজুমদাৰ (সম্পা.)। *গণশিল্পী মঘাই ওজা*, প্ৰাগুক্ত, পৃষ্ঠা ৩৩।
২২ তদেৱ, পৃষ্ঠা ৯৩।
২৩ হেমাঙ্গ বিশ্বাস। *অসম আৰু বঙ্গৰ লোকসঙ্গীত সমীক্ষা*। নলবাৰী: জাৰ্নাল এম্প'ৰিয়াম, ২০১৪, পৃষ্ঠা ৪৫।
২৪ হেমাঙ্গ বিশ্বাস। *কুলখুৰাৰ চোতাল*। নলবাৰী: জাৰ্নাল এম্প'ৰিয়াম, ১৯৯৩, পৃষ্ঠা ২।
২৫ পৰমানন্দ মজুমদাৰ। *চেতনা প্ৰবাহ, জয়ন্তীৰ পৰা গণনাট্যলৈ*। প্ৰাগুক্ত, পৃষ্ঠা ১৩৬।
২৬ তদেৱ, পৃষ্ঠা ১৪৫।
২৭ পৰমানন্দ মজুমদাৰ (সম্পা.)। *আদিবাদ্য*। ভাৰতীয় গণনাট্য সংঘৰ নৱম ৰাজ্যিক সন্মিলন আৰু সাংস্কৃতিক উৎসৱ, অক্টোবৰ, ২০০৯, পৃষ্ঠা ৫।
২৮ ড° হীৰেন গোহাঁই। *সূৰ্যোদয়ৰ প্ৰতীক্ষাত*। গুৱাহাটী: অশোক বুকষ্টল, ২০১২, পৃষ্ঠা ২১২।
২৯ অৰুণ শৰ্মা। *নাট্য প্ৰসংগ আৰু অন্যান্য ৰচনা*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০১২, পৃষ্ঠা ১৭৮।
৩০ Eric Bentley. *The Playwright as a Thinker: A Study of Drama in Modern Times*, Minneapolis: University of Minnesota Press, 1987. p. 295

# লেখক-পৰিচিতি

অমিয়কুমাৰ দাস। দেৰগাঁও কলেজৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক। জন্ম ১৯৭৪ চনত। প্ৰাবন্ধিক।

(ড°) কঙ্কণ ডেকা। দৰং কলেজৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক। জন্ম ১৯৭২ চনত। ৰাজনীতি আৰু ইতিহাসবিষয়ক প্ৰবন্ধপাতিৰ লেখক।

(ড°) চন্দ্ৰমোহন শৰ্মা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক। জন্ম ১৯৪১ চনত। অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি আৰু ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি। *সাপ্তাহিক জনজীৱন* কাকতৰ একালৰ সম্পাদক আৰু *নতুন পৃথিৱী আলোচনীখনৰ* সম্পাদকমণ্ডলীৰ প্ৰাক্তন সদস্য। বহু জনপ্ৰিয় প্ৰবন্ধ আৰু মূল্যৱান গৱেষণাপত্ৰৰ লেখক। *বিজ্ঞান আৰু সমাজ, বিজ্ঞানী ৰাষ্ট্ৰপতি আব্দুল কালাম* আৰু *মানৱসেৱাত বিজ্ঞান* শীৰ্ষক কিতাপ তিনিখনৰ উপৰি বহু পাঠ্যপুথিৰ প্ৰণেতা।

(ডাঃ) জয়দেৱ শৰ্মা। গুৱাহাটী মেডিকেল কলেজৰ এনাটমি বিভাগৰ অধ্যাপক। জন্ম ১৯৫৮ চনত। *মানৱ-শৰীৰৰ চমু আভাস* (অসম সাহিত্য সভাৰ ২০০২ চনৰ লখিমপুৰ অধিৱেশনত অসমীয়া বিজ্ঞান সাহিত্যৰ সেই বছৰৰ শ্ৰেষ্ঠ গ্ৰন্থৰূপে বিবেচিত) আৰু ডাঃ ইলিয়াছ আলিৰে সৈতে যুটীয়াভাৱে প্ৰনয়ণ কৰা *কুৰি শতিকাৰ মহাব্যাধি — এইডছ* গ্ৰন্থ দুখনৰ বাবে সুপৰিচিত। বিশিষ্ট প্ৰাবন্ধিক আৰু সমাজকৰ্মী। ২০০৪ চনত প্ৰতিষ্ঠিত ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক।

(ড°) দুলুমণি গোস্বামী। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপক। জন্ম ১৯৬৯ চনত। বহু গুৰুত্বপূৰ্ণ গৱেষণাপত্ৰ আৰু জনপ্ৰিয় প্ৰবন্ধৰ লেখক। *Literacy and Development with Special Reference to North-East India, Higher Education in India: Growth, Expansion and Issues*, আৰু *Philosophy of Education* লেখকৰ উল্লেখযোগ্য তিনিখন গ্ৰন্থ। *Education in North-East India* ড° গোস্বামী সম্পাদিত এখন মূল্যৱান কিতাপ।

Acc. No. 45151
Date 14/2/20

(ড°) **মনোজকুমাৰ চুতীয়া**। নগাঁও ছোৱালী কলেজৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক। জন্ম ১৯৭৫ চনত। বিশিষ্ট প্ৰাবন্ধিক। স্নাতক মহলাৰ ছাত্ৰছাত্ৰীৰ বাবে তেওঁৰ ৰচিত *শৈক্ষিক আৰু মনোবৈজ্ঞানিক পৰিমাপন* আৰু *শিক্ষা পৰিসংখ্যা বিজ্ঞান* নামৰ কিতাপ দুখন ছাত্ৰসমাজৰদ্বাৰা সমাদৃত হৈছে।

(ড°) **মামণি বৰঠাকুৰ**। গুৱাহাটী কলেজৰ ইতিহাস বিভাগৰ সহযোগী অধ্যাপিকা। জন্ম ১৯৫৭ চনত। বিশিষ্ট প্ৰাবন্ধিক আৰু ইতিহাসবিষয়ক চাৰিখন পাঠ্যপুথিৰ প্ৰণেতা।

(ড°) **মীৰা দেৱী**। লক্ষীপুৰ কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা। জন্ম ১৯৫৪ চনত। বিশিষ্ট প্ৰবন্ধকাৰ আৰু *অসমীয়া উপন্যাসত নাৰীবাদ, মেচপাৰাৰ জমিদাৰ নগেন্দ্ৰনাথ চৌধুৰী* আৰু *আৱাহনৰ গুৰিকথা* গ্ৰন্থ তিনিখনৰ প্ৰণেতা। নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ অসম ৰাজ্যিক সমিতিৰ সদস্য আৰু অনুষ্ঠানটিৰ গোৱালপাৰা জিলা সমিতিৰ সম্পাদক।

**সহজানন্দ ওজা**। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ। জন্ম ১৯৪২ চনত। খেলুৱৈ, বিশিষ্ট ক্ৰীড়া সংগঠক আৰু প্ৰাবন্ধিক। এসময়ৰ কৃতী সাংবাদিক আৰু *আমাৰ নগাঁও* নামৰ সাপ্তাহিক কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক।

(ড°) **সাগৰ বৰুৱা**। খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ। জন্ম ১৯৫৮ চনত। লেখকৰ বহু গৱেষণাপত্ৰ প্ৰকাশিত হোৱাৰ উপৰি তেওঁৰ *ভাৰতৰ স্বাধীনতা আন্দোলনত অসম* (দুই খণ্ডত সম্পূৰ্ণ), *History of the Non-Cooperation Movement in Assam*, *ইতিহাস-চৰ্চা*, *Migration of East Bengal Peasants into Assam; Response and Reaction* আৰু *ইতিহাস অনুসন্ধান* নামৰ গ্ৰন্থকেইখনো প্ৰকাশিত হৈছে।

**সুবোধ মল্ল বৰুৱা**। *দৈনিক অসম* কাকতৰ ক্ৰীড়া বিভাগৰ চীফ অৱ দ্য নিউজ ব'ৰ্ড। জন্ম ১৯৫৩ চনত। *বিখ্যাত ফুটবলাৰৰ ল'ৰালিকাল, জীৱন যৌৱন ক্ৰীড়াঙ্গন* আৰু *অসম ফুটবলৰ বৰ্ণিল যাত্ৰা* নামৰ ক্ৰীড়াবিষয়ক গ্ৰন্থ তিনিখন প্ৰণয়ন কৰাৰ উপৰি *যাত্ৰাৰ আঁৰৰ যাত্ৰা* নামৰ উপন্যাস এখনৰো তেওঁ প্ৰণেতা। নিৰ্মল সেন সম্পাদিত *History of Indian Football* নামৰ কিতাপখনত অসম তথা উত্তৰ-পূব ভাৰতৰ ফুটবলৰ ইতিহাস লেখা এইজন বিশিষ্ট প্ৰবন্ধকাৰৰ কিছু লেখাৰ এটি সঙ্কলন ক্ৰীড়া-সাংবাদিক *সুবোধ মল্ল বৰুৱাৰ ৰচনা সমগ্ৰ* (প্ৰথম খণ্ড) ২০১৪ চনত প্ৰকাশিত হৈছে।

* * *

ড° জ্যোতিৰ্ময় জানা। নগাঁও ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক আৰু একালৰ সাংবাদিক। প্ৰকাশিত গ্ৰন্থ: *দেৱাসুৰ আৰু দুই জাতি*, *ৰুদ্ৰৰাম বৰদলৈৰ বঙ্গাল বঙ্গালনী নাটক: মূল নাটক আৰু আলোচনা*। সম্পাদিত গ্ৰন্থ: *সুনীল আকাশ সোণালী দিগন্ত: নাৰীশিক্ষা বিষয়ক প্ৰবন্ধ সংকলন* (ড° মঞ্জু লস্কৰৰ সৈতে) আৰু *History at a Cross-Roads: Three Essays on Nineteenth-Century Assam*। জন্ম ১৯৫৩ চনত।

ড° মঞ্জু লস্কৰ। নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা। প্ৰবন্ধ সংকলন: *অতুলচন্দ্ৰ হাজৰিকাৰ নৰকাসুৰ*, *শৈৱ আৰু শাক্তধৰ্ম: উৎসৰপৰা অসমলৈ*, *হৰিনাৰায়ণ দত্ত বৰুৱাৰ জীৱন আৰু সাহিত্যকৃতি*, *কীৰ্তন পুথি আৰু সম্পাদনা*, *মামণি ৰয়ছম গোস্বামীৰ মামৰে ধৰা তৰোৱাল: স্বপ্ন-দুঃস্বপ্নৰ দিনলিপি*, *প্ৰেমচন্দ্ৰৰ কফন*, *পত্ৰলেখাৰ দাপোণত লক্ষ্মীনাথ বেজবৰুৱা* ইত্যাদি। কবিতাপুথি: আকৌ উপনিষদ। সম্পাদিত গ্ৰন্থ: *সময় বালিৰ খোজ*, *আকাশ*, *সুনীল আকাশ সোণালী দিগন্ত: নাৰীশিক্ষা বিষয়ক প্ৰবন্ধ সংকলন* (জ্যোতিৰ্ময় জানাৰ সৈতে) ইত্যাদি।। জন্ম ১৯৬০ চনত।

ISBN 978-93-85510-04-5

₹ 300